UG SO S3-01
(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)
তৃতীয় ষাণ্মাসিক

সমাজতাত্ত্বিক তত্ত্ব

সমাজতত্ত্ব

সূর্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক জ্যোতি প্রসাদ শইকীয়া, ডিব্রুগড় বিশ্ববিদ্যালয়

ড° নির্মালী গোস্বামী, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১ আৰু ২	মণ্টু কুমাৰ দৈমাৰী, ভাৰতীয় প্রযুক্তিবিদ্যা প্রতিষ্ঠান, বোম্বে	নিলীমা হাজাৰী (অধ্যায় ১) চেলিম শইকীয়া (অধ্যায় ২)
৩ আৰু ৪	মৃদুস্মিতা কাশ্যপ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ইদন চুলতানা আহমেদ, স্বতন্ত্রতৰীয় লিখক
৫	ড° চন্দনা শর্মা, কটন বিশ্ববিদ্যালয়	ময়ূৰী ভাগৰতী, নেৰিম
৬	ড° চন্দনা শর্মা, কটন বিশ্ববিদ্যালয়	ৰজত দত্ত, গীতাঞ্জলি মেধি
	গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
৭	গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গীতাঞ্জলি মেধি, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
৮	মণ্টু কুমাৰ দৈমাৰী, ভাৰতীয় প্রযুক্তিবিদ্যা প্রতিষ্ঠান, বোম্বে	গীতাঞ্জলি মেধি, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
৯	মণ্টু কুমাৰ দৈমাৰী, ভাৰতীয় প্রযুক্তিবিদ্যা প্রতিষ্ঠান, বোম্বে	গীতাঞ্জলি মেধি, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
১০	গ্রীটেন গয়াৰী, ভাৰতীয় প্রযুক্তিবিদ্যা প্রতিষ্ঠান, বোম্বে	গীতাঞ্জলি মেধি, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
১১	ড° শ্বাবিনা য়াচমিন শইকীয়া, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়	ময়ূৰী ভাগৰতী, নেৰিম
১২	যোৱানিতা কাকতি আৰু ড° শ্বাবিনা য়াচমিন শইকীয়া	ড° ৰূপৰেখা বৰদলৈ
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
১৩ আৰু ১৪	অনন্যা গগৈ, ডিব্রুগড় বিশ্ববিদ্যালয়	গীতাঞ্জলি মেধি, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়

সম্পাদনা ঃ

মূল ইংৰাজী সম্পাদনা ঃ অধ্যাপক জ্যোতি প্রসাদ শইকীয়া, ডিব্রুগড় বিশ্ববিদ্যালয়

অসমীয়া ভাষা সম্পাদনা ঃ ড° স্বপ্না স্মৃতি মহন্ত, কে. চি. দাস কমার্চ কলেজ, গুৱাহাটী

গাঁথনিক সম্পাদনা ঃ ড° ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

পুনৰ মুদ্রণ ঃ মার্চ ২০২২

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্য্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in

নগৰ কার্য্যালয় ঃ ৰাষ্ট্রীয় ঘাইপথ নং- ৩৭, ৰেচম নগৰ, খানাপাৰা (বড়োলেণ্ড গেষ্টহাউচৰ সমীপত) গুৱাহাটী- ৭৮১০২২

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **সমাজতত্ত্ব আৰু সমাজতাত্ত্বিক চিন্তাধাৰাৰ উত্থান** ৭ - ২৮

সমাজতত্ত্ব আৰু সমাজতাত্ত্বিক চিন্তাধাৰাৰ উত্থান; প্ৰবুদ্ধি ঃ বৈজ্ঞানিক বিপ্লৱ আৰু প্ৰবুদ্ধি, প্ৰবুদ্ধিৰ যুগ, প্ৰবুদ্ধিৰ প্ৰতি ৰক্ষণশীল প্ৰতিক্ৰিয়া; প্ৰত্যক্ষবাদ ঃ তিনি তৰপীয়া নীতি; সমাজতত্ত্বৰ দুটা ভিন্ন ধাৰাৰ বিকাশ ঃ সংৰচনাত্মক প্ৰকাৰ্য্যবাদ, সংঘাত দৃষ্টিভঙ্গী

অধ্যায় ২ ঃ **সমাজতত্ত্বৰ উত্থানৰ আঁৰত ক্ৰিয়াশীল সামাজিক শক্তিসমূহ** ২৯ - ৪৯

ফৰাছী বিপ্লৱ ঃ বিপ্লৱৰ কাৰণসমূহ, এষ্টেট জেনেৰেল/সাধাৰণ সভা আৰু জাতীয় সভাৰ উত্থান (১৭৮৯-১৭৯১), বেষ্টাইল আক্ৰমণ, সামন্তবাদৰ আৱসান, ব্যক্তি আৰু নাগৰিকৰ ঘোষণা-পত্ৰ, সংবিধান ৰচনা, চুবুৰীয়া দেশসমূহৰ সৈতে যুদ্ধ, জাতীয় অভিৱৰ্তন (১৭৯২-১৭৯৫), ডাইৰেক্ট'ৰী (১৭৯৫-১৭৯৯); ঔদ্যোগিক বিপ্লৱ ঃ উদ্ভাৱনসমূহ, পৰিবহন আৰু যোগাযোগ, কৃষি বিপ্লৱ আৰু ঔদ্যোগিক বিপ্লৱ, পাৰিবেষ্টনী (Enslosure) আন্দোলন, কল-কাৰখানা ব্যৱস্থা, শোষণ, নগৰ আৰু বস্তি অঞ্চল বৃদ্ধি

অধ্যায় ৩ ঃ **অগাষ্ট ক'ট (AUGUSTE COMTE)** ৫০ - ৬১

অগাষ্ট ক'ট ঃ সমাজতত্ত্বৰ প্ৰতিষ্ঠাপক; ক'টৰ সমাজতাত্ত্বিক দৃষ্টিভঙ্গী ঃ প্ৰত্যক্ষবাদ, ত্ৰিস্তৰীয় বিধান; সামাজিক শৃঙ্খলা আৰু বিকাশ; সমাজ অধ্যয়নৰ পদ্ধতি; শ্ৰেণী, লিঙ্গ আৰু প্ৰজাতি; সামৰণি

অধ্যায় ৪ ঃ **হাৰ্বাৰ্ট স্পেনচাৰ (HERBERT SPENCER)** ৬২ - ৭১

হাৰ্বাৰ্ট স্পেনচাৰ ঃ বৌদ্ধিক দিশৰ তুলনা; বিৱৰ্তনবাদ ঃ সমাজৰ প্ৰকাৰ; স্পেনচাৰৰ দৃষ্টিত সমাজতত্ত্ব; সামাজিক অঙ্গীবাদ বা সামাজিক জৈৱ মতবাদ; প্ৰকাৰ্য্যবাদ

অধ্যায় ৫ ঃ **ইমাইল দুৰখেইম-১** ৭২ - ৮৪

সমাজতত্ত্ব সম্পৰ্কে মতামত আৰু ইয়াৰ বিচাৰ পদ্ধতি; সামাজিক তথ্য ঃ সংজ্ঞা ঃ বৈশিষ্ট্য, সামাজিক তথ্য নিৰীক্ষণৰ নীতি, সামাজিক তথ্য বৰ্ণনাৰ নীতি, সামাজিক তথ্যৰ সমাজতাত্ত্বিক বৰ্ণনাৰ পৰীক্ষা, প্ৰকাৰ; শ্ৰমৰ বিভাজন; সামাজিক সংহতি ঃ যান্ত্ৰিক সংহতি, জৈৱিক সংহতি; দুৰখেইমৰ অৱদানৰ সমালোচনা

অধ্যায় ৬ ঃ **দুৰখেইম ঃ আত্মহত্যা আৰু শিক্ষা** ৮৫ - ৯৭

ইমাইল দুৰখেইম আৰু আত্মহত্যা ঃ আত্মহত্যাৰ প্ৰকাৰ; ইমাইল দুৰখেইমৰ শিক্ষা সম্পৰ্কীয় মত ঃ শিক্ষা আৰু সামাজিকীকৰণ, সামাজিক সংহতি আৰু নৈতিক শিক্ষা, নৈতিক শিক্ষাৰ প্ৰশিক্ষণ স্তৰ

অধ্যায় ৭ ঃ **কার্ল মার্ক্স ঃ হেগেল, এঙ্গেলছ্ আৰু দ্বন্দ্বমূলক বস্তুবাদৰ সৈতে মার্ক্সৰ সম্বন্ধ** ৯৮ - ১০৮
কার্ল মার্ক্সৰ বৌদ্ধিক উৎস ঃ কার্লমার্ক্স আৰু ফ্রেডৰিক এঙ্গেলছ্; দ্বন্দ্বমূলক বস্তুবাদ ঃ সামাজিক শ্রেণী, পুঁজিবাদী সমাজত শ্রেণীসংঘাত; সমালোচনা

অধ্যায় ৮ ঃ **কার্ল মার্ক্স ঃ ৰাহি মূল্যতত্ত্ব** ১০৯ - ১১৬
ব্যৱহার্য্য মূল্য আৰু বিনিময় মূল্য; মূল্যৰ শ্রমতত্ত্ব; ৰাহি মূল্যতত্ত্ব ঃ সর্বোচ্চ আৰু তুলনামূলক ৰাহি মূল্য

অধ্যায় ৯ ঃ **কার্ল মার্ক্স ঃ বিচ্ছিন্নতা তত্ত্ব** ১২১ - ১৩২
বিচ্ছিন্নতাৰ অর্থ; বিচ্ছিন্নতাৰ প্রকৃতি; কাৰণ আৰু পৰিণাম; বিচ্ছিন্নতাৰ চাৰিটা প্রধান দিশ

অধ্যায় ১০ ঃ **জ'র্জ চিমেল ঃ ধাৰণাবাদী দৃষ্টিভঙ্গী** ১৩৩ - ১৪৩
ব্যক্তি, সমাজ আৰু আনুষ্ঠানিক সমাজতত্ত্ব; মহানগৰ আৰু আদর্শগত জীৱন; চৌখিনতা (Fashion); মুদ্রাৰ দর্শন (Philosophy of Money); সামৰণি

অধ্যায় ১১ ঃ **মেক্স ৰেবাৰ ঃ সামাজিক ক্রিয়া** ১৪৪ - ১৫৫
সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ উপলব্ধি ঃ সামাজিক ক্রিয়া, সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ অর্থ; প্রাকৃতিক বিজ্ঞান আৰু সামাজিক বিজ্ঞান; সমাজতত্ত্ব অধ্যয়নৰ পদ্ধতি; মেক্স ৰেবাৰৰ অৱদানৰলীৰ সমালোচনাত্মক সমীক্ষা

অধ্যায় ১২ ঃ **মেক্স ৰেবাৰ ঃ আদর্শ নমুনা, কর্তৃত্ব আৰু আমোলাতন্ত্র** ১৫৬ - ১৬৪
আদর্শ নমুনা (Ideal Type) ঃ সংজ্ঞা, বৈশিষ্ট্য, আদর্শ নমুনা আৰু সাধাৰণ বোধৰ মাজত পার্থক্য, আদর্শ নমুনাৰ ব্যৱহাৰ, আদর্শ নমুনাৰ গঠনৰ পদ্ধতি, প্রকাৰ; কর্তৃত্ব; আমোলাতন্ত্র ঃ বৈশিষ্ট্য, সুবিধা, অসুবিধা; ৰেবাৰৰ অৱদানৰ সমালোচনাত্মক মূল্যাঙ্কন

অধ্যায় ১৩ ঃ **মেক্স ৰেবাৰ ঃ ধর্ম আৰু পুঁজিবাদ** ১৬৫ - ১৭৭
ধর্ম আৰু অর্থনীতি বিষয়ক ৰচনা; পুঁজিবাদৰ প্রাণ ঃ শৃঙ্খলাৰদ্ধ শ্রমিক শক্তি, পুঁজিৰ নিয়ন্ত্রিত বিনিয়োগ, আধুনিক পুঁজিবাদৰ আঁৰৰ অন্য ক্রিয়াশীল শক্তি; নীতিশাস্ত্র ঃ আধ্যাত্মিক আহ্বানৰ ধাৰণা, অদৃষ্টবাদ, যুক্তিযুক্ততা আৰু ইয়াৰ লৌহকঠিন সংৰচনা; ধর্ম বিষয়ক অন্য ৰচনা

অধ্যায় ১৪ ঃ **ভিলফ্রেড' পাৰেট'** ১৭৮ - ১৯২
সমাজতত্ত্বৰ বিষয়বস্তু ঃ যৌক্তিক কার্য্য, অ-যৌক্তিক কার্য্য, আধুনিক পুঁজিবাদৰ আঁৰৰ অন্য ক্রিয়াশীল শক্তি; অৱশেষ ঃ অৱশেষৰ প্রকাৰ; সিদ্ধান্ত; অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন ঃ অতি ক্ষমতাশালী শাসক শ্রেণী আৰু শাসন নকৰা অতি ক্ষমতাশালী শ্রেণী, শিয়াল আৰু সিংহ

পাঠ্যবিষয়ৰ পৰিচয়

আমি সকলোৱে এইটো জানো যে তত্ত্ব যিকোনো বিষয়ৰে আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান। তত্ত্বৰ এই গুৰুত্বৰ কথা মনত ৰাখি 'সমাজতাত্ত্বিক তত্ত্ব' বিষয়ৰ এই বিশেষ পাঠ্যবিষয়ত সমাজতত্ত্বৰ কিছুমান প্ৰাথমিক তত্ত্বৰ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। **প্ৰথম অধ্যায়**টোত সমাজতত্ত্বৰ উদ্ভৱৰ আঁৰত ক্ৰিয়াশীল বৌদ্ধিক কাৰক বা শক্তিসমূহৰ আলোচনা আগবঢ়োৱা হৈছে। **দ্বিতীয় অধ্যায়**ত উদ্যোগ বিপ্লৱ আৰু ফৰাচী বিপ্লৱৰ নিচিনা কাৰকসমূহৰ অৱদানৰ কথা আলোচিত হৈছে যিয়ে সমাজতত্ত্বক এটা বিদ্যায়তনিক বিষয় হিচাপে গঢ় দিয়াত সহায় কৰিছে। **তৃতীয় অধ্যায়**টোত সমাজতত্ত্বলৈ অগাষ্ট কট'ৰ অৰিহণাৰ বিষয়ে আলোচনা সন্নিৱিষ্ট হৈছে। **চতুৰ্থ অধ্যয়**ত হাৰ্বাৰ্ট স্পেনচাৰৰ গুৰুত্বপূৰ্ণ ধাৰণাসমূহ, চিন্তা-চৰ্চা আৰু যুক্তিনিষ্ঠ মতামতসমূহ আলোচনা কৰা হৈছে। **পঞ্চম অধ্যায়**টোত ইমাইল দুৰখেইমৰ কেইটামান গুৰুত্বপূৰ্ণ ধাৰণ আৰু তত্ত্বসমূহ, যেনে— সামাজিক তথ্য, শ্ৰমৰ বিভাজন আৰু সামাজিক সংহতিৰ আলোচনা কৰা হৈছে। **ষষ্ঠ অধ্যায়**ত পুনৰ ইমাইল দুৰখেইমৰ প্ৰসঙ্গ অনা হৈছে য'ত তেওঁৰ দৃষ্টিভঙ্গী আৰু যুক্তিৰ মাজেদি আত্মহত্যা আৰু শিক্ষাৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা হৈছে। **সপ্তম অধ্যায়**ত শ্ৰেণী আৰু শ্ৰেণী সংঘাত বিষয়ক মাৰ্ক্সৰ ধাৰণা আলোচনা কৰা হৈছে। ইয়াৰ পিছৰ **অষ্টম অধ্যায়**ত কাৰ্লমাৰ্ক্সৰ ৰাহি মূল্যতত্ত্বৰ কথা আলোচনা কৰা হৈছে। **নৱম অধ্যায়**ত কাৰ্লমাৰ্ক্সৰ অন্য এটা তত্ত্ব বিচ্ছিনতাৰ আলোচনা আগবঢ়োৱা হৈছে। **দশম অধ্যায়**টোৱে জ'জ চিমেলৰ ধাৰণাসমূহ আলোচনা কৰা হৈছে। **একাদশ অধ্যায়**ত মেক্স ৱেবাৰৰ এটা অতি গুৰুত্বপূৰ্ণ অৱদান-সামাজিক ক্ৰিয়াৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। **দ্বাদশ অধ্যায়**ত মেক্স ৱেবাৰৰ অন্যান্য কেইটামান গুৰুত্বপূৰ্ণ ধাৰণা যেনে— আদৰ্শ নমুনা, কৰ্তৃত্ব আৰু আমোলতন্ত্ৰৰ আলোচনা আগবঢ়োৱা হৈছে। **ত্ৰয়োদশ অধ্যায়**ত শিক্ষাৰ্থীক ধৰ্ম আৰু পুঁজিবাদৰ মাজত থকা সম্বন্ধটোৰ আলোচনা আগবঢ়োৱা হৈছে। **চতুৰ্দশ** অৰ্থাৎ **অন্তিম অধ্যায়**টোত ভিলফ্ৰেডচ পেৰেড'ৰে আগবঢ়োৱা ধাৰণাসমূহ আলোচনা কৰা হৈছে।

অধ্যায় ১ ঃ সমাজতত্ত্ব আৰু সমাজতাত্ত্বিক চিন্তাধাৰাৰ উত্থান

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

  ১.২.১ সমাজতত্ত্ব আৰু সমাজতাত্ত্বিক চিন্তাধাৰাৰ উত্থান

১.৩ প্রবুদ্ধি

  ১.৩.১ বৈজ্ঞানিক বিপ্লৱ আৰু প্রবুদ্ধি

  ১.৩.২ প্রবুদ্ধিৰ যুগ

  ১.৩.৩ প্রবুদ্ধিৰ প্রতি ৰক্ষণশীল প্রতিক্রিয়া

১.৪ প্রত্যক্ষবাদ

  ১.৪.১ তিনি তৰপীয়া নীতি

১.৫ সমাজতত্ত্বৰ দুটা ভিন্ন ধাৰাৰ বিকাশ

  ১.৫.১ সংৰচনাত্মক প্রকার্য্যবাদ

  ১.৫.২ সংঘাত দৃষ্টিভঙ্গী

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইউৰোপত সমাজতত্ত্ব আৰু সমাজতাত্ত্বিক চিন্তাধাৰাৰ উত্থানৰ গুৰুত্বপূর্ণ কাৰকসমূহ জানিব পাৰিব
- সমাজতত্ত্বৰ আটাইতকৈ গুৰুত্বপূর্ণ বৌদ্ধিক কাৰকটো, যিটো প্রবুদ্ধি হিচাপে জনাজাত সেই বিষয়ে জানিব পাৰিব
- প্রবুদ্ধিৰ ফ্রাৰ কিছুমান বৌদ্ধিক বিকাশ সম্পর্কে কিছু কথা জানিব পাৰিব।
- বৈজ্ঞানিক বিপ্লৱ আৰু প্রবুদ্ধিৰ মাজৰ সম্পর্কৰ বিষয়ে জানিব পাৰিব।
- আগষ্ট ক'টৰ "প্রত্যক্ষবাদ" ধাৰণাটোৰ বিষয়ে জানিব পাৰিব।
- সমাজতত্ত্বৰ দুটা ভিন্ন ধাৰা, সংৰচনাত্মক কার্য্যবাদ আৰু সংঘাত দৃষ্টিভঙ্গীৰ বিষয়ে জানিব পাৰিব।

১.২ পৰিচয়

সমাজতত্ত্বৰ এক শৈক্ষিক বিষয় হিচাপে ঊনৈশ শতিকাৰ প্ৰাৰম্ভিক পৰ্য্যায়ত উত্থান ঘটিছিল। আগষ্ট ক'ট নামৰ এজন ফৰাছীবিদে (১৭৯৮-১৮৫৭) 'সমাজতত্ত্ব' শব্দটো পোন প্ৰথমে প্ৰয়োগ কৰিছিল। তেখেতৰ গ্ৰন্থ "Positive Philosophy"ত ১৮৩৯ চনত প্ৰথমে এই শব্দটো উল্লেখ কৰিছিল। সমাজতত্ত্ব শব্দটো দুটা শব্দ ক্ৰমে লেটিন শব্দ 'Socius' আৰু গ্ৰীক শব্দ 'Logos'ৰ পৰা আহিছে। 'Socius'ৰ অৰ্থ হ'ল 'সহযোগী' (Association) অথবা 'সঙ্গী' (Companions) অথবা 'সমাজ' (Society)। আনহাতে, 'Logos'ৰ অৰ্থ হ'ল 'অধ্যয়ণৰ বিষয়' (Studyof) অথবা 'বিজ্ঞান' (Science)। সেয়েহে, সমাজতত্ত্ব বুৎপত্তিগত অৰ্থ হ'ল 'সমাজৰ অধ্যয়ন' (Study of Society)। ক'টেই সমাজতত্ত্ব এক প্ৰত্যক্ষবাদী বিজ্ঞান, সামাজিক বিশ্বৰ অপৰিৱৰ্তিত নীতিৰ অনুসন্ধানৰ এক বিষয় হিচাপে সংজ্ঞা দিছে। আমি এই অধ্যায়ত সমাজতত্ত্ব আৰু সমাজতাত্ত্বিক চিন্তাধাৰাৰ উত্থানৰ বিষয়ে আলোচনা কৰিম।

১.২.১ সমাজতত্ত্ব আৰু সমাজতাত্ত্বিক চিন্তাধাৰাৰ উত্থান

সমাজৰ বিষয়ে পৰম্পৰাগত অধ্যয়ন কোনো নতুন বিষয় নহয়। সমাজতত্ত্বক প্ৰায়েই "এক দীৰ্ঘ অতীত, কিন্তু মাত্ৰ এক চমু ইতিহাস" হিচাপে বুজোৱা হয়। কিছুমানে ইয়াৰ উৎপত্তি গ্ৰীক দাৰ্শনিক এৰিষ্ট'টল (৩৮৮-৩২৭ খ্ৰীঃপূঃ) আৰু প্লেট' (৪২৭-৩৪৭ খ্ৰীঃপূঃ)ৰ লগত জড়িত কৰে। কিছুসংখ্যকে ইবন খাল্ডুন (১৩৩২-১৪০৬) নামৰ উত্তৰ আফ্ৰিকাৰ এজন আৰবী ইছলামীয় পণ্ডিতক প্ৰথম সমাজতত্ত্ববিদ বুলি অভিহিত কৰে। সামাজিক ঐক্য আৰু সামাজিক সংঘাতৰ বিষয়ে আলোচিত খাল্ডুনৰ গ্ৰন্থ Muqaddimahক সমাজ-বৈজ্ঞানিক ধাৰণাৰ বিকাশ সম্পৰ্কীয় প্ৰথম ৰচনা হিচাপে বিবেচনা কৰা হয়। যি কি নহওঁক, বৰ্তমান সময়ত সমাজতত্ত্বৰ বিকাশৰ ধাৰণাটো বুজিবলৈ সপ্তদশ আৰু অষ্টাদশ শতিকাৰ ইউৰোপৰ মূল পৰিৱৰ্তনসমূহক অগ্ৰাধিকাৰ দিব লাগিব। Tom Buttomoreৰ মতে, "সমাজতত্ত্বৰ বিকাশৰ মূল চৰ্ত বৌদ্ধিক আৰু সামাজিক দুয়োটাই।" সেই বৌদ্ধিক আৰু সামাজিক চৰ্তসমূহ সপ্তদশ আৰু অষ্টাদশ শতিকাৰ প্ৰবুদ্ধিৰ যুগক আৰু সামাজিক চৰ্তই ১৭৮৯ চনৰ ফৰাছী বিপ্লৱ তথা উদ্যোগিক বিপ্লৱক সামৰি লয়।

প্ৰবুদ্ধি (পৰৱৰ্তী ভাগত বহলাই আলোচনা কৰা হৈছে)য়ে সপ্তদশ আৰু অষ্টাদশ শতিকাৰ ইউৰোপৰ বৌদ্ধিক আন্দোলনক বুজায়। এই সময়ছোৱাত ইউৰোপীয় চিন্তাধাৰাৰ বিশেষ পৰিৱৰ্তন হৈছিল। জ্ঞানৰ একমাত্ৰ আধিপত্য থকা উৎস গীৰ্জাক সেই সময়ত কঠোৰভাৱে প্ৰশ্ন সোধা আৰু প্ৰত্যাহ্বান জনোৱা হৈছিল। বিশ্বাস আৰু অন্ধবিশ্বাসৰ সলনি অভিজ্ঞতা আৰু যুক্তিযুক্ততাক অধিক গুৰুত্ব দিয়া হৈছিল। মুঠতে এই ধাৰণাই সমাজত নতুন চিন্তাধাৰাৰ অৱতাৰণা কৰিছিল।অন্য অৰ্থত ই আছিল চিন্তাৰ

নতুন যুগ। ব্রিটেইন, ফ্রান্স আৰু সমগ্র ইউৰোপৰ প্রবুদ্ধিবাদী চিন্তাবিদসকল পৰম্পৰাগত বিশ্বাস আৰু কর্তৃত্বৰ সমালোচনা কৰিছিল। সমাজত ধর্মনিৰপেক্ষ, উদাৰবাদী আৰু গণতান্ত্রিক অৱধাৰণাৰ অগ্রগতিক গুৰুত্ব দিছিল। জর্জ ৰিট্জাৰৰ মতে, প্রবুদ্ধিৰ বিকাশৰ সময়ছোৱাত সমাজ জীৱনৰ লগত জড়িত বহুসংখ্যক দীর্ঘদিনীয়া বিশ্বাস আৰু ধাৰণাক অগ্রাহ্য তথা সলনি কৰা হৈছিল।

ফৰাছী বিপ্লৱ (দ্বিতীয় অধ্যয়ত বিতংকৈ আলোচনা কৰা হৈছে)ৰ সূচনা হৈছিল ১৭৮৯ চনত আৰু ১৭৯৯ চন পর্য্যন্ত ই চলি আছিল। এই সময়ছোৱাত সংঘটিত সামাজিক আৰু ৰাজনৈতিক আন্দোলনে দেশখনৰ সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক দিশত উল্লেখযোগ্য পৰিৱর্তন সাধন কৰিছিল। প্রবুদ্ধিবাদী ধ্যান-ধাৰণাই ফৰাছী বিপ্লৱক যথেষ্ট পৰিমাণে প্রভাৱিত কৰিছিল। ফৰাছী বিপ্লৱে চৰম ৰাজতন্ত্র, জমিদাৰী অর্থনীতি, সামাজিক অসমতা, ৰাষ্ট্র আৰু গীর্জাৰ মিত্রতা আদি পুৰণি সাম্রাজ্যবাদী শাসন বৈশিষ্ট্যক আঁতৰাই নতুন ৰাজনৈতিক আদর্শৰ প্রচলন কৰিছিল। ফৰাছী বিপ্লৱৰ শ্লোগান "উদাৰতা, সমতা আৰু ভ্রাতৃত্ববোধ"ৰ মাজত এই আদর্শ প্রতিফলিত হৈছিল। এডৱার্ড ৰইছে এই বিপ্লৱক "ৰাজকীয় নিষ্ঠুৰতাবাদ, বংশানুক্রমিক সুবিধা উপভোগ আৰু অর্থনৈতিক শোষণৰ বিৰুদ্ধে আৰু গণতান্ত্রিক চৰকাৰ, ৰাজনৈতিক সমতা আৰু মানৰ অধিকাৰ প্রতিষ্ঠাৰ এক বিপ্লৱ" হিচাপে আখ্যা দিছিল। আনহাতে, ফৰাছী বিপ্লৱো "ৰাজকীয় সন্ত্রাস"ৰ দৰে হিংসাত্মক পর্য্যায়ৰ মাজেৰে পাৰ হৈছিল, যাৰ কাৰণে এই বিপ্লৱক সমাজত "সামাজিক বিশৃঙ্খলতা" সৃষ্টিৰ এক চৰম কাৰণ হিচাপে দেখা গৈছিল।

অষ্টাদশ আৰু ঊনবিংশ শতিকাৰ শেষৰ ফালৰ ঔদ্যোগিক বিপ্লৱ (দ্বিতীয় অধ্যায়ত বিতংকৈ আলোচনা কৰা হৈছে)ৰ কালছোৱা ইউৰোপীয় অর্থনৈতিক ইতিহাসৰ এক উল্লেখযোগ্য সময়। এই বিপ্লৱ প্রথমে ইংলেণ্ডত আৰম্ভ হৈছিল আৰু ক্রমে ইউৰোপৰ আন দেশসমূহ, যেনে— জার্মানী, ফ্রান্স, বেলজিয়াম, ইটালীৰ উপৰি আমেৰিকা (বিশেষকৈ উত্তৰ আমেৰিকা)তো বিয়পি পৰিছিল। এই সময়ছোৱাত ইউৰোপীয় সমাজখন বহু পৰিমাণে সলনি হৈছিল। উদাহৰণ স্বৰূপে, এই বিপ্লৱৰ ফলত মূলতঃ কৃষিজীৱি অর্থনীতিৰে পৰিচালিত ইউৰোপীয় সমাজখনে ঔদ্যোগিক অথবা কল-কাৰখানাকেন্দ্রিক অর্থনীতিৰে পৰিচালিত হ'বলৈ আৰম্ভ কৰিছিল; গ্রাম্য সমাজবোৰ নগৰীয়া আৰু ঔদ্যোগিক সমাজলৈ ৰূপান্তৰিত হৈছিল; হস্তশিল্প অথবা মানৱীয় শ্রমৰ স্থানত যন্ত্র-পাতিৰ প্রয়োগ ঘটিছিল; সংযোগ পৰিবহন ব্যৱস্থা আৰু বহুল পৰিমাণৰ উৎপাদন কৌশল উন্নতি হৈছিল। উদ্যোগিক বিপ্লৱৰ ফলস্বৰূপে জন উৎপাদন বৃদ্ধি, অর্থনৈতিক বৃদ্ধি আৰু আয় বৃদ্ধি, জীৱন ধাৰণৰ মানদ্বন্দ্বৰ উন্নতি (যদিও এক শ্রেণীৰ মানুহৰ ক্ষেত্রতহে) আদি পৰিলক্ষিত হৈছিল। অৱশ্যে, এই বিপ্লৱত সমাজৰ কিছুমান বিশেষ কাৰকে ক্রিয়া কৰিছিল। সেইবোৰৰ ভিতৰত গাঁৱৰ পৰা নগৰ অঞ্চললৈ ঘটা

প্ৰব্ৰজন, জীৱন-যাপন আৰু কৰ্ম পৰিৱেশজনিত সমস্যা, শিশু দৰিদ্ৰতা, শ্ৰেণী অসমতা, মহিলাৰ মৰ্য্যাদাৰ অৱনমন আদিয়েই প্ৰধান।

উল্লেখিত প্ৰতিটো ঘটনাই ইউৰোপতউল্লেখযোগ্য পৰিৱৰ্তনৰ সূচনা কৰিছিল। যদিও পৰিৱৰ্তনৰ দিশসমূহ অনিশ্চিত আছিল, তথাপি সমাজত 'কি ঘটি আছে' সেই বিষয়ে জনাটো এক জৰুৰী বিষয় হৈ পৰিছিল। আগশাৰীৰ সমাজতাত্ত্বিকসকল গতিশীল পৰিৱৰ্তন সম্পৰ্কে সজাগ আছিল আৰু সেয়েহে তেওঁলোকে সমাজৰ ঘটনাপ্ৰবাহৰ পদ্ধতিগত বিশ্লেষণ দাঙি ধৰিব পৰা এক বিষয়ৰ (মাধ্যমৰ) প্ৰয়োজন অনুভৱ কৰিছিল। এইবাবেই, বিভিন্ন চিন্তাবিদ, যেনে— ফ্ৰান্সৰ আগষ্ট ক'ট (১৭৯৮-১৮৫৭), হেনৰি ছেইণ্ট ছাইমন (১৭৬০-১৮২৫), এলেক্সিচ দি টক্‌ভিলে (১৮০৫-১৮৫৯), ইমাইল দুৰখেইম (১৮৫৮-১৯১৭); জাৰ্মানীৰ কাৰ্ল মাৰ্ক্স (১৮১৮-১৮৮৩), মেক্স ৱেবাৰ (১৮৬৪-১৯২০), জৰ্জ ছিমেল (১৮৫৮-১৯১৮); ব্ৰিটেইনৰ হাৰ্বাট স্পেনচাৰ (১৮২০-১৯০৩) আৰু আন বহুতেই সমাজৰ বিষয়ে অধ্যয়ন কৰিবলৈ বিভিন্ন তাত্ত্বিক দিশৰ বিকাশ ঘটাইছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ক) ফৰাচী বিপ্লৱৰ সূচনা কেতিয়া হৈছিল?

.....

খ) সমাজতত্ত্ব শব্দটো কোন দুটা শব্দৰ পৰা আহিছে?

.....

১.৩ প্ৰবুদ্ধি

এইবাৰ সমাজতত্ত্ব আৰু সমাজতাত্ত্বিক চিন্তাধাৰাৰ সৈতে জড়িত দুটা প্ৰধান ধাৰণা 'প্ৰবুদ্ধি' আৰু 'প্ৰত্যক্ষবাদ'ৰ বিষয়ে আলোচনা কৰোঁ আহক।

প্ৰবুদ্ধি বা প্ৰবুদ্ধিৰ যুগে ইউৰোপীয় বৌদ্ধিক আন্দোলনৰ (সপ্তদশ-অষ্টাদশ শতিকালৈ) সময়ছোৱাক সূচায় যি বিজ্ঞান, দৰ্শন আৰু ৰাজনীতিৰ ক্ষেত্ৰত এক নাটকীয় বিপ্লৱৰ সূচনা কৰিছিল। এই বিপ্লৱে গীৰ্জা আৰু বাইবেলক লৈ প্ৰতিষ্ঠিত মধ্যযুগীয় বিশ্ব মতামতক অপসাৰণ কৰিছিল আৰু অভিজ্ঞতা তথা যুক্তিযুক্ততাৰ ভিত্তিত বিশ্বক এক নব্য দৃষ্টিৰে চোৱাৰ আৰ্হি প্ৰস্তুত কৰিছিল। এই সময়ত ৰজাৰ "স্বৰ্গীয় অধিকাৰ", সম্ভ্ৰান্ত শ্ৰেণীৰ সুবিধা আৰু পুৰোহিত সম্প্ৰদায়ৰ ওপৰত প্ৰশ্ন উত্থাপন হৈছিল তথা ক্ৰমানুসাৰে সমাজত উদাৰ, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক আদৰ্শৰ উত্থান ঘটিছিল। মুঠতে, এই যুগটো আছিল নতুন চিন্তাধাৰাৰ প্ৰকাশৰ এক নতুন দিশ। বিশ্বকোষৰ প্ৰকাশনৰ লগে লগে প্ৰবুদ্ধিৰ আন্দোলনে এক সুদূৰপ্ৰসাৰী সুযোগ লাভ কৰিছিল। সকলোৱে অৱদান সংগ্ৰহ কৰা আৰু পঢ়ুৱৈ সমাজলৈ মুকলিকৈ তথ্য আগবঢ়োৱাৰ এয়েই আছিল প্ৰথম

পদক্ষেপ। ফৰাছী বিপ্লৱৰ ওপৰত প্ৰবুদ্ধিৰ ধাৰণাই গভীৰ প্ৰভাৱ পেলাইছিল। ফৰাছী শ্লোগান "উদাৰতা, সমতা আৰু ভ্ৰাতৃত্ববোধ", মানুহ আৰু নাগৰিকৰ অধিকাৰ সম্পৰ্কীয় ঘোষণা-পত্ৰ, মানুহৰ প্ৰাকৃতিক আৰু অবিচ্ছিন্ন অধিকাৰসমূহৰ সংৰক্ষণ, অৰ্থাৎ "স্বাধীনতা, সম্পত্তি আৰু শোষণৰ নিয়ন্ত্ৰণ"ত এই বিপ্লৱৰ প্ৰভাৱ লেখত ল'বলগীয়া। প্ৰবুদ্ধিৰ বিকাশত বৰঙণি আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলৰভিতৰত ইংলেণ্ডৰ থমাছ হ'ব্ছ (১৫৮৮-১৬৭৯), জন ল'ক (১৬৩২-১৭০৪); ফ্ৰান্সৰ ভলটেয়াৰ (১৬৯৪-১৭৭৮), জ্যাঁ জ্যাঁক ৰুছো (১৭১২-১৭৭৮), বেৰণ দি মণ্টেছকিউ (১৬৮৯-১৭৫৫), ডেভিদ হিউম (১৭১১-১৭৭৬),আদাম স্মিথ (১৭২৩-১৭৯০) আৰু জার্মানীৰ ইমানুৱেল কাণ্ট (১৭২৮-১৮০৪) আদি প্ৰধান।

ইমানুৱেল কাণ্টে (১৭২৪-১৮০৪) তেখেতৰ ৰচনা "What is Enlightenment"ত উল্লেখ কৰা মতে, "প্ৰবুদ্ধি হৈছে এগৰাকী ব্যক্তিৰ স্ব-আৰোপিত অপ্ৰাপ্তবয়স্কতাৰ পৰা উত্থান। অসমৰ্থ ব্যক্তিয়ে কোনো পৰামৰ্শদাতাৰ অবিহনে কোনো বিষয় অনুধাৱণ কৰিব নোৱাৰে। যেতিয়া কোনো পৰামৰ্শদাতাৰ অভাৱ হয় বা ব্যক্তিগৰাকীৰ মাজত সমাধান সম্পৰ্কীয় উদ্যমৰ অভাৱ ঘটে, তেতিয়াই ই স্ব-আৰোপিত অপ্ৰাপ্তবয়স্কতাক সূচিত কৰে।" ব্যক্তিৰ প্ৰবুদ্ধিবোধ তেওঁৰ প্ৰাপ্তবয়স্কতাৰ ধাৰণাত লুকাই থাকে। ইয়াৰ দ্বাৰা তেওঁ স্বাধীনতাক বুজাইছে, অৰ্থাৎ সিদ্ধান্তৰ স্বাধীনতা, যুক্তিযুক্ততাৰ স্বাধীনতা ইত্যাদি। কাণ্টে অপ্ৰাপ্তবয়স্কতাক কর্তৃত্বৰ শিক্ষণ, যেনে— গীর্জা আৰু ৰাষ্ট্ৰৰ ওপৰত নির্ভৰশীল বুলি অভিহিত কৰিছে। সেই কাৰণে, প্ৰাপ্তবয়স্কতা প্ৰাপ্তিৰ ক্ষেত্ৰত এগৰাকী ব্যক্তিয়ে পৰম্পৰাগত কর্তৃত্বৰ অৱসান ঘটাই মুক্ত চিন্তাধাৰা আৰু আত্ম-যুক্তিযুক্ততা প্ৰয়োগ কৰা উচিত। ইমানুৱেল কাণ্টে ব্যক্ত কৰা মতে প্ৰবুদ্ধিৰ মূলমন্ত্ৰ হৈছে 'Sapere Aude' —যাৰ অর্থহৈছে 'জানিবলৈ সাহস কৰা'।

১.৩.১ বৈজ্ঞানিক বিপ্লৱ আৰু প্ৰবুদ্ধি

ষোড়শ আৰু সপ্তদশ শতিকাৰ বৈজ্ঞানিক বিপ্লৱৰ সমান্তৰালভাৱে প্ৰবুদ্ধিৰ গঠন আৰু উৎপত্তি হৈছিল। বৈজ্ঞানিক বিপ্লৱৰ সময়ত অনুসন্ধানৰ ফলত জ্যোর্তিবিজ্ঞানৰ বিশেষৰূপে বিকাশ ঘটিছিল। গীর্জাৰ মতামতৰ বিপক্ষে সৃষ্টি হোৱা প্ৰাৰম্ভিক প্ৰত্যাহ্বান ভূ-কেন্দ্ৰিক (Geocentric) তত্ত্বৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। ভূ-কেন্দ্ৰিক তত্ত্ব মতে গতিহীন পৃথিৱীখন সার্বজনীন বিশ্বব্ৰহ্মাণ্ডৰ মধ্যস্থানত অৱস্থিত আৰু সকলোবোৰ গ্ৰহই পৃথিৱীৰ চাৰিওফালে প্ৰদক্ষিণৰত। বৈজ্ঞানিক বিপ্লৱৰ সময়ত এই ভূ-কেন্দ্ৰিক তত্ত্বটো বহুতো সমালোচনাৰ সন্মুখীন হৈছিল। আৰম্ভণিতে নিক'লাছ ক'পাৰনিকাছে (১৪৭৩-১৫৪৩) তেওঁৰ 'সূর্য্যকেন্দ্ৰিক তত্ত্ব'ৰ জৰিয়তে ইয়াক সমালোচনা কৰিছিল। ক'পাৰনিকাছে তেওঁৰ গ্ৰন্থ 'On the Revolutions of the Heavenly Spheres' বা সূর্য্যকেন্দ্ৰিক তত্ত্বৰ জৰিয়তে ব্যক্ত কৰিছে যে সূর্য্যহে বিশ্বব্ৰহ্মাণ্ডৰ মধ্যস্থানত অৱস্থিত, পৃথিৱীখন নহয়; আৰু সকলো গ্ৰহই সূর্য্যক প্ৰদক্ষিণ কৰে। ক'পাৰনিকাছৰ কর্ম আৰু

ধাৰণাই বৈজ্ঞানিক ক্ষেত্রখনত থকা অন্যান্য ব্যক্তিসকলকো প্রভাৱান্বিত কৰিছিল। সেইসকলৰ ভিতৰত জহানচ্ কেপলাৰ (১৫৭১-১৬২৩), গেলিলিঅ' গেলিলি (১৫৬৪-১৬৪২) আৰু আইজাক নিউটন (১৬৪২-১৭২৭) আদিয়েই প্রধান।

জ'হানচ্ কেপলাৰে তেওঁৰ গ্রহ-গতি সম্বন্ধীয় তিনিটা নীতিৰ (Three laws of Planetary Motion) জৰিয়তে ক'পাৰনিকাছৰ সূর্য্যকেন্দ্রিক তত্ত্বৰ বিকাশ ঘটাইছিল। তেওঁ কৈছিল যে গ্রহবোৰে বিভিন্ন গতিৰে বৃত্তাকাৰ কক্ষপথতকৈ ডিম্বাকাৰ কক্ষপথেৰেহে সূর্য্যক প্রদক্ষিণ কৰে। আনহাতে, গেলিলিঅ' গেলিলিয়ে তেওঁৰ নৱতম সৃষ্টি দূৰবীক্ষণ যন্ত্রৰ সহায়ত ক'পাৰনিকাছৰ সূর্য্যকেন্দ্রিক তত্ত্ব সুদৃঢ় ৰূপ প্রতিষ্ঠা কৰাত অৰিহণা যোগাইছিল। বৈজ্ঞানিক বিপ্লৱৰ প্রভাৱশালী ব্যক্তি নিউটনে ক'পাৰনিকাছ, কেপ্লাৰ আৰু গেলিলিঅ'ৰ কর্মৰাজিৰ সমন্বয় ঘটাই "মধ্যাকর্ষণ নীতি" বা "গতি সম্বন্ধীয় নীতি"ৰ বিকাশ ঘটাইছিল। নিউটনে তেওঁৰ গ্রন্থ, 'Principia Mathematica' (১৬৮৭)ত ব্যাখ্যা আগবঢ়াইছে যে সৌৰজগতৰ কার্য্যকলাপ কিছু গাণিতিক নীতি-নিয়মৰ মাজেৰে সম্পন্ন হয়। নিউটনৰ গতি সম্বন্ধীয় নীতি বা মধ্যাকর্ষণ নীতিয়ে বর্ণনা কৰিছে যে বিশ্বব্রহ্মাণ্ডৰ সকলো গ্রহে এটাই আনটোক আকর্ষণ কৰি থাকে আৰু নিজস্ব মধ্যাকর্ষণীয় শক্তিৰে সূর্য্যক প্রদক্ষিণ কৰি থাকে। এনে ধৰণৰ বৈজ্ঞানিক চিন্তাধাৰাৰ অগ্রগতিৰ দ্বাৰা বুজা যায় যে বিশ্বব্রহ্মাণ্ড কিছুমান প্রাকৃতিক নিয়মৰ জৰিয়তে পৰিচালিত হয়। এনে ধৰণৰ বৈজ্ঞানিক অনুসন্ধানে গীর্জাৰ গোঢ়া মতামতক প্রত্যাহ্বান জনাইছিল।

১.৩.২ প্রবুদ্ধিৰ যুগ

বিজ্ঞানৰ নতুন চিন্তাধাৰাৰ উত্থানে কেৱল পৌৰণিক ভূ-কেন্দ্রিক ধাৰণাক অগ্রাহ্য কৰাই নহয়, ই বিভিন্ন ব্যক্তিক ব্যক্তিক সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক গাঁথনিৰ নতুন দিশেৰে আলোচনা কৰাত উদগণি যোগাইছিল। ক'পাৰনিকাছৰ পৰা আৰম্ভ কৰি নিউটনলৈ সৃষ্টি হোৱা নতুন বৈজ্ঞানিক অগ্রগতিয়ে গীর্জাই শিকোৱা পৌৰাণিক আৰু মধ্যযুগীয় বিশ্ব মতামত প্রসঙ্গত বিভিন্ন ইউৰোপীয় চিন্তাবিদৰ মনত সন্দেহৰ উদ্রেক কৰিছিল। যিটো ধাৰণাই প্রবুদ্ধিৰযুগৰ বহুতো চিন্তাবিদক অনুপ্রেৰণা দিছিল সেই ধাৰণাটো হ'ল যিহেতু প্রাকৃতিক বিশ্বখন যুক্তিশীল, সেয়েহে সামাজিক বিশ্বও যুক্তিপূর্ণ হোৱাটো উচিত। তেওঁলোকে বিশ্বাস কৰিছিল যে মানৱ সমাজক অধ্যয়ন কৰাৰ ক্ষেত্রত অন্ধ-বিশ্বাসতকৈ বৈজ্ঞানিক পদ্ধতিক অধিক গুৰুত্ব দিয়া উচিত। সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আদি সামাজিক সমস্যাসমূহ সমাধান আৰু উন্নয়ণৰ ক্ষেত্রত তেওঁলোক আশাবাদী আছিল আৰু এখন সুন্দৰ আৰু সুস্থ সমাজ গঢ়াত মনোনিৱেশ কৰিছিল। তলত প্রবুদ্ধিৰ যুগত ৰাজনৈতিক, ধর্মীয় আৰু অর্থনৈতিক ক্ষেত্রত সৃষ্টি হোৱা বৌদ্ধিক বিকাশ কিছুমানৰ বিষয়ে সংক্ষেপে বর্ণনা কৰা হ'ল।

প্ৰথমে, প্ৰবুদ্ধিৰ যুগত ৰজাৰ "স্বৰ্গীয় অধিকাৰ" আৰু ৰাজতন্ত্ৰক প্ৰশ্ন কৰা কিছুমান ৰাজনৈতিক চিন্তাধাৰাৰ সৃষ্টি হৈছিল। "স্বৰ্গীয় অধিকাৰ" তত্ত্ব হৈছে এক নীতি যি চৰম ৰাজকীয় শাসনব্যৱস্থাক সমৰ্থন জনায় আৰু লগতে নিৰ্দেশ কৰে যে ৰজাই তেওঁৰ ক্ষমতা আৰু কৰ্তৃত্ব প্ৰত্যক্ষভাৱে ভগৱানৰ পৰা লাভ কৰা হেতুকে প্ৰজাৰ পৰিৱৰ্তে সমস্ত কাৰ্য্যকলাপৰ বাবে তেওঁ একমাত্ৰ ভগৱানৰ ওচৰতহে দায়বদ্ধ। প্ৰজাৰ পৰিৱৰ্তে ৰজাৰ বাবে অনুকুল এই স্বৰ্গীয় অধিকাৰ তত্ত্ব বিভিন্ন সমালোচনাৰ সন্মুখীন হৈছিল।

থমাছ হ'ব্ছে তেওঁৰ দাৰ্শনিক চৰমতাক সমৰ্থন জনাবৰ কাৰণে "ইংলেণ্ডৰ ৰক্তাক্ত গৃহ যুদ্ধ" (১৬৪২-১৬৪৯)ৰ ওপৰত প্ৰতিষ্ঠিত 'Leviathan' (১৬৫১) গ্ৰন্থখন লিখি উলিয়াইছিল। হ'বছৰ মতে মানুহ প্ৰাকৃতিক অৱস্থাত (State of Nature) বা প্ৰাক্-চৰকাৰ সমাজত (Pre-Government Society) স্থায়ীভাৱে দানৱিক, প্ৰতিদ্বন্দ্বী, স্বাৰ্থপৰ, দ্বন্দ্ব-খৱিয়ালত আৰু সমস্যা জৰ্জৰিত প্ৰকৃতিৰ আছিল। মানুহে এনে প্ৰকৃতিৰ কাৰণে প্ৰাকৃতিক অৱস্থাটোক হ'বছে যুদ্ধৰ ৰাষ্ট্ৰ (State of War) হিচাপে বা 'Bellum Omnium Contraonmes' (সকলোৰে সকলোৰ বিপক্ষে কৰা যুদ্ধ) বুলি আখ্যা দিছিল। হ'বছে কৈছে যে প্ৰকৃতি ৰাজ্যত মানুহৰ জীৱনটো "নিঃসঙ্গ, ভয়ঙ্কৰ, দুৰ্ভগীয়া, ঘৃণনীয় আৰু চুটি"। সেয়েহে, তেওঁ বিশ্বাস কৰিছিল যে যুদ্ধৰ ৰাষ্ট্ৰত এজন চৰম শাসকৰ অবিহনে মানুহে ইজনে আনজনক হত্যা কৰিব। মানুহৰ মাজৰ ধ্বংসলীলা নিয়ন্ত্ৰণ কৰিবলৈ এজন ক্ষমতাশালী শাসকৰঅত্যন্ত প্ৰয়োজন আছিল। কালক্ৰমত মানুহে আইন আৰু নিৰ্দেশ মানি চলিবলৈ নিজৰ স্বাধীনতাক চৰম শাসকৰ ওচৰত সমৰ্পণ কৰি সামাজিক চুক্তিৰে চুক্তিবদ্ধ হ'বলৈ আগবাঢ়ি আহিছিল। প্ৰজাসকলে ৰজাৰ বিৰুদ্ধে এনে পৰিস্থিতিত কেতিয়াও বিদ্ৰোহ কৰিব নোৱাৰিছিল আৰু ৰজাই বা ৰাজপ্ৰসাদৰ গৰাকীয়ে যিকোনো উপায় অৱলম্বন কৰি প্ৰজাক নিয়ন্ত্ৰণত ৰখাৰ অধিকাৰ লাভ কৰিছিল। এইখিনিতে উল্লেখ কৰা দৰকাৰ যে যদিও হ'বছে চৰম ৰাজতন্ত্ৰক সমৰ্থন জনাইছিল, কিন্তু একে সময়তে তেওঁ ৰজাৰ স্বৰ্গীয় অধিকাৰকো অগ্ৰাহ্য কৰিছিল। হ'বছৰ এই ধাৰণাই কেতিয়াও যথাৰ্থ জনপ্ৰিয়তা অৰ্জন কৰিব পৰা নাছিল। সেয়েহে পাছৰ পৰ্য্যায়ৰ চিন্তাবিদসকলে তেওঁৰ ধাৰণাক অতিক্ৰম কৰি নতুন তত্ত্বৰ বিকাশ ঘটাইছিল।

জন ল'কে তেওঁৰ প্ৰতিনিধিত্বমূলক চৰকাৰৰ ওপৰত আধাৰিত গ্ৰন্থ 'Two Treatises Government' (১৬৯০)ত তেওঁৰ ৰাজনৈতিক তত্ত্বৰ বিকাশ ঘটাইছিল। প্ৰবুদ্ধিৰ যুগৰ অন্যান্য বহুতো ৰাজনৈতিক চিন্তবিদৰ দৰে জন ল'কো "স্বৰ্গীয় অধিকাৰ তত্ত্বৰ" বিৰোধী আছিল। তেওঁ ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱৰ প্ৰত্যুত্তৰ ৰূপে তেওঁৰ বিখ্যাত গ্ৰন্থখন লিখিছিল আৰু সেই গৌৰৱময় বিপ্লৱক ইংলেণ্ডত চৰমতন্ত্ৰবাদৰ অৱসানৰ এক ৰক্তহীন বিপ্লৱ হিচাপে আখ্যা দিছিল। ল'কৰ মতে এখন চৰকাৰ হৈছে শাসক আৰু প্ৰজাৰ মাজত হোৱা এক চুক্তি। তেওঁ কৈছে যে মানুহে "জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ মালিকীস্বত্ব" সম্বন্ধীয় কিছুমান নিশ্চিত প্ৰাকৃতিক অধিকাৰ জন্মগতভাৱে লাভ কৰে

আৰু এই অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণৰ কাৰণে এক সামাজিক চুক্তিৰঅন্তর্ভুক্ত হৈ এখন চৰকাৰ গঠন কৰে। এনেদৰে গঠিত চৰকাৰখনৰ মানুহৰ অধিকাৰসমূহ ৰক্ষণাবেক্ষণ দিয়াৰ সম্পূর্ণ দায়িত্ব থাকে আৰু কোনো কাৰণত যদি চৰকাৰ মানৱধিকাৰ সংৰক্ষণত ব্যর্থ হয়, তেন্তে প্রজাসকলে তেনে চৰকাৰক ক্ষমতাচ্যুত কৰাৰ সম্পূর্ণ অধিকাৰ লাভ কৰে। সেয়েহে, ল'কৰ ভাষাত, "চৰকাৰ গঠনৰ কার্য্য কোনো স্বর্গীয় পৰিঘটনা নহয়, ৰৰঞ্চ ই সামাজিক চুক্তিৰ অধীনস্থ এক প্রজাসৃষ্ট কার্য্য।"

জ্যাঁ জ্যাঁক ৰুছো সামাজিক আৰু ৰাজনৈতিক ফ্রান্সৰ সংৰচনা সম্পর্কে সচেতন আৰু কঠোৰ আছিল। ৰুছোৱে ১৭৬২ চনত 'The Social Contract' নামৰ এখন গ্রন্থ লিখিছিল, য'ত তেওঁ ফ্রান্সৰ ৰাজনৈতিক পদ্ধতিৰ ওপৰত এক জটিল বিশ্লেষণ আগবঢ়াইছিল। সেই সময়ৰ অন্যান্য বহুতো ৰাজনৈতিক চিন্তাবিদৰ দৰে তেওঁ বিশ্বাস কৰিছিল যে চৰকাৰ এখন স্বর্গীয় বা দৈৰিক নহয়, ৰৰঞ্চ সামাজিক চুক্তিৰ দ্বাৰা সৃষ্ট। যদিও তেওঁ ব্যক্তিগত অধিকাৰ আৰু স্বাধীনতাৰ সমর্থক আছিল, তথাপি তেওঁ 'সাধাৰণ ইচ্ছা' (General Will) সমৃদ্ধ এক সাম্প্রদায়িক চৰকাৰৰ পোষকতা কৰিছিল। ৰুছোৰ মতে সামূহিক দলৰ সৃষ্টি বা সকলো নাগৰিকৰ ইচ্ছাৰ ওপৰত সার্বভৌমত্বৰ সৃষ্টি হয়। তেওঁ লগতে কৈছে যে ব্যক্তি এজনৰ ব্যক্তিগত অভিপ্রায়ক উপস্থাপন কৰাৰ ক্ষেত্রত ব্যক্তি বিশেষৰ নিজা ইচ্ছা বা আকাংক্ষা থাকে, আনহাতে সার্বভৌমত্বৰ ধাৰণাই প্রত্যেক নাগৰিকৰ উমৈহতীয়া ইচ্ছাক (General Will) অগ্রাধিকাৰ দিয়ে। সেয়েহে, কিছু কিছু সময়ত ৰাজহুৱা স্বার্থৰ খাতিৰত ব্যক্তিগত স্বার্থক আওঁকাণ কৰিবলগীয়া হ'ব পাৰে।

১৭৪৮ চনত বেৰণ দি মণ্টেচকিউৱে তেওঁৰ 'The Spirit of the Laws' গ্রন্থখন লিখি উলিয়াইছিল। ফৰাছী ৰাজতন্ত্রৰ প্রসঙ্গত চৰমতন্ত্রবাদক তেওঁ কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। তেওঁ 'The Spirit of the Laws'ত ৰাষ্ট্র আৰু ক্ষমতাৰ বিভাজন সম্পর্কে আলোচনা কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে কার্য্যপালিকা, বিধানমণ্ডল, ন্যায়পালিকা আদি চৰকাৰৰ ভাগসমূহৰ মাজত ভাৰসাম্য বজাই ৰাখিবৰ কাৰণে ক্ষমতাৰ পৃথকীকৰণ অতিকৈ প্রয়োজনীয়। এই বিভাজনৰ জৰিয়তে চৰকাৰৰ প্রত্যেকটো ভাগে ইটোৱে সিটোক সমায় কৰাৰ পূর্ণ সুযোগ লাভ কৰে আৰু তাৰ দ্বাৰা একনায়কত্ববাদৰ অৱসান ঘটি স্বাধীনতা সংৰক্ষিত কৰিব পৰা যায়।

দ্বিতীয়তে, যদিও প্রবুদ্ধিক মাজে সময়ে ধর্মৰ 'শত্রু' বুলি অভিহিত কৰা হয়, তথাপি অন্ধবিশ্বাস আৰু চৰম প্রকৃতিবাদ (Supernaturalism)ৰ দৰে ধর্মীয় বিষয়হে প্রবুদ্ধিৰ ধাৰণাই বিৰুদ্ধাচৰণ কৰে। যি কি নহওঁক, প্রবুদ্ধিৰ যুগত ধর্মীয় বিশ্বাসৰ 'সত্যমূল্য' (Truth-Value) বা যুক্তিযুক্ততা আৰু সমাজও ধর্মৰ সঠিক স্থান মূল আলোচনাৰ বিষয়বস্তু আছিল। সকলোবোৰ বিষয়ৰ ভিতৰত "যুক্তিযুক্ত চৰম প্রকৃতিবাদ" (Rational Supernaturalism) আৰু "সৃষ্টিবাদ" (Deism) বিষয় দুটাৰ প্রবুদ্ধিৰ সময়ত যথার্থভাৱে বিকাশ ঘটিছিল। "চৰম যুক্তিযুক্ত প্রকৃতিবাদ"ৰ লগত জড়িত চিন্তবিদসকল,

যেনে— জন ল'ক উইলিয়াম চিলিংৱর্থ (১৬০২-১৬৪৪), জন টিলোট্চন (১৬৩০-১৬৯৪) আদিয়ে কম-বেছি পৰিমাণে আধুনিক স্থায়ীত্ব অর্জন কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে যিকোনো ধৰণৰ উদঘাটন যুক্তিপূর্ণভাৱে অনুসৰণ কৰা উচিত। উদাহৰণ স্বৰূপে, যদি কোনো আশ্চার্য্য সংঘটিত হয়, তেন্তে এনে আশ্চার্য্যৰ আঁৰত যুক্তিপূর্ণ ব্যাখ্যা থকাটো প্রয়োজনীয়। তেওঁলোকে ইয়াকো বিশ্বাস কৰিছিল যে নৈতিকতাৰ বিকাশৰ ক্ষেত্রত উদঘাটন কার্য্য নীতিগত হোৱাটো বাঞ্ছনীয়। অন্যহাতে, সৃষ্টিবাদীসকলে ভগৱানক বিশ্বব্রহ্মাণ্ডৰ সৃষ্টিকর্তা বুলি ভাবিছিল যদিও কম-বেছি পৰিমাণে তেওঁলোকে ভগৱাণক "সময় স্রষ্টা" হিচাপেহে নিৰীক্ষণ কৰিছিল। তেওঁলোকৰ মতে ভগৱানে প্রকৃততে কিছুমান নির্দ্ধাৰিত "প্রাকৃতিক নিয়ম"ৰ জৰিয়তে বিশ্বব্রহ্মাণ্ড সৃষ্টি কৰিছিল আৰু ইয়াক যন্ত্রৰ দৰে স্বয়ংক্রিয়ভাৱে কার্য্য সম্পাদন কৰাৰ ক্ষেত্রত স্বাধীনতা প্রদান কৰিছিল। সেয়ে তেওঁলোকে ভাবিছিল যে ভগৱানৰ এই সৃষ্টি বা কার্য্যই ৰহস্য সংঘটিত কৰিব নোৱাৰে। সৃষ্টিবাদীসকলে ধর্মীয় নীতি আৰু বিশ্বাসৰ উৎস হিচাপে উদঘাটনৰ ওপৰত নির্ভৰশীল হোৱাৰ বিৰোধিতা কৰিছিল আৰু "প্রাকৃতিক ধর্ম"ৰ প্রসঙ্গক সমর্থন আগবঢ়াইছিল। কেইগৰাকীমান বিখ্যাত সৃষ্টিবাদী হৈছে ক্রমে ভল্টেয়াৰ, জন টোলাণ্ড (১৬৭০-১৭২২) আৰু মেথিউ (১৬৫৫-১৭২২)। কিছুমান চিন্তাবিদে গীর্জাৰ প্রতিনিধিবর্গই অযুক্তিসঙ্গতভাৱে সর্বসাধাৰণৰ পৰা কৰ সংগ্রহ কৰা কার্য্যৰ তীব্র বিৰোধিতা কৰিছিল।

তৃতীয়তে, যিটো সময়ত কিছুমান চিন্তাবিদে ৰাজনৈতিক আৰু ধর্মীয় তত্ত্বৰ বিকাশ ঘটাইছিল, তেনে সময়ত আন কিছুমানে অর্থনৈতিক উন্নয়ন প্রসঙ্গত চিন্তাৰ উন্মেষ ঘটাইছিল। তেনে এগৰাকী বিখ্যাত স্কটিছ অর্থনীতিবিদ হ'ল আদাম স্মিথ (১৭২৭-১৭৯০)। ১৭৭৬ চনত প্রকাশিত তেওঁৰ গ্রন্থ 'Wealth of Nations'ত "ব্যৱসায়বাদ" নিয়ন্ত্রণ প্রসঙ্গত তেওঁ চৰকাৰৰ কঠোৰ ভূমিকাৰ বিৰোধিতা কৰিছিল। ব্যৱসায়বাদ হৈছে ষোড়শৰ পৰা অষ্টাদশ শতিকালৈ চলি থকা এক অর্থনৈতিক ব্যৱস্থা। এই ব্যৱস্থাৰ প্রধান লক্ষ্য আছিল দেশৰ বাণিজ্যিক স্বার্থজড়িত সকলো কার্য্যতে চৰকাৰী নিয়ন্ত্রণ খটুৰাই দেশৰ সম্পদ বৃদ্ধি কৰা। যি কি নহওঁক, স্মিথে চৰকাৰৰ হস্তক্ষেপৰ বিৰোধিতা কৰিছিল আৰু "লেইচেজ্ ফৈয়াৰ" (Laissez) বা মুক্ত বাণিজ্যক সমর্থন কৰিছিল। স্মিথৰ মতে অর্থনৈতিক ক্ষেত্রখনত ব্যক্তি স্বাধীনতা থকাটো প্রয়োজন।

জর্জ বিট্জাৰে সংক্ষেপে কৈছে যে, "মুঠতে প্রবুদ্ধি হৈছে এক বিশ্বাস যাৰ জৰিয়তে মানুহে যুক্তি আৰু অভিজ্ঞতামূলক গৱেষণাৰ জৰিয়তে বিশ্বব্রহ্মাণ্ডক নিয়ন্ত্রণ কৰিবলৈ সমর্থ হয়। ইয়াৰ কাৰণ হ'ল,যিহেতু ভৌতিক বিশ্বখন প্রাকৃতিক নিয়মৰ অধীন, সেয়ে সামাজিক বিশ্বও একেদৰে প্রাকৃতিক নিয়মৰ দ্বাৰাই নিয়ন্ত্রিত। সেয়েহে, ক'ব পাৰি যে দার্শনিকসকলহে এই সামাজিক নিয়ম সৃষ্টিত মূল গুৰি ধৰোঁতা। কাৰণ, এই ক্ষেত্রত তেওঁলোক যুক্তি আৰু গৱেষণা সুন্দৰকৈ ৰূপায়ণ কৰে। যেতিয়া সামাজিক

বিশ্বৰ কর্ম সম্পর্কে চিন্তাবিদসকলে বুজি উঠিছিল, তেতিয়াই তেওঁলোকে সমগ্র বিশ্বক এখন যুক্তিপূর্ণ বিশ্বলৈ ৰূপান্তৰ কৰিবলৈ লক্ষ্য স্থিৰ কৰিছিল।

১.৩.৩ প্রবুদ্ধিৰ প্রতি ৰক্ষণশীল প্রতিক্রিয়া

প্রবুদ্ধিৰ ধাৰণাৰ প্রতি ৰক্ষণশীল প্রতিক্রিয়াৰ সৃষ্টি হৈছিল। ফৰাছী বিপ্লৱ প্রসঙ্গত এই প্রতিক্রিয়া তীব্রতৰ হৈছিল। বিপ্লৱৰ জটিল পর্য্যায়, "সন্ত্রাসৰ শাসনকাল" (Regime of Terror) চলি থকাৰ সময়ত উদ্ভৱ হোৱা প্রতিক্রিয়াৰ কথা বিশেষভাৱে উল্লেখযোগ্য। জোচেফ দি মেইচ্‌টাৰ (১৭৫৩-১৮২১) আৰু লুইচ দি বোনাল্ড (১৭৫৪-১৮৪০) আদিৰ দৰে বিপ্লৱী সংৰক্ষণবাদীসকলে অকল ফৰাছী বিপ্লৱৰ বিৰোধিতা কৰাই নহয়, প্রবুদ্ধিৰ ধাৰণাৰো বিৰোধিতা কৰিছিল। প্রবুদ্ধিৰ ধাৰণাই পৰম্পৰাগত বিশ্বাসক অপসাৰিত কৰি বিপ্লৱৰ উত্থানত উদগনি যোগাইছিল বুলি তেওঁলোকে মত প্রকাশ কৰিছিল। বিপ্লৱৰ ফলত সৃষ্টি হোৱা "সামাজিক বিশৃংখলতাক" লৈ তেওঁলোক যথেষ্ট উদ্বিগ্ন হৈ পৰিছিল। তেওঁলোকে সামাজিক ভাৰসাম্য বজাই ৰখাৰ ক্ষেত্রত অৰিহণা যোগোৱা সকলো পৰম্পৰা আৰু বিশ্বাসক প্রশংসা কৰিছিল।

সেইবাবে, যেতিয়া সমাজতত্ত্বত প্রবুদ্ধিৰ ধাৰণাটো, বিশেষকৈ ফৰাছী সমাজতত্ত্বৰ পটভূমিত উল্লেখ কৰা হয়, তেতিয়াই বিট্‌জাৰে কোৱা "প্রবুদ্ধি আৰু প্রবুদ্ধিৰ বিৰোধীতা সংমিশ্রণ"ৰ বিষয়ে আলোচনা চলে। ফৰাছী পণ্ডিত এলেক্সিচ দি টক্‌ভিল পোণপটীয়াভাৱে প্রবুদ্ধিৰ দ্বাৰা প্রভাৱিত হৈছিল। অন্যহাতে আগষ্ট ক'টে আৰু ইমাইল্ দুৰখেইমৰ ওপৰত প্রবুদ্ধিৰ ধাৰণা আৰু প্রভাৱ মিশ্রিত আছিল, প্রথমতে, তেওঁলোকে বিজ্ঞান আৰু বৈজ্ঞানিক অনুসন্ধানৰ মাজত ভাৰসাম্য বজাই ৰাখিছিল আৰু দ্বিতীয়তে, তেওঁলোকে সামাজিক পৰিপক্কতাক সমর্থন জনাইছিল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ঃ ক) 'The Social Contract' নামৰ গ্রন্থখন কোনে লিখিছিল?

.....

খ) 'Wealth of Nations' গ্রন্থখন কোন চনত প্রকাশিত হৈছিল?

.....

১.৪ প্রত্যক্ষবাদ

সমাজতত্ত্বত প্রত্যক্ষবাদ হৈছে আগষ্ট ক'টৰ দ্বাৰা সৃষ্ট এক তত্ত্বিক আৰু পদ্ধতিগত ধাৰণা। প্রত্যক্ষবাদে সামাজিক বিশ্বৰ অনুসন্ধান প্রাকৃতিক বৈজ্ঞানিক পদ্ধতিৰ প্রয়োগক সূচায়। ক'টৰ

প্রত্যক্ষবাদ সম্পর্কে থকা ধাৰণা আৰু আগ্রহ সমাজতত্ত্বৰ প্রতি থকা আগ্রহৰ লগত সংলগ্ন। ক'টে আৰম্ভণিতে সামাজিক বিশ্বৰ অধ্যয়ণৰ ক্ষেত্রত এক পদ্ধতিগত বিষয়ৰ উদ্ভাৱনৰ কথা চিন্তা কৰিছিল। সেই সময়তে গণিত, জ্যোতির্বিজ্ঞান, পদার্থবিজ্ঞান, জীৱবিজ্ঞান আৰু ৰাসায়নবিজ্ঞান আদিৰ দৰে প্রাকৃতিক বিজ্ঞানসমূহ সফলতাৰ শীর্ষ বিন্দুত আছিল। ক'টে বিশ্বাস কৰিছিল যে প্রাকৃতিক বিশ্বৰ লগতে সমাজখনো কিছুমান নীতিৰ দ্বাৰা নিয়ন্ত্রিত যাক বৈজ্ঞানিকভাৱে আৱিষ্কাৰ কৰিব পাৰি। একমাত্র বৈজ্ঞানিকসকলহে এই আৱিষ্কাৰসমূহৰ কাৰণে দায়বদ্ধ। ক'টে প্রাকৃতিক বিজ্ঞান (বিশেষকৈ পদার্থবিজ্ঞান)ৰদ্বাৰা যথেষ্ট পৰিমাণে প্রভাৱিত হৈছিল আৰু সেইবাবে সামাজিক বিশ্বৰ অধ্যয়ন কৰাৰ ক্ষেত্রতো একেই পদ্ধতি ব্যৱহাৰ কৰিবলৈ আগ্রহ প্রকাশ কৰিছিল। তেওঁৰ গ্রন্থ 'Positive Philosophy'ত প্রথমে সামাজিক বিশ্বৰ অধ্যয়ণৰ বিজ্ঞানক 'Social Physics' বা সামাজিক পদার্থবিদ্যা আৰু পাছলৈ সমাজতত্ত্ব হিচাপে নামাকৰণ কৰিছিল। ক'টৈৰ ভাষাত, "সমাজতত্ত্ব... এক শব্দ যিটো মোৰ সামাজিক পদার্থবিদ্যাৰ উদ্‌ঘাটনত সহায়ক হ'ব।" আকৌ ক'টে তেওঁৰ প্রত্যক্ষবাদী বিজ্ঞানৰ ধাৰণা প্রসঙ্গত কৈছিল যে গণিত, জ্যোতির্বিজ্ঞান, পদার্থবিজ্ঞান, জীৱবিজ্ঞান, ৰসায়ণবিজ্ঞান আদি সকলো বিজ্ঞানৰ ভিতৰত সমাজতত্ত্বৰ বিষয়বস্তু আটাইতকৈ জটিল আৰু সেয়েহে "ই আটাইতকৈ কঠিন আৰু প্রয়োজনীয় বিষয়"। বিষয়টো জটিল আৰু প্রয়োজনীয় এই কাৰণে যে ই মানুহ আৰু সামাজিক জীৱনৰ লগত জড়িত আৰু এই দুয়োটা কথাই প্রাকৃতিক বিশ্বৰ দৰে স্থিৰ নহয়।

ক'টে তেওঁৰ প্রত্যক্ষবাদী সমাজতত্ত্বত তিনিটা মূল ভেটিৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল— নিৰীক্ষণ, পৰীক্ষণ আৰু তুলনা। এই তিনিটা কথা হ'ল সামাজিক বিশ্বৰ গৱেষণা কৰা আৰু তথ্য উদ্‌ঘাটনৰ আধাৰ। তেওঁৰ মতে নিৰীক্ষণ কিছুমান তত্ত্বৰ দ্বাৰা পৰিচালিত হোৱা উচিত, অন্যথা সামাজিক বিশ্বত কি বিচাৰিব লাগে আৰু যি বিচাৰি পালোঁ তাৰ বৈশিষ্ট্য আমি উপলব্ধি কৰিব নোৱাৰো। সেয়েহে, নিৰীক্ষণ সদায় কিছু সামাজিক নীতিৰ অন্তর্ভুক্ত হোৱা উচিত। সামাজিক পৰিঘটনাৰ পৰীক্ষণ প্রাকৃতিক বিশ্বৰ পৰীক্ষণৰ দৰে সহজ কাম নহয়। পৰিঘটনাবোৰৰ 'প্রাকৃতিক পৰীক্ষণ' কৰিব পৰা যায়। এই পৰিৱেশত সংঘটিত কোনো এক নির্দিষ্ট পৰিঘটনাৰ ফলাফলবোৰ তেনে পৰিঘটনা সংঘটিত নোহোৱা আন এক পৰিস্থিতিত নিৰীক্ষণ আৰু তুলনা কৰি চাব পৰা যায়। তুলনাৰ ধাৰণাক তিনিটা উপভাগত ভাগ কৰা হৈছে। প্রথমে, মানুহ আৰু নিম্নস্তৰৰ জীৱৰ মাজত তুলনা সম্পাদন কৰিব পাৰি। দ্বিতীয়তে, বিশ্বৰ সামাজিক অংশবোৰৰ মাজত তুলনা কৰিব পাৰি। তৃতীয়তে, সমাজৰ বিভিন্ন ঐতিহাসিক স্তৰৰ মাজত তুলনা কৰিব পাৰি। ক'টৈৰ মতে প্রথম তুলনাটো আটাইতকৈ প্রয়োজনীয়। তেওঁ ঐতিহাসিক তুলনাক বর্তমান আৰু অতীতৰ মাজত তুলনা কৰি ভৱিষ্যৎ গঢ়াৰ এক পদ্ধতি ৰূপে শ্রেণীবিভক্ত কৰিছিল। এইখিনিতে এটা গুৰুত্বপূর্ণ কথা উল্লেখ কৰাটো ভাল হ'ব যে 'প্রত্যক্ষবাদ'ৰ দ্বাৰা ক'টেই ভৌতিক, জৈৱিক আৰু সামাজিক ক্ষেত্রত 'পৰিঘটনাৰ নীতি, অন্বেষণ কৰা বিজ্ঞানৰ কথা বুজাইছিল। তেওঁৰ মতে এনে নীতিৰ প্রধান সমষ্টি হ'ল দুটা— (ক) সহ-অৱস্থানৰ নীতি, (খ) উত্তৰাধিকাৰৰ নীতি।

প্ৰথম নীতিটোৱে পৰিঘটনাৰ উপাদান অথবা কাৰকবোৰৰ মাজত থকা সাৰ্বজনীনভাৱে নিৰীক্ষণসাধ্য সম্পৰ্কবোৰৰ কথা বুজায়। দ্বিতীয় নীতিটোৱে উপাদান অথবা কাৰকবোৰৰ মাজত থকা ঐতিহাসিকভাৱে নিৰীক্ষণসাধ্য ভাৰ অথবা সম্পৰ্কবোৰৰ কথা বুজায়। এই প্ৰেক্ষাপটত ক'টেই দুয়োটা নীতিক এক নিৰ্দিষ্ট পৰিঘটনাৰ ক্ৰমে 'সামাজিক স্থিতিশীলতা' আৰু 'সামাজিক গতিশীলতা' নাম দিছিল। সেয়েহে শিক্ষাৰ্থীসকলে ক'টেৰ 'প্ৰত্যক্ষ বিজ্ঞান'ৰ ধাৰণাটো ভালদৰে বুজি লোৱাটো অতি জৰুৰী।আন এটা জৰুৰী কথা হ'ল ক'টেৰ প্ৰত্যক্ষবাদক অভিধাটোৰ সম্পূৰ্ণ আক্ষৰিক অৰ্থত বৰ্ণনা নকৰায় শ্ৰেয়। অৰ্থাৎ, ক'টৰ প্ৰত্যক্ষবাদ মানে যিটো 'নিশ্চিতভাৱে হয় অথবা আছে, কিয় আমি কোনো বিষয়ত বাস্তৱিকতে যথাৰ্থবাদী হ'ব পাৰো' কেৱল সেইটোকে। এনে প্ৰত্যক্ষবাদক কেৱল 'বোধৰ পৰা জন্মা ডেটা' (Sense Data) বুলি ক'ব পাৰি।

ইমাইল ডেৰখাইমৰ 'Suicide'ত প্ৰত্যক্ষবাদী পদ্ধতিৰ বিষয়ে সুন্দৰ বিৱৰণ আছে। প্ৰত্যক্ষবাদী ধাৰণাক মূল বিষয় হিচাপে লৈ ক'টে সামাজিক বিশ্বত প্ৰয়োগ কৰিব পৰাকৈ বহুতো সাধাৰণ প্ৰত্যক্ষবাদী নীতি বিকশিত কৰিছিল।

১.৪.১ তিনি তৰপীয়া নীতি

আগষ্ট ক'টৰ আটাইতকৈ জনপ্ৰিয় নীতিটো হৈছে তিনি তৰপীয়া নীতি। ক'টে তিনিটা প্ৰধান স্তৰৰ কথা উল্লেখ কৰিছে যিটোৱে মানুহৰ মন, সকলো প্ৰকাৰৰ জ্ঞান আৰু বিশ্ব ইতিহাসক সামৰি লয়। ক'টেৰ মতে প্ৰত্যেক স্তৰতে মানুহে চৌপাশৰ বস্তুবোৰ বিশ্লেষণ কৰাত ব্যস্ত হৈ থাকে। সেই তিনিটা স্তৰ হৈছে— (ক) ধৰ্মতাত্ত্বিক স্তৰ, (খ) আধিদৈৱিক স্তৰ, (গ) প্ৰত্যক্ষবাদী স্তৰ। তলত স্তৰকেইটাৰ বিষয়ে আলোচনা কৰা হ'ল।

ক) **ধৰ্মতাত্ত্বিক স্তৰঃ** ক'টৰ মতে প্ৰথম স্তৰটো হৈছে ধৰ্মতাত্ত্বিক স্তৰ। এই স্তৰত মানৱ মনটোৱে বাস্তৱ স্বাভাৱিক প্ৰকৃতিক অনুসৱণ কৰে আৰু সকলো ঘটনা-পৰিঘটনাক অতিমানৱিক (উদাহৰণ স্বৰূপে, ভগৱান) শক্তিৰ দ্বাৰা সৃষ্ট বুলি অনুমান কৰে। ধৰ্মতাত্ত্বিক স্তৰক তিনিটা উপস্তৰত ভাগ কৰা হৈছে। যেনে— জড়োপাসনা (Fetishism), বহুদেৱবাদ (Polytheism) আৰু একদেৱবাদ (Monotheism)।

- **জড়োপাসনা ঃ** মানুহে তেওঁৰ চৌপাশৰ বস্তুবোৰত কিছুমান সত্তা অথবা আত্মা (অতিপ্ৰাকৃতিক শক্তি)ৰ অস্তিত্ব আছে বুলি ধৰি লয়। ইয়াৰ ফলতেই জড়োপাসনাই এক ধৰ্মৰ ৰূপ লৈছিল। জড়োপাসকে গছৰ দৰে বস্তুবোৰৰ উপাসনা কৰে।
- **বহুদেৱবাদঃ** মানৱ চিন্তাৰ বিকাশ ঘটাৰ লগে লগে জড়োপাসনাই পূৰ্বৰ গুৰুত্ব হেৰুৱাই পেলালে। মানুহ যাদু আৰু ইয়াৰ অন্যান্য সহযোগী কাৰ্য্যকলাপত বিশ্বাস থাপিবলৈ ল'লে। বিশেষ কিছুমান বস্তুৰ গাত অতিপ্ৰাকৃতিক শক্তি স্থাপন কৰি সেইবোৰক দেৱ-দেৱী ৰূপে উপাসনা কৰিবলৈ ল'লে।

- **একদেৱবাদ ঃ** এই ধর্মতাত্ত্বিক স্তৰটোক মানুহ ধর্মীয় বিকাশৰ চৰম স্তৰ বোলা হয়। এই স্তৰত মানুহে ঈশ্বৰ নামৰ সকলো কথাৰে ব্যাখ্যা আগবঢ়াব পৰা মাত্র এটা অতিপ্রাকৃতিক শক্তিৰ উপাসনা কৰিবলৈ ল'লে।

খ) **আধিদৈৱিক স্তৰ ঃ** আধিদৈৱিক স্তৰটোক 'প্রথম স্তৰটোৰ সংশোধন' (Modification of the first) বোলা হয়। এই স্তৰত অতিপ্রাকৃতিক সত্তাতকৈ প্রকৃতিৰ দৰে বিমূর্ত শক্তিক গুৰুত্ব দিয়া হয়। এই স্তৰত মানুহে অতিপ্রাকৃতিক ধাৰণাক অগ্রাহ্য কৰি প্রকৃতিক একমাত্র চিন্তাৰ বিষয়বস্তু হিচাপে গ্রহণ কৰে আৰু বিভিন্ন বস্তুৰ গঠন সম্পর্কে জনাৰ প্রয়াস কৰে।

গ) **প্রত্যক্ষবাদী স্তৰ ঃ** ক'টৰ প্রত্যক্ষবাদী ধাৰণাত এইটো আটাইতকৈ গুৰুত্বপূর্ণ আৰু অন্তিম স্তৰ। এই স্তৰে বৈজ্ঞানিক চিন্তাধাৰাক উপস্থাপন কৰে। ক'টে কৈছিল যে, "এই অন্তিম প্রত্যক্ষবাদী স্তৰটোত মানৰ মনে অর্থহীন অন্বেষণ পৰিহাৰ কৰি পৰম ধাৰণাবোৰৰ অন্বেষণ আৰম্ভ কৰে, বিশ্বব্রহ্মাণ্ডৰ উৎপত্তি আৰু লক্ষ্যস্থান জনাৰ প্রয়াস কৰে, পৰিঘটনাৰ নীতি অধ্যয়নৰ সময়ত এই কাৰণবোৰ প্রয়োগ কৰি চায়, অর্থাৎ কাৰণবোৰৰমাজত থকা উত্তৰাধিকাৰআৰু সহ-অৱস্থান নীতিৰ অপৰিৱর্তনীয় সম্পর্ক পৰীক্ষা কৰি চায়।" এই স্তৰত মানুহে অ-বৈজ্ঞানিক ধাৰণা, যেনে— অতিপ্রাকৃতিক সত্তা আৰু বিমূর্ত শক্তিক অগ্রাহ্য কৰি বিশ্বৰ ঘটনাপ্রৱাহক নিয়ন্ত্রণ কৰা নীতিসমূহৰ অনুসন্ধান কৰে।

যি কি নহওঁক, ক'টে স্বীকাৰোক্তি দিছে যে এই তিনিওটা স্তৰে প্রায়ে সমসাময়িকভাৱে কার্য্য সম্পাদন কৰে। তেওঁ সমাজৰ ভৱিষ্যতক লৈ অতি আগ্রহী আছিল আৰু সেয়েহে কৈছিল যে যেতিয়া প্রত্যক্ষবাদী স্তৰে পূর্ণাঙ্গতা বা সফলতা লাভ কৰিব, তেতিয়া ধর্মতাত্ত্বিক আৰু আধিদৈৱিক স্তৰৰ স্তৰঃস্ফূর্তভাৱে অৱসান ঘটিব।

ক'টে এই তিনি তৰপীয়া নীতিক বিভিন্ন ক্ষেত্রত প্রয়োগ কৰিছিল। প্রথমে, ক'টৰ ভাষাত ব্যক্তি এজনে ক্রমে শিশুকাল (ধর্মতাত্ত্বিক স্তৰ), কৌশোৰ কাল (আধিদৈৱিক স্তৰ) আৰু প্রাপ্তবয়স্ক (প্রত্যক্ষবাদী স্তৰ) কালৰ মাজেৰে জীৱন অতিক্রম কৰে। দ্বিতীয়তে, ক'টৰ বিজ্ঞানৰ পদানুক্রমিকতা অনুসৰি সকলো বিষয়েই এই তিনিটা স্তৰ অতিক্রম কৰে। কিন্তু, সমাজতত্ত্ব এক বিজ্ঞান হিচাপে যিহেতু নতুন বিষয় আৰু ই প্রত্যক্ষবাদী স্তৰৰ দ্বাৰা প্রভাৱিত হোৱাটো বাঞ্ছনীয়, সেয়েহে ক'টে সমাজতত্ত্বক এক "বৈজ্ঞানিক" বা "প্রত্যক্ষবাদী" বিষয়লৈ ৰূপান্তৰিত কৰাত যথেষ্ট মনোনিৱেশ কৰিছিল। তৃতীয়তে, ক'টে বিশ্ব ইতিহাসক ধর্মতাত্ত্বিক স্তৰৰ পৰা আধিদৈৱিক স্তৰলৈ ৰূপান্তৰিত হোৱা দেখিছিল আৰু সেয়েহে বিশ্বাস কৰিছিল যে প্রত্যক্ষবাদী স্তৰত মানুহে অপৰিৱর্তিত বৈজ্ঞানিক নীতিসমূহ বুজিবলৈ সমর্থ হ'ব আৰু এই নীতিবোৰে গ্রহণ কৰি সমস্যাৰ সমাধান ঘটাই তীব্র বেগেৰে উন্নতিৰ পথেৰে অগ্রসৰ হ'ব পাৰিব।

এই ধাৰণাৰ জৰিয়তে ক'টে ''আদেশ'' (Order) আৰু ''অগ্রগতি'' (Progress)ৰ অনুসন্ধানত প্রত্যক্ষবাদী ধাৰণাৰ যথার্থ প্রয়োগ কৰিছিল। এই সময়তে ফৰাছী বিপ্লৱৰ প্রভাৱত ফৰাছী সমাজখনৰ পৰিৱর্তন ঘটিছিল। ক'টে ফৰাছী বিপ্লৱৰ ঋণাত্মক প্রভাৱ বিশেষকৈ ''সন্ত্রাসৰ শাসনকাল''ক লৈ যথেষ্ট চিন্তাশীল হৈ পৰিছিল। তেওঁ ফৰাছী সমাজত ''সামাজিক বিশৃঙ্খলতা'' আৰু ''অগ্রগতিৰ অভাৱ'' প্রত্যক্ষ কৰিছিল। সেয়েহে, এই সমস্যাবোৰৰ সমাধানকল্পে তেওঁ প্রত্যক্ষবাদ পদ্ধতিৰ পোষকতা কৰিছিল। তেওঁ কৈছিল যে এফালে, প্রত্যক্ষবাদে সামাজিক বিশৃঙ্খলতা আঁতৰাই সমাজ সুস্থিৰ কৰিব আৰু অন্যহাতেদি জ্ঞানৰ প্রভাৱ বৃদ্ধি কৰি সমাজক অগ্রগতিৰ পথেৰে আগুৱাই নিব।

১.৫ সমাজতত্ত্বৰ দুটা ভিন্ন ধাৰাৰ বিকাশ

সমাজতত্ত্বৰ দৃষ্টিভঙ্গী তত্ত্বৰ কোনো এক বিশেষ গঠন বা দৃষ্টিভঙ্গী পোৱা নাযায়। বৰঞ্চ এই বিষয়ত ''সংৰচনাত্মক প্রকার্য্যবাদ'', ''সংঘাত'', ''আন্তঃক্রিয়াবাদ'', ''নাৰীবাদ'' আদি বহুতো ধাৰণা বা দিশ জড়িত হৈ থাকে। এই দিশসমূহৰ কোনোটোৱেই সত্য বা অসত্য বুলি বিবেচনা কৰিব নোৱাৰি। প্রত্যেকটো ধাৰণাই সমাজৰ দিশসমূহৰ যিকোনো এটাক উপস্থাপন কৰে। আমি কেৱল সংৰচনাত্মক প্রকার্য্যবাদ আৰু সংঘাত দৃষ্টিভঙ্গীৰ বিষয়েহে এই অধ্যায়ত আলোচনা কৰিম।

১.৫.১ সংৰচনাত্মক প্রকার্য্যবাদ

সংৰচনাত্মক প্রকার্য্যবাদ হার্বাট স্পেনচাৰ আৰু আগষ্ট ক'টেৰ ''জৈৱিক সাদৃশ্য'' বিষয়ক ৰচনাৰাজিৰ লগত জড়িত। হার্বাট স্পেনচাৰৰ ''জৈৱিক সাদৃশ্যতা''ৰ আর্হিটোৱে সমাজক এক জীৱন্ত বিষয় হিচাপে দাঙি ধৰে। স্পেনচাৰে এটা জীৱন্ত শৰীৰ আৰু সামাজিক গাঁথনিৰ মাজত সাদৃশ্য প্রদর্শন কৰি কৈছে যে যেনেদৰে শৰীৰৰ প্র ত্যেকটো অঙ্গই একেলগে কার্য্য সম্পাদন কৰে ঠিক তেনেদৰে সংস্কৃতি, ধর্ম, অর্থনীতি আদি সামাজিক অংশবোৰে সুস্থিৰভাৱে সমাজখনৰ কার্য্য সম্পাদনৰ ক্ষেত্রত সমূহীয়া অৰিহণা যোগায়।

এনেদৰে, আগষ্ট ক'টৰ ''সামাজিক স্থিতিশীলতা'' আৰু ''সামাজিক গতিশীলতা''ৰ ধাৰণাত একেই বিশ্লেষণ পৰিলক্ষিত হয়। ক'টে সমাজতত্ত্বত সামাজিক স্থিতিশীলতাৰ অধ্যয়নক সামাজিক ব্যৱস্থাৰ বিভিন্ন অংশৰ ক্রিয়া আৰু প্রতিক্রিয়াৰ নীতিৰ আৰু প্রভাৱৰ অনুসন্ধানৰ লগত জড়িত কৰিছে। স্পেনচাৰৰ দৰে ক'টেও তেওঁৰ চিন্তাধাৰা জীৱবিজ্ঞানৰ পৰা সংগ্রহ কৰিছে আৰু বিভিন্ন জৈৱিক গাঁথনিৰ মাজত প্রকার্য্যত্মক সমন্বয় স্থাপন কৰিছে। ক'টে সমাজৰ সকলো অংশৰ মাজত একতা আৰু ভাৱসাম্যতা বজাই ৰখাত গুৰুত্ব প্রদান কৰিছে।

এই প্ৰাৰম্ভিক ধাৰণাবোৰে ফৰাছী সমাজতত্ত্ববিদ ইমাইল দুৰখেইমক (১৮৫৮-১৯১৭) যথেষ্ট প্ৰভাৱিত কৰিছিল আৰু পাছলৈ তেওঁ ইয়াৰ সহায়ত এক তাত্ত্বিক দৃষ্টিভঙ্গী বিকশিত কৰিছিল যিটোক সংৰচনাত্মক প্ৰকাৰ্য্যবাদ (Structural Functionalism) অথবা কেৱল প্ৰকাৰ্য্যবাদ (Functionalism) বুলি জনা যায়। সংৰচনাত্মক প্ৰকাৰ্য্যবাদে সমাজক এক গাঁথনি (সত্তা) হিচাপে আখ্যা দিয়ে, য'ত আন্তঃনিৰ্ভৰশীল আৰু আন্তঃসংলগ্ন অংশবোৰ, যেনে— পৰিয়াল, ধৰ্ম, সংস্কৃতি আদিয়ে ক্ৰিয়া কৰে। সমগ্ৰ সমাজখন পৰিচালনাত এই সম্পৰ্কিত অংশবোৰে সক্ৰিয়ভাৱে প্ৰভাৱ পেলায়। ৰালে আৰু ওল্‌ফে সংৰচনাত্মক বৈশিষ্ট্যসমূহ এনেদৰে প্ৰকাশ কৰিছে— (১)ই এক সামাজিক পদ্ধতি, য'ত আন্তঃসংলগ্ন আৰু আন্তঃনিৰ্ভৰশীল অংশবোৰ জড়িত হৈ থাকে। (২) ই এক সামাজিক পদ্ধতি, য'ত একতা, সমন্বয় আৰু ভাৰসাম্য অটুট থাকে। (৩) যেতিয়া ব্যাঘাতপ্ৰাপ্ত হয়, তেতিয়াই ভাৰসাম্য স্থাপনৰ বাবে পদ্ধতিটোৰ অংশবোৰৰ মাজত পুনঃঅনুকূলভৱন প্ৰক্ৰিয়া আৰম্ভ হয়।

ডাৰখাইমৰ সংৰচনাত্মক প্ৰকাৰ্যবাদে 'সামাজিক ঘটনা', 'ধৰ্ম' আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ 'শ্ৰম বিভাজন'ক সামৰি লয়। সামাজিক ঘটনাপ্ৰবাহ, যেনে— সামাজিক নীতি, মূল্যবোধ, বিশ্বাস, সংস্কৃতি আদি ব্যক্তিৰ কাৰণে বাহ্যিক উপাদান যদিও এইবোৰে সামাজিক ভাৰসাম্য ৰক্ষাত সহায়কাৰী দিক্‌নিৰ্দেশনাৰে সামাজিক জীৱন নিয়ন্ত্ৰণ কৰে। তেওঁৰ শ্ৰম বিভাজন প্ৰসঙ্গত সামাজিক ঐক্যক যথেষ্ট গুৰুত্ব দিছিল। ডাৰখাইমে দুটা ভিন্ন সামাজিক ঐক্যৰ কথা ব্যক্ত কৰিছে। এটা হ'ল যান্ত্ৰিক আৰু আনটো হ'ল জৈৱিক। যান্ত্ৰিক ঐক্য "পৰম্পৰাগত" আৰু ক্ষুদ্ৰ পৰিসৰৰ সমাজত পোৱা যায় য'ত ব্যক্তিৰ কৰ্মৰাজি, ধৰ্মীয় বিশ্বাস, জীৱন-ধাৰণৰ প্ৰণালীৰ মাজত (স্বজনতাকেন্দ্ৰিক) সাদৃশ্য দেখা পোৱা যায়। আকৌ, জৈৱিক ঐক্য আধুনিক বা উদ্যোগিক সমাজৰ মাজৰ পাৰ্থক্যৰ আধাৰত প্ৰকট হয়। আধুনিক সমাজ ব্যৱস্থাত সামাজিক অভাৱ ভিন্ন হোৱা হেতুকে আৰু শ্ৰমৰ বিভাজনৰ কাৰণে কোনো ব্যক্তিয়ে নিজৰ অভাৱ পূৰণ কৰিব নোৱাৰে। বিভিন্ন পাৰ্থক্য থকা সত্ত্বেও ব্যক্তিৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতা আছে বাবে ডাৰখাইমে সমাজত অগ্ৰগতি আৰু বিকাশ লক্ষ্য কৰিছিল। সেয়েহে, দুৰখেইমৰ মতে এই কথাই সমাজত ভাৰসাম্য অটুট ৰাখে।

সংৰচনাত্মক প্ৰকাৰ্য্যবাদৰ প্ৰভাৱ আমেৰিকাৰ সমাজতাত্ত্বিকসকল, বিশেষকৈ টেলকট্‌ পাৰচনচ্‌ৰ (১৯০২-১৯৭৯) লিখনিত স্পষ্টকৈ ধৰা পৰে। পাৰচনচ্‌ৰ সংৰচনাত্মক প্ৰকাৰ্য্যবাদী তত্ত্বটো যথেষ্ট জনপ্ৰিয় আছিল আৰু 'The Social System'ৰ নামৰ গ্ৰন্থখনত ইয়াক সুন্দৰকৈ প্ৰকাশ কৰা হৈছিল। পাৰচন্‌চে সামাজিক গাঁথনিৰ প্ৰকাৰ্য্য আৰু গতিশীল ভাৰসাম্যতা প্ৰতিস্থাত যথেষ্ট গুৰুত্ব দিছিল। তেওঁৰ বিশ্লেষণ মতে 'AGIL' —পৰিযোজন (Adaptation), লক্ষ্যপ্ৰাপ্তি (Goal Attainment), সংহতকৰণ (Intergration) আৰু নিহিতাৱস্থা (Latency) হৈছে সামাজিক ভাৰসাম্য অটুট ৰখাৰ

এক প্ৰয়োজনীয় ব্যৱস্থা। প্ৰতিযোজন, অৰ্থাৎ পৰিস্থিতিৰ অনুকূল খাপ খাই লোৱা বৈশিষ্ট্যটোৱে পৰিৱেশৰ পৰা পোৱা পৰ্য্যাপ্ত সুবিধা সুৰক্ষিত কৰি ৰাখিবলৈ সমাজ এখন কিমান সামৰ্থ সেয়া বুজায়। যেনে— সমল সংগ্ৰহ, পণ্যদ্ৰব্য উৎপাদন আৰু সামাজিক ব্যৱস্থা এটাত এনে দ্ৰব্যৰ বিতৰণ ইত্যাদি। লক্ষ্যপ্ৰাপ্তি হ'ল সামাজিক ব্যৱস্থা এটাই ইয়াৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি তেনে লক্ষ্যত উপনীত হোৱা কাৰ্য্য। সংহতকৰণ মানে সামাজিক ব্যৱস্থা এটাই ইয়াৰ অংশবোৰৰ মাজৰ সম্পৰ্ক বৰ্তাই ৰখা কাৰ্য্য। নিহিতাৱস্থা, অৰ্থাৎ সামাজিক বিন্যাসৰ ধাৰাবাহিকতা বৰ্তাই ৰখা মানে হ'ল সামাজিক ব্যৱস্থা এটাত 'কৰ্তা'ৰ উপযুক্ত বৈশিষ্ট্য অটুট ৰখা কাৰ্য্য। এই কাৰ্য্যবোৰ পৰিয়ালৰ দৰে অনুষ্ঠানৰ সহায়ত বাস্তৱ ৰূপ দিয়া হয়। পৰিয়ালে 'কৰ্তা'ৰ বিশ্বাস তথা মূল্যবোধ প্ৰণালীবোৰৰ মধ্যৱৰ্তী কাৰক হিচাপে কাম কৰে। অৰ্থাৎ পাৰচনচে সমাজত শৃঙ্খলা বৰ্তাই ৰখাত জোৰ দিছিল।

পাৰচনচ্ তেওঁৰ অনুসৰণকাৰী ৰবাৰ্ট কে. মাৰ্টন (১৯১০-২০০৩), কিংচ্লে ডেভিচ (১৯০৮-১৯৯৭) আৰু উইলবাৰ্ট ম'ৰে (১৯১৪-১৯৮৭) আদিৰ মাজত যথেষ্ট জনপ্ৰিয়। কিংচ্লে ডিভিচ আৰু উইলবাৰ্ট ম'ৰে একেলগে "সামাজিক শ্ৰেণীবিভাজন" প্ৰসঙ্গত এক তথ্যসমৃদ্ধ সংৰচনাত্মক প্ৰকাৰ্য্যবাদ লিখনি প্ৰকাশ কৰিছিল। এই লিখনিক কাৰ্য্যাবাদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু নিভাঁজ দলিল বুলি অভিহিত কৰা হয়। তেওঁলোকৰ লিখনি মতে সামাজিক ভাৰসাম্যতাৰ বাবে সামাজিক শ্ৰেণীবিভাজন গুৰুত্বপূৰ্ণ বিষয়। সামাজিক শ্ৰেণীবিভাজনৰ ইতিবাচক দিশটোহে তেওঁলোকে দাঙি ধৰাৰ প্ৰয়াস কৰিছিল।

১৯৪৯ চনত ৰবাৰ্ট কে. মেননে এখন ৰচনা প্ৰকাশ কৰিছিল,য'ত তেওঁ নিজৰ তত্ত্বক "মধ্যম পৰিসৰৰ" বুলি অভিহিত কৰিছিল। এই তত্ত্বত তেওঁ সামাজিক আৰ্হিক জটিল বুলি আখ্যা দিছিল। ইয়াৰ কাৰণ হ'ল সামাজিক বিভিন্ন অংশই বিভিন্ন সামাজিক কাৰ্য্যকলাপ সূচিত কৰে, যিবোৰ কেতিয়াবা ইচ্ছাকৃত বা অনিচ্ছাকৃত, কেতিয়াবা লাভজনক বা অনাকাংক্ষিত হ'ব পাৰে। এনেকুৱা পৰিৱেশত, মাৰ্টনে দুই ধৰণৰ প্ৰকাৰ্য্য সংঘটিত হয় বুলি উল্লেখ কৰিছে। ইয়াৰে এটা হ'ল প্ৰদৰ্শনমূলক (ইচ্ছাকৃত, লাভজনক আদি) আৰু আনটো হ'ল অন্তৰ্নিহিত (অনিচ্ছাকৃত, অনাকাংক্ষিত)। তেওঁৰ মতে সংৰচনাত্মক প্ৰকাৰ্য্য অকল ইতিবাচক কাৰ্য্যাৱলীয়েই নহয়, নেতিবাচক কাৰ্য্যকো প্ৰতিফলিত কৰা উচিত। নেতিবাচক কাৰ্য্যক তেওঁ 'বিকলাৱস্থা' অথবা 'সুপ্তাৱস্থা' আখ্যা দিছে। তেওঁ ইয়াকো কৈছিল যে 'কাৰ্য্যক্ষম অৱস্থা' আৰু 'বিকলাৱস্থা'ৰ মাজত সমতা থকা উচিত। অৰ্থাৎ, এটা সংৰচনা সামগ্ৰিকভাৱে অধিক কাৰ্য্যক্ষম নে অধিক বিকলাৱস্থাত আছে সেয়া জনাটো আৱশ্যক। উদাহৰণ স্বৰূপে, এখন গাড়ীৰ কথাকে ক'ব পাৰি। এহাতেদি, যাতায়ত ব্যৱস্থা সূচল কৰাত গাড়ীখনে সহায় কৰে (প্ৰদৰ্শনমূলক প্ৰকাৰ্য্য), আনহাতে প্ৰদূষণ সৃষ্টিটো গাড়ীখনে অৰিহণা যোগায় (বিকলাৱস্থা সৃষ্টিৰী প্ৰকাৰ্য্য। এনেকুৱা উদাহৰণ সামাজিক পটভূমিৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিব পাৰি।

সংৰচনাত্মক প্ৰকাৰ্য্যবাদৰ সমালোচকসকলে এই দৃষ্টিভঙ্গীটোক ৰক্ষণশীল বুলি সমালোচনা কৰে। তেওঁলোকে সামাজিক স্থিতাৱস্থাক অধিক প্ৰাধান্য দিয়ে বাবে সামাজিক পৰিৱৰ্তন যথাৰ্থভাৱে ব্যাখ্যা কৰিব নোৱাৰে। সমালোচকসকলে এই যুক্তিও দাঙি ধৰে যে প্ৰকাৰ্য্যবাদীসকলে সমাজত চলি থকা অসমতা, সংঘাত আৰু উত্তেজনাবোৰক আওকাণ কৰি শৃঙ্খলা আৰু সমতা স্থাপনৰ কথা কয়। সামাজিক উন্নয়নত প্ৰতিবন্ধক হিচাপে বিবেচিত হোৱা শ্ৰেণী, লিঙ্গ, প্ৰস্থিতি আদি কাৰকবোৰকো সংৰচনাত্মক প্ৰকাৰ্য্যবাদীসকলে আওকাণ কৰা দেখা যায়।

১.৫.২ সংঘাটময় দৃষ্টিভঙ্গী

সমাজতাত্ত্বিক নীতিৰ আন এক প্ৰধান তাত্ত্বিক দৃষ্টিভঙ্গী হ'ল 'সংঘাত দৃষ্টিভঙ্গী'। সংৰচনাত্মক প্ৰকাৰ্য্যবাদত সমাজৰ 'শৃঙ্খলা', 'সুস্থিৰতা', 'সমন্বয়' অথবা 'সমতা' আদি দিশত মনোনিৱেশ কৰা হয় আৰু সেইবোৰ দিশেৰে সমাজক চালি-জাৰি চোৱা হয়। সংঘাত দৃষ্টিভঙ্গীয়ে সামাজিক শ্ৰেণীবোৰৰ মাজৰ প্ৰতিযোগিতা আৰু সংঘাত অধ্যয়ন কৰে। সংঘাত পৰম্পৰাৰ চিন্তাবিদসকলে সমাজক 'অসমতা'ৰ বৈশিষ্ট্য নিহিত থকা সামাজিক সম্পৰ্কৰ সংৰচনা বুলি গণ্য কৰে। সেয়েহে এই সম্পৰ্কবোৰে সমলৰ অসম বিতৰণ, যেনে— সম্পদ আৰু ক্ষমতাক কেন্দ্ৰ কৰি অহৰহ প্ৰতিযোগিতাত লিপ্ত হৈ থাকে। এনে প্ৰতিযোগিতাৰ অভিপ্ৰায় হ'ল নিজ স্বাৰ্থ পূৰণ কৰা। এই পৰিৱেশত মুষ্টিমেয় দল কেইটামানে অন্য দলৰ স্বাৰ্থক দমন কৰি সমলৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ বৰ্তাই ৰাখে। সংঘাতপন্থী চিন্তাবিদসকলে অসমতাৰ দৃষ্টিৰে সমাজক বিশ্লেষণ কৰাৰ লগতে 'কোন লাভান্বিত হ'ল সেই প্ৰশ্নৰ উত্তৰ বিচাৰে। সংৰচনাত্মক প্ৰকাৰ্য্যবাদীসকলে কেতিয়াও এই দৃষ্টিভঙ্গীৰে সমাজখনক চোৱাত জোৰ নিদিয়ে।

- **কার্ল মার্ক্স ঃ** সংঘাত দৃষ্টিভঙ্গীৰ পৰম্পৰাত কার্ল মার্ক্সে যথেষ্ট অৰিহণা আগবঢ়াইছে। মার্ক্সৰ কৰ্মৰাজিয়ে ইউৰোপত ঔদ্যোগিক বিপ্লৱে সাধন কৰা পৰিৱৰ্তনৰ ওপৰত আলোকপাত। এই পৰিৱৰ্তনত ইউৰোপীয় সমাজখন সামন্তবাদীৰ পৰা ক্ৰমে পুঁজিবাদলৈ ৰূপান্তৰিত হৈছিল। মার্ক্সে সমাজত 'সম্ভ্রন্ত' (Haves) আৰু 'সৰ্বহাৰা' (Have Nots) শ্ৰেণীৰ মাজত চলা অহৰহ সংঘাত নিৰীক্ষণ কৰিছিল। এই সংঘাতৰ কাৰণ আছিল অসমতা, শোষণ আদি। মার্ক্সৰ সমাজৰ যিটো শ্ৰেণীৰ উৎপাদনৰ মাধ্যম আছে তাক 'সম্ভ্রান্ত' আৰু যিটো শ্ৰেণীৰ নাই তাক 'সৰ্বহাৰা' আখ্যা দিছিল। সৰ্বহাৰা শ্ৰেণীয়ে সদায় সম্ভ্রান্ত শ্ৰেণীৰ হৈ কাম কৰিবলগীয়া হৈছিল। মার্ক্সৰ মতে সমগ্ৰ মানৱ ইতিহাসত ধনী শ্ৰেণীয়ে দুখীয়া বা দৰিদ্ৰক, গৰাকীয়ে ভূত্বক, জামিদাৰে কৃষকক কৰা শোষণৰ কথা উল্লেখ আছে আৰু গতানুগতিকভাৱে বৰ্তমান পুঁজিবাদী সমাজতো মধ্যবিত্ত শ্ৰেণীয়ে সৰ্বহাৰাক কৰা শোষণৰ কথা উল্লেখ কৰিব পাৰি। মার্ক্সে আকৌ কৈছে যে অৰ্থনৈতিক মাধ্যম বা উৎপাদনৰ ওপৰত থকা নিয়ন্ত্ৰণে ৰাজনৈতিক

ক্ষমতা প্রদান কৰে। এনেকুৱা পৰিস্থিতিত সমাজৰ দুয়োটা শ্রেণীৰ মাজত সংঘাত বৃদ্ধি পায়। মার্ক্সে সংঘাতক সামাজিক পৰিৱর্তনৰ মূল কাৰণ বুলি বিবেচনা কৰিছিল।

- **নাৰীবাদঃ** মার্ক্সৰ অনুসৰণকাৰীসকলে লিঙ্গ বৈষম্যৰ ধাৰণাক সংঘাতৰ এক প্রকাৰ হিচাপে দাঙি ধৰিছিল। এনেকুৱা এটা ধাৰণা হ'ল নাৰীবাদ। এই ধাৰণাটোৱে লিঙ্গ বৈষম্যৰ ক্ষেত্রত থকা অসমতাক উপস্থাপন কৰিছিল আৰু লগতে দেখুৱাইছিল যে সমাজত মহিলাসকলক নির্য্যাতিত গোট।

অৱশ্যে এই দৃষ্টিভঙ্গীটোক লৈ নাৰীবাদীসকলৰ মাজত মতানৈক্য ঘটিছিল। অসমতাৰ সর্বজনগ্রাহ্য কাৰণ আৰু সম্ভাব্য সমাধান বাহিৰ কৰাত তেওঁলোক ব্যর্থ হৈছিল। নাৰীবাদী দল এটাই মার্ক্সীয় ধাৰণাৰ দ্বাৰা প্রভাৱিত হৈ লিঙ্গ বৈষম্যৰ কাৰণে পুঁজিবাদী অর্থনৈতিক ব্যৱস্থাকে জগৰীয়া কৰিছিল। পুঁজিবাদী ব্যৱস্থাই নাৰীতকৈ পুৰুষক অধিক সুবিধা দিয়ে, যেনে— বেছি দৰমহা পোৱা কাম। তেওঁলোকৰ মতে পুঁজিবাদৰ উৎখাতেই হ'ল ইয়াৰ সমাধান।আকৌ, উদাৰ নাৰীবাদৰ সমর্থকসকলে শিক্ষা আৰু সুবিধাৰ অভাৱ, পৰম্পৰাগত মূল্যবোধ আদিক লিঙ্গ বৈষম্যৰ অসমতাৰ কাৰণ বুলি অভিহিত কৰিছিল। সেয়েহে, উদাৰ নাৰীবাদীসকলে বিশ্বাস কৰিছিল যে যদি সমাজৰ সকলো বিষয়ত নাৰী আৰু পুৰুষৰ মর্য্যাদা সমান হয়, তেন্তে নাৰীয়ে পুৰুষৰ সমানে সফলতা অর্জন কৰিব পাৰে। আকৌ, আধুনিক নাৰীবাদৰ মতে, পুৰুষপ্রধান সমাজৰ নিয়ন্ত্রণে অর্থনৈতিক ব্যৱস্থা তথা অন্য অসমতাৰ তুলনাত অধিক অসমতাৰ সৃষ্টি কৰে। সেয়েহে, সমাধানকল্পে তেওঁলোকে সমাজৰ পৰা লিঙ্গভিত্তিক হিংসা দূৰ হোৱাটো বিচাৰিছিল। তেতিয়াহে সমাজত নাৰীৰ সংস্কৃতি আৰু মর্য্যাদা অটুট থাকিব।

- **ফ্রেঙ্কফ'র্ট চিন্তাধাৰাঃ** মার্ক্সীয় পৰম্পৰা বজাই ৰাখিবৰ কাৰণে জার্মানীৰ এটা দলে "ফ্রেঙ্কফ'র্ট চিন্তাধাৰা" (Frankfurt School) নামেৰে এক সমালোচনাত্মক চিন্তাধাৰাৰ জন্ম দিছিল। এই চিন্তাধাৰাৰ সৈতে জড়িত চিন্তাবিদসকল আছিল, মেক্স হর্কহেইমাৰ (১৮৯৫-১৯৭৩), থিঅ'দৰ এড'র্ন' (১৯০৩-১৯৬৯), এৰিক্ ফ্রম (১৯০০-১৯৮০) জর্জ লুঅ'কাচ (১৮৮৫-১৯৭১), হার্বাট মাৰকাজ (১৮৯৮-১৯৭৯) আৰু শেহতীয়াকৈ জুর্গেন হেবাৰমাছ (১৯২৯-) আদি। ১৯৩৪ চন পর্য্যন্ত এই অনুষ্ঠানটো কেৱল জার্মানীতে সক্রিয় হৈ আছিল, কিন্তু নাজী শাসনৰ কাৰণে পাছলৈ আমেৰিকালৈ স্থানান্তৰিত হৈছিল। আমেৰিকাত কল'ম্বিয়া বিশ্ববিদ্যালয়ৰ অধীনত যুদ্ধ সমাপ্ত নোহোৱা পর্য্যন্ত এই অনুষ্ঠানটো সক্রিয় হৈ আছিল। আমেৰিকাৰ নিউয়'র্কত সক্রিয় হৈ থকাৰ সময়ত এই অনুষ্ঠানে বহুতো সমাজতত্ত্ববিদক প্রভাৱিত কৰিছিল। লিৱিচ কোচাৰ (১৯১৩-২০০৩) নামৰ এগৰাকী জার্মান-আমেৰিকান সমাজতত্ত্ববিদে তেওঁৰ গ্রন্থ 'The Functions of Social Conflict' (১৯৫৬)ত আলোচনা কৰিছে যে, "দল গঠন প্রক্রিয়াই সংযোজন আৰু বিযোজন দুয়োটাকে

সামৰি লয়। যাতে সংঘাত আৰু সহযোগে সামাজিক কার্য্য সম্পাদনত সহায় কৰিব পাৰে। সেয়েহে কিছু পৰিমাণৰ সংঘাত গঠনৰ বাবে আৱশ্যকীয় উপাদান।"

আৰম্ভণিতে ফ্ৰেঙ্কফৰ্ট চিন্তাধাৰাৰ প্ৰায়বোৰ সদস্যই পৰম্পৰাগত মাৰ্ক্সবাদক সমৰ্থন জনাইছিল আৰু অৰ্থনৈতিক ক্ষেত্ৰখনৰ বিষয়ে গুৰুত্বপূৰ্ণ বিশ্লেষণ আগবঢ়াইছিল, কিন্তু ১৯৩০ চনৰ আশে-পাশে তেওঁলোকৰ ধাৰণা অৰ্থনীতিৰ পৰা সংস্কৃতিলৈ সলনি হৈছিল। আধুনিক পুঁজিবাদী সমজাত সংস্কৃতিক এটা প্ৰধান শক্তি বুলি গণ্য কৰা হৈছিল। সংঘাত দৃষ্টিভঙ্গীৰ সমালোচকসকলে দাবী কৰিছিল যে এই ধাৰণাই বিভিন্ন আন্দোলনৰ পোষকতা কৰি অতি ৰাজনীতিকেন্দ্ৰিক ৰূপ লৈছিল। যিটোৱে সমাজৰ একতা আৰু ভাৰসাম্যতাত বিশৃঙ্খলতাৰসৃষ্টি কৰিছিল। তেওঁলোকৰ মতে দৃষ্টিভঙ্গীটোৱে সংঘাত, উত্তেজনা আৰু বল প্ৰয়োগত অত্যধিক জোৰ দি সমাজৰ ঐক্য আৰু সুস্থিৰতা বিঘ্নিত কৰিছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ক) সমাজতত্ত্বত প্ৰত্যক্ষবাদ তত্ত্বটো কোনে আগবঢ়াইছিল?

.....

খ) যান্ত্ৰিক ঐক্য আৰু জৈৱিক ঐক্যৰ অভিধা দুটা কোনে আগবঢ়াইছিল?

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজতত্ত্ব এক শৈক্ষিক বিষয় হিচাপে ঊনৈশ শতিকাৰ প্ৰাক্‌মুহূৰ্তত বিকশিত হৈছিল।
- ফ্ৰান্সৰ আগষ্ট ক'টে প্ৰথম "সমাজতত্ত্ব" শব্দটো প্ৰয়োগ কৰিছিল। প্ৰায় ১৮৩৯ চন মানতহে "সমাজতত্ত্ব" শব্দটো তেওঁৰ গ্ৰন্থ (Positive Philosophy)ত ব্যৱহৃত হৈছিল।
- পশ্চিমীয়া সমাজখনত সমাজতত্ত্বৰ তিনিটা গুৰুত্বপূৰ্ণ শক্তিৰ বিষয়ে উল্লেখ আছে।
- **প্ৰবুদ্ধি ঃ** ইউৰোপৰ এক বৌদ্ধিক আন্দোলন যাৰ জৰিয়তে সমগ্ৰ বিশ্বত এক পৰিৱৰ্তনৰ সূচনা হৈছিল। এই পৰিৱৰ্তনৰাজিত সাধাৰণ বিশ্বাস আৰু অন্ধবিশ্বাসতকৈ গৱেষণা আৰু যুক্তি যুক্ত তাক অধিক গুৰুত্ব দিয়া হৈছিল।
- **ফৰাছী বিপ্লৱ ঃ** চৰম ৰাজতন্ত্ৰ, জমিদাৰী অৰ্থনীতি, সামাজিক অসমতা, ৰাষ্ট্ৰ আৰু গীৰ্জাৰ মিত্ৰতা আদিৰ দ্বাৰা গঠিত "পুৰণি সাম্ৰাজ্য"ৰ অপসাৰণৰ এক সামাজিক আৰু ৰাজনৈতিক বিপ্লৱ। এই বিপ্লৱৰ শ্লোগান "স্বাধীনতা সমতা আৰু ভ্ৰতৃত্ববোধ"ৰ দৰে ৰাজনৈতিক আদৰ্শক ফৰাছী সমাজত প্ৰতিষ্ঠা কৰা হৈছিল।

- **উদ্যোগিক বিপ্লৱঃ** সামাজিক পৰিৱৰ্তনৰ এক যুগ য'ত ক্ৰমান্বয়ে পৰম্পৰাগত অৰ্থনীতিৰ পৰা ঔদ্যোগিক বা কাৰখানা অৰ্থনীতিলৈ, গ্ৰাম্যৰ পৰা নগৰীয়া আৰু ঔদ্যোগিক সমাজলৈ, হস্তশিল্প বা মানৱ শ্ৰমৰ পৰা যন্ত্ৰ-পাতিলৈ, যাতায়ত আৰু যোগাযোগৰ ক্ষেত্ৰত পৰিৱৰ্তন তথা অগ্ৰগতি হোৱাৰ লগতে জন-উৎপাদন বৃদ্ধি হৈছিল।
- প্ৰবুদ্ধি আছিল সপ্তদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ ইউৰোপত সংঘটিত হোৱা এক বৌদ্ধিক আন্দোলন।
- প্ৰবুদ্ধিয়ে বিশ্বাস আৰু অন্ধবিশ্বাসতকৈ গৱেষণা আৰু যুক্তিযুক্ততাৰ ওপৰত আধাৰিত সামাজিক গাঁথনিৰ পোষকতা কৰিছিল।
- বৈজ্ঞানিক বিপ্লৱৰ ফলস্বৰূপে প্ৰবুদ্ধিৰ ধাৰণাৰ উৎপত্তি হৈছিল আৰু এই ধাৰণাই সূৰ্য্যকেন্দ্ৰিক তত্ত্বৰ দ্বাৰা ভূ-কেন্দ্ৰিক তত্ত্বক প্ৰত্যাহ্বান জনাইছিল।
- বৈজ্ঞানিক ধাৰণাৰ বিকাশে গীৰ্জাৰ দ্বাৰা লাভ কৰা পৌৰাণিক আৰু মধ্যযুগীয় বিশ্ব মতামত সম্পৰ্কত বহুতো ইউৰোপীয় চিন্তাবিদৰ মনত সন্দেহৰ উদ্ৰেক কৰিছিল।
- "সামাজিক চুক্তি তত্ত্বই" "দৈৱিক অধিকাৰ তত্ত্বক" সমালোচনা কৰিছিল। তত্ত্বটোৱে বুজাই দিছিল যে ৰাষ্ট্ৰ বা চৰকাৰ কোনো স্বৰ্গীয় অধিকাৰৰ দ্বাৰা প্ৰভাৱিত নহয়, বৰঞ্চ প্ৰজাৰ দ্বাৰাহে সৃষ্ট।
- ফৰাছী বিপ্লৱৰ মূল আধাৰ হৈছে প্ৰবুদ্ধিৰ ধাৰণাৰ বিকাশ, যাৰ জৰিয়তে সমাজৰ বিশৃঙ্খলতাক মযিমূৰ কৰা হৈছিল।
- প্ৰত্যক্ষবাদ হৈছে সামাজিক বিশ্বক অনুসন্ধান কৰাৰ এক প্ৰক্ৰিয়া য'ত প্ৰাকৃতিক বিজ্ঞান পদ্ধতি ব্যৱহাৰ কৰা হয়।
- আগষ্ট ক'টে সামাজিক বিশ্বক অধ্যয়ন কৰিব পৰাকৈ এক প্ৰত্যক্ষবাদী বিজ্ঞান বিকাশৰ পোষকতা কৰিছিল।
- প্ৰত্যক্ষবাদী সমাজতত্ত্বৰ ভেটি তিনিটা— নিৰীক্ষণ, পৰীক্ষণ আৰু তুলনা।
- তিনি-তৰপীয়া নীতি— (১) ধৰ্মতাত্ত্বিক পৰ্য্যায় (অতিপ্ৰাকৃতিক ক্ষমতাৰ ওপৰত বিশ্বাস) (২) আধিদৈৱিক পৰ্য্যায় (প্ৰকৃতিৰ দৰে বিমূৰ্ত শক্তিৰ ওপৰত বিশ্বাস, (৩) প্ৰত্যক্ষবাদী পৰ্য্যায় অৰ্থাৎ বৈজ্ঞানিক পৰ্য্যায়।
- প্ৰত্যক্ষবাদী পৰ্য্যায়তহে কেৱল "আদেশ" আৰু 'সম্ভাৱনীয়তা'ক অনুসৰণ কৰা হয়।
- সমাজতত্ত্বত কোনো ধৰণৰ এক বিশেষ প্ৰকাৰ বা দৃষ্টিভঙ্গী পৰিলক্ষিত নহয়, বৰঞ্চ ইয়াত বহুধৰণৰ তাত্ত্বিক দৃষ্টিভঙ্গী আৰু ধাৰণা জড়িত হৈ থাকে।
- সংৰচনাত্মক প্ৰকাৰ্য্যবাদ হাৰ্বাৰ্ট স্পেনচাৰ আৰু আগষ্ট ক'টৰ "জৈৱিক সাদৃশ্য" তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত।
- সংৰচনাত্মক প্ৰকাৰ্য্যবাদে আগবঢ়োৱা মূল কথাকেইটা হ'ল— (১) এটা সামাজিক ব্যৱস্থাত বহুতো আন্তঃসংলগ্ন আৰু আন্তঃনিৰ্ভৰশীল অংশ থাকে। (২) এটা সামাজিক ব্যৱস্থাত সমন্বয়, শৃঙ্খল আৰু সমাজৰ পৰিৱেশ থাকে আৰু (৩) ব্যাঘাতপ্ৰাপ্ত হ'লে

সামাজিক ব্যৱস্থাৰ অংশবোৰ পুনৰ সংগঠিত হয়, পৰিৱেশৰ অনুকূলে নিজকে খাপ খুৱাই লয় আৰু পুনৰ সাম্যৱস্থা ঘূৰাই আনে।

- সংঘাত দৃষ্টিভঙ্গী সংৰচনাত্মক প্ৰকাৰ্য্যবাদৰ পৰা পৃথক আৰু ই সমাজ "অসমতাৰ" দ্বাৰা প্ৰভাৱিত আৰু সামাজিক সম্পৰ্কৰ দ্বাৰা সৃষ্ট বুলি বিবেচনা কৰে।
- সংঘাত দৃষ্টিভঙ্গী কার্ল মার্ক্সৰ লিখনিত উদ্ভৱ হৈছিল।
- কার্ল মার্ক্সৰ মতে, সমাজৰ উৎসসমূহ 'সম্ভ্রান্ত' আৰু 'সর্বহাৰা' শ্রেণীৰ মাজত অসমতাপূর্ণ-ভাৱে বিতৰণ কৰা হয় আৰু সেয়েহে ইতিহাসৰ প্রতিটো পর্য্যায়তে নিৰন্তৰ শ্রেণী সংগ্রাম ধাৰণাটো ব্যাপ্ত হৈ আছে।
- সংঘাতে সামাজিক পৰিৱর্তনৰ সূচনা কৰে।



১.৭ আধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Abraham, Francis and Morgan, J. H. (2011); *Sociological Thought*; India: Macmillan Publishers India Ltd.
2) Fletcher, Ronald (1972); *The Making of Sociology: A Study of Sociological Theory*, (Vol. I); London: Thomas Nelson and Sons Ltd.
3) Hadden, Richard W. (1997); *Sociological Theory: An Introduction to Classical Tradition*; Canada: Broadview Press.
4) Ritzer, George (2008); *Modern Sociological Theory*; New York: McGraw-Hill.
5) Saikia & Buragohain (2010); *Sociology: Theories and Issues*; Jorhat: Vidya Bhavan.



১.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) ১৭৮৯ খ) 'Socious' আৰু Logos

২নং প্রশ্নৰ উত্তৰ ঃ ক) জ্যাঁ জ্যাঁক ৰুছো খ) ১৭৭৬

৩নং প্রশ্নৰ উত্তৰ ঃ ক) আগষ্ট ক'ট খ) ইমাইন দুৰখেইম



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ সমাজতত্ত্বৰ বিকাশৰ আঁৰত ক্ৰিয়াশীল প্ৰধান শক্তিসমূহ কি কি?

প্ৰশ্ন ২ ঃ আগষ্ট ক'টে উল্লেখ কৰা তিনি তৰপীয়া নীতিৰ স্তৰকেইটা কি কি?

খ) চমু প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ জন ল'কৰ মতে, তিনিটা "প্ৰাকৃতিক অধিকাৰ" কি কি?

প্ৰশ্ন ২ ঃ জ্যাঁ জ্যাঁক ৰুছোৰ "সামাজিক চুক্তি" তত্ত্বৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভূ-কেন্দ্ৰিক আৰু সূৰ্য্যকেন্দ্ৰিক তত্ত্বৰ মাজত প্ৰধান পাৰ্থক্য কি?

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সমাজতত্ত্বৰ বিকাশৰ আঁৰত থকা প্ৰধান কাৰকসমূহ কি কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বৈজ্ঞানিক বিপ্লৱে প্ৰবুদ্ধিৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছিল? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ প্ৰবুদ্ধিৰ যুগত উদ্ভৱ হোৱা প্ৰধান ৰাজনৈতিক তত্ত্বসমূহ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ আগষ্ট ক'টেৰ "প্ৰত্যক্ষবাদ" তত্ত্বৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ সংৰচনাত্মক প্ৰকাৰ্য্যবাদীৰ দৃষ্টিভঙ্গীৰ বিষয়ে বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ সমাজতত্ত্বৰ উত্থানৰ আঁৰত ক্রিয়াশীল সামাজিক শক্তিসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ফৰাছী বিপ্লৱ

- ২.৩.১ বিপ্লৱৰ কাৰণসমূহ
- ২.৩.২ এষ্টেট জেনেৰেল/সাধাৰণ সভা আৰু জাতীয় সভাৰ উত্থান (১৭৮৯-১৭৯১)
- ২.৩.৩ বেষ্টাইল আক্রমণ
- ২.৩.৪ সামন্তবাদৰ আৱসান
- ২.৩.৫ ব্যক্তি আৰু নাগৰিকৰ ঘোষণা-পত্র
- ২.৩.৬ সংবিধান ৰচনা
- ২.৩.৭ চুবুৰীয়া দেশসমূহৰ সৈতে যুদ্ধ
- ২.৩.৮ জাতীয় অভিৱর্তন (১৭৯২-১৭৯৫)
- ২.৩.৯ ডাইৰেক্ট'ৰী (১৭৯৫-১৭৯৯)

২.৪ ঔদ্যোগিক বিপ্লৱ

- ২.৪.১ উদ্ভাৱনসমূহ
- ২.৪.২ পৰিবহন আৰু যোগাযোগ
- ২.৪.৩ কৃষি বিপ্লৱ আৰু ঔদ্যোগিক বিপ্লৱ
- ২.৪.৪ পাৰিবেষ্টনী (Enslosure) আন্দোলন
- ২.৪.৫ কল-কাৰখানা ব্যৱস্থা
- ২.৪.৬ শোষণ
- ২.৪.৭ নগৰ আৰু বস্তি অঞ্চল বৃদ্ধি

২.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্রগতিৰ খতিয়ান

২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজতত্ত্বৰ উত্থানত ফৰাচী বিপ্লৱৰ প্রভাৱ চিনাক্ত কৰিব পাৰিব
- সমাজতত্ত্বৰ উত্থানত ঔদ্যোগিক বিপ্লৱৰ প্রভাৱ চিনাক্ত কৰিব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়ত আমি সমাজতত্ত্বৰ উত্থানৰ আঁৰৰ দুটা অত্যন্ত গুৰুত্বপূৰ্ণ সামাজিক কাৰক ক্ৰমে ফৰাছী আৰু ঔদ্যোগিক বিপ্লৱৰ বিষয়ে আলোচনা কৰিম। এই বিপ্লৱসমূহ কি আছিল? এই বিপ্লৱসমূহৰ কাৰণ আৰু ফলাফলসমূহ কি আছিল? ইয়াৰ মুখ্য প্ৰভাৱসমূহ কি আছিল, যাৰ ফলত সমাজতত্ত্বৰ উদ্ভৱ ঘটিছিল? এই আটাইবোৰ হ'ল অধ্যায়টিৰ আলোচ্য বিষয়। প্ৰথম অধ্যায়ত বৰ্ণনা কৰাৰ দৰেই ১৭৮৯ চনত সংঘটিত ফৰাছী বিপ্লৱে ফৰাছী সমাজৰ আৰু ৰাজনৈতিক জীৱনলৈ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আনিছিল। এই বিপ্লৱে পৃথিৱীৰ অন্য অংশক প্ৰভাৱিত কৰিছিল। অন্যহাতে, ইউৰোপত আৰম্ভ হোৱা ঔদ্যোগিক বিপ্লৱ পাছলৈ ইউৰোপৰ অন্য দেশসমূহ, যেনে— জাৰ্মানী, বেলজিয়াম, ইটালী, ফ্ৰান্স আৰু আমেৰিকা (বিশেষকৈ উত্তৰ আমেৰিকালৈ) বিয়পি পৰিছিল আৰু ই আৰ্থ-সামাজিক দিশ আৰু প্ৰযুক্তি ক্ষেত্ৰখনৰ দ্ৰুত পৰিৱৰ্তন সাধিছিল। উভয় ঘটনা আৰু ইয়াৰ প্ৰভাৱসমূহ সমাজতত্ত্বৰ উত্থানৰ আঁৰৰ গুৰুত্বপূৰ্ণ অংশ আছিল।

২.৩ ফৰাছী বিপ্লৱ

১৭৮৯ চনৰ পৰা ১৭৯৯ চনলৈকে সংঘটিত হোৱা ফৰাছী বিপ্লৱৰ সময়ছোৱা সামাজিক আৰু ৰাজনৈতিক আন্দোলনৰ সময় আছিল। এই বিপ্লৱে দেশখনৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশসমূহত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধিছিল। এই বিপ্লৱে চৰম ৰাজতন্ত্ৰ, সামন্তবাদী অৰ্থনীতি, সামাজিক অসমতা, ৰাষ্ট্ৰ আৰু গীৰ্জাৰ মাজৰ মিত্ৰতা আদিৰ ওপৰত প্ৰতিষ্ঠিত প্ৰাচীন শাসন ব্যৱস্থাক উৎখাত কৰি সমাজক এক নতুন ভিত্তি প্ৰদান কৰিছিল। ইয়াৰ ফলত নতুন ৰাজনৈতিক আদৰ্শৰো সৃষ্টি হৈছিল। এই আদৰ্শ ফৰাছী বিপ্লৱৰ শ্লোগান 'স্বাধীনতা, সাম্য আৰু ভাতৃত্ব'ৰ মাজত প্ৰতিফলিত হৈছিল। এডৱাৰ্ড ৰয়ছে এই বিপ্লৱক ৰাজতন্ত্ৰৰ একনায়কত্ববাদ, বংশানুক্ৰমিক সুবিধাভোগ আৰু অৰ্থনৈতিক উৎপীড়নৰ বিৰুদ্ধে গণতান্ত্ৰিক চৰকাৰ, ৰাজনৈতিক সমতা আৰু মানৱ অধিকাৰৰ এক বিদ্ৰোহ হিচাপে আখ্যা দিছিল।

ফৰাছী বিপ্লৱক তিনিটা পৰ্য্যায় ভাগত ভাগ কৰিব পাৰি। এই বিপ্লৱক 'Revolution in itself' অৰ্থাৎ 'নিজেই এক বিপ্লৱ' বুলি অভিহিত কৰিব পাৰি। বিপ্লৱৰ প্ৰথম পৰ্য্যায়টো জাতীয় সভা (National Assembly) (১৭৮৯-১৭৯১) আৰু আইন সভাৰ (১৭৯১-১৭৯২) দ্বাৰা পৰিচালিত হৈছিল। বিপ্লৱৰ এই প্ৰথম পৰ্য্যায়টোক সাধাৰণতে উদাৰ বুলি অভিহিত কৰা হয়। সময়ছোৱাত 'প্ৰাচীন শাসন প্ৰণালী' বা 'চৰম ৰাজতন্ত্ৰ'ৰ স্থানত সাংবিধানিক ৰাজতন্ত্ৰৰ প্ৰতিষ্ঠাপিত হৈছিল। বিপ্লৱৰ দ্বিতীয় পৰ্য্যায়টিৰ সূত্ৰপাত ঘটিছিল জাতীয় অভিৱৰ্তন (১৭৯৩-১৭৯৫)ৰ গঠনৰ পৰা। জাতীয় অভিৱৰ্তনৰ 'জেকবিন'সকলে অগ্ৰণী ভূমিকা লোৱা এই দ্বিতীয় পৰ্য্যায়টোক চৰম বুলি চিহ্নিত কৰা হয়। এই পৰ্য্যায়ত সাংবিধানিক ৰাজতন্ত্ৰক স্থানচ্যুত কৰি ফ্ৰান্সক এখন 'প্ৰজাতান্ত্ৰিক দেশ' ৰূপে ঘোষণা কৰা হয়। ডাই�ৰেক্ট'ৰীৰ অধীনত সংঘটিত হোৱা বিপ্লৱৰ সময়ছোৱাক তৃতীয় পৰ্য্যায় বুলি কোৱা হয় আৰু এই সময়ছোৱা নেপোলিয়ন বোনাপার্টে ফ্ৰান্সৰ ক্ষমতা হস্তগত নকৰা পৰ্য্যন্ত বৰ্তি আছিল।



জানি থোৱা ভাল

জেক'বিন ঃ ফৰাছী বিপ্লৱৰ এটা উগ্রপন্থী দল। ১৭৮৯ চনত জেক'বিন ক্লাৱ গঠিত হৈছিল। দলটোৱে চৰম উগ্রপন্থা সমর্থন কৰিছিল। ডাণ্ট'নৰ সহায়ত জেক'বিনসকলে গণৰাজ্যখন অধিকাৰ কৰিছিল, ৰজাক হত্যা কৰিছিল আৰু কমিটি অব্ পাব্লিক চেফ্টিক অপসাৰিত কৰিছিল। তেওঁ লোকে ৰবস্পীয়েৰৰ প্রভাৱাধীন হৈ ফ্রান্সত 'সন্ত্রাস ৰাজত্ব' আৰম্ভ কৰিছিল।

২.৩.১ বিপ্লৱৰ কাৰকসমূহ

যদিও ফৰাছী বিপ্লৱৰ প্রকৃত কাৰণসমূহৰ সম্পর্কীয় বিতর্কৰ এই পর্য্যন্ত অৱসান ঘটা নাই, তথাপি এক বহল পৰিসৰত ফৰাছী বিপ্লৱৰ বাবে নিম্নলিখিত কাৰণসমূহক দায়ী কৰিব পাৰি—

- প্রথমতে, 'প্রাচীন শাসন প্রণালী' বুলি চিহ্নিত কৰা সময়ছোৱাক প্রায়ে 'চৰমতন্ত্রৰ যুগ' (Age of Absolutism) বুলিও অভিহিত কৰা হয়। এই সময়ছোৱাত সম্রাট বা ৰজাৰ হাতত সম্পূর্ণ কর্তৃত্ব প্রয়োগৰ অধিকাৰ আছিল। তদুপৰি মধ্যযুগৰে পৰা ফৰাছী সমাজ বৈষম্যপূর্ণ আৰু শ্রেণীবিভক্ত আছিল। এই প্রাচীন শাসন প্রণালীৰ সময়ত ফৰাছী সমাজখন তিনিটা সম্প্রদায় বা শ্রেণীত বিভক্ত আছিল আৰু প্রত্যেককে একোটা এষ্টেট (Estate) বুলি কোৱা হৈছিল। শ্রেণীকেইটা আছিল ক্রমে, যাজক (Clergy), অভিজাত (Nobility) আৰু সাধাৰণ লোক (Commoners)। প্রত্যেকটো শ্রেণী বা এষ্টেটৰ নির্দিষ্ট ভূমিকা আৰু বিশেষাধিকাৰ আছিল। পুৰোহিত আৰু গীর্জাৰ দ্বাৰা প্রথম এষ্টেট বা 'যাজক' শ্রেণীটো গঠিত হৈছিল। দ্বিতীয়টো অভিজাত শ্রেণী গঠিত হৈছিল ভূ-স্বামী/জমিদাৰসকলৰ দ্বাৰা। তৃতীয় এষ্টেট বা সাধাৰণ শ্রেণীটো গঠিত হৈছিল বাকী বৈ যোৱা সকলোৰে দ্বাৰা, য'ত মধ্যবিত্ত, শ্রমজীৱি আৰু কৃষকসকল অন্তর্ভুক্ত আছিল। অধিকাংশ ফৰাছী জনসাধাৰণৰ অন্তর্ভুক্তিৰে তৃতীয় এষ্টেট গঠিত হোৱা স্বত্ত্বেও এষ্টেটৰ শ্রেণী বিন্যাসত ই আটাইতকৈ নিম্নস্তৰত আছিল। এই তিনিওটা শ্রেণী বা এষ্টেটৰ মাজত ব্যৱধানৰ সৃষ্টি হোৱাৰ কাৰণ আছিল প্রথম দুটা এষ্টেট ক্রমে 'যাজক' আৰু 'অভিজাত' শ্রেণীয়ে কৰ ৰেহাই সহিতে ভোগ কৰা অইন বহুতো সুবিধা। তৃতীয় এষ্টেটৰ অন্তর্ভুক্ত দেশৰ সাধাৰণ নাগৰিকৰ পৰা প্রায়ভাগ কৰ-কাটল আদায় লোৱা হৈছিল। ইয়াৰ উপৰি এই সময়ছোৱাত ফ্রান্সকে আদি কৰি অইন কিছুমান ইউৰোপীয় দেশত 'সামন্তবাদ' নামেৰে এক অর্থনৈতিক ব্যৱস্থাই বিৰাজ কৰিছিল। এই ব্যৱস্থাত মাটিৰ গৰাকী আছিল অভিজাত শ্রেণীৰ লোকসকল আৰু কৃষকসকলে তাত কৃষিকর্ম কৰিছিল।

ইয়াৰ বিনিময়ত অভিজাত মাটিৰ গৰাকীয়ে তেওঁলোকৰ মাটিত খেতি কৰা কৃষকৰ ওপৰত কৰ আৰোপ কৰাৰ অধিকাৰ লাভ কৰিছিল।

- দ্বিতীয়তে, প্রবুদ্ধি আন্দোলনৰ দ্বাৰা উদ্বুদ্ধ চিন্তাবিদসকলৰ লিখনীয়েও এই বিপ্লৱত গুৰুত্বপূর্ণ প্রভাৱ পেলাইছিল। প্রথম অধ্যায়ত আলোচনা কৰাৰ দৰে প্রবুদ্ধি আন্দোলন আছিল বৌদ্ধিক উৎকর্ষতাৰ এছোৱা সময়। ই সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক দিশসমূহৰ বিষয়ে এলানি নতুন বৌদ্ধিক ধাৰণাৰ আর্হি প্রদান কৰিছিল। এই আন্দোলনত জন ল'ক, ৰুছো, মণ্টেস্কু ভল্টেয়াৰ আৰু অন্য বহুতো চিন্তাবিদে উল্লেখযোগ্য প্রভাৱ পেলাইছিল। এওঁলোকৰ লিখনীত 'দৈনিক শাসন' তত্ত্বৰ বিৰুদ্ধে প্রশ্ন আৰু সমতা, স্বাধীনতা আৰু নাগৰিক অধিকাৰ ভোগৰ দৰে বিষয়সমূহ আলোচিত হ'বলৈ ধৰে।
- তৃতীয়তে, বিপ্লৱৰ আটাইতকৈ গুৰুত্বপূর্ণ কাৰণ আছিল ফ্রান্সত দেখা দিয়া অর্থনৈতিক বিপর্য্যয়। ৭ বছৰীয়া ৰণত অংশগ্রহণ আৰু ইংলেণ্ডৰ বিৰুদ্ধে আমেৰিকাৰ বিপ্লৱক সমর্থন জনোৱাৰ ফলত ফ্রান্সৰ জাতীয় ঋণৰ বোজাক্রমাৎ বৃহৎ হৈ উঠিছিল। ১৭৮০ৰ শেষার্দ্ধত চৰকাৰ প্রায় দেউলীয়া হৈছিল। তদুপৰি ১৭৮৮চনত ব্যাপক হাৰত কৃষিখণ্ডই বিফলতাৰ সন্মুখীন হোৱাৰ বাবেও অর্থনীতি যথেষ্ট দুর্বল হৈ পৰিছিল। কৃষিকার্য্যৰ বিফলতাৰ হেতু খাদ্য-শস্যৰ নাটনি হৈছিল আৰু ফলত খাদ্যৰ মূল বৃদ্ধি ঘটিছিল। পৰিণাম স্বৰূপে, দৰিদ্র শ্রেণীটো যথেষ্ট দুর্ভোগৰ সন্মুখীন হৈছিল। বিপ্লৱৰ অৰিহণা যোগোৱাত ইও অন্য এক প্রধান কাৰণ হৈ উঠিছিল।



জানি থোৱা ভাল

সাত বছৰীয়া ৰণ ঃ প্রুছিয়া, বৃটেইন আৰু হেন'ভাৰ মিত্রবাহিনী তথা ফ্রান্স, ৰাছিয়া আৰু স্পেইনৰ মিত্রবাহিনীৰ মাজত চলা ৰণ (১৭৫৬-৬৩)। এই ৰণখনৰ সূত্রপাত হোৱাৰ মুখ্য কাৰণ দুটা হ'ল জার্মানীৰ ওপৰত আধিপত্য কৰাক লৈ অষ্ট্রিয়া আৰু প্রুছিয়াৰ মাজত সৃষ্টি হোৱা শত্রুতা তথা বিদেশত আধিপত্য কৰাক লৈ ফ্রান্স আৰু বৃটেইনৰ মাজত সৃষ্টি হোৱা শত্রুতা।



অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক—

ক) বিপ্লৱৰ প্রথম পর্য্যায়টো জাতীয় সভা আৰু ..... দ্বাৰা পৰিচালিত হৈছিল।

খ) প্রবুদ্ধ আন্দোলন আছিল ..... এছোৱা সময়।

২.৩.২ এষ্টেট জেনেৰেল/সাধাৰণ সভা আৰু জাতীয় সভা (National Assembly)ৰ উত্থান

এক গভীৰ বিত্তীয় সঙ্কটৰ মাজেৰে ফৰাছী চৰকাৰে গতি কৰিবলগীয়া হোৱাত, ৰজা ষোড়শ লুইয়ে পৰিস্থিতিৰ পর্য্যালোচনা আৰু বিত্তীয় ঘাটি পূৰণ কৰাৰ বাবে কাম কৰিবলৈ কিছুসংখ্যক বিত্তীয় উপদেষ্টা নিয়োগ কৰিছিল। অৱশেষত ৰজাই চার্লচ আলেকজেণ্ডাৰ ডি ক'লনক বিত্ত নিয়ন্ত্রক ৰূপে নিযুক্ত কৰিছিল। তেওঁ কৰ ব্যৱস্থাত এক সংস্কাৰৰ পোষকতা কৰিছিল। এক উমৈহতীয়া ভূমি কৰৰ ব্যৱস্থা আৰু বিশেষাধিকাৰ ভোগ কৰা শ্রেণীসমূহে লাভ কৰা কৰ ৰেহাই দিয়াৰ ব্যৱস্থাৰ বাতিলৰ প্রস্তাৱ আছিল ইয়াৰ প্রধান বৈশিষ্ট্য।এই প্রস্তাৱৰ ফলত প্রথম আৰু দ্বিতীয় এষ্টেটত উভয়ে কৰ প্রদান কৰিবলগীয়া হ'লহেঁতেন। উক্ত প্রস্তাৱটো আলোচনা কৰাৰ অর্থে 'বিশিষ্ট' ব্যক্তিসকলৰ এক সভা আহ্বান কৰা হয়। পিছে প্রথম দুটা এষ্টেটে এই সংস্কাৰ ব্যৱস্থাৰ সমর্থন নকৰাৰ বাবে এই প্রস্তাৱ কার্য্যকৰী নহ'ল। পাছত বিষয়টোক লৈ 'সাধাৰণ সভা' আহ্বান কৰাৰ সিদ্ধান্ত লোৱা হয়। 'এষ্টেট জেনেৰেল' বা 'সাধাৰণ সভা' হৈছে এই তিনিওটা এষ্টেটৰে এক প্রতিনিধিত্বমূলক সভা, যি ১৬৫৮ চনৰে পৰা অনুষ্ঠিত হোৱা নাছিল। এই বৈঠকৰ স্থান ৰূপে ভার্ছাইক আৰু সময় ১৭৮৯ চনৰ ৫ মে'ত স্থিৰ কৰা হৈছিল।

যদিও এটা সময়ত 'এষ্টেট জেনেৰেল' বা 'সাধাৰণ সভা'ৰ এক গুৰুত্বপূর্ণ ভূমিকা আছিল, সেই সময়ছোৱাত ফৰাছী সমাজৰ পৰিৱর্তন ঘটিছিল আৰু এষ্টেট জেনেৰেলৰ গুৰুত্ব ক্রমাৎ হ্রাস পাব লৈছিল। আৰম্ভণিৰে পৰা সাধাৰণ সভাৰ এই বৈঠকখন ত্রুটিপূর্ণ আছিল। বিশেষকৈ ভোটদানৰ প্রক্রিয়াৰ বিষয়ত এই কথা প্রযোজ্য আছিল। প্রচলিত ৰীতিমতে, প্রতিটো এষ্টেটৰে একেটা মাত্র ভোট আছিল, অর্থাৎ জনসংখ্যাৰ পিনৰ পৰা তৃতীয় এষ্টেট সংখ্যাগৰিষ্ঠ হোৱা সত্ত্বেও প্রথম দুয়োটা এষ্টেটে ভোটৰ ক্ষেত্রত তৃতীয় এষ্টেটক ২ ঃ ১ অনুপাতত পৰাস্ত কৰাটো নিশ্চিত আছিল। তৃতীয় এষ্টেটৰ সদস্যসকলে ভোটাধিকাৰৰ বিষয়ত এই ব্যৱস্থাৰ পৰিৱর্তন আৰু সংস্কাৰ বিচাৰিছিল। এই সময়ছোৱাতেই তৃতীয় এষ্টেটৰ সমস্যাসমূহৰ ওপৰত প্রশ্ন উত্থাপন কৰা আৰম্ভ হয়। এবি ইমানুৱেল জোচেফ চীয়েজৰ ৰচিত 'What is Third Estate?' শীর্ষক পুস্তিকাখনত তৃতীয় এষ্টেটৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰা হয়। বিপ্লৱৰ ঘটনাপ্রৱাহক প্রভাৱিত কৰা তৃতীয় এষ্টেটৰ লগতজড়িত আদর্শক নিম্নলিখিত শ্লোগানৰ দ্বাৰা সংক্ষেপতে বুজা যায়— 'What is third Estate? Everything. What has it been until now in the palitical order? Nothing what does it ask to be? Something.' (তৃতীয় এষ্টেট কি? সমগ্র সমাজখন এতিয়ালৈকে ইয়াৰ ৰাজনৈতিক ব্যৱস্থাত কি মূল্য? শূন্য ই কি মূল্য বিচাৰিছে? কিবা এটা)

এইদৰেই তৃতীয় এষ্টেটে অভিজাতসকলৰ ভোট দিয়াৰ সুবিধাৰ অন্ত পেলোৱাৰ অর্থে আৰু ভোটদানৰ প্ৰক্ৰিয়াত সমান প্ৰতিনিধিত্ব লাভৰ বাবে জনসাধাৰণক সংগঠিত কৰিবলৈ আৰম্ভ কৰে। অন্য শব্দত ক'বলৈ গ'লে, তেওঁলোকে পদমর্য্যাদাৰ বিপৰীতে গাইপতি ভোটদানৰ অধিকাৰ বিচাৰিছিল। এনে এক পৰিস্থিতিতে ভোটদানৰ প্ৰক্ৰিয়াক লৈ আৰম্ভ হোৱা বিতর্ক শত্ৰুতালৈ পৰিৱর্তিত হয় আৰু তৃতীয় এষ্টেটে নিজকে জাতীয় সভা (National Assemebly)বুলি ঘোষণা কৰি ফ্ৰান্সৰ প্ৰকৃত প্ৰতিনিধিত্বমূলক সমিতি বুলি দাবী কৰে।

ষোড়শ লুইয়ে তৃতীয় এষ্টেটেৰে গঠিত এই জাতীয় সভা ভঙ্গ কৰাৰ উদ্দেশ্যেৰে সভা অনুষ্ঠিত হ'বলগীয়া নির্দ্ধাৰিত স্থান তলাবন্ধ কৰি দিয়ে। ইয়াৰ প্ৰত্যুত্তৰত জাতীয় সভাই ২০ জুনত কাষৰীয়া এখন টেনিছ ক'র্টত সমবেত হৈ এখন নতুন সংবিধান নোহোৱা পর্য্যন্ত মিলিত হৈ থকাৰ শপত গ্ৰহণ কৰে। যাক 'টেনিছ ক'র্ট শপত' বুলিও জনা যায়।

২.৩.৩ বেষ্টাইল আক্ৰমণ

এখন সংবিধান ৰচনা কৰাৰ উদ্দেশ্যেৰে জাতীয় সভাই মিলিত হৈ থকা সময়তে ৰাজধানী ভার্ছাইত শঙ্কা আৰু হিংসাৰ দাবানলে ঘেৰি ধৰে। জাতীয় সভাৰ বিপক্ষে ৰজাই সৈন্যদল একত্ৰিত কৰাৰ উৰাবাতৰি বিয়পিবলৈ ধৰে। সৈন্যদলৰ উপস্থিতি জনসাধাৰণৰ মাজত ভয়ৰ সৃষ্টি হ'বলৈ ধৰে আৰু সৈন্যবাহিনীক প্ৰতিহত কৰাৰ উদ্দেশ্যেৰে পেৰিছৰ ৰাজপথত এক সংঘর্ষৰ সূত্ৰপাত ঘটে।১৪ জুলাইত জনসাধাৰণে নগৰৰ আটাইতকৈ ডাঙৰ বন্দীশাল আৰু ৰাজকীয় শক্তিৰ প্ৰতীক বুলি গণ্য কৰা বেষ্টাইল দুর্গ আক্ৰমণ কৰে, ইয়াৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু খাৰ-বাৰুদ হস্তগত কৰাৰ চেষ্টা চলায়। জনসাধাৰণ আৰু দুর্গৰক্ষীৰ মাজত চলা এক দীর্ঘ যুদ্ধৰ পাছত। বেষ্টাইল সম্পূর্ণ ৰূপে বিধস্ত হৈ পৰে। বেষ্টাইল পতনে ৰজাৰ কৃতিত্ব প্ৰয়োগ ক্ষমতাৰ অৱসানক সূচিত কৰে আৰু ই বিপ্লৱৰ এক উল্লেখনীয় প্ৰতীক হৈ উঠে।

২.৩.৪ সামন্তবাদৰ অৱসান

বেষ্টাইল পতনৰ পাছত দ্ৰুতগতিৰে সমগ্ৰ ফ্ৰান্সতে বিপ্লৱ বিয়পি পৰে। গ্ৰাম্য অঞ্চলসমূহত কৃষক আৰু খেতিয়কসকলে জমিদাৰ আৰু কৰ সংগ্ৰহকাৰীসকলৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে। অৱশেষত, দেশলৈ স্থিৰতা অনাৰ উদ্দেশ্যেৰে ১৭৮৯ চনৰ ৪ আগষ্টত জাতীয় সভাই সামন্তবাদৰ অৱসান ঘোষণা কৰে।

২.৩.৫ ব্যক্তি আৰু নাগৰিকৰ অধিকাৰ ঘোষণা-পত্ৰ

ইয়াৰ পিছতেই ১৭৮৯ৰ ২৬ আগষ্টত জাতীয় সভাই 'ব্যক্তি আৰু নাগৰিকৰ অধিকাৰ ঘোষণা-পত্ৰ উন্মোচন কৰে। ই বহু পৰিমাণে প্ৰবুদ্ধি ধাৰণাবোৰেৰে প্ৰভাৱিত

আছিল আৰু মানুহৰ প্ৰাকৃতিক তথা অ-নিৰ্দেশ সাপেক্ষে অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই অধিকাৰসমূহৰ অন্তৰ্গত আছিল স্বাধীনতা, সম্পত্তি, নিৰাপত্তাৰ অধিকাৰ, উৎপীড়ণৰ বিৰুদ্ধে প্ৰতিৰোধৰ অধিকাৰ, স্বাধীনতা আৰু সমতাৰ অধিকাৰ, বাক্-স্বাধীনতা আৰু প্ৰেছৰ স্বাধীনতা, ধৰ্মৰ স্বাধীনতা, আইন প্ৰণয়নত সমান অধিকাৰ, ৰাজহুৱা বিভাগ-অনুষ্ঠানত প্ৰতিভাৰ ভিত্তিত স্থান লাভৰ অধিকাৰ, বিশেষ শ্ৰেণীয়ে পোৱা কৰ ৰেহাই সুযোগৰ অৱসান ইত্যাদি।এই ঘোষণা বিপ্লৱৰ আটাইতকৈ উল্লেখযোগ্য ফলাফল আছিল। প্ৰথমবাৰৰ বাবে জনসাধাৰণক ইয়াৰ জৰিয়তে ফৰাছী সমাজৰ সন্মানীয় ৰাজনৈতিক ক্ষেত্ৰৰ আওঁতালৈ অনা হৈছিল।

২.৩.৬ সংবিধান ৰচনা

ওপৰৰ শিতানবোৰত আলোচিত ঘটনালানিৰ ফলত এখন নতুন সংবিধান প্ৰণয়নৰ সম্ভাৱনা বৃদ্ধি পাইছিল। কিন্তু জাতীয় সভাৰ অধিকাৰকলৈ কৰা ঘোষণা আৰু সামন্তবাদৰ অৱসান মানিবলৈ ৰজাই অস্বীকাৰ কৰিছিল। ৰজা ভাৰ্ছাইত বাস কৰি থকা সময়তে ১৭৮৭ চনৰ ৫ অক্টোবৰত ৰজাক জাতীয় সভাই গ্ৰহণ কৰা পদক্ষেপসমূহ মানি ল'বলৈ বাধ্য কৰোৱাৰ উদ্দেশ্যেৰে সহস্ৰাধিক নাৰীয়ে এক সমদল উলিয়ায়।ৰজা আৰু তেওঁৰ পৰিয়ালক ৰাজধানীলৈ লৈ অহা হয় আৰু টুইলেৰিছ (Tuileris) প্ৰসাদত বন্দী কৰি ৰখা হয়।

- **যাজক শ্ৰেণীৰ অসামৰিক সংবিধান**ঃফ্ৰান্সে তেতিয়াও অৰ্থনৈতিক দুৰ্যোগ অতিক্ৰম কৰিব পৰা নাছিল। অৱস্থাৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যেৰে জাতীয় সভাই সকলোবোৰ গীৰ্জাৰ সম্পত্তি বাজেয়াপ্ত আৰু জাতীয়কৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ লগতে জাতীয় সভাই ১৭৯০ চনৰ ১৪ জুলাইত নতুন যাজক শ্ৰেণীৰ অসামৰিক সংবিধান গৃহীত হয়। এই নতুন আইন অনুসৰি সকলো যাজক ৰাষ্ট্ৰৰ দ্বাৰা নিৰ্বাচিত হ'ব আৰু দৰমহা লাভ কৰিব। ইয়াৰ লগতে তেওঁলোকে নতুন সংবিধানৰ সমৰ্থনত এক শপতনামাতো স্বাক্ষৰ কৰিব লগিব।

  জাতীয় সভাৰ দ্বাৰা গীৰ্জাৰ প্ৰতি কৰা এনে পদক্ষেপৰ ফলত ফৰাছী সমাজত এক ভাঙোনৰ সৃষ্টি হয়। এই ব্যৱস্থাসমূহক গৰিষ্ঠসংখ্যক কেথ'লিক জনসাধাৰণে গীৰ্জা/ধৰ্ম বিৰোধী বুলি গণ্য কৰা হৈছিল।

- **ৰজাৰ পলায়নৰ চেষ্টা ঃ** যেতিয়া জাতীয় সভা ৰাষ্ট্ৰ আৰু গীৰ্জাৰ মাজৰ সম্পৰ্ক পুনৰ্গঠন কৰাত ব্যস্ত আছিল, ষোড়শ লুই আৰু তেওঁৰ পৰিয়ালবৰ্গই ফ্ৰান্সৰ পৰা পলাবলৈ প্ৰচেষ্টা চলাইছিল। বেষ্টাইলৰ আক্ৰমণৰ পাছত বহু সংখ্যক অভিজাত শ্ৰেণীৰ লোকে ফ্ৰান্স এৰি গৈছিল। তেওঁলোকক পাছলৈ এমিগ্ৰি নামেৰে জনা গৈছিল। তেওঁলোকে অন্য ইউৰোপীয় শাসকৰ সহায় লৈ বিপ্লৱক মষিমূৰ কৰা উদ্দেশ্যেৰে প্ৰতিবিপ্লৱৰ চেষ্টা চলাইছিল। এনে এক পৰিস্থিতিত ৰজা আৰু তেওঁৰ

পৰিয়ালবৰ্গয়ো পলায়নৰ বাবে চেষ্টা চলাইছিল যদিও সফল নহ'ল। ভাৰ্নেইছ নামৰ নগৰত ধৰা পৰে। পলায়নৰ এই প্ৰচেষ্টাৰ ফলত সৰ্বসাধাৰণৰ দৃষ্টিত লুইৰ সন্মান আৰু অধিক অৱনমিত হয়।

- **জাতীয় সভাৰ বিভাজন ঃ** নতুন সংবিধানৰ খচৰাৰ দিশত কাম চলি থকা অৱস্থাতেই জাতীয় সভাত বিভাজনে দেখা দিয়ে। ইয়াৰে দুটা প্ৰভাৱশালী গোট আছিল গিৰোঁদিন বা নৰমপন্থী আৰু জেক'বিন বা চৰমপন্থী। গিৰোঁদিনসকলে সাংবিধানিক ৰাজতন্ত্ৰ ব্যৱস্থা বৰ্তি থকাৰ পোষকতা কৰিছিল। আনহাতে, চৰমপন্থী জেক'বিন-সকলে ৰজা বা ৰাজতন্ত্ৰৰ বিলুপ্তি ঘটাই ৰাইজক অধিক ক্ষমতা প্ৰদানৰ পোষকতা কৰিছিল আৰু প্ৰজাতন্ত্ৰক সমৰ্থন কৰিছিল। সভাৰ বাহিৰৰ পৰা 'এমিগ্ৰি'সকলে ৰাজতন্ত্ৰৰ পোষকতা কৰিছিল। দীৰ্ঘদিনীয়া বিতৰ্ক আৰু আলোচনাৰ অন্তত ১৭৯১ চনৰ ছেপ্টেম্বৰ মাহত জাতীয় সভাই এখন নতুন সংবিধানৰ সূত্ৰপাত কৰিছিল। এই সংবিধান মতে ফ্ৰান্সক এক সাংবিধানিক ৰাজতন্ত্ৰ আৰু ৰজাক ন্যূনতম ক্ষমতাৰে ইয়াৰ মুৰব্বী বুলি ঘোষণা কৰা হৈছিল। অৱশেষত জাতীয় সভাই ফ্ৰান্সক শাসন কৰাৰ পৰা আঁতৰি যোৱাৰ সিদ্ধান্ত লৈছিল আৰু ১৭৯১ চনৰ ১৯ ছেপ্টেম্বৰত বিধান সভা (Legislative Assembly) গঠন কৰি জাতীয় সভাৰ বিলুপ্তি সাধন কৰিছিল।

  জেক'বিনসকলেও নতুন সংবিধানক বৰ এটা সমৰ্থন কৰা নাছিল। তেওঁলোকে ৰাজতন্ত্ৰৰ সম্পূৰ্ণ বিলুপ্তি বিচাৰিছিল। যদিও জাতীয় সভা বা আইন সভাই সংবিধানৰ এক খচৰা প্ৰস্তুত কৰাত সফল হৈছিল, তথাপিও এই আপেক্ষিক শান্তিৰ সময় চমু আছিল।

২.৩.৭ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে যুদ্ধ

বিপ্লৱ তুঙ্গত থকা সময়ছোৱাতে ইউৰোপৰ অন্য শাসকসকল ফ্ৰান্সৰ পৰিস্থিতিক লৈ চিন্তান্বিত হৈছিল। বিপ্লৱী ধাৰণাবোৰ তেওঁলোকৰ দেশতো বিয়পিব বুলি তেওঁলোক শঙ্কিত হৈছিল। ইয়াৰ ফলত ১৭৯১ চনৰ ২১ আগষ্টত অষ্ট্ৰিয়া আৰু প্ৰুছিয়াৰ শাসকবৰ্গই পিলনিটৱ্ঝৰ ঘোষণা জাৰি কৰিছিল,য'ত তেওঁলোকে ষোড়শ লুইক সিংহাসনলৈ ওভতাই অনা আৰু জাতীয় সভা ভঙ্গৰ দাবী জনাইছিল। তেওঁলোকৰ দাবী নামানিলে তেওঁলোকে ফ্ৰান্স আক্ৰমণ কৰাৰো প্ৰস্তাৱ দিছিল।

এই ঘোষণাৰ প্ৰতিক্ৰিয়া ৰূপে ১৭৯২ চনৰ এপ্ৰিলত জাতীয় সভাই অষ্ট্ৰিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। সোনকালেই প্ৰুছিয়াই ফ্ৰান্সৰ বিৰুদ্ধে অষ্ট্ৰিয়াৰ সৈতে যুদ্ধত যোগ দিয়ে, এই যুদ্ধ আগলৈ মিত্ৰগোষ্ঠীৰ প্ৰথম যুদ্ধ বুলি জনাজাত হৈছিল। যুদ্ধৰ মাজতে তেওঁলোকে 'ব্ৰানছৱিক মেনিফেষ্টো' ৰচনা কৰিছিল, য'ত এইবুলি প্ৰতিশ্ৰুতি দিয়া হৈছিল যে যদিহে ৰাজপৰিয়ালৰ কোনো সদস্যৰ ক্ষতি কৰা নহয় তেন্তে কোনো অসামৰিক/সাধাৰণ লোককো আক্ৰমণ কালত অনিষ্ট কৰা নহয়।

ফৰাছী বিপ্লৱীসকলৰ মাজত এই সন্দেহে গা কৰি উঠিবলৈ লয় যে ৰজা ষোড়শ লুইয়ে বিদেশী ৰজাসকলৰ সহায়ত ফ্ৰান্স আক্ৰমণ কৰিবলৈ পৰিকল্পনা কৰিছে। ফলত বিপ্লৱীসকল ৰজাৰ বিৰুদ্ধে হ'বলৈ আৰম্ভ কৰে। অন্যহাতে, ফৰাছীসকল প্ৰুছিয়াৰ বিৰুদ্ধে যুজত পৰাস্ত হ'বলৈ লয়। এনে এক পৰিস্থিতিত, অৱশেষত ১৭৯২ চনৰ ২০ আগষ্টত 'পেৰিছ কমিউন' নামৰ এটা গোটে ৰজা আৰু ৰাণী বাস কৰা টুইলেৰিছ নগৰ আক্ৰমণ কৰে আৰু ৰজা-ৰাণীক বন্দী কৰে।

২.৩.৮ জতীয় অভিৱৰ্তন (১৭৯৫)

যুদ্ধৰ সময়তে আইন সভাই ক্ষমতা হেৰুৱাবলৈ আৰম্ভ কৰে। এই সময়ছোৱাত কোনো এটা একক গোটেই সমগ্ৰ ফ্ৰান্স বা পেৰিছক নিজৰ নিয়ন্ত্ৰণত ৰাখিব পৰা নাছিল। এখন নতুন চৰকাৰৰ প্ৰয়োজনীয়তা তীব্ৰ হৈ উঠিছিল আৰু ইয়াৰ ফলত ১৭৯২ চনৰ ২০ ছেপ্টেম্বৰত বিধান সভাৰ স্থানত জাতীয় অভিৱৰ্তন গঠিত হয়। জাতীয় অভিৱৰ্তনৰ অধীনত ফ্ৰান্সক এখন প্ৰজাতন্ত্ৰ বুলি ঘোষণা কৰা হয় আৰু এখন নতুন সংবিধানৰ খচৰা প্ৰস্তুতকৰণৰ বাবে আহ্বান জনোৱা হয়।

- **ৰজাক প্ৰাণদণ্ড ঃ** জাতীয় অভিৱৰ্তনৰ প্ৰথম কাম আছিল ফৰাছী চৰকাৰৰ পৰা ৰজাক আঁতৰ কৰাটো। তদুপৰি ব্ৰানছৱিক মেনিফেষ্টোৰ বাবেও ৰজাই দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া হৈছিল। কাৰণ বিপ্লৱীসকলে যুদ্ধখন ৰজাৰ ষড়যন্ত্ৰৰ ফল বুলি গণ্য কৰিছিল। অৱশেষত ১৭৯৩ চনৰ জানুৱাৰী মাহত, জাতীয় অভিৱৰ্তনে ৰজাক দোষী সাব্যস্ত কৰি ভোট প্ৰদান কৰে আৰু ২১ জানুৱাৰীত ৰজাক মৃত্যুদণ্ড দিয়া হয়।
- **ক্ষমতাত জেক'বিনসকল ঃ** যদিও জাতীয় অভিৱৰ্তনত গিৰোঁদিন আৰু জেক'বিন উভয়ে সদস্য আছিল, তেওঁলোকৰ নিজৰ মাজত 'নৰম' আৰু 'চৰম' পন্থাক লৈ বিভাজন আছিল। পৰিস্থিতি আৰু বেয়ালৈ ঢাল খায় যেতিয়া জ্যাঁ-পল-মাৰাট নামৰ জেক'বিন নেতাজনক ক্লার্ল'ট কৰডে' নামৰ এজন ডেকা গিৰোঁদিনে হত্যা কৰে। জেক'বিনসকলে গিৰোঁদিনসকলক বহিষ্কাৰ কৰিবলৈ লয় আৰু যিমান পাৰে সিমান সংখ্যক গিৰোঁদিনক গ্ৰেপ্তাৰ কৰাৰ প্ৰচেষ্টা চলায়। ১৭৯৩ চনৰ জুলাই মাহত এই অভ্যুত্থান সম্পূৰ্ণ হয় আৰু জেক'বিনসকলে ক্ষমতা হস্তগত কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলত জেক'বিনসকল জাতীয় অভিৱৰ্তনৰ মুখ্য প্ৰভাৱশালী গোট হৈ পৰে। পৰৱৰ্তী বৰ্ষসমূহত জাতীয় অভিৱৰ্তনে সৈন্যবাহিনীৰ সংখ্যাও বৃদ্ধি কৰে। 'লেভী এ মাছ' (Levee en Masse) নামৰ এক প্ৰক্ৰিয়াৰ দ্বাৰা ১৪ৰ পৰা ২৫ বছৰ বয়সৰ সকলো সক্ষম লোককে সৈন্যবাহিনীত মকৰল কৰা হয়। জেক'বিনসকল ক্ষমতালৈ অহাৰ লগে লগে ফৰাচী বিপ্লৱ আটাইতকৈ চৰম পৰ্য্যায়ত উপনীত হয়।

- **সন্ত্রাসৰ ৰাজত্ব ঃ** ১৭৯৩ চনৰ বসন্ত কালৰ পৰা ১৭৯৪ চনৰ বসন্তলৈকে সন্ত্রাসৰ ৰাজত্ব কাল বৰ্তি আছিল।সন্ত্রাসৰ ৰাজত্ব বুলি অভিহিত কাৰ এই সময়ছোৱা আছিল ফৰাছী বিপ্লৱৰ সবাতোকৈ ৰক্তক্ষয়ী আৰু হিংসাৰে পূৰ্ণ সময়। এই সময়খিনিত 'বিপ্লৱৰ শত্রু' বুলি চিহ্নিত কৰি যথেষ্ট সংখ্যক লোকক হত্যা কৰা হৈছিল। সন্ত্রাসৰ ৰাজত্বকালে কাকো ৰেহাই দিয়া নাছিল। অভিজাত শ্রেণীয়ে হওক নাইবা যাজক বা তৃতীয় এষ্টেটৰ সদস্যয়ে হওক, যাকে শত্রু বুলি সন্দেহ কৰা হৈছিল সকলোকে হত্যা কৰা হৈছিল।

১৭৯৩ চনৰ প্রথমার্দ্ধত ফ্রান্সৰ বিৰুদ্ধে অষ্ট্রিয়া আৰু এছিয়াৰ সৈতে ইংলেণ্ড, হলেণ্ড আৰু স্পেইনে যোগ দিয়ে। অন্যহাতে, অষ্ট্রিয়া আৰু প্রুছিয়াৰ সৈতে হোৱা যুদ্ধৰ ফলত অর্থনৈতিক সমস্যাই দেখা দিছিল আৰু বহুতো লোকে পৰিৱর্তন বিচাৰিছিল। এনে এক পৰিস্থিতিৰ মাজতে লা-ভিন্দি নামৰ ফ্রান্সৰ দাঁতিকাষৰীয়া অঞ্চলত ৰাজতন্ত্রৰ সপক্ষে বিদ্রোহে গা কৰি উঠে। লা-ভিন্দিৰ জনসাধাৰণ বিপ্লৱী চৰকাৰক লৈ সন্তুষ্ট নাছিল আৰু ফলত ১৭৯০ চনৰ মার্চ মাহত তেওঁলোকে চৰকাৰৰ বিপক্ষে বিদ্রোহ ঘোষণা কৰে।

এই দুর্যোগৰ মোকাবিলা কৰিব পৰাকৈ জাতীয় অভিৱর্তনে 'ৰাজহুৱা নিৰাপত্তা' বিষয়ক এখন কমিটি গঠন কৰে। আৰম্ভণিতে এই কমিটিখন জর্জ ডেণ্টনৰ নেতৃত্বত গঠিত হৈছিল যদিও ১৭৯৩ চনৰ জুলইত তেওঁৰ স্থানত মেক্সিমিলিয়ান ডি ৰবচ্‌পিয়াৰক ১৭৯৪ৰ জুলাইলৈকে নিযুক্ত কৰা হয়। ৰবচ্‌পিয়াৰ আছিল চৰমপন্থী উগ্র জেক'বিনসকলৰ মাজৰ অন্যতম আৰু তেওঁৰ কার্য্যকালৰ সময়ছোৱাই 'সন্ত্রাসৰ ৰাজত্ব' বুলি পাছলৈ জনাজাত হয়। ৰবচ্‌পিয়াৰে বিশ্বাস কৰিছিল যে যদিহে জনসাধাৰণৰ মাজত ভয় শিপাই থাকে তেন্তে বিপ্লৱ সফলতাৰ দিশত আগবাঢ়িব। সেইবাবেই তেওঁ জনসাধাৰণৰ মাজত ভয়ৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। এনে কৰিব যাওঁতে তেওঁ জেক'বিনৰ আইন ভঙ্গ কৰা বা ভঙ্গ কৰিব বুলি সন্দেহ কৰা বা জেক'বিনৰ বিপক্ষে কাম কৰা সকলোকে 'বিপ্লৱৰ শত্রু' বুলি গণ্য কৰিছিল আৰু মৃত্যুদণ্ড বিহিছিল। সন্ত্রাসৰ ৰাজত্ব কালত একমাত্র সন্দেহৰ বাবেই জেক'বিন দলৰ সৈতে জড়িত বহুসংখ্যক লোকক মৃত্যুদণ্ড বিহা হৈছিল।

অৱশেষত ১৭৯৪ চনৰ জুলাই মাহত জাতীয় অভিৱর্তনৰ কিছু সংখ্যক সদস্য তেওঁৰ বিপক্ষে থিয় হয় আৰু ৰবচ্‌পিয়েৰক তেওঁৰ সহযোগীসকলৰ সৈতে গ্রেপ্তাৰ কৰি মৃত্যুদণ্ড দিয়া হয়।

২.৩.৯ ডাইৰেক্ট'ৰী গঠন (১৭৯৯)

ফ্রান্সত সন্ত্রাসৰ ৰাজত্বৰ অন্ত পৰাৰ লগে লগে ১৭৯৫ চনৰ ২২ আগষ্টত জাতীয় অভিৱর্তনে এখন নতুন সংবিধানত সন্মতি প্রদান কৰে, যিয়ে ফ্রান্সত প্রথমবাৰ

দ্বিসদনযুক্ত এখন সংসদ সৃষ্টি কৰে। ইয়াৰে উচ্চ সদনখন ২৫০ জন সদস্যেৰে গঠিত আৰু ৫০০ সদস্যেৰে এখন নিম্ন সদন গঠিত হৈছিল। তদুপৰি, কাৰ্য্যপালিকা ৰূপে পাঁচজন সদস্যেৰে গঠিত আৰু সংসদৰ দ্বাৰা নিৰ্বাচিত এখন ডাইৰেক্ট'ৰী আছিল। যদিও ডাইৰেক্ট'ৰীৰ কোনো আইন প্ৰণয়নৰ ক্ষমতা নাছিল, তথাপিও ইয়াৰ চৰকাৰৰ বিভিন্ন পদবীত লোক নিয়োগ কৰাৰ কৰ্তৃত্ব আছিল।

ডাইৰেক্ট'ৰীৰ শাসনকালছোৱাও অদক্ষতা, বিত্তীয় সঙ্কট আৰু ৰাজনৈতিক দূৰ্নীতিৰে পূৰ্ণ আছিল। চৰকাৰত তেওঁলোকৰ কৰ্তৃত্ব আৰু ক্ষমতাৰক্ষা কৰি চলাৰ বাবে ডাইৰেক্ট'ৰীয়ে ঘাইকৈ সামৰিক বাহিনীৰ ওপৰত নিৰ্ভৰ কৰি চলিছিল। ই দেশৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰাত ব্যৰ্থ হয়। নতুন সংবিধানে লগতে ১৭৯৩ চনৰ সাৰ্বজনীন পুৰুষ ভোটাধিকাৰ বাতিল কৰি সম্পত্তিৰ ওপৰত ভিত্তি কৰি সীমিত ভোটাধিকাৰ প্ৰৱৰ্তন কৰে। এই কথাই দুখীয়া শ্ৰেণীক ক্ষুণ্ণ কৰে। ডাইৰেক্ট'ৰসকলে লগতে তেওঁলোকে বিচৰা মতে ফলাফল নোলোৱা বাবে নিৰ্বাচনসমূহ উপেক্ষা কৰে।এনে এক পৰিস্থিতিত জনসাধাৰণে, বিশেষকৈ জেক'বিন আৰু ৰাজতন্ত্ৰৰ সমৰ্থকসকলে ডাইৰেক্ট'ৰীক সমালোচনা কৰিবলৈ আৰম্ভ কৰে। জেক'বিনসকলে এখন প্ৰজাতন্ত্ৰ বিচাৰিছিল আৰু ৰাজতন্ত্ৰৰ সমৰ্থকসকলে সপ্তদশ লুইক সিংহাসনত অধিষ্ঠিত কৰিব বিচাৰিছিল। তেওঁলোকে ডাইৰেক্ট'ৰীৰ বিপক্ষে বিদ্ৰোহ কৰিব বিচাৰিছিল যদিও সৈন্যবাহিনীৰ দ্বাৰা দমন কৰা হৈছিল। উদাহৰণ স্বৰূপে, ১৭৯৫ চনত নেপোলিয়ন ব'নাপার্টৰ নেতৃত্বত সৈন্যবাহিনীয়ে ডাইৰেক্ট'ৰীৰ বিৰুদ্ধে এনে এক বিদ্ৰোহ দমন কৰিছিল। ডাইৰেক্ট'ৰীৰ এজন সদস্য নেপোলিয়ন ব'নাপার্ট এক জনপ্ৰিয় ব্যক্তি হৈ উঠিছিল আৰু ওচৰ-চুবুৰীয়া দেশসমূহৰ সৈতে যুদ্ধ কৰাৰ বাবে ফৰাছী সৈন্যবাহিনীক নেতৃত্ব দিবলৈ লৈছিল। পৰবৰ্তী সময়ছোৱাত নেপোলিয়নৰ দ্বাৰা পৰিচালিত ফৰাছী সৈন্যবাহিনী অপ্ৰতিৰোধ্য বুলি বিবেচিত হৈ উঠে। নেপোলিয়নৰ সৈন্য বাহিনীয়ে ইটালী আক্ৰমণ কৰে, অষ্ট্ৰিয়াৰ সৈন্যদলৰ বিপক্ষে যুদ্ধত বিজয় সাব্যস্ত কৰে। ১৭৯৯ত এক পৰাজয়ৰ সন্মুখীন হোৱাৰ আগলৈকে সুদূৰ ইজিপ্ত পৰ্য্যন্ত ফৰাছী সৈন্যবাহিনীয়ে পৰাক্ৰম প্ৰদৰ্শন কৰিছিল।

ফৰাছী সৈন্যবাহিনী আৰু নেপোলিয়নৰ এই সফলতাৰ বিপৰীতে ফ্ৰান্সৰ ঘৰুৱা মাটিত ব্যাপক দুৰ্নীতি আৰু দেশৰ অৰ্থনৈতিক সমস্যা সমাধান কৰাত ব্যৰ্থতাৰ হেতু ডাইৰেক্ট'ৰী সমালোচনাৰ সন্মুখীন হৈ আছিল। দেশত ঘটা ৰাজনৈতিক অস্থিৰতাৰ সময়ত নেপোলিয়নে ইজিপ্তত সৈন্যবাহিনীক এৰি থৈ ফ্ৰান্সলৈ উভতি আহে আৰু ডাইৰেক্ট'ৰীৰ বিৰুদ্ধে এক অভ্যুত্থানৰ নেতৃত্ব প্ৰদান কৰে। ১৭৯৯ চনৰ ৯ নৱেম্বৰত, নেপোলিয়নে ডাইৰেক্ট'ৰীক উৎখাত কৰে। এই সময়লৈকে ফৰাছী বিপ্লৱ সম্পূৰ্ণ সমাপ্ত হৈছিল আৰু এক নতুন চৰকাৰ গঠন কৰা হৈছিল, যাক 'কনচুল' নামেৰে জনা গৈছিল। এই নতুন চৰকাৰৰ তিনিজন কনচুলৰ হাতত ফ্ৰান্সৰ শাসনৰ দায়িত্ব দিয়া হৈছিল। ইয়াৰে ভিতৰত নেপোলিয়নক প্ৰতম বা মুখ্য কনচুল বুলি ঘোষণা কৰা হৈছিল। নেপোলিয়নে

সোনকালেই সমস্ত চৰকাৰৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিয়ে আৰু ফ্ৰান্স সামৰিক শাসনৰ অধীন হয়।

যদিও ফৰাছী বিপ্লৱ এক বিতৰ্কিত বিষয় আৰু ইয়াৰ গুৰুত্ব তথা আৰু প্ৰভাৱৰ বিষয়ে মতামতৰ ভিন্নতা আছে, নিঃসন্দেহে ফৰাছী বিপ্লৱে সংঘটিত কৰা মূল পৰিৱৰ্তন আছিল 'দৃষ্টিভঙ্গীৰ পৰিৱৰ্তন'। ই ৰাজতন্ত্ৰৰ 'দৈৱিক অধিকাৰ'ৰ ওপৰত, যাজক আৰু অভিজাত শ্ৰেণীটোৱে ভোগ কৰা সুবিদাসমূহৰ ওপৰত আৰু অসমতা, স্বাধীনতা ইত্যাদিৰ বিষয়ত প্ৰশ্ন উত্থাপন কৰিছিল। বিপ্লৱৰ সময়ছোৱাত ফ্ৰান্সে যি পৰিৱৰ্তনৰ মাজেৰে গতি কৰিছিল সি অতিশয় গুৰুত্বপূৰ্ণ। এইবোৰে পাছলৈ সমাজতাত্ত্বিকসকলক সমাজৰ বিষয়ে অধ্যয়ন কৰিবলৈ এক বহুল বিস্তৃত গাঁথনি প্ৰদান কৰে।

২.৪ ঔদ্যোগিক বিপ্লৱ

ইউৰোপৰ অৰ্থনৈতিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ সময় বুলি জনাজাত ঔদ্যোগিক বিপ্লৱ সংঘঠিত হৈছিল অষ্টাদশ আৰু ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত।প্ৰথমে ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱৰ সূত্ৰপাত ঘটে আৰু ক্ৰমান্বয়ে ইউৰোপৰ অন্য দেশসমূহ, যেনে— জাৰ্মানী, ফ্ৰান্স, বেলজিয়াম, ইটালী আদি আৰু আমেৰিকা (বিশেষকৈ দক্ষিণ আমেৰিকা) লৈ বিস্তাৰ লাভ কৰে। ঊনবিংশ শতিকাৰ শেষৰ পিনে অৰ্থনৈতিক ইতিহাসবিদ আৰ্ণল্ড টয়নবীয়ে 'ঔদ্যোগিক বিপ্লৱ' শব্দটি ব্যাপকভাৱে জনপ্ৰিয় কৰি তোলে। এই বিপ্লৱে বৃটেইনত সংঘটিত সামাজিক, জনগাঁথনিমূলক, অৰ্থনৈতিক আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ঘটা পৰিৱৰ্তনক সূচাইছিল। যদিও ঔদ্যোগিক বিপ্লৱৰ প্ৰকৃতিক লৈ যথেষ্ট বিতৰ্ক আৰু মতানৈক্য আছে, বহল অৰ্থত ই কৃষি নিৰ্ভৰ অৰ্থনীতিৰ পৰা ঔদ্যোগিক বা কাৰখানাৰ অৰ্থনীতিলৈ, গ্ৰাম্যৰ পৰা বৰ্দ্ধিত হাৰত নগৰীয়া আৰু ঔদ্যোগিক অৰ্থনীতিলৈ, হস্তশিল্প বা মানৱীয় শ্ৰমৰ পৰা ক্ৰমান্বয়ে মেছিন বা কল-কাৰখানাৰ অৰ্থনীতিলৈ হোৱা পৰিৱৰ্তন, যোগাযোগ আৰু যাতায়ত ব্যৱস্থাৰ প্ৰগতি, ব্যাপক পৰিসৰত উৎপাদন বৃদ্ধি ইত্যাদিক সূচাইছিল।

ইংলণ্ডক প্ৰথমখন ঔদ্যোগিক ৰাষ্ট্ৰ বুলি কোৱা হয় আৰু ইয়াৰ বাবে কিছু সংখ্যক কাৰকৰ কথা উনুকিওৱা হয়। প্ৰথমটো হ'ল দেশখনত লোৰ আকৰ আৰু কয়লাৰ দৰে প্ৰাকৃতিক সম্পদৰ উপস্থিতি। দ্বিতীয়টো হ'ল, যাতায়তৰ সুবিধাযুক্ত নদী আৰু প্ৰাকৃতিক বন্দৰৰ উপলভ্যতা, যিয়ে ঘৰুৱা আৰু বৈদেশিক সাগৰীয় বাণিজ্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তৃতীয়টো হ'ল, ইংলেণ্ড পৃথিৱীৰ শীৰ্ষস্থানৰ ঔপনিৱেশিক শক্তি আছিল যাৰ বাবে দেশখন এক শক্তিশালী অৰ্থনীতি আৰু কেঁচা সামগ্ৰীৰ গৰাকী হোৱাৰ লগতে ওপৰঞ্চি উদ্যোগত উৎপাদিত বস্তুসমূহৰ বাবে এখন বজাৰ লাভ কৰিছিল। চতুৰ্থটো হ'ল, ইংলণ্ডত শক্তি ক্ষেত্ৰত এক বিপ্লৱ সংঘটিত হৈছিল, যাৰ বাবে অতি কম সময়ৰ ভিতৰতে ইংলণ্ডে জীৱ-জন্তুৰ ব্যৱহাৰৰ পৰা আঁতৰি গৈ জলশক্তি আৰু জলশক্তিৰ পৰা ভাপ বা বাষ্পশক্তি ব্যৱহাৰ কৰিবলৈ লৈছিল। বাষ্প ইঞ্জিন আছিল ঔদ্যোগিক বিপ্লৱৰ ঘটাৰ এক শক্তিশালী শক্তি উৎস। শেষ কাৰকটো হ'ল, ইংলণ্ড 'কৃষিবিপ্লৱ'ৰ মাজেৰে

পাৰ হৈ আহিছিল, যিয়ে ঔদ্যোগিক বিপ্লৱ সংঘটিত হোৱাৰ ক্ষেত্ৰত উদগনি যোগোৱাৰ লগতে এক গুৰুত্বপূৰ্ণ ভূমিকাও পালন কৰিছিল।

২.৪.১ উদ্ভাৱনাসমূহ

ঔদ্যোগিক বিপ্লৱ এনে এক সময় আছিল যিটোৱে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনলৈ প্ৰগতি কঢ়িয়াই আনিছিল। মানুহে নতুন সামগ্ৰীৰ ব্যৱহাৰ (লো, ষ্টিল ইত্যাদি), নতুন উৎসৰ ব্যৱহাৰ (কয়লা, বাষ্প, ইঞ্জিন আদি) বা নতুন যন্ত্ৰ-পাতিৰ উদ্ভাৱন কৰিছিল। প্ৰধান পৰিৱৰ্তন দেখিবলৈ পোৱা গৈছিল বয়ন শিল্পৰ ক্ষেত্ৰখনত। প্ৰথম অৱস্থাত অন্য কোনো উদ্যোগৰে ইমান দ্ৰুতগতিত উন্নতি হোৱা নাছিল। এই সময়ছোৱাৰ এটা মুখ্য উদ্ভাৱনৰ ভিতৰত আছিল জেমছ্ হাৰগ্ৰিভছে নিৰ্মাণ কৰা 'স্পিনিং জেনী' (সুতা কটা মন্থৰা)। এই যন্ত্ৰটোৱে একেলগে কেইবানূৰা সূতা একে সময়তে উৎপাদন কৰিব পাৰিছিল। পাচলৈ চেমুৱেল জনছনে 'স্পিনিং জেনী'ৰ অধিক বিকাশ সাধন কৰি 'স্পিনিং মিউল' (এবিধ সূতা কটা যন্ত্ৰ) তৈয়াৰ কৰিছিল। ইয়াত এটা যন্ত্ৰতে সূতা কাটিব আৰু কাপোৰ বব পৰা গৈছিল। বয়ন শিল্পৰ ক্ষেত্ৰখনত অন্য এক উল্লেখযোগ্য উদ্ভাৱন আছিল এডমাণ্ড কার্টৰাইটৰ 'যন্ত্ৰচালিত তাঁতশাল'। এই যন্ত্ৰৰ সহায়ত বাষ্পশক্তিৰ দ্বাৰা দ্ৰুতগতিত বয়ন কাৰ্য সম্পাদন কৰা হৈছিল। এনে ধৰণৰ উদ্ভাৱনসমূহৰ ফলত ঘৰৰ তুলনাত কাৰখানাত ন্যূনতম মানৱীয় শ্ৰম ব্যৱহাৰ কৰি অধিক দ্ৰুত গতিত নৈপুণ্যৰে আৰু লাভ দায়কভাৱে কাপোৰ উৎপাদন কৰিব পৰা গৈছিল।

মন কৰিবলগীয়া যে বস্ত্ৰশিল্পৰ ক্ষেত্ৰত ঘটা প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ পৰম্পৰাগত বস্ত্ৰশিল্প কৰ্মীৰ ওপৰত বিপৰীত প্ৰভাৱ পৰিছিল। যিসকল শ্ৰমিকে ঘৰত সাধাৰণ সঁজুলি, যেনে— হাতেৰে চালিত যঁতৰ ব্যৱহাৰ কৰি কাম কৰিছিল, তেওঁলোক নতুন যন্ত্ৰপাতি-সমূহৰ তুলনাত অদক্ষ হৈ উঠিছিল আৰু যন্ত্ৰৰ সৈতে ফেৰ মৰাত বিফল হৈছিল। ফলত এনে পৰিৱৰ্তনসমূহৰ প্ৰতিক্ৰিয়া ৰূপে এক বিদ্ৰোহে দেখা দিছিল, যিটোক Luddite Movement বা লুড্ডাইট আন্দোলন বুলি জনা যায়। পৰৱৰ্তী সময়ত লুড্ডাইট বুলি জনাজাত হোৱা এক সংখ্যক শ্ৰমিকে এই আন্দোলনৰ নেতৃত্ব দিছিল। এওঁলোক আছিল বস্ত্ৰশিল্প কৰ্মী বা স্ব-নিয়োজিত শিপিনি। যন্ত্ৰপাতিৰ আগমনে তেওঁলোকক কৰ্ম সংস্থানহীন কৰি তুলিব বুলি তেওঁলোক শংকিত হৈছিল। সেইবাবে তেওঁলোকে নতুনকৈ বিকশিত প্ৰযুক্তিবিদ্যাৰ বিৰোধিতা কৰি বিদ্ৰোহ কৰিছিল।

ঔদ্যোগিক বিপ্লৱৰ এক অবিচ্ছিন্ন আৰু দিক নিৰ্ণয়কাৰী উদ্ভাৱন আছিল বাষ্প ইঞ্জিনৰ উদ্ভাৱন। এনে ইঞ্জিন যন্ত্ৰপাতিসমূহৰ পৰিচালনা আৰু যাতায়তৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিল। সপ্তদশ শতিকাৰ আৰম্ভণিৰ পিনে থমাছ নিউকমেনে এটা বাষ্প ইঞ্জিনৰ বিকাশ ঘটাইছিলা। প্ৰধানকৈ কয়লাখনিৰ পৰা পানী বাহিৰ কৰিবলৈ এই ইঞ্জিন ব্যৱহাৰ কৰা হৈছিল। ১৭৭০ চনত জেমছ ৱাটে ইয়াৰ সংশোধন ঘটাই আৰু অধিক উন্নত কৰি

তোলে। ফলত কাৰখানাই, ৰেলগাড়ীৰ ইঞ্জিন আৰু জাহাজৰ যন্ত্র চলাব পৰা হৈ উঠে। লো আৰু ষ্টীল উদ্যোগত হোৱা বিকাশেও ঔদ্যোগিক বিপ্লৱ সংঘটিত হোৱাত এক গুৰুত্বপূর্ণ ভূমিকা লৈছিল।এই সময়ছোৱাতে লো আৰু তীখাৰ উৎপাদনৰ আৰু এইবোৰৰ পৰিষ্কাৰকৰণ প্রক্রিয়াৰ বিকাশ হ'বলৈ ধৰে। উদাহৰণ স্বৰূপে, অষ্টাদশ শতিকাৰ আৰম্ভণিত আব্রাহাম তাৰবিয়ে এঙাৰৰ ভাটিৰ সলনি কয়লা ব্যৱহৃত ভাটি ব্যৱহাৰ কৰি লো উৎপাদনৰ বাবে এক কম খৰচী, সহজ আৰু দক্ষ প্রণালী আৱিষ্কাৰ কৰিছিল। ১৮৫০ চনত হেনৰী বেছমাৰে তীখা উৎপাদনৰ বাবে আন এক কম খৰছী প্রক্রিয়াৰ বিকাশ কৰে। লো আৰু তীখা উভয়ে অতি প্রয়োজনীয় সামগ্রী হৈ উঠে। সা-সৰঞ্জাম আৰু যন্ত্রপাতি নির্মাণৰ পৰা আৰম্ভ কৰি জাহাজ, অট্টালিকা আৰু অন্যান্য আন্তঃগাঁথনি তৈয়াৰৰ বাবে লো-তীখা ব্যৱহৃত হ'বলৈ ধৰে।

২.৪.২ পৰিবহন আৰু যোগাযোগ

নতুন উদ্ভাৱনসমূহ, বর্দ্ধিত উৎপাদন আৰু উৎপাদিত সামগ্রীসমূহৰ উচ্চ চাহিদাৰ লগে লগে কেঁচা মাল আৰু নির্মিত সামগ্রী কঢ়িয়াবলৈ পৰিবহন ব্যৱস্থাৰো বিকাশৰ চাহিদা বৃদ্ধি পায়। অষ্টাদশ শতিকাত নলী-নাদ খন্দা আৰু পথ ব্যৱস্থাৰ উন্নতিৰ দ্বাৰা পৰিবহন চাহিদা পূৰ কৰা হৈছিল। ইয়াৰ পাছলৈ ৰেল সেৱাৰ আৰম্ভণি, বাষ্পচালিত জাহাজ বা নাও আদিৰ প্রৱর্তনে পৰিবহন ব্যৱস্থাৰ আমূল উন্নতি সাধে। এই ক্ষেত্রত বাষ্প আৰু কয়লা ইঞ্জিনৰ উদ্ভাৱনৰ মুখ্য প্রভাৱ দেখিবলৈ পোৱা যায়। বাষ্প ইঞ্জিনৰ উদ্ভাৱন ঘটাৰ আগেয়ে বস্তুবোৰ ঘোৰাই টনা গাড়ী, নাও, পালতৰা জাহাজ আদিৰে সামগ্রী কঢ়িওৱা হৈছিল। ই সময় খৰচী আৰু এনে কামৰ বাবে যথেষ্ট শ্রমৰ প্রয়োজন হৈছিল। বাষ্প চালিত নাও, ৰেলসেৱাৰ প্রচলন ঘটাৰ ফলত সামগ্রী পৰিবহন সহজে আৰু দ্রুত গতিত কৰিব পৰা হৈ পৰে। তদুপৰি, টেলিগ্রাফ আদিৰ দৰে উন্নত যোগাযোগ মাধ্যমৰ ফলত বা-বাতৰি আৰু বাণিজ্যিক তথ্যসমূহো আগৰ তুলনাত দ্রুতগতিত আদান-প্রদান কৰিব পৰা হৈ উঠে।

২.৪.৩ কৃষি বিপ্লৱ আৰু ঔদ্যোগিক বিপ্লৱ

ঔদ্যোগিক বিপ্লৱৰ আগে আগে সৰহ সংখ্যক লোকে সৰু অথবা ক্ষুদ্র গ্রাম্য সম্প্রদায়ত বাস কৰিছিল। তেওঁলোকৰ দৈনন্দিন জীৱন যাপন প্রণালী কৃষিকর্মক কেন্দ্র কৰি আৱর্তিত হৈছিল। যিহেতু কৃষি প্রধান জীৱিকা আছিল, সেয়েহে ই শতিকাজুৰি ইংলণ্ডৰ অর্থনীতিত আধিপত্য বিস্তাৰ কৰিছিল। ইংলণ্ডৰ 'কৃষি বিপ্লৱ' আছিল অষ্টাদশ আৰু প্রাৰম্ভিক ঊনবিংশ শতিকাৰ এছোৱা সময়। এই সময়ছোৱাত কৃষি কার্য্যত হোৱা প্রযুক্তিবিদ্যাৰ বিকাশৰ ফলত কৃষকসকলৰ উৎপাদন আৰু সমৃদ্ধিৰ বিকাশ হ'বলৈ ধৰে। এই কৃষি বিপ্লৱৰ সময়ছোৱাতে নতুন সা-সঁজুলি, কৃষি শস্য সিঁচা প্রযুক্তি আৰু সাৰৰ

প্রয়োগৰ প্রচলন ঘটে। জেথ্রো টুলে উদ্ভাৱন কৰা ১৭০১ চনৰ যান্ত্রিক মেছিনৰ সহায়ত শাৰীকৈ গাঁত খান্দি গুটি সিঁচাৰ কামটো সুচল হৈছিল। ইয়াৰ আগলৈকে বীজ সিঁচাৰ সাধাৰণ প্রথা আছিল হাতেৰে সিঁচা আৰু পাতলকৈ মাটিৰে ঢাকি দিয়া। জেথ্রো টুলীয়ে উদ্ভাৱন কৰা যন্ত্রৰ সহায়ত এটুকুৰা মাটিত সমানভাৱে আৰু সম গভীৰতাত বীজসমূহ পৰা হ'ল। কৃষি সঁজুলিৰ ক্ষেত্রত অন্য এক গুৰুত্বপূর্ণ সঁজুলি আছিল জোছেফ কৰা সাঁচত ঢলা লোৰ নাঙল ফ'লিয়াম্বিয়ে উদ্ভাৱন। ই পৰম্পৰাগত নাঙলতকৈ পাতল আছিল আৰু ন্যূনতম সংখ্যক বলধ বা ঘোঁৰাৰ দ্বাৰা টনাব পৰা গৈছিল। এই সময়ছোৱাৰ অন্য এক গুৰুত্বপূর্ণ উদ্ভাৱন আছিল 'শস্যাৱর্তন' ব্যৱস্থা। ইয়াৰ আগেয়ে মধ্যযুগৰ সময়ছোৱাত কৃষিকার্য্য মুকলি পথাৰত কৰা হৈছিল। সাধাৰণতে দুই বা তিনিখন খেতিপথাৰত শস্যাৱর্তন প্রথা আছিল। এখন পথাৰৰ সাৰুৱা গুণ ঘূৰাই অনাৰ উদ্দেশ্যে পথাৰখন এনেয়ে পেলাই থোৱা হৈছিল। উদাহৰণ স্বৰূপে, তিনিখন পথাৰযুক্ত শস্যাৱর্তন ব্যৱস্থাত যদি দুখন পথাৰত ঘেঁহু আৰু ওটৰ খেতি কৰা হৈছিল তেন্তে তৃতীয় পথাৰখন খেতি নকৰাকৈ ৰখা হৈছিল। পথাৰসমূহ প্রত্যেক বছৰে সলনা-সলনি কৰি থকা হৈছিল। কৃষি বিপ্লৱৰ সময়ত প্রচলিত কৰা নতুন পদ্ধতিটোত আছিল চাৰিখন খেতিপথাৰৰ কৃষিভূমিৰ শস্যাৱর্তন। এই নতুন পদ্ধতিত কোনো কৃষিভূমি বা খেতিপথাৰ বীজ নিসিঁচাকৈ ৰখাৰ প্রয়োজন নাছিল। নতুন শস্য, যেনে— ক্লৱাৰ আৰু চালগোম আদিৰ প্রচলনৰ দ্বাৰা ই সম্ভৱপৰ হৈছিল। এই পদ্ধতিত চাৰিওখন কৃষিভূমি অথবা পথাৰত ক্রমে ঘেঁহু, ওট, চালগোম আৰু ক্লৱাৰৰ খেতি কৰা হৈছিল। প্রত্যেক বিকল্প বর্ষতে শস্যসমূহৰ স্থান সলনি কৰা হৈছিল। ফলত, কোনো পথাৰ খেতি নকৰাকৈ ৰখাৰ প্রয়োজন নাছিল। চালগোম আৰু ক্লৱাৰে মাটিৰ সাৰুৱা গুণ ঘূৰাই অনাত সহায় কৰিছিল। এই নতুন পদ্ধতিয়ে শস্যৰ বর্দ্ধন ক্ষমতাৰ উন্নতি আৰু মাটি ছন পেলাই থোৱাটো হ্রাস কৰি শস্য আৰু পশুধনৰ উৎপাদন বৃদ্ধি কৰিছিল। থোৱতে, কৃষি বিপ্লৱে কৃষি প্রযুক্তিৰ বিকাশ সাধন কৰিছিল।ইয়াৰ ফলত কৃষিৰ উৎপাদন বৃদ্ধি হৈছিল আৰু খেতিয়ক সমৃদ্ধিশালী হৈছিল। ইয়াৰ অর্থ এইটো আছিল যে এটা সাধাৰণ ইংৰাজ কৃষক পৰিয়ালে তেওঁলোকৰ উপার্জনৰ সকলোখিনি একমাত্র ব্রেড বা খাদ্যতে খৰচ কৰিবলগীয়া নহৈছিল। ইয়াৰ সলনি তেওঁলোকে কাৰখানাত নির্মিত সামগ্রীও কিনিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলত উন্নত মানৰ কাপোৰ বা ঘৰুৱা সামগ্রীৰ চাহিদা ক্রমাৎ বৃদ্ধি পাইছিল। এই কথাই নগৰীয়া উদ্যোগসমূহক উদগনি যোগাইছিল। আনকি কিছুসংখ্যক বিত্তবান পৰিয়ালে ঔদ্যোগিক প্রতিষ্ঠানৰ বাবে পুঁজিৰো যোগান ধৰিবলৈ আৰম্ভ কৰিছিল।

২.৪.৪ পৰিবেষ্টনী (Enclosure) আন্দোলন

ঔদ্যোগিক বিপ্লৱৰ এটা অত্যন্ত গুৰুত্বপূর্ণ দিশ আছিল প্রব্রজন। বিপ্লৱৰ সময়ছোৱাত দাঁতিকাষৰীয়া গ্রামাঞ্চলসমূহৰ পৰা ঔদ্যোগিক কেন্দ্রসমূহলৈ কামৰ সন্ধানত

বৃহৎ সংখ্যক লোকৰ প্রব্রজন ঘটে। আংশিকভাৱে কর্মসংস্থান বিলুপ্তি আছিল প্রব্রজনৰ আন এটা কাৰণ। বহু সংখ্যক লোকে তেওঁলোকৰ পৰম্পৰাগত জীৱিকা হেৰুৱাই পেলাইছিল। নতুন যন্ত্রপাতিৰ প্রচলনৰ ফলত আৰু আংশিকভাৱে চৰকাৰৰ পৰিবেষ্টনী নীতিৰ প্রভাৱৰ ফলত বৃহৎ সংখ্যক কৃষকে তেওঁলোকৰ কৃষিভূমি হেৰুৱাইছিল আৰু উদ্যোগ কেন্দ্রসমূহলৈ গৈ ঔদ্যোগিক বনুৱাত পৰিণত হৈছিল। ১৭৫০ৰ পৰা ১৮৬০ৰ ভিতৰত বলবৎ কৰা পৰিবেষ্টনী নীতিসমূহ আছিল এলানি সাংবিধানিক আইন। ইয়াৰ সহায়ত বিস্তৃর্ণ মুকলি পথাৰ আৰু সাধাৰণ মাটি বেৰি ধৰা হৈছিল। পৰম্পৰাগত কৃষি পদ্ধতি মুকলি পথাৰ প্রথাত প্রত্যেক গাঁৱৰে দুখন বা তিনিখন ডাঙৰ পথাৰ আছিল যাক ঠেক বা ক্ষুদ্র ক্ষুদ্র টুকুৰাত বিভক্ত কৰা হৈছিল। প্রত্যেক পৰিয়ালে এনেকুৱা ক্ষুদ্র অংশসমূহত কৃষিকার্য কৰিছিল। এই মুকলি পথাৰসমূহৰ উপৰি অনুর্বৰ ভূমিখণ্ড, জলাহ অথবা পিটনিসমূহত ৰাইজৰ পৰম্পৰাগত আৰু সমূহীয়া অধিকাৰ আছিল। তাত পশুধন চৰোৱা, খৰি সংগ্রহ, ঘাঁহ-খেতি আদি কার্য কৰা হৈছিল। কিন্তু বৃটিছ চৰকাৰে এই মাটিসমূহ বেৰি লোৱাৰ পৰিকল্পনা কৰে। চৰকাৰে দাবী কৰে যে শস্যৰ অধিক উৎপাদনৰ বাবে বৃহৎ আকাৰৰ পথাৰসমূহত তুলনামূলকভাৱে ব্যক্তিগত সৰু অংশসমূহতকৈ বেছি দক্ষভাৱে খেতি কৰিব পৰা যায়। অন্যহাতে, ইয়াত জড়িত হৈ আছিল বিতাড়িত লোকসকলৰ কথাও। তেওঁলোকে পৰিবেষ্টনী আইনৰ সৈতে জড়িত আইনী আৰু অন্যান্য আনুষঙ্গিক খৰচ বহন কৰিব পৰা নাছিল। ফলত তেওঁলোকে বহু প্রজন্ম জুৰি পৰম্পৰাগতভাবে ভোগ কৰি অহা মুকলি আৰু উমৈহতীয়া পথাৰৰ অধিকাৰৰ পৰা বঞ্চিত হৈছিল। ক্ষতিপূৰণ হিচাপে বিতাড়িত লোকসকলক অইন ৰুলত ক্ষুদ্র কৃষি ভূমি প্রদান কৰা হৈছিল যদিও এইসমূহ নিম্নমানৰ আছিল। তদুপৰি তেওঁলোকক প্রদান কৰা ক্ষুদ্র ক্ষুদ্র ভূ-খণ্ডৰে বিতাড়িত লোকসকলে বৃহৎ জমিদাৰসকলৰ সৈতে ফেৰ মাৰিবলৈ অসমর্থ হৈছিল। ফলত লোকচানৰ কাৰণে তেওঁলোকৰ বহুসংখ্যকে মাটি হেৰুৱাইছিল। এইদৰে মাটি হেৰুওৱা কৃষকৰ বাবে উদ্যোগত শ্রমিক হিচাপে কাম কৰাৰ বাহিৰে আন কোনো উপায় নাছিল। এই প্রক্রিয়াৰ ফলত কাষৰীয়া গ্রামাঞ্চলসমূহৰ পৰা ঔদ্যোগিক নগৰসমূহলৈ বৃহৎ প্রব্রজন সংঘটিত হৈছিল। এই সম্পূর্ণ প্রব্রজন প্রক্রিয়াটোকে ‘পৰিবেষ্টনী আন্দোলন’ বুলিব পাৰি।

২.৪.৫ কল-কাৰখানা ব্যৱস্থা

ঔদ্যোগিক বিপ্লৱৰ সবাতোকৈ গুৰুত্বপূর্ণ ফলাফল আছিল কল-কাৰখানা ব্যৱস্থাৰ আৰম্ভণি। জনসংখ্যাৰ যথেষ্ট বৃদ্ধি আৰু উৎপাদনৰ চাহিদাৰ বাবে ইংলণ্ডে অধিক পৰিমাণত কাৰখানাত নির্মিত সামগ্রী উৎপাদনৰ বাবে চাপৰ সন্মুখীন হ’বলগীয়াত পৰিছিল। ঔদ্যোগিক বিপ্লৱৰ আগলৈকে সামগ্রী নির্মাণ প্রক্রিয়া ঘৰুৱাভাৱে সম্পাদন কৰা হৈছিল যাক ‘ঘৰুৱা ব্যৱস্থা’ বা ‘বিক্রয়ার্থে উৎপাদন ব্যৱস্থা’ বুলি জনা গৈছিল।

এই ব্যৱস্থাত ব্যৱসায়ীয়ে কেঁচা সামগ্ৰীসমূহ গ্ৰাম্য উৎপাদনকাৰীক প্ৰদান কৰিছিল। উৎপাদনকাৰীসকলে সাধাৰণতে তেওঁলোকৰ নিজা ঘৰ বা কৰ্মশালাত নিজা সঁজুলি (যেনে— যঁতৰ) ব্যৱহাৰ কৰি স্ব-নিৰ্দ্ধাৰিত কৰ্মসূচী মতে কাম কৰিছিল। নিৰ্মিত সামগ্ৰীসমূহ তেওঁলোকে ব্যৱসায়ীক ওভটাই দিছিল আৰু তাৰ বিনিময়ত তেওঁলোকে মজুৰি লাভ কৰিছিল।

কিন্তু অধিক হাৰত উৎপাদিত সামগ্ৰীৰ বৰ্দ্ধিত চাহিদা আৰু নতুন যন্ত্ৰপাতিৰ প্ৰচলনৰ ফলত এই ব্যৱস্থা অচল হৈ পৰে। ই নতুন যন্ত্ৰপাতিসমূহৰ দক্ষতাৰ সৈতে প্ৰতিযোগিতা কৰাত ব্যৰ্থ হয়। ইয়াৰ ফলত এই ব্যৱস্থাৰ সলনি 'কল-কাৰখানা ব্যৱস্থা'ৰ প্ৰৱৰ্তন ঘটে। এই ব্যৱস্থাই অৰ্থনৈতিক কাৰ্য্যকলাপত উল্লেখযোগ্য পৰিৱৰ্তন সাধে। প্ৰথম কথা, এই কল-কাৰখানা ব্যৱস্থাৰ উৎপাদন প্ৰক্ৰিয়া ঘাইকৈ বিজুলী চালিত যন্ত্ৰপাতিৰ ওপৰত নিৰ্ভৰ আছিল। যাৰ ফলত ব্যাপক পৰিসৰত উৎপাদন সম্ভৱ হৈছিল। দ্বিতীয়তে, পূৰ্বৰ স্বাধীন কাৰিকৰসকল, যিসকলে নিজা সঁজুলি ব্যৱহাৰ কৰিছিল আৰু যাৰ কৰ্মসূচী স্ব-নিৰ্দ্ধাৰিত আছিল, এতিয়া ঔদ্যোগিক শ্ৰমিকত পৰিণত হৈছিল। নিয়োগকৰ্তাসকলে সঁজুলি আৰু অন্য প্ৰয়োজনীয় সামগ্ৰীসমূহৰ যোগান ধৰিছিল। শ্ৰমিকসকলে নিয়োগকৰ্তাই বান্ধি দিয়া কামৰ সময়সূচী ৰক্ষা কৰি চলিবলগীয়া হৈছিল। তৃতীয়তে, কৰ্মস্থানৰো পৰিৱৰ্তন ঘটিছিল। পূৰ্বতে কাম-কাজসমূহ ব্যক্তিগত গৃহত সম্পাদিত হৈছিল। পৰৱৰ্তী সময়ত কামসমূহ কল-কাৰখানাত সম্পাদিত হ'বলৈ ধৰে। ইয়াৰ ফলত শ্ৰমিকসমূহ ঘৰৰ পৰা ফেক্টৰীলৈ যাবলগীয়া হৈছিল।

২.৪.৬ শোষণ

ঔদ্যোগিক বিপ্লৱৰ সময়ছোৱাতে পুঁজিবাদৰ উত্থান ঘটে। এই পৰিঘটনাটো এই সময়ৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ। পুঁজিবাদী ব্যৱস্থাত পুঁজি মূল লক্ষ্য বা উদ্দেশ্য। সদায় পুঁজি বা লাভৰ মাত্ৰা সৰ্বোচ্চ কৰা ই হ'ল পুঁজিবাদৰ কাম। আগতে উল্লেখ কৰাৰ দৰে আৰম্ভণি অৱস্থাত প্ৰব্ৰজন অব্যাহত থকা সময়ছোৱাত আংশিকভাৱে কৰ্ম বিলুপ্তিৰ বাবে আৰু আংশিকভাৱে পৰিবেষ্টনী আইনৰ বাবে নিবনুৱা সমস্যাই দেখা দিছিল। এনে এক পৰিস্থিতিত মানুহৰ শ্ৰমিক হিচাপে উদ্যোগত যোগ দিয়াৰ বাহিৰে অন্য কোনো উপাই নাছিল বুলিয়েই ক'ব পাৰি। তদুপৰি, উদ্যোগসমূহক নিয়ন্ত্ৰণ কৰাৰ বাবে কোনো প্ৰধান আইন নাছিল। উদাহৰণ স্বৰূপে, কয়লাখনি আৰু উদ্যোগসমূহত শিশু শ্ৰমিক নিয়োগ বন্ধ কৰাৰ বাবে কোনো আইন নাছিল। যিহেতু চাকৰিৰ যথেষ্ট চাহিদা আছিল আৰু লগতে আইন নথকা বাবে কল-কাৰখানা মালিকসকল কামৰ চর্ত আৰোপ কৰাৰ ক্ষেত্ৰত মুক্ত আৰু নিয়ন্ত্ৰণহীন আছিল। অধিক হাৰত দৰমহা দাবী, কামৰ উপযুক্ত সময় নিৰ্ধাৰণ আৰু উন্নত কৰ্ম-পৰিৱেশ আদি দাবী কৰাৰ অৰ্থে শ্ৰমিকসকলৰ কোনো চর্ত বা চুক্তি কৰাৰ ক্ষমতা একেবাৰে নাছিল বুলিয়েই ক'ব পাৰি।অন্যহাতে কল-কাৰখানা

মালিকসকলে যি কোনো উপায়ে পুঁজি বা মূলধন বা লাভ সৰ্বোচ্চ কৰাৰ চেষ্টা চলাইছিল। এনে এক পৰিস্থিতিত শ্ৰমিকসকল বিভিন্ন ধৰণে শোষিত হৈছিল— উৎপাদন ব্যয় সংকুচিত কৰাৰ উদ্দেশ্যেৰে শ্ৰমিকসকলক যথেষ্ট কম দৰমহা দিয়া হৈছিল, কঠিন পৰিস্থিতিত তেওঁলোকে দীৰ্ঘ সময় জুৰি কাম কৰিবলগীয়া হৈছিল ইত্যাদি।

২.৪.৭ নগৰ আৰু বস্তি অঞ্চলৰ বৃদ্ধি

ঔদ্যোগিক বিপ্লৱৰ এক গুৰুত্বপূৰ্ণ আৰু দীৰ্ঘস্থায়ী দিশ আছিল 'নগৰীকৰণ' বা নগৰসমূহৰ উত্থান। বিপ্লৱৰ আগলৈকে গৰিষ্ঠ সংখ্যক লোক গ্ৰাম্য অঞ্চলত বাস কৰিছিল। কিন্তু উদ্যোগৰ প্ৰতিষ্ঠা আৰু ব্যাপক প্ৰব্ৰজনৰ ফলত বহুতো সৰু চহৰ বৃহৎ নগৰলৈ পৰিবৰ্তিত হয়। উদাহৰণ স্বৰূপে, মানছেষ্টাৰৰ নাম ল'ব পাৰি। মানছেষ্টাৰ বিপ্লৱৰ সময়ছোৱাত দ্ৰুতগতিত এক বৃহৎ নগৰলৈ ৰূপান্তৰিত হৈছিল। আটলাণ্টিক বন্দৰ আৰু লাঞ্চেশ্বাইন কয়লাক্ষেত্ৰসমূহৰ ওচৰত অৱস্থিত বাবে ই উদ্যোগ গঢ়ি তোলাৰ বাবে আদৰ্শ স্থান আছিল। ফলত, সোনকালেই মানছেষ্টাৰ অন্যতম ঔদ্যোগিক নগৰলৈ পৰিবৰ্তিত হয়। নগৰখনে কাষৰীয়া অঞ্চলসমূহৰ প্ৰব্ৰজনকাৰীক আকৰ্ষিত কৰিছিল।

নগৰৰ সংখ্যা বৃদ্ধিৰ লগে লগে ই অন্য কিছু দিশতো অৰিহণা যোগায়। যেনে- বস্তি অঞ্চলৰ উত্থান। এনে অঞ্চলত শ্ৰমিক শ্ৰেণীয়ে বসবাস কৰিছিল। এই বস্তি অঞ্চলসমূহ অত্যধিক লোকেৰে ঠাহ খাই পৰিছিল। এই অঞ্চলসমূহ লেতেৰা আৰু প্ৰদূষিত আছিল বাবে ৰোগ সোঁচৰাৰ দৰে চিন্তনীয় স্বাস্থ্যজনিত সমস্যাই গা কৰি উঠিছিল। ইয়াৰ বাবেই বেছি সংখ্যক পণ্ডিতে এই কথাত অসন্মতি প্ৰকাশ কৰিছিল যে ঔদ্যোগিকীক কৰণৰ ফলত সকলোৰে জীৱন ধাৰণৰ মান উন্নত হৈছিল। যদিও এক নিৰ্দিষ্ট সংখ্যকৰ বাবে জীৱন ধাৰণৰ মান উন্নত হৈছিল, ই নিশ্চিতভাৱে শ্ৰমিক শ্ৰেণী বা বনুৱাসকলৰ কোনো উন্নতি সধা নাছিল।

ঔদ্যোগিক বিপ্লৱৰ ফলত আৰু ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে সমাজত ঘটা উল্লেখযোগ্য পৰিৱৰ্তনসমূহ অধ্যয়নৰ বা বিশ্লেষণৰ বাবে সমাজতাত্ত্বিকসকলে শ্ৰম বিভাজন, পুঁজিবাদ, আমোলাতন্ত্ৰ, প্ৰব্ৰজন, শোষণ ইত্যাদি বিষয়ৰ কিছু সংখ্যক তত্ত্ব অৱতাৰণা কৰিছিল। এই ক্ষেত্ৰত পুৰোধা ব্যক্তিসকলৰ ভিতৰত আছিল কার্ল মার্ক্স, মেক্স ৱেবাৰ, ইমাইৱ ডাৰখেইম আৰু জৰ্জ শ্বিমেল।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ২ ঃ ক) সন্ত্ৰাসৰ ৰাজত্ব কেতিয়া আৰম্ভ হৈছিল?

.....

খ) পোন প্রথমে কোনখন দেশত ঔদ্যোগিক বিপ্লৱৰ সূত্রপাত হৈছিল?

.....

গ) বীজ সিঁচা যন্ত্রটো কোনে উদ্ভাৱন কৰিছিল?

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ফৰাচী বিপ্লৱে ফৰাচী সমাজৰ সামাজিক আৰু ৰাজনৈতিক জীৱনলৈ আমূল পৰিৱর্তন কঢ়িয়াই আনিছিল। এই বিপ্লৱে পৃথিৱীৰ আন আন অংশকো প্রভাৱিত কৰিছিল।
- বিপ্লৱৰ সবাতোকৈ গুৰুত্বপূর্ণ কাৰণটো আছিল সেই সময়ত ফ্রান্সত চলি থকা ঘোৰ বিত্তীয় সংকট।
- ইউৰোপৰ অর্থনৈতিক ইতিহাসৰ এছোৱা গুৰুত্বপূর্ণ সময় বুলি বিবেচিত ঔদ্যোগিক বিপ্লৱ আৰম্ভ হৈছিল অষ্টদশ শতিকাৰ শেষ আৰু ঊনবিংশ শকিতকাৰ আৰম্ভণিৰ কালছোৱাত।
- পোনপ্রথমে ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱ আৰম্ভ হৈছিল। কালক্রমত ই জার্মানী, ফ্রান্স, বেলজিয়াম, ইটালী আদিৰ দৰে অন্য ইউৰোপীয় দেশৰ লগতে আমেৰিকালৈও বিয়পি পৰিছিল।
- প্রাধান্য বিস্তাৰ কৰি থকা কৃষিভিত্তিক অর্থনীতিৰ পৰা এক ঔদ্যোগিক অথবা কল-কাৰখানাভিত্তিক অর্থনীতিলৈ ৰূপান্তৰৰ কথা কোৱা বিপ্লৱটোৱেই হ'ল ঔদ্যোগিক বিপ্লৱ।
- এই বিপ্লৱে হস্তশিল্প অথবা মানৱীয় শ্রমৰ পৰা যন্ত্র-পাতিৰ ক্রমবর্দ্ধমান ব্যৱহাৰ, সংযোগ আৰু পৰিহবণ ব্যৱস্থাৰ উন্নতি, সামগ্রীৰ পাইকাৰী উৎপাদন আদি ক্ষেত্রতো ৰূপান্তৰৰ পোষকতা কৰিছিল।
- ঔদ্যোগিক বিপ্লৱৰ সময়ছোৱাতে বিজ্ঞান আৰু প্রযুক্তি ক্ষেত্রখনে উল্লেখনীয় অগ্রগতি লাভ কৰিছিল। নতুন সামগ্রী (লো, তীখা আদি) ব্যৱহাৰৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য।
- ঔদ্যোগিক বিপ্লৱৰ কালছোৱাতে নতুন শক্তি উৎস (কয়ল, ভাপ ইঞ্জিন আদি)ৰ ব্যৱহাৰৰ লগতে বহুতো নতুন যন্ত্র উদ্ভাৱন কৰা হৈছিল।
- প্রযুক্তি ক্ষেত্রত, বিশেষকৈ বস্ত্র প্রযুক্তিৰ ক্ষেত্রত হোৱা বিকাশে পৰম্পৰাগতভাৱে বস্ত্র তৈয়াৰ কৰোঁতাসকলৰ ওপৰত নেতিবাচক প্রভাৱ পেলাইছিল।
- নতুন যন্ত্র-পাতিৰ সন্মুখত কেৱল যঁতৰ আৰু হাতশাল ব্যৱহাৰ কৰি নিজ ঘৰতে বস্ত্র উৎপাদন কৰোঁতাসকলৰ দক্ষতা ম্লান পৰিছিল। তেওঁলোকে কোনোপধ্যে যন্ত্রৰ সৈতে ফেৰ মাৰিব পৰা নাছিল।

- নতুন প্ৰযুক্তিৰ বিৰুদ্ধে এচাম শ্ৰমিকে 'লুডাইট আন্দোলন' (Luddite Movement) আৰম্ভ কৰিছিল। পাছত তেওঁলোক লুডিট/লুডাইট (Luddites) নামেৰে জনাজাত হৈছিল।
- উদ্ভাৱনবোৰৰ বাবে উৎপাদন আৰু উৎপাদিত সামগ্ৰীৰ চাহিদা বৃদ্ধি পাইছিল।
- একে সময়তে কেঁচামাল আৰু উৎপাদিত সামগ্ৰী সৰবৰাহৰ বাবে পৰিবহন ব্যৱস্থা উন্নত কৰাৰ চাহিদাও বৃদ্ধি পাইছিল।
- ইয়াৰ লগতে টেলিগ্ৰাফৰ দৰে সেৱাৰ উদ্ভাৱনে সংযোগ ব্যৱস্থাও উন্নত কৰিছিল। আগতকৈ অধিক দ্ৰুত গতিত বাতৰি বিনিময় আৰু অন্য ব্যৱসায়িক তথ্যৰ আদান-প্ৰাদন সম্ভৱ হৈ উঠিছিল।
- প্ৰযুক্তিৰ বিকাশে কৃষি বিপ্লৱৰ পথ মুকলি কৰি দিছিল।
- এটা যন্ত্ৰই অকলে বহুতো মানুহৰ কাম কৰিব পৰা হৈছিল বাবে কৃষিখণ্ডত কাম কৰা বহুতো শ্ৰমিকে কামৰ সন্ধানত অন্য স্থানলৈ যাবলগীয়া হৈছিল।
- সংস্থাপনৰ চাহিদা বঢ়াৰ লগে লগে কল-কাৰখানাৰ মালিকপক্ষই শ্ৰমিকক কৰা শোষণৰ পৰিমাণো বাঢ়িছিল।
- বৰ্দ্ধিত জনসংখ্যাই বস্তি অঞ্চল (Slum)ৰ সংখ্যাও বৃদ্ধি কৰিছিল।
- অৰ্থাৎ, ঔদ্যোগিক বিপ্লৱে সমাজলৈ অভূতপূৰ্ব পৰিৱৰ্তন কঢ়িয়াই আনিছিল।
- এই পৰিৱৰ্তনবোৰে কার্ল মার্ক্স, মেক্সৱেবাৰ, ইমাইল ডাৰখেইম আৰু জ'র্জ চিমেলৰ দৰে সামাজিক চিন্তাবিদসকলক সমাজখন বিজ্ঞানসন্মতভাৱে বিশ্লেষণ কৰি চাবলৈ উদ্‌গনি যোগাইছিল।



২.৬ আধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Royce, Edward (2015); *Classical Social Theory and Modern Society: Marx, Durkheim, Weber*; London: Rowman & Littlefield.
2) Thompson, E. P. (1963); *The Making of the English Working Class*; United Kingdom: Vintage Books.
3) Dwyer, P. G. and Peter McPhee (Eds.) (2002); *The French Revolution and Napoleon: A Sourcebook*; London: Routledge.



২.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) আইন সভাৰ খ) বৌদ্ধিক উৎকর্ষতাৰ

২নং প্রশ্নৰ উত্তৰ ঃ ক) ১৭৯৩ চনত খ) ইংলেণ্ডত গ) জেথ্রো টুলে



২.৮ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ফৰাছী বিপ্লৱৰ সময়ত জাতীয় সভাৰ নেতৃত্বত সংঘটিত প্রধান ঘটনাবোৰ কি কি আছিল?

প্রশ্ন ২ ঃ ঔদ্যোগিক বিপ্লৱৰ সময়ত বস্ত্র উদ্যোগ ক্ষেত্রখনলৈ আমূল পৰিৱর্তন কঢ়িয়াই অনা প্রধান কাৰকবোৰ কি?

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ফৰাছী বিপ্লৱৰ মূল কাৰণবোৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ ঔদ্যোগিক বিপ্লৱৰ কাৰকবোৰৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ অগাষ্ট ক'ট (AUGUSTE COMTE)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ অগাষ্ট ক'ট ঃ সমাজতত্ত্বৰ প্ৰতিষ্ঠাপক
৩.৪ ক'টৰ সমাজতাত্ত্বিক দৃষ্টিভঙ্গী
৩.৪.১ প্ৰত্যক্ষবাদ
৩.৪.২ ত্ৰিস্তৰীয় বিধান
৩.৫ সামাজিক শৃঙ্খলা আৰু বিকাশ
৩.৬ সমাজ অধ্যয়নৰ পদ্ধতি
৩.৭ শ্ৰেণী, লিঙ্গ আৰু প্ৰজাতি
৩.৮ সামৰণি
৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.১০ অধিক জানিবলৈ
৩.১১ অগ্ৰগতিৰ খতিয়ান
৩.১২ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অগাষ্ট ক'টৰ জীৱনীৰ বিষয়ে জ্ঞাত হ'ব
- অগাষ্ট ক'টৰ সমাজতত্ত্বীয় চিন্তাধাৰাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অগাষ্ট ক'টৰ সমাজ বিৱৰ্তনৰ অৱধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ক'টৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে সমাজতত্ত্বৰ বিশ্লেষণৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।

৩.২ পৰিচয়

আমি আগৰ অধ্যায়ত সমাজতাত্ত্বিক আৰু বৌদ্ধিক শক্তিৰ পটভূমিৰ ভিত্তিত সমাজতত্ত্বৰ উৎপত্তিৰ উপৰি ভাৰতবৰ্ষত সমাজতত্ত্বৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে অধ্যয়ন কৰিলোঁ। তদুপৰি আমি বিভিন্ন সমাজতত্ত্ববিদে সকলো সূক্ষ্ম বিশ্লেষণেৰে ভাৰতবৰ্ষত সমাজতত্ত্বৰ বিকাশৰ বিষয়ে আগবঢ়োৱা ভিন্ন দৃষ্টিভঙ্গীৰ বিষয়ে জ্ঞাত হওঁ। এই অধ্যায়টিত আমি সমাজতত্ত্বৰ পিতৃ স্বৰূপ অগাষ্ট ক'ট আৰু তেওঁৰ সামাজিক পদ্ধতিগত দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰিম।

৩.৩ অগাষ্ট ক'ট ঃ সমাজতত্ত্বৰ প্ৰতিষ্ঠাপক (Auguste Comte: The Founder of Sociology)

অগাষ্ট ক'ট ১৭৯৮ চনৰ ১৯ জানুৱাৰীত দক্ষিণ ফ্ৰান্সৰ মণ্টপেলিয়াৰ (Montpellier) চহৰত জন্মগ্ৰহণ কৰিছিল। তেওঁ বিদ্যালয়ত অধ্যয়নৰত সময়ত এজন মেধাবী ছাত্ৰ আছিল। ১৮১৪ চনত তেওঁ পেৰিচত নতুনকৈ নিৰ্মাণ হোৱা Ecole Polytechniqueত যোগদান কৰে। ফ্ৰান্সত এই বিদ্যালয়খন ফৰাছী বিপ্লৱৰ পৰৱৰ্তী চৰকাৰৰ দ্বাৰা নিৰ্মিত আৰু সেয়ে বিপ্লৱৰ পৰৱৰ্তী কালৰ উত্থানৰ দ্বাৰা প্ৰভাৱান্বিত। ক'ট আৰু তেওঁৰ শ্ৰেণীৰ সমূহ সহপাঠীক চৰকাৰৰ বিৰুদ্ধাচৰণ আৰু তেওঁলোকৰ ৰাজনৈতিক ভাবদৰ্শনৰ বাবে Ecole Polytechniqueৰ পৰা বৰ্খাস্ত কৰা হৈছিল। পৰৱৰ্তী কালত এই বিদ্যালয়খন বন্ধ হৈ যায় আৰু ১৮১৬ চনত ইয়াৰ পুনৰ সংগঠন হয় যদিও ক'টৰ ইমানতে এই বিদ্যালয়লৈ যোৱাৰ সমাপ্তি ঘটে। ক'টৰ কাহানিও মহাবিদ্যালয় পৰ্য্যায়ৰ ডিগ্ৰী গ্ৰহণ কৰা নহ'ল। ১৮১৭ চন পৰ্য্যন্ত তেওঁ এক সাধাৰণ জীৱন-যাপন কৰিছিল। তেনে সময়তে তেওঁ ছেইণ্ট ছাইমনৰ (Saint Simon) সান্নিধ্যলৈ আহিছিল। আৰু তাৰ পাছত তেওঁ ছাইমনৰ চেক্ৰেটেৰী আৰু সহযোগী হৈছিল। ক'টে তেওঁৰ ওপৰত ছাইমনৰ অভূতপূৰ্ব প্ৰভাৱৰ কৃতজ্ঞতা স্বীকাৰ কৰিছিল। কিন্তু ১৮২৪ চনত এখন ৰচনাৱলীৰ গ্ৰন্থকাৰ স্বত্বৰ বাবে সৃষ্টি হোৱা বিতৰ্কৰ বাবে তেওঁ ছাইমনৰ লগত সহযোগী স্বৰূপে কাম কৰিবলৈ অগ্ৰাহ্য কৰে কাৰণ ক'টে ভাবিছিল যে ছাইমনে তেওঁ আগবঢ়োৱা লিখনিসমূহৰ এটাৰ পৰা তেওঁৰ নাম কৰ্তন কৰিব বিচাৰিছিল। ক'টে শিক্ষাদান আৰু একাধিক ৰাজহুৱা ভাষণৰ জৰিয়তে তেওঁৰ চিন্তাধাৰাত আগ্ৰহ জন্মাবলৈ পুনৰ সাধাৰণ জীৱন-যাপনৰ মাজেদি সংগ্ৰাম কৰিবলগীয়া হয়। ১৮২৫ চনত তেওঁ কেৰোলিন মেছিন নামৰ এগৰাকী গ্ৰন্থ বিক্ৰেতাৰ লগত বিবাহ পাশত আবদ্ধ হয়। কিন্তু তেওঁলোকৰ বৈবাহিক জীৱন সুখকৰ নহ'ল। তেওঁৰ সমগ্ৰ জীৱন একাধিক বিসঙ্গতি আৰু সংঘৰ্ষৰে চিহ্নিত হৈ ৰ'ল।

১৮২৬ চনত তেওঁ ৰুগীয়া হৈ পৰে আৰু আত্মহননৰ চিন্তা মনলৈ আহে। কিন্তু ক্ৰমান্বয়ে তেওঁ উপলব্ধি কৰে যে তেওঁ তেওঁৰ জীৱনৰ কৰ্মৰাজি সম্পূৰ্ণ কৰিবলৈ জীয়াই থাকিব লাগিব, যাৰ ফলস্বৰূপে জন্ম হ'ল পূৰ্ণা ৰূপত প্ৰত্যক্ষবাদ দৰ্শনৰ।

ক'টে ১৮৩০-১৮৪২ চনৰ সময়ছোৱাত তেওঁৰ শ্ৰেষ্ঠ গ্ৰন্থ *Cours de Philosophic Positiv* ৰচনা কৰিছিল, যিখন গ্ৰন্থ ১৯৪২ চনতহে প্ৰকাশ পাইছিল। এই গ্ৰন্থখনতে ক'টে সমাজতত্ত্বক আটাইতকৈ শেহতীয়াকৈ বিকশিত হোৱা বিজ্ঞান বুলি অভিহিত কৰিছে। তেওঁ তেওঁৰ চাৰিটা খণ্ডত *System de Politique Positive* ১৮৫১ চনলৈ সম্পূৰ্ণ কৰে য'ত সমাজৰ পুনৰ গঠনৰ বাবে ব্যৱহাৰিক দিশত অধিক গুৰুত্ব প্ৰদান কৰি বহল আঁচনিৰ সিদ্ধান্ত লয়। অগাষ্ট ক'ট ১৮৫৭ চনৰ ৫ ছেপ্টেম্বৰত মৃত্যুবৰণ কৰে।

অগাষ্ট ক'টক বিশেষকৈ সমাজ বিজ্ঞানৰ স্ৰষ্টা বুলি জনা যায়। ক'টে বৰ্তমানৰ প্ৰচলিত বিষয়টোৰ নামাকৰণ 'সমাজতত্ত্ব' বুলি অভিহিত কৰাতকৈ 'সামাজিক পদাৰ্থ বিজ্ঞান' (Social

Physics) হিচাপে নামাকৰণ কৰাটোহে বিচাৰিছিল। কিন্তু পৰৱৰ্তী সময়ত তেওঁ এই নতুন বিজ্ঞানটোক সামাজিক পদাৰ্থবিজ্ঞান বোলাৰ সলনি 'সমাজ শাস্ত্ৰ' বুলি নতুনকৈ নামকৰণ কৰিছিল। 'প'জিটিভ ফিল'ছফী' গ্ৰন্থত ক'টই তেওঁৰ নতুন সৃষ্টি 'সমাজতত্ত্ব' (Sociology)ৰ বিষয়ে বহলাই ব্যাখ্যা কৰিছিল।



জানি থোৱা ভাল

ছেইণ্ট ছাইমন ঃ ছেইণ্ট ছাইমন (১৭৬০-১৮২৫) ফৰাচী সমাজবাদৰ প্ৰতিষ্ঠাপক। ফৰাচী বিপ্লৱৰ বিভীষিকা আৰু বিশৃঙ্খলতা প্ৰত্যক্ষ কৰি তেওঁ সমাজখনক পুনৰ নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত লয়। তেওঁ দাৰিদ্ৰতা মুক্ত এনে এখন ঔদ্যোগিক ৰাষ্ট্ৰৰ কামনা কৰিছিল, য'ত বিজ্ঞানে ধৰ্মৰ স্থানাধিকাৰ কৰিব।

৩.৪ ক'টৰ দৃষ্টিৰে সমাজতত্ত্ব (Comte's View on Sociology)

ক'টে ফৰাছী বিপ্লৱৰ কালছোৱাত জন্মগ্ৰহণ কৰিছিল আৰু তেওঁ পৌৰাণিক সমাজখনৰ পতনৰ চাক্ষুষ সাক্ষী আছিল। তদুপৰি তেওঁ প্ৰত্যক্ষ কৰিছিল নতুন যুগৰ এনে সামাজিক সচেতনতা আৰু উত্থান। সেয়ে তেওঁ সাক্ষী হৈ ৰৈছিল এক বিশৃঙ্খল সমাজৰ, য'ত সামাজিক শৃঙ্খলাৰ প্ৰতি ভাবুকি আহি পৰিছিল। সেয়েহে তেওঁ ফৰাছী বিপ্লৱৰ পৰিণতিৰ দ্বাৰা সৃষ্টি হোৱা বিশৃঙ্খল অৱস্থাৰ অৱসান ঘটাই সামাজিক শৃঙ্খলা আৰু সংহতি প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা চলাইছিল। এই ঘটনাসমূহে তেওঁক বৈজ্ঞানিক পদ্ধতিৰে সমাজ অধ্যয়ন কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল।

অগাষ্ট ক'টৰ সময়ত ফৰাছী সমাজখনত বিপৰীত মতাদৰ্শৰ দুটা দলৰ সৃষ্টি হৈছিল। তাৰে এটা দল ফৰাছী বিপ্লৱৰ বাবে সৃষ্টি হোৱা সামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ সমৰ্থক আছিল আৰু আনটো দল আছিল প্ৰাক্-বিপ্লৱত পূৰ্বৰ সামাজিক আৰু ধৰ্মীয় নীতি-নিয়মৰ দ্বাৰা প্ৰচলিত সমাজ ব্যৱস্থাৰ সমৰ্থক।অৱশ্যে ক'টে এটা দলৰো মতাদৰ্শক সমৰ্থন কৰা নাছিল, কাৰণ তেওঁ বিশ্বাস কৰিছিল যে এই ধৰণৰ মতামতে সমস্যাৰ সমাধান কৰিব নোৱাৰে। বৰঞ্চ তেওঁ সম্পূৰ্ণ বৈজ্ঞানিক ভিত্তিত সমাজক অধ্যয়ন কৰাৰ বাবে যুক্তিযুক্ততা আগবঢ়ায়। তেওঁৰ মতে এই পদ্ধতিৰ দ্বাৰাহে এখন সমাজৰ সমস্যাসমূহ নিৰাময় কৰিব পৰা যায়।

ক'টৰ দৃষ্টিভঙ্গী এক বৈজ্ঞানিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত, যাক পৰৱৰ্তীকালত সমাজতত্ত্ব হিচাপে আখ্যা দিয়া হৈছিল আৰু ইয়াৰ উপাদানসমূহ এৰিষ্টটল, ছেইণ্ট ছাইমন, হিউম আৰু কাণ্টৰ দৰ্শনৰপৰা সংগ্ৰহ কৰা হৈছিল।ক'টে এই পদ্ধতি প্ৰয়োগ কৰি মানৱ জাতিৰ জ্ঞানৰ প্ৰকৃতি, শ্ৰেণীকৰণ আৰু বিশ্লেষণৰ অনুসন্ধান কৰাৰ প্ৰয়াস কৰিছিল। তেওঁ মানৱ সমাজৰ প্ৰকৃতি আৰু ইয়াৰ ক্ৰমবিকাশৰ লগত অন্তনিৰ্হিত হৈ থকা সূত্ৰ আৰু বিধিৰ সন্ধেদ উৎঘাটনৰ প্ৰচেষ্টা কৰিছিল।

ক'টে সম্পূৰ্ণ বৌদ্ধিক জীৱনটোৱে সমাজতত্ত্বক এক ন্যায়সঙ্গত স্বতন্ত্ৰ বিষয় হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰতিনিধিত্ব কৰে। তেওঁ তেওঁৰ প্ৰচেষ্টা এই পৰ্য্যন্ত আগুৱাই নিছিল যে বিজ্ঞানৰ

সংস্তৰণ নির্মাণৰ দ্বাৰা সমাজতত্ত্বক বিজ্ঞানৰ 'বাণী' হিচাপে অভিহিত কৰিবলৈ সক্ষম হৈছিল। ক'টৰ এই স্তৰীকৰণে সমাজতত্ত্বক বিশেষ গুৰুত্ব সহকাৰে আৰু ন্যায়সঙ্গতভাৱে প্রতিষ্ঠা কৰাত সহায় কৰে। তেওঁ গণিতশাস্ত্রক এই সংস্তৰণৰ একেবাৰে নিম্নতম স্তৰত আৰু সমাজতত্ত্বক শীর্ষস্তৰত স্থান দিয়ে, য'ত এই দুয়ো স্তৰৰ মাজত বিজ্ঞানৰ আন সকলো বিভাগক ক্রমানুসৰি স্থান দিয়ে।

৩.৪.১ প্রত্যক্ষবাদ (Positivism)

ক'টে বিশ্বাস কৰিছিল যে সামাজিক শৃঙ্খলাৰ বাবে সামাজিক পৰিঘটনাসমূহ বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰা আৱশ্যক। তেওঁৰ মতে সমাজক অধ্যয়ন কৰিবলৈ বৈজ্ঞানিক পদ্ধতি প্রয়োগ কৰিব পৰা যায় আৰু কেৱল এনেধৰণৰ অধ্যয়নৰ দ্বাৰাহে সামাজিক বিশৃঙ্খলতাৰ কাৰণ অনুসন্ধান কৰি সামাজিক শৃঙ্খলা আৰু উন্নতিৰ ভেটি গঢ় দিব পাৰি।

ক'টৰ মতে সামাজিক নীতিৰ (Social Laws) উদ্‌ঘাটন আৰু সামাজিক পৰিঘটনাসমূহৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ হ'লে প্রত্যক্ষবাদী দর্শন বা প্রত্যক্ষবাদ গ্রহণ কৰিব লাগিব। কিন্তু এই প্রত্যক্ষবাদ কি? প্রত্যক্ষবাদ হ'ল এক দর্শন, য'ত সামাজিক পৰিঘটনাসমূহ (যেনে— ভৌতিক ঘটনা) প্রত্যক্ষীকৰণ পদ্ধতিৰে নিৰীক্ষণ কৰি বস্তুনিষ্ঠ (Objectively) তথ্যৰ ভিত্তিত অধ্যয়ন কৰিব পৰা যায়। প্রত্যক্ষবাদৰ নীতিৰ মতে জ্ঞান কেৱল অনুভূতিৰ অভিজ্ঞতাৰ দ্বাৰাহে আহৰণ কৰিব পাৰি। ক'টৰ মতে, প্রত্যক্ষবাদৰ অর্থ হৈছে পদ্ধতিৰ ওপৰত প্রতিষ্ঠিত আৰু এই দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰা যিকোনো পৰিঘটনা আৰু জ্ঞানেই হৈছে প্রত্যক্ষবাদ। ইয়াত জ্ঞান মানে বিজ্ঞানভিত্তিক জ্ঞানৰ বিষয়ে কোৱা হৈছে— যি ঘটনা নিৰীক্ষণৰ যোগ্য বা মানৱজাতি আৰু জ্ঞানৰ মাজৰ পা�ৱস্পৰিক সম্বন্ধৰ ওপৰত প্রতিষ্ঠিত।

এই দর্শনৰ মতে সামাজিকভাৱে পৃথিৱীখনক বোধগম্য হ'বলৈ পৰীক্ষা-নিৰীক্ষাৰ (Empirical) দ্বাৰা আহৰণ কৰা জ্ঞান প্রয়োগ কৰা আৱশ্যক, কিয়নো ইয়াৰ দ্বাৰা এখন সুস্থ সমাজ গঢ় দিব পৰা যায়। বিজ্ঞানসম্মত জ্ঞান হৈছে কোনো প্রমাণিত ঘটনা, যুক্তি বা বৈধতাৰ (Validity)ৰ ভিত্তিত আহৰণ কৰা জ্ঞান যি প্রত্যক্ষবাদৰ বাদে আন একো নহয়। সেয়ে ক'টক সমাজখনক বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰা এজন অধিবক্তা বুলি আখ্যা দিয়া হয়। এই পদ্ধতিকে সমাজ বিজ্ঞানত 'প্রত্যক্ষবাদ' হিচাপে নামাকৰণ কৰা হৈছে।



জানি থোৱা ভাল

অগাষ্ট ক'টে তেওঁৰ প্রত্যক্ষবাদ দর্শনতসমাজৰ বাবে এক সুকীয়া বিজ্ঞান উদ্ভৱ কৰাৰ বিষয়ে উল্লেখ কৰে, যি 'জ্ঞান অন্বেষণ' 'পূর্বএকথন' আৰু 'নিয়ন্ত্রণৰ' ভিত্তিত প্রতিষ্ঠিত।

৩.৪.২ ত্রিস্তৰীয় বিধান (The Law of Three Stages)

ক'টে বিশ্বাস কৰে যে মানৱজাতি ও সমাজৰ প্ৰগতি মানৱজাতিৰ মানসিক বিৱৰ্তনৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰিব পৰা যায়। তেওঁৰ মতে সকলো সমাজতে মানুহৰ মানসিক ক্ৰমবিকাশ বিভিন্ন স্তৰেৰে অতিক্ৰম কৰা দেখা যায়। ক'টৰ বিকাশৰ স্তৰবোৰ বিৱৰ্তনবাদী প্ৰকৃতিৰ। অৰ্থাৎ, পূৰ্বৱৰ্তী স্তৰটোৰ পৰা আনটো স্তৰৰ বিকাশ ঘটে। প্ৰতিটো বিকাশ স্তৰৰে সমাজ সঙ্গত একো একোটা অনন্য স্বকীয়তা থাকে। এই স্তৰসমূহ—

- দৈৱিক স্তৰ বা কল্পনাপ্ৰসূত স্তৰ (Theological or Fictitious Stage)
- আধিভৌতিক স্তৰ বা অমূৰ্ত স্তৰ (Metaphysical or Abstract Stage)
- প্ৰত্যক্ষবাদ বা বৈজ্ঞানিক স্তৰ (Positive or Scientific Stage)

- **দৈৱিক স্তৰ (Theological Stage) ঃ** ক'টে বিশ্বৰ ১৩০০ শতিকাৰ পূৰ্বৰ সমাজখনক দৈৱিক স্তৰ বুলি অভিহিত কৰিছে। এই স্তৰত মানুহে ঐশ্বৰিক শক্তি আৰু ধৰ্মীয় প্ৰতিকৃতিৰ ওপৰত অধিক বিশ্বাস কৰিছিল। এই স্তৰত যুক্তি বা প্ৰণালীৱদ্ধ চিন্তাধাৰাৰ অভাৱ সমাজত দেখা গৈছিল। এই সময়ছোৱা সামৰিক আৰু পুৰোহিত শ্ৰেণীৰ দ্বাৰা নিয়ন্ত্ৰিত এক অধ্যায় বুলি ক'ব পাৰি। ক'টৰ মতে এই দৈৱিক স্তৰ তিনিটা পৰ্য্যায়ৰ মাজেৰে অতিবাহিত হয়, যেনে— জড়বাদ (Fetishism or Animism), বহুদৈৱবাদ (Polytheism) আৰু একদৈৱবাদ (Monotheism)।
  - **জড়বাদ (Fetishism or Animism) ঃ** মানৱ সমাজৰ প্ৰাৰম্ভিক স্তৰটোত মানুহে বিশ্বাস কৰিছিল যে সকলো বস্তুতে এক জীৱন্ত আত্মা নিহিত হৈ আছে। এই পৰ্য্যায়ত মানুহে সকলো জৈৱিক-অজৈৱিক বস্তুৰ ভিতৰতে এক জৈৱিক শক্তি অন্তৰ্নিহিত হৈ আছে বুলি বিবেচনা কৰিছিল। ক'ট এই স্তৰক জড়বাদ আখ্যা দিছে।
  - **বহুদৈৱবাদ (Polytheism) ঃ** ক্ৰমান্বয়ে মানুহৰ চিন্তাধাৰাৰ উন্নতি হোৱাৰ লগে লগে এই প্ৰক্ৰিয়াত পৰিৱৰ্তনৰ সূচনা হয়। এই মানসিক উত্তৰণৰ স্বৰূপটোকে বহুদৈৱবাদ হিচাপে অভিহিত কৰা হৈছে। এই স্তৰত মানুহে দেৱ-দেৱীসমূহৰ লগতে প্ৰকৃতি আৰু মানৱ শক্তিসমূহকো শ্ৰেণীকৰণ কৰিছিল আৰু প্ৰত্যেক প্ৰাকৃতিক বা মানৱ শক্তিৰ এক নিজস্ব অধিষ্ঠিত দেৱতা আছিল।
  - **একদৈৱবাদ (Monotheism) ঃ** দৈৱবাদে প্ৰজ্ঞাৰ এক উচ্চ স্তৰ কিন্তু কল্পনাৰ এটা তুলনামূলকভাৱে নিম্ন স্তৰৰ প্ৰতিনিধিত্ব কৰে। ই পূৰ্বৱৰ্তী স্তৰবোৰৰ সমালোচনামূলক মূল্যায়নৰ পথ সূচল কৰি তুলিছিল। একদৈৱবাদ হৈছে দৈৱবাদৰ চূড়ান্ত পৰ্য্যায়ৰ উন্নীত স্তৰ। একদৈৱবাদত স্তৰত এক ঈশ্বৰক সৰ্বশক্তিমান হিচাপে বিশ্বাস কৰিছিল আৰু তেওঁকেই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা বুলি গণ্য কৰিছিল।

- **অধিভৌতিক স্তৰ (Metaphysical Stage) ঃ** ১৩শ শতিকাৰ পৰা ১৮শ শতিকাৰ কালছোৱাৰ সমাজক বিকাশৰ দ্বিতীয় স্তৰ বুলি অভিহিত কৰিছিল। এই স্তৰ প্ৰথম স্তৰৰ এক পৰিৱৰ্তিত ৰূপ। এই সময়ছোৱাত অলৌকিক বা অতি প্ৰাকৃতিক শক্তিৰ পৰিৱৰ্তে বৌদ্ধিক শক্তিয়ে সমাজত স্থান পাইছিল। এই স্তৰত মানৰ চিন্তাধাৰা যুক্তিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। অগাষ্ট ক'টৰ মতে, এই সংকটজনক পৰ্য্যায়টো (Critical) হৈছে দৈৱবাদৰ পৰা প্ৰত্যক্ষবাদ স্তৰলৈ উন্নীত হোৱাৰ এক পৰিৱৰ্তনমুখী সন্ধিক্ষণ মাথোন। এই সময়ছোৱাত পুৰোহিত শ্ৰেণীৰ দ্বাৰা নিয়ন্ত্ৰিত সমাজখন যুক্তিবাদীসকলৰ (Lawyers) প্ৰত্যাহ্বানৰ সন্মুখীন হয় আৰু ৰাষ্ট্ৰক প্ৰধান সামাজিক গোট হিচাপে পৰিগণিত কৰে। এই স্তৰত নিঃসন্দেহে সমাজখন সাধাৰণতে বৈপ্লৱিক জোৱাৰেৰে প্ৰগতিৰ দিশত আগুৱাই যায় যদিও সমাজত শৃঙ্খলাৱস্থাৰ পৰিৱৰ্তে বহু সময়ত একনায়কত্ববাদহে বিৰাজ কৰা দেখা গৈছিল।
- **প্ৰত্যক্ষবাদ বা বৈজ্ঞানিক স্তৰ (Positive Stage) ঃ** মানৰ বিকাশৰ তৃতীয় স্তৰটো হৈছে প্ৰত্যক্ষবাদ বা বৈজ্ঞানিক স্তৰ। সামাজিক বিকাশৰ এই চূড়ান্ত পৰ্য্যায়ত, বিশ্ব ব্ৰহ্মাণ্ডৰ উৎস আৰু লক্ষ্যস্থল (Destination) উদ্‌ঘাটনৰ প্ৰয়াসেৰে মানুহৰ চিন্তাধাৰা শীৰ্ষবিন্দুত উপনীত হৈছিল। এই প্ৰক্ৰিয়াই বিভিন্ন সামাজিক পৰিঘটনাসমূহৰ প্ৰকৃত কাৰণসমূহ উদ্‌ঘাটনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ দ্বাৰা প্ৰতিষ্ঠিত হয় যে যুক্তি আৰু নিৰীক্ষণ বা পৰ্য্যবেক্ষণেই হৈছে প্ৰকৃত জ্ঞান আহৰণৰ মূল আহিলা। ইয়াত বিশ্বাস বা অনুমানৰ কোনো স্থান নাই।

এই তিনিওটা স্তৰৰ মাজত আন্তঃসম্পৰ্ক আছে। প্ৰত্যেক স্তৰেই হৈছে ব্যক্তিৰ চিন্তনৰ লগতে সামাজিক আৰু বৈজ্ঞানিক চিন্তা-চৰ্চাৰ ক্ৰমবিকাশৰ এক প্ৰতিফলন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নিম্নোক্ত বাক্যসমূহ সত্য নে অসত্য লিখক—

ক) Ecole Polytechnique হৈছে ফৰাছী বিপ্লৱৰ পৰৱৰ্তী চৰকাৰে ফ্ৰান্সত প্ৰতিষ্ঠা কৰা এখন বিদ্যালয়। (সত্য অসত্য)

খ) ক'টৰ শ্ৰেষ্ঠতম সৃষ্টি হৈছে 'ক'ৰ্চ ডি ফিলচফি পজিটিভ'। (সত্য/অসত্য)

গ) ক'টে এজন বৈপ্লৱিক দাৰ্শনিক আছিল যিয়ে সমাজত যুদ্ধ আৰু সন্ত্ৰাসৰ দ্বাৰা সামাজিক পৰিৱৰ্তন আনিব বিচাৰিছিল। (সত্য/অসত্য)

ঘ) প্ৰত্যক্ষবাদৰ মূল আধাৰ হ'ল পৰীক্ষণ (Empirism)। (সত্য/অসত্য)

৩.৫ সামাজিক শৃঙ্খলা আৰু বিকাশ (Order and Progress)

অগাষ্ট ক'টে সমাজতত্ত্বক দুটা ভাগত বিভাজন কৰাৰ বিষয়ে উল্লেখ কৰিছে। সেয়া হৈছে—

- সামাজিক স্থিতিশীলতা (Social Statics)
- সামাজিক গতিশীলতা (Social Dynamics)

এই দুয়োটা ধাৰণাই সমাজতত্ত্বৰ বিষয়বস্তুৰ মূল বিভাজনক প্রতিনিধিত্ব কৰে। **সামাজিক স্থিতিশীলতাই** সমাজৰ প্রধান সংস্থাসমূহৰ বিষয়ে অধ্যয়ন কৰে, যেনে— পৰিয়াল, অর্থনীতি আৰু ৰাজনীতি (সমাজতত্ত্বক এই সংস্থাসমূহৰ মাজৰ আন্তঃসম্বন্ধৰ সম্পর্কে অধ্যয়ন কৰা এক বিষয় হিচাপে গণ্য কৰা হয়)।সামাজিক স্থায়িত্বই এখন সমাজৰ বিভিন্ন অঙ্গসমূহ কিদৰে পাৰস্পৰিক সম্বন্ধৰে বান্ধ খাই থাকে তাৰে পৰীক্ষা-নিৰীক্ষা কৰে। ই মূলতঃ সমাজ ব্যৱস্থাৰ বিভিন্ন অংশসমূহৰ ক্রিয়া-প্রতিক্রিয়াৰ নীতিবোৰৰ অনুসন্ধান কৰে আৰু ইয়াৰ দ্বাৰা কি দৰে সমাজত শৃঙ্খলা আৰু স্থবিৰতা ৰক্ষা কৰিব পৰা যায় তাৰে অনুসন্ধান কৰে। ইয়াত এক ব্যক্তিৰ পৰিৱর্তে সামাজিক সংৰচনাৰ আন্তঃসম্পর্কক সমাজতাত্ত্বিক অধ্যয়নৰ একক হিচাপে গণ্য কৰে।

সামাজিক গতিশীলতা অথবা সামাজিক পৰিৱর্তনে সমগ্র মানৰ সমাজক বিশ্লেষণৰ একক হিচাপে গণ্য কৰি কিদৰে বিভিন্ন সময়ত বিভিন্ন পৰিৱর্তনৰ স্তৰ অতিবাহিত কৰি ক্রমবিকাশ ঘটিল তাৰ ওপৰত আলোকপাত কৰে যদিও এই দুয়োবিধে মানৰ জীৱনৰ বিধি বা নীতিসমূহৰ অধ্যয়ন কৰে। ক'টে উপলব্ধি কৰে যে সামাজিক স্থায়িত্বতকৈ সামাজিক গতিশীলতা অধিক তাৎপর্য্যপূর্ণ। সামাজিক গতিশীলতাৰ প্রতিফলন স্বৰূপে সমাজত যি পৰিৱর্তন ঘটিছিল সেই পৰিৱর্তনে ক'টক সামাজিক সংশোধনত যথেষ্ট অনুপ্রাণিত কৰিছিল। বিশেষকৈ ফৰাছী বিপ্লৱ আৰু জ্ঞানোদয় (Enlightenment) যুগৰ পৰিণতি স্বৰূপে সৃষ্টি হোৱা সামাজিক ব্যাধিসমূহৰ সংস্কাৰৰ ক্ষেত্রত তেওঁক সামাজিক গতিশীলতাই অৰিহণা যোগাইছিল।

৩.৬ সমাজ অধ্যয়নৰ পদ্ধতিসমূহ (Methods)

অগাষ্ট ক'টে জ্ঞান আহৰণৰ বাবে প্রাকৃতিক বিজ্ঞানৰ লগত সাদৃশ্য থকা অনুৰূপ পদ্ধতি তেওঁৰ নতুন বিজ্ঞানত (সমাজতত্ত্ব) সংযোজন কৰে। এই পদ্ধতিসমূহ হ'ল নিৰীক্ষণ, পৰীক্ষণ, তুলনাত্মক আৰু ঐতিহাসিক বিশ্লেষণ।

তলত ইয়াৰ বিশদ আলোচনা আগবঢ়োৱা হ'ল—

- **নিৰীক্ষণ (Observation) ঃ** সমাজতত্ত্ববিদসকলে সামাজিক পৰিঘটনাসমূহ অধ্যয়ন কৰে। এই পৰিঘটনাসমূহ নিৰীক্ষণ পদ্ধতিৰ দ্বাৰা অধ্যয়ন কৰা হয়। যিকোনো পৰিঘটনা পৰীক্ষামূলক নিৰীক্ষণৰ অবিহনে নিৰর্থক হ'ব যদিহে ইয়াৰ অন্ততঃ গৱেষণাৰ প্রমেয় (Hypothetic) হিচাপে কোনো নীতিৰ লগত সম্বন্ধ নাথাকে। ক'টে তেওঁৰ এক উক্তিত কৈছে, 'যদি এক সামাজিক ঘটনাৰ আন কিছুমান সামাজিক ঘটনাৰ লগত কোনো সম্বন্ধ নাথাকে তেনেহ'লে বৈজ্ঞানিক দিশৰ পৰা ই ভিত্তিহীন বা অর্থহীন।' সামাজিক

ঘটনাক যুক্তি যুক্ততাৰেপ্ৰতিষ্ঠা কৰিবৰ বাবে সিদ্ধান্ত বা সূত্ৰ (Theory)ৰ দ্বাৰা ঘটনাবোৰৰ সম্বন্ধ স্থাপন কৰা উচিত আৰু ই কেৱল নিৰীক্ষিত ঘটনাসমূহৰ দ্বাৰাহে সম্ভৱ হয়।

- **পৰীক্ষামূলক পদ্ধতি (Experimentation) ঃ** ক'টে সন্মত প্ৰকাশ কৰে যে প্ৰাকৃতিক বিজ্ঞানৰ দৰে সমাজতত্ত্বত পৰীক্ষামূলক পদ্ধতি প্ৰয়োগ কৰা কঠিন, কিন্তু ই অসম্ভৱ নহয়। তেওঁ দুই প্ৰকাৰৰ পৰীক্ষাৰ উল্লেখ কৰে— প্ৰত্যক্ষ আৰু পৰোক্ষ। ক'টে উপলব্ধি কৰে যে জীৱ বিজ্ঞানৰ দৰে সমাজতত্ত্বতো প্ৰত্যক্ষ পৰীক্ষা পদ্ধতি প্ৰয়োগ কৰা অসুবিধা, কাৰণ ই সমাজৰ জটিল আৰু পৰিৱৰ্তনীয় জীৱৰ আচৰণ প্ৰদৰ্শন কৰে। কিন্তু পৰোক্ষভাৱে পৰীক্ষা পদ্ধতি জীৱবিজ্ঞান আৰু সমাজতত্ত্ব দুয়োটাতে সম্ভৱ।
- **তুলনাত্মক অধ্যয়ন (Comparison) ঃ** সমাজতত্ত্বত ব্যৱহৃত আন এক পদ্ধতি হ'ল তুলনাত্মক পদ্ধতি। সমাজতত্ত্বত তিনি প্ৰকাৰৰ তুলনা পদ্ধতি প্ৰয়োগ কৰা হয়। মানৱ সমাজৰ তুলনা, জীৱ-জন্তুৰ সমাজৰ তুলনা আৰু মানৱ সমাজৰ ক্ৰমবিকাশৰ সময়ত বিভিন্ন পৰ্য্যায়ত সৃষ্টি হোৱা সমাজসমূহৰ মাজত তুলনা। এই তুলনাত্মক বিশ্লেষণ বৰ্তমান সমাজৰ সামগ্ৰিক পৰিস্থিতি অধ্যয়নৰ বাবে অতি গুৰুত্বপূৰ্ণ।
- **ঐতিহাসিক বিশ্লেষণ (Historical Analysis) ঃ** সমাজতাত্ত্বিক বিশ্লেষণৰ বাবে ঐতিহাসিক পদ্ধতিৰ প্ৰয়োজন; কাৰণ কোনো ঘটনাই আমাৰ বৰ্তমানৰ অৱস্থাৰ বিষয়ে ব্যাখ্যা কৰিব নোৱাৰিলোহেঁতেন যদিহে ইতিহাস অধ্যয়নৰ দ্বাৰা ইয়াক প্ৰতিষ্ঠা কৰা নহ'লহেঁতেন।

ক'টে দৰ্শনৰ বিস্তৃত অধ্যয়ন আৰু পূৰ্বৰ সামাজিক সূত্ৰৰ দ্বাৰা নিজস্ব সিদ্ধান্তত উপনীত হয়। তেওঁ বিশ্বাস কৰিছিল যে তেওঁৰ এই নিৰৱচ্ছিন্ন অধ্যয়ন আৰু সমাজ অধ্যয়নৰ বিভিন্ন পদ্ধতিসমূহে নিঃসন্দেহে সমাজতত্ত্ব প্ৰতিষ্ঠা কৰাৰ বাট প্ৰশস্ত কৰে।



চিন্তা-চৰ্চা কৰক ৩.১

সমাজশাস্ত্ৰই সামাজিক পৰিঘটনাসমূহ অধ্যয়ন কৰিবলৈ কিছুমান পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। প্ৰাকৃতিক বিজ্ঞানৰ লগত সাদৃশ্য থকা এই পদ্ধতিসমূহ কি কি ?

.....

.....

.....

৩.৭ শ্ৰেণী, লিঙ্গ আৰু প্ৰজাতি (Class, Gender and Race)

ক'টে শ্ৰেণীৰ বিষয়ে বিশেষ মতামত আগবঢ়োৱা নাই। জাতিৰ ক্ষেত্ৰত তেওঁৰ বিশ্বাস কৰে যে বিশেষভাৱে ফৰাছীসকল আৰু সাধাৰণভাৱে ইউৰোপীয়সকল উৎকৃষ্ট জাতি, যদিও আন সকলো বিকাশৰ সমপৰ্য্যায়ৰ স্তৰতে আগুৱাই গৈছে।

অৱশ্যে ক'টে লিঙ্গভিত্তিক বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। তেওঁৰ মতে, পৰিয়ালসমূহত নাৰীসকলক কৰা স্বাভাৱিক অৱদমন সকলো প্ৰকাৰৰ বিবাহৰ ক্ষেত্ৰত, সকলো সময়তে পুনৰ প্ৰতীয়মান হয়। অৱশ্যে তেওঁ পৰিয়ালকে সমাজৰ মূল সামাজিক গোট হিচাপে বিবেচিত কৰে। নাৰীৰ স্বাভাৱিক অৱদমনৰ মূল নীতি প্ৰদৰ্শিত হোৱা স্থান হৈছে এই পৰিয়ালেই। সমাজতত্ত্বই প্ৰমাণ কৰে যে সামাজিক জীৱৰ ক্ষেত্ৰত লিঙ্গৰ সমতা বিসঙ্গতিপূৰ্ণ। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় প্ৰতিটো সমাজৰ ক্ৰমবিকাশৰ পৰ্য্যায়তে মহিলাৰ জীৱন অপৰিহাৰ্যভাৱে গৃহকৰ্মৰ লগত জড়িত আৰু পুৰুষসকল ৰাজহুৱা জীৱন-যাপনৰ পৰিসীমাত আৱদ্ধ। যি নহওক তেওঁ বিশ্বাস কৰে যে মহিলাসকল সহানুভূতি আৰু সামাজিকতা বৃদ্ধি কৰাত পুৰুষতকৈ উৎকৃষ্ট, কিন্তু তেওঁলোক বোধগম্যতা আৰু যুক্তি প্ৰদৰ্শনৰ ক্ষেত্ৰত পুৰুষতকৈ নিকৃষ্ট। যদিও ক'টৰ সময়ত কিছু মহিলাই নাগৰিকত্ব আৰু ভোটাধিকাৰ বিচাৰিছিল, ক'টে কিন্তু মহিলাসকলক ৰাজনৈতিক শক্তিৰ অধিকাৰৰ বাবে একেবাৰেই অনুপযুক্ত বুলি বিবেচিত কৰিছিল।

মুঠৰ ওপৰত তেওঁ ক'ব বিচাৰে যে মহিলাসকল মানসিক শ্ৰমৰ বাবে অনুপযুক্ত, কাৰণ তেওঁলোকৰ যুক্তিবাদী ক্ষমতাৰ অভাৱ। তদুপৰি তেওঁলোক সততেই নৈতিক আৰু দৈহিক সচেতনতাৰ বশৱৰ্তী, কিন্তু বৈজ্ঞানিক চিন্তা-ভাৱনাৰ বাবে সম্পূৰ্ণ অনুপযোগী। স্পষ্টভাৱে, ক'টৰ মতে মহিলা সমাজতত্ত্ববিদ হোৱাৰ আশা কৰিব নোৱাৰি।

ক'টে Clotildeৰ লগত সাক্ষাৎ হোৱাৰ পাছত মতপ্ৰকাশ কৰে যে যি নাৰীক এসময়ত প্ৰেমৰ ভঁড়াল হিচাপে মাথোঁ গণ্য কৰা হৈছিল তেওঁলোকেই পৰৱৰ্তী কালত বিশ্বপ্ৰেমৰ নীতি আৰু সামাজিক অনুভূতিৰ দ্বাৰা মানৱ সমাজলৈ পৰিৱৰ্তনৰ আশাৰ ৰেঙনি বিয়পাব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ তলৰ গোট (ক)ৰ লগত গোট (খ)ৰ অংশ মিলাওক—

গোট (ক)		গোট (খ)
i)	দৈৱবাদ স্তৰ	ক) সামাজিকতা
ii)	সামাজিক গতিশীলতা	খ) উত্তৰাধিকাৰীৰ নীতি
iii)	তুলনা	গ) অতি প্ৰাকৃতিক শক্তি
iv)	মহিলাৰ শ্ৰেষ্ঠত্ব	ঘ) সমাজতত্ত্বৰ পদ্ধতি

৩.৮ সামৰণি (Conclusion)

বিভিন্ন সময়ত অগাষ্ট ক'টৰ বিভিন্ন ভূমিকাই সমাজতত্ত্বৰ ক্ৰমবিকাশত এক গুৰুত্বপূৰ্ণ তাৎপৰ্য্য বহন কৰিছে। তেওঁৰ অন্যান্য বহুতো লিখনি উল্লেখ কৰা প্ৰয়োজন, কাৰণ এই সকলোবোৰেই সমাজতাত্ত্বিক সিদ্ধান্ত বা সূত্ৰ উপস্থাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লয়।

বহুতো লেখকে ক'টৰ মতবাদক তীব্র সমালোচনা কৰে, লগতে বহুতে ক'টৰ বুজন পৰিমাণৰ সিদ্ধান্ত অৱজ্ঞা কৰিবলৈ পৰামর্শ দিয়ে। ক'টে ধর্মৰ প্রতি ধ্যান দিয়াৰ পাছৰ পৰাই তেওঁ তেওঁৰ সমসাময়িক পণ্ডিতসকলৰো সমালোচনাৰ সন্মুখীন হ'বলগীয়া হয়। কিন্তু ক'টক কেতিয়াও পাহৰি যোৱা উচিত নহয় কাৰণ 'সমাজতত্ত্ব' শব্দটো তেওঁৰেই উদ্‌ঘাটন কৰিছিল। সমাজতত্ত্বৰ সৈদ্ধান্তিক আঁচনিসমূহৰ পৰিকল্পনা এইজন ব্যক্তিয়েই কৰিছিল, য'ত অন্তর্ভুক্ত হৈ আছিল এক প্রকৃত পৰিঘটনা স্বৰূপে সমাজৰ অৱধাৰণা, সামাজিক স্থায়িত্ব আৰু সামাজিক গতিশীলতা হিচাপে সমাজৰ দুটা বিভাজন, সামাজিক সংৰচনাৰ আন্তঃসম্বন্ধৰ চিনাক্তকৰণ আৰু সামাজিক ঘটনাসমূহৰ নিৰীক্ষণৰ ভিত্তিত সামাজিক সিদ্ধান্তত গুৰুত্ব প্রদান।

ক'টৰ সমাজতাত্ত্বিক অনুসন্ধানৰ আঁচনিসমূহ আন বহুতো সমাজতত্ত্ববিদৰ বাবে প্রয়োজনীয় আধাৰ আছিল যদিও ই সমালোচনাৰ সন্মুখীন হয়। বিশেষকৈ, বহু সমাজতত্ত্ববিদে ক'টৰ পৰীক্ষামূলক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ সমালোচনা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলত উল্লেখ কৰা বাক্যসমূহ সত্য নে অসত্য লিখক—

ক) ১৯৪২ চনত ক'টৰ শ্রেষ্ঠতম গ্রন্থ 'ফিল'চফি পজিটিভ' প্রকাশ পাইছিল।

খ) অগাষ্ট ক'টে শ্রেণী সম্পর্কীয় বিভিন্ন মত আগবঢ়াইছিল।

গ) বৈজ্ঞানিক পদ্ধতি প্রয়োগ কৰাৰ উদ্দেশ্য আছিল পদার্থবিজ্ঞানত এক নতুন বিজ্ঞান সংযোজন কৰা।

ঘ) অগাষ্ট ক'ট বৈপ্লৱিক চিন্তাবিদ আছিল।



৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অগাষ্ট ক'টে ১৭৯৮ চনত দক্ষিণ ফ্রান্সৰ মণ্টপেলিয়াৰ চহৰত জন্ম গ্রহণ কৰিছিল।
- অগাষ্ট ক'টে বিদ্যালয়ত পঢ়া অৱস্থাত এজন মেধাৱী ছাত্র আছিল, কিন্তু ফৰাছী বিপ্লৱৰ পৰৱর্তীকালৰ উত্থানৰ পৰিণতি স্বৰূপে তেওঁ কলেজীয়া ডিগ্রী গ্রহণ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া হয়।
- ক'টে ছেইণ্ট ছাইমনৰ সহযোগী হিচাপে কাম কৰিছিল আৰু তেওঁৰ ওচৰত বহু পৰিমাণে ঋণী আছিল।
- ১৮৩০-১৮৪২ চনত ক'টে তেওঁৰ শ্রেষ্ঠতম গ্রন্থ 'Course de Philosophic Positive' ৰচনা কৰিছিল।

- অগাষ্ট ক'টক 'সমাজতত্ত্ব' শব্দটোৰ উদ্ভাৱক বুলি জনা যায়।
- ক'টে সমাজৰ অধ্যয়নৰ বাবে বৈজ্ঞানিক পদ্ধতি অৱলম্বনৰ যুক্তি প্ৰদৰ্শন কৰে। তেওঁৰ মতে প্ৰাকৃতিক বিজ্ঞানৰ দৰে মানুহৰ সমাজখনো বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰিব পাৰি।
- তেওঁ এই নতুন বিজ্ঞানক যিয়ে সমাজ অধ্যয়ন কৰে, 'সমাজ পদাৰ্থবিজ্ঞান'ৰে নামাকৰণ কৰে আৰু পাছলৈ শব্দটোক 'সমাজতত্ত্ব'লৈ পৰিৱৰ্তন কৰে।
- ক'টৰ প্ৰত্যক্ষবাদৰ মতে কেৱল বৈজ্ঞানিক পদ্ধতিৰ দ্বাৰাহে প্ৰকৃত জ্ঞান আহৰণ কৰিব পাৰি। প্ৰত্যক্ষবাদৰ মূল বিশেষকৈ পৰীক্ষামূলক বিশ্লেষণত নিহিত হৈ আছে।
- মানৱ সমাজৰ ক্ৰমবিকাশৰ ত্ৰি-স্তৰীয় বিধি অনুযায়ী মানুহৰ বৌদ্ধিক আৰু সামাজিক ক্ৰমবিকাশৰ ইতিহাসে তিনিটা বিভিন্ন বৌদ্ধিক স্তৰেৰে অতিবাহিত হৈছে। এই স্তৰ তিনিটা হ'ল দৈৱিক স্তৰ, অধিভৌতিক স্তৰ আৰু প্ৰত্যক্ষবাদ।
- সমাজতত্ত্বত সামাজিক শৃঙ্খলা আৰু বিকাশ অবিচ্ছিন্ন। ক'টে সামাজিক শৃঙ্খলা আৰু বিকাশক সামাজিক স্থিতিশীলতা আৰু সামাজিক গতিশীলতা হিচাপে ব্যাখ্যা কৰিছে। সামাজিক স্থিতিশীলতাই সমাজৰ স্থায়ী ৰূপটো অধ্যয়ন কৰে। আনহাতে সামাজিক গতিশীলতাই সমাজত সামাজিক সংৰচনাৰ সময়ে সময়ে হৈ থকা পৰিৱৰ্তনৰ দিশটো অধ্যয়ন কৰে।
- ক'টে সমাজতাত্ত্বিক পৰিঘটনাসমূহৰ পদ্ধতিগত অনুসন্ধানৰ বিধিবদ্ধকৰণ কৰে। এই পদ্ধতিসমূহ কৃতকাৰ্য্যতাৰেপ্ৰাকৃতিক বিজ্ঞানত প্ৰয়োগ কৰাৰ দৰে সমাজ শাস্ত্ৰতো ব্যৱহাৰ কৰা হয়। এই পদ্ধতিবোৰৰ অন্তৰ্গত হৈ আছে নিৰীক্ষণ, পৰীক্ষণ, তুলনামূলক আৰু ঐতিহাসিক বিশ্লেষণ।
- ক'টে ফৰাছী আৰু ইউৰোপীয়সকলক শ্ৰেষ্ঠ প্ৰজাতি (race) হিচাপে অভিহিত কৰে।
- ক'টে লিঙ্গভিত্তিক বিষয়টোৰো চিন্তা-চৰ্চা কৰে আৰু তেওঁ বিশ্বাস কৰে যে মহিলাসকল সহানুভূতি আৰু সামাজিকতাৰ ক্ষেত্ৰত পুৰুষতকৈ শ্ৰেষ্ঠ; কিন্তু বোধ জ্ঞান আৰু যুক্তিৰ ক্ষেত্ৰত পুৰুষতকৈ হীন।



৩.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Adams, Bert N. and Sydie, R. A. (2002); *Sociological Theory*; New Delhi: Vistaar Publication.
2) Coser, Lewis A. (2010); *Masters of Sociological Thought*; New Delhi: Rawat Publication.
3) Hussain, Maqitul (1996); *A Prologue to Five Sociologists*; Assam: T.L.B Publishers.

4) Ritzar, George and Douglas, J. Godman (2003); *Sociological Theory*; McGraw Hill.



৩.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) সত্য, খ) সত্য, গ) অসত্য, ঘ) সত্য

২নং প্রশ্নৰ উত্তৰ ঃ i) গ), ii) খ), iii) ঘ), iv) ক

৩নং প্রশ্নৰ উত্তৰ ঃ ক) সত্য, খ) অসত্য, গ) অসত্য, ঘ) অসত্য



৩.১২ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ প্রত্যক্ষবাদৰ মূল বৈশিষ্টসমূহ কি কি?

প্রশ্ন ২ ঃ সামাজিক স্থিতিশীলতা আৰু সামাজিক গতিশীলতাৰ মাজত প্রভেদ কি?

প্রশ্ন ৩ ঃ আধিভৌতিক স্তৰটোৱে কি সূচায়?

প্রশ্ন ৪ ঃ অগাষ্ট ক'টৰ জীৱন শৈলীৰ এক চমু পৰিচয় দিয়ক।

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ মানৱ সমাজৰ ক্রমবিকাশৰ তিনিটা স্তৰ কি কি? তিনিওটা স্তৰত বিশ্বব্রহ্মাণ্ডক বিভিন্ন দিশত প্রত্যক্ষ কৰা ভাৱধাৰাসমূহৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

প্রশ্ন ২ ঃ ক'টৰ লিঙ্গভিত্তিক দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰক। ৰাজনৈতিক ক্ষেত্রত মহিলাৰ অংশগ্রহণক তেওঁ সমর্থন কৰিছিল নে? যদি সমর্থন কৰা নাই ইয়াৰ কাৰণ কি?

প্রশ্ন ৩ ঃ সমাজতত্ত্বক সমাজৰ এক বৈজ্ঞানিক অধ্যয়নৰ বিষয় হিচাপে ক'টৰ মতামত সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ হার্বার্ট স্পেনচাৰ (HERBERT SPENCER)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ হার্বার্ট স্পেনচাৰ
৪.৩.১ বৌদ্ধিক দিশৰ তুলনা
৪.৪ বিৱর্তনবাদ
৪.৪.১ সমাজৰ প্ৰকাৰ
৪.৫ স্পেনচাৰৰ দৃষ্টিত সমাজতত্ত্ব
৪.৬ সামাজিক অঙ্গীবাদ বা সামাজিক জৈৱ মতবাদ
৪.৭ প্ৰকার্য্যবাদ
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্ৰগতি খতিয়ান
৪.১১ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- হার্বার্ট স্পেনচাৰে সমাজতত্ত্বলৈ আগবঢ়োৱা অৱদানসমূহ চিনাক্তক�ৰণ কৰিব পাৰিব
- স্পেনচাৰৰ সমাজ বিৱর্তনৰ তত্ত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- স্পেনচাৰৰ সামাজিক অঙ্গীবাদ বা জৈৱ মতবাদৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

আমি আগৰ অধ্যায়টিত সমাজতত্ত্বৰ পিতৃ স্বৰূপ অগাষ্ট ক'টৈৰ বিষয়ে আলোচনা কৰিছিলোঁ। আমি এই অধ্যায়ত সমাজতত্ত্ব ইতিহাসৰ আন এক বৰেণ্য ব্যক্তিৰ বিষয়ে আলোচনা কৰিম। স্পেনচাৰ বিশেষকৈ আমেৰিকীয় আৰু ইউৰোপীয় সমাজতত্ত্বৰ দ্বাৰা প্ৰভাৱান্বিত আছিল। তেওঁ অগাষ্ট ক'টৈৰ দৰে একে সামাজিক পৰম্পৰাৰ পৰা আহিছিল, য'ত যুদ্ধৰ পৰৱর্তী কালত বিকশিত হোৱা আধুনিক যুগৰ উদ্যোগিক পুঁজিবাদী সংৰচনা বর্তি থকাৰ পোষকতা কৰিছিল।

৪.৩ হার্বার্ট স্পেনচাৰ ঃ পৰিচয় (Herbert Spenser: An Introduction)

হার্বাট স্পেনচাৰ ইংলণ্ডৰ ডার্বি চহৰত ১৮২০ চনৰ ২৭ এপ্রিলত জন্মগ্রহণ কৰিছিল। তেওঁ বৃত্তিত এজন অভিযন্তা আছিল। ১৮৩৭ চনলৈকে স্পেনছাৰৰ কোনো তথাকথিত আনুষ্ঠানিক শিক্ষা নাছিল।তেওঁ ঘৰতে পিতৃ আৰু খুৰাকৰ পৰা শিক্ষা গ্রহণ কৰিছিল। কিন্তু কোনো প্রণালীৱদ্ধ প্রশিক্ষণ লাভ নকৰাকৈয়ে তেওঁ গণিত আৰু প্রাকৃতিক বিজ্ঞানত মেধাৰ পৰিচয় দিছিল। ১৮৩৭ চনত তেওঁ লণ্ডন আৰু বার্মিংহাম ৰে'লৱেত এজন চিভিল ইঞ্জিনীয়াৰ হিচাপে কাম কৰিবলৈ আৰম্ভ কৰে। তেওঁ 'দ্য ইক'ন'মিষ্ট'ৰ এজন উপ-সম্পাদক আছিল। তেওঁৰ বৌদ্ধিক অনুশীলনে এক নির্দিষ্ট ৰূপত গঢ় ল'বলৈ আৰম্ভ কৰিছিল। বিভিন্ন জার্নেলত তেওঁৰ লিখনিও প্রকাশ কৰিছিল। ১৮৫০ চনত তেওঁ তেওঁৰ প্রথম মুখ্য গ্রন্থ *Social Statics* সম্পূৰ্ণ কৰে আৰু ১৮৯৪ চনত প্রকাশিত হয় *The Principles of Psychology*। ইয়াৰ পাছতে স্পেনচাৰ স্নায়ৱিক ৰোগত আক্রান্ত হয় যাৰ বাবে দীর্ঘ সময়ৰ বাবে অধ্যয়ন, লেখা বা আন কোনো সামাজিক দায়বদ্ধতাৰ লগত জড়িত কার্য্য কৰিবলৈ অসমর্থ হৈ পৰে। তেওঁ শাৰিৰীকভাৱে অত্যন্ত ৰুগীয়া হৈ পৰে। স্পেনচাৰে প্রথম ভগ্ন অৱস্থাৰ পৰা সামান্য আৰোগ্য হোৱাৰ পাছতেই পুনৰ গ্রন্থ ৰচনাত ব্রতী হয় আৰু এজন সফল আৰু প্রসিদ্ধ গ্রন্থকাৰ হিচাপে সুনাম অর্জ্জন কৰিবলৈ সক্ষম হয়।

১৮৬০ চনৰ পৰা স্পেনছাৰে বিশেষভাৱে বিভিন্ন ধাৰণা, তত্ত্ব আৰু সামগ্রিক সার্বজনীন নীতিৰ বিষয়ে কেইবাখনো গ্রন্থ ৰচনা কৰিছিল। সমাজতত্ত্বৰ বিভিন্ন বিষয়ক কেন্দ্র কৰি স্পেনছাৰে লিখা দুখনমান প্রধান গ্রন্থ হ'ল— ছোচিয়েল ষ্টেটিক (১৮৫০), ফার্ষ্ট প্রিন্সিপলচ্ (১৮৬২), দ্য ষ্টাডি অৱ ছোচিয়'ল'জী (১৮৭৩) আৰু ডেস্ক্রিপ্টিভ ছোচিয়'ল'জী (১৮৯০)। ১৯০৩ চনৰ ৮ ডিচেম্বৰত ৮৩ বছৰ বয়সত হাবার্ট স্পেনছাৰৰ মৃত্যু হয়।

৪.৩.১ স্পেচাৰ আৰু ক'টে ঃবৌদ্ধিক দিশৰ তুলনা (Intellectual Comparison)

সমাজতত্ত্বৰ বিকাশৰ ক্ষেত্রত সমাজতাত্বিক সিদ্ধান্ত বা সূত্রসমূহৰ ওপৰত অগাষ্ট ক'টে আৰু স্পেনচাৰ দুয়োৰে সমানেই প্রভাৱ আছিল বুলি বিবেচিত হয়। সেয়ে, স্পেনচাৰক সমাজতত্ত্বৰ দ্বিতীয় প্রতিষ্ঠাপক পিতৃ বুলি গণ্য কৰা হয়। যদিও স্পেনচাৰ আৰু ক'টে দুয়ো বিৱর্তনবাদত বিশ্বাসী আৰু দুয়োৱে সমাজৰ বিভিন্ন অংশৰ পাৰস্পৰিক সম্বন্ধৰ ওপৰত গুৰুত্ব আৰোপ কৰে, তথাপি তেওঁলোক দুয়োৰে মাজত দার্শনিক মত পার্থক্য থকা দেখা যায়। ক'টে মানৱ সমাজৰ ধ্যান-ধাৰণাৰ অগ্রগতিৰ ওপৰত গুৰুত্ব দিয়ে, আনহাতে স্পেনচাৰে সামাজিক সংৰচনাৰ ওপৰত আলোকপাত কৰে। স্পেনচাৰে ক'টেৰ দৰে সামাজিক সংস্কাৰৰ বাবে বিশেষ আগ্রহ প্রকাশ কৰা নাই। স্পেনচাৰে এনে এক সামাজিক জীৱন বিচাৰে যি বাহ্যিক নিয়ন্ত্রণৰ পৰিসীমাৰ বাহিৰত। এই ক্ষেত্রত তেওঁ প্রাকৃতিক বিজ্ঞানসমূহ বিশেষকৈ জীৱবিজ্ঞানৰ দ্বাৰা প্রভাৱান্বিত হৈ সমাজক এক

জীৱদেহৰ লগৰ তুলনা কৰিছে। বিৱৰ্তনৰ বিশ্লেষণৰ ক্ষেত্ৰত স্পেনচাৰ ক'টেতকৈ এক স্তৰ আগবাঢ়ি গৈছিল। তেওঁৰ মতে বিৱৰ্তন বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰীয় শক্তি। তেওঁ গতানুগতিক বিৱৰ্তন প্ৰক্ৰিয়াৰ লগতে সামাজিক বিৱৰ্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিৱৰ্তন প্ৰক্ৰিয়াৰ এক বিস্তৃত ব্যাখ্যা দাঙি ধৰে। তেওঁ বিশ্বাস কৰে যে পৃথিৱী এক সুষম গতিত প্ৰগতিৰ দিশে আগবাঢ়ে আৰু সেয়ে ইয়াক বাহ্যিক বাধাৰ পৰা মুক্ত ৰখা উচিত। পৰৱৰ্তী কালত আন সমাজতত্ত্ববিদসকলক তেওঁৰ বিৱৰ্তনবাদৰ ধাৰণাই অনুপ্ৰাণিত কৰিছিল। স্পেনচাৰে সমাজতত্ত্বলৈ আগবঢ়োৱা দুটা প্ৰধান অৱদান হৈছে— সামাজিক অঙ্গীবাদ বা জৈৱিক সাদৃশ্য (Social Organism or Organic Analogy) আৰু সামাজিক বিৱৰ্তন (Social Evolution)। এই দুই ধাৰণাই কালক্ৰমত সমাজতত্ত্বত প্ৰকাৰ্য্যবাদ দৰ্শনৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগায়।

৪.৪ বিৱৰ্তনবাদ (Evolutionism)

বিৱৰ্তন হৈছে পৃথকীকৰণ আৰু একত্ৰীকৰণৰ এক প্ৰক্ৰিয়া। 'Evolution' শব্দটো 'Evolve' শব্দৰ পৰা উৎপত্তি হৈছে, যাৰ অৰ্থবিকাশ বা প্ৰকাশিত হোৱা। বিৱৰ্তনে কেৱল আকাৰৰ পৰিৱৰ্তনকে নুবুজায়, ই সংৰচনা আৰু গাঁথনিকো সামৰি লয়; উদাহৰণ স্বৰূপে, আমি যেতিয়া জৈৱিক পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰো, তেতিয়া এক নিৰ্দিষ্ট জীৱ আনৰ পৰা এক অনুক্ৰম প্ৰণালীৰে আৱিৰ্ভাৱ হোৱাৰ বিষয়ে উল্লেখ কৰো। বিৱৰ্তনে কোনো এক জীৱ বা ঘটনাৰ পা�ৱস্পাৰিক সম্বন্ধৰ ধাৰাবাহিক পৰিৱৰ্তনৰ বিষয়ে বুজায়। ই হৈছে পৰিৱৰ্তনৰ এক নীতি যিয়ে কোনো পৰিৱৰ্তনশীল বস্তুৰ বিভিন্ন দিশত প্ৰকাশ ঘটায়। তদুপৰি বিৱৰ্তনে কোনো এক জীৱদেহে পৰিৱৰ্তিত পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত কিদৰে নিজকে খাপ খোৱাই লয় তাৰ বৰ্ণনা কৰে। হাৰ্বাৰ্ট স্পেনছাৰৰ মতে ভৌতিক অথবা সামাজিক সকলো ধৰণৰ ৰূপান্তৰেই এক সদৃশ বিন্যাস প্ৰকট কৰে। এই সকলোবোৰ বিন্যাসেই হ'ল 'বিৱৰ্তন'ৰ নীতিৰ অংশ। স্পেনছাৰে তেওঁৰ ফাৰ্ষ্ট প্ৰিন্সিপলচ্ গ্ৰন্থত উল্লেখ কৰিছে যে বিৱৰ্তন হ'ল আপেক্ষিকভাৱে অনিৰ্দিষ্ট, অবোধগম্য আৰু একৰূপত্ব থকা পৰ্য্যায় এটাৰ পৰা আপেক্ষিকভাৱে নিৰ্দিষ্ট, বোধগম্য আৰু বিচিত্ৰতা থকা ৰূপ এটালৈ হোৱা পৰিৱৰ্তন।

বিৱৰ্তন সমাজতত্ত্বৰ আটাইতকৈ পুৰণি চিন্তাধাৰাসমূহৰ এক অংশ বিশেষ। ১৯শ শতিকাৰ সমগ্ৰ কালছোৱাত বিৱৰ্তনবাদৰ লগত জড়িত প্ৰসিদ্ধ দাৰ্শনিকসকলৰ প্ৰচেষ্টাৰ বাবেই সমাজতত্ত্বত বিৱৰ্তনবাদে এক মূখ্য ভূমিকা লয়। পৃথকীকৰণ আৰু একত্ৰীকৰণৰ এক প্ৰক্ৰিয়া হিচাপে বিৱৰ্তনবাদৰ অৱধাৰণাটো পোন প্ৰথমবাৰৰ বাবে অৱতীৰ্ণ কৰিছিল জাৰ্মান সমাজতত্ত্ববিদ ভ'ন বিয়েৰে (Von Bear) আৰু পৰৱৰ্তী কালত ক্ৰমান্বয়ে ডাৰউইন, স্পেনচাৰ আৰু আন আন দাৰ্শনিকসকল ইয়াৰ লগত জড়িত হৈ পৰে।

স্পেনচাৰে বিৱৰ্তনৰ ধাৰণাটো ভৌতিক জগত, জৈৱিক অঙ্গ, মানৱজাতিৰ মানসিকতা, সংস্কৃতি আৰু সমাজৰ ক্ৰমবৰ্দ্ধমান বিকাশৰ ভিত্তিত ব্যাখ্যা আগবঢ়ায়। মূলতঃ ই পৃথকীকৰণ আৰু একত্ৰীকৰণৰ এক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ লগত কেৱল আকাৰেই নহয়, সংৰচনাও জড়িত

হৈ থাকে। স্পেনচাৰৰ মতে সামাজিক প্ৰক্ৰিয়া অদ্বিতীয় আৰু সমাজতত্ত্ব হৈছে বিজ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত। সেয়ে, সমাজতত্ত্বই বিৱৰ্তনৰ প্ৰাথমিক স্তৰসমূহৰ বৰ্ণনাৰ দ্বাৰা সাৰ্বজনীন বিৱৰ্তনবাদ নীতি প্ৰয়োগ কৰি বৰ্তমান সমাজৰ ব্যাখ্যা দাঙি ধৰা উচিত। তেওঁ পূৰ্বৰ সমাজে কিদৰে বিভিন্ন পৰিৱৰ্তনৰ সন্মুখীন হৈ নতুন পৰিৱৰ্তনৰ দ্বাৰা বৰ্তমানৰ সামাজিক জীৱনৰ আৱিৰ্ভাৱ হয় তাৰ বৰ্ণনা দাঙি ধৰে। স্পেনচাৰৰ প্ৰথম আৰু প্ৰধান চিন্তাধাৰা আছিল সামাজিক গাঁথনি আৰু সামাজিক সংস্থাবোৰৰ বিৱৰ্তনমুখী ধাৰণা। তেওঁ সামাজিক জগতখনৰ বাবে বিৱৰ্তনবাদ সূত্ৰ প্ৰয়োগ কৰে আৰু ইয়াৰ উৎস আৰু সংৰচনাৰ বাবে কৰা ধৰ্মীয় ব্যাখ্যাসমূহ অগ্ৰাহ্য কৰে।

সামাজিক বিৱৰ্তনৰ মূল নীতিসমূহ হ'ল—

- সমাজখন অতিজৈৱিকৰ (Super Organic) এক সমষ্টি। অতিজৈৱিক শব্দটোৰে স্পেনচাৰে ইয়াকে বুজাইছে যে মানৱ সমাজ ব্যক্তিৰ দ্বাৰা সৃষ্ট, কিন্তু তথাপি ব্যক্তিৰ বাবে সমাজ বাহ্যিক। 'সমষ্টি' শব্দটিৰ দ্বাৰা স্পেনচাৰে সমাজখন যে বিভিন্ন অংশৰ পাৰস্পৰিক সম্বন্ধৰ এক সমষ্টি তাকে বুজাইছে। এই আন্তঃসম্বন্ধীয় প্ৰণালীটোৱে প্ৰাকৃতিক পৰিৱেশক প্ৰভাৱান্বিত কৰে।
- এখন সমাজ প্ৰাকৃতিকভাৱে সময়ৰ লগত পৰিৱৰ্তিত হয় আৰু ক্ৰমান্বয়ে নিজেই সুস্থিৰ অৱস্থালৈ আহে।
- সমাজ বিকাশৰ স্তৰসমূহ সাধাৰণ আৰু সমজাতীয় আছিল। উদাহৰণ স্বৰূপে, বিৱৰ্তনৰ আৰম্ভণিৰ পৰ্য্যায়ত সমাজৰ জাতি ব্যৱস্থাত শ্ৰম বিভাজন দেখা পোৱা নগৈছিল।
- অবিৰতভাৱে চলা পৃথকীকৰণ প্ৰক্ৰিয়াৰ বাবে সমগ্ৰ সামাজিক গাঁথনি জটিল আৰু সংলগ্ন হৈ পৰে। সামাজিক পৃথকীকৰণৰ লগে লগে সমাজৰ অঙ্গ আৰু সংস্থাবোৰৰ পাৰস্পৰিক নিৰ্ভৰশীলতা বৃদ্ধি পাবলৈ ধৰে।
- সমাজত পৃথকীকৰণৰ আৰম্ভণিৰ লগে লগেই গোট, শ্ৰেণী, সংস্থাৰ আৰ্বিভাৱ হয়। এইদৰেই পৃথকীকৰণ আৰু বিচ্ছিন্নকৰণে সামাজিক বিকাশত এক নিৰ্দিষ্ট নীতি অনুসৰণ কৰে।
- সমাজে সামগ্ৰিকভাৱে ইয়াৰ অভ্যন্তৰত হোৱা পৰিৱৰ্তনসমূহৰ প্ৰতি সঁহাৰি জনায়। যেতিয়াই কোনো পৰিৱৰ্তনৰ দ্বাৰা সমাজৰ প্ৰচলিত পৰিৱেশ বিঘ্নিত হয়, তেতিয়াই পৰিৱৰ্তিত পৰিস্থিতিৰ লগত ভাৰসাম্য ৰক্ষাৰ বাবে সামাজিক সংৰচনাৰো পৰিৱৰ্তন হয়।

৪.৪.১ সমাজৰ প্ৰকাৰ (Social Types)

সমাজ বিৱৰ্তনৰ বিভিন্ন স্তৰৰ লগত সঙ্গতি ৰাখি স্পেনচাৰে সমাজখনক বিভিন্ন প্ৰকাৰত বিভাজন কৰিছে, যেনে— সৰল (Simple), যৌগিক (Compound), দ্বি-যৌগিক (Doubly Compound) আৰু ত্ৰি-যৌগিক (Trebly Compound)। তেওঁ সামাজিক সংৰচনাৰ জটিলতাৰ মাত্ৰাৰ ওপৰত ভিত্তি কৰি এই বিভাজনসমূহৰ স্তৰীকৰণ কৰে।

- **সৰল সমাজ** সমূহ মূ�ৰ্ব্বীহীন আৰু সমাজৰ অংশসমূহ নিয়ন্ত্রণমূলক পদ্ধতিৰ দ্বাৰা সংলগ্ন বা সংলগ্নহীন হৈ থাকে।
- **যৌগিক সমাজ** সমূহ সাধাৰণতে স্থায়ী কৃষিভিত্তিক সমাজ, য'ত কিছু পৰিমাণৰ শ্রম বিভাজন আৰু স্থায়ী বাসস্থান পৰিলক্ষিত হয়।
- **দ্বি-যৌগিক সমাজ** সমূহৰ আকৌ জটিল ৰাজনৈতিক সংৰচনা আৰু আনুষ্ঠানিক ন্যায় ব্যৱস্থা থকাৰ লগতে বিভেদ আৰু সমন্বয় দুয়োটা পৰিলক্ষিত হয়।
- **ত্রি-যৌগিক সমাজ** সমূহ অতীত আৰু বর্তমানৰ সবাতোকৈ সভ্য সমাজ। এই সমাজ সমূহত সামাজিক সংৰচনাৰ জটিলতা আৰু ক্রমবর্দ্ধমান পাৰস্পাৰিক নিভর্ৰশীলতা অধিক দৃশ্যমান।

সমাজৰ জটিলতাৰ মাত্রাৰ ওপৰত আধাৰিত সমাজৰ শ্রেণীকৰণৰ লগত স্পেনচাৰে সমাজৰ স্বতন্ত্র আভ্যন্তৰীণ নিয়ন্ত্রণৰ ভেটিৰ ধাৰণাটো উপস্থাপন কৰে। সেই অনুসৰি তেওঁ সামৰিক আৰু উদ্যোগিক সমাজৰ শ্রেণীকৰণ কৰে। উদ্যোগিক সমাজত সামাজিক গোটসমূহ ইয়াৰ অংশস্বৰূপ সদস্যসকলৰ কল্যাণৰ অর্থে বর্তি থাকে। ফলস্বৰূপে উদ্যোগিক সমাজসমূহ ঐচ্ছিক সহযোগিতা নীতিৰ আধাৰত প্রতিষ্ঠিত হয়।

সামৰিক সমাজত সদস্যসকল নির্দেশনা কেন্দ্রৰ ইচ্ছা অনুযায়ী তেওঁলোকৰ অধীনস্থ হৈ কাম কৰিব লাগে। সামৰিক সমাজ বাধ্যতামূলক সহযোগিতাৰ নীতি আধাৰত প্রতিষ্ঠিত।

সামৰিক আৰু ঔদ্যোগিক— এই দুয়োবিধ সমাজে 'আদর্শ নমুনা' (Ideal Types) সমাজকে প্রতিনিধিত্ব কৰে। এই দুয়োবিধে কোনো এক বিশেষ সমাজৰ বর্ণনা আগ নবঢ়ায়, বৰঞ্চ সমাজৰ মূল উপাদানৰ প্রতিনিধিত্ব কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নিম্নোলিখিত বাক্যসমূহ সত্য নে অসত্য লিখক—

ক) স্পেনচাৰ ক'টৰ দৰে সামাজিক সংস্কৰণত অতিশয় আগ্রহী আছিল।

খ) স্পেনচাৰে তেওঁৰ সমাজতত্ত্বীয় সিদ্ধান্তৰ বাবে জৈৱিক সূত্রৰ দ্বাৰা যথেষ্ট প্রভাৱান্বিত হৈছিল।

গ) যৌগিক সমাজসমূহ নিয়ন্ত্রণ কেন্দ্রৰ অবিহনে বর্তি থাকে।

ঘ) প্রাকৃতিক নির্বাচনৰ প্রক্রিয়া সামাজিক জগতত পৰিলক্ষিত হয়।

৪.৫ স্পেনচাৰৰ দৃষ্টিত সমাজতত্ত্ব (Spencer's Sociology)

স্পেনচাৰে সমাজতত্ত্বক এটি বিশুদ্ধ বিজ্ঞান হিচাপে গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰা আৰু নকৰা— এই দুয়োবিধ সমালোচকৰ বিষয়ে আলোচনা কৰিছে। তেওঁ বিশ্বাস কৰে যে প্ৰাকৃতিক বিধিৰ দ্বাৰা সামাজিক শৃঙ্খলা প্ৰতিষ্ঠা নোহোৱালৈকে সমাজতত্ত্বই এক বিজ্ঞান হিচাপে পূৰ্ণ স্বীকৃতি পোৱাটো কঠিন। সেয়ে তেওঁ সামগ্ৰিকভাৱে সমাজখনক বুজিব লৈ সামাজিক বিৱৰ্তনৰ নীতি আৰু সামাজিক জৈৱবাদৰ সূত্ৰ প্ৰকাশ কৰে। স্পেনচাৰে যুক্তি সহকাৰে ব্যাখ্যা কৰে যে যদি সমাজতত্ত্বক বিজ্ঞান হিচাপে গণ্য কৰা নহয় তেন্তে আন বিজ্ঞান, যেনে— জীৱবিজ্ঞান আৰু ভূতত্ত্ব বিজ্ঞানো বিজ্ঞানৰ অন্তৰ্ভুক্ত নহ'ব, কাৰণ এই বিষয়সমূহে সমাজতত্ত্বৰ দৰেই তথ্যসমূহ গুণগত ৰাশিত প্ৰকাশ কৰে। তেওঁ এই প্ৰসঙ্গত উল্লেখ কৰে যে যিহেতু গণিত আৰু পদাৰ্থবিজ্ঞানৰ ক্ষেত্ৰতহে সিদ্ধান্তসমূহ সংখ্যাগত ৰাশিত প্ৰকাশ কৰা হয়, সেয়ে কেৱল এই দুবিধ বিষয়কহে প্ৰকৃত বিজ্ঞান আখ্যা দিব পৰা যায়। সেয়ে ক'ব পৰা যায় যে সমাজশস্ত্ৰই আগবঢ়োৱা সাধাৰণীকৰণ (Generalization) যদিও পৰিসংখ্যানীয় (Quantifiable) নহয়, কিন্তু ই বিজ্ঞানধৰ্মী গুণাগুণৰ আধাৰত প্ৰতিষ্ঠিত।

স্পেনচাৰে সমাজতত্ত্বৰ পৰিঘটনাসমূহ পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা আহৰণ কৰা জ্ঞানৰ জৰিয়তে ব্যাখ্যা কৰাৰ ওপৰত গুৰুত্ব দিছে। কিন্তু তেওঁ জ্ঞাত আছিল যে এই প্ৰক্ৰিয়াত কিছুমান অসুবিধাৰ সন্মুখীন হ'ব লগা হয় যেনে বহু ক্ষেত্ৰত সামাজিক পৰিঘটনাবোৰ প্ৰত্যক্ষভাৱে উপলব্ধি কৰিব পৰা নাযায়, তদুপৰি সমাজতত্ত্বৰ অধ্যয়নকাৰীসকলৰো অনুসন্ধান কৰা ঘটনাসমূহৰ লগত কিছুমান পূৰ্ব ধাৰণা জড়িত থাকে। স্পেনচাৰেই হৈছে প্ৰথমজন ব্যক্তি, যিয়ে সমাজতাত্ত্বিক অনুসন্ধানৰ প্ৰকৃতি আৰু উৎসৰ লগত জড়িত পক্ষপাতি তাক চিনাক্তকৰণ কৰিছিল।

স্পেনচাৰে সমাজতত্ত্বত 'নিগমন' (Deductive) আৰু 'আগমন' (Inductive) —এই দুয়ো প্ৰক্ৰিয়াৰ বৈশিষ্ট্যৰ উল্লেখ কৰে। সমাজতত্ত্বই নিগমন প্ৰক্ৰিয়া ব্যৱহাৰ কৰি সাধাৰণ নীতি বা সূত্ৰ পৰা বিশেষলৈ গতি কৰে। আগমন প্ৰক্ৰিয়া ব্যৱহাৰ কৰি বিশেষৰ পৰা সাধাৰণ নীতিসূত্ৰ প্ৰতিষ্ঠা কৰে। স্পেনচাৰে বিৱৰ্তনৰ সাধাৰণ নীতি প্ৰয়োগ কৰি সামাজিক বিৱৰ্তনৰ প্ৰকৃতি নিৰ্দ্ধাৰণ কৰে। তেওঁ নৃগোষ্ঠীয় বৰ্ণনা তাত্বিক (Ethnographic) পৰ্যবেক্ষণ আৰু ঐতিহাসিক তথ্যৰ পৰা সংগৃহীত আগমন প্ৰক্ৰিয়াৰ সাক্ষ্যৰ দ্বাৰা এই নিগমন প্ৰক্ৰিয়াটো দৃঢ় কৰে। এই দুই পদ্ধতিয়ে তেওঁক ঘটনাসমূহৰ কাৰণ আৰু ফলাফল (Cause and Effect)ক ক্ৰমানুসাৰে প্ৰতিষ্ঠা কৰিবলৈ ভেটি গঢ়ি দিয়ে।

৪.৬ সামাজিক অঙ্গীবাদ বা সামাজিক জৈৱ মতবাদ (Social Organism)

সামাজিক অঙ্গীবাদ হৈছে সমাজৰ জৈৱিক সাদৃশ্যতা, য'ত স্পেনচাৰে সমাজক জীৱদেহৰ লগত তুলনা কৰিছে। জীৱবিজ্ঞানীসকলে যিদৰে জীৱদেহৰ বিৱৰ্তনৰ অধ্যয়ন কৰে, সেইদৰে সমাজতত্ত্ববিদসকল সমাজ সংৰচনা,সংস্থা আৰু অনুষ্ঠানসমূহৰ অধ্যয়নৰ লগত জড়িত। স্পেনচাৰে

সমাজতত্ত্বক জীৱবিজ্ঞানৰ দৰে এক বিজ্ঞান বুলি বিবেচিত কৰে আৰু জৈৱিক সাদৃশ্যৰ দ্বাৰা ইয়াক অধিক স্পষ্টকৈ ব্যাখ্যা কৰিব বিচাৰে। এই জৈৱিক সাদৃশ্যই সামাজিক প্ৰক্ৰিয়াটোক এটা জীৱদেহ বা জৈৱিক সংৰচনাৰ সৈতে তুলনা কৰে। তেওঁ তেওঁৰ তুলনাত্মক বিশ্লেষণত প্ৰকাশ কৰে যে মানৱ দেহৰ বিভিন্ন অঙ্গৰ দৰে এখন সমাজৰ বিভিন্ন অংশবোৰেও সামগ্ৰিকভাৱে সমাজৰ কল্যাণৰ অৰ্থে একেলগে কাৰ্য্য সম্পাদন কৰি যায়। যিদৰে জীৱদেহৰ কোনো এক অঙ্গৰ বিসঙ্গতি বা বিকল অৱস্থাই সমগ্ৰ দেহৰ পৰিচালন ক্ষমতা বিঘ্নিত কৰে, ঠিক সেইদৰে সমাজৰ কোনো এক অঙ্গৰ বিকল অৱস্থায়ো সমগ্ৰ সামাজিক গাঁথনিলৈ ভাবুকি আনিব পাৰে। ইয়াৰ দ্বাৰা স্পেনচাৰে সমাজ বিশ্লেষণৰ বাবে সামগ্ৰিকভাৱে সমাজব্যৱস্থাত সামাজিক সংৰচনা আৰু ক্ৰিয়াত্মক আন্তঃনিৰ্ভৰশীলতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। স্পেনচাৰে সমাজৰ ব্যাখ্যা কৰোতে এটা জীৱদেহ আৰু এখন সমাজৰ মাজৰ সাদৃশ্যতাৰ প্ৰদৰ্শন কৰে। এই তুলনা সমাজ আৰু জীৱদেহৰ মাজত থকা কিছুমান সাদৃশ্যতাৰ দ্বাৰা অধিক সূক্ষ্মভাৱে ব্যাখ্যা কৰিব পৰা যায়। সেইবোৰ হৈছে—

- জীৱ আৰু সমাজ দুয়োবিধৰ আকাৰ বৃদ্ধি হয় ।
- সমাজৰ আকাৰ বৃদ্ধিৰ লগে লগে আভ্যন্তৰীণ সংৰচনাৰ উপাদানসমূহৰ পৃথকীকৰণ হয়, যিদৰে জীৱদেহৰ বৃদ্ধিৰ লগে লগে গঠনৰ জটিলতা পৰিলক্ষিত হয়।
- জীৱ আৰু সমাজ দুয়োৰে পৰিৱেশৰ লগত ক্ৰিয়া-প্ৰতিক্ৰিয়া হয় আৰু পৰিৱেশৰ উপাদানসমূহৰ লগত নিজকে খাপ খুৱাই লয়।
- জীৱদেহ আৰু সমাজ দুয়োৰে প্ৰত্যেক অঙ্গৰ লগত আনঅঙ্গৰ পাৰস্পৰিক সম্বন্ধ থাকে।

স্পেনচাৰে উপস্থাপন কৰা সমাজতত্ত্বীয় যুক্তিসমূহৰ মাজত তেওঁৰ সামাজিক বিৱৰ্তনৰ জৈৱিক বিশ্লেষণে এক সুকীয়া স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে যদিও এই তুলনাত্মক বিশ্লেষণৰ কিছু সীমাৱদ্ধতা আছে। সমাজ যদিও আন জীৱদেহৰ দৰে তথাপি বহুক্ষেত্ৰত ই জীৱদেহৰ পৰা পৃথক। যেনে—

- জীৱদেহৰ অঙ্গসমূহৰ শাৰীৰিকভাৱে ইটোৰ লগত সিটো সংলগ্ন, কিন্তু সমাজৰ ক্ষেত্ৰত অঙ্গবিলাক পৃথক আৰু প্ৰত্যক্ষভাৱে সংলগ্ন হৈ নাথাকে।
- সমাজৰ ক্ষেত্ৰত সকলো অঙ্গৰে স্বকীয় সচেতনতা থাকে, কিন্তু জীৱদেহৰ কেৱল এটা বিশেষ সূক্ষ্ম অঙ্গৰহে সচেতনতা থাকে।
- সমাজৰ অঙ্গবোৰ বা ব্যক্তি কোনো এক স্থানৰ পৰা আন স্থানলৈ গতি কৰিব পাৰে, কিন্তু জীৱদেহৰ অঙ্গবোৰে এইদৰে গতি কৰিব নোৱাৰে।

জৈৱিক দেহ আৰু মানৱ সমাজৰ মাজত থকা এই সাদৃশ্য আৰু বৈসাদৃশ্য মাথোঁ প্ৰকৃত সমাজসমূহৰ পৰা সংগৃহীত এক তথ্যৰ গোট, যিয়ে পৰীক্ষা-নিৰীক্ষাৰ ওপৰত প্ৰতিষ্ঠিত সমাজতত্ত্বৰ এক ৰূপৰেখা দাঙি ধৰে। স্পেনচাৰে জীৱদেহ আৰু মানৱ সমাজৰ মাজৰ তুলনাৰ দ্বাৰা এইটোৱে প্ৰকাশ কৰিব বিচাৰিছে যে যিহেতু প্ৰকৃতিৰ উপাদান হিচাপে সকলোৱে বিৱৰ্তনৰ শক্তিৰ দ্বাৰা প্ৰভাৱিত, সেয়ে সকলোৱে বিৱৰ্তনৰ নীতিসমূহ অনুসৰণ কৰা দেখা যায়।

৪.৭ প্রকার্য্যবাদ (Functionalism)

স্পেনচাৰৰ বিৱর্তনবাদৰ দৃষ্টিভঙ্গী মূলতঃ সমাজৰ বর্ধিত আকাৰৰ লগত জড়িত। সমাজৰ এই বদ্ধিত আকাৰৰ লগে লগে সমাজত পৃথীকৰণ, শ্রম বিভাজন বা বিশেষীকৰণো বৃদ্ধি পায়, লগতে এইসমূহে সম্পাদন কৰা প্রক্রিয়াৰ ভিন্নতাও ক্ষিপ্রতৰ হৈ উঠে। স্পেনচাৰে আলোচনা কৰা সামাজিক সংস্থা আৰু ইয়াৰ পৰিৱর্তন প্রকার্য্যবাদ পদ্ধতিৰ দ্বাৰা প্রকাশ বা ব্যাখ্যা কৰিব পৰা যায়।

মুঠতে সমাজৰ বদ্ধিত আকৃতি আৰু জটিলতাৰ ফলস্বৰূপে সৃষ্টি হোৱা বিশেষীকৰণ, পৃথকীকৰণ আৰু সমাজৰ বিভিন্ন অংশৰ সংহতিৰ প্রয়োজনীয়তাৰ লগত সমাজ বিৱর্তন প্রক্রিয়াটো জড়িত হৈ আছে। এই সংহতিৰ বাবে আৱশ্যক ক্রিয়াত্মক আন্তঃনির্ভৰশীলতাৰ (Functional Interdependence), কিয়নো ইয়াৰ দ্বাৰা যৌগিক বা দ্বি-যৌগিক যিকোনো প্রকাৰৰ সমাজৰ সামগ্রিক সংৰচনাৰ লগত খাপ খাই যাব পাৰে। গতিকে দেখা যায় ই পৰোক্ষভাৱে প্রকার্য্যবাদ পদ্ধতিকে বুজায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ নিম্নোলিখিত বাক্যসমূহ সত্য নে অসত্য লিখক—

ক) স্পেনচাৰ সামাজিক সংৰচনা আৰু সামাজিক সংস্থাসমূহৰ বিৱর্তনীয় পৰিৱর্তনৰ লগত জড়িত।

খ) স্পেনচাৰৰ সামাজিক বিৱর্তনৰ সূত্রই সমাজৰ উৎস আৰু সংৰচনাৰ ধর্মীয় ব্যাখ্যা আগবঢ়ায়।

গ) স্পেনচাৰৰ মতে ব্যক্তিৰ বাবে সমাজখন বাহ্যিক নহয়।

ঘ) একত্রীকৰণৰ বাবে ক্রিয়াত্মক আন্তঃনির্ভৰশীলতাৰ প্রয়োজন।

ঙ) সাংগঠনিক সংৰচনাৰ বৃদ্ধিৰ লগে লগে পৃথকীকৰণৰ আৰম্ভণি হয়।

চ) সমাজতত্ত্বই আগবঢ়োৱা সার্বজনীন সিদ্ধান্ত পৰিমণাত্মক।



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অগাষ্ট ক'টৰ পাছতে হার্বার্ট স্পেনচাৰক সমাজতত্ত্বৰ দ্বিতীয় প্রতিষ্ঠাপক পিতৃ হিচাপে গণ্য কৰা হয়।
- স্পেনচাৰে সমাজ বিৱর্তনক বিশ্বব্রহ্মাণ্ডৰ মূল চালিকা শক্তি বুলি গণ্য কৰে।
- তেওঁৰ সমাজ বিৱর্তনৰ ধাৰণাটোৱে পৰৱর্তী কালত দার্শনিক পণ্ডিতসকলক অনুপ্রাণিত কৰে।

- স্পেনচাৰৰ মতে বিৱর্তন এক সার্বজনীন প্রক্রিয়, যিয়ে পূর্বৰ সমাজে অতিক্রম কৰি অহা পৰিৱর্তনসমূহৰ ব্যাখ্যা আগবঢ়ায়।
- স্পেনচাৰে সামাজিক সংৰচনা আৰু সামাজিক সংস্থাবোৰৰ বিৱর্তনীয় পৰিৱর্তনৰ বিষয়ে আলোচনা কৰিছিল।
- স্পেনচাৰে বিৱর্তনৰ বিভিন্ন পর্য্যায়ৰ ওপৰত ভিত্তি কৰি সমাজৰ শ্রেণী বিভাজন কৰে, যেনে— সৰল, যৌগিক, দ্বি-যৌগিক আৰু ত্রি-যৌগিক সমাজ। সামাজিক সংৰচনাৰ জটিলতাৰ আধাৰত এই শ্রেণীকৰণ কৰা হৈছিল।
- জটিলতাৰ মাত্রাৰ ভিত্তিত প্রতিষ্ঠিত এই শ্রেণীকৰণৰ উপৰি স্পেনচাৰে সমাজৰ আভ্যন্তৰীণ নিয়ন্ত্রণৰ ভিত্তিতসমাজক বিভক্ত কৰে, যেনে— উদ্যোগিক (Industrial) আৰু সামৰিক (Militant)।
- স্পেনচাৰে বিশ্বাস কৰিছিল যে সমাজতত্ত্ব আন বিজ্ঞানৰ দৰেই অধ্যয়ন কৰিব পৰা যায়। যদিও সমাজতত্ত্বৰ সকলো সম্বন্ধ গুণগত বা অপৰিমাণাত্মক (Qualitatively) প্রকৃতিৰ ভিত্তিত ব্যাখ্যা কৰে তথাপিও সমাজতত্ত্বক বিজ্ঞান হিচাপে আখ্যা দিব পাৰি, কাৰণ আন বহুতো বিজ্ঞান, যেনে— জীৱবিজ্ঞান আৰু ভূতত্ত্ব বিজ্ঞানতো বহু তথ্য গুণগত ভিত্তিতে বাখ্যা কৰে।
- সমাজত জনসংখ্যা বৃদ্ধিৰ লগে লগে ক্রমাৎ পৃথকীকৰণ আৰু বিশেষীকৰণ বৃদ্ধি পায়। স্পেনচাৰে আলোচনা কৰা বর্ধিত পৃথকীকৰণ প্রক্রিয়াই প্রকার্য্যবাদ দৃষ্টিভঙ্গীৰ পথ প্রশস্ত কৰে।



৪.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Adams, Bert N. and Sydie, R. A. (2002); *Sociological Theory*; New Delhi: Vistaar Publication.
2) Coser, Lewis A. (2010); *Masters of Sociological Thought*; New Delhi: Rawat Publication.
3) Ritzar, George and Douglas, J. Godman (2003); *Sociological Theory*; McGraw Hill.



৪.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) অসত্য, খ) সত্য, গ) অসত্য, ঘ) সত্য

২নং প্রশ্নৰ উত্তৰ ঃ ক) সত্য, খ) অসত্য, গ) অসত্য, ঘ) সত্য, ঙ) সত্য, চ) অসত্য



৪.১১ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক সংৰচনা আৰু জৈৱিক দেহৰ সংৰচনাৰ মাজত সাদৃশ্য কি কি?

প্ৰশ্ন ২ ঃ উদ্যোগিক সমাজ বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ আগমনাত্মক আৰু নিগমনাত্মক সমাজতত্ত্ব মানে কি?

খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ স্পেনচাৰৰ সামাজিক সংৰচনাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বিৱৰ্তনীয় পৰিৱৰ্তনৰ আধাৰত সমাজৰ বিভিন্ন প্ৰকাৰসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ স্পেনচাৰৰ সমাজতত্ত্বীয় দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ইমাইল দুৰখেইম-১

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ সমাজতত্ত্ব সম্পর্কে মতামত আৰু ইয়াৰ বিচাৰ পদ্ধতি

৫.৪ সামাজিক তথ্য ঃ সংজ্ঞা

- ৫.৪.১ বৈশিষ্ট্য
- ৫.৪.২ সামাজিক তথ্য নিৰীক্ষণৰ নীতি
- ৫.৪.৩ সামাজিক তথ্য বৰ্ণনাৰ নীতি
- ৫.৪.৪ সামাজিক তথ্যৰ সমাজতাত্ত্বিক বৰ্ণনাৰ পৰীক্ষা
- ৫.৪.৫ প্ৰকাৰ

৫.৫ শ্ৰমৰ বিভাজন

৫.৬ সামাজিক সংহতি

- ৫.৬.১ যান্ত্ৰিক সংহতি
- ৫.৬.২ জৈৱিক সংহতি

৫.৭ দুৰখেইমৰ অৱদানৰ সমালোচনা

৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৯ অধিক জানিবলৈ

৫.১০ অগ্ৰগতিৰ খতিয়ান

৫.১১ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইমাইল দুৰখেইমে সমাজতত্ত্বলৈ আগবঢ়োৱা কেতবোৰ গুৰুত্বপূৰ্ণ অৱদানৰ আভাস পাব
- দুৰখেইমৰ 'সামাজিক তথ্য' ধাৰণা সম্পর্কে আলোচনা কৰিব পাৰিব
- সামাজিক তথ্য নিৰীক্ষণ আৰু পৰীক্ষনৰ পদ্ধতিৰ বাবে দুৰখেইমে বান্ধি দিয়া নীতি সমূহৰ আলোচনা কৰিব পাৰিব
- দুৰখেইমৰ সামাজিক সংহতি ধাৰণাৰ ব্যাখ্যা কৰিব পাৰিব
- দুৰখেইমৰ যান্ত্ৰিক আৰু জৈৱিক সংহতিৰ ধাৰণাৰ বাখ্যা কৰিব পাৰিব
- দুৰখেইমৰ সমাজত্ব সম্পর্কে অৱদানৰ সমালোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

ইমাইল দুৰখেইমে (১৮৫৮-১৯১৭) ফ্ৰান্সৰ সমাজতত্ত্ববিদ তথা সমাজ দাৰ্শনিক হিচাপে বহুমূলীয়া অৱদানেৰে সমাজতত্ত্বক সমৃদ্ধ কৰি তুলিছিল। তেওঁ জে. জে. ৰুছ' (J. J. Rousseau), ছেইণ্ট চাইমন আৰু ক'টৰ বৌদ্ধিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। সংৰচনাত্মক প্ৰকাৰ্য্যমূলক বিচাৰ পদ্ধতিৰ (Structural Functional Approach) জৰিয়তে সমাজতত্ত্ব এটা বিজ্ঞানভিত্তিক বিষয় হিচাপে বিকাশত তেওঁৰ অৱদান গুৰুত্বপূৰ্ণ। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱাটো ভাল যে সমাজতত্ত্বক শিক্ষায়তনিক শাখা হিচাপে প্ৰতিষ্ঠান কৰাত তেওঁ আগবঢ়োৱা অৱদানৰ বাবে সমাজতত্ত্বৰ ইতিহাসত তেওঁক এগৰাকী বাটকটীয়াৰ আসন দিয়া হয়।

দুৰখেইমক মেক্স ৱেবাৰৰ সৈতে আধুনিক সমাজতত্ত্বৰ প্ৰণেতা হিচাপে স্বীকৃতি দিয়া উচিত। এই প্ৰক্ৰিয়া তেওঁৰ ১৮৯৩ চনৰ প্ৰথম গ্ৰন্থ "Division of Labour"ৰ জৰিয়তে আৰম্ভ হয়, ইয়াৰ পিছত তেওঁ "The Rules of Sociological Method" (১৮৯৫) আৰু "The Elementary Forms of the Religious Life" ত সমাজতত্ত্বক বিজ্ঞান ভিত্তিক বিষয় হিচাপে উপস্থাপন কৰে।সমাজতত্ত্ব কেন্দ্ৰিক সাহিত্যৰ ইতিহাসত দুৰখেইমক তেওঁৰ অতি প্ৰণালীৱদ্ধ লিখনীবোৰে এক উচ্চ স্থান প্ৰদান কৰিছে। তেওঁৰ জীৱনকালতেই প্ৰধান ৰচনাসমূহ প্ৰকাশিত হোৱা কথাটোৱে তেওঁৰ স্পষ্ট চিন্তাধাৰাৰপ্ৰভাৱ বুজাত সহায় কৰা ছবি এখন দাঙি ধৰে। প্ৰকাশিত গ্ৰন্থবোৰে দুৰখেইমৰ অধ্যয়নৰ দ্বাৰা গঢ় লৈ উঠা সমাজতত্ত্বৰ ধাৰণাটোৰ বিশেষ উল্লেখেৰে সৈতে বিষয়টোৰ সৈতে জড়িত আন বহুতো কিন্তু পৰিপূৰক দিশ বুজি পোৱাত আমাক সহায় কৰে।

৫.৩ সমাজতত্ত্ব সম্পৰ্কে মতামত আৰু ইয়াৰ বিচাৰ পদ্ধতি

দুৰখেইমৰ মতে, সমাজতত্ত্ব হৈছে সামাজিক ঘটনা আৰু ইয়াৰ আনুসাঙ্গিক দিশসমূহৰ বৈজ্ঞানিক অধ্যয়ন। তেওঁৰ সামাজিক চিন্তাত দুটা দিশ পৰিলক্ষিত হয়। ইয়াৰে এটা হৈছে বিভিন্ন সামাজিক ঘটনাৰ পৰিপ্ৰেক্ষিতত বিশৃঙ্খল হৈ পৰা সমাজ ব্যৱস্থাৰ বৈজ্ঞানিক অধ্যয়ন আৰু আনটো হৈছে তেনে অধ্যয়নৰ জৰিয়তে সমাজক শৃঙ্খলাবদ্ধভাৱে পুনৰ প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা। তেওঁ হৈছে প্ৰত্যক্ষবাদত বিশ্বাসী। তেওঁৰ মতে সামাজিক পদ্ধতি অধ্যয়ন কৰাটোৱেই সমাজতত্ত্বৰ লক্ষ্য হোৱা উচিত। তেওঁ উল্লেখ কৰা সমাজতত্ত্বৰ আন কেইটামান লক্ষ্য হ'ল—

- সামাজিক তথ্য অধ্যয়ন কৰা, তেওঁৰ মতে সামাজিক তথ্য হৈছে সেইবোৰ যিবোৰে এটা সামাজিক পদ্ধতি গঠন কৰে আৰু সেইবোৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰে সংলগ্ন।
- সামাজিক তথ্যবোৰ বা সামাজিক পৰিঘটনাবোৰ কেনেদৰে সংলগ্ন আৰু কেনেধৰণৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ দ্বাৰা জড়িত তাৰ বিষয়ে অধ্যয়ন কৰা।
- সাধাৰণীকৰণ (Generalisation) কৰা যাতে সমাজত নিৰীক্ষণ আৰু পৰীক্ষা কৰিব পৰা যায়।

ইয়াৰ উপৰি তেওঁ গুৰুত্ব প্ৰদান কৰা আন কেইটামান দিশ হ'ল—

- সমাজতত্ত্বত সামাজিক তথ্য অধ্যয়ন কৰাৰ ক্ষেত্ৰত ব্যক্তিনিষ্ঠ (Subjective) হোৱাতকৈ উদ্দেশ্যধৰ্মী (Objective) হোৱা উচিত। সামাজিক তথ্যৰআলোচনাত দুৰখেইমে দুটা প্ৰধান দিশৰ কথা ব্যক্ত কৰিছে— বাহ্যিকতা (Exteriority) আৰু বাধ্যতা (Coercion)।
- বিজ্ঞানভিত্তিক বিষয় হিচাপে সমাজতত্ত্বই প্ৰাকৃতিক বিজ্ঞানসমূহৰ দৰে নিৰীক্ষণ, শ্ৰেণীকৰণ বা বৰ্গীকৰণ (Classification), তুলনা (Comparison), সাধাৰণীকৰণ (Generalisation) ইত্যাদি পদ্ধতিসমূহ অনুসৰণ কৰা উচিত।
- বৰ্গীকৰণ আৰু তুলনাত্মক পদ্ধতি সাধাৰণ সিদ্ধান্তত উপনীত হ'বলৈ পৰীক্ষা কৰিবলৈ ব্যৱহাৰ কৰা উচিত।
- সমাজক ঐতিহাসিক প্ৰক্ৰিয়াৰ আধাৰত বিৱৰ্তনমূখী দৃষ্টিভঙ্গীৰে লক্ষ্য কৰা উচিত।

সংৰচনাত্মক প্ৰকাৰ্য্যবাদ বিচাৰ পদ্ধতি (Structural Functional Approach) ঃ দুৰখেইমৰ মতে সমাজ এটা জীৱৰ দৰে সামগ্ৰিক অৱস্থা য'ত ইয়াৰ প্ৰত্যেকটো অংশ আত্মনিৰ্ভৰশীল যদিও সুস্থ কাৰ্য্যকাৰিতাৰ বাবে পাৰস্পৰিক সমন্ধ বিৰাজমান। এটা অংশক বাদ দি আনটো অংশ বৰ্তি থাকিব নোৱাৰে।ঠিক তেনেদৰে সুস্থ কাৰ্য্যকাৰিতাৰ বাবেসমাজেও কোনো অংশকে, যেনে— সমূহ, সংস্থা ইত্যাদিক বাদ দি বৰ্তি থাকিব নোৱাৰে। এই ধাৰণাটোৱেই হৈছে সংৰচনাত্মক প্ৰকাৰ্য্যবাদ বিচাৰ পদ্ধতিৰ আধাৰ।

দুৰখেইমে সমগ্ৰ জীৱনত সমাজতত্ত্বক এটা সুস্পষ্ট বিজ্ঞানভিত্তিক বিষয় হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। তেওঁ মত আগবঢ়াইছিল যে সমাজতত্ত্ব জীৱবিজ্ঞান আৰু মনোবিজ্ঞানৰ পৰা পৃথক যিহেতু ই সামাজিক তথ্য অধ্যয়ন কৰে। তেওঁ সমাজৰ অধ্যয়ন কৰোঁতে কাৰ্য্য সম্পাদন পন্থাৰ যুক্তিযুক্ততাৰ কথা কৈছিল। ঐতিহাসিক তথা কাৰ্য্য সম্পাদনকাৰী ধৰণৰ অন্বেষণৰ মাজত থকা প্ৰভেদবোৰত মনোনিৱেশ কৰি আৰু কাৰ্য্য সম্পাদনকাৰী প্ৰক্ৰিয়াৰ ফলাফল তথা ব্যক্তিগত উদ্যমৰ মাজৰ পাৰ্থক্য বাহিৰ কৰিলে এই যুক্তিযুক্ততা গম পোৱা যাব।

দুৰখেইমৰ মতে সমাজ কেৱল মাত্ৰ কেইজনমান ব্যক্তিৰ সমষ্টি নহয়। গতিকে সমাজৰ অধ্যয়ন কেৱল মাত্ৰ কিছু সংখ্যক ব্যক্তিৰ অধ্যয়ন নহয়। ই সমাজৰ সমূহ বা সংস্থা (Association) আৰু ব্যক্তি আৰু সমাজ বা সামাজিক ব্যৱস্থাটো কেনেদৰে পৰস্পৰত নিৰ্ভৰশীল হৈ আছে সেই বিষয়ে অধ্যয়ন নকৰা উচিত।

দুৰখেইমে ৰচনা কৰা কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে— The Division of Labour in Society (1893), The Rules of Sociological Method (1895), Suicide (1897) and The Elementary Forms of Religious Life (1912).



জানি থোৱা ভাল

দুৰখেইমে ১৮৯৭ চনত সমাজতত্ত্বৰ বিখ্যাত আলোচনী ***L. Annee Sociologique*** ফ্ৰান্সত প্ৰতিষ্ঠা কৰে। এই আলোচনীখন সেই সময়ৰ এখন প্ৰভাৱশালী আৰু শক্তিশালী আলোচনী আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ লিখক—

ক) দুৰখেইমৰ পদ্ধতি সংৰচনাত্মক প্রকার্য্যবাদ।

খ) দুৰখেইমৰ মতে সমাজ এটা সামগ্রিক অৱস্থা য'ত সকলো অংশ আত্মনির্ভৰশীল কিন্তু পাৰস্পৰিক সম্বন্ধৰে সংলগ্ন।

গ) দুৰখেইমে গুৰুত্ব প্রদান কৰিছিল যে সামাজিক পৰিঘটনাবোৰ জৈৰিক আৰু মনোবিজ্ঞানিক কাৰকৰ দ্বাৰা সংঘটিত হয়।

৫.৪ সামাজিক তথ্য ঃ সংজ্ঞা

দুৰখেইমৰ মতে সামাজিক তথ্য হৈছে এনে এটা বস্তু যি ব্যক্তিৰ পৰা স্বতন্ত্র আৰু বাহ্যিক কিন্তু একে সময়তে ব্যক্তিৰ ওপৰত বাধ্য বাধ্যকতা আৰোপ কৰে।

৫.৪.১ বৈশিষ্ট্য

সামাজিক তথ্যৰ বৈশিষ্ট্য হৈছে—

- সামাজিক তথ্য এটা বস্তুৰ নিচিনা
- ব্যক্তিৰ বাবে ই বাহ্যিক
- ব্যক্তিৰ পৰা ই স্বতন্ত্র
- ই ব্যক্তিৰ ওপৰত বাধা আৰোপ কৰে, অর্থাৎ ই ব্যক্তিৰ ওপৰত বল প্রয়োগ কৰে। এজন ব্যক্তিয়ে যেতিয়া সামাজিক তথ্য ভঙ্গ কৰিব বিচাৰে তেতিয়া তেওঁ সামাজিক বাধ্যতাৰ সন্মুখীন হয়।
- ই সমাজৰ চৌদিশে প্রসাৰিত।
- সময়ৰ পৰিপ্রেক্ষিতত ই স্থায়িত্ব লাভ কৰিবলৈ সক্ষম হয়।

দুৰখেইমৰসামাজিকতথ্যৰ ধাৰণা এটা প্রকার্য্যমূলক দৃষ্টিকোণ (Functionalist Perspective) যি সমাজত পূর্বৰে পৰা চলি অহা সামাজিক শৃঙ্খলাৰ পৰা উৎপত্তি হয়।

দুৰখেইমৰ মতে সমাজত সামাজিক পৰিঘটনাবোৰ সামূহিক ক্রিয়া প্রতিক্রিয়াৰ ফলত সংঘটিত হয়। এইবোৰ ব্যক্তিৰ সমষ্টিৰ পৰা উদ্ভৱ হয়। ই সমাজত এবাৰ প্রতিষ্ঠিত হোৱাৰ পিছত সকলোৰে ঊর্ধ্বত থাকে আৰু ব্যক্তিৰ পৰা পৃথকীকৃত হয়। সেয়েহে সামাজিক পৰিঘটনাবোৰ ব্যক্তিৰ বাবে বাহ্যিক হৈ পৰে। এইবোৰ বস্তুৰ দৰে, সেয়েহে ইয়াক তথ্য বুলি কোৱা হয়।পার্থিব বস্তুবোৰ যেনেদৰে ব্যক্তিৰবাবে বাহ্যিক আৰু পৰীক্ষা-নিৰীক্ষা কৰিব পাৰি তেনেদৰে সামাজিক তথ্যৰ ক্ষেত্র ত তেনে বৈশিষ্ট্যযুক্ত, সেয়েহে, সামাজিক পৰিঘটনাবোৰ তথ্যৰ আধাৰত অধ্যয়ন কৰিব পাৰি, ইয়াৰ উপৰিও সমাজৰ

ব্যক্তিসমূহৰ ওপৰত বাধ্যতা শক্তি (Coercive Force) থাকে। সামাজিক ৰীতি-নীতি, মূল্যবোধ, সামাজিক শৃঙ্খলা আদি ৰক্ষা কৰিবলৈ অনুশাসনমূলক নীতি-নিয়ম প্রদর্শন কৰিবলৈ সমাজে ব্যক্তিক বাধ্য কৰায়।

সামাজিক তথ্যক বিজ্ঞানভিত্তিক অধ্যায়ন কৰিবলৈ দুৰখেইমে কিছুমান নীতি নির্দ্ধাৰণ কৰি দিছে।

৫.৪.২ সামাজিক তথ্য নিৰীক্ষণৰ নীতি

- সামাজিক তথ্যবোৰ পার্থিব বস্তুৰ দৰে ব্যৱহাৰ যোগ্য হোৱা উচিত, ই ব্যক্তিৰ বাবে বাহ্যিক।
- সামাজিক তথ্যবোৰ অধ্যয়ন কৰোতে উদ্দেশ্যধর্মী হোৱা উচিত, ইয়াক অধ্যয়ন কৰোতে কোনো ধৰণৰ প্রাৰম্ভিক ধাৰণা নোহোৱাকৈ অধ্যয়ন কৰিব লাগে। অর্থাৎ ইয়াক বস্তুনিষ্ঠভাৱে অধ্যয়ন কৰিব লাগে।
- সামাজিক পৰিঘটনাবোৰ বাহ্যিক গুণাগুনৰ ভিত্তিত অধ্যয়ন কৰিব লাগে যিবোৰ শ্রেণীকৰণ, তুলনা আৰু পৰীক্ষাযোগ্য।
- সামাজিক তথ্যৰ নিৰীক্ষণত ব্যক্তিগত আচৰণৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাই, ই সামূহিক আচৰণ পদ্ধতিৰ ওপৰতহে নির্ভৰশীল।

৫.৪.৩ সামাজিক তথ্য বর্ণনাৰ নীতি

দুৰখেইমৰ মতে আমি যেতিয়া সামাজিক পৰিঘটনাসমূহৰ ব্যাখ্যা বিচাৰো তেতিয়া আমি নিশ্চিতভাৱে এইবোৰৰ "প্রভাৱশীল কাৰক" (Efficient Cause) আৰু এইসমূহে কৰা কার্য্য সম্বন্ধে জনা উচিত।

ইয়াত প্রভাৱশীল কাৰক হল সেইবোৰ যিবোৰে সামাজিক পৰিঘটনা সমূহৰ সৃষ্টি কৰে আৰু এয়ে হৈছে সামাজিক শৃঙ্খলা ৰক্ষাৰ ক্ষেত্রত সেই পৰিঘটনাসমূহৰ উপযোগিতা।

৫.৪.৪ সামাজিক তথ্যৰ সমাজতাত্ত্বিক বর্ণনাৰ পৰীক্ষা

দুৰখেইমৰ মতে সামাজিক পৰিঘটনাবোৰ নিৰীক্ষণ, শ্রেণীকৰণ আৰু তুলনা কৰাৰ পিছত ইয়াৰ কাৰসমূহ বর্ণনা কৰা দৰকাৰী। এই প্রক্রিয়া সমাজতাত্ত্বিক সিদ্ধান্ত আৰু সামাজিক তথ্যৰ ক্রিয়াত্মক সম্বন্ধ প্রতিষ্ঠাৰ লগত তেওঁ পৰোক্ষ পৰীক্ষা কার্য্য অথবা তুলনা মূলক পদ্ধতি সামাজিক তথ্য সমূহ পৰীক্ষা কৰাৰ উপযুক্ত পদ্ধতি বুলি গণ্য কৰিছিল। এই পদ্ধতি এহাতে সহসম্বন্ধৰ পদ্ধতিৰ ওপৰত নির্ভৰশীল।

তেওঁ উল্লেখ কৰি গৈছে যে এই পদ্ধতিটো সমাজতাত্ত্বিক বিশ্লেষণৰ বাবে উপযুক্ত। প্রকৃত সামাজিক জীৱনত মানুহে চলক (বা সামাজিক তথ্য)সমূহক নিজৰ ইচ্ছানুৰূপে

চলাব নোৱাৰে। এইসমূহ এনে জটিলভাৱে গুঠি যোৱা থাকে যে ইচ্ছা অনুসৰি যিকোনো এটা চলকক বাদ দিব নোৱাৰি। আনুষাঙ্গিক পৰিৱর্তন (Concomitant Variation) পদ্ধতিত চলকসমূহক নিয়ন্ত্রণ কৰাৰ প্রয়োজন নহয় ৰৰং সেইসমূহৰ প্রকৃতি নিৰিক্ষণ কৰি সামাজিক তথ্যসমূহৰ মাজত কাৰণগত সম্বন্ধৰ ওপৰত মিমাংসা কৰিব লাগে।

সহঃসম্বন্ধ পদ্ধতি সাঙ্কেতিকভাৱে তলত দিয়া ধৰণে বর্ণনা কৰিব পাৰি।



জানি থোৱা ভাল

আনুষঙ্গিক পৰিৱর্তনৰ পদ্ধতি মতে যদি কোনো এক নির্দিষ্ট প্রভাৱ সৃষ্টিকাৰী পৰিস্থিতি শৃঙ্খলা এটাত আমি প্রভাৱটোৰ এনে এক নির্দিষ্ট উপাদান বিচাৰি পাওঁ, যিটো সেই পৰিস্থিতিবোৰৰ এক উমৈহতীয়া কাৰকৰ চলকতকৈ ভিন্ন, তেন্তে আমি সেই কাৰকটোক কাৰণ হিচাপে চিহ্নিত কৰিব পাৰোঁ।

যদি সামাজিক উপাদান ABCৰ উদ্ভাৱন XYZৰ লগত একেলগে হয় তেন্তে—

A↑BC লগে লগে X↑YZ হব। অর্থাৎ A উপাদানৰ বৃদ্ধিৰ লগে লগে X উপাদানৰ বৃদ্ধি হ'ব (↑ বৃদ্ধিক সূচায়)

A↓BC লগে লগে X↓YZ হ'ব, অর্থাৎ A উপাদানৰ অৱনতিৰ লগে লগে X উপাদানৰো অৱনতি হ'ব (↓ অৱনতি সূচায়)

সেয়েহে সিদ্ধান্ত ল'ব পাৰি যে A আৰু X পৰস্পৰ নির্ভৰশীল, অর্থাৎ A, Xৰ উপযুক্ত কাৰক। সেইধৰণে তুলনাত্মক পদ্ধতি সামাজিক পৰিঘটনা প্রমাণ কৰিবলৈকো ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ দ্বাৰা আন এটা সিদ্ধান্ত ল'ব পাৰি যে এটা প্রদত্ত সামাজিক তথ্যৰ সদায় কাৰক হিচাপে এটা সামাজিক পৰিঘটনা থাকে।

৫.৪.৫ প্রকাৰ

- **স্বাভাৱিক (Normal) ঃ** এটা সামাজিক তথ্য স্বাভাৱিক বুলি ক'ব পাৰি যেতিয়া এক নির্দিষ্ট সমাজত ই সাধাৰণতে বাধাপ্রাপ্ত হয় আৰু সেই বাধাৰ তেনে ধৰণৰ সমাজত উপযোগীতা আছে। সেয়েহে অপৰাধ স্বাভাৱিক হ'ব পাৰে যদিহে এই চর্তসমূহ পূৰণ হয়। প্রত্যেক সমাজক এক নির্দিষ্ট হাৰৰ অপৰাধ বিদ্যমান, তেনে ধৰণৰ সমাজৰ বাবে এইটোৱেই স্বাভাৱিক হাৰ; যেতিয়ালৈকে এই হাৰ বর্তি থাকে তেতিয়া সামাজিক তথ্য হিচাপে অপৰাধ স্বাভাৱিক হয়। সমাজ পৰিবর্ত্তনৰ মাধ্যম হিচাপে অপৰাধৰ ক্রিয়াত্মক গুৰুত্বৰ কথা দুৰখেইমে উনুকিয়াইছে।
- **নিদান শাস্ত্রীয় (Pathological) ঃ** সামাজিক তথ্য যেতিয়া স্বাভাৱিক হাৰতকৈ বৃদ্ধি পায় তেতিয়া নিদান শাস্ত্রীয় বুলি ক'ব পাৰি। সেয়েহে অপৰাধ আৰু আত্মহত্যা নিদান শাস্ত্রীয় হ'ব যেতিয়া কোনো বিশেষ সমাজ ব্যৱস্থাত এই ধৰণৰ ঘটনা হঠাৎ বৃদ্ধি পায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ লিখক—

ক) এটা সামাজিক তথ্য এজন ব্যক্তিৰ বাবে বাহ্যিক নহয়।

খ) যিকোনো এজনে এটা সামাজিক তথ্য সহজতে ভঙ্গ কৰিব পাৰে।

গ) এটা সামাজিক তথ্যৰ এটা ক্রিয়াত্মক কার্য্য আছে— ই সামাজিক শৃঙ্খলা প্রতিষ্ঠা কৰে।

ঘ) দুৰখেইমৰ মতে তুলনাত্মক পদ্ধতি সামাজিক তথ্য অধ্যয়নৰ উপযুক্ত পদ্ধতি।

ঙ) সামাজিক তথ্যবোৰ স্বতন্ত্র যিবোৰৰ মাজত কোনো সম্বন্ধ নাই।

চ) সামাজিক তথ্যবোৰ বাহ্যিক আৰু সমাজৰ পৰা স্বতন্ত্র।

৫.৫ শ্রমৰ বিভাজন

দুৰখেইমৰ মতে সামাজিক জীৱন তথা সামূহিক জীৱন সম্ভৱ হ'ব পাৰে যেতিয়া সামাজিক সংহতি (Social Solidarity) থাকে। সামাজিক সংহতিয়ে এখন সমাজৰ সদস্যসকলৰ ঐক্যমত বা শৃঙ্খলাবদ্ধতাৰ ইঙ্গিত বহন কৰে। সামাজিক সংহতি দুটা প্রাথমিক উৎসৰ ওপৰত আধাৰিত।

- সচেতনতাৰ সাদৃশ্য
- শ্রমৰ বিভাজন

সচেতনতাৰ সাদৃশ্যই সূচায় যে জনসাধাৰণ মানসিকভাৱে আৰু নীতিগতভাৱে এক জাতীয় তেওঁলোকে একে আৱেগ অনুভৱ কৰে, একে মূল্যবোধ পোষণ কৰে আৰু পৱিত্রতা সম্পর্কে একে ধৰণে বিশ্বাস কৰে।

শ্রম বিভাজন হৈছে এখন সমাজত শ্রমৰ বিশেষীকৰণ। এখন সমাজত জনসাধাৰণে সমাজত বিভিন্ন ধৰণৰ কার্য্য সম্পাদন কৰে।

দুৰখেইমে গুৰুত্ব দিছিল যে এই দুয়োটা কাৰক সচেতনতাৰ সাদৃশ্য আৰু শ্রম বিভাজনে সামাজিক সংহতিৰ ক্ষেত্রত বিশেষ ভূমিকা পালন কৰে। পৰৱর্তী অংশত আমি শ্রম বিভাজন আৰু সামাজিক সংহতিৰ সম্বন্ধ সম্পর্কে আলোচনা কৰিম।

পৌৰাণিক সৰল সমাজত যাক দুৰখেইমে আদিম সমাজ আখ্যা দিছে, তেনে সামাজিক ৰচনাত কোনো ধৰণৰ শ্রম বিভাজন নাছিল। জনসাধাৰণে সাধাৰণ স্থান দখল কৰিছিল আৰু তেওঁলোকৰ সামাজিক জীৱনত গুৰুত্বপূর্ণ সকলো কার্য্য নিজেই সম্পাদন কৰিছিল।



জানি থোৱা ভাল

ঊনবিংশ আৰু বিংশ শতিকাৰ ধ্রুপদী সামাজিক চিন্তাবিদসকলে সৰল জীৱন-যাপন কৰা সমাজসমূহক আদিম আখ্যা দিছিল। অৱশ্যে বিশ্ব যুদ্ধৰ পৰৱর্তী কালছোৱাত 'আদিম' শব্দটো অসন্মানজনক বুলি তীব্র সমালোচনাৰ সন্মুখীন হয়। ইয়াৰ দ্বাৰা ইয়াকে বুজাইছিল যে সৰল সমাজসমূহ জীৱনৰ সকলো দিশতে পাছপৰা আছিল আনহাতে, এনে বহুত সমাজ আছিল যিবোৰ তেওঁলোকতকৈ ভাল অৱস্থাত আছিল। সেই সময়ত সামাজিক আপেক্ষিকতাবাদে বৈজ্ঞানিক মনোযোগ লাভ কৰিবলৈ সক্ষম হয়। ইয়েই মানুহৰ সমাজ একোখনক আন একোখন সমাজৰ প্রসঙ্গতকৈ নিজৰ প্রসঙ্গতে বিচাৰ কৰি চোৱাৰ প্রৱণতা জগায়। এই পিছৰ প্রৱণতাটোকে কোৱা হয় Ethnocentrism। গতিকে আজিকালি আগৰ আদিম বা উন্নত সমাজ ইত্যাদি শব্দতকৈ সৰল আৰু জটিল এই শব্দ দুটা সংহাৰ কৰা হয়।

শ্রম বিভাজনৰ ফলত সমাজৰ স্তৰ আৰু কার্য্য অধিক জটিল হয়। শ্রম বিভাজন আৰু সামাজিক বিবর্তনৰ সম্পর্কৰ বিষয়ে তেওঁ মন্তব্য দিছে যে প্রধানকৈ শ্রম বিভাজনৰ প্রক্রিয়াটোৰ ওপৰতে সামাজিক বিৱর্তনৰ গতি নির্ভৰ কৰে। শ্রম বিভাজনৰ ফলত মানুহৰ পাৰদর্শিতা বৃদ্ধি পায়। সামাজিক বিৱর্তনৰ গতিও খৰটকীয়া হয়। তেওঁৰ মতে শ্রম বিভাজন গতিশীল ই স্থিতিশীল নহয় আৰু সেই কাৰণেই সামাজিক প্রগতি সম্ভৱপৰ হয়।

- **কাৰকসমূহ ঃ** দুৰখেইম, যিয়ে সামাজিক তথ্যসমূহৰ উদঘাটনত গুৰুত্ব দিছিল, সমাজৰ সংৰচনাত্মক প্রকার্য্য সমূহৰ জটিলতা বৃদ্ধিৰ কাৰণসমূহো বিচাৰি উলিয়াবলৈ প্রচেষ্টা চলাইছিল।তেওঁ সমাজত শ্রম বিভাজনৰ কাৰণসমূহ তলত দিয়া ধৰণে বিচাৰি উলিয়াইছে।
  - ➢ জনসংখ্যা বৃদ্ধিৰ অনুপাতে শ্রমৰ পৰিমাণো বৃদ্ধি কৰিবলগা অৱস্থা আহি পৰে।
  - ➢ জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ আৱশ্যকতা বৃদ্ধি পায় আৰু তাৰ ফলত চাহিদা বৃদ্ধি পায়। সম্পদৰ বিতৰণ সীমিত হোৱা বাবে ই প্রতিযোগিতাৰ সৃষ্টি কৰে। এনে পৰিস্থিতিত এটা পদ্ধতি বিকশিত হয়, যাৰ দ্বাৰা মানুহক বিভিন্ন কামৰ দায়িত্ব দিয়া হয়। শ্রম বিভাজনৰ গতিশীলতা বৃদ্ধিৰ ফলত সমাজ অধিক জটিল হয়।

৫.৬ সামাজিক সংহতি

দুৰখেইমে সামাজিক ঐক্য অথবা সমাজৰ শৃঙ্খলাবোধ বিষয়ত আগ্রহী আছিল। ইয়াৰ মূল কাৰণ আছিল তেওঁৰ সময়ৰ সামাজিক পৰিৱেশ যত ব্যক্তিস্বার্থ, বৃদ্ধিপ্রাপ্ত জনসংখ্যাৰ ঘনত্ব, বিচ্ছিন্ন জনসাধাৰণ আৰু নৈতিক বিচ্ছুৰণেগা কৰি উঠিছিল।গতিকে তেওঁ নিজৰ প্রথমখন প্রকাশিত গ্রন্থ The Division of Labour (1893)ত সমাজখনত কেনেকৈ নৈতিক নীতি-নিয়ম আৰু সামাজিক সংহতি লাভ কৰিব পাৰি। সেয়ে তেওঁ এটা বিৱর্তনবাদী আর্হিত (Model) আদিম

আৰু আধুনিক, সমসাময়িক সমাজসমূহ তুলনাৰ যোগেৰে এই অধ্যয়ন চলাইছিল। তেওঁ বিশ্বাস কৰিছিল যে সমাজসমূহ আদিম আৰু সৰল অৱস্থাৰ পৰা আধুনিক আৰু জটিল অৱস্থালৈ বিকশিত হয়। তেওঁ বুদ্ধিৰে দেখুৱাইছিল আদিম সমাজত যেনেকৈ যান্ত্রিক ঐক্যবোধে সামাজিক ঐক্যবোধৰ বা সামাজিক সংহতি আনিছিল আধুনিক সমাজলৈ সেয়া আহিছিল জৈৱিক ঐক্যৰ জৰিয়তে।

দুৰখেইমেসামাজিক ঐক্যবোধত গুৰুত্ব দিছিল কাৰণ তেওঁ সমাজে বিশৃঙ্খলতা আঁতৰাবৰ বাবে কেনেকৈ এটা ব্যৱস্থাৰ সৃষ্টি কৰে আৰু সমাজত সংহতি আৰু শৃঙ্খলা বজাই ৰাখে সেই বিষয়ে সচেতন আছিল।

৫.৬.১ যান্ত্রিক সংহতি (Mechanical Solidarity)

আদিম সমাজসমূহত বৈশিষ্ট হল কম ঘনত্বৰ জনসংখ্যা আৰু একাদিক্রমে ব্যৱহাৰ হৈ অহা সৰল কৌশলৰ প্রয়োগ। গতিকে সমাজৰ লোকসকলৰ কামবোৰৰ মাজত সাদৃশ্য থাকে, যিহেতু সকলোৱে প্রায় একেধৰণৰ কামকে কৰে। অথচ জীৱন ধাৰণৰ ক্ষেত্রত কোনোৱেই আনজনৰ ওপৰত নির্ভৰশীল নহয়। ইয়াৰ কাৰণ হ'ল তেওঁলোক সকলোৱেই নিজৰ মাটিত খেতিবাতি কৰে আৰু নিজৰ বাসস্থান বনায়। আনকথাত এনেবোৰ সমাজত অধিক স্বতন্ত্রতা থাকে।

আদিম সমাজসমূহ কিছুমান সৰল নীতি-নিয়ম,পৰম্পৰা আৰু প্রত্যাশাৰ ওপৰত ভিত্তি কৰি চলি থাকে তেওঁলোকে ইজনে সিজনৰ সৈতে উমৈহতীয়া বিশ্বাস আৰু ঐক্যমতৰ জৰিয়তে সম্পর্কিত হৈ থাকে। ইয়েই সমাজত যান্ত্রিক ঐক্যতাৰ জন্ম দিয়ে।



জানি থোৱা ভাল

দুৰখেইমে সন্মিলিত বিবেকৰ জ্ঞান নিৰূপণ কৰি ইয়াক সমাজৰ সাধাৰণ সদস্যসকলৰ দ্বাৰা মান্য বিশ্বাস আৰু অনুভূতিৰ খূল আখ্যা দিছে।

যান্ত্রিক সংহতিৰ বৈশিষ্ট্য ঃ

- ইয়াক আদিম সৰল সমাজত পোৱা যায়।
- এই সমাজবোৰত জনসংখ্যাৰ ঘনত্ব কম।
- সেয়েহে ইয়াৰ সদস্যসকলৰ মাজত ঘনিষ্টতা থাকে।
- প্রায় সকলোৱেই একে ধৰণৰ পৰম্পৰাগত কার্য্য সম্পাদন কৰে। ইয়াত তুলনামূলকভাৱে সৰল শ্রম বিভাজন থাকে।
- এই সমাজবোৰৰ বৈশিষ্ট্য হ'ল অধিক অর্থনৈতিক স্বাধীনতা আৰু নৈতিক সংহতি।
- যান্ত্রিক ঐক্য দমনমূলক বিধি (Repressive Law) জড়িত, মূল্যবোধ আৰু সামাজিক নীতি সমূহ সাধাৰণ দমনমূলক বিধিৰ দ্বাৰা উত্তৰণ ঘটাব পাৰি।
- যান্ত্রিক ঐক্য সামূহিক ভাৱধাৰাৰ ওপৰত আধাৰিত।

৫.৬.২ জৈৱিক সংহতি (Organic Solidarity)

সমাজখন বিস্তৃত হোৱাৰ লগে লগে মানুহৰ বাৰে একেটা কামকে কৰা বা কামৰ ক্ষেত্ৰত সাদৃশ্যতা বজাই ৰখাটো সম্ভৱ নহয়গৈ। জনসংখ্যাৰ ঘনত্ব বঢ়াৰ লগে লগে অৰ্থনৈতিক কাম কাজৰো প্ৰসাৰ হয়। গতিকে কামৰ পৰষ্পৰাগত কৌশলসমূহ অধিক জটিল, পৃথকীকৰণ আৰু বিশেষীকৰণ হোৱাৰ পৰিপ্ৰেক্ষিতত সমাজত শ্ৰম বিভাজনৰ সূত্ৰ সংযোগ কৰি উৎপাদন কৰা প্ৰক্ৰিয়াটোত একো একোটা শাখাই একো একোটা অংশ প্ৰস্তুত কৰাৰ পাৰদৰ্শিতা লাভ কৰে। আদিম সমাজৰ দৰে গোটেই বস্তুটোৱেই প্ৰস্তুত কৰিবলৈ নাযায়।

শ্ৰম বিভাজনে বিস্তাৰ লাভ কৰাৰ লগে সদস্য সকলৰ কামৰ মাজতো সাদৃশ্যতা নোহোৱা হবলৈ ধৰে। তেওঁলোক মাজত স্বাৰ্থ আৰু সম্বন্ধ চুক্তিমতে হয়। তেওঁলোকৰ মাজতথকা উমৈহতীয়া বিশ্বাস, নীতি-নিয়ম আদি লাহেলাহে হ্ৰাস পাবলৈ ধৰে। বিশ্বাস আৰু নৈতিকতাৰ ক্ষেত্ৰতো ঐক্যতা লাহে লাহে হ্ৰাস পাবলৈ ধৰে। এনে এটা পৰিস্থিতিয়ে সমাজক নৈতিক বিশৃঙ্খলাৰ পৰ্য্যায়লৈ লৈ যায়। ইয়াকে কোৱা হৈছে প্ৰতিমানহীন পৰিস্থিতি বা এন'মি (Anomie)। পুনৰুদ্ধাৰবিধি যাৰ উদ্দেশ্য হ'ল ইতিমধ্যে ভাঙন ধৰা সমাজখনৰ ভাঙনৰ ক্ষতিপূৰণ দি কিছু পৰিমাণে পুনৰোদ্ধাৰ কৰা, এই পৰিস্থিতিৰ এয়ে বৈশিষ্ট্য।

কিন্তু শ্ৰম বিভাজনৰ ফলস্বৰূপে সদস্য সকলৰ মাজত নিৰ্ভৰশীলতা বৃদ্ধি পায়। তেনে পৰিস্থিতিত আৰু এইবোৰৰ জৰিয়তে তেওঁলোকে ৰাষ্ট্ৰ বা চৰকাৰৰ সৈতে সম্পৰ্ক স্থাপন কৰে। এই সংঘসমূহে সমূহীয়াভাৱে সৃষ্টি কৰা নৈতিক বাধ্য বাধ্যকতাই ব্যক্তিৰ ওপৰত কৰ্তৃত্ব চলায়। গতিকে জটিল আধুনিক সমাজত সামাজিক শৃঙ্খলা আৰু সংহতি এইদৰে বজাই ৰখা হয়। দু ৰখেইমে ইয়াকে জৈৱিক ঐক্য আখ্যা দিছে।



জানি থোৱা ভাল

এন'মি (Anomie) হৈছে প্ৰতিমানহীনতা (Normlessness) যেতিয়া সমাজ পদ্ধতিত ভাঙোনমূখী অৱস্থাই দেখা দিয়ে সামাজিক মূল্যবোধৰ মান্যতা ভঙ্গ হয় আৰু ইয়াৰ ফলত সমাজত বিশৃঙ্খলতাৰ সৃষ্টি হয়।

জৈৱিক সংহতিৰ বৈশিষ্ট্য ঃ

- ইয়াক জটিল আৰু আধুনিক সমাজত পোৱা হয়, বিশেষকৈ উদ্যোগিক সমাজত।
- ই শ্ৰম বিভাজনৰ দ্বাৰা বৈশিষ্ট্যযুক্ত, এজন ব্যক্তিয়ে উৎপাদিত বস্তুৰ এটা অংশতহে পাৰদৰ্শিতা লাভ কৰে, সমগ্ৰ বস্তুৰ ওপৰত পাৰদৰ্শিতা লাভ নকৰে।
- মানুহ উৎপাদন প্ৰাৰম্ভিকতাৰ কেৱল মাত্ৰ শ্ৰমৰ গোট।
- ই পুনৰুদ্ধাৰ বিধিৰ (Restitutive Law) দ্বাৰা বৈশিষ্ট্যযুক্ত।
- আধুনিক অৰ্থনীতিত পৃথকীকৰণ আৰু বিশেষীকৰণৰ ফলত সমাজত গঢ়লৈ উঠা অধিক পাৰষ্পৰিক নিৰ্ভৰশীলতা ইয়াৰ বৈশিষ্ট্য।



জানি থোৱা ভাল

সামাজিক সংহতি মূলতঃ সমাজত পৰিব্যাপ্ত হৈ থকা এটা নৈতিক ব্যৱস্থা। দুৰখেইমে বাহ্যিক বৈশিষ্ট্যসমূহৰ অন্বেষণ কৰিছিল যাতে মানুহৰ মাজত অস্তিত্বশীল নৈতিকতাৰ স্বৰূপ পৰিমাপ কৰিব পৰা যায়। তেওঁ সমাজত ক্রিয়াশীল সামূহিক নৈতিক অনুভূতিসমূহৰ প্রকৃতি আৰু প্রাৱল্য সূচক নির্দেশিকাৰ সন্ধান কৰিছিল। তেওঁ যুক্তি দর্শাইছিল যে এই 'দৃশ্যমান প্রতীকে'ই সমাজৰ আইন আৰু বিশেষতঃ ই আইনৰ মাজেদি প্রকাশ পোৱা অনুশাসন (যিয়ে কর্তৃত্ব আৰু অনুমোদন প্রদান কৰে। অনুশাসন দুই প্রকাৰৰ— অৱদমনমূলক আৰু পুনৰবাহালক্ষম। এইটোৱেই হৈছে সেই প্রাৱল্যৰ স্পষ্ট সূচিকা নির্দেশক, যাৰ জৰিয়তে কিছুমান বিশেষ নীতি উপদেশ সমাজৰ 'অনুভূতি'ত সংৰক্ষিত হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ লিখক—

ক) জৈৱিক সংহতি আদিম/সৰল সমাজত পোৱা যায়।

খ) যান্ত্রিক সংহতি অধিক বিশেষীকৰণ আৰু শ্রম বিভাজনৰ দ্বাৰা বৈশিষ্ট্যযুক্ত।

গ) যান্ত্রিক সংহতি দমনমূলক বিধি আৰু জৈৱিক সংহতি পুণৰুদ্ধাৰ বিধিৰ দ্বাৰা বৈশিষ্ট্যযুক্ত।

ঘ) দুৰখেইমে বিশ্বাস কৰিছিল যে সমাজ সৰলৰ পৰা জটিললৈ অগ্রসৰ হয়।

ঙ) দুই ধৰণৰ সামাজিক সংহতি— যান্ত্রিক সংহতি আৰু জৈৱিক সংহতি ৰেখাৰে আগবঢ়াইছিল।

চ) সামাজিক সংহতিয়ে দেখুৱায় যে সামাজিক বিশৃঙ্খলতা আৰু সামাজিক শৃঙ্খলা সমাজে নিজেই সৃষ্টি কৰে।

৫.৭ দুৰখেইমৰ অৱদানৰ সমালোচনা

সামাজিক তথ্যৰ ধাৰণাৰ ভিত্তিত দুৰখেইমে সমাজতত্ত্ব এটা সুস্পষ্ট, উদ্দেশ্যধর্মী আৰু শক্তিশালী বিজ্ঞান হিচাপে ভেটি প্রতিষ্ঠা কৰিছিল। এই ধাৰণাৰ সহায়ত তেওঁ প্রমাণ কৰিছিল যে ব্যক্তিগত ক্রিয়াসমূহ প্রকৃততে সামাজিক কাৰকৰ দ্বাৰা প্রভাৱান্বিত হয় যিবোৰ সামাজিক গাঁথনিৰ দ্বাৰা সৃষ্ট আৰু প্রযোজ্য।

সামাজিক শৃঙ্খলা ৰক্ষা কৰাৰ ক্ষেত্ৰত দুৰখেইমৰ সামাজিক সংহতি অতিকৈ উল্লেখযোগ্য। তেওঁৰ মতে, সামাজিক তথ্যই পাৰস্পৰিক সম্বন্ধ আৰু সামাজিক শৃঙ্খলা ৰক্ষা কৰিবলৈ ক্ৰিয়া কৰে। এই সংক্ৰান্তত তেওঁ আদিম আৰু সৰল অৱস্থাৰ পৰা আধুনিক আৰু জটিল অৱস্থালৈ সমাজৰ বিৱৰ্তনৰ কথা উল্লেখ কৰিছে।আদিম সমাজত যান্ত্ৰিক ঐক্য হ'ল সামাজিক শৃঙ্খলা প্ৰতিষ্ঠাৰ বাবে সামাজিক তথ্য, কিন্তু জটিল সমাজত জৈৱিক সংহতি হ'ল সামাজিক শৃঙ্খলা প্ৰতিষ্ঠাৰ সামাজিক তথ্য।

যি কি নহওক, সমালোচকসকলে মতামত আগবঢ়াইছে যে সমাজৰ ক্ষেত্ৰ ত সম্পূৰ্ণ বস্তুনিষ্ঠ অধ্যয়ন সম্ভৱপৰ নহয়। সামাজিক পৰিঘটনাবোৰৰ আলোচনাত্মক বৰ্ণনা আৰু বিবেচনা কৰা হয়। উদাহৰণ স্বৰূপে, ৰেবাৰে মতামত আগবঢ়াইছে যে সমাজতত্ত্ব প্ৰাকৃতিক বিজ্ঞানৰ দৰে উদ্দেশ্যধৰ্মী হ'ব নোৱাৰে কাৰণ ই মানৱ জাতি আৰু সমাজৰ জটিল পৰিস্থিতি ও বিবেচনা কৰে।

আন এটা সমালোচনা হৈছে যে দুৰখেইমৰ, সমাজ আদিম অৱস্থাৰ পৰা জটিল অৱস্থালৈ বিৱৰ্তনৰ ধাৰণা অতিকৈ সৰল। সকলো সমাজেই সময়ৰ পৰিপ্ৰেক্ষিতত আদিম অৱস্থাৰ পৰা জটিল অৱস্থালৈ বিৱৰ্তন নহয়। উদাহৰণ স্বৰূপে, বৰ্তমান যুগতো অধিক সংখ্যক জনজাতীয় সমাজত পৰম্পৰাগত ৰীতি-নীতি বিদ্যমান।

সমালোচকসকলে আকৌ মন্তব্য আগবঢ়াইছে যে সামাজিক তথ্য অধ্যয়নৰ বাবে দুৰখেইমে বৰ্ণনা কৰা তুলনাত্মক পদ্ধতি অতি সৰল। সমাজবোৰ জটিল আৰু এটা সামাজিক পৰিঘটনাৰ এটাতকৈ অধিক যোগ্য কাৰক থাকিব পাৰে।

যদিও দুৰখেইমৰ পদ্ধতি সমালোচনাৰ সন্মুখীন হৈছে, তথাপি তেওঁৰ সমাজতত্ত্বৰ ক্ষেত্ৰ ত অৱদান উল্লেখনীয় কাৰণ তেওঁ সমাজতত্ত্বক বিজ্ঞানসন্মত বিষয় হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক তথ্যক দুৰখেইমে সমাজতত্ত্বৰ বিষয়বস্তু হিচাপে প্ৰতিষ্ঠা কৰিছিল।
- সামাজিক তথ্য ব্যক্তিৰ বাবে বাহ্যিক আৰু ব্যক্তিৰ পৰা স্বাধীন। তথাপিও ই ব্যক্তিৰ ওপৰত বাধ্যতা প্ৰয়োগ কৰে।
- সামাজিক তথ্য বস্তুৰ নিচিনা আৰু ইয়াক সহজে ভঙ্গ কৰিব নোৱাৰি।
- সামাজিক তথ্যসমূহৰ যোগ্য কাৰক থকাটো আৰু এবিধ কাৰ্য্য কৰাটো বাঞ্ছনীয়, যেনে— সামাজিক শৃঙ্খলা প্ৰতিষ্ঠা কৰা।
- সামাজিক তথ্যৰ এটা যোগ্য কাৰক থাকে কাৰণ সকলো তথ্যই কাৰ্য্যকাৰণ সম্বন্ধৰ জৰিয়তে ইটোৰ সৈতে সিটোৰ লগত জড়িত হৈ থাকে।
- দুৰখেইমে সামাজিক তথ্য অধ্যয়নৰ বাবে তুলনাত্মক পদ্ধতিক আটাইতকৈ উত্তম পদ্ধতি বুলি গণ্য কৰিছিল যিয়ে সমাজতত্ত্বক প্ৰাকৃতিক বিজ্ঞানৰ দৰে বস্তুনিষ্ঠ আৰু বিজ্ঞানসন্মত কৰে।

- যান্ত্রিক ঐক্য আদিম সমাজত পোৱা যায়। ই দমনমূলক বিধিৰ বৈশিষ্ট্যযুক্ত।
- জৈৱিক ঐক্য জটিল সমাজত সামাজিক শৃঙ্খলা ৰক্ষা কৰে। ই পুনৰপদ্ধাৰ বিধিৰ বৈশিষ্ট্যযুক্ত।



৫.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) শ্ৰীগুণমনি নাথ; *সমাজতত্ত্ব সিদ্ধান্ত পৰিচয়*; গোলাঘাট ঃ ভাগৱতী প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Abraham, Francis and Morgan, J. H.; *Sociological Thought*; Delhi: Macmillan India Ltd.
2) Coser, Lewis A; *Masters of Sociological Thought*: Delhi, Jaipur: Rawat.



৫.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ, খ) শুদ্ধ, গ) অশুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ, খ) অশুদ্ধ, গ) শুদ্ধ, ঘ) শুদ্ধ, ঙ) অশুদ্ধ, চ) অশুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ, খ) অশুদ্ধ, গ) শুদ্ধ, ঘ) শুদ্ধ, ঙ) অশুদ্ধ, চ) শুদ্ধ



৫.১১ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক তথ্যৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ২ ঃ সামাজিক তথ্য নিৰীক্ষণ, বৰ্ণনা আৰু পৰীক্ষা কৰিবলৈ কি কি নীতি অনুসৰণ কৰা হয়।

প্ৰশ্ন ৩ ঃ শ্ৰম বিভাজন কি? সমাজত শ্ৰম বিভাজন সৃষ্টি হোৱা কাৰকসমূহ কি কি?

খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক ঐক্য কি? দুৰখেইমৰ মতে দুই প্ৰকাৰ সামাজিক ঐক্য কি কি? ইহঁতৰ বৈশিষ্ট্য সমূহ কি কি?

প্ৰশ্ন ২ ঃ যান্ত্রিক ঐক্য কি? ইয়াৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৩ ঃ জৈৱিক ঐক্য কি? ইয়াৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৪ ঃ দুৰখেইমৰ সমাজতত্ত্বলৈ অৱদান সমালোচনাসহ বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ দুৰখেইমে সমাজতত্ত্বক এটা সুস্পষ্ট আৰু উদ্দেশ্যধৰ্মী বিজ্ঞানভিত্তিক বিষয় হিচাপে গঢ় দিবলৈ কেনেদৰে প্ৰস্তাৱ দিছিল?

*** ***** ***

অধ্যায় ৬ ঃ দুৰখেইম ঃ আত্মহত্যা আৰু শিক্ষা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ইমাইল দুৰখেইম আৰু আত্মহত্যা
৬.৩.১ আত্মহত্যাৰ প্রকাৰ
৬.৪ ইমাইল দুৰখেইমৰ শিক্ষা সম্পৰ্কীয় মত
৬.৪.১ শিক্ষা আৰু সামাজিকীকৰণ
৬.৪.২ সামাজিক সংহতি আৰু নৈতিক শিক্ষা
৬.৪.৩ নৈতিক শিক্ষাৰ প্রশিক্ষণ স্তৰ
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক শক্তিবোৰে কেনেকৈ আত্মহত্যাৰ পথ সুচল কৰে অথবা প্রতিহত কৰে সেয়া বুজি পাব
- আত্মহত্যাৰ প্রকাৰবোৰ জানিব পাৰিব
- সমাজে কেনেকৈ শিক্ষাক প্রভাৱিত কৰে বুজি পাব
- সমাজত শিক্ষাৰ কার্য্য কি সেয়া বুজি পাব
- আধুনিক সমাজত নৈতিক শিক্ষাৰ গুৰুত্ব কিমান সেয়া জানিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টি (অধ্যায়-৫) পঢ়ি ইমাইল দুৰখেইমৰ কিছুমান লিখনীৰ বিষয়ে এক ধাৰণা গঢ়ি লৈছিল। আমি গম পালোঁ যে দুৰখেইমৰ মতে সমাজতাত্ত্বিকৰ কাম হ'ল সামাজিক সত্যতাবোৰ বুজি উঠা। দুৰখেইমে বিস্তৃত গৱেষণা আৰু অধ্যয়ন কৰা এটা সামাজিক সত্যতা হ'ল আত্মহত্যা। দুৰখেইমৰ আত্মহত্যাৰ তত্ত্বটো ১৮৯৭ চনত এখন গ্রন্থৰ আকাৰত প্রকাশিত হৈছিল।

তেওঁ শিক্ষাকো এটা সামাজিক সত্যতা বুলি গণ্য কৰিছিল। কাৰণ প্রতিটো যুগতেই সমাজ এখনে ইয়াৰ উঠি অহা প্রজন্মক কেনে শিক্ষা দিবলৈ মন কৰে তাৰ ওপৰত ভিত্তি কৰি

শিক্ষাৰ প্ৰকৃতি তথা প্ৰকাৰ নিৰ্দ্ধাৰণ কৰি আহিছে। এই অধ্যায়টিত আমি আত্মহত্যাক কিয় এটা সামাজিক সত্যতা বুলি ধৰা হয় আৰু আত্মহত্যাৰ প্ৰকাৰবোৰ কি কি সেয়া বহলকৈ বুজাৰ চেষ্টা কৰিম। লগতে শিক্ষা সন্দৰ্ভত দুৰখেইমৰ মত আৰু সমাজত শিক্ষাৰ কাৰ্য্য সম্পৰ্কীয় আলোচনাকো অধ্যায়টিত সামৰি লোৱা হৈছে।

৬.৩ ইমাইল দুৰখেইম আৰু আত্মহত্যা

ইমাইল দুৰখেইমে আত্মহত্যাক এটা সামাজিক সত্যতা বুলি গণ্য কৰাৰ কাৰণ হ'ল প্ৰতিখন সমাজতে আত্মহত্যাৰ সমস্যাটো আছিল অথবা আছে। দুৰখেইমে আত্মহত্যাক ব্যক্তিগত কাৰ্য্য বুলি নাভাবি সামাজিক সত্যতা বুলি কৈছিল। ইয়াৰ কৰাণ হ'ল সমাজত সদায়েই এনে কিছুমান লুপ্ত অথবা প্ৰকাশ্য সামাজিক শক্তি থাকে যিবোৰে মানুহক আত্মহত্যা কৰিবলৈ বাধ্য কৰায়। দুৰখেইমৰ মতে আত্মহত্যৰ হাৰ হ'ল এটা সত্য বিন্যাস। ই এক ঐক্যৱদ্ধ আৰু সুনিৰ্দিষ্ট বিন্যাস। প্ৰত্যেকখন সমাজতে আত্মহত্যাৰ ঘটনা ঘটে। সমাজভেদে হাৰৰ তাৰতম্য ঘটিব পাৰে। আত্মহত্যা সম্পৰ্কে দুৰখেইমে আগবঢ়োৱা প্ৰধান ব্যাখ্যাবোৰ তলত উল্লেখ কৰা হ'ল—

- আত্মহত্যা এক সামাজিক সত্যতা। এটা সামাজিক সত্যতা হিচাপে আত্মহত্যাৰ আন সামাজিক সত্যতাবোৰ সৈতে সম্পৰ্ক আছে। সমাজৰ অন্য সত্যতাবোৰৰ মাজত আত্মহত্যাৰ কাৰণ অন্বেষণ কৰিব পাৰি। অন্য সামাজিক সত্যতাৰ বাবেহে আত্মহত্যাৰ সমস্যাটো বৰ্তি আছে।
- প্ৰত্যেক সমাজতে আত্মহত্যাৰ কম-বেছি পৰিমাণে এক ধ্ৰুৱক হাৰ পৰিলক্ষিত হয়। দুৰখেইমে কৈছে যে আত্মহত্যাৰ ঘটনা নথকা কোনো সমাজ নাই। বহুতো সমাজে সুদীৰ্ঘ সময়ৰ অন্তত প্ৰায় একে ধৰণৰ আত্মহত্যাৰ হাৰ প্ৰদৰ্শন কৰে। ইয়াৰ দ্বাৰা ইয়াকে সূচোৱা হয় যে আত্মহত্যাক 'সাধাৰণ' ঘটনা বুলি গণ্য কৰা অথবা ইয়াক এটা নিয়মীয়া বুলি ধৰা হ'ব পাৰে। সমাজভেদে আত্মহত্যাৰ হাৰ ভিন ভিন হয় আৰু কিছুমান নিৰ্দিষ্ট সামাজিক পৰিস্থিতিত এই হাৰৰ অবিৰতভাৱে তাৰতম্য ঘটিব পাৰে।
- আত্মহত্যাৰ হাৰ সলনি হোৱা কথাটোৱে এক পৰিৱৰ্তনশীল পৰিস্থিতিৰ ইঙ্গিত বহন কৰে। যেতিয় কোনো গোট অথবা সামগ্ৰিকভাৱে গোটেই সমাজখনতে আত্মহত্যাৰ হাৰ হঠাতে বাঢ়ি যায় তেন্তেই সমাজৰ সংহতি ভঙ্গ হোৱা অথবা সমাজ নৈতিকতাহীন হৈ পৰাৰ ইঙ্গিত দিয়ে (Anomie– সমগ্ৰ সমাজখনৰে অথবা কিছুমান উপাদানৰ ক্ষেত্ৰত সৃষ্টি হোৱা আপেক্ষিক নীতি-নিয়মহীন পৰিস্থিতি এটা)।

৬.৩.১ আত্মহত্যাৰ প্ৰকাৰ

বিভিন্ন সমাজ আৰু সংস্কৃতিৰ পৰা সংগ্ৰহ কৰা ডেটাৰ আধাৰত দুৰখেইমে আত্মহত্যাক তিনিটা ভাগত ভগাইছে। ভাগকেইটা হ'ল— (ক) আত্মকেন্দ্ৰিক আত্মহত্যা (খ) পৰোপকাৰজনিত আত্মহত্যা (গ) নীতিহীন আত্মহত্যা।

➢ **আত্মকেন্দ্রিক আত্মহত্যা (Egoistic Suicide) ঃ** যেতিয়া এগৰাকী ব্যক্তিয়ে নিজৰ সামাজিক গোটৰ সৈতে চলিব পৰাকৈ সংহতিৰ (Integration) অভাৱত ভোগে তেতিয়াই এনেধৰণে আত্মহত্যা কৰিব পাৰে। ব্যক্তিয়ে যেতিয়া সামাজিক প্রত্যাশাবোৰক লৈ হতাশাত আক্রান্ত হয়, তেতিয়া এনে হতাশা এৰাই চলিবলৈ সামাজিক কার্য্যকলাপৰ পৰা নিজকে আঁতৰাই আনে, অন্যৰ প্রতি নির্বিকাৰ হৈ পৰে। এনে ব্যক্তিৰ মনত আত্মহত্যাৰ প্রৱণতা জাগিব পাৰে। আত্মকেন্দ্রিক আত্মহত্যাৰ কাৰণ হিচাপে সেয়েহে 'মাত্রাধিক ব্যক্তিবাদ'ক (Excessive Individualism) জগৰীয়া কৰা হয়। আধুনিক, ঔদ্যোগিক সমাজবোৰে 'মাত্রাধিক ব্যক্তিবাদ'ক উদগনি যোগায়। আত্মকেন্দ্রিক আত্মহত্যা এখন সমাজৰ সামগ্রিক অথবা সমাজৰ অন্তর্গত কোনো নির্দিষ্ট দলৰ বৈশিষ্ট্য হ'ব পাৰে। নগৰীয়া বাসিন্দা, ঔদ্যোগিক কর্মী, প্রটেষ্টাণ্টসকল অবিবাহিত পুৰুষ আদিৰ দৰে সমাজ এখনৰ অন্তর্গত কিন্তু দুর্বল সংহতিসম্পন্ন গোটবোৰৰ সদস্যই আত্মকেন্দ্রিক আত্মহত্যাৰ প্রৱণতা প্রদর্শন কৰে। আধুনিক সমাজত মানুহে যিমান পাৰে সফল হ'বলৈ অতি উদ্‌গ্রীৱ হৈ পৰিছে। কাৰণআধুনিক সমাজত অইনতকৈ সফল ব্যক্তিক আগস্থান দিয়া হয়।যিমান পাৰে সফল হ'বলৈ চলোৱা প্রচেষ্টাৰ ফলত বহু সময়ত মানুহে সামাজিক যোগাযোগ হেৰুৱাই পেলায়। সেয়েহে হতাশাত ভোগা সময়ছোৱাত এনে মানুহে প্রয়োজনীয় আৱেগিক সমর্থন লাভ নকৰে। ফলত মানুহৰ মনত নিজৰ জীৱন শেষ কৰাৰ ইচ্ছা জাগে।

দুৰখেইমৰ মতে কিছুমান সামাজিক গোটে কম আত্মহত্যাৰ প্রৱণতা দেখুৱায়। খৃষ্টানসকলৰ দুটা প্রধান ভাগ আছে— কেথ'লিকবাদ আৰু প্রটেষ্টাণ্টবাদ। দুয়োটা ভাগেই উমৈহতীয়াকৈ বাইবেলক বিশ্বাস কৰেযদিওদুয়োটাৰেউপাসনা আৰু জীৱন-যাপনৰ মার্গ বেলেগ বেলেগ।দুৰখেইমে গৱেষণা কৰি দেখিছে যেএই গোট দুটাৰ মাজত আত্মহত্যাৰ হাৰ যথেষ্ট পৃথক। কেথ'লিকসকলৰ মাজত প্রটেষ্টাণ্টসকলতকৈ আত্মহত্যাৰ হাৰ যথেষ্ট কম। ইয়াৰ কাৰণ হ'ল, দুয়োটা ভাগেই আত্মহত্যা নিষেধ কৰিছে যদিও কেথ'লিকবাদে ইয়াৰ সদস্যসকলক সম্পূর্ণৰূপে নিজৰ বিশ্বাস আৰু জীৱন-যাপনৰ আদব-কায়দাৰে এক সংহত জীৱনৰ গৰাকী কৰি তুলিছে। প্রটেষ্টাণ্টবাদে মুক্ত অনুসন্ধানৰ স্পৃহাক উদগনি যোগায়, অধিক ব্যক্তিগত স্থান ব্যৱধানৰ পোষকতা কৰে, মানুহক পৰস্পৰৰ সৈতে বান্ধি ৰাখিব পৰা উমৈহতীয়া বিশ্বাস আৰু ধর্মীয় অনুশীলনৰ সংখ্যা কম। আনহাতে, কেথ'লিকবাদে বিশ্বাসক লৈ কোনো প্রশ্ন কৰাৰ অনুমতি নিদিয়ে আৰু সকলো কেথ'লিকে মানি চলিবলগীয়া বহুতো পৰম্পৰা আৰু অনুশীলন আছে।এই পৰম্পৰা আৰু অনুশীলনবোৰে ব্যক্তিৰ আচৰণত এক ধৰণৰ নিয়মীয়া অভ্যাস গঢ়ি তোলে। এনে উমৈহতীয়া অভ্যাসে মানুহৰ মাজত সংহতি স্থাপন কৰে।দুৰখেইমে আঙুলিয়াই দেখুৱাইছিল যে আত্মহত্যা ৰোধ কৰাত পৰিয়ালে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বিবাহিত ব্যক্তি এজনতকৈ

অবিবাহিত ব্যক্তি এজনে আত্মহত্যা কৰাৰ সম্ভাৱনা অধিক।আন অর্থত, এটা ঘনিষ্ঠ সম্পর্কৰ ডোলেৰে বান্ধ খাই থকা পৰিয়ালৰ সদস্যৰ দায়িত্ববোধে তেওঁৰ আত্মহত্যা কৰাৰ সম্ভাৱনীয়তা বহুখিনি হ্রাস কৰে। কাৰণ, এনে পৰিয়ালৰ সদস্যই কেৱল নিজৰ বাবে অনবৰতে চিন্তা কৰি নাথাকি অইনৰ কথাও ভাবে। সামাজিক সংহতিৰ পৰিমাণ য'ত কম, তেনে স্থানত সৃষ্টি হ'ব পৰা নিঃসঙ্গতাবোধে ব্যক্তিক আত্মহত্যা কৰিবলৈ বাধ্য কৰাব পাৰে। এই জনপ্রিয় বিশ্বাস মতে ৰাজনৈতিক উত্থান-পতনৰ সময়ত আত্মহত্যাৰ সংখ্যা বাঢ়ি যায়। কিন্তু ইয়াৰ বিপৰীতে সমাজত সৃষ্টি হোৱা এনে সঙ্কটৰ সময়ত একপ্রকাৰৰ সমূহীয়া আৱেগৰহে জোৱাৰ উঠে আৰু মানুহবোৰ পৰস্পৰৰ অধিক ঘনিষ্ঠ হয়। এই কার্য্যৰ ফলত এটা শক্তিশালী সংহতিপূর্ণ শক্তিৰ উত্থান ঘটে আৰু ই আত্মহত্যাৰ সঙ্কট হ্রাস কৰে। দুৰখেইমে অধ্যয়নৰ দ্বাৰা ইয়াকো কৈছে যে দুখীয়াসকলতকৈ ধনীসকলৰ মাজত আত্মহত্যাৰ হাৰ অধিক। কাৰণ, ধনী লোকসকলৰ মাজত সংহতিৰ পৰিমাণ কম আৰু তেওঁলোকৰ ব্যক্তিগত পছন্দৰ এক বিস্তৃত পৰিসৰ আছে। দুখীয়া লোকৰ স্বতনন্ত্রতা দৰিদ্রতাই নিয়ন্ত্রণ কৰে। এই কথাটোৱে দুখীয়াসকলক অধিক সামাজিকভৱে সংহত কৰি তোলে।

- **পৰোপকাৰজনিত আত্মহত্যা (Altruistic Suicide) ঃ** কোনো এক দলত ব্যক্তিৰ মাত্রাধিক সংহতি স্থাপন হ'লে এনে আত্মহত্যা দেখা পোৱা যায়। তেতিয়াই কোনো ব্যক্তিয়ে পৰোপকাৰজনিত আত্মহত্যা কৰে যেতিয়া কোনো সমাজত ব্যক্তিগৰাকীৰ জীৱন সমাজৰ সম্পত্তিত পৰিণত হয়। কোনো এখন সমাজে অথবা এটা গোটত সম্পূর্ণৰূপে সংহত হৈ পৰা ব্যক্তিয়ে গোটৰ সমূহীয়া লাভালাভৰ বাবে আত্মহত্যা কৰাটো নিজৰ কর্তব্য বুলি ভাবি লয়। পৰোপকাৰজনিত আত্মহত্যাৰ দুটামান উদাহৰণ হ'ল— স্বামীৰ মৃত্যুৰ পাচত একেখন চিতাতে জীৱন্তে জ্বলি যোৱা পত্নী (সতী প্রথা বুলি জনাজাত), মুখিয়ালৰ মৃত্যুৰ পাচত অনুগামী আৰু চাকৰ-নাকৰে কৰা আত্মহত্যা (জাপানী ভাষাত হাৰাকিৰি), বৌদ্ধ ধর্মাৱলম্বী ভিক্ষুৰ আত্মজাহ, সামৰিক বাহিনীৰ আত্মঘাতী স্কোৱাডে কৰিবলগীয়া হোৱা আত্মহত্যা, সন্ত্রাসবাদী সংগঠনৰ 'মানৱ বোমা' হিচাপে নিজৰ বিস্ফোৰণ ঘটোৱা সদস্য ইত্যাদি।

দুৰখেইমে সামৰিক বাহিনীৰ লোকে কৰা আত্মহত্যাৰ সৈতে জড়িত জনপ্রিয় বিশ্বাস এটা নাকচ কৰিছে। বিশ্বাসটোৰ মতে সামাজিক জীৱনৰ কঠোৰ পৰিশ্রম, অতি শৃঙ্খলাৱদ্ধ জীৱন-যাপন পদ্ধতি আৰু স্বাধীনতাৰ অভাৱতে সামৰিক বাহিনীৰ সদস্যই আত্মহত্যা কৰে। সেৱাকাল যিমানেই দীঘলীয়া হয় সিমানেই সামৰিক বাহিনীৰ সদস্যসকল বেৰেক জীৱনত অভ্যস্ত হৈ পৰিব আৰু সামৰিক বাহিনীৰ প্রতি তেওঁলোকৰ দায়ৱদ্ধতা বাঢ়িব বুলি ভবা হয়। কিন্তু একে সময়তে তেওঁলোকৰ আত্মহত্যাৰ প্রৱণতাও বৃদ্ধি পায়। অথচ, জোৱানৰ তুলনাত সামৰিক বিষয়াসকলৰ জীৱন যথেষ্ট সহজ। একেদৰে স্বামী অথবা স্ত্রীৰ মৃত্যুৰ পাছত সৃষ্টি হোৱা ঘৰুৱা অনীতিৰ লগতো জীৱনৰ সমতা নাইকিয়া কৰা বিপর্য্যয়টোহে জড়িত।

পৰোপকাৰজনিত আত্মহত্যাক তিনিটা ভাগত ভগাব পাৰি— (i) অৱশ্যকৰণীয় পৰোপকাৰজনিত আত্মহত্যা, (ii) বিকল্প পৰোপকাৰজনিত আত্মহত্যা আৰু (iii) চৰম পৰোপকাৰজনিত আত্ম হত্যা। ওপৰত উল্লেখ কৰা আত্মহত্যাৰ প্রকাৰবোৰ সম্পর্কে ইমাইল দুৰখেইমে দিয়া মৌলিক সংজ্ঞাকেইটা এনেধৰণৰ—

i) **অৱশ্যকৰণীয় পৰোপকাৰজনিত আত্মহত্যা (Obligatory Altruisitic Suicide)** ঃ যেতিয়া মানুহ এজনে আত্মহত্যা কৰে তেতিয়া তেওঁ আত্মহত্যা কৰাটো তেওঁৰ অধিকাৰ বুলি নাভাবে। তেওঁ ইয়াক কর্তব্য বুলি গণ্য কৰে। যদি তেওঁ এই অৱশ্য কৰণীয়টো কৰাত অসফল হয় তেন্তে তেওঁ অসন্মানৰ পাত্র হ'ব আৰু সাধাৰণতে ধর্মীয় দিশেৰে শাস্তি লাভ কৰিব বুলি ভাবে।

ii) **বিকল্প পৰোপকাৰজনিত আত্মহত্যা (Optional Altruistic Suicide)** ঃ এজন ব্যক্তিয়ে কাৰো পৰা চৰম হেচা নোপোৱাকৈয়ে আত্মহত্যা কৰিব পাৰে। কিন্তু এনে আত্মহত্যাৰ প্রকৃতি অৱশ্য কৰণীয় আত্মহত্যাৰ দৰে একে। এনেদৰে আত্মহত্যা কৰা ব্যক্তিক ৰাজহুৱা অভিমতৰ আনুষ্ঠানিক প্রয়োজনীয়তা নাথাকে যদিও এনে অভিমত নিশ্চিতভাৱে তেওঁলোকৰ অনুকূলে যায়। যিহেতু এই ক্ষেত্রত জীৱন সাৰটি ধৰি নথকাটোক এক গুণ বুলি ধৰা হয়, সেয়েহে সমাজত উচ্চ আসনত প্রতিস্থিত লোকেও পৰিস্থিতিৰ অতি ক্ষুদ্র প্রৰোচনাতে অথবা প্রশংসাযোগ্য হৈ ৰোৱাৰ মিছা আশাত জীৱন ত্যাগ কৰিব পাৰে।

iii) **চৰম পৰোপকাৰজনিত আত্মহত্যা (Acute Altruistic Suicide)** ঃ এনে আত্মহত্যা সেইবোৰ বিশেষ পৰিস্থিতিত ঘটে যেতিয়া কোনো ব্যক্তিয়ে কেৱল বলিদানৰ পৰা লাভ কৰিব পৰা আনন্দৰ কথা ভাৱিয়েই মৃত্যুক সাৱটি লয়।

➢ **নীতিহীন আত্মহত্যা (Anomic Suicide)** ঃসামাজিক নীতি-নিয়মহীন পৰিস্থিতিৰ উদ্ভৱ হোৱা বাবে কৰা আত্মহত্যাকে নীতিহীন আত্মহত্যা বোলে।নীতিহীন আত্মহত্যা আধুনিক আর্থ-সামাজিক ব্যৱস্থাৰ এক বিশেষত্বত পৰিণত হৈছে। সমাজত দেখা বিত্তীয় সঙ্কটৰ সময়ত অথবা সমাজত হঠাৎ হোৱা সংৰচনাত্মক পৰিৱর্তনৰ সময়ত এনে আত্মহত্যাৰ কথা শুনিবলৈ পোৱা যায়। এনে সঙ্কটবোৰ দৰিদ্রতাৰ পৰা উদ্ভৱ নহয়। সমাজৰ হঠাৎ ৰূপান্তৰ অথবা হঠাৎ উন্নতি ঘটিলে এনে সঙ্কটে দেখা দিব পাৰে। মানুহে তৎক্ষণাত এনে পৰিৱর্তনৰ সৈতে খাপ খাব নোৱাৰে। যেনে— ধৰা হ'ল এগৰাকী ব্যক্তি বিলাসী জীৱনত অভ্যস্ত। তেওঁ আগতকৈ অধিক বিলাসিতা বিচাৰে। কিন্তু হঠাতে সমাজলৈ এক পৰিৱর্তন আহিল। এই পৰিবর্তন ক্রিয়াশীল হৈ থকা সময়ছোৱাত ব্যক্তিগৰাকীয়ে পূর্বৰ জীৱনশৈলী বর্তাই ৰাখিব নোৱাৰিলে হতাশাত ভুগিব পাৰে।

স্বাভাৱিক সময়ত সমাজৰ নৈতিক শক্তিবোৰে ব্যক্তিৰ অসীম ইচ্ছাবোৰক নিয়ন্ত্রণ কৰে। কিন্তু সঙ্কটৰ সময়ত কোনো এখন সমাজৰ নিয়ন্ত্রণকাৰী ব্যৱস্থাবোৰ ভঙ্গ হৈ

যায়। সেয়েহে দুৰখেইমে তেওঁৰ অধ্যয়নকালত এই কথা গম পাইছিল যে দুখীয়া লোকতকৈ ধনীসকলৰ মাজত আত্মহত্যাৰ হাৰ বেছি। কাৰণ দুখীয়াসকলে নিজৰ ইচ্ছাক ন্যূন্যতম মৌলিক প্রয়োজনীয়তাবোৰৰ ভিতৰত সামৰি থ'ব পাৰে। দুৰখেইমৰ মতে আধুনিক সমাজত নীতিহীন আত্মহত্যাৰ মাত্রা বৃদ্ধি পোৱাৰ কাৰণ হ'ল "অর্থনৈতিক উন্নতিয়ে বিশেষকৈ ঔদ্যোগিক সম্পর্কবোৰক সকলো ধৰণৰ নীতি-নিয়মৰ পৰা মুক্ত কৰিছে।" নীতি-নিয়মৰ অনুপস্থিতিত মানুহৰ আৱেগৰ তীব্রতা আৰু প্রত্যাশা দিনক দিনে বাঢ়িব লাগিছে। তেওঁ ইয়াকো আঙুলিয়াই দেখুৱাইছিল যে ব্যক্তিৰমনত বৃদ্ধি পোৱা প্রত্যাশাৰ ফলত অনুভূতিও প্রৱলতৰ হৈ উঠিছে আৰু ইয়াৰ পৰিণতিতে স্বৈচ্ছিক মৃত্যুৰ হাৰ বাঢ়িছে। নৈতিক শক্তিয়ে ব্যক্তিৰ অসীম ইচ্ছাক নিয়ন্ত্রণ কৰিব পাৰে। কিন্তু নিয়ন্ত্রণ ব্যৱস্থা অথবা নীতি-নিয়ম অচল হৈ পৰাৰ সময়ত ব্যক্তিয়ে এনেদৰে স্বৈচ্ছিক মৃত্যুক আঁকোৱালি লয়।

- **দুর্ঘটনাজনিত আত্মহত্যা (Fatalistic Suicide) ঃ** ওপৰত উল্লেখ কৰা ভাগ তিনিটাৰ লগতে দুৰখেইমে আলোচনা কৰা আত্মহত্যাৰ চতুর্থ ভাগটো হ'ল দুর্ঘটনাজনিত আত্মহত্যা। পৰহিতৈষী আত্মহত্যা হ'ল আত্মকেন্দ্রিক আত্মহত্যাৰ সম্পূর্ণ বিপৰীত। দুৰখেইমে দুর্ঘটনাজনিত আত্মহত্যাৰ বিষয়ে অতি চমুকৈ আলোচনা কৰিছে। দুর্ঘটনাজনিত আত্মহত্যা হ'ল সমাজে মানুহৰ ওপৰত জাপি দিয়া মাত্রাধিক সামাজিক নীতি-নিয়মৰ পৰিণতি। আধুনিক সমাজত কম বয়সীয়া দম্পতী, সন্তানহীন দম্পতী আদিৰ মাজত এনে দুর্ঘটনাজনিত আত্মহত্যাৰ পৰিমাণ অধিক। অত্যধিক নীতি-নিয়মে হতাশাৰসৃষ্টি কৰে আৰু মানুহে আত্মহত্যাৰপথ বাছি লয়।

আত্মহত্যাক এটা সামাজিক সত্যতা হিচাপে উপস্থাপন কৰাই আছিল দুৰখেইমৰ উদ্দেশ্য। সামাজিক পৰিস্থিতিৰ সৈতে আত্মহত্যাৰ সম্পর্ক দেখুৱাই তেওঁ প্রতিপন্ন কৰিব বিচাৰিছিল যে আত্মহত্যা এটা সামাজিক সত্যাতা। তেওঁৰ আত্মহত্যাৰ শ্রেণী বিভাজনেও এই কথাটোকে ব্যাখ্যা কৰে। দুৰখেইমে ব্যাখ্যা কৰি দেখুৱাইছিল যে মাত্রাধিক অথবা যৎসামান্য সামাজিক সংহতিয়ে কোনো এটা সামাজিক গোটৰ মাজত আত্মহত্যাৰ মাত্রা বৃদ্ধি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আত্মহত্যাৰ প্রধান প্রকাৰ তিনিটা কি কি?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক—

ক) ..... বাবে নীতিহীন আত্মহত্যা ঘটিব পাৰে।

খ) জাপানী হাৰাকিৰি হ'ল ..... আত্মহত্যাৰ এটা উদাহৰণ।

গ) .....সকলৰ মাজত কেথ'লিকসকলতকৈ আত্মহত্যাৰ পৰিমাণ অধিক।

৬.৪ ইমাইল দুৰখেইমৰ শিক্ষা সম্পৰ্কীয় মত

সমাজতত্ত্বৰ এটা গুৰুত্বপূৰ্ণ শাখা হ'ল 'শিক্ষাৰ সমাজতত্ত্ব' (Sociology of Education)। শিক্ষাৰ সমাজতত্ত্ব শাখাটোৰ অন্তৰ্গত বিভিন্ন বিষয় শিক্ষা সম্পৰ্কীয় দুৰ্খেইমিয়ান মননৰ দ্বাৰা প্ৰভাৱিত। সেয়েহে শিক্ষা সম্পৰ্কে দুৰখেইমৰ কিছুমান ৰচনা অধ্যয়ন কৰাটো অতি গুৰুত্বপূৰ্ণ। শৈক্ষিক তত্ত্ব আৰু ব্যৱহাৰিক অনুশীলনৰ ক্ষেত্ৰখনলৈ দুৰখেইমে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। তেওঁ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীবোৰৰ বিস্তৃত সংযোগৰ ওপৰত জোৰ দিছিল। দুৰখেইমৰ শিক্ষা সম্পৰ্কীয় আকলনৰ (Understanding) আধাৰ হ'ল সমাজ আৰু সামাজিক সত্যতা সম্পৰ্কে থকা তেওঁৰ মৌলিক উপলব্ধি। তেওঁ এখন সমাজৰ বিশ্বাস আৰু নীতি-নিয়মৰ সমূহীয়া উৎস আৰু প্ৰকৃতি আছে বুলি জোৰ দি কৈছিল। তেওঁ যুক্তি দৰ্শাইছিল যে শিক্ষাৰ জৰিয়তে যুৱ প্ৰজন্ম এটাক সমূহীয়া বিশ্বাস আৰু অনুশীলন সম্পৰ্কে সামাজিকীকৰণ কৰা হয়। শিক্ষা সম্পৰ্কে থকা দুৰখেইমৰ দৃষ্টিভঙ্গী তলত উল্লেখ কৰা হ'ল।

শিক্ষাৰ সংজ্ঞা ঃ ইমাইল দুৰখেইমৰ মতে, "শিক্ষা হ'ল এতিয়াও সামাজিক জীৱনৰ বাবে সাজু হৈ নুঠাসকলৰ ওপৰত পুৰণি প্ৰজন্মই অনুশীলন কৰা ক্ৰিয়া। ইয়াৰ উদ্দেশ্য হ'ল শিশু এটিৰ মনত সামাজিকভাৱে তেওঁৰ সমাজখনে বিচৰা আৰু তেওঁৰ বাবে বিশেষভাৱে দৈৱ নিৰ্দ্ধাৰিত ক্ষেত্ৰখনে বিচৰা শাৰীৰিক, বৌদ্ধিক আৰু নৈতিক দশাবোৰ জাগৃত কৰি তোলা।"

৬.৪.১ শিক্ষা আৰু সামাজিকীকৰণ

প্ৰত্যেক সমাজে একোটা আনুষ্ঠানিক অথবা অনানুষ্ঠানিক শিক্ষা পদ্ধতিৰ অস্তিত্ব সদায় থাকে। শিক্ষা পদ্ধতিয়ে এক স্পষ্ট ৰূপ ধাৰণ কৰাৰ বেছিদিন হোৱা নাই। দুৰখেইমৰ মতে শিক্ষা পদ্ধতিৰ কাম হ'ল ব্যক্তিয়ে যিখন সমাজত জন্মলাভ কৰে সেইখন সমাজৰ প্ৰয়োজনীয়তা অনুসৰি ব্যক্তিৰ ৰূপান্তৰ ঘটোৱা। প্ৰত্যেক সমাজৰে নিজা নিজা সংস্কৃতি, বিশ্বাস, অনুশীলন আছে। এই অনুশীলনবোৰে প্ৰতিখন সমাজকে এক ভিন্ন পৰিচয় প্ৰদান কৰে। সমাজৰ এই অনুশীলনবোৰেই সমাজ এখনৰ অস্তিত্ব সময়ত বৰ্তি থাকিবনে নাই সেয়া নিশ্চিত কৰে। এটা শিক্ষা ব্যৱস্থাৰ প্ৰধান কাম হ'ল কোনো এখন নিৰ্দিষ্ট সমাজৰ নিৰ্দিষ্ট সংস্কৃতি, অনুশীলন আৰু বিশ্বাসৰ সৈতে নতুন প্ৰজন্মৰ সামাজিকীকৰণ ঘটোৱা। এখন সমাজত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম সমাজখনৰ প্ৰকাৰ অনুযায়ী নিৰ্দ্ধাৰিত হয়।

ব্যক্তি প্ৰাপ্তবয়স্ক হোৱাৰ লগে লগে সমাজখন সুচাৰুৰূপে পৰিচালিত কৰাত তেওঁ এক বিশেষ ভূমিকা ল'ব বুলি আশা কৰা হয়। এখন সমাজক খেতিয়ক, শিক্ষক, গৃহ নিৰ্মাণকাৰী, অভিযন্তা, চিকিৎসক আদি বিভিন্ন বৃত্তিজীৰী লোকৰ দৰকাৰ হয়। সমাজত প্ৰচলিত শিক্ষাব্যৱস্থাটো (ব্যক্তি অন্তৰ্নিহিত বৈশিষ্ট্যৰ আধাৰত) বিভিন্ন কামৰ বাবে উপযুক্ত লোক গঢ়ি তুলিব/বাছনি কৰিব বুলি ভবা হয়। শিক্ষা ব্যৱস্থাটোৱে মানুহক উপযুক্ত প্ৰশিক্ষণেৰে প্ৰশিক্ষিত কৰি তুলিব বুলি আশা কৰা হয, যাতে পৰৱৰ্তী সময়ত প্ৰতিজন ব্যক্তিয়ে সমাজৰ কল্যাণলৈ অৱদান আগবঢ়াব পাৰে।

দুৰখেইমৰ মতে শিক্ষা হ'ল এটা সামাজিক সত্যতা। কাৰণ প্ৰাৰম্ভিক অৱস্থাত ব্যক্তিয়ে শিক্ষাক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। অৰ্থাৎ, শিশু এটি শ্ৰেণীহীন (Class Less) হৈ ওপজে।কিন্তু পাছত শিশুটিৰ পৰিয়ালৰ পটভূমিয়ে ই কেনেধৰণৰ শিক্ষা লাভ কৰিব সেয়া নিৰ্দ্ধাৰণ কৰে। আকৌ, সমাজ এখন উদাৰ অথবা ৰক্ষণশীল প্ৰকৃতিৰ হ'ব পাৰে। সমাজৰ প্ৰকৃতিয়ে সমাজখনত কেনে ধৰণৰ শিক্ষা প্ৰচলিত হ'ব সেয়া নিৰ্দ্ধাৰণ কৰে। তেনে শিক্ষা লাভ কৰি শিশু এটি উদাৰ অথবা ৰক্ষণশীল মনোভাৱেৰে ডাঙৰ-দীঘল হ'ব। সেয়েহে কোৱা হয় যে সমাজে নিজ ইচ্ছা অনুসৰি ইয়াৰ সদস্যসকলক গঢ় দি লয়।

অৱশ্যে শ্ৰমৰ শ্ৰেণীবিভাজন আৰু বিশেষ কৰ্মবুৎপত্তি আহৰণৰ প্ৰয়োজনীয়তা থকা জটিল সমাজবোৰত শিক্ষাই ব্যক্তিক নিজৰ চিন্তাশক্তিৰ বিকাশ ঘটোৱাৰ প্ৰশিক্ষণ দিয়ে। এই ব্যক্তিগত চিন্তাবোৰে সমাজৰ কল্যাণত অৰিহণা যোগাব লাগে।

৬.৪.২ সামাজিক সংহতি আৰু নৈতিক শিক্ষা

ইমাইল দুৰখেইমৰ শিক্ষাৰ ধাৰণাটোৰ নৈতিকতাৰ ধাৰণাৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। নৈতিকতা মানে হ'ল ভাল অথবা বেয়াৰ ধাৰণা। এগৰাকী সুনাগৰিক নৈতিকতাৰ দিশেৰে সুস্থ হ'ব বুলি ধৰা হয়। তেওঁ সমাজত নিজৰ ভূমিকা উপযুক্তভাৱে পালন কৰিব, অন্যক সহায় কৰিব আৰু সমাজৰ কল্যাণলৈ অৰিহণা আগবঢ়াব বুলি ভবা হয়। অৱশ্যে ব্যক্তিৰ এনে গুণবোৰ জন্মৰ পৰাই নাথাকে। ব্যক্তিয়ে ডাঙৰ হৈ অহাৰ লগে লগে এই গুণবোৰ আয়ত্ত কৰিব গৈ থাকে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল সমাজৰ নৈতিকতা মানি চলিব পৰাকৈ ব্যক্তিৰ সামাজিকীকৰণ ঘটে।

দুৰখেইমৰ মতে নৈতিকতাৰ দুটা দিশ আছে। এটা হ'ল শৃঙ্খলাৰদ্ধতা (Regularity) আৰু আনটো হ'ল নৈতিক কৰ্তৃত্ব (Moral Authority)। নৈতিক কৰ্তৃত্ব আৰু শৃঙ্খলাৰদ্ধতাক দিয়া অগ্ৰাধিকাৰ আকৌ অনুশাসনৰ ধাৰণাটোৰ (Idea of Discipline) সৈতে জড়িত। এটা কৰ্তৃত্বই অনুশাসন প্ৰয়োগ কৰিব লাগে আৰু অনুশাসনে ব্যক্তিৰ আচাৰ-আচৰণ শৃঙ্খলাৰদ্ধ কৰে। নিয়মীয়াকৈ কৰি থকা কামবোৰ এসময়ত আমাৰ অভ্যাসত পৰিণত হয়। সমাজভেদে আচাৰ-আচৰণৰ শৃঙ্খলাৰদ্ধতা বৰ্তাই ৰখাৰ বাবে প্ৰয়োগ কৰা কৰ্তৃত্বৰ বিন্যাস ভিন্‌ভিন্‌ হ'ব পাৰে। প্ৰাচীন সমাজত কোনেও প্ৰশ্ন উত্থাপন

কৰিব নোৱাৰা দিশ এটা আছিল ধর্ম। ধর্মই যি বিচাৰে বুলি কোৱা হৈছিল সেয়া মানুহে প্রশ্ন নকৰাকৈ মানি লৈছিল। ফলত সমাজত আচৰণৰ শৃঙ্খলাৱদ্ধতা বর্তি আছিল আৰু আইন-শৃঙ্খলা অটুট আছিল। কিন্তু লাহে লাহে মানুহে ধর্মৰ কর্তৃত্বক প্রশ্ন কৰিবলৈ আৰম্ভ কৰিলে। আৰু এসময়ত ধর্মৰ নাম দিয়া আদেশ মানি আচৰণ কৰিবলৈ মানুহে অস্বীকাৰ কৰিলে। দুৰখেইমৰ মতে এনেবোৰ পৰিস্থিতিত সমাজত আইন-শৃঙ্খলা বর্তাই ৰখাত শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। যিহেতু আধুনিক সমাজবোৰ প্রাচীন সমাজতকৈ যথেষ্ট পৃথক, সেয়েহে শিক্ষাই নিজৰ অস্তিত্ব বর্তাই ৰাখিবলৈ আধুনিক সমাজৰ প্রয়োজনীয়তা বুজি এই সমাজৰ নাগৰিকৰ বাবে উপযুক্ত আচাৰ-আচৰণ কেনে হ'ব সেয়া নিশ্চিত কৰিব পাৰিব লাগে।

যিহেতু সমাজে আমালৈ নৈতিক সমর্থন আগবঢ়ায়, সেয়েহে সমাজত শৃঙ্খলা বর্তাই ৰখাটো ব্যক্তি হিচাপে আমাৰ এক 'নৈতিক' দায়িত্ব। আমি আগতেই আলোচনা কৰিছো যে 'নৈতিকতা কি' আৰু মানুহৰ 'নৈতিক দায়িত্ব' কি সেয়া সমাজে সংজ্ঞাৱদ্ধ কৰে। যেনে-প্রাচীন সমাজবোৰৰ প্রকৃতি অধিক ধার্মিক আছিল। তেনে সমাজত নৈতিক দায়িত্ব বুলিলে ধর্মীয় ৰীতি-নীতি সম্পূর্ণ সঠিকভাৱে মানি চলা আৰু প্রয়োজন হ'লে সমাজৰ স্বার্থত 'স্ব' বলিদান আগবঢ়োৱাকে বুজোৱা হৈছিল। সেয়েহে তেনে সমাজত নৈতিকতাৰ ধাৰণাটো পৱিত্রতাৰ (Sacredness) ধাৰণাৰ সৈতে যুক্ত হৈ আছিল। 'পৱিত্র' সম্পর্কীয় সামূহিক বিশ্বাসবোৰে সমাজখনক এই কথা হৃদয়ঙ্গম কৰোৱাব খোজা হৈছিল যে সামাজিক সংহতি অটুট ৰাখিবলৈ এনে ধর্মীয় অনুশীলনবোৰ কৰাটোৱেই হ'ল তেওঁলোকৰ নৈতিক দায়িত্ব।

কিন্তু লাহে লাহে বিজ্ঞান আৰু প্রযুক্তিৰ উন্নতি হ'ল। মানুহে বিভিন্ন ধর্মীয় অনুশীলনক প্রশ্ন কৰিবলৈ আৰম্ভ কৰিলে। নৈতিকতা বিজ্ঞান আৰু যুক্তিযুক্ততাৰ সৈতে লগ লাগীল। ভাল আৰু বেয়াক কোনো নির্দিষ্ট কার্য্যৰ আঁৰৰ বৈজ্ঞানিক যুক্তিৰ আধাৰত সংজ্ঞাৱদ্ধ কৰা হ'ল। ইয়াৰ উপৰি আজি আমি এখন জটিল সমাজত বাস কৰো।একেখন সমাজতে বিভিন্ন ধর্মীয় গোটৰ মানুহে বাস কৰে। সেয়েহে সমাজত শান্তি-শৃঙ্খলা বর্তাই ৰাখিবলৈ প্রতিগৰাকী ব্যক্তিয়ে নিজৰ কৰণীয়বোৰ যুক্তিসঙ্গতভাৱে কৰা দৰকাৰ। সেয়েহে দুৰখেইমে কৈছিল যে আধুনিক যুগত শিক্ষা ব্যৱস্থাক ধর্মনিৰপেক্ষ কৰি তোলা উচিত। বর্তমানৰ শিক্ষার্থীক দিয়া ধাৰণা, আৱেগ অথবা অনুশীলনবোৰ কেৱল যুক্তিৰে চালি-জাৰি চাব পৰা হ'ব লাগে। আধুনিক ভাৰত প্রাচীন ভাৰততকৈ বহু পৃথক। আজিকালি বিশেষকৈ নগৰ-চহৰত বিভিন্ন সংস্কৃতি, জাতি আৰু ধর্মৰ লোকে একেলগে বাস কৰে (অতীতত বিভিন্ন শ্রেণীৰ লোকে একেলগেবাস কৰিছিল যদিও জাতিভেদ প্রথাৰ দৰে কুপ্রথাই সমাজৰ সম্পূর্ণ সংহতিত বাধা-নিষেধ আৰোপ কৰিছিল)। সেয়েহে বর্তমানৰ শিক্ষার্থীক বৈচিত্র্যতাক সন্মান কৰিবলৈআৰু অইনৰসাংস্কৃতিক ৰীতি-নীতিৰ প্রতি অধিক সহিষ্ণুতা প্রদর্শন কৰিবলৈ শিকোৱা হয়। এনে শিকণৰ আঁৰৰ কাৰণটো হ'ল— আমি

পৰস্পৰক সন্মান কৰিব জানিলেহে ঐক্যৱদ্ধ হৈ ৰ'ব পাৰিব আৰু এটা ঐক্যৱদ্ধ জাতি হিচাপেহে আমি উন্নতি কৰিব পাৰিম।

৬.৪.৩ নৈতিক শিক্ষাৰ প্ৰশিক্ষণ স্তৰ

কেঁচুৱা এটিয়ে সমাজ সম্পৰ্কে কোনো কথা গম নোপোৱাকৈয়ে এখন নিৰ্দিষ্ট সমাজত জন্ম লয়। জন্মগ্ৰহণ কৰা সমাজখনৰ সৈতে শিশুটিক খাপ খুৱাই ল'বলৈ সমাজখনক ইয়াৰ জীৱনৰ অবিচ্ছেদ্য অংশত পৰিণত কৰাই লোৱাটো জৰুৰী। প্ৰতিখন সমাজৰে কিছুমান জটিল আৱেগ, ভুল-শুদ্ধৰ ধাৰণা বুজাৰ নিজস্ব পন্থা আছে। সেয়েহে সমাজে প্ৰচলিত শিক্ষা ব্যৱস্থাই ল'ৰা-ছোৱালীৰ মনত এই কথাবোৰ প্ৰোথিত কৰিব বুলি ভাৱে যাতে সিহঁতে প্ৰথম অৱস্থাত নিজৰ সামাজিক পৰিৱেশত খাপ খাই আৰু পৰৱৰ্তী সময়ত সমাজত নিজৰ প্ৰাপ্তবয়স্ক ভূমিকাবোৰ কুশলতাৰে পালন কৰিব পাৰে। এই প্ৰশিক্ষণ এবাৰতে দিব পৰা নাযায়। শৈক্ষিক প্ৰতিষ্ঠানবোৰৰ ঘটোৱা নৈতিকতাৰ সামাজিকীকৰণ প্ৰক্ৰিয়াটো লাহে লাহে বিভিন্ন স্তৰৰ মাজেদি পাৰ হয়।

দুৰখেইমৰ মতে শৈশৱ কালৰ পৰাই নৈতিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা উচিত। তেওঁ শৈশৱ কালক দুটা ভাগত ভাগ কৰিছিল। শৈশৱ কালৰ প্ৰথমভাগত শিশুক নৈতিক শিক্ষা দিয়াৰ দায়িত্ব পৰিয়ালবোৰৰ। শিশু এটিয়ে যেতিয়া আনুষ্ঠানিক শিক্ষাগ্ৰহণৰ বাবে পোনপ্ৰথমবাৰৰ বাবে বিদ্যালয়ত নামভৰ্তি কৰে তেতিয়াৰ পৰাই দ্বিতীয় ভাগৰ নৈতিক শিক্ষা লাভ কৰে। শিশু বিদ্যালয়লৈ অহাৰ লগে লগে এখন বহল পৃথিৱীৰ সংস্পৰ্শলৈ আহে। ঘৰত শিশু এটি সদায় সকলোৰে মনোযোগৰ কেন্দ্ৰবিন্দু হয়। কিন্তু স্কুলত সিহঁতক লাহে লাহে অন্যৰ সৈতে খাপ খাই চলিবলৈ শিকোৱা হয়। দুৰখেইমে আঙুলিয়াই দেখুৱাইছিল যে শিশুৰ মনত সমূহীয়া বিশ্বাসবোৰক যথাযোগ্য সন্মান প্ৰদৰ্শন কৰিব পৰা বোধ জগাই তোলাৰ কামটো ৰাজহুৱা বিদ্যালয়বোৰে কৰা উচিত। শিশু এটিৰ ব্যক্তিত্ব জাতীয় চৰিত্ৰ অনুসৰি গঢ় লোৱা উচিত। এই লক্ষ্যত উপনীত হ'বলৈ শিক্ষা ব্যৱস্থাই শিশুক দোদুল্যমান মানসিক স্থিতিৰ সলনি ফলপ্ৰসূভাৱে প্ৰজ্ঞাৰে উদ্ভাসিত মন একোটাৰ গৰাকী কৰি তুলিব লাগিব। এইটো এটা জটিল কাম। কাৰণ শিশুৰ মন বৈচিত্ৰ্যময় আৰু ই প্ৰতি মুহূৰ্ততে সলনি হৈ থাকে।

শিক্ষাই সাধাৰণভাৱে আৰু নৈতিক শিক্ষাই বিশেষভাৱে শিশুৰ মনত দায়িত্ববোধ আৰু নীতি-নিয়মৰ প্ৰতি সন্মানবোধ জগাই তুলিব লাগে। এখন বিদ্যালয়ত থকা নীতি-নিয়মৰ সমগ্ৰ ব্যৱস্থাটোৱে কালক্ৰমত শিশুক দায়িত্ববোধ সম্পন্ন কৰি তোলাৰ কামটো সমাধা কৰিব লাগে। বিদ্যালয়ত শিশুৱে মানি চলিবলগীয়া দুটামান নীতি-নিয়ম হ'ল— নিয়মানুৱৰ্তিতা মানি চলা, শ্ৰেণীকাৰ্য্য আৰু গৃহকাৰ্য্য নিযমীয়াকৈ কৰা, পৰিপাটিকৈ কাপোৰ পিন্ধা, অন্যক সহায়-সহযোগ কৰা ইত্যাদি। সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল বিদ্যালয়ৰ শিক্ষাই ল'ৰা-ছোৱালীক জটিল যেন লগা কৰ্তব্যবোৰ কৰিবলৈও বাধ্য কৰি তোলে।

ছাত্ৰ-ছাত্ৰীৰ বাবে থকা সকলোবোৰ বাধ্যবাধকতাই হ'ল বিদ্যালয়ত সিহঁতে অনুশীলন কৰা শৃঙ্খলাৱদ্ধতাৰ এক অংশ। এই বাধ্যবাধকতাবোৰৰ প্ৰতি আনুগত্য সিহঁতৰ কৰ্তৃত্বৰ প্ৰতি থকা সন্মানৰ পৰা ওপজে। ইয়াৰ অৰ্থ হ'ল, ল'ৰা-ছোৱালীৰ ওপৰত অন্ধভাৱে নীতি-নিয়ম জাঁপি দিয়াতকৈ সিহঁতক সেই নীতি-নিয়ম পালন কৰাৰ আঁৰত থকা যুক্তি বুজাত সহায় কৰিব লাগে। তেতিয়াহে সিহঁতে নীতি-নিয়মবোৰৰ গুৰুত্ব ভালদৰে বুজি পাব আৰু ইয়াক জীৱনৰ অংশ হিচাপে গ্ৰহণ কৰিব। শিশু এটিক সময়মতে গৃহকাৰ্য্য কৰি ননাৰ বাবে কঠোৰ শাস্তি বিহাতকৈ কৰ্তৃপক্ষই (শিক্ষক) প্ৰথমে গৃহকাৰ্য্য কৰি ননাৰ কাৰণ সোধা উচিত আৰু সময়মতে গৃহকাৰ্য্য কৰাটো কিয় জৰুৰী সেই কথা বুজাই দিয়া উচিত। এগৰাকী ভাল শিক্ষকৰ ই বৈশিষ্ট্য। শিক্ষকে ছাত্ৰ-ছাত্ৰীক নীতি-নিয়মবোৰৰ কথা কেনেদৰে বুজায়, ছাত্ৰ-ছাত্ৰীৰ আগত কেনে আচৰণ প্ৰদৰ্শন কৰে আৰু তেওঁলোকৰ হাতত থকা কৰ্তৃত্ব কেনেদৰেপ্ৰয়োগ কৰে তাৰ ওপৰত বহুতো কথা নিৰ্ভৰশীল।বিদ্যালয়ৰ নীতি-নিয়মবোৰে শিশুক ভৱিষ্যতে একোগৰাকী দায়িত্বশীল সু-নাগৰিক হোৱাত সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

ক) শিক্ষা ব্যৱস্থাৰ কাম হ'ল যুৱ প্ৰজন্মৰ..... ঘটোৱা।

খ) নৈতিক শিক্ষা .....ত আৰম্ভ হোৱা উচিত।

গ) বিদ্যালয়ত পালন কৰা নীতি-নিয়মবোৰে শিশুৰ মনত ..... আৰু নীতি-নিয়মৰ প্ৰতি সন্মানবোধৰ বিকাশ ঘটায়।



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা হ'ল এক সামাজিক সত্যতা। কাৰণ, ই ব্যক্তিৰ বাবে এক বাহ্যিক উপাদান।
- এখন সমাজে ইয়াৰ উঠি অহা প্ৰজন্মক কি শিকাব খোজে সেয়া আগতেই ঠিক কৰি থোৱা হয়।
- প্ৰত্যেক সমাজৰে নিজস্ব সংস্কৃতি, বিশ্বাস আৰু অনুশীলন থাকে। এই অনুশীলনবোৰে সমাজবোৰক পৰস্পৰৰ পৰা পৃথক কৰে।
- শিক্ষাব্যৱস্থাৰ কাম হ'ল কোনো এখন নিৰ্দিষ্ট সমাজৰ সংস্কৃতি, অনুশীলন আৰু বিশ্বাস অনুসৰি যুৱ প্ৰজন্মক গঢ় দিয়া।
- শিক্ষাব্যৱস্থাই ব্যক্তিক বিভিন্ন কাৰ্য্য সম্পন্ন কৰিব পৰা দক্ষতাৰ আধাৰত বাছনি কৰি উলিয়ায় আৰু সেইমতে উপযুক্তভাৱে প্ৰশিক্ষিত কৰি তোলে।

- শিক্ষাব্যৱস্থাই ব্যক্তিক মৌলিক চিন্তা বিকশাই তোলাৰো প্ৰশিক্ষণ দিয়ে। ফলত ব্যক্তিয়ে সমাজখন সুচাৰুৰূপে চলাই নিয়াত নিজস্ব অৱদান আগবঢ়াব পৰা হয়।
- নৈতিকতা হ'ল ভাল অথবা বেয়া ধাৰণা কৰিব পৰা সামৰ্থ্য।
- প্ৰত্যেক সমাজৰে 'ভুল' আৰু শুদ্ধ' সম্পৰ্কে নিজ নিজ সংজ্ঞা আছে।
- সমাজে আমালৈ নৈতিক সমৰ্থন আগবঢ়ায়। সেয়েহে আমাৰো সমাজৰ প্ৰতি একধৰণৰ নৈতিক দায়িত্ব থাকে।
- নৈতিকতাৰ দুটা দিশ আছে— নৈতিক কৰ্তৃত্ব আৰু শৃঙ্খলাৱদ্ধতাৰ অগ্ৰাধিকাৰ।
- প্ৰাচীন কালত ধৰ্মৰ পৱিত্ৰ কৰ্তৃত্বক সকলোৱে মানি চলিছিল। ধৰ্মৰ কৰ্তৃত্বই ব্যক্তিৰ আচাৰ-আচৰণৰ সংজ্ঞা দাঙি ধৰিছিল।
- ধৰ্মই আচাৰ-আচৰণলৈ অনা শৃঙ্খলাৱদ্ধতাৰ বাবে সমাজখনো সুশৃঙ্খলভাৱে চলিছিল।
- ধৰ্মৰ গুৰুত্ব হ্ৰাস পোৱাৰ পাচত নৱউত্থিত শিক্ষাব্যৱস্থাই সামাজিক বিন্যাস অটুট ৰাখিব পৰা উপযুক্ত আচাৰ সংহিতাৰ সংজ্ঞা দাঙি ধৰিব পাৰিব বুলি ভবা হৈছিল।
- সৰু ল'ৰা-ছোৱালীক নৈতিক আচাৰ সংহিতা শিকোৱাত ৰাজহুৱা বিদ্যালয়বোৰে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ প্ৰতিভূ হিচাপে কাম কৰে।
- উঠি অহা প্ৰজন্মৰ আচৰণ শৃঙ্খলাৱদ্ধ কৰাৰ নৈতিক কৰ্তৃত্বৰ ভূমিকা শিক্ষকসকলে পালন কৰে।
- শিশুক নীতি-নিয়মৰ বৈশিষ্ট্য বুজাত সহায় কৰি সিহঁতৰ আচাৰ-আচৰণ শৃঙ্খলাৱদ্ধ কৰাৰ লক্ষ্যত উপনীত হ'ব পৰা যায়।
- শিক্ষা ব্যৱস্থাই ল'ৰা-ছোৱালীক নীতি-নিয়ম ভাল পাবলৈ শিকোৱা আৰু সিহঁতৰ কৰ্তব্যবোধ বিকশাই তোলা উচিত।
- নীতি-নিয়মবোৰক জীৱনৰ অঙ্গত পৰিণত কৰি লোৱা ব্যক্তিয়ে ভৱিষ্যতে নিজকে সু-নাগৰিক ৰূপে গঢ়ি তুলিব পাৰে।



৬.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Abrahim, Francis and Morgan, John Henry (2009); *Sociological Thought*; New Delhi: Macmillan Press ltd.
2) Durkheim, Emile (1956); *Education and Sociology*; New York: The Free Press.
3) Durkheim, Emile (1961); *Moral Education: A study in Theory and Application of Sociology of Education;* New York: The Free Press.



৬.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ আত্মকেন্দ্রিক আত্মহত্যা, পৰহিতৈষী আত্মহত্যা, নীতিহীন আত্মহত্যা।

২নং প্রশ্নৰ উত্তৰ ঃ ক) নীতি-নিয়মহীনতাৰ খ) পৰহিতৈষী

গ) প্রটেষ্টাণ্ট

৩নং প্রশ্নৰ উত্তৰ ঃ ক) সমাজৰ সংস্কৃতিৰ সৈতে সামাজিকীকৰণ

খ) শৈশৱ কাল

গ) দায়িত্ববোধ



৬.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ কোন চনত ইমাইল দুৰখেইমে লিখা আত্মহত্যা বিষয়ক কিতাপখন প্রকাশিত হৈছিল?

প্রশ্ন ২ ঃ নৈতিকতা কি?

খ) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ নীতিহীন আত্মহত্যা বুলিলে কি বুজে?

প্রশ্ন ২ ঃ পৰপোকাৰজনিত আত্মহত্যা কি?

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ আত্মহত্যা বুলিলে কি বুজে? আত্মহত্যা কি কি প্রকাৰৰ হ'ব পাৰে?

প্রশ্ন ২ ঃ শিক্ষাক কিয় এক সামাজিক সত্যতা বুলি গণ্য কৰা হয়? সমাজত শিক্ষাৰ কার্য্য কি?

*** ***** ***

অধ্যায় ৭ ঃ কার্ল মার্ক্স ঃ হেগেল, এঙ্গেলছ্ আৰু দ্বন্দ্বমূলক বস্তুবাদৰ সৈতে মার্ক্সৰ সম্বন্ধ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ কার্ল মার্ক্সৰ বৌদ্ধিক উৎস

৭.৩.১ কার্লমার্ক্স আৰু ফ্রেডৰিক এঙ্গেলছ্

৭.৪ দ্বন্দ্বমূলক বস্তুবাদ

৭.৪.১ সামাজিক শ্রেণী

৭.৪.২ পুঁজিবাদী সমাজত শ্রেণীসংঘাত

৭.৫ সমালোচনা

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্রগতিৰ খতিয়ান

৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কার্ল মার্ক্সৰ লেখনিত হেগেলৰ প্রভাৱ বুজি পাব
- কার্ল মার্ক্সৰ জীৱন আৰু লেখনিত এঙ্গেলছ্ৰ প্রভাৱ বুজি পাব
- দ্বন্দ্বমূলক বস্তুবাদ সম্পর্কে আলোচনা কৰিব পাৰিব
- কার্ল মার্ক্সৰ সামাজিক শ্রেণীৰ ধাৰণাটো বুজি পাব
- পুঁজিবাদী সমাজত শ্রেণীসংঘাতৰ বিশ্লেষণ বুজি পাব।

৭.২ পৰিচয়

১৮১৮ চনত জার্মানীৰ ত্রিয়েৰ চহৰত কার্ল মার্ক্সৰ জন্ম হৈছিল। একেখন চহৰতে তেওঁ প্রাথমিক শিক্ষা লাভ কৰিছিল। মার্ক্স আছিল এগৰাকী মহান চিন্তাবিদ। তেওঁ ৰাজনীতি বিজ্ঞান, অর্থনীতি, দর্শন, ইতিহাস আদি বিভিন্ন বিষয়লৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ এক নতুন ৰাজনৈতিক দর্শনৰ জন্ম দিছিল আৰু সমাজৰ দুখীয়া, অভাৰী তথা শোষিত শ্রেণীটোৰ সমর্থক ৰূপে পৰিগণিত হৈছিল। মার্ক্সে নিজকে কেতিয়াও সমাজতত্ত্ববিদ বুলি কোৱা নাছিল। কিন্তু সামাজিক সংঘাত আৰু সামাজিক পৰিৱর্তন সম্বন্ধীয় তেওঁৰ ধাৰণাবোৰ সমাজতাত্ত্বিক গুৰুত্ব

অতি গভীৰ। মার্ক্স আছিল 'সাম্যবাদ'ৰ (Communism) প্রতিষ্ঠাপক আৰু প্রধান পৃষ্ঠপোষক। কম বয়সৰ পৰাই তেওঁ সমাজৰ দুখীয়া শ্রেণীটোক ধনী শ্রেণীটোৱে দমন কৰাৰ কথা উপলব্ধি কৰিব পাৰিছিল। সেয়েহে তেওঁ এই দমন প্রক্রিয়াটো ভালদৰে বুজাৰ প্রয়াস কৰিছিল। মার্ক্সে তেওঁৰ বিখ্যাত ৰচনা 'দ্য কমিউনিষ্ট মেনিফেষ্ট' (১৮৪৮)ত এই বুলি স্পষ্ট কৰি দিছিল যে এতিয়ালৈকে বর্তি থকা আটাইবোৰ সমাজৰে ইতিহাস হ'ল শ্রেণী সংগ্রামৰ ইতিহাস। ইয়াৰ অর্থ হ'ল ইতিহাসে ঢুকি পোৱা যুগৰে পৰা পৃথিৱীত বিভিন্ন শ্রেণীৰ মাজত সংঘাত চলি আহিছে।

অৱশ্যে কোনো এগৰাকী ব্যক্তিয়ে বিকশাই তোলা ধাৰণা এটাই সম্পূর্ণ অনন্যতা দাবী কৰিব নোৱাৰে। কাৰণ, ধাৰণা এটা গঢ় দিওতাগৰাকীয়ে মুখামুখি হোৱা বিভিন্ন ব্যক্তি আৰু পৰিস্থিতিৰ প্রভাৱ ধাৰণাটোৰ ওপৰত অৱধাৰিতভাৱে পৰে। কার্ল মার্ক্সে মানৰ সমাজখন বিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰে বুজি উঠাৰ দিশত গুৰুত্বপূর্ণ অৱদান আগবঢ়াই থৈ গৈছে। মার্ক্সে যিখন সমাজত বাস কৰিছিল সেই সমাজখনৰ সামাজিক তথা অর্থনৈতিক অৱস্থা, তেওঁৰ জীৱন কালৰ বৌদ্ধিক পৰিৱেশ আৰু তেওঁ লগ পোৱা বিভিন্ন ব্যক্তিয়ে তেওঁৰ ধাৰণাবোৰক প্র ভাৱিত কৰিছিল। সেই দিশৰ পৰা চাবলৈ গ'লে মার্ক্সৰ চিন্তা প্রক্রিয়াক ঔদ্যোগিক বিপ্লৱ আৰু ফৰাছী বিপ্লৱে প্রভাৱিত কৰিছিল। ইয়াৰ লগতে সেই সময়ছোৱাত আধিপত্য বিস্তাৰ কৰি থকা হেগেলিয়ান আদর্শয়ো মার্ক্সক প্রভাৱিত কৰিছিল। তেওঁৰ লিখা-মেলাত এই প্রভাৱ স্পষ্ট। তদুপৰি মার্ক্সৰ জীৱন আৰু কর্মত ফ্রেডৰিক এঙ্গেলছৰ গভীৰ সমর্থন আৰু প্রভাৱ আছে। এই অধ্যায়টিত আমি মার্ক্সৰ ওপৰত হেগেল আৰু এঙ্গেলছ্ৰ প্রভাৱ বুজাৰ চেষ্টা কৰিম। শ্রেণী সংগ্রাম বিশ্লেষণ কৰিবলৈ থকা মার্ক্সীয় পদ্ধতি 'দ্বন্দ্বমূলক বস্তুবাদ' হ'ল অধ্যায়টিৰ আন এক প্রধান আলোচ্য বিষয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোন চনত কার্ল মার্ক্সৰ জন্ম হৈছিল?

.....

প্রশ্ন নং ২ ঃ কোন চনত 'দ্য কমিউনিষ্ট মেনিফেষ্ট' প্রকাশিত হৈছিল?

.....

৭.৩ কার্ল মার্ক্সৰ বৌদ্ধিক উৎস

জর্জ ডব্লিউ এফ্ হেগেলৰ দ্বাৰা কার্ল মার্ক্স তাৎপর্যপূর্ণ ভাৱে প্রভাৱিত হৈছিল।

১৭৭০ চনত জার্মানীত জ'জ ডব্লিউ. এফ. হেগেলৰ জন্ম হৈছিল। হেগেলৰ জীৱনকালত তেওঁ গঢ় দিয়া ধাৰণাবোৰে বৌদ্ধিক সমাজখনত আধিপত্য বিস্তাৰ কৰিছিল। তেওঁ মানুহৰ দ্বাৰা চলোৱা সমৰূপ শাসনতকৈ (Uniformed Rule) আইনৰ শাসনত (Rule of Law) দৃঢ় বিশ্বাস কৰিছিল। সেয়েহে হেগেলে প্রুচিয়ান ৰাষ্ট্রৰ প্রতি সমর্থন আগবঢ়াইছিল। তেওঁৰ দর্শনে ইমানুৱেল কাণ্টৰ সৈতে আৰম্ভ হোৱা ভাৱবাদী দর্শনক গভীৰভাৱে প্রভাৱিত কৰিছিল। ভাৱবাদী দর্শনৰ

(Idealist Philosophy) মতে ভাৱ অথবা চিন্তাৰ (Ideas) বিকাশৰ লগে লগে মানৱ সমাজৰ বিকাশ ঘটে। হেগেলৰ মতে সমগ্ৰ মানৱজাতিৰ ইতিহাসতে দার্শনিক চিন্তাধাৰাই প্ৰচলিত কার্য পৰিক্ৰমাটোক সমালোচনা কৰি আহিছে। প্ৰচলিত ব্যৱস্থাৰ সমালোচনাই নতুন সাংস্কৃতিক পৰিক্ৰমা গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যেনে— এসময়ত ভাৰতৰ কোনো কোনো অঞ্চলত সতীপ্ৰথা সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংশ আছিল। এই নিষ্ঠুৰ প্ৰথাটো তেতিয়াহে নির্মূল হ'ল, যেতিয়া এমুঠিমান মানুহে ইয়াক এটা দমনমূলক প্ৰথা বুলি 'ভাবিবলৈ ' (Thinking) ল'লে আৰু প্ৰথাটোৰ সমালোচনাত সৰৱ হৈ উঠিল। অর্থাৎ সমালোচনাৰ ফলশ্ৰুতি হ'ল সতীপ্ৰথাৰ বিলুপ্তি। একেদৰে, অন্ধবিশ্বাস হ'ল প্ৰধানতঃ কিছুমান ঘটনা সন্দর্ভত মানুহৰ মনত জন্ম লোৱা ধাৰণা। আমাৰ চিন্তা কৰাৰ সামর্থ বিকশিত হ'লেহে আমি অন্ধবিশ্বাসমূলক কর্ম-কাণ্ডবোৰক সমস্যা হিচাপে চিনি পাবলৈ শিকিম আৰু সমালোচনা কৰিম। সেয়েহে, ভাব অথবা চিন্তাৰ বিকাশ ঘটাৰ লগে লগে সমাজ এখনৰো বিকাশ ঘটে বুলি কোৱা হয়।

হেগেলৰ মতে দ্বন্দ্বমূলক প্ৰক্ৰিয়াৰে (Dialectial Process) অথবা মতবিৰোধ প্ৰক্ৰিয়াৰে (Conflicting Process) ধাৰণাৰ বিকাশ ঘটে। ইয়াৰ অর্থ এয়েই যে প্ৰতিটো যুগতে একোটা প্ৰভাৱশালী ধাৰণা (Dominant Idea যাক Thesis অথবা প্ৰমেয় বোলা হয়) বিকশিত হয় আৰু বর্তি থাকে। কিন্তু লাহে লাহে এই ধাৰণাটোৰ বিৰুদ্ধে প্ৰতি-ধাৰণাৰ (Counter Idea যাক বিৰোধাভাস অথবা Antithesis বোলা হয়) বিকাশ ঘটে। তাৰ পাছত প্ৰভাৱশালী ধাৰণা আৰু প্ৰতি-ধাৰণাটোৰ মাজত মতদ্বন্দ্বৰ (Conflict) উৎপত্তি হয়। ইয়াৰ ফলশ্ৰুতিত আৰু এটা নতুন ধাৰণাৰ সৃষ্টি হয়। ইয়াক তাত্ত্বিক দ্বন্দ্ব (Synthesis) বোলে। এসময়ত এই নতুন ধাৰণাটো অথবা তাত্ত্বিক দ্বন্দ্বটোৱে প্ৰভাৱশালী ধাৰণাৰ ৰূপ লয়। সময় বাগৰাৰ লগে লগে ধাৰণাটোৰ বিপক্ষে পুনৰ প্ৰতি-ধাৰণাৰ বিকাশ ঘটে। এই চক্ৰীয় প্ৰক্ৰিয়াটোক দ্বন্দ্বমূলক ত্ৰয়ী (Dialectical Triad) বোলে।

মার্ক্সে হেগেলৰ পৰা এই দ্বন্দ্ববাদ অথবা মতদ্বন্দ্বৰ ধাৰণাটো গ্ৰহণ কৰিছে যদিও তেওঁ হেগেলক সমালোচনাও কৰিছে। মার্ক্সৰ মতে ধাৰণা ক্ষেত্ৰখনত দ্বন্দ্ববাদ অথবা মতদ্বন্দ্বৰ সৃষ্টি নহয়। ইহঁতৰ সৃষ্টি হয় 'বস্তু'ৰ (Matter) ক্ষেত্ৰখনত। মতদ্বন্দ্ব (Conflict) কেৱল ভৌতিক পৃথিৱীখনতহে (Material World) সংঘটিত হয়। 'বস্তু'ৰ ধাৰণাটো মার্ক্সে আকৌ লাড্‌বিগ ফুৱেৰবাক্‌ৰ (Ludwig Feuerbach) পৰা ধাৰলৈ লৈছে। ধাৰণাটোৱে আঙুলিয়াই দেখুৱাইছে যে ইতিহাসৰ পাতে পাতে সমাজৰ এটা শ্ৰেণীৰ লোকে আন এটা শ্ৰেণীক শোষণ কৰাৰ কাহিনী লিপিৱদ্ধ হৈ আছে। 'ধর্ম'ক (ধাৰাণা ক্ষেত্ৰএখন) এই বাস্তৱ তথ্য গাপ দিয়াৰ কৌশল হিচাপে ব্যৱহাৰ কৰা হৈ আহিছে। সেয়েহে মানুহে প্ৰকৃতার্থত নিজকে মুক্ত কৰিবলৈ শোষণৰ উৎস চিনাক্ত কৰি উলিওৱাৰ খাটিৰত ভৌতিক পৃথিৱীখন সমালোচনাত্মক দৃষ্টিভঙ্গীৰে বুজি উঠিব লাগিব।

৭.৩.১ কার্ল মার্ক্স আৰু ফ্ৰেডৰিক/এঙ্গেলছ্

কার্ল মার্ক্সে ১৮৪৩ চনত পেৰিচ চহৰত ফ্ৰেডৰিক এঙ্গেলছ্‌ক লগ পাইছিল। এঙ্গেলছ্ আছিল এজন বস্ত্ৰ উৎপাদনকাৰীৰ সন্তান। কিন্তু এঙ্গেলছৰ মনত শ্ৰমজীৱি

শ্রেণীটোৰ দুর্দশা দেখি এক সমবেদনাৰ মনোভাৱ গঢ় লৈ উঠিছিল। কোৱা হয় যে এঙ্গেলছ্ক লগ পোৱাৰ আৰু তেওঁৰ চিন্তা-ধাৰণাবোৰ গম পোৱাৰ পাছতহে মার্ক্সৰ মনত শ্রমজীৱি শ্রেণীটোৰ প্রতি থকা চিন্তা গভীৰতৰ হৈছিল। মনৰ মিল থকা বাবে পৰৱর্তী সময়ত মার্ক্স আৰু এঙ্গেলছে্ যুটীয়াভাৱে কেইবাখনো কিতাপ, কেইবাটাও প্রৱন্ধ লিখিছিল। তেওঁলোকে একেলগে বৈপ্লৱিক সংগঠনৰ হৈয়ো কাম কৰিছিল। বিখ্যাত ৰচনা 'দ্য কমিউনিষ্ট মেনিফেষ্ট' হ'ল মার্ক্স আৰু এঙ্গেলছ্ৰ যুটীয়া পৰিশ্রমৰ ফচল। এঙ্গেলছে মার্ক্সক বিভিন্ন বৌদ্ধিক তথা ৰাজনৈতিক কার্যত মনোনিৱেশ কৰিবলৈ সমর্থন আগবঢ়াইছিল। এঙ্গেলছে সদায় নিজকে মার্ক্সৰ কণিষ্ঠ সহযোগী বুলিহে দাবী কৰিছিল। ১৮৮৩ চনত মার্ক্সৰ মৃত্যুৰ পাছত এঙ্গেলছ্ মার্ক্সবাদী চিন্তাধাৰাৰ প্রধান পৃষ্ঠপোষক আৰু মুখপাত্র হৈ পৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

ক) হেগেল ..... দর্শনৰ সৈতে জড়িত আছিল।

খ) এটা প্রভাৱশালী ধাৰণাক ..... বুলিও জনা যায়।

গ) কার্ল মার্ক্সে .....ৰ ধাৰণাটো লাডৱিগ ফুৱেৰবাকৰ পৰা গ্রহণ কৰিছিল।

৭.৪ দ্বন্দ্বমূলক বস্তুবাদ

হেগেল আৰু ফুৱেৰবাকৰ পৰা ধাৰলৈ লোৱা দুয়োটা ধাৰণা (দ্বন্দ্ববাদ আৰু বস্তুবাদ) বিবেচনা কৰি মার্ক্সে সমাজ পৰিৱর্তনৰ এক তত্ত্ব আগবঢ়াইছিল। মার্ক্সে হেগেলৰ পৰা দ্বন্দ্ববাদৰ (মতদ্বন্দ্ব) ধাৰণাটো গ্রহণ কৰিছিল যদিও হেগেলক সমালোচনা কৰি তেওঁ কৈছিল যে ধাৰণা এটা ভৌতিক পৃথিৱীখনৰ এক প্রকাশহে মাত্র। আমাৰ সচেতনতাই (Consciousness) আমাক ভৌতিক অৱস্থালৈ নিনিয়ে। কিন্তু আমাৰ ভৌতিক অৱস্থাই আমাৰ সচেতনতা (ধাৰণা) নির্ধাৰণ কৰে। আন অর্থত, মানুহৰ আর্থিক অৱস্থাৰ ওপৰত সামাজিক জীৱন নির্ভৰশীল। সেয়েহে মার্ক্সৰ মতে ভৌতিক পৃথিৱীখনত হোৱা পৰিৱর্তনে ধাৰণাৰ পৰিৱর্তন সাধন কৰে আৰু এনেকৈয়ে সমাজ এখনৰ উন্নতি হয়।

মার্ক্সৰ মতে প্রকৃতিৰ পৰা কিবা নতুন সৃষ্টি কৰাৰ সামর্থটোৱে মানুহক অন্য জন্তুৰ পৰা পৃথক কৰিছে। এই সৃষ্টি/উৎপাদনৰ কামটো সমাজবোৰৰ অর্থনৈতিক সংগঠন অথবা উৎপাদনৰ উপায় অনুসৰি ভিন ভিন হয়। উৎপাদনৰ উপায় (Mode of Production) অথবা এটা অর্থনীতিৰ দুটা প্রধান দিশ থাকেঃ উৎপাদনৰ সম্বন্ধ (The Relation of Production) আৰু উৎপাদনৰ শক্তি (Forces of Production)।উৎপাদন কৰি থকা সময়ত মানুহে উৎপাদন প্রক্রিয়াটোৰ সৈতে

এক সুনির্দিষ্ট সম্বন্ধ স্থাপন কৰে। ইয়াকে উৎপাদনৰ সম্বন্ধ বোলে। যেনে— এখন কমাৰশালত যদি দুজন কমাৰথাকে তেন্তে তাৰে এজন কমাৰশালখনৰ মালিক আৰু আনজন মজুৰি পোৱা শ্রমিক হ'ব। অর্থাৎ, দুয়োজনা কমাৰৰে 'উৎপাদনৰ সৈতে সম্বন্ধ' বেলেগ বেলেগ। যিজন মালিক তেওঁ উৎপাদনৰ উপায়বোৰ নিয়ন্ত্রণ কৰিব আৰু আনজনে তেওঁৰ অধীনত কাম কৰিব। সেইমতে দুয়োজনৰে শ্রেণী মর্য্যাদা (Class Status) ভিন্ ভিন্ হ'ব। এজন হ'ব প্রভাৱশালী শ্রেণীৰ (Dominant Class) সদস্য আৰু আনজন হ'ব তলতীয়া শ্রেণীৰ (Subordinate Class) সদস্য। অর্থনীতিৰ আন এটি প্রধান দিশ হ'ল, উৎপাদনৰ শক্তি (মানে ভূমি, শ্রম, মূলধন আৰু উদ্যোগ।

মার্ক্সৰ মতে অর্থনীতি অথবা উৎপাদনৰ পন্থাই কোনো এখন নির্দিষ্ট সমাজৰ সামাজিক, ৰাজনৈতিক, ন্যায়িক, ধর্মীয় আৰু শৈক্ষিক ব্যৱস্থা আদি নির্ধাৰণ কৰে। যেনে— প্রাচীন ভাৰতীয় সমাজত সৰল আহিলা-যন্ত্র আদিৰ সহায়ত উৎপাদন কৰা হৈছিল। সেয়েহে প্রাচীন কালৰ শিক্ষাব্যৱস্থাও সুকীয়া আছিল। আমাৰ বর্তমান সমাজখন অতি জটিল হৈ পৰিছে।জটিল যন্ত্র-পাতিৰ সহায়ত উৎপাদন প্রক্রিয়া সম্পন্ন কৰা হয়। সেয়েহে উৎপাদন প্রক্রিয়াটো সুচাৰুৰূপে সম্পাদন কৰিবলৈ আমাৰ শিক্ষা পদ্ধতিটোৰো যথেষ্ট পৰিৱর্তন সাধন কৰা হৈছে। একেদৰে সমাজৰ আইন-শৃঙ্খলা ব্যৱস্থাটোলৈও আমূল পৰিৱর্তন আহিছে মার্ক্সৰ মতে উৎপাদন প্রক্রিয়া অথবা অর্থবা অর্থনীতি সলনি হোৱাৰ লগে লগে সমাজৰ আন সকলোবোৰ দিশ সলনি হ'ব খোজে। সেয়েহে তেওঁৰ মতে অর্থনীতি হ'ল কোনো এখন সমাজৰ ভেটি অথবা আন্তঃগাঁথনি। ন্যায়িক, ৰাজনৈতিক, শিক্ষা আদি আন সকলোবোৰ দিশ হ'ল এই অতিগাঁথনিটোৰ (Superstructure) অংশ। আন অর্থত, এখন সমাজৰ অতিগাঁথনিটো আন্তঃগাঁথনিৰ ওপৰত নির্ভৰশীল।

প্রতিটো যুগতে এক নির্দিষ্ট সময়ৰ ব্যৱধানত উৎপাদনৰ ভৌতিক শক্তি আৰু উৎপাদনৰ শক্তিৰ/উৎপাদনৰ সম্বন্ধৰ মাজত দ্বন্দ্বৰ সৃষ্টি হয়। বিজ্ঞান আৰু প্রযুক্তিৰ উন্নতিৰ ফলত উৎপাদনৰ ভৌতিক শক্তিবোৰো উন্নত হয়। কিন্তু সেই অনুপাতে উৎপাদনৰ সম্বন্ধ বিকশিত নহয়। তাৰবাবেই এই দ্বন্দ্বৰ জন্ম হয়। এই দ্বন্দ্বৰ ফলত সমগ্র অর্থনীতি অথবা উৎপাদনৰ পন্থা সলনি হয়। আৰু ইয়াৰ প্রভাৱতে শিক্ষা, আইন, ধর্ম আদি সমাজৰ অন্য দিশবোৰো সলনি হয়। মার্ক্সে সমাজৰ এই বাস্তবাদী ধাৰণাটো বিবেচনাৰ বাবে গ্রহণ কৰি সমাজ কেনেকৈ পৰিৱর্তন হয় সেয়া অধ্যয়নৰ প্রয়াস কৰিছিল। মার্ক্সৰ মতে সমাজ পৰিৱর্তনৰ স্তৰকেইটা হ'ল—

- আদিম সাম্যবাদ
- প্রাচীন সমাজ
- সামন্তবাদী সমাজ
- পুঁজিবাদী সমাজ

মানৰ ইতিহাসৰ সূত্রপাত হোৱাৰ সময়ত মানৰ সমাজত আদিম সাম্যবাদৰ অস্তিত্ব আছিল। এই সময়ছোৱাত মানুহে সাম্যবাদৰ এটা পর্য্যায়ত জীৱন যাপন কৰিছিল। উৎপাদনৰ শক্তি আৰু শ্রমৰ উৎপাদন দুয়োটা কথাই সমূহীয়া মালিকীস্বত্বৰ অধীনত আছিল। মানৰ ইতিহাসৰ এই সময়ছোৱাৰ সমাজবোৰেই আছিল একমাত্র শ্রেণীহীন সমাজ। সেয়েহে সমাজৰ কোনো

ব্যক্তিৰ মাজত কোনো মতদ্বন্দ্ব (Conflict) নাছিল। সমাজৰ প্রতিজন সদস্যই নিজৰ লগতে সমাজৰ বাবে উৎপাদন কৰিছিল।

'ব্যক্তিগত সম্পত্তি'ৰ ধাৰণাটোৰ উত্থান ঘটাৰ লগে লগে উৎপাদনৰ শক্তিবোৰৰ ব্যক্তিগত মালিকীস্বত্বৰ ধাৰণাটোও গঢ় লৈ উঠিল। ইয়াৰ ফলতেই মানুহৰ মনত মৌলিক বিৰোধৰ (Fundamental Contradiction) জন্ম হ'ল। উৎপাদনৰ শক্তিবোৰৰ মালিকীস্বত্ব থকাৰ সুবাদতে এটা ক্ষুদ্র সংখ্যালঘু শ্রেণীয়ে গৰিষ্ঠসংখ্যকৰ শ্রম নিয়ন্ত্রণ কৰাৰ সুযোগ লাভ কৰিবে। সেয়েহে সংখ্যালঘূ (উৎপাদনৰ উপায়বোৰৰ গৰাকী) আৰু উৎপাদক শ্রমৰ যোগান ধৰা সংখ্যা গৰিষ্ঠৰ মাজত স্বার্থ সংঘাতে দেখা দিলে। প্রাচীন কালত এই প্রভাৱশালী শ্রেণীটোৰ সদস্য সংখ্যালঘু মালিকসকলক গৰাকী অথবা প্রভূ (Master) বুলি জনা গৈছিল।তলতীয়া শ্রেণীটোক দাস অথবা চাকৰ (Slave) বুলি জনা গৈছিল। সামন্তবাদী সমাজৰ প্রভাৱশালী শ্রেণীটো আছিল সামন্ত প্রভূ (Feudal Lords) আৰু তলতীয়া শ্রেণীটোক ভূমিদাস (Serfs) বোলা হৈছিল। অৱশেষত, পুঁজিবাদী স্তৰত প্রভাৱশালী শ্রেণীটোক বুর্জোৱা অথবা ৰক্ষণশীল মধ্যবিত্ত (Bourgeoisie) আৰু তলতীয়া শ্রেণীটোক সর্বহাৰা (Proletariat) বোলা হৈছিল।

৭.৪.১ সামাজিক শ্রেণী

মার্ক্সৰ মতদ্বন্দ্বৰ তত্ত্বৰ (Theory of Conflict) ভেটি হ'ল সামাজিক শ্রেণীৰ ধাৰণা। ধাৰণাটোৰ কিছুমান মৌলিক দিশ তলত আলোচনা কৰা হ'ল।

- **সামাজিক শ্রেণীৰ উৎপত্তি ঃ** উৎপাদনৰ ভৌতিক শক্তিবোৰৰ ব্যক্তিগত মালিকীস্বত্বৰ ধাৰণাটোৰ সৈতেই সামাজিক শ্রেণীবোৰবো উত্থান ঘটিছিল। উৎপাদনৰ শক্তিবোৰৰ ব্যক্তিগত মালিকীস্বত্বৰ লগতে উৎপাদনৰ বিভিন্ন সম্বন্ধৰ সৃষ্টি হৈছিল। কিছুমান লোক মাটিৰ মালিক আছিল আৰু কিছুমান লোক সেই মাটিত কাম কৰা ৰায়ত আছিল, কিছুমান লোক হ'ল নিযুক্তিদাতা আৰু কিছুমানে কর্মচাৰী হিচাপে মজুৰিৰ বিনিময়ত কাম কৰে।মার্ক্সীয় দৃষ্টিভঙ্গী মতে এই দুয়োটা শ্রেণীৰ মাজত নির্ভৰশীলতা আৰু শোষণ দুয়োধৰণৰ সম্বন্ধ আছে।
- **শ্রেণী ভূমিকা আৰু শ্রেণী সংঘর্ষ ঃ** মানৰ ইতিহাসৰ বিভিন্ন পর্য্যায়ত (আদিম সাম্যবাদ বর্তি থকা সময়ছোৱাক বাদ দি) সমাজবোৰত সদায়ে এটা প্রভাৱশালী অর্থনৈতিকভাৱে সবল শ্রেণী দেখা পোৱা যায়। এই শ্রেণীটোৱে চৰকাৰকে ধৰি সমাজৰ সকলো দিশকে নিয়ন্ত্রণ কৰে।
- **প্রগতিশীল আৰু প্রতিক্রিয়াশীল শ্রেণী ঃ** শ্রেণী সংঘর্ষৰ মাজেদিয়েই অবিৰতভাৱে ইতিহাসে পুনৰ নতুন ৰূপ লয়। প্রযুক্তি সলনি হোৱাৰ লগে লগে সামাজিক সংগঠনৰ কার্যপন্থাও সলনি হয়। এই প্রক্রিয়াই নতুন শ্রেণী সৃষ্টিত সহায় কৰে। এই নতুন শ্রেণীটোৱে প্রচলিত ব্যৱস্থাক প্রত্যাহ্বান জনায় আৰু সমাজক এটা উচ্চতৰ স্তৰলৈ লৈ যায়।

- **শ্রেণী ব্যৱস্থাৰ বিলোপ সাধন ঃ** মার্ক্সে উপলব্ধি কৰিছিল যে কেৱল পুঁজিবাদী স্তৱতহে 'শ্রেণী ব্যৱস্থা' উৎখাত কৰিব পৰা যাব। কাৰণ এই স্তৱত তলতীয়া শ্রেণীটোৱে সমাজ পৰিৱর্তন কৰিবলৈ আভ্যন্তৰীণ বিৰোধৰ বাবে অপেক্ষা নকৰিব। ইয়াৰ সলনি এই দুর্বল শ্রেণীটোৱে এটা বিবেচনাপূর্ণ স্থিতিৰ বিকাশ ঘটাই এক বিপ্লৱ পৰিচালনা কৰিব। মার্ক্সে এই পর্য্যায়টোক 'প্রাক্চিছ'। (Praxis) নাম দিছে। ইয়াৰ অর্থ হ'ল 'তত্ত্বক প্রত্যক্ষ ক্রিয়াত প্রয়োগ কৰা' কার্য্য।

৭.৪.২ পুঁজিবাদী সামাজিত শ্রেণী সংঘাত

কার্ল মার্ক্সে তেওঁৰ সামাজিক মতদ্বন্দ্বৰ ধাৰণাটো প্রধানকৈ পুঁজিবাদী সমাজৰ বিশ্লেষণত প্রয়োগ কৰিছিল। পুঁজিবাদী সমাজত শ্রেণী সংঘাত বিষয়ক মার্ক্সৰ দৃষ্টিভঙ্গী তলত দিয়া ধৰণে বর্ণনা কৰিব পাৰি—

- **সম্পত্তিৰ গুৰুত্ব ঃ** পুঁজিবাদী সমাজত উৎপাদনৰ উপায়বোৰৰ মালিকীস্বত্ব মাত্র এমুঠিমান লোকৰ হাতত থাকে। ব্যক্তিগত সম্পত্তিৰে একাধিপত্য চলোৱাসকলে ৰাজনৈতিক ব্যৱস্থাটোকো নিয়ন্ত্রণ কৰে। একেদৰে এই শ্রেণীটোৱে আইন-আদালত, নীতি, প্রচাৰ মাধ্যম আদিকো নিয়ন্ত্রণধীন কৰি ৰাখে।
- **ওপৰঞ্চি মূল্য ঃ** পুঁজিবাদী ব্যৱস্থা এটাই শ্রমিকসকলক অতিৰিক্ত সময় কাম কৰিবলৈ বাধ্য কৰি অধিক লাভ আহৰণৰ জৰিয়তে নিজ অস্তিত্ব বর্তাই ৰাখে। কিন্তু শ্রমিকসকলে নিজৰ সামর্থৰ সীমা পাৰ হৈ গৈ লাভ অর্জনৰ আশাত কাম কৰে যদিও লাভৰ কোনো ভাগ নাপায়।
- **দৰিদ্রকৰণ ঃ** শ্রমিকসকলক কৰা চৰম শোষণৰ বাবে তেওঁলোকৰ আর্থিক অৱস্থাৰ অৱনতি ঘটে আৰু তেওঁলোকৰ অৱস্থা আগতকৈ অধিক দৰিদ্র্যপীড়িত হয়।
- **বিচ্ছিন্নভৱন ঃ** বর্দ্ধিত শোষণ আৰু অমানৱীয় কর্ম পৰিৱেশৰ বাবে শ্রমিকসকল লাহে লাহে বিচ্ছিন্ন মনোভাৱৰ হৈ পৰে। শ্রমিকে নিজৰ কামত/সৃষ্টিত কোনো ধৰণৰ সার্থকতা অনুভৱ নকৰে। ইয়াৰ কাৰণ হ'ল তেওঁলোকৰ নিজৰ সৃষ্টিৰ ওপৰত কোনো ধৰণৰ মালিকীস্বত্ব নাথাকে। সবাতোকৈ গুৰুত্বপূর্ণ কথাটো হ'ল তেওঁলোকৰ শ্রম/সৃষ্টিয়ে তেওঁলোকক শোষণ কৰাৰ আহিলাত পৰিণত হয়।এনে অৱস্থাত মানুহ নিজৰ পৰা, উৎপাদন প্রক্রিয়াটোৰ পৰা আৰু তেওঁলোকৰ শ্রমৰ ফচলৰ পৰা বিচ্ছিন্ন হৈ পৰে। এইবোৰৰ লগতে শ্রমিকসকল সহকর্মী আৰু সমগ্র সম্প্রদায়টোৰ পৰাও বিচ্ছিন্ন হ'ব পাৰে।
- **শ্রেণী ঐক্য আৰু বিদ্বেষ ঃ** মার্ক্সৰ মতে এনে এটা সময় আহিব যেতিয়া শ্রমিকসকল ইজনে আনজনৰ দুর্দশাগ্রস্ত অৱস্থা সম্পর্কে সজাগ হৈ পৰিব। ইয়াৰ ফলত এক শ্রেণী সচেতনতাৰ (Class Consciousness) বিকাশ ঘটিব। আৰু এসময়ত তেওঁলোক 'নিজৰ বাবে শ্রেণী'ত (Class-for-itself) পৰিণত হ'ব। মার্ক্সে 'নিজৰ

বাবে শ্রেণী' অভিধাটোৰে উৎপাদনৰ সৈতে একে সম্পর্ক থকা মানুহৰ গোট এটাৰ কথা বুজাইছে যিটো গোট অইনে তেওঁলোকক কৰি থকা শোষণ সম্পর্কে সজাগ। এনেকৈয়ে এই গোটটোৱে এদিন নিজকে সংগঠিত কৰিব আৰু শোষকৰ বিৰুদ্ধে সংগ্রাম আৰম্ভ কৰিব।

- **শ্রেণীৰ মেৰুভৱন ঃ** যেতিয়া শ্রমিকসকলে নিজকে ৰাজনৈতিকভাৱে সংগঠিত কৰাৰ প্রক্রিয়া আৰম্ভ কৰিব তেতিয়া শ্রমিক আৰু মালিকৰ মাজৰ মেৰুভৱনৰ ব্যৱধান বাঢ়িব।
- **বিপ্লৱ ঃ** শ্রেণী যুদ্ধৰ শীর্ষতম বিন্দুত এক ক্রান্তিকাৰী বিপ্লৱ আৰম্ভ হ'ব। এই বিপ্লৱে সমগ্র পুঁজিবাদী সামাজিক গাঁথনিটো ধ্বংস কৰিব। অর্থনৈতিক সঙ্কট চলি থকা কালতে এনে বিপ্লৱ আৰম্ভ হোৱাৰ সম্ভাৱনা সবাতোকৈ বেছি।
- **সর্বহাৰাৰ একনায়কত্ববাদ ঃ** বিপ্লৱে পুঁজিবাদী ব্যৱস্থাৰ পতন ঘটাব। বিপ্লৱ যদিও ক্রান্তিকাৰী হ'ব তথাপিও এনে বিপ্লৱে গণহত্যা সংঘটিত নকৰিব। সর্বহাৰাই সম্পত্তি কাঢ়ি ল'ব। ফলত বুর্জোৱা শ্রেণীটো সর্বহাৰাৰ শাৰীলৈ অৱনমিত হ'ব। সেই সময়ৰ পৰাই সম্পত্তি সমানভাৱে ব্যৱহাৰ কৰা হ'ব যাতে সকলোৰে কল্যাণ সাধন হয়। ইয়াৰ ফলশ্রুতিত এখন শ্রেণীহীন সমাজৰ সৃষ্টি হ'ব য'ত কাৰো হাততে একো সম্পত্তি নাথাকিব কিন্তু সকলোৱেই সকলো সম্পত্তিৰ মালিক হ'ব।

৭.৫ সমালোচনা

সমাজ বিজ্ঞানৰ অন্তর্গত সকলো শাখাতে কার্ল মার্ক্সৰ ধাৰণাবোৰক লৈ ব্যাপক আলোচনা আৰু বিতর্ক হৈছে। তলত ধাৰণাবোৰত থকা কিছুমান আঁসোৱাহ আৰু আধুনিক সামাজিক বিশ্লেষণত এইবোৰৰ প্রাসঙ্গিকতা আলোচনা কৰা হ'ল।

- মার্ক্সে ৰাজনৈতিক ক্ষমতাৰ অর্থনৈতিক ভেটিৰ ওপৰত মাত্রাধিক জো�ৰ দিছিল। ক্ষমতাৰ অন্য উৎসও আছে। যেনে— ভাৰতত আর্থিকভাৱে দুর্বল ব্রাহ্মণ এজনে সমাজৰ নিম্ন জাতিৰ ধনী মানুহ এজনতকৈ অধিক ৰাজনৈতিক সুযোগ লাভ কৰিব পাৰে।
- অর্থনৈতিকভাৱে আগবঢ়া অথবা পিছপৰা শ্রেণীৰ সদস্য হোৱাটোৱেই সদায় ব্যক্তিৰ আচাৰ-আচৰণৰ নির্দ্ধাৰক হ'ব নোৱাৰে অথবা ইয়াৰ আধাৰত ঐতিহাসিক ধাৰাবোৰ ব্যাখ্যা কৰিব পৰা নাযায়। যেনে— জাতীয়তাবাদৰ ধাৰণাটোৱে সদায় শ্রেণী নির্বিশেষে সকলোকে ঐক্যৱদ্ধ কৰি ৰাখিব পৰা এক দৃঢ় শক্তিৰ ভূমিকা পালন কৰি আহিছে।
- মার্ক্সে ঊনবিংশ শতিকাত জনপ্রিয়তা অর্জন কৰা পৌৰ অংশগ্রহণৰ সম্প্রসাৰণ আৰু মানৰ অধিকাৰৰ ক্রমবর্দ্ধমান স্বীকৃতি আদিৰ দৰে কিছুমান শক্তিক গুৰুত্ব দিয়া নাছিল।
- শ্রেণীৰ মাজত চৰম মেৰুবিভাজন সম্পর্কীয় মার্ক্সৰ দৃষ্টিভঙ্গী আধুনিক পুঁজিবাদী সমাজত সঁচা হ'ব নোৱাৰে। এনে সমাজত বিশেষীকৃত জ্ঞানৰ প্রয়োজন বাঢ়ি যোৱাৰ লগে লগে আন বহুতো সামাজিক স্তৰৰ সৃষ্টি হৈছে।

- হিংসাত্মক বিপ্লৱৰ দ্বাৰাহে সামাজিক গাঁথনিমূলক পৰিৱৰ্তন সম্ভৱ হ'ব বুলি ভবা মার্ক্সৰ ধাৰণাটো ভুল প্ৰমাণিত হৈছে। বৰ্তমান সময়ত সংগঠিত শ্ৰমিক শক্তিয়ে হিংসাত্মক বিপ্লৱৰ সহায় নোলোৱাকৈয়ে কৰ্তৃপক্ষক ফলপ্ৰসূভাৱে প্ৰভাৱিত কৰি অৱস্থাৰ পৰিৱৰ্তন সাধন কৰিব পাৰে।
- সামাজিক গাঁথনিমূলক পৰিৱৰ্তন বিপ্লৱৰ জৰিয়তে নাহিবও পাৰে। বৰ্তমানৰ শ্ৰমজীৱি শ্ৰেণীটো শ্ৰমিক সংঘবোৰ গঠন হোৱাৰ লগে লগে আগতকৈ অধিক সুসংগঠিত হৈ পৰিছে। আজি কালিৰ শ্ৰমিকে নিজৰ সপক্ষে ক্ষমতাক সেও মানিবলৈ বাধ্য কৰাব পাৰে। কোনো হিংসাত্মক বিপ্লৱ অবিহনে লাহে লাহে তেওঁলোকৰ অৱস্থালৈ উল্লেখযোগ্য পৰিৱৰ্তন আহিছে।
- ৰাষ্ট্ৰই বৰ্তমান এক কল্যাণকামী সংগঠনৰ ভূমিকা পালন কৰে। সেয়েহে ইয়াক কেৱল সম্পদশালী শ্ৰেণীটোৰ স্বাৰ্থত কাম কৰা সংগঠন বুলি কোৱাতো সমীচীন নহ'ব।
- পুঁজিবাদী চিন্তাধাৰাৰে পৰিচালিত সমাজত সৃষ্ট আধুনিক অভিজ্ঞতাবোৰে কোনো ধ্বংসমুখী শ্ৰেণী যুদ্ধৰ লক্ষণ দেখুওৱা নাই। মার্ক্সৰ শ্ৰেণীহীন আৰু ৰাষ্ট্ৰহীন সমাজৰ ধাৰণা এক ভাববিলাসী চিন্তা মাত্ৰ। অৰ্থাৎ, তেনে এখন অতি আদৰ্শবান সমাজ বাস্তৱত সৃষ্টি কৰাটো সম্ভৱ নহয়।
- কিন্তু এই আঁসোৱাহবোৰ থাকিলেও মার্ক্সৰ অৱদান অমূল্য। শোষণৰ ধাৰণাটো ক্ষমতাশীল আৰু ক্ষমতাহীন শ্ৰেণী দুটাৰ সৈতে জড়িত।প্ৰতিখন সমাজতে কিছুমান সামাজিক স্তৰীকৃত শ্ৰেণী থাকেই। পুঁজিবাদী সমাজৰ নিৰ্ণায়ক বৈশিষ্ট্যটোৱেই হ'ল সামাজিক শ্ৰেণী।
- মার্ক্সে জ্ঞানৰ সমাজতত্ত্বৰ এটা বিচ্যুতি (Variant) বিকশিত কৰিছিল। এই বিচ্যুতিটোৱে আদৰ্শ, দাৰ্শনিক ব্যৱস্থা, ৰাজনীতি, নীতিশাস্ত্ৰ আৰু ধৰ্মৰ ক্ৰমবিৱৰ্তনত অৰ্থনৈতিক নীতিবোৰৰ প্ৰধান ভূমিকাৰ ওপৰত জোৰ দিছিল।
- সমাজৰ যিটো শ্ৰেণীৰ হাতত দমনমূলক ভৌতিক শক্তি থাকে সেই শ্ৰেণীটোৱে একে সময়তে বৌদ্ধিক চিন্তা-ধাৰণাবোৰৰ ওপৰতো আধিপত্য বিস্তাৰ কৰে।
- মার্ক্সৰ সামাজিক স্তৰবিন্যাস তত্ত্বটোৱে সামাজিক পৰিৱৰ্তন তত্ত্ব হিচাপেও কাম কৰে।
- কার্ল মার্ক্সে বিপ্লৱৰ সমাজতত্ত্বলৈ অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে।



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮১৮ চনত জার্মানীৰ ত্ৰিয়েৰ চহৰত কার্ল মার্ক্সৰ জন্ম হৈছিল।
- সামাজিক সংঘাত আৰু সামাজিক পৰিৱৰ্তন সম্বন্ধীয় মার্ক্সীয় ধাৰণাবোৰৰ সমাজতত্ত্বমূলক গুৰুত্ব অতি গভীৰ।
- দ্বন্দ্ববাদৰ হেগেলিয়ান ধাৰণাটোৱে মার্ক্সক গভীৰভাৱে প্ৰভাৱিত কৰিছিল।

- হেগেলে কৈছিল যে ধাৰণা সলনি হ'লেই সমাজো সলনি হয়।
- হেগেলৰ মতে ধাৰণাবোৰ এক দ্বন্দ্বমূলক প্রক্রিয়াৰে সলনি হয়।
- প্রতিটো যুগতে একোটা প্রভাৱশালী ধাৰণাৰ (Thesis অথবা প্রমেয়) বিকাশ ঘটে।
- প্রভাৱশালী ধাৰণাটোৰ বিৰোধিতা কৰিবলৈ এটা নতুন ধাৰণাৰ (Antithesis অথবা বিৰোধাভাস) বিকাশ ঘটে।
- মার্ক্সৰ মতে পৰিৱর্তিত ধাৰণাৰ বাবে সমাজ সলনি নহয়। ভৌতিক পৃথিৱীখনত হোৱা পৰিৱর্তনেহে সমাজখন সলনি কৰে। আন অর্থত সামাজিক জীৱন অর্থনৈতিক অৱস্থাৰ ওপৰত নির্ভৰশীল।
- অর্থনীতি দ্বন্দ্বমূলক প্রক্রিয়াৰে সলনি হয়।
- অর্থনীতিৰ প্রধান দিশ দুটা— সামগ্রী উৎপাদনৰ শক্তি আৰু উৎপাদনৰ সম্বন্ধ।
- প্রতিটো যুগতে বিজ্ঞান আৰু প্রযুক্তিৰ উন্নতিৰ লগে লগে উৎপাদনৰ ভৌতিক শক্তিবোৰো দ্রুত গতিত উন্নত হৈছে। কিন্তু একেটা গতিতে উৎপাদনৰ সৈতে থকা সম্বন্ধবোৰ উন্নত হোৱা নাই।
- উৎপাদনৰ সৈতে থকা সম্বন্ধৰ পৰিৱর্তন নঘটাৰ কাৰণ হ'ল উৎপাদনৰ উপায় নিয়ন্ত্রণ কৰি থকা সকলে প্রচলিত ব্যৱস্থাটো বর্তি থকাতো বিচাৰে। যাতে উৎপাদন প্রক্রিয়াৰ সহায়ত তেওঁলোকে অধিক মুনাফা আহৰণ কৰিব পাৰে। কিন্তু এনে মুনাফা তেওঁলোকে শ্রমিকৰ মাজত বিতৰণ কৰিব নোখোজে।
- মার্ক্সৰ মতে এসময়ত শ্রমিক সকল তেওঁলোকৰ ওপৰত চলা শোষণ সম্পর্কে সজাগ হৈ উঠিব।
- শ্রমিকসকলে ন্যায্য প্রাপ্য বিচাৰি লাহে লাহে ঐক্যৱদ্ধ আৰু সুসংগঠিত হ'ব।
- এই প্রক্রিয়াৰে দুয়োটা শ্রেণীৰ (থকা আৰু নথকা) মাজত থকা মেৰুবিভাজনৰ ব্যৱধান যথেষ্ট বৃদ্ধি পাব।
- এটা সময়ত যিসকলে উৎপাদনৰ সৈতে সম্বন্ধৰ প্রচলিত পদ্ধতিটো বর্তাই ৰাখিব খোজে (লাভৰ অংশ) আৰু যিসকলে প্রচলিত শোষণকাৰী ব্যৱস্থাটো সলনি কৰিব খোজে তেওঁলোকৰ মাজত মতদ্বন্দ্বই দেখা দিব।
- এই মতদ্বন্দ্বই এক নতুন ব্যৱস্থাৰ জন্ম দিব। প্রাচীন কালত গৰাকী আৰু দাসৰ মাজত সৃষ্টি হোৱা মতদ্বন্দ্বৰ ফলত সামন্ত প্রথাৰ যুগ আৰম্ভ হৈছিল। সামন্ত প্রভু আৰু ৰায়তৰ মাজৰ মতদ্বন্দ্বই পুঁজিবাদৰ জন্ম দিছিল।
- পুঁজিবাদৰ যুগত বুর্জোৱা আৰু সর্বহাৰাৰ মাজত সৃষ্টি হোৱা মতদ্বন্দ্বৰ ফলত অৱশেষত এখন শ্রেণীহীন সমাজৰ সৃষ্টি হ'ব।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Abrahim, Francis and Morgan, John Henry (2009); *Sociological Thought*; New Delhi: Macmillan Press ltd.
2) Coser, Lewis A. (2004); *Masters of Sociological Thought*; Jaipur: Rawat Publications.
3) Ritzer, George (2011); *Sociological Theory*; New Delhi: Tata McGraw-Hill Edition.



৭.৮ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ১৮১৮ চনত কার্ল মার্ক্সৰ জন্ম হৈছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৪৮ চনত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ক) ভাৱবাদী দৰ্শন, খ) প্ৰমেয় (Thesis), গ) 'বস্তু'



৭.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ মার্ক্সে কাৰ পৰা দ্বন্দ্ববাদৰ ধাৰণাটো গ্ৰহণ কৰিছিল?

প্ৰশ্ন ২ ঃ কার্ল মার্ক্সৰ মতে পুঁজিবাদে সৃষ্টি কৰা সামাজিক শ্ৰেণী দুটাৰ নাম কি?

খ) চমু প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ হেগেলৰ মতে সমজে কেনেকৈ উন্নতি কৰে?

প্ৰশ্ন ২ ঃ মানৱ সমাজে কোনবোৰ পর্য্যায়ৰ মাজেৰে উন্নতি কৰিছে?

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ দ্বন্দ্বমূলক বস্তুবাদ বুলিলে কি বুজে? এখন পুঁজিবাদী সমাজত সংগ্ৰামৰ পর্য্যায়বোৰ কি কি হ'ব পাৰে?

*** ***** ***

অধ্যায় ৮ ঃ কার্ল মার্ক্স ঃ ৰাহি মূল্যতত্ত্ব

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ব্যৱহার্য্য মূল্য আৰু বিনিময় মূল্য
৮.৪ মূল্যৰ শ্রমতত্ত্ব
৮.৫ ৰাহি মূল্যতত্ত্ব
৮.৫.১ সর্বোচ্চ আৰু তুলনামূলক ৰাহি মূল্য
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্রগতিৰ খতিয়ান
৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাহি মূল্যতত্ত্বৰ সাৰমর্ম সম্পর্কে জানিব পাৰিব
- 'দ্রব্য'ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- মূল্য শ্রমতত্ত্বৰ আলোচনা কৰিব পাৰিব
- "প্রয়োজনীয় শ্রম কাল" আৰু "ৰাহি শ্রম কাল'ৰ মাজৰ পার্থক্যৰ আলোচনা কৰিব পাৰিব
- "সর্বোচ্চ ৰাহি" আৰু "তুলনামূলক ৰাহি"ৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

কাল মার্ক্সৰ "ৰাহি মূল্য তত্ত্ব" এক উল্লেখনীয় অৱদান যিহেতু ই পুঁজিবাদী অর্থনৈতিক ব্যৱস্থাত শোষণৰ প্রকৃতি ব্যাখ্যাৰ বুনিয়াদ আগবঢ়ায়। মার্ক্সৰ ৰাহি মূল্য (Surplus Value) মতটো জার্মান শব্দ Mehrwerit‌ৰ অনুবাদ। মার্ক্সৰ মতে পুঁজিবাদী ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূর্ণ বৈসিষ্ট্য হ'ল লাভ অবিহনে পুঁজিবাদী সর্বোচ্চকৰণ। ক'ব গ'লে, লাভ অবিহনে পুঁজিবাদী বর্তি নাথাকে, বজাৰত বর্তি থাকিবলৈ পুঁজিবাদীয়ে লাভ আহৰণ কৰিবই লাগিব। পুঁজিবাদীয়ে কেনেকৈ লাভ আহৰণ কৰে এই ধাৰণাৰ ভিত্তিতে 'ৰাহি মূল্য' তত্ত্বৰ বিকাশ হৈছিল। লাভ ক'ৰ পৰা আহে? সেই সমূহৰ উত্তৰে হ'ল মার্ক্সৰ 'ৰাহি মূল্য'।

৮.৩ ব্যৱহার্য্য মূল্য আৰু বিনিময় মূল্য

পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ বৈশিষ্ট্য হ'ল ইয়াত উৎপাদনকাৰী সকলৰ জৰুৰী উপভোগৰ সলনি বিক্রী, বিনিময় আৰু লাভৰ বাবে দ্রব্য উৎপাদন হয়। এই 'দ্রব্য' (Commodity) নো কি? ইয়াৰ কৌশলগত অর্থ অধিক আছে। সর্বপ্রথমে দ্রব্যৰ দুটা দিশ আছে— 'ব্যৱহার্য্য মূল্য' আৰু 'বিনিময় মূল্য'। 'ব্যৱহার্য্য মূল্য' হ'ল দ্রব্যৰ গুণগত দিশ যি এটা বিশেষ দ্রব্যৰ সৈতে জড়িত। ই হ'ল দ্রব্যৰ উপযোগিতা যি মানুহৰ প্রয়োজন পূৰণ কৰে, উদাহৰণ স্বৰূপে, ৰুটি খাদ্যৰ বাবে ব্যৱহাৰ কৰা হয়, কলম লিখাৰ বাবে ব্যৱহাৰ কৰা হয় ইত্যাদি। 'ব্যৱহার্য্য মূল্য' দ্রব্যৰ প্রত্যক্ষ অৱস্থিতিৰ স'তে ওতঃপ্রোতভাৱে জড়িত। আনহাতে, 'বিনিময় মূল্য' বুলিয়ে একোটা দ্রব্যৰ একোটা বিনিময় পৰিবেশত আন এটা দ্রব্যৰ সতে, তুলনামূলক জোখ বা মূল্যক নির্দ্ধাৰণত অনুমতি দিয়ে। উদাহৰণ স্বৰূপে, এজন লোকে এক নির্দিষ্ট পৰিমাণৰ সুমথিৰাৰ বিনিময়ত কিমানটা আপেল কিনিব। যি কি নহওক, আধুনিক বজাৰ ব্যৱস্থাত সকলো দ্রব্যৰে তুলনামূলক মুদ্রাৰ মানত দেখুওৱা হয়। সেয়ে আধুনিক বজাৰ ব্যৱস্থাত, এটা দ্রব্যৰ বিনিময় মূল্য বুলিলে সাধাৰণতে মুদ্রাগত মূল্যকে বুজায়। মন কৰা প্রয়োজন যে বেলেগ বেলেগ দ্রব্যৰ মূল্যৰ জোখ উলিওৱাটো কঠিন। উদাহৰণ স্বৰূপে, ৰুটী আৰু কলমৰ ব্যৱহার্য্য মূল্যৰ পার্থক্য। কোনোৱে ৰুটীক লিখা কার্য্যৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰে, একেদৰে কলমক খাদ্যৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰে। যি কি নহওক ইয়াক বিনিময়ৰ যোগেদিহে পূৰাব পাৰি, যেনে— ৰুটীক কলমৰ সৈতে বিনিময় কৰা হ'ল। মার্ক্সে দ্রব্যৰ বিনিময় মূল্যক অতি গুৰুত্ব দিছে আৰু এটা বস্তুক তেতিয়ালৈকে দ্রব্য আখ্যা দিব নোৱাৰি যেতিয়ালৈ ইয়াক বিনিময় কৰা নহয় বা তাৰ 'বিনিময় মূল্য' নাথাকে। উদাহৰণ স্বৰূপে, এজন ব্যক্তিয়ে এটা সামগ্রী উৎপাদন কৰে আৰু সেই সামগ্রী বা বস্তুটো তেওঁৰ নিজৰ বাবে অতি উপযোগী কিন্তু সেই বস্তুটো বজাৰত বিনিময় নহয়, তেনে তাক কৌশলগত ভাৱে দ্রব্য বুলি ক'ব নোৱাৰি। এতিয়া দৰকাৰি কথা হ'ল একে পৰিমাপতে ভিন্ন দ্রব্যক ভিন ভিনকৈ কেনেকৈ জুখা হয়? কিয় এটা বিশেষ দ্রব্য আনবিলাক দ্রব্যতকৈ অতি ব্যয়বহুল। মার্ক্সে দাবী কৰে যে যিবিলাক দ্রব্যৰ বিভিন্ন 'ব্যৱহার্য্য মূল্য' আছে সিবিলাকৰতুলনামূলক বা 'বিনিময় মূল্য'আছে। সেই সমূহৰ নিশ্চয় কিছু পৰিমাপীয় দিশ থাকিব। মার্ক্সৰ মতে এই সকলো দ্রব্যৰ সাধাৰণ দিশটো হ'ল এইবিলাক 'মানৱ শ্রম'ৰ দ্বাৰা উৎপাদিত আৰু এই প্রেক্ষাপটে 'মূল্যৰ শ্রম তত্ত্বৰ বুনিয়াদ প্রদান কৰে।

৮.৪ মূল্যৰ শ্রমতত্ত্ব

মার্ক্সে ৰিকার্ডৰ মূল্যৰ 'শ্রম আৰু তত্ত্বৰ' পৰিশোধিত কৰিছিল আৰু কিছুমান সমালোচনা-মূলক সংশোধন আগবঢ়াইছিল। মার্ক্সৰ বাবে শ্রমৰ দ্বাৰাহে এটা দ্রব্যৰ মূল্য সৃষ্টি কৰা হয়। শ্রমিকৰ সামর্থ্য আছে যাক কোৱা হয় 'শ্রমশক্তি', যিয়ে দ্রব্যত মূল্যৰ যোগ দিব পাৰে, সেইয়া ব্যৱহার্য্য মূল্যই হওক বা বিনিময় মূল্যই হওক। মার্ক্সে, 'বিনিময় মূল্য' আৰু তাক কেনেকৈ নির্ণয় কৰা হয় তাৰ প্রতি অতি আগ্রহী আছিল। আমি এটা সৰল ধাৰণাৰে আৰম্ভ কৰোহক যে এটা দ্রব্যৰ মূল্য

গড় শ্রম আৰু ইয়াৰ বাবে প্রয়োজনীয় সময়ৰ ওপৰত ভিত্তি কৰি নির্দ্ধাৰিত হয়। এনে পৰিস্থিতিত ক'ব পাৰি যে যি যি দ্রব্য উৎপাদনৰ বাবে অধিক শ্রমৰ প্রয়োজন হয় সেই দ্রব্যটো কম শ্রম প্রয়োজন হোৱা দ্রব্য এটাতকৈ বিনিময় মূল্য বেছি।সেয়ে এখন চাইকেলতকৈ এখন গাড়ী অধিক ব্যয়বহুল। যি কি নহওক, এইটো ইমান সৰল কথা নহয়। প্রথমতে এটা বিশেষ সামগ্রী উৎপাদন কৰিবলৈ বনুৱাসকল বেলেগ বেলেগ কামত নিয়োজিত হ'ব লাগিব, যিখিনি চূড়ান্ত পর্য্যায়ৰ দ্রব্য প্রদান কৰিব। মার্ক্সে এই বিশেষ শ্রমিকসকলক স্থূল (Concrete) শ্রমিক আখ্যা দিছে। যি কি নহওক স্থূল শ্রমিকে মূল্য উৎপাদন কৰি আছে, গতিকে যেতিয়া সমগ্র উৎপাতি সামগ্রীৰ লক্ষ্য কৰো দেখিম যে প্রতিনজ স্থূল শ্রমিকে ইয়াত মূল্য আগবঢ়াইছে।দ্বিতীয়তে, যেতিয়া শ্রমিকৰ শ্রম কৌশলৰ কথা আহে, সকলো একে নহয়। এইদৰে এক নির্দিষ্ট সময়ছোৱাত, এজন কৌশলী বনুৱাই এজন কৌশলবিহীন শ্রমিতকৈ অধিক উৎপাদন কৰিব। গতিকে আমি যদি উদাহৰণলৈ চাওঁ দেখিম যে যিবিলাক দ্রব্যৰ উৎপাদনে বেছি সময় লৈছে, সেইবিলাকৰ উৎপাদনত কম সময় লোৱা দ্রব্যতকৈ ব্যয়বহুল। সেইদৰে কৌশলী বনুৱাই উৎপাদন কৰা দ্রব্যসমূহ কৌশলবিহীন বনুৱাই উৎপাদন কৰা দ্রব্যতকৈ অধিক ব্যয়বহুল। যি কি নহওক এনেকুৱা সদায় নহয়।

যিহেতু প্রতিজন স্থূল শ্রমিকৰ চূড়ান্ত দ্রব্য আৰু প্রতিজন শ্রমিকৰ ব্যক্তিগত কৌশল জোখাটো কঠিন কাম। গতিকে এই ক্ষেত্রত দ্রব্য উৎপাদনৰ বাবে প্রয়োজন হয় সামাজিকভাৱে গুৰুত্বৰ 'শ্রম কাল'ৰ। মার্ক্সে ইয়াকে বুজাইছিল দ্রব্য এটা মূল্য 'সর্বোচ্চ শ্রম'। (সকলো স্থূল শ্রম আৰু গড় শ্রম কৌশলৰ পর্য্যায়) আৰু স্বাভাৱিক কর্ম কালৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি নির্ধাৰিত হ'ব লাগে। তাৰ উপৰি, এটা দ্রব্যৰ মূল্যই কেৱল প্রত্যক্ষ শ্রমিককে (যিয়ে চূড়ান্ত দ্রব্য উৎপাদন কৰে, যেনে— গাড়ী) অন্তর্ভূক্ত নকৰে বৰঞ্চ পৰোক্ষ শ্রমকো (যিয়ে যন্ত্রপাতি, আহিলা আৰু কেঁচামালৰ উৎপাদন কৰে) অন্তর্ভুক্ত কৰে। গতিকে মূল্য শ্রম তত্ত্বৰ সাৰমর্ম এয়ে যে 'দ্রব্যৰ তুলনামূলক বিনিময় মূল্য' উৎপাদনৰ স্বাভাৱিক সময়ৰ পৰিস্থিতিত গড় শ্রম সময় মতে নির্ধাৰিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ব্যৱহার্য্য মূল্য কি?

.....

.....

.....

প্রশ্ন নং ২ ঃ পণ্যদ্রব্যৰ মূল্য কিদৰে নির্দ্ধাৰণ কৰা হয়?

.....

.....

৮.৫ ৰাহি মূল্যতত্ত্ব

এতিয়া আহোঁ প্রধান দিশটোলৈ, সেইটো হ'ল কেনেকৈ পুঁজিবাদী শ্রেণীয়ে লাভ বা ৰাহি মূল্য সমগ্রহ কৰে। পুঁজিবাদীসকলৰ গুপ্ত লাভ আহৰণৰ বিশ্লেষণ প্রদান কৰিবলৈ মার্ক্সে 'বিনিময়ৰ পুঁজিবাদী চক্র'ৰ আলোচনা আৰম্ভ কৰিছে। M-C-M/ অর্থাৎ বিনিময়ৰ পুঁজিবদী চক্র। আলোচনা বিস্তৃতভাৱে যোৱাৰ আগতে আন এটা বিনিময় চক্রলৈ দৃষ্টি দিওঁহক। সেয়া হ'ল 'বিনিময়ৰ সৰল চক্রচ বিনিময়ৰ সৰল চক্রত আমি দুই ধৰণৰ বেলেগ বেলেগ বিনিময় দেখো। প্রথমতে দ্রব্যৰ পৰা দ্রব্যলৈ (C-C/), ইয়াত প্রত্যক্ষভাৱে এটা দ্রব্যৰ সলনি আন এটা দ্রব্য বিনিময় কৰা হয়। দ্বিতীয়তে, এনে এক ধৰণৰ আছে যিটো এটা দ্রব্য উৎপাদনৰ পৰা আৰম্ভ হয়, তাৰ পিছত ইয়াক মূদ্রাৰ বাবে বিক্রি কৰা হয় আৰু অৱশেষত সেই মুদ্রা আন কোনো দ্রব্য কিনিবৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াক C- M-C/ চিত্রৰ দ্বাৰা দেখুৱাব পাৰি। যি কি নহওক দুইটা ধৰণ একে যদি আমি শেষ ফলাফল চাওঁ। যিটো অৱশেষত কোনো এজনৰ প্রয়োজন উত্তমভাৱে পূৰাব পাৰে। গতিকে 'সৰল বিনিময় চক্রত লাভ ব্যাখ্যা কৰাটো প্রকৃততে কৌশলভাৱে কঠিন।

যি কি নওহক পুঁজিবাদী ব্যৱস্থাত য'ত মার্ক্স আগ্রহী আছিল তাত বিনিময় চক্রটো ওলোটা কৰা হৈছে। 'সৰল বিনিময় চক্রৰ' বিপৰীতে 'পুঁজিবাদী বিনিময় চক্র'লৈ ৰূপান্তৰ হৈছে। যিটো দ্রব্য ক্রয়ৰ বাবে ইয়াক বিনিয়োগ (যিখিনি উৎপাদন প্রক্রিয়া আৰু নতুন দ্রব্যৰ সতে সংযোজিত' আৰু তাৰ পিছত ইয়াক পুনৰ মুদ্রা আহৰণৰ বাবে বিনিয়োগ কৰা হয়। প্রক্রিয়াটোৰ শেষত পুঁজিবাদীয়ে চক্রটোৰ পৰা অধিক লাভ আহৰণ কৰে আৰু ইয়াক পুনৰ আৰম্ভণিলৈ নিক্ষেপ কৰে। ইয়াক M-C-M/ চিত্রৰ দ্বাৰা দেখুওৱা হৈছে। কিন্তু মূল প্রশ্নটো হ'ল কেনেকৈ মুদ্রা বৃদ্ধি হয়, যিদৰে মার্ক্সে দাবী কৰে যে দ্রব্যৰ বিনিময়ে নিজাকৈ মূল্যৰ সৃষ্টি নকৰে। মার্ক্সৰ মতে, পুঁজিবাদীয়ে উৎপাদন কৰা দ্রব্য বিক্রী কৰিহে লাভ আহৰণ কৰা হয় আৰু এই লাভ উৎপাদন প্রক্রিয়া চলি থকা সময়তেই সৃষ্টি কৰি লোৱা হয়। গতিকে ইয়াক বুজিবলৈ হ'লে M আৰু M/ৰ বিৰতিত অর্থাৎ উৎপাদন প্রক্রিয়াৰ সময়ছোৱাত কি হয় তাক গভীৰভাৱে বিশ্লেষণৰ প্রয়োজন।

আৰম্ভণিতে পুঁজিবাদীয়ে, মুদ্রা বা মূলধনৰ সতে বিনিয়োগ কৰে আৰু দ্রব্য উৎপাদনৰ সঁজুলিসমূহ যেনে মেচিন, আহিলাপাতি, কেঁচামাল আৰু শ্রম শক্তিও ক্রয় কৰে। উৎপাদনৰ এই আহিলাসমূহ উৎপাদন প্রক্রিয়াতে ব্যৱহৃত হয় আৰু নতুন দ্রব্য ক্রয় হয়। এতিয়া এটা নতুন দ্রব্যৰ দৰ দ্রব্যবিধৰ উৎপাদন ব্যয়ৰ ওপৰত ভিত্তি কৰি নির্দ্ধাৰিত কৰা হয়, যিটো বিনিয়োগৰ পৰিমাণতকৈ অধিক হয়। যি কি নহওক মার্ক্সৰ মতে 'স্থিৰ মূলধন' আৰু 'চলন্ত মূলধন'ৰ মাজত এটা পার্থক্য থকা উচিত। 'স্থিৰ মূলধন হ'ল অনা-শ্রমৰ ওপৰত কৰা বিনিয়োগসমূহ যেনে মেচিন, আহিলাপাতি, কেঁচামাল ইত্যাদি। এই অনা-শ্রমমূলক বস্তুবিলাকত কৰা বিনিয়োগ সকলো সময়তে একে থাকে আৰু কোনো ৰাহি মূল্যৰ সৃষ্টি নকৰে।

পুঁজিবাদীয়ে শ্রম শক্তি ক্রয় কৰে (শ্রমিকৰ দ্রব্যত মূল্য সংযোগ কৰিব পাৰ সামর্থ) শ্রম শক্তি ওপৰত মূলধন বিনিয়োগ 'চলন্ত মূলধন' আৰু ই স্থিতিস্থাপক। মার্ক্সে ইয়াতে অতিৰিক্ত মূল্যৰ কথা কৈছে। উৎপাদনৰ কাৰখানা ব্যৱস্থাত বনুৱাসকলে শ্রমিক হিচাবে যোগদান কৰে য'ত

তেওঁলোকে নিজৰ শ্ৰম পুঁজিবাদীক বিক্ৰী কৰে আৰু বিনিময়ত তেওঁলোকক মজুৰি দিয়া হয়। ইয়াত এইটো কথাও লক্ষ্য কৰা প্ৰযোজ্য যে শ্ৰমিকসকলৰ উৎপাদন প্ৰক্ৰিয়াত কোনো নিয়ন্ত্ৰণ নাথাকে। এতিয়া প্ৰশ্ন হ'ল শ্ৰমিকৰ মজুৰি কেনেকৈ নিৰ্দ্ধাৰণ হয়। মজুৰি যিটো শ্ৰমিকক প্ৰদান কৰা হয়, সেয়া জোখা হয় তেওঁলোকৰ দৈনিক বুনিয়াদী খাদ্য, কাপোৰ-কানি, গৃহ আদিৰ ওপৰত ভিত্তি কৰি আৰু এনেকৈয়ে সিহঁতক জীয়াই ৰখা হয়, আৰু পৰৱৰ্তী দিনটোৰ বাবে সাজু কৰা হয়। মার্ক্সে ক'ব খোজে যে বনুৱাসকলক প্ৰবঞ্চনা কৰা হোৱা নাই (অন্ততঃ পুঁজিবাদী নিয়ম মতে) তেওঁলোকক শ্ৰমশক্তিৰ সম্পূৰ্ণ মূল্য দিয়া হয়।কিন্তু তেওঁলোকে যি উৎপাদন কৰে তাৰ সমপৰ্য্যায়ৰ মূল্য প্ৰদান কৰা নহয়। আন কথাত, বনুৱাসকলে উৎপাদন কৰা সম্পদ সিহঁতৰ জীৱিকাৰ বাবে প্ৰয়োজন হোৱা সম্পদতকৈ বেছি। কওঁ আহক যে, দহ ঘণ্টাৰ কামৰ সময়ত এজন বনুৱাই পাঁচ ঘণ্টাৰ মূল্য উৎপাদন কৰে যিটো তেওঁৰ মজুৰিৰ সমান (তেওঁৰ এটা দিনৰ বুনিয়াদী প্ৰয়োজনসমূহ পুৰাবলৈ, যাৰ ভিত্তিত তেওঁক মজুৰি প্ৰদান কৰা হয়।) তাৰ অৰ্থ হ'ল যে এজন বনুৱাই নিজৰ বাবে পাঁচ ঘণ্টা কাম কৰে আৰু পুঁজিবাদীৰ বাবে পাঁচ ঘণ্টা কাম কৰে। এই সময়ছোৱাই শ্ৰমিকজনৰ বুনিয়াদী প্ৰয়োজনসমূহ পূৰাবৰ বাবে যথেষ্ট যাক কোৱা হয় 'প্ৰয়োজনীয় শ্ৰমিক সময়'। যদি শ্ৰমিকসকলে পুঁজিপতিৰ কাৰণে কাম নকৰি নিজাকৈ কাম কৰিলেহেঁতেন, তেন্তে তেওঁলোকে এদিনত মাত্ৰ পাঁচ ঘণ্টা কাম কৰিয়েই নিজক পোহপাল দিব পাৰিলেহেঁতেন আৰু দিনটোৰ আনখিনি সময় নিজে ভালপোৱা কাম কৰি কটাব পাৰিলেহেঁতেন।কিন্তু যিহেতু একচুক্তি অনুসৰি তেওঁলোকে নিজৰ শ্ৰমশক্তি দহ ঘণ্টাৰ বাবে বিক্ৰী কৰে, বাকী পাঁচঘণ্টা পুঁজিপতিৰ লাভৰ বাবে কাম কৰে। আচল কথা হ'ল এটা দিনৰ আধা ভাগ সময় বনুৱাক জীয়াই ৰখাৰ বাবে প্ৰয়োজন। ২৪ ঘণ্টা গোটেই দিনটো কাম কৰাত কোনো বাধা প্ৰদান কৰা নহয়।মার্ক্সে এই কৰ্ম দিনৰ দ্বিতীয় অংশটো 'ৰাহি শ্ৰম কাল' হিচাপে আখ্যা দিছে। ইয়াক এটা সৰল সমীকৰণেৰে দেখুৱাব পাৰি। এজন শ্ৰমিকে যদি দিনটোৰ দহ ঘণ্টা সময় কাম কৰেআৰু এটা বিশেষ দ্ৰব্যৰ দহটা ভাগ উৎপাদন কৰে, ইয়াৰ অৰ্থ হ'ল শ্ৰমিকজনে প্ৰতি ঘণ্টাত দ্ৰব্য এটা ভাগ উৎপাদন কৰে। এতিয়া প্ৰতিটো দ্ৰব্যৰ মূল্য বিশ টকা হয়, তাৰ অৰ্থ এই যে শ্ৰমিকজনে এক ঘণ্টাত বিশ টকা মূল্যৰ দ্ৰব্য উৎপাদন কৰিব। আনহাতে, শ্ৰমিকজনক যদি ১০০ টকা মজুৰি দিয়া হয় (দৈনিক নিম্নতম বুনিয়াদী প্ৰয়োজন) যাৰ অৰ্থ হ'ল প্ৰয়োজনীয় শ্ৰম কাল হ'ল পাঁচ ঘণ্টা (20 × 5 = 100) কিন্তু এজন শ্ৰমিকে যিহেতু তেওঁৰ শ্ৰম শক্তি বিক্ৰি কৰিছে, তেওঁ কোনো বিকল্প এৰা নাই, এই প্ৰক্ৰিয়াটোত অন্য পাঁচ ঘণ্টা পুঁজিবাদীৰ বাবে কাম কৰে, য'ত পুঁজিবাদীয়ে ১০০ টকাৰ ৰাহি মূল্য আহৰণ কৰে।

৮.৫.১ সৰ্বোচ্চ আৰু তুলনামূলক ৰাহি মূল্য

এতিয়া এইটো সম্ভৱ যে যিমানে শ্ৰমিকসকলক প্ৰয়োজনীয় শ্ৰম কালৰ ওপৰত কাম কৰিব দিয়া হয়, সিমানে অধিক পুঁজিবাদীয়ে লাভ আহৰণ কৰে। মার্ক্সে পুঁজিপতিসকলৰ অধিক লাভ আহৰণ কৰাৰ দুটা কৌশল আঙুলিয়াই দেখুৱাইছিল— 'সৰ্বোচ্চ ৰাহি মূল্য' আৰু 'তুলনামূলক ৰাহি মূল্য'।

- **সর্বোচ্চ ৰাহি মূল্য ঃ** মার্ক্সৰ মতে, ৰাহি মূল্য সংগ্রহৰ এটা উপায় হ'ল কার্য্যকালৰ সময় দীঘলীয়া কৰা, যে দহৰ পৰা ২০ ঘণ্টালৈ বৃদ্ধি কৰা। যদিহে এজন শ্রমিকৰ প্রয়োজনীয় সময় পাঁচ ঘণ্টা হয় যিখিনিয়ে তেওঁৰ বুনিয়াদী প্রয়োজন পূৰাব পাৰে, বাকী সাত ঘণ্টা হ'ব পুঁজিবাদীৰ ৰাহি মূল্য। দহ ঘণ্টাৰ সময়ছোৱাত ৰাহি মূল্য হ'ল পাঁচ ঘণ্টাৰ। এতিয়া সেই কাম বাৰ ঘণ্টালৈ বৃদ্ধি কৰি, ৰাহি মূল্য সাত ঘণ্টা বঢ়ালে। মার্ক্সে এই কৌশলক সর্ব্বোচ্চ ৰাহি মূল্য আখ্যা দিছে।
- **তুলনামূল ৰাহি মূল্য ঃ** মার্ক্সৰ মতে ৰাহি মূল্য সংগ্রহ আন এটা উপায় আছে, সেয়া হ'ল প্রয়োজনীয় শ্রম কাল হ্রাস কৰি আৰু শ্রমিক উৎপাদনশীলতা বৃদ্ধি কৰি। এইটো কাম কৰিব পাৰি নতুন যন্ত্রপাতি আৰু আহিলাসমূহৰ পৰিচয় কৰায়। মেচিনৰ পৰিচয়ৰ লগে লগে শ্রমিকে অধিক খৰতকীয়াকে কাম কৰিবলৈ ল'ব আৰু এনেকৈ উৎপাদনশীলতা বৃদ্ধি হ'ব। আনহাতে, সমপৰিমাণৰ শ্রমিক পৰিচালনাৰ ব্যয় তিনি ঘণ্টাৰ ভিতৰত উৎপাদন কৰিব পাৰি খৰতকীয়া উৎপাদনৰ বাবে, ৰাহি শ্রম কালো দহ ঘণ্টাৰ কর্ম দিনত বৃদ্ধি পাব। তাৰ উপৰি উৎপাদনকাৰী কার্য্যবিলাকো একেদৰে বৃদ্ধি পাব, শ্রমিক পৰিদর্শন, সময়সূচীৰ পৰিৱর্তন আদি কৰি। এই পৰিবেশত যি ৰাহি হয় তাকে মার্ক্সে তুলনামূলক ৰাহি মূল্য আখ্যা দিছে।

এইদৰেই কার্ল মার্ক্সৰ ৰাহি মূল্য হ'ল পুঁজিবাদী উৎপাদন প্রক্রিয়াত কেনেকৈ ৰাহি বা লাভ আহৰণ কৰা হয় তাৰ বর্ণনা। আৰু এই ৰাহি অন্যৰ পৰা নাহে, কিন্তু শ্রমিকৰ নিজৰ পৰাই আহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শ্রমশক্তি কি ?

.....

.....

প্রশ্ন নং ৪ ঃ সর্বোচ্চ ৰাহি মূল্য আৰু তুলনামূলক ৰাহি মূল্যৰ মাজৰ পার্থক্য উল্লেখ কৰক।

.....

.....

.....

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কার্ল মার্ক্সে 'ৰাহি মূল্যৰ তত্ত্ব' ব্যাখ্যা আৰম্ভ কৰিছে অতি বুনিয়াদী প্রশ্ন লাভ ক'ৰ পৰা আহে সুধি 'ৰাহি মূল্য তত্ত্ব' আৰম্ভ কৰিছে।
- ইয়াক উত্তৰ দিবলৈ তেওঁ 'দ্রব্য' ওপৰত তত্ত্ব আগবঢ়াইছে আৰু 'ব্যৱহার্য্য মূল্য' আৰু 'বিনিময় মূল্য'ৰ মাজত পার্থক্য আগবঢ়াইছে।
- মার্ক্সৰ বাবে, কৌশলগতভাৱে থাকিব লাগিব।
- মূল্যৰ শ্রম তত্ত্বত মার্ক্সে দেখুওৱাইছে যে দ্রব্য এটি মূল্য উৎপাদনৰ বাবে প্রয়োজন হোৱা গড় শ্রম কালৰ ওপৰত ভিত্তি কৰি নির্ণয় কৰা হয়।
- পুঁজিবাদী উৎপাদন ব্যৱস্থাত আৰু 'পুঁজিবাদী বিনিময় চক্র'ত এজন পুঁজিবাদীয়ে প্রথম ধন বিনিয়োগ কৰে (M), ধনৰ সৈতে তেওঁ দ্রব্য (যিখিনি উৎপাদন প্রক্রিয়াত সংযোজিত আৰু এটা নতুন দ্রব্য যোগ হয়) ক্রয় কৰে আৰু পুনৰ নতুন উৎপাদিত দ্রব্য ধনৰ বাবে বিক্রী কৰে (M′)। শেষৰ প্রক্রিয়াত পুঁজিবাদীয়ে আৰম্ভণিত নিক্ষেপ কৰা মূল্যতকৈ অধিক মূল্য, লাভ কৰে।" ইয়াক M-C-M′ চিত্রৰ দ্বাৰা দেখুওৱা হয়।
- শ্রমিকৰ বুনিয়াদী প্রয়োজন বা মজুৰি পুৰণৰ বাবে সময়চোৱা যথেষ্ট বাবে ইয়াক কোৱা হয় 'প্রয়োজনীয় শ্রম কাল' আৰু প্রয়োজনতকৈ অধিক শ্রমৰ বৃদ্ধি সময়চোৱাক ৰাহি শ্রম কাল কোৱা হয়।
- লাভ সর্বাধিকৰণৰ দুটা উপায় আছে 'সর্বোচ্চ ৰাহি মূল্য' (কর্ম কালৰ সময় দীঘলীয়া কৰি) আৰু তুলনামূলক ৰাহি মূল্য (যাক প্রয়োজনীয় শ্রম কাল হ্রাস আৰু মেচিনৰ পৰিচয়ৰে শ্রমিকৰ উৎপাদনশীলতা বৃদ্ধি কৰি।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Bottomore, Tom (Eds.) (2001); *A Dictionary of Marxist Thought*; USA: Blackwell Publisher.
2) Foley, D. K. (1986); *Understanding Capital: Marx's Economic Theory*; London: Harvard University Press.
3) Royce, Edward (2015); *Classical Social Theory and Modern Society: Marx, Durkheim, Weber*; New York: Rowman & Littefeld.



৮.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ 'ব্যৱহার্য্য মূল্য' হ'ল দ্রব্যৰ গুণগত দিশ যি এটা বিশেষ দ্রব্যৰ সৈতে জড়িত। ই হ'ল মানুহৰ প্রয়োজন পূৰণ কৰা পণ্যদ্রব্যৰ উপযোগিতা, উদাহৰণ স্বৰূপে, ৰুটী খাদ্যৰ বাবে ব্যৱহাৰ কৰা হয়, কলম লিখাৰ বাবে ব্যৱহাৰ কৰা হয় ইত্যাদি। 'ব্যৱহার্য্য মূল্য' দ্রব্যৰ প্রত্যক্ষ অৱস্থিতিৰ সতে ওতঃপ্রোতভাৱে জড়িত।

২নং প্রশ্নৰ উত্তৰ ঃ এটা পণ্যদ্রব্যৰ মূল্য গড় শ্রম আৰু ইয়াক উৎপাদনৰ বাবে প্রয়োজন হোৱা সময়ৰ ওপৰত ভিত্তি কৰি নির্দ্ধাৰিত হয়।

৩নং প্রশ্নৰ উত্তৰ ঃ শ্রমিকৰ শ্রমৰ দ্বাৰাহে এটা পণ্যদ্রব্যৰ মূল্য সৃষ্টি কৰা হয় আৰু শ্রমিকৰ এনে সামর্থ্যক 'শ্রম শক্তি' বুলি কোৱা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ পুঁজিবাদীসকলে বাহি মূল্য সংগ্রহৰ বাবে শ্রমিকৰ কার্য্যকালৰ সময় দীঘলীয়া কৰাৰ উপায়টোক সর্বোচ্চ বাহি মূল্য বুলি কোৱা হয়। আন্যহাতে প্রয়োজনীয় শ্রমকাল হ্রাস কৰি আৰু শ্রমিকৰ উৎপাদনশীলতা বৃদ্ধি কৰি বাহি মূল্য আহৰণ কৰাৰ উপায়টো তুলনামূলক বাহি মূল্য বুলি কোৱা হয়।



৮.৯ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ পণ্যদ্রব্যৰ গুৰুত্বপূর্ণ উপাদানসমূহ কি কি?

প্রশ্ন ২ ঃ ব্যৱহার্য্য মূল্য আৰু বিনিময় মূল্যৰ মাজৰ পার্থক্য উল্লেখ কৰক।

প্রশ্ন ৩ ঃ শ্রমিকৰ শ্রম কেনেদৰে নির্দ্ধাৰণ কৰিব পাৰি?

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ মূল্যৰ শ্রমতত্ত্বটো আলোচনা কৰক।

প্রশ্ন ২ ঃ মার্ক্সৰ বাহি মূল্যৰ তত্ত্বটো ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ কার্ল মার্ক্স ঃ বিচ্ছিন্নতা তত্ত্ব

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বিচ্ছিন্নতাৰ অর্থ
৯.৪ বিচ্ছিন্নতাৰ প্রকৃতি
৯.৫ বিচ্ছিন্নতাৰ কাৰণ আৰু পৰিণাম
৯.৬ বিচ্ছিন্নতাৰ চাৰিটা প্রধান দিশ
৯.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্রগতিৰ খতিয়ান
৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিচ্ছিন্নতাৰ অর্থ বুজি পাব
- বিচ্ছিন্নতাৰ প্রকৃতি ব্যাখ্যা কৰিব পাৰিব
- কার্ল মার্ক্সে কোৱা বিচ্ছিন্নতাৰ চাৰিটা প্রধান দিশ, যেনে— উৎপাদিত সামগ্রীৰ পৰা বিচ্ছিন্নতা, উৎপাদনৰ সৈতে জড়িত কার্য্যকলাপৰ পৰা বিচ্ছিন্নতা, 'প্রজাতি-সত্তা'ৰ পৰা বিচ্ছিন্নতা আৰু সহকর্মীৰ পৰা বিচ্ছিন্নতা চিনাক্ত কৰিব পৰা হ'ব।

৯.২ পৰিচয়

কার্ল মার্ক্সে লিখা প্রথমাৱস্থাৰ ৰচনা 'ইক'ন'মিক এণ্ড ফিল'ছফিক মেন্যুস্ক্রিপ্টচ্'ত (১৮৪৪ চন) পোন প্রথমবাৰৰ বাবে বিচ্ছিন্নতাৰ তত্ত্বটো প্রকাশিত হৈছিল। ৰচনাখনক 'পেৰিছ মেন্যুস্ক্রিপ্ত' বুলিও জনা যায়। কার্ল মার্ক্সৰ জীৱনকালত ৰচনাখনে প্রকাশৰ মুখ দেখা নাছিল। ১৯৩২ চনতহে ৰচনাখন প্রকাশিত হৈছিল। ৰচনাখনৰ 'এষ্ট্রেঞ্জড্ লেবাৰ' শিতানত বিচ্ছিন্নতাৰ তত্ত্বটো আলোচনা কৰা হৈছিল। 'ইক'ন'মিক এণ্ড ফিল'ছফিক মেন্যুস্ক্রিপ্ট' আছিল বিভিন্ন টোকা সম্বলিত এলানি ৰচনা। এই ৰচনাৰ জৰিয়তে মার্ক্সে নতুনকৈ উত্থান ঘটা 'পুঁজিবাদ' নামৰ অর্থনৈতিক ব্যৱস্থাটোৰ বিষয়ে সমালোচনাত্মক বিশ্লেষণ দাঙি ধৰাৰ প্রয়াস কৰিছিল। বিশ্লেষণকালত তেওঁ বিচ্ছিন্নতাৰ ওপৰত মার্ক্সে অধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে এই ধৰণৰ বিচ্ছিন্নতা হ'ল পুঁজিবাদী অর্থনৈতিক ব্যৱস্থাত সুপ্ত হৈ থকা এক বস্তুনিষ্ঠ অৱস্থা (Objective Condition)। মার্ক্সৰ মতে চাৰিটা দিশত আমি বিচ্ছিন্নতা ধৰা পেলাব পাৰোঁ— উৎপাদন কৰা সামগ্রীৰ পৰা কর্মীৰ বিচ্ছিন্নতা,

উৎপাদনমুখী কার্য্যকলাপৰ পৰা বিচ্ছিন্ন, 'প্রজাতি-সত্তা' (Species being) অথবা মানৱীয় সম্ভাৱনাৰ (Human Potential) পৰা বিচ্ছিন্নতা আৰু অন্তিমটো হ'ল সহকর্মীৰ পৰা বিচ্ছিন্নতা। ইয়াৰ আগৰ অধ্যায়টিত আমি কার্ল মার্ক্সৰ ৰাহি মূল্যতত্ত্বটো আলোচনা কৰিলোঁ। এই অধ্যায়ত আমি তেওঁৰ বিচ্ছিন্নতাৰ তত্ত্বটো আলোচনা কৰিম।

৯.৩ বিচ্ছিন্নতাৰ অর্থ

সাধাৰণতে 'বিচ্ছিন্নতা'ই অকলশৰীয়া অৱস্থা (Isolation), নির্বিকাৰ মনোভাৰ (Detachment), দূ�ৰত্ব (Distance), পৃথকীকৰণ (Seperation), বিভাজন (Division), চ্ছেদন (Cutting off) আদি পৰিঘটনাৰ কথা বুজায়। ই এক বহুধা বিভক্ত ধাৰণা। সমাজশাস্ত্র, ৰাজনীতি বিজ্ঞান, দর্শন, মনোবিজ্ঞানকে আদি কৰি সমাজ বিজ্ঞানৰ বিভিন্ন বিষয়ত এই ধাৰণাটোৰ বহুল ব্যৱহাৰ দেখা যায়।অর্থাৎ 'বিচ্ছিন্নতা' বোলা অভিধাটোৰ একাধিক অর্থ আছে আৰু ইয়াক বিভিন্ন পটভূমিত ব্যৱহাৰ কৰা হয়। সেয়েহে বিচ্ছিন্নতাৰ বিষয়ে আলোচনা আৰম্ভ কৰাৰ আগতে ইয়াৰ উপযুক্ত পটভূমি জানি লোৱা উচিত। ট'ম ব'টম'ৰে সম্পাদনা কৰা গেয়'ৰ পেট্র'ভিচৰ (Gajor Petrovic) ৰচনা 'এ ডিক্সনেৰী অৰ মার্ক্সিষ্ট থট'ত 'বিচ্ছিন্নতা'ৰ অভিধাটো বিভিন্ন ৰূপত ব্যৱহৃত হয় বুলি উল্লেখ আছে। যেনে—"দৈনন্দিন জীৱনত পুৰণি বন্ধু অথবা সহকর্মীৰ পৰা আঁতৰি থকা অথবা দূৰত্ব বর্তাই ৰখাটো বিচ্ছিন্নতা; অর্থনীতি আৰু আইনত এজনৰ পৰা আন এজনলৈ সম্পত্তি হস্তান্তৰ (ক্রয়-বিক্রয়, চুৰি, উপহাৰ) ঘটা প্রক্রিয়াটো বুজাবলৈ 'বিচ্ছিন্নতা'ৰ অভিধাটো ব্যৱহাৰ কৰা হয়; চিকিৎসা বিজ্ঞান আৰু মনোচিকিৎসাৰ ক্ষেত্রত বিচ্ছিন্নতা মানে হ'ল স্বাভাৱিক অৱস্থাৰ পৰা হোৱা মানসিক বিচ্যুতি, অপ্রকৃতিস্থ অৱস্থা" ইত্যাদি। একেদৰে, ক্লাৰেন্স ৰাই. এইছ. লোৰ মতে "কোনো এক সমূহৰ পৰা ব্যক্তি অকলশৰীয়া হৈ পৰাঅৱস্থাটোকো বিচ্ছিন্নতা বোলা হয়— বিচ্ছিন্ন ব্যক্তি সমূহ এটাত চলা কার্য্যকলাপ, সামাজিক চিনাক্তকৰণ প্রক্রিয়া আৰু সমূহীয়া বন্ধোনৰ পৰা পৃথক হৈ পৰে।"

'ইউনেস্ক' ডিক্সনেৰী অৰ ছ'ছিয়েল ছাইন্সেছ'ত 'বিচ্ছিন্নতা'ৰ সংজ্ঞা এনেদৰে দাঙি ধৰা হৈছে— "ব্যক্তিত্বৰ অংশ অথবা সামগ্রিক ব্যক্তিত্ব আৰু অভিজ্ঞতাৰ পৃথিৰীখনৰ বিভিন্ন বৈশিষ্ট্যপূর্ণ দিশৰ মাজত ঘটা বিচ্ছেদ (Estrangement) অথবা পৃথকীকৰণেই (Separation) হ'ল বিচ্ছিন্নতা।

(১) এই সাধাৰণ সংজ্ঞাৰ ভিতৰত অভিধাটোৰে— (ক) বিচ্ছেদ অথবা পৃথকীকৰণৰ এটা বস্তুনিষ্ঠ অৱস্থাৰ কথা বুজাব পাৰে; (খ) বিচ্ছেদ ঘটা ব্যক্তিত্বৰ মানসিক অনুভৱ স্থিতি বুজাব পাৰে;(গ) বিচ্ছেদ সৃষ্টিকাৰী কোনো অভিপ্রায়মূলক পৰিস্থিতিৰ কথা বুজাব পাৰে। (২) অভিধাটোৰে বুজাব খোজা পৃথকীকৰণ প্রক্রিয়াটো— (ক) ব্যক্তিসত্তা (Self) আৰু বস্তুনিষ্ঠ পৃথিৰীখনৰ মাজত চলিব পাৰে; (খ) ব্যক্তিসত্তা আৰু পৃথক হৈ পৰা ব্যক্তিসত্তাৰ বিভিন্ন দিশ তথা ব্যক্তিসত্তাৰ বিপক্ষে যোৱা বিভিন্ন দিশৰ মাজত (যেনে— বিচ্ছিন্ন শ্রম) চলিব পাৰে; (গ) ব্যক্তিসত্তা আৰু ব্যক্তিসত্তাৰ মাজত চলিব পাৰে।' সংজ্ঞাটোৰ পৰা ধাৰণাটো সামগ্রিকভাৱে বুজিব পাৰি যদিও ধাৰণাটো বিশেষভাবে ব্যক্তিত্বৰ সৈতেহে জড়িত। সেয়েহে আইগ'ৰ এছ. ক'নে এই সংজ্ঞাটোক "সকলো

দিশকে সামৰি লোৱাৰ পৰা আঁতৰত" (For from all Embracing) বুলি অভিহিত কৰি কৈছে যে বিচ্ছিন্নতাৰ ব্যাখ্যা ব্যক্তিগত স্তৰতে ৰৈ যাব নোৱাৰে, ইয়াৰ ব্যাখ্যাই 'সমূহীয়া' স্তৰকো যাতে সামৰি লয় তালৈও মনোযোগ দিয়া প্রয়োজন।

গেয়'ৰ পেট্রে'ভিচে কার্ল মার্ক্সৰ বিচ্ছিন্নতাৰ ধাৰণাটোৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে— "বিচ্ছিন্নতা হ'ল এনে এক কার্য্য যিটোৰ দ্বাৰা (অথবা এনে এক অৱস্থা য'ত) এগৰাকী ব্যক্তি, এটা দল, এটা অনুষ্ঠান অথবা এখন সমাজ— (১) নিজে কৰা কার্য্যৰ ফলাফল অথবা উৎপাদনৰ পৰা (আৰু কার্য্যটো সৈতে) বিচ্ছিন্ন হৈ পৰে (অথবা বিচ্ছিন্ন হৈ ৰয়) আৰু অথবা (২) ই বর্তি থকা অথবা বসবাস কৰি থকা প্রকৃতিৰ পৰা বিচ্ছিন্ন হৈ পৰে (অথবা বিচ্ছিন্ন হৈ ৰয়) আৰু/অথবা (৩) অন্য ব্যক্তিৰ পৰা বিচ্ছিন্ন হৈ পৰে (অথবা বিচ্ছিন্ন হৈ ৰয়), আৰু লগতে উল্লিখিত যিকোনো এটা দিশৰ পৰা অথবা (১)ৰ পৰা (৩) নম্বৰলৈকে আটাইবোৰৰ পৰা বিচ্ছিন্ন হৈ পৰে (অথবা বিচ্ছিন্ন হৈ ৰয়) আৰু লগতে (৪) নিজৰ পৰাও বিচ্ছিন্ন হৈ পৰে (অথবা বিচ্ছিন্ন হৈ ৰয়) (নিজৰ পৰা বিচ্ছিন্নতাই ঐতিহাসিকভাৱে সৃষ্ট মানৱীয় সম্ভাৱনীয়তাবোৰৰ কথা বুজাইছে)।"

বিচ্ছিন্নতাৰ ধাৰণাটোৰ সৈতে জড়িত পৰিঘটনামূলক জটিলতাবোৰৰ কাৰণে 'দ্য কনচেপ্ট অব্ এলিয়েনেশ্যন—এ ক্রিটিক এণ্ড চাম চাজেশ্বনচ্ ফ'ৰ এ কনটেক্সট্ স্পেচিফিক এপ্র'ছ (১৯৭৫) শিৰোনামৰ প্রৱন্ধত এল্ড'ন এল ৰেগনাৰে ধাৰণাটো এক পটভূমিকেন্দ্রিক চিন্তাৰে প্রয়োগ কৰাৰ পৰামর্শ দিছে। তেওঁৰ মতে বিচ্ছিন্নতা বিশ্লেষণ কৰাৰ সময়ত চাৰিটা প্রধান দিশলৈ লক্ষ্য ৰখা উচিত—

১) বিচ্ছিন্নতাৰ ধাৰণাটোত অন্তর্নিহিত হৈ থকা মানুহৰ প্রকৃতি,
২) বিচ্ছিন্নতাক সামাজিক শৃঙ্খলা সম্পর্কীয় সাধাৰণ দিক্‌বিন্যাস (Orientation) হিচাপে চোৱা হৈছেনে পটভূমি নির্দিষ্ট মনোভাৱৰ সমষ্টি হিচাপে চোৱা হৈছে সেই সম্পর্কে নিৰীক্ষণ,
৩) বিচ্ছিন্নতা সৃষ্টি কৰিব পৰা সাধাৰণ পৰিস্থিতিৰ সমষ্টি এটা আছে নেকি, আৰু
৪) বিচ্ছিন্নতা একমুখী (Unidimensional) নে বহুমুখী (Multidimensional) পৰিঘটনা সেয়া পৰীক্ষা কৰি চোৱা; অর্থাৎ পৰিঘটনাটোৰ সৈতে বিভিন্ন ধৰণৰ বিচ্ছিন্ন ব্যক্তি জড়িত নেকি সেয়া পৰীক্ষা কৰি চোৱা।

৯.৪ বিচ্ছিন্নতাৰ প্রকৃতি

আগতেই উল্লেখ কৰা হৈছে যে বিচ্ছিন্নতাৰ ধাৰণাটো আলোচনা কৰাৰ পূর্বে অভিধাটো কি ক্ষেত্রত ব্যৱহাৰ হৈছে তাৰ পটভূমি জানি লোৱাটো অতি গুৰুত্বপূর্ণ। 'দ্য কনচেপ্ট অব্ এলিয়েনেশ্যন ইন মডার্ন ছ'ছিঅ'ল'জী' (১৯৬৭) শিৰোনামৰ ৰচনাত আইগ'ৰ এছ. ক'নে বিচ্ছিন্নতাৰ কিছুমান গুৰুত্বপূর্ণ প্রকৃতি উল্লেখ কৰিছে প্রকৃতিবোৰ তলত চমুকৈ তুলি দিয়া হ'ল—

এক পৰিঘটনা হিচাপে বিচ্ছিন্নতা মানৱীয় সমস্যাৰ সৈতে জড়িত। অৱশ্যে সমস্যাবোৰ ব্যক্তিগত নে সামূহিক সেয়া পৃথক কৰি লোৱা দৰকাৰ। কিছুমান পণ্ডিতে বিচ্ছিন্নতাক এক ব্যক্তিগত

পৰিঘটনা বুলি ক'ব খোজে। আন কিছুমানে ইয়াক এক 'সর্বাঙ্গীন' (Holistic) পন্থাৰে বিশ্লেষণ কৰিব খোজে। মার্ক্সে আগবঢ়োৱা বিচ্ছিন্নতাৰ ধাৰণাটো কিন্তু মাত্ৰ এজন ব্যক্তি অথবা মাত্ৰ এজন শ্ৰমিকতে সীমাৱদ্ধ নহয়। ই সমগ্ৰ সামাজিক শ্ৰেণীৰ (বিশেষকৈ শ্ৰমিক শ্ৰেণীটো) সৈতে জড়িত। এই সামাজিক শ্ৰেণীবোৰক পুঁজিবাদী অর্থনৈতিক ব্যৱস্থাই বিচ্ছিন্ন কৰি তুলিছে। একেদৰে মার্ক্সৰ বিশেষণ মতে এটা অথবা আনটো সামাজিক দলক বিচ্ছিন্নতাৰ বিভিন্ন ৰূপত উপস্থাপন কৰিব পাৰি। যেনে— সমাজৰ আন অংশৰ পৰা 'নৃগোষ্ঠীয় সংখ্যালঘূ' শ্ৰেণীটোৰ (Ethnic Minarities) বিচ্ছিন্নতা। ক'নে এইবুলিও কৈছে যে, "এগৰাকী ব্যক্তিৰ ব্যক্তিগত গাইগুটীয়া অস্তিত্বৰ নির্দিষ্ট বৈশিষ্ট্যৰ পৰা ওপজা পৃথক ব্যক্তিত্বৰ সমস্যাবোৰৰ আলোচনা আৰু কোনো এক নির্দিষ্ট সামাজিক দলৰ সমস্যা তথা দলটোৰ সামাজিক স্থিতিৰ পৰা ওপজা সমস্যাবোৰৰ আলোচনা, অথবা, সর্বশেষত সাধাৰণ ভাবে কৰা মানৱ জীৱনৰ সমস্যাবোৰৰ আলোচনা একে নহয়।"

যিহেতু বিচ্ছিন্নতা এক বহুমাত্ৰিক পৰিঘটনা, সেয়েহে এগৰাকী ব্যক্তি বিভিন্ন দিশৰ পৰা বিচ্ছিন্ন হ'ব পাৰে। এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে— কিহৰ পৰা ব্যক্তি বিচ্ছিন্ন হ'ব পাৰে? প্ৰশ্নটোৰ উত্তৰ দিয়াটো জটিল। সেয়েহে ধাৰণাটো পটভূমিৰ/বিষয়বস্তুৰ সৈতে মিলাই লোৱাটো জৰুৰী। মার্ক্সৰ 'শ্ৰমিকৰ বিচ্ছিন্নতা'ৰ ধাৰণাটোৱে শ্ৰমিকে নিজে উৎপাদন কৰা সামগ্ৰীৰ পৰা বিচ্ছিন্নতা, উৎপাদনৰ সৈতে জড়িত কাম-কাজৰ পৰা শ্ৰমিকৰ বিচ্ছিন্নতা, 'প্ৰজাতি সত্তা' অথবা মানৱীয় সম্ভাৱনীয়তাৰ পৰা শ্ৰমিকৰ বিচ্ছিন্নতা আৰু সহকর্মীৰ পৰা বিচ্ছিন্নতাক সামৰি লয়। একেদৰে, মার্ভিন স্কটে আন চাৰিটা দিশত ঘটিব পৰা বিচ্ছিন্নতাৰ উল্লেখ কৰিছে— প্ৰমূল্যৰ পৰা বিচ্ছিন্নতা, প্ৰচলিত নীতি-নিয়মৰ পৰা বিচ্ছিন্নতা, ভূমিকাৰ পৰা বিচ্ছিন্নতা আৰু সা-সুবিধাৰ পৰা বিচ্ছিন্নতা। বিচ্ছিন্নতাক সমাজ মনোবৈজ্ঞানিক পৰিঘটনা হিচাপে গণ্য কৰাসকলে ইয়াক নির্দ্ধাৰিত লক্ষ্যক বাস্তৱ ৰূপ দিব নোৱাৰা অথবা নিজকে অপাৰগ যেন অনুভৱ কৰা ব্যক্তিগত মনৰ অন্তর্দ্বন্দ্ব (Innerconflict in the Individual Mind) বুলি অভিহিত কৰিছে।

বিচ্ছিন্নতাৰ প্ৰকাশ ইয়াৰ আন আন প্ৰকৃতিবোৰৰ দৰেই অতি ব্যাপক। সেয়েহে বিচ্ছিন্নতাৰ এক নির্দিষ্ট সিদ্ধান্তত উপনীত হোৱাটো এটা জটিল কাম। ক'নে কৈছিল যে, "বিচ্ছিন্নতাৰ প্ৰশ্নটোৰ স্পষ্ট উত্তৰবোৰ ইমান বিচিত্ৰ যে সেইবোৰক এটা ব্যৱস্থা হিচাপে ধৰাটো একেবাৰেই অসম্ভৱ কথা।" ক'নে আঙুলিয়াই দেখুৱাব খোজা মূল কথাটো আছিল বিচ্ছিন্নতাৰ প্ৰকৃতি 'বস্তুনিষ্ঠ' নে 'বিষয়নিষ্ঠ'। বহুতো পণ্ডিতে বিশ্বাস কৰে যে বিচ্ছিন্নতা সম্পূর্ণৰূপে এটা মনোবৈজ্ঞানিক বিষয় আৰু মনৰ বিষয়নিষ্ঠ স্থিতি। অর্থাৎ, ই এক অনুভৱ (Feeling)। এৰিকেণ্ড মেৰী যোচেফছনৰ মতে বিচ্ছিন্নতা হ'ল "নিজস্ব সত্তাৰ পৰা, অন্যৰ পৰা আৰু সামগ্ৰিকভাৱে গোটেই পৃথিৱীখনৰ পৰা সম্পর্ক ছেদৰ এক ব্যক্তিগত অনুভৱ অথবা স্থিতি।" সমাজ-মনোবৈজ্ঞানিক দিশৰ পৰা মেলিভিন চীমেনে বিচ্ছিন্নতাৰ ব্যাখ্যা দাঙি ধৰি কৈছে যে বিচ্ছিন্নতা হ'ল ক্ষমতাহীনতা, অর্থহীনতা ইত্যাদিৰ ব্যক্তিগত অনুভৱৰ প্ৰকাশ। ইয়াৰ বিপৰীতে আন এদল পণ্ডিতে বিশ্বাস কৰে যে বিচ্ছিন্নতা এক বিষয়নিষ্ঠ পৰিঘটনা নহয়, ই এক বস্তুনিষ্ঠ সত্যতা। উদাহৰণ স্বৰূপে, মার্ক্সে বিচ্ছিন্নতাক এক মনোভাৱ অথবা বিষয়নিষ্ঠ অনুভৱ বুলি ধৰা নাছিল। তেওঁৰ বাবে শ্ৰমৰ বিচ্ছিন্নতা আছিল পুঁজিবাদী অর্থনৈতিক ব্যৱস্থাত ঘটা এক বস্তুনিষ্ঠ অভিব্যক্তি আৰু কার্য্যকলাপ।

বিচ্ছিন্নতাৰ ধাৰণাটো যিটো পৰিস্থিতিৰ আধাৰত প্ৰকাশ কৰা হয় তাৰ ভিত্তিত বিচ্ছিন্নতাৰ কাৰণবোৰো ভিন্ ভিন্ ধৰণৰ হয়। কিছুমানে 'নিউৰ'চিছ'ৰ দৰে ব্যক্তিগত মনোবৈজ্ঞানিক কাৰকবোৰক ব্যক্তিগত বিচ্ছিন্নতাৰ কাৰণ বুলি কয়। কিছুমানে শ্ৰম বিভাজন, ব্যক্তিগত সম্পত্তি আদিৰ দৰে কিছুমান নিৰ্দিষ্ট আৰ্থ-সামাজিক দিশক বিচ্ছিন্নতাৰ কাৰণ বুলি অভিহিত কৰে।

বিচ্ছিন্নতাৰে সাধাৰণতে এটা অনাকাংক্ষিত পৰিস্থিতিৰ কথা বুজোৱা হয়। এই পৰিস্থিতি জয় কৰিব পাৰিব লাগে অথবা 'বিচ্ছন্নতা বিহীন' (De-alienation) কৰি তুলিব লাগে। প্ৰকাৰ আৰু কাৰণৰ আধাৰত বিচ্ছিন্নতাৰ পৰিস্থিতি নাইকিয়া কৰাৰ বিভিন্ন উপায়ৰ কথা কোৱা হৈছে। যিসকলে ব্যক্তিগত অন্তৰ্দ্বন্দ্ব অথবা ব্যক্তিগত মনোবৈজ্ঞানিক অসুবিধাৰ বাবে বিচ্ছিন্নতাৰ সৃষ্টি হোৱা বুলি গণ্য কৰে তেওঁলোকে ব্যক্তিৰ নৈতিক প্ৰচেষ্টা অথবা সঠিক ব্যক্তিগত মনোভাৰ গঢ়ি তোলাৰ পৰামৰ্শ দিয়ে। কিন্তু যিসকলে সামাজিক কাৰণত বিচ্ছিন্নতাৰ জন্ম হোৱা বুলি ভাৰে তেওঁলোকে বিচ্ছিন্নতাৰ উৎপত্তি হোৱা সামাজিক পৰিস্থিতিৰ পৰিৱৰ্তন ঘটোৱাৰ পৰামৰ্শ আগবঢ়ায়।

মার্ক্সৰ বিশ্লেষণ মতে বিচ্ছিন্নতাৰ একমাত্ৰ কাৰণহ'ল ব্যক্তিগত সম্পত্তি। সেয়েহে তেওঁৰ মতে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো নাই কিয়া কৰিলেহে বিচ্ছিন্নতাৰ সমস্যাটো সমাধান কৰিব পৰা যাব।

আলোচনাৰ মোখনি মাৰি ক'নে কৈছে যে, "ব্যক্তিৰ বিচ্ছিন্নতা আৰু ইয়াৰ লক্ষণবোৰ বৰ্ণনা কৰাৰ সময়ত বিভিন্ন পণ্ডিত লেখকে সম্পূৰ্ণ বেলেগ বেলেগ অৰ্থ বুজাব পাৰে। তেওঁলোকৰ উত্তৰবোৰৰ লগতে সমস্যাটো চালি-জাৰি চোৱাৰ চিন্তাধাৰাও সম্পূৰ্ণ পৃথক হ'ব পাৰে।"

৯.৫ বিচ্ছিন্নতাৰ কাৰণ আৰু পৰিণাম

কার্ল মার্ক্সে প্রথমাৱস্থাত লিখা ৰচনা 'দ্যইক'ন'মিক এণ্ড ফিল'ছ'পিকেল মেনুস্ক্রিপ্ট'ত বিচ্ছিন্নতাৰ তত্ত্বটো পোন প্ৰথমবাৰ আলোচনা কৰিছিল। ধাৰণাটোৰ 'পুঁজিবাদ' নামৰ নতুনকৈ উত্থান ঘটা অৰ্থনৈতিক ব্যৱস্থাটোৰ পৰা উদ্ভৱ হৈছিল। পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাটোত থকা কৰ্ম পৰিৱেশটোক লৈ মার্ক্স যথেষ্ট চিন্তিত হৈ পৰিছিল। তেওঁ জোৰ দি কৈছিল যে বৰ্তি থাকিবলৈ আৰু নিজ প্ৰয়োজন পূৰাবলৈ মানুহ উৎপাদনশীল কার্য্যকলাপত জড়িত থাকিবই লাগিব। মার্ক্সৰ মতে সচেতন আৰু মুক্ত জীৱন ক্ৰিয়াত জড়িত মানুহৰ প্ৰকৃতিৰ সঠিক ব্যৱহাৰ কৰিব পৰা আৰু প্ৰয়োজন অনুসৰিহে পুনৰ উৎপাদন কৰিব পৰা অন্তর্নিহিত সম্ভাৱনা থাকে। মানুহে নিজ ইচ্ছাশক্তি আৰু সচেতনতাৰে সামগ্ৰী উৎপাদন কৰে। ই হ'ল তেওঁলোকৰ শ্ৰমৰ 'বাস্তৱকৰণ' (Objedification) প্ৰক্ৰিয়া; সেয়েহে 'শ্ৰম' (Labour) হ'ল মানুহৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ উপাদান; ই মানৱ প্ৰকৃতিৰ শ্বাশ্বত সত্তা— 'প্ৰজাতি সত্তা' (Species being)। শ্ৰম অথবা উৎপাদনকাৰী সম্ভাৱনীয়তাৰ দ্বাৰা মানুহে 'প্ৰজাতি সত্তা'ৰ পৰিচয় দিয়ে।

কিন্তু পুঁজিবাদৰ অধীনত মানৱ প্ৰকৃতিৰ শ্বাশ্বত সত্তাটো বিকৃত হয়। মার্ক্সে ইয়াকে 'বিচ্ছিন্নতা' বুলি কৈছে। মার্ক্সে বিচ্ছিন্নতাৰ কাৰণ আৰু পৰিণাম বিশ্লেষণ কৰিব খুজিছিল। বিচ্ছিন্নতাক পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ ভিতৰত থকা এক প্ৰধান কেৱোণ বুলি মার্ক্সে মতপোষণ কৰিছিল।

পুঁজিবাদৰ অধীনত শ্ৰমক 'প্ৰজাতি সত্তা 'অথবা 'মানৱীয় সম্ভাৱনীয়তা'ৰ প্ৰকৃত প্ৰকাশ হিচাপে চোৱা নহয়। ইয়াৰ পৰিৱৰ্তে শ্ৰমক পুঁজিবাদীৰ আহিলা বুলি গণ্য কৰা হয়। পুঁজিপতিয়ে নিজৰ লাভালাভৰ বাবে শ্ৰমক ব্যৱহাৰ কৰে। কার্ল মার্ক্সে বিচ্ছিন্নতাক পুঁজিবাদী উৎপাদনৰ সামাজিক তথা আৰ্থিক সম্পৰ্কত অন্তৰ্নিহিত হৈ থকা এটা বস্তুনিষ্ঠ পৰিঘটনা হিচাপে বিশ্লেষণ কৰিছিল। সেয়েহে বিচ্ছিন্নতাৰ বিশ্লেষণ কৰাত শ্ৰেণী বিভাজন, ব্যক্তিগত সম্পত্তি, শ্ৰমৰ বিভাজন, মুদ্ৰা অৰ্থনীতি আদি পুঁজিবাদৰ সৈতে জড়িত বিষয়ে গুৰুত্বপূৰ্ণ ভূমিকা লয়। কাৰণ, এই বিষয়বোৰ বিচ্ছিন্নতাৰো মূল কাৰণ।

পুঁজিবাদৰ প্ৰধান বৈশিষ্ট্য হ'ল ব্যক্তিগত সম্পত্তি। পুঁজিবাদৰ অধীনত সমাজৰ বাসিন্দাক দুটা প্ৰধান ভাগত ভগোৱা হয়- এটা হ'ল সংখ্যালঘু মালিক শ্ৰেণী -পুঁজিপতি যাৰ হাতত উৎপাদনৰ উপায়বোৰ মজুত থাকে। আনটো ভাগ হ'ল সংখ্যাঘৰিষ্ঠ অ-মালিক শ্ৰেণী (মজুৰি কৰা শ্ৰমিক), যাৰ হাতত শ্ৰম কৰিব পৰা শক্তিৰ বাহিৰে আন একো নাথাকে। যিহেতু এই শ্ৰমজীৱি শ্ৰেণীটোৰ হাতত উৎপাদনৰ কোনো উপায় নাথাকে, সেয়েহে তেওঁলোকে অস্তিত্ব ৰক্ষাৰ বাবে পুঁজিপতিসকলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। তাকে কৰিবলৈ তেওঁলোকে মজুৰিৰ বাবদ পুঁজিপতিক নিজৰ শ্ৰম কৰিব পৰা শক্তি তথা সময় বিক্ৰী কৰে।অৰ্থাৎ, পুঁজিপতিসকল হ'ল শ্ৰমিকৰ 'শ্ৰম'ৰ গৰাকী। এই কথাটোৱে শ্ৰমিকসকলক তেওঁলোকৰ নিজস্ব শ্ৰমৰ পৰাই বিচ্ছিন্ন কৰে।

যিহেতু পুঁজিবাদত উৎপাদনৰ উপায়বোৰ ব্যক্তিগত মালিকীস্বত্বৰ অধীনস্থ, সেয়েহে পুঁজিপতিসকলে উৎপাদনকাৰী কাৰ্য্য-কলাপবোৰ নিজ ইচ্ছামতে সংগঠিত আৰু নিয়ন্ত্ৰণ কৰে। ব্যৱস্থাপনা বিভাগৰ ইচ্ছা অনুসৰি শ্ৰমিকে কাম কৰিব লাগে। তেওঁলোকে নিজৰ সৃজনশীল সম্ভাৱনীয়তাবোৰ মুকলিকৈ প্ৰয়োগ কৰাৰ কোনো সুবিধা নাপায়। অৰ্থাৎ, ব্যৱস্থাপনা বিভাগে উৎপাদনকাৰী কাৰ্য্যকলাপৰপৰা শ্ৰমিকক বিচ্ছিন্ন কৰাৰ এক গুৰুত্বপূৰ্ণ কাৰক হিচাপে কাম কৰে।

পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য শ্ৰমৰ বিভাজনকো বিচ্ছিন্নতাৰ এক প্ৰধান কাৰণ বুলি গণ্য কৰা হয়। শ্ৰমৰ বিভাজনে ব্যক্তিক ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত ভাগ কৰে। প্ৰতিটো অংশকে নিৰ্দিষ্ট কিন্তু বেলেগ বেলেগ কাম দিয়া হয়। ইয়াৰ ফলত একোটা অংশই এৰেটা কামকে বাৰে বাৰে কৰি থাকিবলগীয়া হয়। এই কথাটোৱে শ্ৰমিকসকলক মানৱ প্ৰকৃতিৰ অন্য বহু সম্ভাৱনীয়তাৰ পৰা আঁতৰ কৰে।পুঁজিবাদৰ একত্ৰিত শাৰী পদ্ধতিৰ (Assembly Line System) বিশ্লেষণ কৰাৰ সময়ত কোনো শ্ৰমিকৰে চূড়ান্ত/সৰ্বশেষ উৎপাদনৰ ওপৰত চৰম দাবী (Absolute Claim) নাথাকে। একত্ৰিত শাৰী পদ্ধতিত শ্ৰমিকসকল বিভিন্ন নিৰ্দিষ্ট কামত ব্যস্ত হৈ থাকে, এই কামবোৰৰ সংযোজনৰ ফলত এটা চূড়ান্ত উৎপাদনৰ সৃষ্টি হয়। সেয়েহে ব্যক্তিগত শ্ৰমিকে কেতিয়াও চূড়ান্ত উৎপাদনটো তেওঁৰ ব্যক্তিগত সৃষ্টি বুলি দাবী কৰিব নোৱাৰে।

সৰ্বোপৰি, পুঁজিবাদী অৰ্থনীতিত ধন হ'ল একাধিপত্য বিস্তাৰকাৰী শক্তি। মুদ্ৰা কেৱল বিনিময়ৰে মাধ্যম নহয়, ই বিচ্ছিন্নতাৰ প্ৰাণ। মার্ক্সে জোৰ দি কৈছে যে "মুদ্ৰা হ'ল মানুহৰ কৰ্ম আৰু অস্তিত্বৰ বিচ্ছিন্ন স্থিতি (Alienated Essence); এই স্থিতিয়ে মানুহক দমাই ৰাখে আৰু মানুহে ইয়াৰ উপাসনা কৰে।" মুদ্ৰা এনে এক মাধ্যমত পৰিণত হৈছে যিটোৰ জৰিয়তে শ্ৰমৰ

'গুণগত' দিশটোক 'পৰিমাণ'ৰ দিশেৰে জোখা হয়, যেনে— 'কিমান ?' (How much?) পুঁজিবাদৰ অধীনত শ্ৰমে মানুহৰ সৃজনশীল প্ৰকৃতিৰ নিত্যতা প্ৰকাশ নকৰে। অথচ এই নিত্যতা 'মানৱীয় সম্ভাৱনীয়তা'ৰ 'প্ৰজাতি সত্তা'। ইয়াত শ্ৰম হৈ পৰে কেৱল শাৰীৰিক অস্তিত্ব বৰ্তাই ৰখাৰ বাবে ধন উপাৰ্জন কৰাৰ এক আহিলা। আন কথাত, শ্ৰমিকে কোনো সৃজনশীল সম্ভাৱনীয়তাৰ বাবে কাম নকৰি কেৱল ধন ঘটাৰ বাবেহে কাম কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বিচ্ছিন্নতা বুলিলে কি বুজে ?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ কার্ল মার্ক্সৰ বিচ্ছিন্নতা তত্ত্বটো তেওঁৰ কোনখন লিখনিত আলোচনা কৰা হৈছে?

.....

.....

.....

৯.৬ বিচ্ছিন্নতাৰ চাৰিটা প্ৰধান দিশ

কার্ল মার্ক্সে পুঁজিবাদৰ অধীনত বিচ্ছিন্নতাৰ চাৰিটা প্ৰধান দিশ চিনাক্ত কৰি উলিয়াইছিল। তলত দিশকেইটা আলোচনা কৰা হ'ল—

- **উৎপাদিত সামগ্ৰীৰ পৰা বিচ্ছিন্নতা ঃ** মার্ক্সৰ মতে শ্ৰমিকৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ পৰা তেওঁলোকক আতঁৰাই ৰখাটোৱেই বিচ্ছিন্নতাৰ প্ৰথম পর্যায়। পুঁজিবাদী অর্থনৈতিক ব্যৱস্থাত শ্ৰমিকে পুঁজিপতিৰ হাতত কেৱল নিজৰ শ্ৰম বিক্ৰী কৰে। তাৰ বিনিময়ত তেওঁলোকে মজুৰি লাভ কৰে। যিহেতু শ্ৰমিকক মজুৰি দিয়া হয়, সেয়েহে তেওঁলোক পুঁজিবতিৰ হৈ কাম কৰিবলৈ বাধ্য। এই কামৰ দ্বাৰা শ্ৰমিকে পণ্যদ্ৰব্য উৎপাদন কৰে। এনে পণ্যদ্ৰব্য অথবা সামগ্ৰীবোৰ হ'ল শ্ৰমিকৰ শ্ৰম শক্তিৰ (Labour Power) 'বাস্তৱকৰণ' (Objectification)। অৱশ্যে, শ্ৰমিকে পণ্যদ্ৰব্য উৎপাদন কৰে যদিও সেই পণ্য দ্ৰব্যবোৰৰ ওপৰত শ্ৰমিকৰ কোনো অধিকাৰ নাথাকে। পণ্যদ্ৰব্যবোৰ আন কোনোবাৰ সম্পত্তি, যেনে— পুঁজিপতিসকল। অর্থাৎ শ্ৰমিকৰ নিজে উৎপাদন কৰা সামগ্ৰীৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে। ৱিট্ঝাৰৰ মতে, "যদি শ্ৰমিকে নিজৰ শ্ৰমৰ ফচল হিচাপে কোনো সামগ্ৰীৰ গৰাকী হ'ব খোজে তেন্তে তেওঁলোকেও অন্য মানুহৰ দৰে সামগ্ৰীবিধ কিনিব লাগিব।" যিহেতু শ্ৰমিকৰ নিজে উৎপাদন কৰা সামগ্ৰীৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে

সেয়েহে ই উৎপাদকৰ ক্ষমতাৰ পৰা স্বতন্ত্র এক বিচ্ছিন্ন বস্তুত পৰিণত হয়। শ্রমিকে নিজে উৎপাদন কৰা বস্তুটোৱে অথবা সামগ্রীবিধে তেওঁলোকৰ দমনকাৰীৰ ভূমিকা লয়। অর্থাৎ সামগ্রীবোৰ শ্রমিকৰ পৰা আঁতৰাই নি লাভ অর্জনৰ বাবে বিক্রী কৰা হয়। এনেদৰে পুঁজিপতিসকলে নিজৰ মূলধন বৃদ্ধি কৰে। চমুকৈ ক'বলৈ হ'লে শ্রমিকে যিমানেই অধিক সামগ্রী উৎপাদন কৰিব সিমানেই পুঁজিপতিসকল ধনী হ'ব। পুঁজিপতিসকল যিমানেই ধনী হ'ব সিমানেই তেওঁলোকৰ শ্রমিকৰ দমন কৰাৰ ক্ষমতা বাঢ়িব।

- **উৎপাদনৰ সৈতে জড়িত কার্য্যকলাপৰ পৰা বিচ্ছিন্নতা ঃ** দ্বিতীয় প্রকাৰৰ বিচ্ছিন্নতা উৎপাদনৰ সৈতে জড়িত কার্য্যকলাপতে লুকাই থাকে।মার্ক্সে যুক্তি দর্শাইছিল যে, "শ্রমৰ দ্বাৰা উৎপাদিত সামগ্রী যদি বিচ্ছিন্ন, তেন্তে উৎপাদন কার্য্যটোও নিশ্চয়, এক সক্রিয় বিচ্ছিন্নতা হ'ব— কার্য্যকলাপৰ বিচ্ছিন্নতা, বিচ্ছিন্নতাৰ কার্য্যকলাপ। শ্রমৰ সামগ্রীৰ পৃথকীকৰণতেই শ্রমৰ কার্য্যকলাপত থকা পৃথকীকৰণ, বিচ্ছিন্নতাৰ সাৰাংশ লুকাই থাকে।" সৃজনশীল সত্তা হিচাপে মানুহৰ নিজ শ্রম শক্তিৰ জৰিয়তে সামগ্রী উৎপাদন কৰাৰ সম্ভাৱনীয়তা আছে। কিন্তু পুঁজিবাদী ব্যৱস্থাত পুঁজিপতিসকলেহে উৎপাদন প্রক্রিয়াটো নিয়ন্ত্রণ কৰে; পুঁজিপতিসকলেই কি উৎপাদন কৰিব লাগিব, কেনেদৰে উৎপাদন কৰিব লাগিব, কেতিয়া উৎপাদন কৰিব লাগিব আৰু ক'ত উৎপাদন কৰিব লাগিব সেয়া সিদ্ধান্ত লয়। ইয়াৰ বিপৰীতে শ্রমিকে পূঁজিপতিসকলক নিজৰ শ্রমশক্তি আৰু সময়ৰ একোটা অংশ বিক্রী কৰে। এনেদৰেই শ্রমিকে পুঁজিপতিসকলে স্থিৰ কৰি দিয়া কার্য্য-পৰিৱেশত কাম কৰিবলৈ বাধ্য হৈ পৰে। শ্রমিকসকলৰ কাম বাছনি কৰাৰ স্বতন্ত্রতা নাথাকে। কি কৰিব, কেতিয়া কৰিব আৰু ক'ত কৰিব সেয়া শ্রমিকে ঠিক কৰিব নোৱাৰে। নিয়োগকর্তা অথবা পুঁজিপতি সকলেহে কি উৎপাদন কৰিব আৰু কি নকৰিব, কেতিয়া কাম কৰিব আৰু কেতিয়া নকৰিব, কেনেকৈ কাম কৰিব আৰু কেনেকৈ নকৰিব আদি সিদ্ধান্ত লয়। অন্য অর্থত, পুঁজিপতি অথবা নিয়োগ কর্তাসকলে শ্রমিকৰ উৎপাদনকাৰী কার্য্যকলাপৰ মালিকৰ ভূমিকা লয়।এনে পৰিস্থিতিত শ্রমিকে কেৱল নিজৰ প্রতিভাবোৰ ব্যৱহাৰ কৰে। তেওঁলোকে নিজ ধাৰণা অনুসৰণ কৰি সামগ্রী উৎপাদন নকৰে। তাৰ পৰিৱর্তে তেওঁলোকে পুঁজিপতিয়ে দিয়া নির্দেশনা অনুসৰণ কৰি সামগ্রী উৎপাদন কৰে। যিহেতু কামটো পুঁজিপতিৰ নির্দেশমতে আগবাঢ়ে, সেয়েহে শ্রমিকসকলে নিজৰ সম্ভাৱনীয়তা সম্পূর্ণৰূপে ব্যৱহাৰ কৰিব নোৱাৰে। এইটো কাৰণতে এজন শ্রমিকে উৎপাদন কৰা সামগ্রীবিধ শ্রমিকজনৰ সৃজনশীল ক্ষমতাৰ প্রকৃত প্রকাশ নহয়। সেইটো দিশৰ পৰা সমগ্র কামটোৱেই শ্রমিকৰ কাৰণে এটা বাহ্যিক আৰু বিচ্ছিন্ন প্রক্রিয়া। ই মানৱীয় সৃজনশীল প্রকৃতিৰ পৰিচায়ক নহয়। সেয়েহে, এনে কার্য্যক স্বৈচ্ছিক (Voluntary) বুলি কোৱাতকৈ 'বলপূর্বকভাৱে কৰোৱা শ্রম' (Forced Labour) বোলা হয়। শ্রমিকে নিজৰ সন্তুষ্টিৰ বাবে উৎপাদন নকৰে, অইনক সন্তুষ্ট কৰিবলৈ উৎপাদন কৰে, যেনে— পুঁজিপতিসকলক। শ্রমিকৰ বাবে কর্ম হৈ পৰে খাদ্য তথা অন্য প্রয়োজনীয় দ্রব্য কিনিবলৈ ধন উপার্জনৰ

মাধ্যম। সেয়েহে এনে কার্য্যই শ্রমিকলৈ আনন্দ কঢ়িয়াই আনিব নোৱাৰে, নিৰানন্দহে কঢ়িয়ায়। এনে কাৰণতে শ্রমিকে কেৱল জিৰণি লৈ থকা সময়খিনিত অথবা আজৰি সময়তহে 'স্ব-সত্তা' (Himself) অনুভৱ কৰিব পাৰে।কাম কৰি থকা সময়খিনিত তেওঁ নিজৰ সত্তা অনুভৱ নকৰে (অর্থাৎ নিজৰপৰা বিচ্ছিন্ন হৈ পৰে)।

- **'প্রজাতি সত্তা'ৰ পৰা বিচ্ছিন্নতাঃ** মার্ক্সৰ বিশ্লেষণ মতে বিচ্ছিন্নতাৰ তৃতীয় দিশটো হ'ল 'প্রজাতি-সত্তা'ৰ (Species being) পৰা বিচ্ছিন্নতা। 'প্রজাতি সত্তা' বুলি মার্ক্সে মানুহৰ প্রয়োজনীয় সম্ভাৱনীয়তা অথবা গুণবোৰৰ কথা বুজাইছিল। এই ধাৰণাটো ব্যাখ্যা কৰিবলৈ যাওঁতে মার্ক্সে প্রথমে মানুহ (Human) আৰু অনা-মানুহ (Non-human) প্রাণীৰ মাজৰ প্রভেদ নির্ণয় কৰাৰ চেষ্টা কৰিছে। তেওঁ কৈছে যে অন্য প্রাণীৰ দৰে মানুহো জীৱন বর্তাই ৰাখিবলৈ প্রকৃতিৰ ওপৰত নির্ভৰশীল। মানুহ আৰু অন্য প্রাণীৰ মাজত থকা প্রভেদটো হ'ল মানুহৰ 'মুক্ত আৰু সচেতন জীৱন ক্রিয়া'। মার্ক্সৰ মতে এই 'মুক্ত আৰু সচেতন জীৱন ক্রিয়া'ই মানুহক তাৎক্ষণিকভাৱে 'জান্তৱ জীৱন ক্রিয়া'ৰ (Animal life-activity) পৰা পৃথক কৰে। মার্ক্সে যুক্তি দর্শাইছিল যে অন্য জীৱ-জন্তুৱে জীৱন ক্রিয়াত লিপ্ত হয় আৰু উৎপাদন কৰে। কিন্তু এই উৎপাদনে কেৱল তাৎক্ষণিক শাৰীৰিক প্রয়োজন পূৰণ কৰে। আনহাতে, মানুহে সৃজনশীল আৰু সচেতনভাৱে নিজৰ জীৱন ক্রিয়া আগবঢ়ায় নিয়ে। মানুহে শাৰীৰিক প্রয়োজনৰ পৰা মুক্ত হৈয়ো সামগ্রী উৎপাদন কৰিবলৈ সক্ষম। মানুহে নিজ ইচ্ছা তথা সচেতনতা অনুসৰি যথোপযুক্তভাৱে প্রকৃতিৰ প্রয়োগ কৰে। মার্ক্সে শ্রম অথবা উৎপাদনকাৰী কার্য্যকলাপবোৰক 'প্রজাতি সত্তা' হিচাপে মানুহৰ গাত থাকিবলগীয়া প্রয়োজনীয় বৈশিষ্ট্য বুলি মত পোষণ কৰিছে। মানুহে নিজৰ শ্রমৰ দ্বাৰা সামগ্রী উৎপাদন কৰে। ই হ'ল তেওঁলোকৰ শ্রম বাস্তৱকৰণ প্রক্রিয়া। এই প্রক্রিয়াটো আকৌ তেওঁলোকৰ সম্ভাৱনীয়তা অথবা 'প্রজাতি সত্তা'ৰো বাস্তৱকৰণ প্রক্রিয়া। সেয়েহে মার্ক্সে কৈছে যে, শ্রমৰ উদ্দেশ্য হ'ল মানুহৰ প্রজাতি জীৱনৰ বাস্তৱকৰণ।" কিন্তু,পুঁজিবাদী ব্যৱস্থাত শ্রমিকসকলক তেওঁলোকৰ নিজস্ব সামর্থৰ পৰা অথবা 'প্রজাতি সত্তা'ৰ পৰা বিচ্ছিন্ন কৰা হয়। যিহেতু পুঁজিবাদী অর্থনৈতিক ব্যৱস্থাত শ্রমিকসকলৰ নিজৰ উৎপাদনকাৰী কার্য্যকলাপৰ ওপৰত কোনো নিয়ন্ত্রণ নাথাকে আৰু তেওঁলোকে কেৱল পুঁজিপতিৰ নির্দেশনা মতে কাম কৰে; সেয়েহে শ্রমিকে উৎপাদন কৰা সামগ্রী আৰু শ্রমিক ব্যস্ত হৈ থকা কর্ম কোনোটোৱেই শ্রমিকৰ ইচ্ছাশক্তি আৰু সচেতনতাৰ অংশ নহয়। শ্রমিকৰ শ্রমক এইক্ষেত্রত মুক্ত আৰু সচেতন কার্য্য-কলাপৰ প্রকাশ বুলি ধৰা নহয়। এনে শ্রমে প্রকৃত মানৱীয় সম্ভাৱনীয়তা অথবা 'প্রজাতি সত্তা' প্রতিফলিত নকৰে। ৰিট্‌ঝাৰৰ মতে, "পুঁজিবাদী ব্যৱস্থাত শ্রমিকসকলে ক্রমে মানুহৰ দৰে কাম কৰিবলৈ এৰি দিয়ে, কাৰণ তেওংলোকক যন্ত্রৰ দৰে কাম কৰিব পৰা কৰি তোলা হয়।" এটা'প্রজাতি সত্তা' হিচাপে শ্রমিকৰ মনত থকা সচেতনতা কেৱল শাৰীৰিক অস্তিত্ব বর্তাই ৰাখিবলৈ প্রয়োজন হোৱা ধম উপার্জনৰ মাধ্যমত পৰিণত হয়।

- **সহকর্মীৰ পৰা বিচ্ছিন্নতা ঃ** পুঁজিবাদী অর্থনৈতিক ব্যৱস্থাত শ্রমিকসকল আন সহকর্মীৰ পৰাও এসময়ত বিচ্ছিন্ন হৈ পৰে। কাম অথবা মজুৰিৰ বাবে শ্রমিকৰ মাজত প্রতিযোগিতাৰ সৃষ্টি হোৱা বাবে আৰু কর্মক্ষেত্রৰ ব্যৱস্থাপনাৰ কাৰণে শ্রমিকসকল পৰস্পৰৰপৰা বিচ্ছিন্ন হৈ পৰিব পাৰে। সামাজিক প্রাণী হিচাপে মানুহে সহযোগিতামূলক পৰিৱেশত কাম কৰাৰ প্রয়োজন অথবা কাম কৰিব খোজে। সহযোগিতামূলক পৰিৱেশত মানুহে প্রকৃতিক যুক্তিসংগতভাৱে ব্যৱহাৰ কৰিব পাৰে আৰু গোটেই সমাজখনৰ কল্যাণৰ বাবে সামগ্রী পুনৰ উৎপাদন কৰিব পাৰে। কিন্তু পুঁজিবাদত শ্রমিকসকলক পৃথক কৰি পেলোৱা হয়, তেওঁলোকক পুঁজিপতিৰ স্বার্থত পৰস্পৰৰ ওচৰা-উচৰিকৈ থাকি কাম কৰিবলৈ বাধ্য কৰোৱা হয় আৰু এনেকৈয়ে শ্রমিকৰ মাজত থকা সহযোগিতাত বাধা দিয়া হয়। ইয়াৰ উপৰি, পুঁজিবাদত শ্রমিকসকলক পৰস্পৰে পৰস্পৰক প্রতিদ্বন্দী বুলি চাবলৈ শিকায়। কাম আৰু বর্দ্ধিত মজুৰীৰ বাবে শ্রমিকবোৰে নিজৰ মাজতে প্রতিদ্বন্দ্বিতা কৰে। ৰিট্‌ঝাৰে কৈছে যে, "শ্রমিকসকলক প্রায়েই পোনপটীয়া প্রতিদ্বন্দ্বিতাত ভাগ ল'বলৈ বাধ্য কৰোৱা হয়, তেওঁলোক কেতিয়াবা নিজৰ মাজতে সংঘর্ষত লিপ্ত হয়। সর্বোচ্চ উৎপাদনশীলতাৰ লক্ষ্যত উপনীত হ'বলৈ আৰু সহযোগিতাপূর্ণ সম্পর্কৰ বিকাশত বাধা দিবলৈ পুঁজিপতিসকলে এজন শ্রমিকক আনজনৰ বিৰুদ্ধে উচটায় দিয়ে। কোনে অধিক সামগ্রী উৎপাদন কৰিব পাৰে, অধিক সোনকালে কাম শেষ কৰিব পাৰে অথবা মুৰব্বীক অধিক সন্তুষ্ট কৰিব পাৰে শ্রমিকসকল তাতেই ব্যস্ত হৈ থাকে। যিসকল শ্রমিক এনেবোৰ কামত সফল হয় তেওঁলোকক কিছু অতিৰিক্ত বঁটা-উপহাৰ দিয়া হয়। বিফল হোৱাবোৰক কামৰ পৰা বাদ দিয়া হয়। দুয়োটা ক্ষেত্রতে কর্মীসকলৰ মাজত নিজ বন্ধুৰ বিপক্ষে হিংসাত্মক মনোভাৱ গঢ় লৈ উঠে। বিচ্ছিন্নতা আৰু আন্তঃব্যক্তিক (Interpersonal) হিংসাত্মক মনোভাৱে পুঁজিবাদত শ্রমিকক তেওঁৰ সহকর্মীৰ পৰা বিচ্ছিন্ন কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে বিচ্ছিন্নতা হ'ল আর্থ-সামাজিক সংৰচনাৰ এক ফলাফল। এই আর্থ-সামাজিক সংৰচনাটো হ'ল প্রয়োজনীয় মানৰ প্রকৃতি দমন, নিয়ন্ত্রণ আৰু অস্বীকাৰ কৰি থকা পুঁজিবাদ। সেয়েহে, সমগ্র আর্থ-সামাজিক সংৰচনাটো সলনি কৰিলেহে এই সমস্যাটো জয় কৰিব পৰা যায়।



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কার্ল মার্ক্সৰ বিচ্ছিন্নতাৰ তত্ত্বটো 'দ্য ইক'ন'মিক এণ্ড ফিল'ছ'ফিক মেন্যুস্ক্রিপ্ট চ্' (১৮৪৪) আলোচনা কৰা হৈছে।
- বিচ্ছিন্নতা হ'ল এটা বহুমুখী ধাৰণা। ইয়াক বিভিন্ন সমাজ বিজ্ঞান আৰু বিভিন্ন পটভূমিত আলোচনা কৰা হয়। সেয়েহে ধাৰণাটোৰ আলোচনা কৰাৰ আগতে ইয়াৰ পটভূমি জানি লোৱাটো অতি জৰুৰী।

- বিচ্ছিন্নতা এক মানৱীয় পৰিঘটনা; অৱশ্যে ব্যক্তিগত আৰু সামূহিক পৰিঘটনাৰ মাজৰ প্রভেদ নির্ণয় কৰি লোৱাটো এক প্রয়োজনীয় বিষয়।
- বিভিন্ন দিশৰ পৰা বিচ্ছিন্নতাৰ সৃষ্টি হ'ব পাৰে, নিজৰ পৰা, পৰিৱেশৰ পৰা, উৎপাদিত সামগ্রীৰ পৰা, সম্প্রদায়ৰ পৰা ইত্যাদি।
- বিচ্ছিন্নতাৰ প্রকাশ বিষয়নিষ্ঠ আৰু বস্তুনিষ্ঠ দুয়োধৰণৰ হ'ব পাৰে।
- পৰিস্থিতিভেদে বিচ্ছিন্নতাৰ কাৰণবোৰো ভিন ভিন হ'ব পাৰে।
- প্রকাৰ আৰু কাৰণভেদে বিচ্ছিন্নতা নাইকিয়া কৰাৰ উপায়ো বেলেগ বেলেগ হয়।
- কার্ল মার্ক্সৰ বিচ্ছিন্নতাৰ ধাৰণা মতে বিচ্ছিন্নতাৰ প্রধান কাৰণবোৰ হ'ল ব্যক্তিগত সম্পত্তি, শ্রমৰ বিভাজন আৰু ধন।
- বিচ্ছিন্নতাৰ প্রধান দিশ চাৰিটা হ'ল—
  - i) নিজে উৎপাদন কৰা সামগ্রীৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা। শ্রমিকে নিজৰ দ্বাৰা উৎপাদিত সামগ্রীৰ ওপৰত নিয়ন্ত্রণ হেৰুৱায়; উৎপাদিত সামগ্রীৰ গৰাকী আৰু নিয়ন্ত্রণৰ গৰাকী হ'ল— পুঁজিপতিসকল।
  - ii) উৎপাদনকাৰী কাম কাজৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা; শ্রমিকে কি উৎপাদন কৰিব আৰু কেনেকৈ উৎপাদন কৰিব সেয়া ঠিক কৰিব নোৱাৰে, তেওঁলোকে কেৱল পুঁজিপতিসকলে দিয়া নির্দেশহে পালন কৰে।
  - iii) 'প্রজাতি সত্তা' অথবা মানৱীয় সম্ভাৱনীয়তাৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা; পুঁজিবাদত শ্রমে মানৱীয় সম্ভাৱনীয়তাবোৰ প্রকট নকৰে, পুঁজিবাদত শ্রম হ'ল শাৰীৰিক অস্তিত্ব বর্তাই ৰখাৰ বাবে দৰকাৰী ধন উপার্জন কৰাৰ আহিলা।
  - iv) সহকর্মীৰ পৰা বিচ্ছিন্নতা; শ্রমিকসকলে কাম আৰু মজুৰিৰ দিশেৰে ইজনে সিজনক প্রতিদ্বন্দ্বী বুলি ভাবিবলৈ লয় বাবে পৰস্পৰৰ পৰা বিচ্ছিন্ন হৈ পৰে।



৯.৮ আধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Abraham, Francis (2011); *Sociological Thought*; India: Macmillan Publishers.
2) Bottomore, Tom (1991); *A Dictionary of Marxist Thought* (2nd ed.); Oxford: Blackwell Publishers Ltd.
3) Ritzer, George (2011); *Sociological Theory* (8th ed.); New York: McGraw-Hill Companies.



৯.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ ভাষাত বিচ্ছিন্নতা বুলিলে অকলশৰীয়া অৱস্থা বা নির্বিকাৰ মনোভাৱক বুজা যায়।

২নং প্রশ্নৰ উত্তৰ ঃ কার্ল মার্ক্সে লিখা প্রথমাৱস্থাৰ ৰচনা 'ইক'নমিক এণ্ড ফিল'ছফিক মেন্যুস্ক্রিপ্তছ'ত (১৮৪৪ চন) পোন প্রথমবাৰৰ বাবে বিচ্ছিন্নতাৰ তত্ত্বটো আলোচনা কৰা হৈছিল।



৯.১০ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ 'ইউনেস্ক' ডিক্সনেৰী অৱ ছোচিয়েল ছায়েন্সেচ'ত থকা বিচ্ছিন্নতাৰ সংজ্ঞাটো কি?

প্রশ্ন ২ ঃ 'প্রজাতি সত্তা' কি?

প্রশ্ন ৩ ঃ নিজে উৎপাদন কৰা সামগ্রীৰ পৰা শ্রমিকৰ বিচ্ছিনাতা কেনেধৰণৰ আলোচনা কৰক।

প্রশ্ন ৪ ঃ উৎপাদন প্রক্রিয়াৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা কেনেধৰণৰ আলোচনা কৰক।

প্রশ্ন ৫ ঃ 'প্রজাতি সত্তা'ৰ পৰা শ্রমিক কেনেদৰে বিচ্ছিন্ন হয়, আলোচনা কৰক।

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ বিচ্ছিন্নতাৰ প্রকৃতি আলোচনা কৰক।

প্রশ্ন ২ ঃ কার্লমার্ক্সে বিশ্লেষণ কৰা বিচ্ছিন্নতাৰ প্রধান দিশ চাৰিটাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ জ'র্জ চিমেল ঃ ধাৰণাবাদী দৃষ্টিভঙ্গী

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ব্যক্তি, সমাজ আৰু আনুষ্ঠানিক সমাজতত্ত্ব
১০.৪ মহানগৰ আৰু আদর্শগত জীৱন
১০.৫ চৌখিনতা (Fashion)
১০.৬ মুদ্রাৰ দর্শন (Philosophy of Money)
১০.৭ সামৰণি
১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৯ অধিক জানিবলৈ
১০.১০ অগ্রগতিৰ খতিয়ান
১০.১১ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দল আৰু ব্যক্তিৰ মাজত সংঘটিত হোৱা আন্তঃক্রিয়াই কেনেকৈ সমাজলৈ অর্থ কঢ়িয়াই আনে বুজিব পাৰিব
- চিমেলে আগবঢ়োৱা মুদ্রাৰ ধাৰণাটো আলোচনা কৰিব পাৰিব
- আনুষ্ঠানিক সমাজতত্ত্বৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বস্তুনিষ্ঠ সংস্কৃতি কাক বোলে জানিব পাৰিব
- চিমেলৰ মতে চৌখিনতা কি সেয়া বুজিব পাৰিব
- নগৰীয়া অথবা মহানগৰীয়া সমাজবোৰ পৰম্পৰাগত সমাজতকৈ কিহত পৃথক সেয়া আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

জর্জ চিমেল আছিল এগৰাকী জার্মান সমাজতত্ত্ববিদ। জার্মানীত সমাজতত্ত্বৰ অধ্যয়ন আৰম্ভ হোৱাৰ সময়তে চিমেলে গঢ় দিয়া সামাজিক তত্ত্ববোৰৰ জৰিয়তে সমাজৰ অধ্যয়ন কৰাৰ উপায় পোৱা গৈছিল। এই উপায়বোৰ আছিল প্রাকৃতিক বিজ্ঞান পদ্ধতিবোৰতকৈ পৃথক। বহুতো পণ্ডিতৰ মতে চিমেলক সমাজতত্ত্বৰ জনক বুলি অভিহিত কৰিব পাৰি। কিন্তু এই অধ্যয়ন ক্ষেত্রখনত চিমেলৰ অৱদানক সদায় স্বীকৃতি দিয়া নহয়।

১৮৫৮ চনৰ ১ মার্চত জর্জ চিমেলৰ জন্ম হৈছিল। পৰিয়ালৰ সাতটা ল'ৰা-ছোৱালীৰ ভিতৰত তেওঁ আছিল সবাতোকৈ সৰু। চিমেলৰ দেউতাক আছিল বার্লিনৰ এজন ধনী ইহুদী ব্যৱসায়ী। কিন্তু চিমেনৰ জন্মৰ আগতেই তেওঁ ৰোমান কেথলিক ধর্ম গ্রহণ কৰিছিল। চিমেন কেঁচুৱা হৈ থাকোতেই দেউতাকৰ মৃত্যু হৈছিল।

১৮৭৬ চনত জিমনেচিয়ামৰ পৰা স্নাতক হোৱাৰ পাছত চিমেলে বার্লিন বিশ্ববিদ্যালয়ত নামভর্তি কৰিছিল। তেওঁ ইতিহাস, দর্শন আৰু মনোবিজ্ঞান অধ্যয়ন কৰিছিল। ১৮৮১ চনত তেওঁ কাণ্টৰ প্রকৃতিৰ দর্শনৰ (Philosophy of Nature) এক অধ্যয়নৰ ভিত্তিত ডক্টৰেট ডিগ্রী লাভ কৰিছিল।

১৮৮৫ চনত চিমেলে বার্লিন বিশ্ববিদ্যালয়ৰ প্রবক্তাৰ পদ গ্রহণ কৰিছিল। তেওঁ এজন জনপ্রিয় আৰু সফল শিক্ষক আছিল। বার্লিন বিশ্ববিদ্যালয়ত তেওঁ প্রদান কৰা আৰম্ভণিৰ বক্তৃতাবোৰ দর্শন আৰু নীতিশাস্ত্র বিষয়ক আছিল। কিন্তু সোনকালেই তেওঁ জার্মানীৰ প্রথম সমাজতত্ত্বভিত্তিক পাঠ্যক্রম কিছুমান পঢ়াবলৈ আৰম্ভ কৰিছিল। চিনেমৰ ইহুদী পৰিচয়ে তেওঁক জার্মান শিক্ষায়তনিক পদ্ধতিটোৰ প্রান্ত্য সম্প্রদায় এটাৰ সদস্য কৰি ৰাখিছিল। তেওঁৰ পাণ্ডিত্য সকলোৱে জনায় পাছতো শিক্ষায়তনিক অগ্রগতি লাভত চিমেনে যথেষ্ট অসুবিধা পাইছিল। ১৫ বছৰ শিক্ষকতা কৰাৰ পাছতো বার্লিন বিশ্ববিদ্যালয়ে তেওঁক প্রাপ্যস্বীকৃতি দিয়া নাছিল। ১৯১৪ চনতহে চিমেনে নিয়মীয়া শিক্ষায়তনিক নিযুক্তি লাভ কৰিছিল। বার্লিনৰ পৰা বহু নিলগৰ ষ্ট্রাৰ্চব'র্গ বিশ্ববিদ্যালয়েহে তেওঁক এই মর্য্যাদা প্রদান কৰিছিল। এই সমস্যাবোৰ থকা সত্ত্বেও তেওঁ সংগঠন, সংস্কৃতি, সামাজিক গাঁথনি, নগৰ আৰু অর্থনীতিৰ প্রকৃতি আদিৰ দৰে বিভিন্ন বিষয়ত, প্রায় ২০০টা মান প্রৱন্ধ ৰচনা কৰিছিল। চিমেলৰ দুখনমান প্রধান প্রকাশিত গ্রন্থ হ'ল—

- অন ছোচিয়েল ডিফাৰেন্সিয়েশ্যন (১৮৯০ চন)
- দ্য প্রব্লেমচ্ অৱ দ্য ফিল'চফী অব্ হিষ্ট'ৰী (১৮৯২ চন)
- ইণ্ট্রোডক্শ্যন টু দ্য ছায়েন্স অৱ এথিকচ্ (১৮৯২-৯৩ চন)
- দ্য ফিল'চফী অৱ মানি (১৯০০ চন)
- ছ'জিঅ'ল'জী (১৯০৮ চন)

বিংশ শতিকাৰ প্রথমভাগত জার্মান বিশ্ববিদ্যালয় প্রণালীত সমাজতত্ত্বৰ অন্তর্ভুক্তিত গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱা সমাজতত্ত্ববিদ তিনি গৰাকী হ'ল চিমেল, ৱেবাৰ আৰু ফার্ডিনাণ্ড ট'নীজ। 'সমাজ শাস্ত্র' অভিধাটো ব্যৱহাৰ কৰা জার্মান শিক্ষাজগতৰ প্রথমগৰাকী ব্যক্তি আছিল চিমেল। তেওঁ এখন কিতাপৰ নাম হিচাপে শব্দটো ব্যৱহাৰ কৰিছিল। অইনতকৈ বহু আগতেই তেওঁ বিশুদ্ধ সমাজতত্ত্ব কেন্দ্রিক বিষয় আৰু সমস্যাবোৰ অনুধাৱন কৰিব পাৰিছিল। তেওঁৰ 'ছ'জিঅ'ল'জী' (Soziologie) নামৰ ১৯০৮ চনত প্রকাশিত গ্রন্থখনত সমাজতত্ত্ব কেন্দ্রিক বিশ্লেষণৰ সাধাৰণ উপায়বোৰৰ ৰূপৰেখা দাঙি ধৰিছে যদিও পৰৱর্তী সময়ত চিমেলে নিজৰ চিন্তা প্রক্রিয়াটো সাধাৰণ লোকৰ বোধগম্য হোৱাকৈ সংগঠিত ৰূপত উপস্থাপনৰ প্রয়াস নকৰিলে।

তেওঁ কেৱল পাণ্ডিত্যপূর্ণ লিখনি প্রকাশ কৰা বিশেষ জার্ণাল আৰু আলোচনী আদিতকৈ সাধাৰণ জার্ণাল আৰু আলোচনী আদি নিজৰ লিখনি প্রকাশ কৰাতহে অধিক গুৰুত্ব দিছিল।

সামাজিক গাঁথনি নগৰ, মুদ্রা আৰু আধুনিক সমাজ সমাজক লৈ চিমেলে কৰা বিশ্লেষণৰ দুৰখেইম (ব্যক্তি আৰু সমাজৰ সমস্যা), ৱেবাৰ (যুক্তিসঙ্গতকৰণৰ প্রভাৱ)আৰু মার্ক্সৰ (বিচ্ছিন্নতাবাদ) বিশ্লেষণৰ সৈতে সাদৃশ্য আছে। চিমেলে নিজকে এজন স্বতন্ত্র পণ্ডিত আৰু বহিৰাগত বুলি গণ্য কৰিছিল। তেওঁ কেতিয়াও উদ্ভাৱনশীল আৰু বিৰোধিতাৰ মুখামুখি হ'বলৈ ভয় কৰা নাছিল।

চিমেলে সমাজক স্বতন্ত্র ব্যক্তিৰএক সংগঠন বুলি গণ্য কৰিছিল। তেওঁ কৈছিল যে ভৌতিক পৃথিৱীখনক কৰা অধ্যয়নৰ দৰে একে পদ্ধতিৰে সমাজক অধ্যয়ন কৰিব নোৱাৰি। অর্থাৎ মানৱীয় আন্তঃক্রিয়া নিয়ন্ত্রণ কৰা প্রাকৃতিক আইনৰ আৱিষ্কাৰতকৈ সমাজতত্ত্ব বহু বেছি গুৰুত্বপূর্ণ।

সমাজ হ'ল ব্যক্তিৰ মাজত চলা আন্তঃক্রিয়াৰে গঢ় লৈ উঠা এক অনুষ্ঠান। সমাজতত্ত্ববিদ-সকলে সামাজিক আইনৰ অন্বেষণ কৰাতকৈ এই সংগঠনৰ বিন্যাস আৰু ৰূপ অধ্যয়ন কৰিব লাগে। চিমেনক এগৰাকী সূক্ষ্ম-সমাজতাত্ত্বিক (Micro-Sociologist) বুলি কোৱা হয়। তেওঁ ক্ষুদ্র-গোট গৱেষণাৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। সামাজিক আন্তঃক্রিয়াৰ বিন্যাস অথবা ৰূপ সম্পর্কে চিমেলৰ নিৰীক্ষণবোৰ সূক্ষ্ম পর্য্যায়ৰ আন্তঃ ক্রিয়াত দেখিবলৈ পোৱা যায়। এই আন্তঃক্রিয়াবোৰে বৃহৎ পর্য্যায়ৰ পৰিঘটনা বোৰৰ সৈতে কেনেদৰে সম্পর্ক স্থাপন কৰে তাৰ অধ্যয়ন সমসাময়িক সমাজতত্ত্বৰ বাবে এতিয়াও প্রয়োজনীয় হৈ আছে।

চিমেলে এই কথা স্পষ্ট কৰি দিছিল যে তেওঁৰ মূল আগ্রহবোৰৰ মাজৰএটা আগ্রহ হ'ল সমাজৰ সচেতন কর্তাবোৰৰ মাজৰ সম্পর্ক অধ্যয়ন কৰা। তেওঁ আন্তঃক্রিয়াক এক বিস্তৃত পৰিসৰত অধ্যয়ন কৰাৰ কথা ভাবিছিল। ইয়াৰে কিছুমান আন্তঃক্রিয়া কোনো কোনো সময়ত গুৰুত্বহীন যেন লাগিব পাৰে কিন্তু আন কোনো সময়ত যথেষ্ট গুৰুত্বপূর্ণ হ'ব পাৰে। চিমেনে সামাজিক সংযোগৰ বিষয়বস্তুতকৈ ইয়াৰ অনুশীলনৰ বিষয়েহে গুৰুত্বসহকাৰে অধ্যয়ন কৰিছিল। চিমেলৰ দৃষ্টিৰে সমাজ তাত্বিকৰ কাম হ'ল সামাজিক বাস্তৱৰ ওপৰত সীমিত সংখ্যক ৰূপ আৰোপ কৰা আৰু নির্দিষ্ট আন্তঃক্রিয়াৰ এক বহল পৰিসৰত দৃষ্টিগোচৰ হোৱা সাদৃশ্যবোৰ বাহিৰ কৰা।

চিমেলে লিখা কেইটামান অপৰম্পৰাগত আৰু ভিন্ন বিষয় হ'ল— দুঃসাহসিক অভিযানৰ সমাজতত্ত্ব, গোপনীয়তা ৰক্ষাৰ গুৰুত্ব, চৌখিনতাৰ আর্হি, মুদ্রাৰ সামাজিক গুৰুত্ব ইত্যাদি। তেওঁক সাধাৰণতে সমাজৰ কোনো প্রণালীৱদ্ধ অথবা সংহত তত্ত্ব বাহিৰ নকৰা সমাজতাত্বিক হিচাপে গণ্য কৰা হয়।

১০.৩ ব্যক্তি, সমাজ আৰু আনুষ্ঠানিক সমাজতত্ত্ব

চিমেলৰ মতে ব্যক্তি আৰু সমাজৰ মাজত এক গতিশীল অথবা দ্বন্দ্বমূলক প্রতিবলে ক্রিয়া কৰি থাকে। ব্যক্তি হ'ল মুক্ত আৰু সৃজনশীল সত্তা। তথাপিও ব্যক্তি সামাজিকীকৰণ প্রক্রিয়াৰ অংশ। চিমেলৰ দৃষ্টিভঙ্গীত আধুনিক সমাজত ব্যক্তিয়ে আগতকৈ বহুঅধিক স্বতন্ত্রতাৰ সৃষ্টি কৰে। ই ঐতিহাসিক আৰু পৰম্পৰাগত সমাজৰ সম্পূর্ণ বিপৰীত। ঐতিহাসিক আৰু পৰম্পৰাগত সমাজত

সম্প্রদায় এটাৰ সদস্যসকলৰ মাজত থকা বান্ধোন অতি দৃঢ়। অৱশ্যে নগৰীয়া জীৱনৰ সংস্কৃতিত মানুহে আগতকৈ গভীৰ ধৰণৰ বিচ্ছিন্নতাবোধৰ অভিজ্ঞতা লাভ কৰে।

চিমেনে ব্যক্তি আৰু সমাজৰ মাজত থকা সম্পর্কৰ ধাৰণা কৰিছিল। তেওঁৰ মতে ব্যক্তি সমাজৰ ভিতৰ আৰু বাহিৰ উভয়তে থাকে। ব্যক্তি সামাজিক আন্তঃক্রিয়াৰ উদ্দেশ্য আৰু বিষয় (Objects and Subjects) দুয়োটাই হ'ব পাৰে। ব্যক্তিয়ে বিভিন্ন আন্তঃক্রিয়াৰ জৰিয়তে সমাজত নিজকে প্রদর্শন কৰিব আৰু সামাজিক পাৰদর্শিতা আহৰণ কৰিব বিচাৰে। সমাজেও সামাজিকীকৰণ প্রক্রিয়াৰ জৰিয়তে ব্যক্তিক সংহত কৰাৰ প্রয়াস কৰে।

ব্যক্তি হ'ল সৃজনশীল আৰু সচেতন সত্তা। এই বৈশিষ্ট্যবোৰ মানুহে সামাজিক জীৱনৰ সৈতে জড়িত বিভিন্ন আন্তঃক্রিয়াৰ ৰূপত প্রকাশ কৰে। সামাজিক জীৱনত বিভিন্ন অভিপ্রায়, উদ্দেশ্য আৰু স্বার্থত সচেতন ব্যক্তি অথবা ব্যক্তিৰ গোটে পৰস্পৰৰ সৈতে আন্তঃক্রিয়া সম্পন্ন কৰে। এই পাৰস্পৰিক চিন্তা দিক্‌বলন (Mutual Orientation) আৰু সামাজিক আন্তঃক্রিয়াত (Social Interaction) মানুহৰ মনে এটা প্রধান ভূমিকা পালন কৰে। মানৰীয় সৃষ্টিশীলতাই ব্যক্তিৰ স্বতন্ত্রতা নিশ্চিত কৰে। কিন্তু একে সময়তে ই এই স্বতন্ত্রতা সঙ্কুচিত তথা সীমাৱদ্ধ কৰা বস্তুনিষ্ঠ সংস্কৃতিৰ গাঁথনিও গঢ়ি তোলে। অর্থাৎ, সামাজিক আন্তঃক্রিয়াই এক স্বীকৃত ৰূপ আৰু আর্হি গঢ়ি তোলে যিটোৱে সময়ত এক সংগঠনৰ জন্ম দিয়ে।

চিমেলৰ মতে সমাজৰ নিজাকৈ কোনো পৃথক বাস্তৱতা নাথাকে। সমাজ হ'ল আন্তঃক্রিয়াৰ দ্বাৰা সংযুক্ত হৈ থকা বহুতো ব্যক্তিৰ এক উমৈহতীয়া নাম। সমাজ এটা বস্তু নহয়। ইয়াৰ মূর্ত ৰূপ নাই। ই কিছুমান ঘটনাৰ সমষ্টি। সমাজ হ'ল এজন ব্যক্তিৰ আন এজনৰ সৈতে হোৱা আন্তঃক্রিয়া। চিমেলৰ মতে সমাজ হ'ল আমি যাপন কৰি থকা অভিজ্ঞতা। সামাজিক শক্তিবোৰ ব্যক্তিৰ বাবে বাহিৰা শক্তি নহয়। ব্যক্তিয়ে নিজৰ কর্ম আৰু আন্তঃক্রিয়াৰ জৰিয়তে প্রতিটো জীৱন্ত মুহূর্ততে সমাজ পুনৰ সৃষ্টি কৰি গৈ থাকে।

চিমেলে নিজৰ অন্বেষণ একেবাৰে তলৰ পর্য্যায়ৰ পৰা আৰম্ভ কৰিছিল। তেওঁ প্রথমে সামাজিক আন্তঃক্রিয়াৰ একেবাৰে ক্ষুদ্র এককবোৰ নিৰীক্ষণ কৰিছিল। আৰু তেনে ক্ষুদ্র এককবোৰৰ পৰা কেনেকৈ বৃহত্তৰ পর্য্যায়ৰ অনুষ্ঠান-প্রতিষ্ঠানবোৰৰ উদ্ভৱ হয় সেয়া পৰীক্ষা কৰা চোৱাৰ প্রয়াস কৰিছিল। এই কামটো কৰোঁতে তেওঁ প্রায়েই অন্য তাত্বিকসকলে এৰি থৈ যোৱা পৰিঘটনাবোৰ লক্ষ্য কৰিছিল। চিমেলে নিৰীক্ষণ কৰিছিল যে কোনো আন্তঃক্রিয়াত ভাগ লোৱা সংখ্যাই আন্তঃক্রিয়াৰ প্রকৃতিত প্রভাৱ পেলাব পাৰে। দুজন ব্যক্তিৰ মাজত স্থাপন হোৱা আন্তঃক্রিয়াক চিমেলে 'দ্যাড' (দ্বয়ী) নাম দিছিল। এই আন্তঃক্রিয়া তিনিদলীয় অথবা 'ত্রয়ী'ৰ (Triad) ৰূপত হোৱা আন্তঃক্রিয়াতকৈ বহু বেলেগ। চিমেল ব্যক্তিয়ে গঠন কৰা দলৰ ৰূপ সম্পর্কে অধিক সচেতন আছিল। তেওঁ আন্তঃক্রিয়াতকৈ বহু বেলেগ। চিমেল ব্যক্তিয়ে গঠন কৰা দলৰ ৰূপ সম্পর্কে অধিক সচেতন আছিল। তেওঁ আন্তঃক্রিয়াৰ বিষয় বস্তু সম্পর্কে সিমান চিন্তিত নাছিল। এটা 'দ্বয়ী' (Dyed) আন্তঃক্রিয়াত, সম্পর্ক এটাক আপেক্ষিকভাৱে পোনপটীয়া বুলি গণ্য কৰা হয়। এনে সম্পর্কত প্রতিজন ব্যক্তিয়ে আনজনৰ আগত নিজকে উপস্থাপন কৰাৰ সুযোগ পায়।

উপস্থাপন এনে এক প্রক্রিয়াৰে কৰা হয় য'ত প্রত্যেকেই নিজৰ পৰিচয় বর্তাই ৰাখিব পাৰে। যিকোনো এটা পক্ষই আন্তঃক্রিয়াৰ পৰা আঁতৰি গ'লেই এনে সম্পর্কৰ সামৰণি পৰে। 'ত্রয়ী'ত (Triad) বিভিন্ন ধৰণৰ আন্তঃক্রিয়া কৌশলৰ সৃষ্টি হয় আৰু ই 'দ্বয়ী'ৰ আন্তঃক্রিয়া সম্পন্ন কৰাৰ ধৰণ সম্পূর্ণ সলনি কৰে।

'ত্রয়ী' প্রক্রিয়াত প্রতিযোগিতা, মিত্রতাপূর্ণ দল গঠন, অথবা মধ্যস্থতাৰ সৃষ্টি কৰিব পৰা আন্তঃক্রিয়া কৌশল প্রয়োগ কৰা হ'ব পাৰে। 'ত্রয়ী'য়ে ইয়াৰ সদস্য ব্যক্তিবিশেষৰ ওপৰত নির্ভৰ নকৰাকৈয়ে একোটা দলীয় গাঁথনি বিকলাই তুলিব পাৰে। 'দ্বয়ী' প্রক্রিয়াত এনে ঘটাৰ সম্ভাৱনা ক্ষীণ।

দৰৰ আকাৰে ব্যক্তিগত স্বতন্ত্রতা বৃদ্ধি কৰে। কিন্তু আদি অথবা প্রাক্-আধুনিক কালত দলৰ সলনি ক্ষুদ্র ক্ষুদ্র চক্র (Circle) একোটা আছিল। এনে চক্রবোৰ চৌপাশে থকা অচিনাকি ব্যক্তি অথবা সকলো প্রকাৰৰ প্রতিদ্বন্দ্বী চক্রৰ পৰা সম্পুর্ণ আঁতৰত আছিল। পৰম্পৰাগত সমাজে গাইগুটীয়া সদস্যৰ অনন্য গুণবোৰ বিকাশ কৰিবলৈ আৰু স্ব-দায়িত্বৰ কাম-কাজ কৰিবলৈ এখন সংকীর্ণ ক্ষেত্রহে আগবঢ়ায়। যেতিয়া দলবোৰ বাঢ়ি যায় আৰু দলৰ প্রত্যক্ষ আন্তঃক্রিয়াৰ পৰিসৰ ব্যাপক হয়, তেতিয়া আভ্যন্তৰীণ ঐক্য শিথিল হৈ পৰে। সমাজৰ সম্প্রসাৰণ ঘটা বাবে অন্যৰ প্রতি থকা আগৰ সীমাৱদ্ধতাৰ অনমনীয়তাও লাহে লাহে কমি আহে। ইয়াৰ ফলত ব্যক্তিয়ে আগতকৈ অধিক স্বতন্ত্রতা আৰু নমনীয়তা উপভোগ কৰাৰ সম্ভাৱনীয়তা বাঢ়ে। ই উমৈহতীয়া সংস্কৃতি সংগঠনৰ পুৰণি ৰূপটো দুর্বল কৰি তোলে।

চিমেলে লক্ষ্য কৰিছিল যে য'ত যথেষ্ট সংখ্যক ব্যক্তি আন্তঃক্রিয়াত মিলিত হয়, তাতেই সমাজৰ সৃষ্টি হয়। তেওঁৰ কথাৰ অর্থ হ'ল যেতিয়া মানুহ গোট খায় তেতিয়া এনে কিছুমান কার্য্য সংঘটিত হয় যিবোৰ মানুহে অকলে থাকিলে কৰিব নোৱাৰে। যেনে— বাদ্যযন্ত্রীসকলে ইজনে সিজনৰ বাদ্যযন্ত্রৰ সৈতে স্বৰৰ মাত্রা একে কৰি লোৱাৰ দৰে মানুহেও ইজনে সিজনৰ সৈতে খাপ খাই চলাৰ চেষ্টা কৰে।

চিমেলে যুক্তি দর্শাইছিল যে সামাজিক আন্তঃক্রিয়াই সঁচাকৈয়ে একোটা নির্দিষ্ট ৰূপ লয়। চিমেলে বিভিন্ন পটভূমিত আৰু বিভিন্ন সামাজিক বিষয়বস্তুৰ সৈতে সংঘটিত হ'ব পৰা সামাজিক সম্পর্কবোৰৰ বিশেষ ৰূপ অধ্যায়ন কৰাত জোৰ দিছিল। তেওঁৰ মতে সামাজিক আইনৰ অন্বেষণ কৰাতকৈ এই কাম কৰাটো অতি দৰকাৰী। চিমেলে অধ্যয়ন কৰা উমৈহতীয়া ৰূপবোৰৰ মাজৰে দুটামান হ'ল— উচ্চ আৰু তলতীয়া বোধ, সহযোগিতা, প্রতিদ্বন্দ্বিতা, শ্রম বিভাজন আৰু ধনৰ লেন-দেন। বিভিন্ন বিষয়বস্তু অথবা নির্দিষ্ট তাড়নাক সামাজিক ৰূপ দিবলৈ ওপৰত উল্লেখ কৰা ৰূপবোৰক বিভিন্ন পটভূমিত প্রয়োগ কৰা হয়। যেনে— আধ্যাত্মিক পটভূমি, আর্জনৰ পটভূমি, আত্মৰক্ষামূলক পটভূমি, ধেমেলীয়া পটভূমি ইত্যাদি। চিমেলে এটা প্রধান প্রশ্নৰ উত্তৰ উলিওৱা কার্য্যত মনোনিৱেশ কৰিছিল। "সমাজ কেনেকৈ সম্ভৱ হয়?" (How is Society Possible?) 'দ্য প্রব্লেম অৱ ছ'ছিঅ'ল'জী' নামৰ ৰচনাখনত চিমেলে কৈছে যে সমাজ বুলি কোনো এটা বস্তু নাই। যিকোনো এটা মুহূর্তত সক্রিয় হৈ পৰা অসংখ্য আৰু বিভিন্ন ধৰণৰ আন্তঃক্রিয়াকে আমি

সমাজ নাম দিও। অৱশ্যে সামাজিক জীৱনৰ এই পৰিঘটনাবোৰৰ কিছুমান চিনাক্ত কৰিব পৰা ৰূপ আছে। এই ৰূপ অথবা নক্সাবোৰে ব্যক্তিৰ আচৰণক এক নিয়ন্ত্রিত উপায়েৰে পৰিচালিত কৰে। সমাজত মানুহৰ আন্তঃক্রিয়া জনাৰ বাবে এনে ৰূপবোৰ অধ্যয়ন কৰিবলৈ চিমেলে গ্রহণ কৰা ব্যৱস্থা আৰু প্রদান কৰা গুৰুত্বকে 'আনুষ্ঠানিক সমাজতত্ত্ব' নাম দিয়া হৈছে।

১০.৪ মহানগৰ আৰু আদর্শগত জীৱন

জ'র্জ চিমেল হ'ল আধুনিক নগৰীয়া জীৱনৰ অৱস্থা পৰীক্ষা কৰি চোৱা প্রথমগৰাকী শিক্ষায়তনিক ক্ষেত্রৰ লগত জড়িত ব্যক্তি। তেওঁ দাবী কৰিছিল যে দেশৰ নগৰ অঞ্চলবোৰে অসংখ্য আচৰণগত অৱস্থাৰ সৃষ্টি কৰে। নগৰে মানুহক স্বতন্ত্রতা প্রদান কৰে। ই এক মুকলিমূৰীয়া অনুভৱ। কিন্তু একে সময়তে নগৰে এক কৃত্রিম তথা মাত্রাধিক উদ্দীপনা সৃষ্টিকাৰী পৰিৱেশো সৃষ্টি কৰে যিটোৱে নগৰীয়া লোকক পৰস্পৰৰ পৰা বিচ্ছিন্ন কৰে।

চিমেলৰ মতে নগৰ-চহৰৰ প্রাথমিক উপাদান হ'ল উদ্বুদ্ধকাৰী পৰিৱেশৰ সংখ্যাধিকতা। তেওঁ দাবী কৰে যে নগৰত নিজৰ পঞ্চ ইন্দ্রিয়ক বিভিন্ন ধৰণে সন্তুষ্টি প্রদান কৰি মানুহে নিজৰ মৌলিক চৰিত্র সলনি কৰি পেলায়। কালক্রমত শৰীৰ আৰু সামগ্রীৰ ব্যাপক পুঞ্জীভৱনৰ ফলত মানুহ চৌপাশৰ প্রতি আবেগহীন হৈ পৰে তথা ব্যক্তিগত দৈনিক আন্তঃক্রিয়াৰ অভাৱ ঘটে।

নগৰ-চহৰত বাস কৰা লোকে পৰিৱর্তিত পৰিৱেশৰ সৈতে খাপ খাই চলিব পাৰে। নগৰীয়া লোকৰ অনুভৱ-অনুভূতিবোৰ পৰম্পৰাগত সামাজিক সজ্জাত বাস কৰা লোকতকৈ পৃথক। আবেগিক প্রতিক্রিয়া প্রকাশ নকৰি মহানগৰীয়া লোকে প্রধানকৈ যুক্তিসঙ্গতভাৱে প্রতিক্রিয়া প্রকাশ কৰে। এনেকৈয়ে তেওঁলোকে সচেতনতা গাঢ়কৰণৰ জৰিয়তে এক মানসিক আধিপত্যৰ সৃষ্টি কৰে।

নগৰীয়া লোকে অন্তৰেৰে নহয় বিচাৰ-বিবেচনাৰে প্রতিক্রয়া প্রকাশ কৰে। ইয়াক চিমেলে মনোবৈজ্ঞানিক বৌদ্ধিকতাবাদী মনোভাৱ (Psychological Intellectualistic Attitude) বুলি আখ্যা দিছিল। নগৰ-চহৰৰ জীৱনদ্দশাই মানুহক জীৱন-যাপনৰ স্বীকৃত প্রথাগত উপায় বিকাশত বাধা দিয়ে। অর্থাৎ, নগৰীয়া মানুহে জীৱনৰ নক্সা গঢ়া গভীৰভাৱে মানি চলা পৰম্পৰাবোৰ অনুসৰণ কৰাৰ সুযোগ নিদিয়ে। নগৰ-চহৰৰ মানুহে অবিৰতভাৱে সলনি হৈ থকা সামাজিক পটভূমিত খাপ খাই চলিব লাগে। সেয়েহে নগৰীয়া মানুহে নিজকে সুৰক্ষা প্রদান কৰিবলৈ তুলনামূলকভাৱে একোটা 'বীতস্পৃহ মনোভাৱ' (Blase Attitude) গ্রহণ কৰিবলগীয়া হয়। নগৰীয়া মানুহৰ সম্পর্কবোৰ 'ধন'ৰ (Money) দৰে নৈর্ব্যক্তিক মাধ্যমৰ জৰিয়তে নিয়ন্ত্রিত হয়। ধনে মানুহৰ মাজত তুলাচনীৰ কাম কৰে। কাৰণ এইখন সমাজত আন সকলো বিষয় আৰু উপাদান সার্বজনীনভাৱে কম প্রয়োগসাধ্য। নগৰ-চহৰত বাস কৰা লোকৰ মানসিকতা বর্ণনা কৰিবলৈ চিমেলে 'মহানগৰীয়া বৌদ্ধিকতাবাত' (Metropolitan Intellectuality) অভিধাটো ব্যৱহাৰ কৰিছিল। এটা জটিল আৰু বিস্তৃত মহানগৰীয়া জীৱনত মানুহক সময়ানুৱর্তিতা আৰু গণনাসাধ্যতাৰ (Calculability) প্রয়োজন হয়।

চিমেলে লক্ষ্য কৰিছিল যে নগৰ-চহৰবোৰৰ বিকাশ আৰু জনসংখ্যা ক্ৰমে বৃদ্ধি হোৱা বাবে আন্তঃ-মানৱ সংযোগবোৰ স্বল্প স্থায়ী হৈ পৰিছে অথবা এনে সংযোগৰ অভাৱ ঘটিছে। পৰম্পৰাগত সমাজত চলা সামাজিক আন্তঃক্ৰিয়াৰ সৈতে তুলনা কৰি এই সিদ্ধান্তত উপনীত হোৱা গৈছে। নগৰ-চহৰৰ সত্তা হ'ল উদ্দেশ্যমূলক। আধুনিক মহানগৰীয়া সমাজৰ পৰিৱেশৰ সৈতে মোকাবিলা কৰিবলৈ মানুহে উদ্দেশ্যমূলক ব্যক্তিত্ব গঢ়ি তোলে। চিমেলে মন কৰিছিল যে নগৰ-চহৰত ব্যক্তিৰ পটভূমিমূলক আন্তঃক্ৰিয়া আৰু সামাজিক জীৱনৰ ৰূপবোৰে এক 'বস্তুনিষ্ঠ সংস্কৃতি' (Objective Culture) গঢ়ি তোলে। বিষয়নিষ্ঠ সংস্কৃতি হ'ল কৰ্তাৰ বস্তুনিষ্ঠ সংস্কৃতিৰ উপাদান উৎপাদন, গ্ৰহণ আৰু নিয়ন্ত্ৰণ কৰিব পৰা সামৰ্থ। আদৰ্শগতভাৱে, ব্যক্তিগত সংস্কৃতিয়ে গঢ় দিয়া বস্তুনিষ্ঠ সংস্কৃতি আৰু বস্তুনিষ্ঠ সংস্কৃতিৰ দ্বাৰা গঢ়িত হোৱা ব্যক্তিগত সংস্কৃতিয়ে এক নতুন ধৰণৰ জীৱন সৃষ্টি কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ চিমেলৰ মতে গোটৰ পৰিসংখ্যাই ব্যক্তি স্বাধীনতাত কেনেকৈ প্ৰভাৱ পেলায়?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ চিমেলৰ মতে মহানগৰত বাস কৰা লোকসকলে সামাজিক পৰিস্থিতিত কিদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে?

.....

.....

.....

.....

১০.৫ চৌখিনতা (Fashion)

চৌখিনতা সম্পৰ্কে লিখা ৰচনাত চিমেলে মন্তব্য কৰিছে যে চৌখিনতা হ'ল এক ধৰণৰ সামাজিক সম্পৰ্ক। চৌখিনতাই নিজৰ ৰূপান্তৰ ঘটাব খোজাসকলৰ মনৰ ইচ্ছা পূৰ কৰে আৰু ব্যক্তি স্বাতন্ত্ৰ্যবাদৰসমৰ্থকসকলক স্বীকৃত প্ৰথাৰ পৰা বিচ্যুত হোৱাৰ পথ দেখুৱায়।চিমেলৰ মতে নগৰ-চহৰত চৌখিনতাৰ বিকাশ ঘটে। আধুনিক ব্যক্তিয়ে সামাজিক সমৰ্থনৰ পৰম্পৰাৰ কবলৰ পৰা বিচ্ছিন্ন হ'ব খোজে। চৌখিনতাই ব্যক্তিক নিজৰ ব্যক্তিত্ব অথবা ব্যক্তিগত প্ৰমূল্যৰ ইঙ্গিত দিয়াত অথবা সেইবোৰ প্ৰকাশ কৰাত সহায় কৰে। চিমেনে লক্ষ্য কৰিছিল যে যিবোৰ ব্যক্তিৰ

স্বনিয়ন্ত্রণ ক্ষমতাৰ অভাৱ আৰু যিসকলক সমর্থনৰ প্রয়োজন কিন্তু তথাপিও যিসকলৰ আত্ম-সচেতনতাই অহৰহ সাধাৰণতকৈ পৃথক আৰু বিশেষ ব্যক্তি হিচাপে নিজকে উপস্থাপন কৰিবলৈ সঁকিয়াই থাকে তেনে ব্যক্তিক চৌখিনতাই উত্তম সুযোগ প্রদান কৰে।

চৌখিনতাক বস্তুনিষ্ঠ সংস্কৃতিৰ এটা অংশ হিচাপে ধৰিব পাৰি। ই ব্যক্তিক এটা গোটৰ স্বীকৃত নীতি-নিয়ম মানি চলাৰ আৰু এনে এটা বস্তুনিষ্ঠ সংস্কৃতি সৃষ্টি কৰাৰ সুযোগ দিয়ে যিটোৱে তেওঁলোকক সাধাৰণতকৈ পৃথক কৰি তোলে। চৌখিনতাই ব্যক্তি স্বতন্ত্রতা প্রকাশ কৰিব পাৰে। কাৰণ চৌখিনতাৰ সহায়ক ব্যক্তিয়ে স্বীকৃত প্রথাৰ পৰা কিছু পৃথক বৈশিষ্ট্য প্রকাশ কৰাটো পছন্দ কৰে। চৌখিনতাই একোটা নতুন স্বীকৃত প্রথাৰ সৃষ্টি কৰে। ই এক গতিশীল প্রক্রিয়া আৰু ইয়াৰ এটা ঐতিহাসিক মাত্রা আছে। চৌখিনতালৈ অহা পৰিৱর্তনবোৰক সদায়েই পুৰণি চৌখিনতা এটাৰ কিছু বিচ্যুত ৰূপ বুলিব পাৰি।ইয়াক মৌলিক স্বীকৃত প্রথাবোৰৰ অৱনমন বুলিও হয়তো ক'ব পৰা যায়। চৌখিনতাৰ ধাৰা এটাৰ সফলতাৰ সৈতে দ্বন্দ্বমূলক প্রক্রিয়া এটা জড়িত। অর্থাৎ চৌখিনতাৰ নতুন ধাৰা এটা প্রথমে মানুহে নাকচ কৰিব অথবা গ্রহণ কৰিবলৈ হেহোঁ-নেহোঁ কৰিব পাৰে কিন্তু লাহে লাহে অথবা দ্রুতগতিত ই বহুলভাৱেসমাদৃত হ'ব পাৰে। চৌখিনতাৰ প্রক্রিয়া এটাৰ ভিতৰত মানুহে বিভিন্ন ধৰণৰ সামাজিক ভূমিকা পালন কৰে। ই অইনৰ সিদ্ধান্ত অথবা কার্য্যক প্রভাৱিত কৰে। সামৰণিত ইয়াকে ক'ব পাৰি যে চৌখিনতাই একে সময়তে ব্যক্তিগত সৃজনশীল প্রমূল্যবোৰ প্রকাশিত হোৱাৰ সুযোগ দিয়ে আৰু সময়ৰ দ্বাৰা নির্দ্ধাৰিত প্রথা অনুসৰণ কৰে।

১০.৬ মুদ্রাৰ দর্শন (Philosophy of Money)

মুদ্রাৰ দর্শন সম্ভৱতঃ চিমেলৰ সবাতোকৈ গুৰুত্বপূর্ণ কিন্তু সবাতোকৈ উপেক্ষিত ধ্রুপদী চিন্তা আছিল। চিমেলৰ অধ্যয়নৰ মূল বিষয়বস্তু আছিল মুদ্রাৰ সামাজিক অর্থ, মুদ্রাই কেনেকৈ মানুহ আৰু সমাজক প্রভাৱিত কৰে। আধুনিক সমাজত মুদ্রাই এক নৈর্ব্যক্তিক প্রমূল্য অথবা প্রমূল্যৰ বৈষয়িক জোখৰ ৰূপ ধাৰণ কৰিছে। মুদ্রাই মানুহৰ মাজত নৈর্ব্যক্তিক আৰু যুক্তিসঙ্গত সম্পর্ক স্থাপন কৰে। এনে সম্পর্কবোৰে প্রতীকীৰদ্ধ আৰু বিধিৰদ্ধ ৰূপ লৈছে। মুদ্রাৰ ব্যৱহাৰে মানুহক বস্তুৰ পৰা আঁতৰাই নিছে আৰু এই দূৰত্ব জয় কৰাৰ উপায় আগবঢ়াইছে । মুদ্রাৰ ব্যৱহাৰে সমাজত মানুহক অধিক নমনীয়তা আৰু স্বতন্ত্রতা প্রদান কৰিছে।

চিমেলে কর্তাৰ আভ্যন্তৰীণ জগত আৰু সামগ্রিকভাৱে বস্তুনিষ্ঠ সংস্কৃতিৰ ওপৰত মুদ্রা অর্থনীতিৰ প্রভাৱ মূল্যায়ন কৰিছিল। তেওঁৰ মতে বিনিময়,মালিকীস্বত্ব, বিলাসিতা, সন্দেহবাদিতা, ব্যক্তিগত স্বতন্ত্রতা, জীৱন-যাপন শৈলী, সংস্কৃতি, লোভ, ব্যক্তিত্বৰ মান আদিৰ দৰে সামাজিক পৰিঘটনাৰ সৈতে মুদ্রা জড়িত। মুদ্রাই আগবঢ়োৱা উপায়েৰে বজাৰ, অর্থনীতি আৰু প্রধানতঃ সমাজখনে একোটা নিজস্ব জীৱন লাভ কৰে। এই জীৱন কর্তাৰ বাবে বাহ্যিক বিষয়। মুদ্রাৰ লেন-দেন সমাজৰ এক গুৰুত্বপূর্ণ অংশ হৈ যোৱাৰ লগে লগে সমাজত মানুহৰ গুৰুত্ব কমি যায়। আধুনিক সমাজত মুদ্রা নিজেই এটা প্রয়োজন হৈ পৰিছে। ইয়াৰ ফলত মানুহ ক্রমে উদ্ধত হৈ পৰিছে আৰু এটা বীতস্পৃহ (নিস্পৃহ) মনোভাৱ গ্রহণ কৰিবলৈ বাধ্য হৈ পৰিছে।

মুদ্রাই আমাৰ সামাজিক আন্তঃক্রিয়াবোৰৰ চৰিত্র অধিক যান্ত্রিক আৰু গণনাসাধ্য কৰি তুলিছে। ই মানৱীয় সামাজিকতা সলনি কৰিছে। আধুনিক অর্থনৈতিক বিনিময়ত মুদ্রাৰ ভূমিকাক এক প্রকাৰৰ সামাজিক আন্তঃক্রিয়া হিচাপে বুজিবলগীয়া হৈছে। ই সামাজিক কর্তাৰ মাজত চলা অতীতৰ বিনিময় আৰু লেন-দেন প্রথাবোৰ সম্পূর্ণ আঁতৰাই পেলাইছে। মুদ্রাই মানৰ আন্তঃক্রিয়াৰ ৰূপ সলনি কৰি এক নৈর্ব্যক্তিক ৰূপ প্রদান কৰিছে। ই মানুহৰ কাম-কাজৰ যুক্তিসঙ্গত গণনাৰ পথ প্রশস্ত কৰিছে। এতিয়া সমাজ জীৱনৰ বহুতো ক্ষেত্রত বিমূর্ত গণনাৰ উত্থান ঘটিছে আৰু গোষ্ঠীগত সম্পর্ক নোহোৱা কৰিছে। পৰিমাণগত গণনাৰ সলনি অতীজত গুণমান ভিত্তিক গণনাক অগ্রাধিকাৰ দিয়া হৈছিল।

মুদ্রাই তাৎক্ষণিত উদ্দেশ্য পূৰণৰ বাবে লেন-দেন সীমাৱদ্ধ কৰাটো সম্ভৱ কৰি তুলিছে আৰু ব্যক্তিগত স্বাধীনতাৰ বৃদ্ধি কৰিছে। আধুনিক পৃথিৱীত মুদ্রাৰ মূল্য স্বীকৃত মূল্যতকৈ বহু বেছি আৰু ই বিনিময়ৰ এক মাধ্যম। যুক্তিসঙ্গততাৰ আধুনিক মনোভাৱৰ প্রতীক আৰু উপস্থাপকৰ ভূমিকা পালন কৰা মুদ্রা হ'ল এক অর্থনৈতিক কার্য্য।

১০.৭ সামৰণি

উগ্র সমর্থকসকলৰ মতে জ'র্জ চিমেলে সমাজতত্ত্বাবিদ হিচাপে মার্ক্স ৱেবাৰ আৰু দুৱখেইমৰ কাষতে স্থান পোৱা উচিত। চিমেলকো সমাজতত্ত্বৰ জনকৰ শাৰীত ৰখা উচিত। চিমেলৰ মর্য্যাদা উন্নত কৰিব খোজা প্রচেষ্টাবোৰত অন্তৰায়ৰ সৃষ্টি কৰি আহিছে তেওঁ প্রণালীৱদ্ধ তত্ত্ব আগবঢ়োৱাৰ ক্ষেত্রত দেখুওৱা অনীহাই। চিমেলে সদায় প্রবন্ধ লেখকৰ শৈলীত লিখা-মেলা কৰিছিল। বিভিন্ন বিষয়ক লৈ লিখা তেওঁৰ ৰচনাবোৰ অতি উচ্চমানৰ আৰু চিন্তাৰ খোৰাক যোগাব পৰা ধৰণৰ বুলি পণ্ডিতসমাজে সর্বত্র মানি লৈছে। কিন্তু তথাপিও চিমেলক প্রায়েই তেওঁৰ লিখনিৰ ডুখৰীয়া বৈশিষ্ট্যৰ বাবে সমালোচনা কৰা হয়। তেওঁ মার্ক্স, দুৱখেইম অথবা ৱেবাৰৰ দৰে এক প্রণালীৱদ্ধ সমাজতত্ত্ব আগবঢ়োৱা নাছিল। তেওঁৰ লিখনিবোৰত এক সুস্থিৰ বৌদ্ধিক মনোযোগৰ অভাৱ আছিল বাবেও তেওঁ সমাজতত্ত্বৰ নামটোৰ সৈতে জড়িত এগৰাকী প্রধান ব্যক্তি হ'ব নোৱাৰিলে। অৱশ্যে সামাজিক গাঁথনি আৰু ইয়াৰ গতিশীলতাৰ বিষয়ে চিমেলে মার্ক্স, ৱেবাৰ অথবা দুৱখেইমতকৈ যথেষ্ট কম আলোচনা কৰিছিল। নগৰীয়া সমাজ আৰু সামাজিক আন্তঃক্রিয়া সম্পর্কে চিমেলে আগবঢ়োৱা দৃষ্টিভঙ্গীবোৰৰ বাবে সমসাময়িক সমাজতত্ত্বত তেওঁৰ অৱদান গুৰুত্ব সহকাৰে অধ্যয়ন কৰা হয়। বিংশ শতিকাৰ মাজভাগত চিকাগ' স্কুলে জনপ্রিয় কৰি তোলা সূক্ষ্ম-সমাজতত্ত্ব (Micro-Sociology) আৰু প্রতীকি আন্তঃক্রিয়াবাদৰ (Symbolic Interactionism) দৰে শাখাবোৰৰ বাবে চিমেলৰ সামাজিক ৰূপৰ উৎপত্তি সম্পর্কীয় চিন্তাবোৰ অতি গুৰুত্বপূর্ণ হৈ পৰিছে। আধুনিক নগৰ-চহৰৰ অভূতপূর্ব প্রকৃতি আৰু পৰিসৰৰ সৈতে বৃদ্ধি পোৱা আধুনিক সমাজ জীৱনৰ দৈনন্দিন অভিজ্ঞতাৰ খণ্ডিত চিত্রবোৰ ধৰা পেলোৱাত নতুন সামাজিক ৰূপ সৃষ্টি বিষয়ক চিমেলৰ বিশ্লেষণে বিশেষভাৱে সহায় কৰে।



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজ হ'ল আমি যাপন কৰি থকা অভিজ্ঞতা। সামাজিক শক্তিবোৰ ব্যক্তিৰ বাবে বাহিৰা শক্তি নহয়। ব্যক্তিয়ে নিজৰ কৰ্ম আৰু আন্তঃক্ৰিয়াৰ জৰিয়তে প্ৰতিটো জীৱন্ত মুহূৰ্ততে সমাজ পুনৰ সৃষ্টি কৰি গৈ থাকে।
- সমাজত মানুহৰ আন্তঃক্ৰিয়াৰ ৰূপ আৰু আৰ্হি অধ্যয়নৰ ওপৰত জোৰ দিবলৈ আৰু উপায় উলিয়াবলৈ গ্ৰহণ কৰা ব্যৱস্থা আৰু প্ৰদান কৰা গুৰুত্বকে 'আনুষ্ঠানিক সমাজতত্ত্ব' বোলা হয়।
- আন্তঃমানৰ সংযোগ স্বল্প স্থায়ী হৈ পৰা বাবে অথবা এনে সংযোগৰ অভাৱ ঘটা বাবে নগৰ-চহৰত উদ্দেশ্যমূলক আন্তঃক্ৰিয়া সংঘটিত হ'বলৈ ধৰিছে। এনে আন্তঃক্ৰিয়াৰ ফলত অৱশেষত বস্তুনিষ্ঠ সংস্কৃতিৰ জন্ম হৈছে।
- বিষয়নিষ্ঠ সংস্কৃতি হ'ল কৰ্তাৰ বস্তুনিষ্ঠ সংস্কৃতিৰ উপাদান উৎপাদন গ্ৰহণ আৰু নিয়ন্ত্ৰণ কৰিব পৰা সামৰ্থ।
- চৌখিনতা হ'ল নগৰীয়া সমাজত নিজকে প্ৰকাশ কৰিবলৈ থকা ব্যক্তিৰ নিজস্ব সৃজনশীলতা।
- মুদ্ৰা হ'ল মানুহৰ আন্তঃক্ৰিয়া অধিক যান্ত্ৰিক তথা গণনাসাধ্য কৰি তোলা আধুনিক সামাজিক বিনিময়ৰ মাধ্যম।



১০.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Abel, T. (1970); *The Foundation of Sociological Theory*; New York: Random House.
2) Abraham, F.; Morgan J. H. (2011); *Sociological Thought*; New Delhi: Macmillan publisher Indian Limited.
3) Ashley, D.; Orenstein, D. M. (1998); *Sociological Theory Classical Statements*; Boston: Allyn and Bacon.
4) Ritzer, G. (2008); *Modern Sociological Theory*; New York: McGraw Hill Higher Education.
5) Wolff, K. H. (1964); *The Sociology of George Simmel*; London: The free Press.



১০.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ চিমেলৰ মতে যেতিয়া দলবোৰৰ পৰিসংখ্যা বাঢ়ি যায় আৰু দলৰ প্রত্যক্ষ আন্তঃক্রিয়াৰ পৰিসৰ ব্যাপক হয়, তেতিয়া আভ্যন্তৰীণ ঐক্য শিথিল হৈ পৰে। সমাজৰ সম্প্রসাৰণ ঘটা বাবে অন্যৰ প্রতি থকা আগৰ সীমাবদ্ধতাৰ অনমনীয়তাও লাহে লাহে কমি আহে। ইয়াৰ ফলত ব্যক্তিয়ে আগতকৈ অধিক স্বতন্ত্রতা আৰু নমনীয়তা উপভোগ কৰাৰ সম্ভাৱনীয়তা বাঢ়ে।

২নং প্রশ্নৰ উত্তৰ ঃ সামাজিক পৰিস্থিতিত মহানগৰত বাস কৰা লোকে আৱেগিক প্রতিক্রিয়া প্রকাশ নকৰি প্রধানকৈ যুক্তিসঙ্গতভাৱে প্রতিক্রিয়া প্রকাশ কৰে। নগৰীয়া লোকে অন্তৰেৰে নহয় বিচাৰ-বিবেচনাৰে প্রতিক্রিয়া প্রকাশ কৰে।



১০.১১ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ আনুষ্ঠানিক সমাজতত্ত্ব মানে কি?

প্রশ্ন ২ ঃ বিষয়নিষ্ঠ সংস্কৃতি মানে কি?

প্রশ্ন ৩ ঃ বস্তুনিষ্ঠ সংস্কৃতি মানে কি?

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ মুদ্রাৰ দর্শনৰ ধাৰণাটো বহলাই ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ মহানগৰৰ বর্ণনা দিয়ক আৰু মহানগৰীয়া সমাজত ব্যক্তিৰ বস্তুনিষ্ঠ আচৰণবোৰ কেনেকুৱা হ'ব পাৰে বুজাই লিখক।

প্রশ্ন ৩ ঃ চিমেলৰ মতে ব্যক্তি আৰু সমাজৰ মাজত সম্বন্ধ সম্পর্কে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ মেক্স ৱেবাৰ ঃ সামাজিক ক্ৰিয়া

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ সামাজিক ক্ৰিয়াৰ ব্যক্তিনিষ্ঠ উপলব্ধি
১১.৩.১ সামাজিক ক্ৰিয়া
১১.৩.২ সামাজিক ক্ৰিয়াৰ ব্যক্তিনিষ্ঠ অৰ্থ
১১.৪ প্ৰাকৃতিক বিজ্ঞান আৰু সামাজিক বিজ্ঞান
১১.৫ সমাজতত্ত্ব অধ্যয়নৰ পদ্ধতি
১১.৬ মেক্স ৱেবাৰৰ অৱদানৱলীৰ সমালোচনাত্মক সমীক্ষা
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্ৰগতিৰ খতিয়ান
১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মেক্স ৱেবাৰে সমাজতত্ত্বলৈ আগবঢ়োৱা মূখ্য অৱদানবোৰ বৰ্ণনা কৰিব পাৰিব
- সামাজিক ক্ৰিয়াকলাপ আৰু ইয়াৰ চাৰিবিধ আদৰ্শ বাখ্যা কৰিব পাৰিব
- সামাজিক ক্ৰিয়াকলাপৰ ব্যক্তিমূলক বা ব্যক্তিসম্বন্ধীয় বিশ্লেষণ আৰু সমাজতত্ত্বত ইয়াৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- প্ৰাকৃতিক বিজ্ঞানৰ সৈতে সমাজ বিজ্ঞান সমূহক তুলনা কৰিব পাৰিব
- মেক্স ৱেবাৰে আগবঢ়োৱা সমাজতত্ত্ব অধ্যয়ণৰ পদ্ধতি বা প্ৰণালীসমূহ ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

পূৰ্ব্বোক্ত পাঠগোটত আমি ইমাইল দুৰখেইম (Emile Durkheim) আৰু সমাজতত্ত্বলৈ তেওঁৰ অৱদান সম্পৰ্কে পঢ়ি আহিছো। ৱেবাৰ আছিল দুৰখেইমৰ সমসাময়িক আৰু সমাজতত্ত্বৰ ১৯ শতিকাৰ বিচাৰ পদ্ধতিসমূহৰ দৰে তেৱোঁ বিজ্ঞানৰ সেই দিশটোৰ বিকাশ সাধন কৰাটোহে বিচাৰিছিল যিয়ে বিষয়টো আগুৱাই নি আৰু বিস্তাৰ সাধন কৰিব বুলি তেওঁ বিশ্বাস কৰিছিল। তেওঁৰ বিভিন্ন কাম-কাজবোৰে বিংশ শতিকাৰ সমাজতত্ত্ব বিষয়ৰ সম্প্ৰসাৰণত আৰু বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল।

১৮৬৪ চনত জার্মানৰ এৰফুর্টত (Erfurt) মেক্সৰেবাৰৰ জন্ম হৈছিল। তেখেতৰ সম্পূর্ণ নাম আছিল কার্ল ইমিল মেক্সমিলিয়েন ৰেবাৰ। তেওঁক সমাজতত্ত্বৰ এগৰাকী প্রতিষ্ঠাপক পিতৃ হিচাপে আখ্যা দিয়া হয়।

ৰেবাৰে সমাজতত্ত্বক "সামাজিক ক্রিয়াকলাপক ব্যক্তিনিষ্ঠ বিশ্লেষণ" বুলি অভিহিত কৰিছে। তেওঁৰ মতে সামাজিক ক্রিয়াকলাপ সমাজ এখনৰ মূল উপাদান আৰু এই ক্রিয়াকলাপবোৰ ব্যক্তি বিশেষৰ উদ্দেশ্য বা অভিপ্রায় তথা ইচ্ছাশক্তিৰ দ্বাৰা পৰিচালিত হয়। আনকথাত ব্যক্তিয়ে নিজৰ ক্রিয়াৰ অর্থ নির্দ্ধাৰণ কৰে আৰু সমাজৰ অন্যান্য সকলৰ সৈতে ভাব বিনিময় কৰে। এজন গৱেষণাকাৰীৰ মূল কার্য্য হ'ল কর্তাসকলৰ ক্রিয়াৰ অর্থ উদঘাটন কৰি বিশ্লেষণ কৰা। সামাজিক ক্রিয়াৰ এই ব্যক্তিনিষ্ঠ ধাৰাৰ উদ্‌ঘাটন আৰু বিশ্লেষণৰ বাবে ৰেবাৰে এটা বিস্তৃত পদ্ধতি প্রতিষ্ঠা কৰিছে।সামাজিক তত্ত্বৰ প্রতি ৰেবাৰৰ বৰঙণিদুৰখেইমে আগবঢ়োৱা বৰঙণিৰপৰিপূৰক। দৰাচলতে দুৰখেইমে তেওঁৰ তত্ত্বৰ যি অংশসমূহ বাদ দি গৈছিল ৰেবাৰে সেই অংশসমূহ পূৰণ কৰি গৈছে। ইয়াৰ আগৰ অধ্যায়টিত আমি জ'র্জ চিমেলৰ সমাজতত্ত্বলৈ অৱদান সম্পর্কে আলোচানা কৰিছিলোঁ। এই অধ্যায়টোৰ লগতে পৰৱর্তী পাঠগোট কেইটাত আমি সমাজতত্ত্ব বিষয়ত মেক্স ৰেবাৰৰ অৱদান সম্পর্কে আলোচনা কৰিম।

১১.৩ সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ উপলব্ধি

আগতে উল্লেখ কৰি অহাৰ দৰে ৰেবাৰৰ বাবে সমাজতাত্বিক বিশ্লেষণ হ'ল "সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ উপলব্ধি", ইয়াত দুটা মূল উপাদান জড়িত হৈ আছে—

- সামাজিক ক্রিয়া
- ইয়াৰ ব্যক্তিনিষ্ঠ অর্থ



জানি থোৱা ভাল

সমাজতত্ত্বৰ অর্থবোধক ব্যাখ্যাই ব্যক্তি আৰু তেওঁৰ ক্রিয়াকলাপক মূল উপাদান অথবা ইয়াৰ 'পৰমাণু'ৰ দৰে গণ্য কৰে। ব্যক্তিয়েই শেষ সীমা তথা অর্থমূলক ব্যৱহাৰ বা আচৰণ কেৱল মাত্র বহনকাৰী ৰাজ্য, সংস্থা, সামন্তবাদ আদিৰ দৰে ধাৰণাবোৰে মানুহৰ মাজৰ পাৰস্পৰিক সহযোগিতাৰ বিষয়ে নির্দেশ কৰে। গতিকে এই ধাৰণাবোৰৰ সৈতে জড়িত ব্যক্তি সমূহৰ ক্রিয়া কলাপৰ অধ্যয়নৰ জৰিয়তে ইয়াৰ ক্রিয়া কলাপ জনাটোৱে সমাজতত্ত্বৰ কাম।

১১.৩.১ সামাজিক ক্রিয়া

ৰেবাৰে সমষ্টিত নহয় ব্যক্তি বিশেষতহে গুৰুত্ব দিছিল। সমষ্টিসমূহ, যেনে— ৰাষ্ট্র, সংঘ বা সমিতি, ইত্যাদিবোৰ কেৱল ব্যক্তিৰ কোনো নির্দিষ্ট ক্রিয়াৰ ফলাফল আৰু সংগঠনৰ প্রণালী হিচাপে গণ্য কৰিব লাগিব। গতিকে ৰেবাৰে ব্যক্তিজনৰ ওপৰত তথা

তেওঁৰ ক্রিয়াৰ ওপৰত গুৰুত্ব দিছিল। কিন্তু তেখেতে কোনো ব্যক্তিৰ 'সামাজিক কার্য্যক' হে সমাজবিজ্ঞান আৰু সমাজতত্ত্বৰ প্রকৃত বিষয়বস্তু বুলি চিহ্নিত কৰিছিল।

"কোনো ক্রিয়া তেতিয়াহে সামাজিক হ'ব যেতিয়া ই অন্যান্যসকলৰ আচৰণৰ প্রতি নজৰ ৰাখিব আৰু আচৰণ প্রক্রিয়াটোৰ সৈতে দিক্‌বিন্যাস মিলাই ল'ব।" ৱেবাৰৰ সংজ্ঞাটোৱে দুটা মৌলিক উপাদানৰ ওপৰত আলোকপাত কৰিছে—

- সামাজিক ক্রিয়াকলাপ অন্যান্যসকলৰ মুখাপেক্ষী। বিভিন্ন ব্যক্তিৰ মাজত স্থাপন হোৱা সামাজিক সংযোগিতাই ব্যক্তিসমূহক সমূহীয়া আচৰণৰ পথলৈ ধাবিত কৰে।
- সামাজিক ক্রিয়াৰ এটা গুণ হ'ল ইয়াৰ অর্থ। ইয়াক কর্তাই নিজৰ ক্রিয়াক অর্থহীন বা অর্থপূর্ণ আদি শব্দেৰে বুজায়। অর্থসমূহৰ প্রকৃতি হ'ল ব্যক্তিনিষ্ঠ। আন কথাত কোনো নির্দিষ্ট উদ্দেশ্য যিয়ে কোনো ক্রিয়াক সামাজিক ক্রিয়াৰ মর্য্যাদা দিয়ে তেনে উদ্দেশ্যেৰে কর্তাই কৰা কোনো ক্রিয়াক কর্তাই যিদৰে ব্যাখ্যা কৰে সেয়াই হ'ল অর্থ। ৱেবাৰে অর্থৰ উপলব্ধিকৰণ আৰু আদর্শ নমুনাক সামাজিক ক্রিয়া অধ্যয়নৰ এক সফল তথা প্রভাৱশালী পদ্ধতি বুলি গণ্য কৰিছিল।
- **সামাজিক ক্রিয়াৰ বৈশিষ্ট্যসমূহ** ঃ ৱেবাৰে উল্লেখ কৰা অনুযায়ী সামাজিক ক্রিয়াকলাপৰ বৈশিষ্ট্য সমূহ হ'ল—
  - সামাজিক ক্রিয়াকলাপবোৰ **ব্যক্তিৰ উদ্দেশ্য আৰু ইচ্ছা** বা অভিপ্রায়ৰ দ্বাৰা পৰিচালিত হয়। এইবোৰ অর্থপূর্ণ আচৰণ।
  - যেতিয়া কোনো আচৰণ কিছুমান উদ্দেশ্যৰ সৈতে জড়িত হৈ থাকে তেতিয়া তাক ক্রিয়া বা কার্য্য বুলি কোৱা হয়। কিন্তু প্রত্যেক ক্রিয়াই 'সামাজিক' নহয়। কেৱল সেইসমূহ ক্রিয়াহে 'সামাজিক' যিসমূহে **অন্যান্যসকলৰ আচৰণক লেখত** লয়। যেতিয়া কোনো এজন ব্যক্তিৰ ক্রিয়াকলাপ আন ব্যক্তিৰ ক্রিয়া বা আচৰণৰ দ্বাৰা প্রভাৱিত বা পৰিচালিত হয় তেতিয়া ইয়াক সামাজিক ক্রিয়া বোলা হয়। উদাহৰণ স্বৰূপে, ব্যক্তিগত প্রার্থনা সামাজিক নহয়। একেদৰে, কোনো অর্থনৈতিক ক্রিয়াই যদি আনৰ আচৰণৰ ওপৰত প্রভাৱ নেপেলায় তেন্তে সেইটোক সামাজিক ক্রিয়া বুলি কোৱা নহয়।
  - বিভিন্ন ব্যক্তিৰ মাজত ঘটা প্রত্যেকবিধ যোগাযোগেই সামাজিক বিধৰ নহয়। উদাহৰণ স্বৰূপে, দুজন চাইকেল আৰোহী বিভিন্ন বাধা অতিক্রম কৰি পথেৰে গৈ থকাটো স্বাভাৱিক ক্রিয়া কিন্তু সামাজিক ক্রিয়া নহয়। যদিহে দুয়োজন চাইকেল আৰোহীয়ে ইজনে সিজনক খুন্দিয়াব বিচাৰে বা সংঘর্ষৰ পিছত তর্কত লিপ্ত হয় তেন্তে ইয়াক আমি সামাজিক ক্রিয়া বুলিব পাৰিম। পৰিৱেশটোত কেৱল আন এজন ব্যক্তিৰ উপস্থিতিৰ বাবেই কোনো ক্রিয়া সামাজিক ক্রিয়া নহয়, দুয়োজন ব্যক্তিৰ মাজত **পাৰস্পৰিক সংযোগ** স্থাপন হলে ব্যক্তিগত ক্রিয়াই সামাজিক ক্রিয়াৰ ৰূপ লয়।

- সামাজিক ক্ৰিয়া বহুতো ব্যক্তিৰ মিল থকা বা সাদৃশ্যগত কার্য্যৰ সৈতে একে নহয়। উদাহৰণস্বৰূপে হঠাৎ বৰষুণ আৰম্ভ হলে প্ৰত্যেকজন বাটৰুৱাই নিজকে বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ হয়তো ছাতি মেলি ল'ব অথবা কৰবাত মূৰ গুজিবলৈ চাব। ইয়াৰ উপৰি কোনো এক ভিৰ পৰিৱেশত এজন ব্যক্তিয়ে সাধাৰণতে জুমটোৰ আন ব্যক্তিসকলৰ দৰে একে আচৰণ কৰা দেখা যায়। এইবোৰ সামাজিক ক্ৰিয়া নহয় কাৰণ ইয়াত কোনো নির্দিষ্ট লক্ষ্য বা উদ্দেশ্য জড়িত হৈ থকা নাই।
- সামাজিক ক্ৰিয়া ব্যক্তিৰ অতীত, বর্তমান অথবা প্ৰত্যাশিত ভৱিষ্যতৰ আচৰণৰ ভিত্তিতো সৃষ্টি হব পাৰে। উদাহৰণ স্বৰূপে, অতীতৰ কোনো ঘটনাৱলীৰ প্ৰতিশোধ হিচাপে, বর্তমানৰ পৰিস্থিতিত প্ৰতিৰক্ষা দিবলৈ অথবা ভৱিষ্যতৰ কোনো আনুমানিক আক্ৰমণৰ বিৰুদ্ধে যুজিবলৈ সামাজিক ক্ৰিয়াৰ পৰিচালনা হয়।

➢ **প্ৰকাৰ ঃ** "আদর্শ নমুনা" পদ্ধতিৰ দ্বাৰা ৰেবাৰে চাৰিবিধ সামাজিক ক্ৰিয়াৰ "আদর্শ নমুনা"ৰ মাজত পার্থক্য বিচাৰি উলিয়াইছে। এইসমূহ হ'ল— স্নেহমূলক বা গুণ গত, পৰম্পৰাগত, মূল্যবোধক আৰু যুক্তিমূলক ক্ৰিয়া।



জানি থোৱা ভাল

'Ideal Type' বা আদর্শ নমুনা হ'ল বাস্তৱ জগতৰ বিভিন্ন ঘটনাৰ তুলনামূলক ব্যাখ্যা দিয়াৰ নিমিত্তে গঠিত কিছুমান বৈশিষ্ট্যপূর্ণ 'আর্হি' বা 'কল্পনাকৃত আর্হি' কিন্তু এই আর্হিকেই অতি উত্তম বিধৰ আর্হি বুলি ক'ব নোৱাৰি।

ৰেবাৰৰ মতে উক্ত চাৰিবিধৰ যুক্তিমূলক আৰু মূল্যবোধক ক্ৰিয়া সম্পূর্ণৰূপে সামাজিক ক্ৰিয়া। কিন্তু আন দুবিধ গুণগত আৰু পৰম্পৰাগত ক্ৰিয়া অর্থমূলক আৰু ব্যক্তিৰ আচৰণৰ দ্বাৰা পৰিচালিত নোহোৱা বাবে ই সম্পূর্ণৰূপে সামাজিক ক্ৰিয়া নহয়।

- **স্নেহমূলক বা গুণগত ক্ৰিয়া ঃ** এইবোৰ ক্ৰিয়াই কোনো ব্যক্তিৰ আবেগ, উদ্বেগ আৰু অনুভূতিক স্বতঃস্ফূর্ত তথা প্ৰবলভাৱে প্ৰকাশ কৰে। এই ক্ৰিয়াবোৰ আনৰ আধাৰত সৃষ্টি হয়। উদাহৰণ স্বৰূপে, ক্ৰিকেট খেল এখন চলি থাকোতে কেতিয়াবা পৰাজয় বৰণ কৰিবলগীয়া হলে দর্শকে উক্ত দলৰ খেলুৱৈৰ ওপৰত বটল আদিৰে আক্ৰমণ কৰা দেখা যায়। এইবোৰ সেই দর্শকবৃন্দৰ খেলুৱৈৰ ওপৰত তেওঁলোকৰ ক্ষোভৰ স্বতঃস্ফূর্ত বর্হিপ্ৰকাশ।
- **পৰম্পৰাগত ক্ৰিয়া ঃ** অতীজৰ পৰা চলি অহা বিশ্বাস প্ৰথা তথা ৰীতি-নীতিবোৰে এজন ব্যক্তিৰ স্বাভাৰিক ধর্মৰ দৰে ক্ৰিয়া কৰে আৰু এই ক্ৰিয়াবোৰ অতীতৰ পৰা মানি অহা বাবেই বর্তমানতো পালন কৰা হয়। এইবোৰ ক্ৰিয়াৰ বাবে ব্যক্তি এজনে কোনো কল্পনাকৃত লক্ষ্যৰ অথবা ইয়াৰ মূল্যতো বা কোনো অনুভূতিৰ দ্বাৰা পৰিচালিত হোৱাৰ প্ৰয়োজন নহয়, কেৱল মাত্ৰ পৰম্পৰাক সন্মান জনাই

সেই অনুসৰি ক্ৰিয়া কৰিব লাগে। উদাহৰণ স্বৰূপে, পূজা-পাৰ্বণত অংশগ্ৰহণকাৰীয়ে পালন কৰা বিভিন্ন নীতি-নিয়মসমূহ পৰম্পৰাগত ক্ৰিয়াৰ দ্বাৰা পৰিচালিত।

- **যুক্তি সঙ্গত বা যুক্তিপূৰ্ণ ক্ৰিয়া ঃ** এইবোৰ মূল্যবোধৰ ভিত্তিত কৰা যুক্তি সঙ্গত ক্ৰিয়া। ক্ৰিয়াৰ শেষ বা ফলাফল পূৰ্ব-নিৰ্দ্ধাৰিত (মূল্য ভিত্তিক) হোৱা বাবে ব্যক্তিজনে অৰ্থাৎ কৰ্তাই কোনো প্ৰশ্ন নকৰাকৈয়ে নিজকে কামটোত সমৰ্পিত কৰে। তেওঁ লক্ষ্যত উপনীত হব পৰাকৈ কেৱল দিশ সমূহ বাচি উলিয়ায়। উদাহৰণ স্বৰূপে, দেশপ্ৰেম এজন সৈনিকৰ কাৰণে জীৱনৰ আটাইতকৈ মূল্যৱান বস্তু আৰু ইয়াৰ বাবে তেওঁ নিজৰ জীৱন উচৰ্গিত কৰিবলৈও কুণ্ঠাবোধ নকৰে। তেওঁৰ কাৰণে দেশসেৱাতকৈ ব্যক্তিগত সফলতা অথবা জীৱনৰ আন দিশত হোৱা পৰাজয় আদি মূল্যহীন।
- **যুক্তিমূল ক্ৰিয়া ঃ** এই ক্ৰিয়াত কৰ্তাই বা ব্যক্তি এজনে দুটা কথাত মনোনিবেশ কৰে। প্ৰথমে, তেওঁৰ লক্ষ্য বা উদ্দেশ্যৰ উপযোগিতাৰ সমীক্ষণ চলায় আৰু দ্বিতীয়তে, এই লক্ষ্যত উপনীত হবৰ বাবে নিৰ্বাচিত বিভিন্ন পথসমূহক চালিজাৰি চায় বা এক তুলনামূলক অধ্যয়ন কৰে। ব্যক্তিজনে নিজৰ লক্ষ্য যুক্তিৰ ভিত্তিত স্থিৰ কৰি লয় আৰু ইয়াত উপনীত হ'ব পৰাকৈ তেওঁৰ সামৰ্থ অনুযায়ী এক পথ বাচি উলিয়ায়। উদাহৰণ স্বৰূপে, এজন ছাত্ৰই কলেজীয়া শিক্ষাৰ আৰম্ভণি কৰিবলৈ গৈ প্ৰথমে তেওঁ অধ্যয়ন কৰিব বিচৰা বিষয়টোৰ উপযোগিতা সম্বন্ধে সমীক্ষণ চলাব আৰু তাৰ পিছত বিভিন্ন কলেজসমূহৰ মাজৰ কোনখন কলেজে তেওঁক উক্ত বিষয়টোত আটাইতকৈ ভাল শিক্ষা দিব পাৰিব সেয়া তেওঁ চালিজাৰি চাব।

ৱেবাৰে শেষত স্পষ্টীকৰণ দিছে যে সামাজিক ক্ৰিয়াৰ উক্ত তালিকাখনত থকা চাৰি প্ৰকাৰৰ ক্ৰিয়াই সামাজিক ক্ৰিয়াৰ সম্পূৰ্ণ শ্ৰেণীবিভাজন নহয়। এইবোৰ আদৰ্শ নমুনা মাত্ৰ, বাস্তৱ জগতত আৰু অসংখ্য বিধৰ সামাজিক ক্ৰিয়া আছে। ৱেবাৰে মূলতে সামাজিক বিকাশৰ প্ৰক্ৰিয়া অধ্যয়ন কৰাৰ উদ্দেশ্যে উক্ত চাৰি প্ৰকাৰৰ ক্ৰিয়াৰ উল্লেখ কৰিছে।

শেষত ৱেবাৰে উল্লেখ কৰিছে যে আধুনিক সমাজৰ ব্যক্তিৰ আচৰণ আমোলাতন্ত্ৰ আৰু ঔদ্যোগীকৰণবাদৰ দ্বাৰা প্ৰভাৱিত হয়। সেয়েহে, তেওঁলোকৰ ক্ৰিয়া কলাপবোৰ পৰম্পৰা, মূল্যবোধ, আৱেগ আদিতকৈ যুক্তিৰ দ্বাৰা পৰিচালিত হোৱা দেখা যায়।

১১.৩.২ সামাজিক ক্ৰিয়াৰ ব্যক্তিনিষ্ঠ অৰ্থ

ৱেবাৰৰ মতে, মানুহে নিজৰ ক্ৰিয়া আনৰ সৈতে সম্পৰ্কিত কৰে ক্ৰিয়াৰ অৰ্থৰ ওপৰত ভিত্তি কৰি। ইয়াত নিহিত অৰ্থ হ'ল—

- তেওঁলোকে ক্ৰিয়াৰ মাজেৰে **পূৰ্বজ্ঞাত কিছুমান ফলাফলত উপনীত** হ'ব বিচাৰে আৰু ইয়াৰ বাবে কিছুমান নিৰ্দিষ্ট পথ বাচি লয়।

- আগতে উল্লেখ কৰি অহাৰ দৰে এই ক্ৰিয়াবোৰ **আনক উদ্দেশ্য কৰা হয়**। ব্যক্তিসকল নিজস্ব উদ্দেশ্যৰ সিদ্ধিৰ বাবে আন ব্যক্তিৰ সম্পৰ্কত উক্ত ক্ৰিয়া সম্পন্ন কৰে।
- ওপৰোক্ত গুণে ব্যক্তিৰ ক্ৰিয়াক অৰ্থপ্ৰদান কৰে। সামাজিক ক্ৰিয়া অৰ্থমূলক বা **অৰ্থপূৰ্ণ ক্ৰিয়া**।
- যিহেতু ব্যক্তিজনে বা কৰ্তাই নিজে ক্ৰিয়াৰ নিৰ্বাচন আৰু সম্পাদন কৰে সেয়েহে উক্ত ক্ৰিয়াৰ অৰ্থও ব্যক্তিজনৰ বা **কৰ্তাৰ দৃষ্টিভঙ্গী অনুযায়ী নিৰ্দ্ধাৰিত হয়**। অৰ্থাৎ ক্ৰিয়াৰ অৰ্থ ব্যক্তি সম্বন্ধীয়।
- ইয়াৰ অৰ্থ হ'ল, এয়ে যে সামাজিক ক্ৰিয়াৰ (কৰ্তাৰ নিজৰ দৃষ্টিত আনৰ উদ্দেশ্যে কৰা) সেই লক্ষ আৰু লক্ষ্য সাধনৰ সমল, যাক কৰ্তাৰ (বা নীৰিক্ষকৰ) এনে যেন লাগে যে বিচাৰ্য্য আচৰণৰ বাবে **যথোপযুক্ত কাৰণ আছে**। এইবোৰ সামাজিক ক্ৰিয়াৰ কাৰণ বা উদ্দেশ্য হিচাপে কাম কৰে, আন অৰ্থত এইবোৰ সামাজিক ক্ৰিয়াক পৰিচালনা কৰা কাৰণ বা উদ্দেশ্য।
- গতিকে সমাজতাত্ত্বিক বিশ্লেষণ **সামাজিক ক্ৰিয়াৰ ব্যক্তিনিষ্ঠ** অৰ্থৰ উদঘাটন আৰু বিশ্লেষণৰ সৈতে জড়িত হোৱাটো আৱশ্যক। ইয়াকেই ৰেবাৰে "ক্ৰিয়াৰ ব্যক্তিনিষ্ঠ উপলব্ধি" বুলি বৰ্ণাইছে। তেওঁ ইয়াক Verstehen অৰ্থাৎ অৰ্থৰ উপলব্ধিকৰণ বুলি অভিহিত কৰিছে। ইয়েই তেখেতৰ পদ্ধতিগত অভিধাৰণাৰ মূল। ইয়াত গৱেষকে কৰ্তাৰ দৃষ্টিকোণৰ পৰা 'অৰ্থক' উপলব্ধি কৰিব লাগিব (এই পদ্ধতিক emic বিচাৰ পদ্ধতি বুলি কোৱা হয়)

ৰেবাৰক ব্যাখ্যামূলক সমাজতত্ত্বৰ প্ৰতিষ্ঠাতা হিচাপে দাবী জনোৱা হয়। সমাজতত্ত্ব বিশ্লেষণৰ অঙ্গ হিচাপে সামাজিক ক্ৰিয়াৰ ব্যক্তিনিষ্ঠ উপলব্ধিৰ ধাৰণাটো ৰেবাৰৰ নিজস্ব উদ্ভাৱন। ই সমাজতাত্ত্বিকসকলক বিষয়বস্তুৰ পৰিসৰ নিৰ্ণয় কৰাত আৰু সমাজ-বিজ্ঞানৰ সমূহ বিশেষ শাখা-প্ৰশাখাৰ বিভাগ এই দুয়োটা ক্ষেত্ৰত অৰিহণা আগবঢ়াইছে।



জানি থোৱা ভাল

ৰেবাৰৰ মতে 'অৰ্থ' শব্দটোৱে কোনো এজন নিৰ্দিষ্ট কৰ্তাৰ এটা নিৰ্দিষ্ট ক্ৰিয়াৰ 'প্ৰচলিত অৰ্থ'অথবা বিভিন্নজনৰ ক্ৰিয়াৰ এটা উমৈহতীয়া অৰ্থ অথবা হয়তো কোনো নিৰ্দিষ্ট ধৰণৰ ক্ৰিয়াৰ কৰ্তা বা কাল্পনিক কৰ্তাৰ তাত্ত্বিকভাৱে ধাৰণা কৰা এক শুদ্ধ ব্যক্তিনিষ্ঠ অৰ্থক বুজায়।

১১.৪ প্ৰাকৃতিক বিজ্ঞান আৰু সামাজিক বিজ্ঞান

ৰেবাৰে সামাজিক ক্ৰিয়াৰ ব্যক্তিনিষ্ঠ উপলব্ধিত গুৰুত্ব আৰোপ কৰিছে। সমাজতত্ত্বৰ ইয়েই কেন্দ্ৰীয়বিষয় হোৱা বাবে ইসমাজতত্ত্বক বিজ্ঞানসন্মতভাৱে আগবাঢ়ি যোৱাত সহায় কৰিব।

সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ ব্যাখ্যা আগবঢ়াওঁতেও বস্তুনিষ্ঠতা (অর্থাৎ গৱেষণাকাৰীৰ পক্ষপাতিত্ব-মূলক আৰু নিজস্ব দৃষ্টিভঙ্গী প্রয়োগ নকৰাকৈ তথ্য সংগ্রহ আৰু ব্যাখ্যাকাৰী গুণ আহৰণ কৰিব পাৰি।

ৱেবাৰে প্রাকৃতিক বিজ্ঞান আৰু সমাজবিজ্ঞানৰ ওপৰত তুলনামূলক অধ্যয়ন কৰি এই দুয়োবিধৰ মাজত থকা কিছুমান সাদৃশ্য আৰু পার্থক্য উল্লেখ কৰিছে।



জানি থোৱা ভাল

তেওঁ দেখুৱাইছিল যে সমাজবিজ্ঞানে অধ্যয়ন কৰা বিষয়বস্তু সমূহ প্রাকৃতিক বা ভৌতিক বিজ্ঞানে অধ্যয়ন কৰা বিষয় বস্তুসমূহৰ দৰে নহয়, ৰৰং এইবোৰ চিন্তন, প্রতিফলন আদিৰ সৈতে জড়িত। গতিকে সমাজবিজ্ঞানত আমি কোনো এজন ব্যক্তিয়ে কিয় চিন্তা কৰে আৰু এটা নির্দিষ্ট ধৰণে আচৰণ কৰে সেই সম্পর্কে অধ্যয়ন কৰোঁ। ই প্রাকৃতিক বিজ্ঞানৰ ওলোটা। প্রাকৃতিক বিজ্ঞানত একোটা অনু বা পৰমাণুৰে কিয় চিন্তা কৰে বা এটা নির্দিষ্ট ধৰণে আচৰণ কৰে সেই সম্পর্কে অধ্যয়ন কৰা নহয়।

- **পার্থক্য ঃ** সমাজ বিজ্ঞান আৰু প্রাকৃতিক বিজ্ঞানৰ মাজৰ মূল পার্থক্য হ'ল ইয়াৰ উপাদানৰ মাজত থকা ভিন্নতা। প্রাকৃতিক বিজ্ঞান কোনো এক ঘটনাৰ বাহ্যিক বিষয়বস্তুৰ সৈতে জড়িত হৈ থাকে। আনহাতে, সমাজ বিজ্ঞানত ব্যক্তিজনৰ উদ্দেশ্য আৰু আভ্যন্তৰীণ অর্থৰ ভিত্তিত ক্রিয়াৰ বাখ্যা তথা প্রকাশ কৰা হয়। সামাজিক ক্রিয়াসমূহ বস্তুগতভাৱেও দেখুৱাব পাৰি (ডুর্খেমৰ মত অনুযায়ী) কিন্তু ইয়াৰ বাবেএই ক্রিয়াসমূহৰ ব্যক্তিনিষ্ঠ অর্থ বর্ণনা কৰাটো প্রয়োজন।
- **সাদৃশ্য ঃ** দুয়োবিধ বিজ্ঞানে নিজস্ব বিষয়বস্তু বা ঘটনাৱলীৰ মাজত সার্বজনীনভাৱে বৈধ সাধৰণীকৰণ (Universally Valid Generalisation) কৰিব বিচাৰে। সমাজ বিজ্ঞানে মানুহৰ আচৰণৰ বিশেষকৈ কাৰণআৰু ক্রিয়াৰ মাজত ভাবমূলক সাধাৰণীকৰণ। আনহাতে, প্রাকৃতিক বিজ্ঞানে প্রাকৃতিক ঘটনাৱলীৰ মাজত ভাবমূলক নীতিৰ সন্ধানত থাকে।
- দুয়োবিধ বিজ্ঞানৰ পদ্ধতি আৰু কার্য্যপ্রণালীৰ মাজতো কোনো মূল প্রভেদ দেখা নাযায়।
- দুয়োবিধ বিষয়েই ঘটনাৱলীৰ বস্তুনিষ্ঠ বিশ্লেষণৰ সৈতে জড়িত।



জানি থোৱা ভাল

ৱেবাৰৰ মতে অনুসন্ধানকাৰীয়ে পৰীক্ষণৰ বাবে বাচি উলিওৱা সমস্যাটো মূল্যবোধ সম্পন্ন। ইয়াত কোনো ধৰণৰ বৈজ্ঞানিক উপাদান নাথাকে। প্রত্যেক ব্যক্তিয়ে স্বকীয়ভাৱে আগবাঢ়ি গৈ নিজৰ মূল্যবোধৰ ভিত্তিত এটা বিষয়ক উপযুক্ত বুলি বাচি লয় আৰু ইয়াকে ৱেবাৰে Wertbeziehung অর্থাৎ মূল্যতা সম্পর্কীয়

(Value Relevance) বুলি উল্লেখ কৰিছে। আমি আগতেই উল্লেখ কৰি আহিছোঁ যে এইটো সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ ব্যাখ্যা তথা সমাজতাত্ত্বিক বিশ্লেষণৰ মূল বিষয়।

মূল্যতা বা মূল্যবোধ সম্পৰ্কীয় ক্রিয়া নিৰপেক্ষ মূল্যবোধ (বিজ্ঞানৰ প্রমাণঙ্ক)ৰ পৰা পৃথক। কোনো এজন ব্যক্তিয়ে নিজৰ ইচ্ছা অনুযায়ী বিষয়বস্তু নির্বাচন কৰিলে ইয়াৰ বস্তুগত ব্যাখ্যা নাশ হৈ নাযায় আৰু এই ব্যাখ্যা তথা অনুৰূপ উক্তিৰ সত্যা-সত্য মূল্যহীন বিশ্লেষণৰ ওপৰত নির্ভৰ কৰে। নিৰপেক্ষ মূল্যবোধত কোনো এজন সমাজ বিজ্ঞানীয়ে মূল্যভিত্তিক বিষয় বাচি লোৱাৰ সময়ত তাত তেওঁৰ নিজস্ব অথবা আন ব্যক্তিৰ মূল্যতা থকাৰ লগতে এজন বিজ্ঞানী হিচাপে বিজ্ঞানৰ নীতিসমূহো অনুকৰণ কৰিব লাগিব।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত উল্লেখ কৰা সমূহ সত্য নে অসত্য—

ক) প্রাকৃতিক বিজ্ঞান আৰু সমাজ বিজ্ঞান অধ্যয়নৰ উপাদান বা বিষয়বস্তুসমূহ একে।

খ) প্রত্যেক বিধ ক্রিয়াক সামাজিক ক্রিয়া বুলিব পাৰি।

গ) ৱেবাৰে উল্লেখ কৰা চাৰি প্রকাৰৰ ক্রিয়া প্রকৃততে "আদর্শ নমুনা"।

ঘ) ৱেবাৰৰ মতে আধুনিক সমাজত ক্রিয়া আৰু আচৰণসমূহৰ ওপৰত যুক্তিসঙ্গত মূল্যবোধে (Wertrational) প্রভাৱ বিস্তাৰ কৰে।

১১.৫ সমাজতত্ত্ব অধ্যয়ণৰ পদ্ধতি

ৱেবাৰৰ মতে মানৱ আচৰণৰ ব্যক্তিনিষ্ঠ গুণসমূহ জানিব পৰাটো একোজন বিজ্ঞানীৰ মানৱ ক্রিয়াৰ কাৰণগত অর্থ ব্যাখ্যা কৰিব পৰা ক্ষমতাৰ ওপৰত নির্ভৰশীল। এটা শুদ্ধ ব্যাখ্যালৈ আগবাঢ়িব পাৰি যেতিয়া প্রকাশ্য ক্রিয়া আৰু অভিপ্রায় দুয়োটাই শুদ্ধভাৱে অনুমান কৰিব পাৰি আৰু একে সময়তে দুয়োটাৰে সম্বন্ধ অর্থপূর্ণ ভাৱে বুজিব পাৰি। এজন গবেষকে সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ অর্থ বিস্তৃত তথা শুদ্ধভাৱে ব্যাখ্যা কৰিবলৈ ৱেবাৰে নিম্ন উল্লেখিত পদ্ধতি তথা ধাৰণাসমূহ আগবঢ়াইছে।

- **সহানুভূতিশীল আত্মদর্শন (Sympathetic Introspection) ঃ** সহানুভূতিশীল আত্মদর্শন সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ বিশ্লেষণৰ মূল পদ্ধতি। "কোনো ঘটনাৱলীৰ সৈতে ব্যক্তিজনে নিজকে উক্ত স্থানত কল্পনা কৰি লৈ নিজস্ব অভিজ্ঞতাৰে সহানুভূতিশীল ভাৱে অংশ গ্রহণ কৰিলে ঘটনাৱলীৰ অর্থসম্বন্ধে শুদ্ধ বাখ্যা কৰিব পাৰে"।
- **সামাজিক সম্বন্ধ (Social Relationship) ঃ** মানুহৰ সামাজিক সম্বন্ধসমূহ ইচ্ছাপূর্বক, অর্থপূর্ণ আৰু প্রতিৰূপক বিধৰ। ৱেবাৰৰ মতে এই ধৰণৰ সম্বন্ধ সমাজত ছয়বিধ আছে আৰু এইবোৰক তেওঁ "সামাজিক ক্রিয়াৰ সৃষ্টিমূলক প্রকাৰ" বুলি কৈছে। লার্চনে আকৌ

এই ছয় প্রকাৰ সম্বন্ধক বিস্তৃতভাৱে চিহ্নিত কৰিছে আৰু সেই কেইবিধ হ'ল— আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, যুক্তিসঙ্গত সৃষ্টি, ফেশ্যন দেশাচাৰ আৰু আইন প্রণালী।

- **প্রকাৰবাদী বিশ্লেষণ (Typological Analysis) ঃ**
  - **আদর্শ নমুনা ঃ** গৱেষণাকাৰীৰ বাবে আদর্শ নমুনা পদ্ধতি সামাজিক ক্রিয়া বিশ্লেষণৰ কাৰণে উপযুক্ত পদ্ধতি। আদর্শ নমুনাসমূহ তাত্ত্বিক আৰ্হি। এইবোৰ অনুমান কৰি লোৱা ধৰণ। যদি আমি কল্পনা কৰি লওঁ যে ব্যক্তিসমূহ যুক্তি তথা এক চৰম অন্তর্দ্বন্দ্বৰ দ্বাৰা পৰিচালিত হয় আৰু কোনো আৱেগ অনুভূতিয়ে ইয়াৰ ওপৰত প্রভাৱ পেলাব নোৱাৰে তেন্তে ইয়াৰ অন্তর্গত ক্রিয়াৰ ভাৱার্থ ধাৰণাই আদর্শ নমুনাৰ ৰূপ লব। এনে পৰিস্থিতিত ব্যক্তি তথা দলৰ প্রকৃত আচৰণক আদর্শ নমুনা আচৰণৰ পৰা আতৰত ৰাখি অধ্যয়ন কৰিব লাগিব।
  - **ঐতিহাসিক কাৰণৰ সমাজতাত্ত্বিক কাৰণ ঃ** ঐতিহাসিক 'কাৰণে', এক অতুলনীয় পৰিৱেশৰ অৱতাৰণা কৰি এটা ঘটনাৰ উদ্ভাৱনত সহায় কৰি দিয়ে। উদাহৰণ স্বৰূপে প্রথম বিশ্বযুদ্ধৰ কাৰণসমূহ। আনহাতে, সামাজিক কাৰণসমূহে এখন যুদ্ধ বা বিপ্লৱৰ উদগীৰণৰ বাবে কিছুমান উপাদানৰ সন্ধানত থাকে আৰু ইয়াত ঘটনাৱলীৰ মাজত এক দৈনন্দিন সম্বন্ধ থকা বুলি ধৰি লোৱা হয়।
  - **তুলনামূলক পদ্ধতি ঃ** ব্যক্তি আৰু সমূহ দুয়োবিধৰ মাজত মানৰ আচৰণ আৰু অভিপ্রায়ৰ মাজৰ কাৰণ সম্পর্কে সাধাৰণীকৰণত উপনীত হ'বৰ বাবে ৱেবাৰে এক তুলনামূলক পদ্ধতিৰ পোষকতা কৰিছিল। এই পদ্ধতিৰ জৰিয়তে মানৰ ক্রিয়াৰ বিভিন্ন ধৰণৰ উদাহৰণৰ মাজত তুলনা কৰাৰ জৰিয়তে আচৰণৰ কাৰণ আৰু ব্যক্তিনিষ্ঠ অর্থৰ বাখ্যা কৰিব পাৰি।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ ঃ তলত উল্লেখ কৰা সমূহ সত্য নে অসত্য—

ক) সহানুভূতিশীল আত্মদর্শন মানে ক্রিয়াৰ অর্থ সম্বন্ধে কর্তা বা ব্যক্তিজনৰ স্বকীয় দৃষ্টিভঙ্গী।

খ) ব্যক্তিৰ প্রকৃত আচৰণক আদর্শ নমুনাৰ সৈতে তুলনা কৰিলেই গৱেষণাকাৰীয়ে উক্ত আচৰণ বিশ্লেষণ কৰিব পাৰে।

প্রশ্ন নং ৩ ঃ ৱেবাৰ আগবঢ়োৱা ঐতিহাসিক আৰু সমাজতাত্ত্বিক কাৰণৰ মাজৰ মূল পার্থক্য উল্লেখ কৰক?

.....

.....

১১.৬ ৱেবাৰৰ অৱদানসমূহৰ সমালোচনাত্মক সমীক্ষা

এই পাঠগোটটোত আমি ৱেবাৰৰ অৱদানসমূহৰ ওপৰত সমালোচনাত্মক আলোচনা কৰিম।

- ৱেবাৰক ব্যাখ্যামূলক সমাজতত্ত্বৰ প্রতিষ্ঠাতা বুলি কোৱা হয়। ৱেবাৰেইপোনপ্রথমে মানুহৰ ক্রিয়া বা আচৰণ অধ্যয়নৰ তত্ত্বমূলক দিশৰ উত্থাপন কৰিছিল আৰু এই ক্রিয়াৰ উদ্দেশ্য বা লক্ষ্যৰ অধ্যয়নৰ প্রতিও গুৰুত্ব প্রদান কৰিছিল। আনহাতে, সমাজতাত্ত্বিক দুৰখেইমে সামাজিক ঘটনাৱলীৰ বস্তুমূলক, বাহ্যিক তথা আলৌকিক উপাদানসমূহ আৰু ব্যক্তিৰ ওপৰত ইয়াৰ প্রভাৱ সম্পর্কে অধ্যয়ন কৰিছিল। সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ দিশ তথা সমাজ পদ্ধতিত ব্যক্তিসমূহৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। দুৰখেইম আৰু ৱেবাৰ এই দুয়ো গৰাকীয়ে সামাজিক ক্রিয়াৰ ওপৰত আগবঢ়োৱা বিশ্লেষণক এটা আনটোৰ পৰিপূৰক বুলি গণ্য কৰা হয়।
- ৱেবাৰে দুৰখেইমৰ বিচাৰ পদ্ধতি তথা তেওঁৰ তত্ত্বমূলক দিশক আওকান কৰা নাছিল বৰং তেওঁ কৈছিল যে সামাজিক আচৰণৰ বিভিন্ন দিশৰ ভিতৰত তেওঁ ব্যাখ্যা কৰাটোও এটা আৰু মানৱ আচৰণৰ অধ্যয়নৰ বিভিন্ন প্রকাৰৰ এটা।
- ৱেবাৰে ব্যক্তি আচৰণৰ কর্তা বা ব্যক্তিজনৰ দৃষ্টিভঙ্গীৰ দিশেৰে বুজাত গুৰুত্ব দিছিল। এই দিশটোক Emic বুলি কোৱা হয় আৰু সামাজিক আচৰণ তথা পৰিৱর্তনৰ আঁচনি প্রস্তুতকৰণৰ বাবে ই অতি আৱশ্যকীয়।
- সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ দিশ বিশ্লেষণৰ কাৰণে ৱেবাৰে কিছুমান পদ্ধতি উল্লেখ কৰিছে। তেওঁ ইয়াৰ সহায়ত সমাজ জগতখনক প্রকাশ কৰিছিল। সামাজিক ক্রিয়া সম্পর্কে জানিবলৈ সামাজিক আচৰণৰ আর্হি প্রস্তুত কৰিছিল। তেওঁ বিভিন্ন প্রকাৰৰ সামাজিক ক্রিয়াৰ উল্লেখ কৰিছে আৰু ইয়াৰ সহায়ত গৱেষণাকাৰীয়ে ক্রিয়াৰ উদ্দেশ্য বা লক্ষ্য চিহ্নিত কৰিব পাৰিব।
- ৱেবাৰে সমাজতত্ত্ব আৰু প্রাকৃতিক বিজ্ঞানৰ মাজত মূল পার্থক্যৰ উল্লেখ কৰিছে। তেওঁ কৈছে যে প্রাকৃতিক বিজ্ঞান প্রাকৃতিক ঘটনাৱলী অর্থাৎ কেৱল বাহ্যিক ক্ষেত্রৰ সৈতে জড়িত হৈ থাকে। আনহাতে সমাজতত্ত্বই ইয়াৰ বিষয়বস্তুৰ (সামাজিক ক্রিয়া) আভ্যন্তৰীণ দিশ অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়ে। তথাপি ৱেবাৰে কৈছে যে কেৱল ইয়াৰ ওপৰত ভিত্তি কৰি সমাজতত্ত্বক আন বিজ্ঞানসমূহৰ পৰা বাহিৰ কৰিব নোৱাৰি। সমাজতত্ত্ব বিষয়টো আনবিজ্ঞানৰ দৰে ইয়াৰ ব্যক্তিমূলক দিশৰ সহায়ত অধ্যয়ন কৰিব পাৰি। তেওঁ উচিত মূল্যবোধ আৰু নিৰপেক্ষ মূল্যবোধৰ মাজৰ পার্থক্যও দাঙি ধৰিছে আৰু এইদৰে সমাজতত্ত্বক বিজ্ঞানত উপনীত কৰিছে।

ইমাইল দুৰখেইমৰ দৰে মেক্স ৱেবাৰকো আধুনিক সমাজতত্ত্বৰ এজন মুখ্য প্রতিষ্ঠাতা হিচাপে গণ্য কৰা হয়।



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজতত্ত্ব বিষয়টো সামাজিক ক্ৰিয়া অধ্যয়নৰ সৈতে জড়িত। এই ক্ৰিয়াসমূহ আনৰ উদ্দেশ্যে কৰা হয়।
- উক্ত সামাজিক ক্ৰিয়াসমূহ ব্যক্তিনিষ্ঠ অৰ্থৰ আধাৰত জানিব পাৰি। এইবোৰ যিহেতু ব্যক্তিনিষ্ঠ সেয়েহে এইবোৰ ব্যক্তিজনৰ দৃষ্টিভঙ্গীৰ সহায়তহে কেৱল বুজিব পাৰি।
- সামাজিক ক্ৰিয়াবোৰ লক্ষ্য থকা আৰু লক্ষ্যত উপনীত হ'বৰ বাবে কৰা যুক্তিসঙ্গত আচৰণ।
- সামাজিক ক্ৰিয়াক মূলতে চাৰিটা ভাগত ভগাব পাৰি আৰু এই ক্ৰিয়াৰ ফলাফল বা অন্তৰ প্ৰকৃতি তথা লক্ষ্যৰ ওপৰত নিৰ্ভৰশীল। এই চাৰি প্ৰকাৰৰ ক্ৰিয়া হ'ল— স্নেহমূলক বা গুণগত, পৰম্পৰাগত, মূল্যবোধক আৰু যুক্তিমূলক ক্ৰিয়া।
- ৱেবাৰে সামাজিক ক্ৰিয়াৰ ব্যক্তিনিষ্ঠ অৰ্থ বিশ্লেষণৰ কাৰণে কিছুমান পদ্ধতি আগবঢ়াইছে আৰু ইয়াৰ সহায়ত সামাজিক ক্ৰিয়াৰ সাধাৰণীকৰণ কৰিব পাৰি।



১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Abraham, Francis and Morgan, J. H. (1985); *Sociological Thought*; Delhi: Macmillan India Ltd.
2) Coser, Lewis A. (2004); *Masters of Sociological Thought*; Delhi, Jaipur: Rawat.
3) Hussain, Maquital; *A Prologue to Five Sociologists*; Dibrugarh: T.L.B. Publication.



১১.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) অসত্য, খ) অসত্য, গ) সত্য, ঘ) অসত্য

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) সত্য, খ) সত্য

৩নং প্ৰশ্নৰ উত্তৰ ঃ ঐতিহাসিক কাৰণে কোনো এক নিৰ্দিষ্ট ঘটনা আৰু ইয়াৰ কাৰণ ব্যাখ্যা কৰে। আনহাতে, সমাজতাত্ত্বিক কাৰণে দুটা সাধাৰণ পৰিঘটনাৰ মাজৰ নিয়মীয়া সম্পৰ্ক ব্যাখ্যা কৰে।



১১.১০ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ সামাজিক ক্রিয়া কি? ইয়াৰ বিভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন ২ ঃ পৰম্পৰাগত ক্রিয়া আৰু যুক্তিসঙ্গত ক্রিয়াৰ মাজৰ পার্থক্য উল্লেখ কৰক।

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ৰেবাৰৰ সামাজিক ক্রিয়াতত্ত্বটো আলোচনা কৰক।

প্রশ্ন ২ ঃ সামাজিক ক্রিয়াৰ ব্যক্তিমূলক অর্থৰ বিশ্লেষণৰ বাবে প্রয়োজনীয় পদ্ধতিসমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ সমাজতত্ত্বলৈ ৰেবাৰৰ অৱদান সম্পর্কে সমালোচনাত্মক আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১২ ঃ মেক্স ৱেবাৰ ঃ আদর্শ নমুনা, কর্তৃত্ব আৰু আমোলাতন্ত্র

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ আদর্শ নমুনা (Ideal Type)

১২.৩.১ সংজ্ঞা

১২.৩.২ বৈশিষ্ট্য

১২.৩.৩ আদর্শ নমুনা আৰু সাধাৰণ বোধৰ মাজত পার্থক্য

১২.৩.৪ আদর্শ নমুনাৰ ব্যৱহাৰ

১২.৩.৫ আদর্শ নমুনাৰ গঠনৰ পদ্ধতি

১২.৩.৬ প্রকাৰ

১২.৪ কর্তৃত্ব

১২.৫ আমোলাতন্ত্র

১২.৫.১ বৈশিষ্ট্য

১২.৫.২ সুবিধা

১২.৫.৩ অসুবিধা

১২.৬ ৱেবাৰৰ অৱদানৰ সমালোচনাত্মক মূল্যাঙ্কন

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্রগতিৰ খতিয়ান

১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজতত্ত্বৰ ক্ষেত্রখনলৈ মেক্স ৱেবাৰৰ উল্লেখযোগ্য অৱদানসমূহৰ বিষয়ে জানিব পাৰিব
- 'আদর্শ নমুনা'ৰ অৱধাৰণা আৰু ইয়াৰ গুৰুত্ব সম্পর্কে আলোচনা কৰিব পাৰিব
- কর্তৃত্ব আৰু ইয়াৰ তিনিটা প্রকাৰৰ সংজ্ঞা বিষয়ে জানিব পাৰিব
- আমোলাতন্ত্র ধাৰণাটোৰ সমালোচনাত্মক আলোচনা কৰিব পাৰিব
- সমাজতত্ত্বলৈ ৱেবাৰৰ অৱদানৰ বিষয়ে সমালোচনাত্মক চমু বিৱৰণ জানিব পাৰিব।

১২.২ পৰিচয়

সামাজিক বিজ্ঞানসমূহে যেতিয়া এক বৌদ্ধিক পৰিৱেশত প্রাকৃতিক বিজ্ঞানৰ উদ্দেশ্যৰ দৰেই বিকাশ লাভ কৰিবলৈ প্রয়াস কৰিছিল, মেক্সৱেবাৰে সেই সময়তেই নিপুনতা (Verstehen) অৱধাৰণা প্রয়োগৰ যোগেদি সমাজতত্ত্বক এক বিশেষ মর্য্যাদা প্রদান কৰিছিল। তেওঁ মত পোষণ কৰিছিল যে প্রাকৃতিক বিজ্ঞানৰ অধ্যয়নৰ উদ্দেশ্য আৰু বিষয়ৰ দৰেই সামাজিক বিজ্ঞানসমূহো ভাৱনা আৰু চিন্তনৰ লগত জড়িত। সেইবাবে সামাজিক বিজ্ঞানত কোনো সামাজিক ঘটনাই কিয় বিশেষ ধৰণে আচৰণ কৰে সেই সম্পর্কে অধ্যয়ন কৰা উচিত। এই বিষয়টো প্রাকৃতিক বিজ্ঞানৰ লগত বিপৰীত ধৰণৰ হয়; উদাহৰণ স্বৰূপে, প্রাকৃতিক বিজ্ঞানত এটা 'পৰামাণু' বা ' অণু'ৰ চিন্তাৰ লগত ই কৰা বিশেষ আচৰণ সম্পর্কে জনাৰ আৱশ্যকতা নাথাকে। আমি ইতিমধ্যে এই বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়ত আমি সমাজতত্ত্বলৈ ৱেবাৰৰ অৱদান আৰু তেওঁ ব্যাখ্যা কৰা বিভিন্ন আদর্শ নমুনা আৰু এই সমূহৰ মাজৰ সম্পর্কৰ বিষয়ে আলোচনা আগবঢ়াই নিম। এই অধ্যায়টোত আমি বিশেষভাৱে আদর্শ নমুনাৰ অৱধাৰণা, কর্তৃত্ব আৰু আমোলাতন্ত্র সম্পর্কে আলোচনা কৰিম।

১২.৩ আদর্শ নমুনা (Ideal Type)

১২.৩.১ সংজ্ঞা

আদর্শ নমুনা হ'ল এক বিশ্লেষণাত্মক ধাৰণা, যি কোনো অনুসন্ধানকাৰীক কোনো বাস্তৱিক ঘটনাৰ সাদৃশ্যৰ লগতে বিচ্যুতিৰ পৰিমাপ কৰাত সহায় কৰে।ই কোনো ধৰণৰ পৰিসংখ্যামূলক গড় নাইবা প্রকল্প (Hypothesis) নহয়, বৰং ই এক মানসিক ধাৰণাহে।



জানি থোৱা ভাল

মূর্ত অর্থনৈতিক সিদ্ধান্তৰ ব্যাখ্যাত এক সমন্বয়াত্মক অনুমান জড়িত হৈ থাকে, যাক ঐতিহাসিক ঘটনাৰ বিষয়ে কৰা 'ধাৰণা' বুলি আখ্যা দিয়া হয়। যেতিয়া আমি মুক্ত বজাৰ অর্থনীতিৰ নক্সা প্রস্তুত কৰোঁ, তেতিয়া আমি সমাজব্যৱস্থাৰ অধীনৰ বিনিময় অর্থনীতি, মুক্ত প্রতিযোগিতা আৰু যুক্তিপূর্ণ আচৰণৰ নীতিৰ ওপৰত ভিত্তি কৰি এক আদর্শ নক্সা তৈয়াৰ কৰি লওঁ। যেতিয়া চাহিদা আৰু যোগানে যুক্তিপূর্ণভাৱে কার্য্য সম্পাদন কৰে আৰু এই সম্পাদনত কোনো বাহ্যিক আৰু অ-যুক্তিগত শক্তিয়ে ক্রিয়া নকৰে, তেতিয়া তাক মুক্ত প্রতিযোগিতা বুলি কোৱা হয়। প্রকৃত ক্ষেত্রত, বিনিময় ব্যৱস্থাত অ-যুক্তিগত আৰু আন কিছুমান শক্তিয়ে কার্য্য সম্পাদন কৰা আমি দেখা পাওঁ। মুক্ত বজাৰ অর্থনীতি হ'ল এক 'আদর্শ নমুনা' আৰু ই আমাক প্রকৃত অৱস্থাৰ লগত এই আদর্শ বা ধাৰণাক তুলনা কৰিবলৈ সমর্থ কৰে।

১২.৩.২ বৈশিষ্ট্য

- আদর্শ নমুনা হৈছে স্পষ্টভাৱে গঠিত সামাজিক সম্বন্ধৰ এক আদর্শ আর্হি য'ত নিপুণতা আৰু কার্য্যকৰণৰ সম্বন্ধ দেখা যায়।
- সেই ধৰণৰ আর্হিৰ বাহিৰাকৃতিত সাধাৰণতে থকা বুলি ভবা কাৰক সমূহৰ ই বর্ণনা নহয়। ই এটা সাধাৰণ পৰিস্থিতিও নহয়।
- নৈতিক ক্ষেত্রত ব্যৱহৃত হোৱা ভাল বেয়াৰ অর্থত ই আদর্শ নহয়।
- ধাৰণাত্মক আৰু যুক্তিসিদ্ধ আদর্শ হোৱাৰ পৰিপ্রেক্ষিততহে ই আদর্শমূলক আৰু যুক্তিপূর্ণ উদ্দেশ্য সাধন আৰু উপায়ৰ ক্রিয়াকলাপৰ ক্ষেত্রত এক শুদ্ধ যুক্তিযুক্ততা প্রদর্শন কৰিব পৰাটো ইয়াৰ এটা গুণ।

এইদৰে আদর্শ নমুনাসমূহ সামাজিক অৱস্থানৰ এক বিশদ বিৱৰণ নহয়। ই কেৱল কোনো ঘটনাৰ বৈশিষ্ট্যমূলক, আৱশ্যকীয় আৰু দৃষ্টান্তমূলক বৈশিষ্ট্য, যি যুক্তিযুক্ত ভাৱে গঠিত আৰু ই সর্বমুঠ সত্যতাক প্রকাশ নকৰে।

১২.৩.৩ আদর্শ নমুনা আৰু সাধাৰণ বোধ (Common Sense)ৰ মাজত পার্থক্য

আদর্শ নমুনাৰ চৰিত্র বিশ্লেষণ আৰু সামাজিক জীৱনত ইয়াৰ প্রয়োগ সম্পর্কে অধিক স্পষ্টভাৱে বুজি উঠিবলৈ ৱেবাৰে ইয়াক আমাৰ সাধাৰণ বোধগম্যতাৰ লগত তুলনা কৰিছে। তেখেতে চাৰিওপাশৰ পৃথিৱীখনৰ প্রতিটো দিশ বুজি পাবলৈ কৰা আমাৰ প্রতিটো প্রয়াসৰ ক্ষেত্রত আদর্শ নমুনাৰ প্রয়োগিক দিশৰ ওপৰত গুৰুত্ব দিছে। তেখেতে দেখুৱাইছে যে সর্বসাধাৰণে ঘৰুৱা আলোচনাত প্রায়েই তেওঁলোকৰ "আদর্শ নমুনা" ব্যৱহাৰ কৰে। উদাহৰণ স্বৰূপে, আমি যেতিয়া গণতন্ত্র, কমিউনিজিম, পাকিস্থানী বা আইৰিচ্ ইত্যাদি পৰিঘটনাসমূহৰ ধাৰণা দিব বিচাৰো তেতিয়া আমি এই পৰিঘটনা বা ধাৰণাবোৰৰ কেৱল মাত্র কিছুমান স্পষ্ট হৈ থকা দিশহে বিবেচনাৰ বাবে গ্রহণ কৰোঁ। আমি এনে কিছুমান ধর্ম বা গুণ বাচি লওঁ যিবোৰৰ সাংস্কৃতিক গুৰুত্ব থাকে আৰু যাক আমি বৈশিষ্ট্যপূর্ণ বুলি ভাবো। গতিকে আমাৰ সাধাৰণ জীৱনত আমাৰ চাৰিওফালৰ পৰিঘটনাসমূহ বুজি পাবলৈ আমি অজানিতেই একো একোটা মডেল বা আর্হি ব্যৱহাৰ কৰো। লগতে, আমি যেতিয়া বৈশিষ্ট্যসমূহ বাচি লওঁ, আমি বেছিভাগ ক্ষেত্রতেই এটা অবিজ্ঞান সন্মত বা অবৈজ্ঞানিক প্রক্রিয়া গ্রহণ কৰো। ৱেবাৰে এই দিশটোৰ কথা আঙুলয়াইছিল আৰু এইটোও গুৰুত্ব দি কৈছিল যে আদর্শ নমুনাসমূহ আৰু অধিক স্পষ্ট হোৱাটো বাঞ্ছনীয়। সেয়েহে এই ক্ষেত্রত পদ্ধতি আৰু কার্য্যপ্রণালী বিজ্ঞানসন্মত হোৱা বাঞ্ছনীয় যাতে আমাৰ চাৰিওফালে পৃথিৱী, বিশেষকৈ সামাজিক পৃথিৱীখন সম্পর্কে আমাৰ জ্ঞান বৈজ্ঞানিক তথা প্রণালীবদ্ধ হোৱাত সহায় হয়। এই উদ্দেশ্য লৈয়েই ৱেবাৰে আদর্শ নমুনাৰ ধাৰণাৰ সৃষ্টি কৰিছিল যাতে ইয়াৰ জৰিয়তে সামাজিক বিশ্বখন সম্যকভাৱে

বুজি উঠিব পাৰি আৰু সামাজিক পৰিঘটনাৰ নতুন নতুন দিশ লগতে সিবিলাকৰ অন্তর্নিহিত হৈ থকা কাৰণসমূহ উদঘাটন কৰিব পৰা যায়।

আদর্শ নমুনাসমূহ দৰাচলতে বিমূর্ত, যুক্তিযুক্ত মডেল বা আর্হি যিবোৰ মানুহৰ সামাজিক কার্য্যকলাপৰ উদ্দেশ্য আৰু মাধ্যমৰ মাজত সামঞ্জস্য ৰক্ষা কৰে। (উদ্দেশ্য বা মাধ্যমসমূহ বস্তুনিষ্ঠতাৰ দৃষ্টিৰে চালে অযুক্তিকৰ যেন লাগে)। আদর্শ নমুনা দৰাচলতে (এনে এটা আদর্শ বা আর্হি যি) কোনো কর্তাই তেওঁৰ আচৰণৰ সৈতে জড়িত যুক্তি যুক্তাৰ চর্ত সাপেক্ষে যদি কোনো ক্রিয়া সম্পূর্ণভাৱে যুক্তিযুক্তাৰে সম্পন্ন কৰিব লাগে তেনে ক্রিয়াৰ আর্হিয়েই হ'ল আদর্শ নমুনা।

১২.৩.৪ আদর্শ নমুনাৰ ব্যৱহাৰ

- বিবেচনাধীন সামাজিক আচৰণ বুজিবলৈ আদর্শ নমুনাই এক আর্হি প্রদর্শন কৰে। প্রকৃত স্বৰূপৰ লগত আদর্শ নমুনাক তুলনা কৰি আদর্শ নমুনাৰ লগত ইয়াৰ কিমান সাদৃশ্য বা বিচ্যুতি আছে তাক বিচাৰি পোৱা যায়।
- আদর্শ নমুনাই সামাজিক পৰিঘটনাৰসমূহৰ কাৰণ উদ্ভাৱন কৰা পৰিঘটনাসমূহৰ মাজৰ সম্বন্ধ নির্ণয় কৰাৰ ভিত্তি আগবঢ়ায়। এবাৰ সামাজিক পৰিঘটনাসমূহৰ সম্পর্কে ধাৰণা কৰি লোৱাৰ পাছত আৰু সেইসমূহৰ বৈশিষ্ট্য নির্ণয় কৰাৰ পাছতহে পৰৱর্তী পর্য্যায়ত সেইসমূহৰ সম্পর্ক নির্ণয়কৰাৰ পর্য্যায়লৈ যাব পাৰি।
- আদর্শ নমুনা হ'ল যুক্তিপূর্ণ আচৰণৰ এক মানসিক গাঁথনি যি বাস্তৱিকতে সদায়েই একেধৰণে উদ্ভৱ নহয়। আদর্শ নমুনাৰ পৰা প্রকৃতস্বৰূপৰ বিচ্যুতিৰ পৰিমাপ উদ্ভাৱন কৰাৰ পাছত গৱেষকে সামাজিক আচৰণত এনে বিচ্যুতিত দুর্ঘটনা, আৱেগ আৰু অন্যান্য উপাদানসমূহ অযুক্তিকৰভাৱে সোমাই পৰি কি ধৰণৰ ভূমিকা গ্রহণ কৰিছে সেয়া প্রমাণ কৰিব পাৰে ।
- ই আনকি এনে বিচ্যুতিৰ কাৰণ অনুসন্ধানত গবেষকক এক নতুন দিশলৈও লৈ যাব পাৰে। সামাজিক পৰিঘটনাসমূহৰ মাজৰ সম্বন্ধ উদঘাটনৰ বাবে নতুন প্রমেয় গঠন কৰিব লগা হ'ব পাৰে আৰু সামাজিক ক্রিয়াসমূহৰ ব্যাখ্যাৰ বাবে নতুন ধাৰণাৰো সৃষ্টি কৰিব পৰা হ'ব পাৰে।

১২.৩.৫ আদর্শ নমুনাৰ গঠনৰ পদ্ধতি

ৱেবাৰে তেখেতৰ আদর্শ নমুনা গঠনত নিম্ন লিখিত পদ্ধতিসমূহ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিছিল।

- তুলনামূলক
- পর্য্যবেক্ষণ
- ঐতিহাসিক পদ্ধতি

১২.৩.৬ প্রকাৰ

বিমূর্তনৰ স্তৰৰ ওপৰত ভিত্তি কৰি ৱেবাৰে মুঠ তিনিপ্রকাৰৰ আদর্শ নমুনাৰ কথা কৈছে।

- **ঐতিহাসিক তথ্য নির্ভৰ ঃ** ই ঐতিহাসিক বাস্তৱৰ কেতবোৰ নির্দিষ্ট পৰিঘটনাৰ কথা উনুকিয়ায়, যেনে— প্রথম মহাসমৰ, ভাৰতৰ স্বাধীনতাৰ যুদ্ধ, ফৰাছী বিপ্লব।
- **কোনো নির্দিষ্ট পৰিঘটনাৰ বিমূর্তক সাধাৰণীকৰণ ঃ** ই ঐতিহাসিক আৰু সাংস্কৃতিক পটভূমিৰ, কেতবোৰ বিমূর্তক উপাদানলৈ নির্দেশ কৰে, যেনে— আমোলাতন্ত্র, কর্তৃত্ব, পুঁজিবাদ, ইত্যাদি। এইক্ষেত্রতে বিপ্লৱ, স্বাধীনতা সংগ্রাম, এই শ্রেণীৰ ভিতৰুৱা হ'ব (দৰাচলতে ই পৰিঘটনাসমূহৰ মাজত নিয়মীয়া সম্বন্ধ বিচৰাৰ সৈতে একেই কথা। ৱেবাৰে ইয়াকে সমাজতাত্ত্বিক দুর্ঘটনা বুলি কৈছে)।
- **কোনো এক বিশেষ ধৰণৰ আচৰণৰ যুক্তিযুক্ত পুনৰ গঠনৰ ওপৰত ভিত্তি কৰি ঃ** ইয়াৰ ভিতৰত অর্থনীতিৰ তত্ত্বৰ আটাইবোৰ প্রতিজ্ঞা অর্ন্তভুক্ত হ'ব। আদর্শ নমুনা সম্পর্কে বিশেষভাৱে আলোচনা কৰাৰ পাছত ৱেবাৰে কেইটামান আদর্শ নমুনা গঠন কৰে, যেনে— পুঁজিবাদ, প্রটেষ্টাণ্টবাদ, কর্তৃত্ব, আমোলাতন্ত্র ইত্যাদি আৰু পুঁজিবাদ আৰু প্রটেষ্টাণ্টবাদৰ মাজত সম্পর্ক আৰু আমোলাতন্ত্রৰ ক্ষতি ইত্যাদিৰ ধাৰণা অনুধাৱন কৰিবলৈ যত্ন কৰে।

এইখিনিতে এইটো মনত ৰাখিব লাগিব যে ৱেবাৰে আদর্শ নমুনা আলোচনাৰ সময়ত যথার্থভাৱে এই কথা দোহাৰিছে যে আদর্শ নমুনাসমূহ কেৱল মাত্র আর্হিহে, সেয়ে এইবোৰে মানুহৰ সমূদায় প্রকৃত আচৰণসমূহ ব্যাখ্যা কৰিব নোৱাৰে।

১২.৪ কর্তৃত্ব

ৱেবাৰে 'অর্থনীতি আৰু সমাজ' (Economy and Society, 1922) শীর্ষক আলোচনাত সামাজিক স্তৰীকৰণৰ ওপৰত ভিত্তি কৰি 'ক্ষমতা' (Power)ক সামাজিক সম্বন্ধৰ এটা মৌলিক অৱধাৰণা বুলি বিশ্লেষণ আগবঢ়াইছে। ৱেবাৰে' 'ক্ষমতা' সর্ম্পকে এনেদৰে সংজ্ঞা দিছে যে ই হৈছে ব্যক্তি বা সমূহৰ এনে সামর্থ, যিটোক আনকি আনে বিৰোধিতা কৰিলেও তেওঁলোকে সাব্যস্ত কৰিব বিচৰা এক ইচ্ছা।

কর্তৃত্ব হৈছে ক্ষমতাৰ এক উপ প্রকাৰ, য'ত ব্যক্তিয়ে ইচ্ছাকৃত ভাৱে ইয়াক পালন কৰে বা পালন কৰিবলৈ নির্দেশ দিয়া হয় কাৰণ তেওঁলোকে ক্ষমতাৰ প্রয়োগ বা প্রভুত্বক যুক্তিসঙ্গত বুলি বিবেচনা কৰে।

ৱেবাৰে তিনি ধৰণৰ যুক্তিসঙ্গত প্রভুত্ব বা কর্তৃত্বৰআদর্শ প্রকাৰক চিনাক্ত কৰিছে। সেয়া হৈছে— পৰম্পৰাগত কর্তৃত্ব, আইনসঙ্গত যুক্তিযুক্ত কর্তৃত্ব আৰু অনন্য প্রতিভা সম্পন্ন কর্তৃত্ব।

- **পৰম্পৰাগত কর্তৃত্ব ঃ** এই ধৰণৰ কর্তৃত্ব পৰম্পৰাগত ভাৱে চলি অহা ধাৰণাৰ ভিত্তিত বর্তি থাকে। এই ক্ষেত্রত নেতা জনে এটা পৰম্পৰাগত বার্তা দিয়ে আৰু পৌৰানিক প্রথা আৰু ৰীতি-নীতি অনুযায়ী কর্তৃত্ব ধাৰণ কৰে। উদাহৰণ স্বৰূপে, দালাই লামাৰ কর্তৃত্ব।
- **আইনসঙ্গত কর্তৃত্ব ঃ** যুক্তিযুক্ত কর্তৃত্ব এনে ধৰণৰ কর্তৃত্ব ৰাজহুৱা নীতি, পদ্ধতিৰ ওপৰত ভিত্তি কৰি লাভ কৰা যায়। আমোলাতন্ত্র হ'ল এনে কর্তৃত্বৰ এটা প্রধান উদাহৰণ।
- **অনন্য প্রতিভা সম্পন্ন কর্তৃত্ব ঃ** অনন্য প্রতিভা সম্পন্ন কর্তৃত্বৰ ক্ষেত্রত সমর্থকসকলে ব্যক্তিজনৰ প্রতিভা বা ব্যক্তিত্বৰ দ্বাৰা প্রভাৱিত হৈ সেই কর্তৃত্ব মানি লয়। এনে কর্তৃত্বই পূর্বৰ পৰম্পৰা ভঙ্গ কৰিব পাৰে, সামাজিক পৰিৱর্তন সাধন কৰে আৰু গণতন্ত্রৰ আমোলাতান্ত্রিক কঠোৰতাৰ বিৰুদ্ধাচৰণ কৰে। উদাহৰণ স্বৰূপে, নেল্‌চন্ মাণ্ডেলা আৰু মহাত্মা গান্ধীয়ে তেওঁলোকৰ প্রতিভাৰ দ্বাৰা সমাজলৈ পৰিৱর্তন আনিছিল। কিন্তু তেনে কর্তৃত্ব সেই প্রতিভাৰ অধিকাৰী ব্যক্তিৰ মৃত্যুৰ পিছত ক্ষণস্থায়ী হয় বা তেনে কর্তৃত্ব আমোলাতান্ত্রিক যুক্তিযুক্ত আইনসঙ্গত কর্তৃত্বৰ লগত সাঙোৰ খাই পৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়াসমূহ শুদ্ধনে অশুদ্ধ বিচাৰ কৰক—

ক) কর্তৃত্ব হ'ল ক্ষমতা প্রয়োগৰ এক যুক্তিসঙ্গত স্বৰূপ।

খ) পৰম্পৰাগত আৰু অনন্য প্রতিভাসম্পন্ন কর্তৃত্ব হ'ল সামাজিক সম্বন্ধৰ স্বৰূপ কিন্তু আইনসঙ্গত-যুক্তিযুক্ত কর্তৃত্ব নহয়।

১২.৫ আমোলাতন্ত্র

১২.৪ শাখাত আমি উল্লেখ কৰিছোঁ যে আমোলাতন্ত্র হ'ল আইনসঙ্গত যুক্তিযুক্ত কর্তৃত্বৰ এক উদাহৰণ। সেইবাবে ই ক্ষমতাৰেই এক উপ-প্রকাৰ বা ভাগ। আমোলাতন্ত্রই এক প্রশাসনীয় পদ্ধতি আৰু প্রশাসনীয় পদ্ধতিৰ বিষয়ববীয়া সকলৰ মণ্ডলীক সূচায়। ৱেবাৰে আমোলাতন্ত্রৰ অধ্যয়নৰ ক্ষেত্রত যথেষ্ট অবদান আগবঢ়াইছিল যদিও 'আমোলাতন্ত্র' শব্দটো তেওঁ উদ্ভাৱন কৰা নাছিল (১৯শতিকাৰ আৰম্ভণিতে এই শব্দটো ফ্রান্সত উদ্ভাৱন হৈছিল)। যুক্তিযুক্ত বা সফল লক্ষ্যত উপনীত হবৰ বাবে তেওঁ আমোলাতন্ত্রক এটা উৎকৃষ্ট প্রশাসনীয় ব্যৱস্থা হিচাপে অভিহিত কৰিছে।

ৱেবাৰে আমোলাতন্ত্রক গণতন্ত্রত মণ্ডলীৰ ওপৰত নেতাসকলৰ প্রভুত্বক ৰক্ষা কৰাৰ একে যুক্তিযুক্ত পদ্ধতিৰ ফল বুলি অভিহিত কৰিছে। এইদৰে আমোলাতন্ত্রই এক যুক্তিযুক্ত-আইনসঙ্গত গঠন প্রক্রিয়াৰ দ্বাৰা বিকাশ লাভ কৰে আৰু অ-ব্যক্তিগত আইনসঙ্গত ক্ষমতা প্রয়োগৰ ওপৰত গুৰুত্ব প্রদান কৰে।

১২.৫.১ বৈশিষ্ট্য

আমোলাতন্ত্রৰ বৈশিষ্ট্যসমূহক এনেদৰে নির্দ্ধাৰণ কৰিব পাৰি—

- কার্য্যালয়ৰ শ্রেণীবদ্ধকৰণ আৰু শ্রেণীক্রম ব্যৱস্থাৰ যোগেদি যোগাযোগ ব্যৱস্থাকৰণ।
- নথি বা ফাইল (File) সংৰক্ষণ আৰু গোপনীয়তা ৰক্ষা।
- কার্য্যালয়ৰ ভিতৰত বিভিন্ন কর্তৃত্বৰ বাবে কর্তৃত্বৰ পৰিসীমা সম্পর্কে স্পষ্ট সংজ্ঞা নিৰূপণ।
- নীতি-নিয়মৰ দ্বাৰা কর্তৃত্বৰ পৰিসৰ আৰু নির্দ্ধাৰিত কর্মৰ সীমা নির্দ্ধাৰণ।
- ব্যক্তিগত কার্য্য পৰা কার্য্যালয়ৰ কার্য্যক পৃথকে ৰখা ।
- প্রশিক্ষণপ্রাপ্ত ব্যক্তিসকলক কার্যালয় প্রদান।
- আমোলাতান্ত্রিক বিষয়াসকল নির্বাচিত ব্যক্তি নহয়। তেওঁলোকক ঊর্ধ্বতন কর্তৃপক্ষই নিয়োগ কৰেআৰু তেওঁলোকে উচ্চপ্রস্থিতি আৰু দীর্ঘকালীন কর্মসময় লাভ কৰে।
- বিষয়াসকলৰ এটা নির্দ্ধাৰিত বেতন থাকে আৰু অৱসৰকালীন পেন্সন লাভ কৰে।
- বিষয়া সকলে কার্য্যালয়ৰ প্রতি বাধ্যতা প্রদর্শন কৰিব লাগে।

১২.৫.২ সুবিধা

ৱেবাৰে আমোলাতন্ত্রৰ নিম্ন উল্লেখিত সুবিধাসমূহ নির্দ্ধাৰণ কৰিছে—

- আমোলাতন্ত্রই যুক্তিযুক্ত আৰু বিবেচনাযুক্ততাক সূচায়, যি বিপদ আৰু অনিশ্চয়তা হ্রাস কৰে।
- গণতন্ত্রই সমতাৰ প্রক্রিয়া হিচাপে কার্য্য সম্পাদন কৰিব বুলি ধৰা যায় য'ত আইন আৰু আচৰণৰ দৃষ্টিত সকলো সমান বুলি বিবেচিত হয়।
- আমোলাতন্ত্রই প্রশাসনত দক্ষতা নিশ্চিত কৰে।
- ৱেবাৰে কৈছে যে গণতন্ত্রৰ উপৰিও আমোলাতন্ত্রই পুঁজিবাদী অর্থনৈতিক বজাৰ গঠন কৰেযি ৰাজহুৱা আৰু ব্যক্তিগত প্রশাসনৰ ধাৰাবাহিক আৰু আঁসোৱাহ বিহীন কার্য্য ব্যৱস্থা দাবী কৰে।

১২.৫.৩ অসুবিধা

আমোলাতন্ত্রৰ বিভিন্ন ইতিবাচক দিশ আছে যদিও ৱেবাৰে যুক্তিযুক্ত পদ্ধতিক নেতিবাচক দিশৰ পৰাও বিবেচনা কৰিছে। এটা অবিনশ্বৰ সংস্থাপিত ব্যৱস্থা হোৱা বাবে আমোলাতন্ত্রৰ নিম্ন উল্লিখিত অসুবিধাসমূহৰ উদ্ভৱ হ'ব পাৰে। সেয়া হ'ল—

- বিষয়াসকলৰ দক্ষতা নাথাকলেও কার্য্যালয়ৰ পৰা অব্যাহতি দিব পৰা নাযায়।
- আমোলাতন্ত্রত প্রশাসনীক গোপনীয়তা ৰক্ষা কৰা হয়, যি ৰাজহুৱা সূক্ষ্ম বিচাৰ আৰু অসর্তকতাৰ দিশত বাধা প্রদান কৰে।

- আমোলাতন্ত্রত শ্রেণীবদ্ধকৰণৰ বিভিন্ন স্তৰ থকাৰ বাবেই দুর্নীতি আৰু দায়িত্ব ঠেলি দিয়াত উৎসাহিত কৰে।
- ফাইল বা নথিপত্রৰ সংখ্যাই দক্ষতা হ্রাস কৰে।
- বিষয়াসকলে প্রকৃত কামতকৈ নীতি-নিয়মৰ ওপৰতহে অধিক প্রাধান্য দিয়ে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ ঃ তলত দিয়াবোৰ শুদ্ধ নে অশুদ্ধ—

ক) ৱেবাৰে 'আমোলাতন্ত্র' শব্দটো উদ্ভাৱন কৰিছিল।

খ) আমোলাতন্ত্র হ'ল আইনসঙ্গত-যুক্তিযুক্ত কর্তৃত্বৰ এটা স্বৰূপ।

গ) ৱেবাৰে কৈছে যে সংগঠনৰ লক্ষ্যত উপনীত হ'বৰ বাবে আমোলাতন্ত্র হৈছে এক উৎকৃষ্ট প্রশাসনীয় স্বৰূপ।

১২.৬ ৱেবাৰৰ অবদানৰ সমালোচনাত্মক মূল্যাঙ্কন

- ৱেবাৰে সামাজিক সংস্থা আৰু সামাজিক ক্রিয়াৰ অধ্যয়নত 'আদর্শ নমুনা' পদ্ধতি ব্যৱহাৰ কৰিছিল। সমালোচক সকলে দাবী কৰিছে যে ৱেবাৰে তুলনা আৰু বিশ্লেষণৰ আর্হি হিচাপে 'আদর্শ নমুনা' গঠন কৰিছিল যদিও ইয়াক পৰীক্ষণৰ আর্হি হিচাপে দেখুৱা নাছিল। তেওঁ সাধাৰণতে 'আদর্শ নমুনা 'ক সমাজৰ প্রকৃত আর্হি হিচাপে পৰীক্ষা কৰিছিল।
- কর্তৃত্ব বা আইনসঙ্গত প্রভুত্ব আৰু আমোলাতন্ত্র সর্ম্পকে ৱেবাৰেই প্রথমে সমালোচনাত্মক আৰু বিস্তৃত দৃষ্টিভঙ্গীৰে অধ্যযন কৰিছিল। এই অধ্যয়ন সমূহে পৰবর্তী গবেষণাৰ ভেটি সুদৃঢ় কৰিছিল।
- ৱেবাৰে উল্লেখ কৰাৰ দৰে অর্থনৈতিক আচৰণে অনাঅর্থনৈতিক আচৰণত প্রভাৱ বিস্তাৰ সর্ম্পকীয় বিশ্লেষণ তথা ধর্মীয় প্রমূল্য আৰু ইয়াৰ বিপৰীত ধর্মী বিশ্লেষণে পৰৱর্তী পর্যায়ৰ বহু সমাজতত্ত্বীয় অধ্যয়নলৈ বৰঙনি আগবঢ়াইছে।



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আদর্শ নমুনাবোৰ হৈছে আর্হি, যি সামাজিক ক্রিয়াৰ ব্যাখ্যাৰ ক্ষেত্রত গৱেষকক সহায় কৰে।
- মানৱ সমাজৰ অর্থনৈতিক আৰু ধর্মীয় দিশৰ মাজত আন্তঃসম্বন্ধ আছে।
- ক্ষমতা হৈছে এনে এক সামর্থ যিটোক আনকি আনে বিৰোধিতা কৰিলেও এজনে সাব্যস্ত কৰিব বিচৰা ইচ্ছা।

- কর্তৃত্ব হৈছে ক্ষমতাৰ এক উপ-প্রকাৰ য'ত ক্ষমতাৰ যুক্তিযুক্ত প্রয়োগ হয়। ৱেবাৰে তিনি প্রকাৰৰ কর্তৃত্বক নির্দ্ধাৰণ কৰিছে— পৰম্পৰাগত, আইনসঙ্গত যুক্তিযুক্ত আৰু অনন্য প্রতিভাসম্পন্ন।
- আমোলাতন্ত্র হ'ল আইনসঙ্গত-যুক্তিযুক্ত কর্তৃত্বৰ এক উদাহৰণ, সেইবাৰে ই ক্ষমতাৰ এক উপ-প্রকাৰ। ই যুক্তিসঙ্গত নীতিৰ দ্বাৰা ক্ষমতাৰ অব্যক্তিগত প্রয়োগক সূচায়।



১২.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Abraham, Francis and Morgan, J. H. (1985); *Sociological Thought*; Delhi: Macmillan India Ltd.
2) Coser, Lewis A. (2004); *Masters of Sociological Thought*; Delhi, Jaipur: Rawat Publication.



১২.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ, খ) অশুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ, খ) শুদ্ধ, গ) শুদ্ধ



১২.১০ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ আদর্শ নমুনা কি? আদর্শ নমুনাৰ বিভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন ২ ঃ কর্তৃত্বৰ সংজ্ঞা দিয়ক। কর্তৃত্বৰ বিভিন্ন প্রকাৰবোৰ আলোচনা কৰক।

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ আমোলতন্ত্রৰ সংজ্ঞা দিয়ক। ইয়াৰ বৈশিষ্ট্যসমূহ কি কি? ইয়াৰ বিভিন্ন প্রকাৰবোৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ কর্তৃত্ব আৰু আমোলাতন্ত্রৰ মাজৰ সম্পর্ক চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ কর্তৃত্ব আৰু আমোলাতন্ত্রক সামাজিক সম্বন্ধৰ স্বৰূপ হিচাপে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ মেক্স ৰেবাৰ ঃ ধর্ম আৰু পুঁজিবাদ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ধর্ম আৰু অর্থনীতি বিষয়ক ৰচনা

১৩.৪ পুঁজিবাদৰ প্রাণ

১৩.৪.১ শৃঙ্খলাৰদ্ধ শ্রমিক শক্তি

১৩.৪.২ পুঁজিৰ নিয়ন্ত্রিত বিনিয়োগ

১৩.৪.৩ আধুনিক পুঁজিবাদৰ আঁৰৰ অন্য ক্রিয়াশীল শক্তি

১৩.৫ নীতিশাস্ত্র

১৩.৫.১ আধ্যাত্মিক আহ্বানৰ ধাৰণা

১৩.৫.২ অদৃষ্টবাদ

১৩.৫.৩ যুক্তিযুক্ততা আৰু ইয়াৰ লৌহকঠিন সংৰচনা

১৩.৬ ধর্ম বিষয়ক অন্য ৰচনা

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৮ অধিক জানিবলৈ

১৩.৯ অগ্রগতিৰ খতিয়ান

১৩.১০ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ধর্ম আৰু অর্থনীতিৰ মাজৰ সম্পর্ক বুজি পাব
- ৰেবাৰে আগবঢ়োৱা পুঁজিবাদৰ সংজ্ঞাটো জানিব পাৰিব
- প্রটেষ্টাণ্ট কর্ম নীতি মানে কি বুজি পাব
- আর্থ-সামাজিক আচৰণৰ সংগঠনত যুক্তিসঙ্গত কার্য্যই কেনেকৈ অৰিহণা আগবঢ়ায় সেয়া বুজি পাব।

১৩.২ পৰিচয়

মেক্স ৰেবাৰ আছিল এগৰাকী জার্মান সমাজতত্ত্ববিদ। তেওঁৰ সম্পূর্ণ নামটো আছিল কার্ল এমিল মেক্সমিলান ৰেবাৰ। ৰেবাৰক সমাজতত্ত্বৰ এগৰাকী প্রধান প্রতিষ্ঠাপক বুলি গণ্য কৰা হয়। তেওঁ সমাজতত্ত্বৰ বিষয়বস্তু সংজ্ঞাৰদ্ধ কৰাত আৰু সমাজবিজ্ঞানৰ তাত্ত্বিক বিশ্লেষণৰ বিধিতত্ত্বৰ

ৰূপৰেখা তৈয়াৰ কৰাত অপৰিসীম অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ মতে সমাজতত্ত্ব হ'ল সামাজিক ক্রিয়াৰ অর্থ বুজিবলৈ কৰা অধ্যয়ন। সামাজিক ক্রিয়াকলাপ হ'ল অর্থপূর্ণ ক্রিয়াকলাপ। এখন সমাজৰ দুগৰাকী ব্যক্তিৰ মাজত চলা আন্তঃক্রিয়াৰ আন্তঃবিষয়নিষ্ঠ বোধগম্যতাৰ পৰা সামাজিক ক্রিয়াৰ অর্থ উদ্‌ঘাটন কৰা হয়। এনে সামাজিক ক্রিয়া বুজি উঠা পদ্ধতিটোক (Verstehen) বোলা হয়। মেক্স ৱেবাৰৰ ভিন্ন বিষয়ৰ লিখনিবোৰৰ এটা সুস্থিৰ প্রসঙ্গ হ'ল সামাজিক ক্রিয়াৰ অর্থ বুজি পোৱাৰ প্রচেষ্টা। ৱেবাৰে কর্তৃত্ব আৰু ধর্মৰ অধ্যয়নকে ধৰি বিভিন্ন প্রসঙ্গৰ ওপৰত লিখিছে। ১৯০৫ চনত ৱেবাৰৰ ৰচনা 'The Protestand Ethic and the Spirit of Capitalism' প্রকাশিত হৈছিল। ৰচনাখনক বিভিন্ন ধর্মৰ মাজত থকা সম্পর্ক দাঙি ধৰা আৰু সামাজিক ক্রিয়া সংজ্ঞাৱদ্ধ কৰাৰ এক উৎকৃষ্ট উপস্থাপন বুলি কোৱা হয়।এনে সামাজিক ক্রিয়াবোৰৰ ফলত একোটা বিশেষ কর্মনীতিৰ উত্থান আৰু বিকাশ ঘটে। কালক্রমত ইয়েই গৈ এক নির্দিষ্ট অর্থনীতিৰ ৰূপ লয়। তলৰ শিতানবোৰত অর্থনীতি আৰু সমাজৰ মাজত থকা সম্পর্কক লৈ ৱেবাৰে আগবঢ়োৱা মৌলিক যুক্তিবোৰ ব্যাখ্যা কৰাৰ চেষ্টা কৰা হৈছে।

১৩.৩ ধর্ম আৰু অর্থনীতি বিষয়ক ৰচনা

'প্রটেষ্টাণ্ট নীতিশাস্ত্র আৰু পুঁজিবাদৰ প্রাণ' (The Protestant Ethic and the Spirit of Capitalism) আছিল সমাজৰ সংগঠনত পুঁজিবাদ আৰু ইয়াৰ প্রভাৱ বুজাত কার্ল মার্ক্সৰ অৱিহণাৰ পুনৰ ব্যাখ্যাকাৰী এক বৌদ্ধিক প্রয়াসৰ ফল। এই বৌদ্ধিক অনুশীলনৰ মেক্স ৱেবাৰৰ সময়ত ইউৰোপৰ অন্য অংশই অনুসৰণ কৰা বৈজ্ঞানিক বিশ্লেষণৰ সৈতে সাদৃশ্য নাছিল। ৱেবাৰৰ ব্যাখ্যাৰ প্রধানকৈ প্রত্যক্ষবাদী পৰম্পৰাতকৈ (Positivism) ব্যাখ্যামূলক পৰম্পৰাৰ (Hermeneutic Traditions) সৈতেহে মিল দেখা যায়। সেয়েহে কার্ল মার্ক্সৰ অনুসৰণ নকৰি মেক্স ৱেবাৰে পুঁজিবাদৰ উৎস বুজিবলৈ সামাজিক ক্রিয়াৰ ব্যাখ্যাত মনোনিৱেশ কৰিছিল। মেক্স ৱেবাৰ আৰু তেওঁৰ অনুগামীসকলে লক্ষ্য কৰিছিল যে মার্ক্সে পুঁজিবাদৰ বিকাশ আৰু ভৱিষ্যৎ ৰূপান্তৰত যিবোৰ অর্থনৈতিক অৱস্থাই নির্ণায়কৰ ভূমিকা লয় বুলি ভাবিছিল সেই সকলোবোৰ অৱস্থা এটা অনন্য সাংস্কৃতিক সমগ্রতাৰ (Unique Cultural Totality) অংশ। এই সাংস্কৃতিক সমগ্রতা আকৌ এটা নির্দিষ্ট ধর্মীয় নীতিৰ ওপৰত নির্ভৰশীল। এই নীতিয়ে যিবোৰ যুক্তিসঙ্গত কার্য্যৰ দিক্‌নির্দেশনা আগবঢ়ায় সেইবোৰেই কালক্রমত পুঁজিবাদৰ উত্থানৰ কাৰণ হয়গৈ।

অর্থাৎ, মেক্স ৱেবাৰৰ মতে কোনো এক নির্দিষ্ট ক্রিয়াৰ ৰূপৰ পাৰদর্শিতা আৰু ধাৰাবাহিকতাৰ ওপৰত পুঁজিবাদ নির্ভৰশীল। এই ক্রিয়াক এক নির্দিষ্ট ধর্মীয় নীতিৰ ৰূপে দিক্ নির্দেশনা প্রদান কৰে। প্রটেষ্টাণ্ট নীতিশাস্ত্র বিষয়ক ৰচনাত তেওঁ সেয়েহে অর্থনীতি আৰু ধর্মীয় নীতিৰ মাজত থকা এনে সম্পর্কৰ অন্বেষণ কৰিছিল। তলতৰ শিতানবোৰত ৱেবাৰৰ পুঁজিবাদ সম্পর্কীয় ব্যাখ্যা আলোচনা কৰা হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ মেক্স ৰেবাৰে পোন প্রথমবাৰৰ বাবে অর্থনীতি আৰু ধর্মৰ মাজৰ সম্পর্ক অন্বেষণ কৰি লিখা ৰচনাখনৰ শিৰোনাম কি?

.....

.....

.....

প্রশ্ন নং ২ঃ মেক্স ৰেবাৰে কিয় 'The Protestant Ethic and Spirit of Capitalism' শীর্ষক ৰচনাখন লিখিছিল?

.....

.....

.....

প্রশ্ন নং ৩ঃ ৰেবাৰৰ পুঁজিবাদৰ ব্যাখ্যা কার্ল মার্ক্সৰ ব্যাখ্যাতকৈ কিহত পৃথক?

.....

.....

.....

.....

.....

১৩.৪ পুঁজিবাদৰ প্রাণ

পুঁজিবাদৰ প্রাণ (Spirit of Capitalism) বুলিলে পুঁজিবাদৰ উত্থান আৰু বিকাশৰ বাবে প্রয়োজনীয় কিছুমান প্রমূল্যৰ সমষ্টি এটাৰ কথা বুজোৱা হয়। এই প্রমূল্যবোৰে কঠোৰ পৰিশ্রম আৰু উন্নতি কৰাৰ উদ্যমক সামৰি লয়। এইবোৰে অর্থনৈতিক লাভালাভৰ যুক্তিসঙ্গত প্রয়াসবোৰৰো পৃষ্ঠপোষকতা কৰে। প্রণালীৱদ্ধভাৱে কৰা সম্পত্তি আহৰণৰ প্রয়াসকে যুক্তিসঙ্গত বোলা হয়। প্রত্যক্ষ উপভোগৰ বাবে যাদৃচ্ছিকভাৱে আহৰণ কৰা সম্পত্তি অথবা সম্পত্তিৰ অপচয় কৰা কার্য্যক যুক্তিসঙ্গত বুলি কোৱা নহয়।

পুঁজিবাদৰ সংজ্ঞা দাঙি ধৰি মেক্স ৰেবাৰে লাভ আহৰণৰ প্রয়াসক পুঁজিবাদী উদ্যোগৰ পৰা পৃথক কৰিছে। অর্থাৎ, তেওঁৰ মতে পুঁজিবাদত অর্থনৈতিক ক্রিয়াবোৰৰ প্রধান উদ্দেশ্য কেৱল অর্থনৈতিক লাভ আহৰণ কৰাটো নহয়। পুঁজিবাদত অর্থনৈতিক ক্রিয়াবোৰৰ একোটা অন্তর্নিহিত নীতি থাকে। এই নীতি সম্পত্তি লাভৰ স্পৃহাতে সীমাৱদ্ধ নাথাকে। ইয়াৰ ভিত্তি অতি জটিল। ৰেবাৰৰ মতে পুঁজিবাদী ক্রিয়াকলাপবোৰৰ মাজত অর্থনৈতিক বিনিময় প্রক্রিয়াৰে লাভ আহৰণ কৰিবলৈ নিয়মীয়া দিশনির্দেশনা লুকাই থাকে। এনে ক্রিয়াকলাপে আনুষ্ঠানিকভাৱে মুক্ত শ্রমিকৰ

যুক্তিসঙ্গত সংগঠনো গঢ়ি তোলে। সেয়েহে পুঁজিবাদৰ উৎস আৰু বিকাশ বুজি পাবলৈ শ্রমিকৰ যুক্তিসঙ্গত সংগঠন মানে হ'ল কোনো এটা অবিৰতভাৱে সক্রিয় হৈ থকা উদ্যোগৰ ভিতৰত পৰিকল্পিতভাৱে গঢ়ি তোলা প্রশাসনিক ব্যৱস্থাটো ৰুটিনমাফিক কৰি তোলা। শ্রমিকৰ শৃঙ্খলাৱদ্ধতাৰ প্রতি থকা আনুগত্যৰ ভিত্তিতহে এনে এটা উদ্যোগ বর্তি থাকিব পাৰে। সেয়েহে, ৰেবাৰে দুটা কাৰকৰ ওপৰত পুঁজিবাদৰ প্রাণ নির্ভৰশীল বুলি কৈছিল—

- এক শৃঙ্খলাৱদ্ধ শ্রমিক শক্তি
- পুঁজিৰ নিয়ন্ত্রিত বিনিয়োগ।

তলত এই কাৰক দুটাৰ বিষয়ে আলোচনা কৰা হ'ল।

১৩.৪.১ শৃঙ্খলাৱদ্ধ শ্রমিক শক্তি

ওপৰত উল্লেখ কৰা পুঁজিবাদৰ প্রাণ হিচাপে অভিহিত কাৰক দুটা বিশ্লেষণ কৰি মেক্স ৰেবাৰে দুই ধৰণৰ সমাজৰ কথা কৈছিল। অতীতৰ সমাজত থকা পৰম্পৰাগত ধৰণৰ উদ্যোগবোৰত শৃঙ্খলাৱদ্ধ শ্রমিক শক্তি নাছিল। সেই সময়ত শ্রমিকসকলৰ কোনো কর্মনীতি নাছিল। ফলত সঞ্চয়ী লাভ আহৰণৰে উদ্দেশ্যেৰে শ্রমিকসকলে নিজকে অনুশাসনৱদ্ধ কৰিব পৰা নাছিল। এনে উদ্যোগত কোনো এক নির্দিষ্ট কর্মত দেখুওৱা পাৰদর্শিতাৰ বাবে লাভ কৰা পুৰস্কাৰবোৰে সেই পুৰস্কাৰ লাভৰ পাছত শ্রমিকে আগতকৈ ভালধৰণে কাম কৰিব বুলি নিশ্চয়তা প্রদান কৰিব পৰা নাছিল। ইয়াৰ বিপৰীতে শ্রমিকে বঁটা-বাহন লাভ কৰাৰ পাছত সেই কথা সিমানতে অন্ত পৰিল আৰু পাছলৈ অধিক কামত অংশগ্রহণ কৰাৰ পৰা বঁটা-বাহনে বিৰত কৰিলে বুলি ভবাৰ সম্ভাৱনা অধিক আছিল। আনহাতে, এটা পুঁজিবাদী উদ্যোগত এনে পুৰস্কাৰে শ্রমিকক উদ্যোগটোৰ উন্নতিৰ হকে আগতকৈ অধিক কঠোৰ পৰিশ্রম কৰিবলৈ উদ্‌গনি যোগায়। পুঁজিবাদী উদ্যোগত কর্মৰত শ্রমিক শক্তিৰ উদ্দেশ্য হ'ল পুৰস্কাৰ লাভৰ সলনি উন্নততৰ কাম কৰি দেখুওৱা। এই কথাটোকে ৰেবাৰে পুঁজিবাদী উদ্যোগৰ মুক্ত শ্রমিকসকলৰ শৃঙ্খলাৱদ্ধতা বুলি অভিহিত কৰিছিল।

১৩.৪.২ পুঁজিৰ নিয়ন্ত্রিত ব্যৱহাৰ

ৰেবাৰৰ ব্যাখ্যা মতে উদ্যোগৰ পুৰণি ৰূপত সম্পত্তি আহৰণ অথবা বঁটা লাভ কৰা কার্য্য আছিল মানুহৰ বিলাসিতা আৰু সম্পদ উপভোগৰ সৈতে জড়িত বিষয়। সেয়েহে অতীতত সম্পত্তিয়ে আৰু অধিক সম্পত্তি সৃষ্টি কৰিব পৰা নাছিল। ফলত একে সময়তে সম্পত্তিৰ ব্যক্তিগত সুখ-সুবিধাৰ বাবে প্রয়োগ আৰু উমৈহতীয়া কল্যাণৰ বাবে বিনিয়োগ কৰা সম্ভৱ নাছিল। কিন্তু পুঁজিবাদী উদ্যোগত সম্পত্তিক মূলধনলৈ ৰূপান্তৰ কৰি সেয়া পুনৰ আন কার্য্যত বিনিয়োগ কৰা হয়। ইয়াৰ পৰা আহৰণ হোৱা লাভসমাজৰ সকলো লোকৰ সুবিধাৰ নামত ব্যৱহাৰ কৰিব পৰা যায়। ওপৰৰ আলোচনাৰ

পৰা বুজা গ'ল যে শৃঙ্খলাৱদ্ধ শ্রমিক শক্তিৰ সংগঠন আৰু পুঁজিৰ নিয়ন্ত্রিত বিনিয়োগৰ বিষয় দুটা যুক্তিসঙ্গত নীতিৰ ওপৰত নির্ভৰশীল। এনে এক নীতিয়ে নতুন কাম আৰু পুৰস্কাৰ সৃষ্টি কৰিব পাৰে।

১৩.৪.৩ আধুনিক পুঁজিবাদৰ আঁৰৰ অন্য ক্রিয়াশীল শক্তি

ওপৰত উল্লেখ কৰা কাৰক দুটাৰ উপৰি আধুনিক পুঁজিবাদৰ উত্থানৰ আঁৰত আন কেইটামান ক্রিয়াশীল শক্তি আছে। এই শক্তিকেইটা আকৌ সংস্কাৰবাদৰ (Reformism) পাছত উত্থান ঘটা যুক্তিসঙ্গত আদর্শৰ ওপৰত ভিত্তি কৰি বিকশিত হৈছে। আধুনিক পুঁজিবাদৰ প্রয়োজনীয়তা কেইটামান হ'ল—

- ঘৰ আৰু উৎপাদনশীল উদ্যোগৰ পৃথকীকৰণ। ইয়াৰ ফলত বিভিন্ন সংঘ (Guilds) আৰু ঔদ্যোগিক কার্য্যকলাপৰ পৃষ্ঠপোষকতা সম্ভৱপৰ হ'ব।
- পশ্চিমীয়া নগৰ-চহৰবোৰৰ ৰাজনৈতিক স্ব-নিয়ন্ত্রণ অধিকাৰসহ হোৱা বিকাশ আৰু কৃষিভিত্তিক সামন্তবাদৰ পৰা পৃথক এক বুর্জোৱা সমাজৰ গঠন।
- ন্যায়িক অনুশীলনক সংহত ৰূপ দিয়া আৰু যুক্তিসঙ্গতভাৱে বিকশাই তোলা ৰোমান আইনৰ এক উত্তৰাধিকাৰীসূত্রে লাভ কৰা পৰম্পৰাৰ ইউৰোপত অস্তিত্ব থকা।
- প্রশাসনৰ যুক্তিসঙ্গত ন্যায়িক ব্যৱস্থাৰূপে গঠিত এক আমোলাতন্ত্র নির্ভৰশীল প্রজা-ৰাষ্ট্রৰ (Nation-State) বিকাশ।
- পুঁজিবাদী উদ্যোগক সহায় কৰা 'দুবাৰ নথিভুক্ত হোৱা হিচাপ ৰক্ষণ পদ্ধতি'ৰ (Double-Entry Book Keeping) বিকাশ।

তলত পুঁজিবাদৰ এই উপাদানবোৰৰ সৈতে প্রটেষ্টাণ্ট নীতিশাস্ত্রৰ সম্পর্কৰ বিষয়ে আলোচনা কৰা হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ 'পুঁজিবাদৰ প্রাণ' অভিধাৰে ৱেবাৰে কি বুজাইছিল?

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ 'পুঁজিবাদৰ প্রাণ' নির্দ্ধাৰণকাৰী কাৰক দুটা কি কি?

.....

.....

প্রশ্ন নং ৬ ঃ উদ্যোগৰ পৰম্পৰাগত প্রকাৰ আৰু পুঁজিবাদী উদ্যোগৰ মাজত থকা মৌলিক প্রভেদবোৰ কি?

.....

.....

.....

১৩.৫ নীতিশাস্ত্র

এটা সুশৃঙ্খলাবদ্ধ শ্রমিক শক্তিৰ উপস্থিতিয়ে ইয়াকে বুজায় যে যুক্তিসঙ্গত ৰূপত পৰিচালিত পুঁজিবাদী উদ্যোগ এটাৰ প্রাণ বুলি গণ্য কৰা শক্তিটো মূলতঃ নৈতিক। নৈতিক বুলি কোৱাৰ মূল কাৰণ হ'ল এই শক্তিটো সম্পত্তি আৰু সম্পত্তি আহৰণৰ উপায় সংগ্রহ কৰাৰ প্রৱণতা তথা এটা ইতিবাচকভাৱে মিতব্যয়ী জীৱন-যাপনৰ ইচ্ছাৰ এক মিশ্রিত ৰূপ। কর্মই যদিও সম্পত্তি আহৰণত সহায় কৰে, তথাপিও আর্জিত সম্পত্তিয়েই শেষ কথা নহয়।বর্তমান সমাজৰ পার্থিৱ কাম-কাজত ব্যস্ত এগৰাকী ব্যক্তি অথবা ৱেবাৰে কোৱাৰ দৰে 'এইখন পৃথিৱীৰ' (This World) এগৰাকী ব্যক্তিয়ে যদি সম্পত্তিকে সর্বশেষ লক্ষ্য হিচাপে বিবেচনা নকৰে তেন্তে তেওঁকো বৈৰাগী (Ascetic) বুলি ক'ব পাৰি। পুঁজিবাদী উদ্যোগত এনে ধৰণৰ নৈতিকতা পোৱা যায় বাবে ইয়াক 'এই পার্থিৱ বৈৰাগ্যবাদ' (This Worldly Asceticism) বুলি কোৱা হয়। ৱেবাৰৰ মতে সংস্কাৰ আন্দোলনৰ পৰৱর্তী সময়ত এই পার্থিৱ বৈৰাগ্যবাদ'ৰ দৰে নীতিশাস্ত্রৰ উত্থান ঘটিছিল। লুথেৰান, কেলভিনবাদী আৰু মেথ'ডিষ্ট গীর্জাত উত্থান ঘটা সংশোধিত ঈশ্বৰতত্ত্বৰ উত্থান ঘটাৰ বাবে লাহে লাহে গা কৰি উঠা নতুন ব্যৱসায়িক সমাজৰ বৈশিষ্ট্যবোৰৰ আধাৰত খ্রীষ্টান ধর্মাৱলম্বী কিছুমান নির্বাচিত ৰায়ত শ্রেণীৰ পুনৰীক্ষণ কৰা হৈছিল। এই পুনৰীক্ষণত ধৰা পৰিছিল যে পিউৰিটানসকল হ'ল সংস্কাৰ সাধন ঘটা প্রটেষ্টাণ্টৰ এটা দল। তেওঁলোক কেলভিনবাদৰ (Calvinism) প্রতি আকৃষ্ট। ৱেবাৰে বিশেষভাৱে এই দলটোকে 'এই পার্থিৱ বৈৰাগ্যবাদ'ৰ প্রচাৰক বুলি বিবেচনা কৰিছিল। এই সময়ছোৱাত গা কৰি উঠা সকলোবোৰ দলেই কেথ'লিক নাছিল, প্র'টেষ্টাণ্টবাদীহে আছিল। সেয়েহে ৱেবাৰে ন দি কৈছিল যে পুঁজিবাদৰ প্রাণটোৰ সৈতে প্র'টেষ্টাণ্ট নীতিশাস্ত্রৰহে অধিক মিল আছে।

১৩.৫.১ আধ্যাত্মিক আহ্বানৰ ধাৰণা

পিউৰিটানসকলৰ 'এই পার্থিৱ বৈৰাগ্যবাদ'ৰ নীতিটো 'আধ্যাত্মিক আহ্বান'ৰ (Calling) ধাৰণাটোৰে বুজোৱাৰ প্রয়াস কৰা হৈছে। 'আধ্যাত্মিক আহ্বানৰ ধাৰণাটো (The Notion of Calling) আকৌ সংস্কাৰবাদৰ সময়তে গা কৰি আহিছিল। 'আধ্যাত্মিক আহ্বান' (Calling) বোলা ধাৰণাটোৱে পার্থিৱ কর্ম-কাণ্ডৰ সৈতে জড়িত কৰণীয়বোৰ সমাধা কৰিবলৈ সকলো ব্যক্তিৰে থকা সর্বোচ্চ নৈতিক বাধ্যবাধকতাৰ কথা বুজায়। সেয়েহে সংশোধিত প্র'টেষ্টাণ্ট নীতিশাস্ত্রত অর্থনৈতিক তথা ৰাজনৈতিক পার্থিৱ কর্ম-কাণ্ডত জড়িত হোৱাটোক ধর্মীয় কর্তব্য বুলি বিবেচনা কৰা হৈছিল। পার্থিৱ কর্ম-কাণ্ড ত্যাগ

কৰি একো একোটা মঠবাসী জীৱন গ্ৰহণ কৰাৰ সলনি এই নীতিশাস্ত্ৰই অনুগামীসকলক এটা নির্দিষ্ট সামাজিক পটভূমিত প্ৰোথিত কৰাৰ চেষ্টা কৰিছিল। এই নীতি মতে দৈনন্দিন জীৱনৰ পৰিধিৰ বাহিৰত নহয় ভিতৰতেই আমাৰ ধর্মীয় আচৰণ প্ৰতিফলিত হয়। যেনে— কেলভিনবাদৰ মতে ঈশ্বৰৰ দৃষ্টিত যশস্যী হ'বলৈ মানুহে চলোৱা প্ৰয়াস তেতিয়াহে সফল হ'ব যেতিয়া তেওঁ পার্থিৱ কর্ম-কাণ্ডত সক্ৰিয়তাবাদৰ গুৰুত্ব মানি চলিব। এই মতবাদে মুক্তি লাভৰ প্ৰতি থকা সক্ৰিয় দায়ৱদ্ধতাৰ পৰা উদ্ভৱ হোৱা নৈতিক প্ৰৱণতা প্ৰৱল কৰি তোলে আৰু এনে প্ৰৱণতাক অর্থনৈতিক কাম-কাজৰ প্ৰতি ঢাল খুৱায়। এগৰাকী ব্যক্তিক কায়েমনোবাক্যে একোটা ধর্মনিৰপেক্ষ বৃত্তি অনুশীলন কৰিবলৈ কোৱা হৈছিল। এগৰাকী ব্যক্তিয়ে কৰি থকা কামটোকে তেওঁৰ 'আধ্যাত্মিক আহ্বান' বুলি বুজোৱা হৈছিল আৰু সেই কামটোৱেই তেওঁৰ ধর্মীয় কর্তব্য বুলি কোৱা হৈছিল।

এই নীতি মানি চলিবলৈ যাওঁতে ব্যক্তিয়ে একোটা শৃঙ্খলাৱদ্ধ কর্মজীৱন বিকশিত কৰিছিল। কঠোৰ শ্ৰমৰ বিনিময়ত সম্পত্তি আহৰণৰ প্ৰয়াস কৰা কার্য্যক সম্পত্তিৰ 'লোভ'ৰ সৈতে একে বুলি ধৰা হোৱা নাছিল। আহৰণ কৰা সম্পদ পুনৰ অধিক উৎপাদনক্ষম কার্য্যত বিনিয়োগ কৰা হৈছিল যাতে লাভৰ পৰিমাণ অধিক হয়। প্ৰ'টেষ্টাণ্ট নীতিশাস্ত্ৰই কঠোৰ শ্ৰমৰ বিনিময়ত উপার্জিত ধনৰ অপচয় বাৰণ কৰিছিল আৰু বিলাসিতাৰ সামগ্ৰী কিনা কামটো পাপ বুলি গণ্য কৰিছিল। দুখীয়াক ভিক্ষা অথবা অভাৱীক দান দিয়া কার্য্যৰো নির্দিষ্ট সীমা আছিল। কাৰণ এনে কার্য্যৰ দ্বাৰা ভিক্ষা বৃত্তিক অনুপ্ৰেৰণা যোগোৱা হয় বুলি ভবা হৈছিল। ভিক্ষা অথবা দানৰ ওপৰত নির্ভৰশীল সামাজিক পৰিস্থিতিক 'সোৱোপালি' (Laziness) বুলি ধৰা হৈছিল। ইয়াক সমাজৰ আন লোকৰ ওপৰত বোজা আৰু ঈশ্বৰৰ অৱমাননা বুলি গণ্য কৰা হৈছিল। কাম নকৰি মানুহে ঈশ্বৰৰ যশস্যা লাঘৱ কৰিছিল বুলি বিশ্বাস কৰা হৈছিল। সেয়েহে কোনো নির্দিষ্ট উদ্দেশ্যত বিনিয়োগ কৰা ধনে অধিক কর্ম সুযোগৰ সৃষ্টিত সহায়ক হ'ব বুলি ভবা হৈছিল। এই 'আধ্যাত্মিক আহ্বান'ৰ ধাৰণাটো মানুহে গ্ৰহণ কৰাৰ আঁৰত প্ৰটেষ্টাণ্টবাদৰ বিভিন্ন উপ-সংহতিত থকা আন কিছুমান নির্দিষ্ট তথা গুৰুত্বপূর্ণ বিশ্বাস জড়িত হৈ আছে। এনে এটা বিশ্বাস হ'ল অদৃষ্টবাদ (Predestination)।

১৩.৫.২ অদৃষ্টবাদ

অদৃষ্টবাদৰ নীতিটো কেলভিনবাদত প্ৰোথিত হৈ আছে। এই নীতি মতে মাত্ৰ এমুঠিমান লোককহে ঈশ্বৰে নৰক যাতনাত ভোগাৰ পৰা ৰক্ষা কৰিবলৈ বাছনি কৰি থৈছে। এই বছা বছা এমুঠিমান লোকেহে পৰম মুক্তি লাভ কৰিব। এই লোক কেইজনৰ বাছনি প্ৰক্ৰিয়াটো দৈৱ নির্দ্ধাৰিত।অর্থাৎ, কোনে পৰম মুক্তি লাভ কৰিব সেয়া আগতেই সিদ্ধান্ত লোৱা হৈ গৈছে। এই উপলব্ধিয়ে বিশ্বাসটোৰ অনুগামীসকলৰ মাজত এক ধৰণৰ নিঃসঙ্গতাৰ উদ্ৰেক কৰে। অৱশ্যে, যিহেতু ঈশ্বৰে কাক কাক বাছনি কৰি থৈছে সেই কথা আমি

নাজানো, সেয়েহে প্রতিজন ব্যক্তিয়ে নিজকে পার্থিৱ কাম-কাজত ব্যস্ত ৰখা উচিত। প্রত্যেকেই নিঃসঙ্গতাৰ পৰা ৰক্ষা পৱিবলৈ নিজকে ঈশ্বৰৰ দ্বাৰা নির্বাচিতসকলৰ এজন বুলি ধৰি লৈ নিজ বিশ্বাস অটুট ৰাখিব লাগে। মানুহে নিজকে 'বাছনিত উঠা এজন' বুলি স্বৈচ্ছিকভাৱে ভাবিলেই নহ'ব, তেনেকৈ ভবাটো তেওঁৰ ধর্মীয় বাধ্য বাধকতাৰো অংশ। ৱেবাৰৰ মতে এই 'ঈশ্বৰৰ দ্বাৰা বাছি থোৱাসকলৰ এজন' আৰু 'নিঃসঙ্গতা'ই সৃষ্টি কৰা মানসিক দোমোজাই হ'ল পুঁজিবাদী প্রাণৰ জন্মদাতা।

ইয়াৰ উপৰি, এগৰাকী ব্যক্তিয়ে পার্থিৱ কর্ম-কাণ্ডত জড়িত হৈ 'ভাল কাম'ৰ পাৰদর্শিতা দেখুওৱাটোক তেওঁ যে ঈশ্বৰৰ দ্বাৰা বাছি লোৱা এজন, সেই সম্ভাৱনীয়তাৰ ইংগিত বুলি ধৰা হয়। ভাল কাম' মানে হ'ল তেনেবোৰ কাম-কাজ যিবোৰ ব্যক্তিৰ নিজৰ লগতে সমাজৰ আন লোকৰ বাবেও উপযোগী। পার্থিৱ কাম-কাজত লাভ কৰা সফলতাক ব্যক্তিগৰাকীক পৰম মুক্তি লাভৰ বাবে ঈশ্বৰে বাছি থোৱা এমুঠিমান লোকৰে এজন হোৱাৰ সম্ভাৱনীয়তা বুজোৱা ইংগিত বুলি ধৰা হয়। সেয়েহে প্রটেষ্টাণ্টসকলে কামৰ পাৰদর্শিতাক এই কথাটো জনাৰ এটা মাধ্যম হিচাপে গণ্য কৰিছিল। সফলতা আছিল ঈশ্বৰৰ দ্বাৰা নির্বাচিত হোৱাৰ ইংগিত। সেয়েহে সংশোধিত প্র'টেষ্টাণ্ট নীতিশাস্ত্রই সৌম্য, পৰিশ্রমী কামৰ জৰিয়তে উপার্জিত সম্পত্তিক নৈতিকভাৱে স্বীকৃতি প্রদান কৰিছিল। অতি বিলাসী জীৱন-যাপনৰ বাবে অথবা কেৱল নিজৰ ভোগ-বিলাসত ব্যৱহাৰ কৰা সম্পত্তিকহে গৰিহণা দিয়া হৈছিল। ৱেবাৰৰ মতে পুঁজিবাদী উদ্যোগক কেলভিনবাদে নৈতিক আৰু চালিকা শক্তিৰ যোগান ধৰিছিল।

১৩.৫.৩ যুক্তিযুক্ততা আৰু ইয়াৰ লৌহকঠিন সংৰচনা

ওপৰত আলোচনা কৰা বিশেষ কেলভিনবাদী নীতিবোৰ আৰু সাধাৰণ প্রটেষ্টাণ্টবাদী নীতিবোৰ এক কঠোৰতাৰে বন্ধা। অর্থাৎ, এই নীতিবোৰৰ প্রকৃতি অতি কঠিন আৰু মানুহে নিজৰ দৈনন্দিন কাম-কাজত এইবোৰ শৃঙ্খলাৱদ্ধ আৰু ৰুটিনমাফিক-ভাৱে কোনো হেৰফেৰ নকৰাকৈ প্রয়োগ কৰিছিল। মানুহে এনে প্রচেষ্টাৰ দ্বাৰা জগত সম্পর্কে যুক্তিযুক্ত ধাৰণা গঢ়াত দক্ষতা অর্জন কৰিছিল। এনে অভ্যাস তথা অনুশীলনে মানুহক এক যুক্তিযুক্ততাক প্রাধান্য দিবলৈ শিকাইছিল। এই যুক্তিযুক্ততাই যাদু-মন্ত্রৰ দৰে অযুক্তিকৰ অনুশীলন প্রচলিত পৃথিৱীখনৰ প্রতি বীতশ্রদ্ধ আন এখন সমান্তৰাল পৃথিৱী গঢ়ি তুলিছিল। এই নতুন মনোভাৱাপন্ন লোকসকল প্র'টেষ্টাণ্ট নীতিৰ পৰা উদ্ভৱ হোৱা যুক্তিযুক্ততাৰ দ্বাৰা পৰিচালিত হৈছিল। সেইফালৰ পৰা পুঁজিবাদী উদ্যোগবোৰো যুক্তিসঙ্গত নীতিৰ ওপৰত ভিত্তি কৰি প্রতিষ্ঠা কৰা হৈছিল। এনে উদ্যোগত মানুহে অবিৰত বিনিয়োগৰ দ্বাৰা সঞ্চয়ী লাভ আহৰণ কৰিবলৈ সর্বোত্তম উপায় প্রয়োগ কৰিছিল। এই অনুশীলনটোলৈ পৰৱর্তী সময়ত ব্যৱসায়ী সস্থা (Trader's Guild), মুদ্রা ব্যৱস্থা (Monetary System), আমোলাতন্ত্র (Bureaucracy) আৰু উন্নত আইন সংৰচনা

(Developed Frameward of Law) আদিৰ দৰে যুক্তিসঙ্গত আৰু আনুষ্ঠানিকভাৱে স্থাপন কৰা অনুষ্ঠান-প্রতিষ্ঠানে সমর্থন আগবঢ়াইছিল। অর্থাৎ, 'আধ্যাত্মিক আহ্বান'ৰ যুক্তিসঙ্গত অনুশীলনে পুঁজিবাদক এক আর্থ-সামাজিক অনুষ্ঠানৰূপে বিকশাই তোলাত কৌশলপূর্ণ ভূমিকা গ্রহণ কৰিছিল।

অৱশ্যে ৱেবাৰে ধৰা পেলাইছিল যে এক উদ্যোগ হিচাপে পুঁজিবাদে সমাজত নিজকে দৃঢ়ভাৱে প্রতিষ্ঠা কৰি লোৱাৰ পাছত ইয়াৰ জন্মৰ আঁৰৰ প্রধান চালিকা শক্তি হিচাপে কাম কৰা কর্মনীতিত অন্তর্নিহিত হৈ থকা নির্দিষ্ট ধর্মীয় উপাদানবোৰ লাহে লাহে নাইকিয়া কৰি পেলাইছিল। এই নৈতিক দিশটোৰ অনুপস্থিতিত লাভ অর্জনৰ প্রচেষ্টাত কেৱল লাভ-লোকচানৰ যুক্তিসঙ্গত হিচাপ-নিকাচে প্রাধান্য লাভ কৰিছিল। এনেকৈয়ে লাহে লাহে আধুনিক পুঁজিবাদৰ কর্মনীতিয়ে নৈতিক সংস্কৃতি হেৰুৱাই এক যান্ত্রিক ৰূপ ধাৰণ কৰিছিল।এটা অতি ঔদ্যোগিক সংস্কৃতিত যুক্তিসঙ্গত নীতিবোৰ বাদ দিব পৰা নাযায়। কিন্তু এই নতুন সংস্কৃতিটোত মৌলিক সংস্কৃতিটোৰ উত্থানত ভূমিকা লোৱা কাৰকবোৰ গুৰুত্বহীন হৈ পৰিল। ৱেবাৰে এইটো কাৰণতে আধুনিক পুঁজিবাদৰ নৈতিক দ্বিধাগ্রস্ততাক যুক্তিযুক্ততাৰ লৌহকঠিন সংৰচনা আখ্যা দিছে। এই সংৰচনাত আৱদ্ধ মানুহে কেৱল লাভ আহৰণৰ লক্ষ্যৰে পৰিচালিত নৈতিকতাহীন যুক্তিযুক্ততাৰ শিকলিৰে বান্ধ খাই থাকে।

ৱেবাৰৰ মতে যুক্তিযুক্ততাৰ লৌহকঠিন সংৰচনা সৃষ্টিত পিউৰিটানবাদেও এক দীর্ঘম্যাদী-ভূমিকা পালন কৰিছিল। আধুনিক মানুহে এক ক্রমবর্দ্ধমান আমোলাতান্ত্রিক নীতি-নিয়মেৰে পৰিচালিত সমাজত বাস কৰিবলগীয়া হৈছে। ফলত মানুহৰ জীৱনৰ পৰা স্বতঃস্ফূর্তভাৱে 'জীৱন উপভোগ কৰা'ৰ সুবিধাকণ লাহে লাহে নাইকিয়া হৈ গৈছে। সেয়েহে কর্ম সম্পত্তিআহৰণৰ অস্বৈচ্ছিক পন্থাত পৰিণত হৈছে। সম্পত্তি আহৰণ এতিয়া আৰু মুক্তমনেৰে কৰা কাম হৈ থকা নাই।

১৩.৬ ধর্ম বিষয়ক অন্য ৰচনা

ধর্ম আৰু অর্থনীতিৰ মাজত থকা সম্পর্কৰ বিষয়ে ওপৰত কৰা বিশ্লেষণ কেৱল 'Protestant Ethic and Spirit of Capitalism' শীর্ষক ৰচনাতে সীমাৱদ্ধ হৈ থকা নাই। Sociology of Religion (1920) নামৰ আন এক ৰচনাত ৱেবাৰে হিন্দু, কনফুচিয়ানিজম্ আৰু জুদাইজম্ৰ দৰে পৃথিৱীৰ বিভিন্ন প্রধান ধর্মৰ সৈতে জড়িত নীতিবোৰৰো বিশ্লেষ কৰিছে। বিশ্লেষণৰ পাছত তেওঁ ধৰিব পৰিছে যে অন্য ধর্মৰ নীতিবোৰ প্র'টেষ্টাণ্টবাদৰ নীতিতকৈ পৃথক। হিন্দু ধর্মই 'ভিন্ন পৃথিৱী বৈৰাগ্য'ত বিশ্বাস কৰে, কনফুছিয়ানিজম্ পার্থিৱবাদী কিন্তু বৈৰাগ্যবাদী নহয়। আনহাতে, জুদাইজম্ আৰু কেথ'লিক ধর্ম পাপ তথা মুক্তিৰ চক্রত বিশ্বাসী। এই ধর্ম দুটাই অদৃষ্টবাদ আৰু সঞ্চয়ী লাভৰ অন্বেষণত বিশ্বাস নকৰে। বৌদ্ধধর্মৰ দৰে ধর্মবোৰ আকৌ বেছি অতীন্দ্রিয়বাদী (Mystical)। এনে ধর্মই এই পৃথিৱীৰ পৰা পৰিত্রাণৰ কথা কয় কিন্তু একেসময়তে

নিষ্ক্রিয়তাৰ (Inaction) অনুশীলন কৰে। অর্থাৎ, এই ধর্মীয় নীতিবোৰে আধুনিক পুঁজিবাদৰ ভেটি গঢ়া কাৰকবোৰলৈ সমর্থন আগবঢ়াব নোৱাৰে।

মেক্স ৱেবাৰে মানুহৰ যুক্তিসঙ্গত কার্য্যৰ আঁৰৰ যুক্তিবোৰ ব্যাখ্যা কৰাৰ প্রয়াস কৰিছিল। এখন সমাজত এক সুনির্দিষ্ট অর্থনৈতিক প্রতিষ্ঠান গঠনত সহায় কৰা এটা সামাজিক অনুষ্ঠান হিচাপে ধর্মৰ সৈতে এনে যুক্তিসঙ্গত কার্য্যবোৰৰ কি সম্পর্ক আছে সেয়াও ৱেবাৰে পৰীক্ষা কৰি চাইছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ 'এই পার্থিৱ ৱৈৰাগ্যবাদ' খণ্ডবাক্যটিৰে ৱেবাৰে কি বুজাইছিল?

.....

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ 'আধ্যাত্মিকতাৰ আহ্বান' বোলা ধাৰণাটো কি?

.....

.....

.....

.....

.....

প্রশ্ন নং ৯ ঃ 'অদৃষ্টবাদ কি?

.....

.....

.....

.....

.....

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ পৰা আমি মেক্স ৱেবাৰে আগবঢ়োৱা ধর্মৰ তত্ত্বটোৰ মৌলিক ধাৰণাবোৰৰ বিষয়ে জানিব পাৰিলোঁ।

- অধ্যায়টিৰ পৰা মেক্স ৱেবাৰে আগবঢ়োৱা পুঁজিবাদৰ সংজ্ঞাটোৰ বিষয়েও জানিব পাৰিলোঁ।
- কার্ল মার্ক্সৰ চিন্তাৰ বিপৰীতে গৈ মেক্স ৱেবাৰে এইবুলি মত পোষণ কৰিছিল যে পুঁজিবাদৰ উত্থান কোনো এক নির্দিষ্ট সাংস্কৃতিক পটভূমিত প্রোথিত হৈ থাকে।
- ৱেবাৰে কোৱা সাংস্কৃতিক পটভূমিৰ এটা মৌলিক উপাদান হ'ল পটভূমিটোত সক্রিয় হৈ থকা সংশ্লিষ্ট ধর্মবোৰৰ নীতি।
- অর্থনৈতিক কার্য্যকলাপবোৰ বিশেষভাৱে আৰু সামাজিক কার্য্য-কলাপবোৰ সাধাৰণভাৱে ধর্মীয় নীতিৰ সৈতে যুক্ত হৈ থাকে।
- ৱেবাৰৰ মতে পুঁজিবাদী কার্য্যকলাপৰ অর্থনৈতিক যুক্তিযুক্ততাৰ সংস্কাৰ সাধন ঘটা প্র'টেষ্টাণ্ট ধর্মীয় সম্প্রদায় আৰু বিশেষভাৱে কেলভিনবাদীসকলে মানি চলা 'এই পার্থিৱ বৈৰাগ্যবাদ'ৰ নীতিৰ সৈতে সম্পর্ক আছে।
- এই নীতি মতে কর্ম হ'ল 'আধ্যাত্মিক আহ্বান', পাপমোচনৰ জৰিয়তে সুনাম আহৰণ কৰিব পৰা এটা ধর্মীয় কর্তব্য।
- প্র'টেষ্টাণ্ট নীতি অনুসৰি মানুহে উমৈহতীয়া কল্যাণৰ বাবে বিনিয়োগ কৰিব পৰাকৈ সম্পত্তি আহৰণ কৰিবলৈ কাম কৰা উচিত।
- এই নীতিত দেখাদেখিকৈ উপভোগ কৰি সম্পত্তি অপচয় কৰা কার্য্যক উচিত বুলি বিবেচনা কৰা নহয়।
- এনে কর্মনীতি অনুসৰণ কৰি আৰু সফলতা লাভ কৰি মানুহে বিশ্বাস কৰিবলৈ লৈছিল যে তেওঁলোক দৈৱনির্দ্ধাৰিত মোক্ষ লাভ কৰিবৰ বাবে ঈশ্বৰে চয়ন কৰা এমুঠিমান লোকৰ মাজৰে একোজন।
- অদৃষ্টবাদী নীতি অথবা পাপমোচন দৈৱনির্দ্ধাৰিত প্রক্রিয়া বুলি ভবা নীতিটো 'এই পার্থিৱ বৈৰাগ্যবাদ'ৰ নীতিৰ সৈতে নিবিড়ভাৱে জড়িত।
- প্র'টেষ্টাণ্ট নীতি আছিল পুঁজি আহৰণ সম্ভৱপৰ কৰি তোলা পুঁজিবাদৰ উত্থান আৰু বিকাশৰ আঁৰৰ প্রধান কাৰণ।
- কর্মৰ সৈতে জড়িত প্র'টেষ্টাণ্ট নীতিত অন্তর্নিহিত হৈ থকা যুক্তিযুক্ততাই মানুহক ঈশ্বৰৰ দৃষ্টিত গৰিমাময় হ'বলৈ কার্য্যত দক্ষতা আহৰণ কৰিবলৈ কয়। ইয়াৰ ফলত সকলো ধৰণৰ ধর্মনিৰপেক্ষ কামতে শ্রমিকসকলে শৃঙ্খলাৱদ্ধতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল।
- ধর্মীয় প্রভাৱ-অনুভূতিহীন যুক্তিযুক্ততাই এক যান্ত্রিক ঔদ্যোগিক সংস্কৃতি গঢ়ি তোলে য'ত মানুহে পাপমোচন আৰু সমূহীয়া কল্যাণৰ দৰে ধাৰণাবোৰ বিবেচনা নকৰাকৈ কেৱল লাভ আহৰণৰ লক্ষ্যেৰে তীব্র প্রতিদ্বন্দ্বিতামূলক কর্মত ব্যস্ত হৈ থাকে।
- ৱেবাৰে পৃথিৱীৰ সর্বত্র প্রচলিত প্রধান ধর্মবোৰ অধ্যয়ন কৰি ধর্ম আৰু অর্থনৈতিক কার্য্যকলাপৰ মাজত থকা সম্পর্ক বিশ্লেষণ কৰিছিল।



১৩.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Weber, Max. (1930) *The Protestant Ethic and the Spirit of Capitalism;* London: Routledge.

2) ———— (1920); *The Sociology of Religion.* London: Methuen & Co. Ltd.



১৩.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ মেক্স ৱেবাৰে পোন প্ৰথমবাৰৰ বাবে অৰ্থনীতি আৰু ধৰ্মৰ মাজৰ সম্পৰ্ক অন্বেষণ কৰি লিখা ৰচনাখনৰ শিৰোনাম হ'ল 'The Protestant Ethic and the Spirit of Capitalism'। ৰচনাখন ১৯০৫ চনত প্ৰকাশিত হৈছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ মেক্স ৱেবাৰে লিখা 'The Protestant Ethic and Spirit of Capitalism' শীৰ্ষক ৰচনাখন আছিল সমাজৰ সংগঠনত পুঁজিবাদ আৰু ইয়াৰ প্ৰভাৱ বুজাত কার্ল মার্ক্সৰ অৰিহণাৰ পুনৰ ব্যাখ্যা কৰাৰ প্ৰয়াস।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মেক্স ৱেবাৰে বিশ্বাস কৰিছিল যে মার্ক্সে পুঁজিবাদৰ বিকাশ আৰু ভৱিষ্যৎ ৰূপান্তৰত যিবোৰ অৰ্থনৈতিক অৱস্থাই নিৰ্ণায়কৰ ভূমিকা লয় বুলি ভাবিছিল সেই সকলোবোৰ অৱস্থা এটা অনন্য সাংস্কৃতিক সমগ্ৰতাৰ অংশ। এই সাংস্কৃতিক সমগ্ৰতা আকৌ এটা নিৰ্দিষ্ট ধৰ্মীয় নীতিৰ ওপৰত নিৰ্ভৰশীল। এই নীতিয়ে যিবোৰ যুক্তিসঙ্গত কাৰ্য্যৰ দিক্ নিৰ্দেশনা আগবঢ়ায় সেইবোৰেই কালক্ৰমত পুঁজিবাদৰ উত্থানৰ কাৰণ হয়গৈ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ৱেবাৰে 'পুঁজিবাদৰ প্ৰাণ' অভিধাৰে পুঁজিবাদৰ উত্থান আৰু বিকাশৰ বাবে প্ৰয়োজনীয় কিছুমান প্ৰমূল্যৰ সমষ্টি এটাৰ কথা বুজাইছিল। এই প্ৰমূল্যবোৰে কঠোৰ পৰিশ্ৰম আৰু উন্নতি কৰাৰ উদ্যমক সামৰি লয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ পুঁজিবাদৰ প্ৰাণ নিৰ্দ্ধাৰণকাৰী কাৰক দুটা হ'ল— এক শৃঙ্খলাৱদ্ধ শ্ৰমিক শক্তি আৰু পুঁজিৰ নিয়ন্ত্ৰিত বিনিয়োগ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ উদ্যোগৰ পৰম্পৰাগত প্ৰকাৰত বৰ্তমানৰ আধুনিক পুঁজিবাদী উদ্যোগত থকাৰ দৰে মুক্ত শ্ৰমিকেৰে গঠিত এক শৃঙ্খলাৱদ্ধ শক্তি আৰু পুঁজিৰ নিয়ন্ত্ৰিত বিনিয়োগ দেখা নাযায়।

৭নং প্ৰশ্নৰ উত্তৰ ঃ 'এই পাৰ্থিৱ বৈৰাগ্যবাদ' খণ্ডবাক্যটিৰে ৱেবাৰে এনে এক ধৰ্মীয় নীতিৰ কথা বুজাইছিল, যিটোৱে সম্পত্তি আৰু সম্পত্তি আহৰণৰ উপায় সংগ্ৰহ কৰাৰ প্ৰৱণতা

তথা এটা ইতিবাচকভাৱে মিতব্যয়ী জীৱন-যাপনৰ ইচ্ছাক একেলগ কৰিছিল। কর্মই যদিও সম্পত্তি আহৰণত সহায় কৰে, তথাপিও আর্জিত সম্পত্তিয়েই শেষ কথা নহয়। বর্তমান সমাজৰ পার্থিৱ কাম-কাজত ব্যস্ত এগৰাকী ব্যক্তি অথবা এইখন পৃথিৱী'ৰ এগৰাকী ব্যক্তিয়ে যদি সম্পত্তিকে সর্বশেষ লক্ষ্য হিচাপে বিবেচনা নকৰে তেন্তে তেওঁকো 'বৈৰাগী' বুলি ক'ব পাৰি।

৮নং প্রশ্নৰ উত্তৰ ঃ 'আধ্যাত্মিক আহ্বান'ৰ ধাৰণাটো হ'ল ধর্মীয় নীতিত থকা কর্মৰ ব্যাখ্যা। ই পার্থিৱ কর্ম-কাণ্ডৰ সৈতে জড়িত কৰণীয়বোৰ সমাধা কৰিবলৈ সকলো ব্যক্তিৰে থকা সর্বোচ্চ নৈতিক বাধ্য বাধকতাৰ কথা বুজায়। উদাহৰণ স্বৰূপে, কেলভিনবাদৰ মতে ঈশ্বৰৰ দৃষ্টিত যশস্যী হ'বলৈ মানুহে চলোৱা প্রয়াস তেতিয়াহে সফল হ'ব যেতিয়া তেওঁ পার্থিৱ কর্ম-কাণ্ডত সক্রিয়তাবাদৰ গুৰুত্ব মানি চলিব।

৯নং প্রশ্নৰ উত্তৰ ঃ অদৃষ্টবাদ মতে মাত্র এমুঠিমান লোককহে ঈশ্বৰে নৰক যাতনাত ভোগাৰ পৰা ৰক্ষা কৰিবলৈ বাছনি কৰি থৈছে। এই বছা বছা এমুঠিমান লোকেহে পৰম মুক্তি লাভ কৰিব। এই লোক কেইজনৰ বাছনি প্রক্রিয়াটো ঈশ্বৰৰ দ্বাৰা নির্দ্ধাৰিত। কিন্তু যিহেতু ঈশ্বৰে কাক কাক বাছনি কৰি থৈছে সেই কথা আমি নাজানো, সেয়েহে প্রতিজন ব্যক্তিয়ে নিজকে পার্থিৱ কাম-কাজত ব্যস্ত ৰখা উচিত। এগৰাকী ব্যক্তিয়ে পার্থিৱ কর্ম-কাণ্ডত জড়িত হৈ 'ভাল কাম'ৰ পাৰদর্শিতা দেখুওৱাটোক তেওঁ যে 'ঈশ্বৰৰ দ্বাৰা বাছি লোৱা এজন' সেই সম্ভাৱনীয়তাৰ ইঙ্গিত বুলি ধৰা হয়।



১৩.১০ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ৱেবাৰৰ ধর্মৰ বিশ্লেষণৰ সামাজিক ক্রিয়াৰ বোধগম্যতাৰ সৈতে কেনেধৰণৰ সম্পর্ক আছে?

প্রশ্ন ২ ঃ পুঁজিবাদৰ বিষয়ত ৱেবাৰৰ সংজ্ঞা আৰু মার্ক্সৰ সংজ্ঞাৰ মাজত কি পার্থক্য আছে?

প্রশ্ন ৩ ঃ অদৃষ্টবাদৰ পুঁজিবাদী কর্মনীতিৰ সৈতে কেনেধৰণৰ সম্পর্ক আছে?

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ প্র'টেষ্টাণ্ট ধর্মীয় নীতি আৰু পুঁজিবাদৰ প্রাণৰ মাজত থকা সম্পর্কটো ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ পুঁজিবাদী উদ্যোগৰ আৰম্ভণিত বিকাশ ঘটা অর্থনৈতিক কার্য্যকলাপৰ যুক্তিযুক্ততাৰ দিশটো পৰৱর্তী সময়ৰ কেনেদৰে উন্নত পুঁজিবাদী সমাজৰ বাবে যুক্তিযুক্ততাৰ লৌহকঠিন সংৰচনাত পৰিণত হ'ল?

*** ***** ***

অধ্যায় ১৪ ঃ ভিলফ্রেড' পাৰেটো'

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ সমাজতত্ত্বৰ বিষয়বস্তু
১৪.৩.১ যৌক্তিক কার্য্য
১৪.৩.২ অ-যৌক্তিক কার্য্য
১৪.৪ অৱশেষ
১৪.৪.১ অৱশেষৰ প্ৰকাৰ
১৪.৫ সিদ্ধান্ত
১৪.৬ অতি ক্ষমতাশালী শ্ৰেণীৰ সঞ্চলন
১৪.৬.১ অতি ক্ষমতাশালী শাসক শ্ৰেণী আৰু শাসন নকৰা অতি ক্ষমতাশালী শ্ৰেণী
১৪.৬.২ শিয়াল আৰু সিংহ
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্ৰগতিৰ খতিয়ান
১৪.১০ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজতত্ত্বৰ বিভিন্ন শাখা গঢ়াত ভিলফ্রেড' পাৰেটো'ৰ অৱদানৰ বিষয়ে জানিব পাৰিব
- পাৰেটো'ই আগবঢ়োৱা সামাজিক কার্য্যৰ সংজ্ঞা বুজি পাব
- অৱশেষ আৰু সিদ্ধান্তৰ সংজ্ঞা বুজি পাব
- সামাজিক পৰিৱৰ্তন বিশ্লেষণ কৰিবলৈ পাৰেটো'ই আগবঢ়োৱা ধাৰণাবোৰৰ প্ৰয়োগ বুজি পাব।

১৪.২ পৰিচয়

সমাজতত্ত্বক এটা অধ্যয়ৰ বিষয় হিচাপে বিকশিত কৰাত ভিলফ্রেড' পাৰেটো'ৰ অপৰিসীম অৱদান আছে। তেওঁ সমাজতত্ত্বৰ তত্ত্ব, সমাজতত্ত্বৰ বিষয়বস্তু আৰু সমাজতত্ত্ব ভিত্তিক অনুসন্ধানৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰি থৈ গেছে। ১৯২২ চনতপ্ৰকাশিত গ্ৰন্থ 'Treatise on General Sociology'ত পাৰেটো'ই সমাজতত্ত্বৰ প্ৰকৃতি বিষয়ক তেওঁৰ ধাৰণাবোৰ সন্নিৱিষ্ট কৰিছে। সমাজৰ

আৰ্হি বৰ্ণনা কৰোঁতে পাৰেটো'ই জৈৱিক নীতিৰ (Organic Analogy) সলনি যান্ত্রিক নীতি (Mechanical Analogy) বাছি লৈছিল। সেয়েহে পাৰেটো'ৰ মতে সমাজ হ'ল পাৰস্পৰিকভাৱে আন্তঃক্রিয়াশীল উপসর্গৰ (Mutually Interating Particles) এটা ব্যৱস্থা। এই উপসর্গবোৰে সাম্যাৱস্থাৰ (Equilibrium) এটা দশাৰ পৰা আন এটা দশালৈ গতি কৰি থাকে। এই সামাজিক ব্যৱস্থা গঠনকাৰী উপাদানবোৰ হ'ল মনোবৈজ্ঞানিক দশাৰ সমষ্টি। এই দশাবোৰক উদ্বুদ্ধকৰণ, আগ্রহ, অৱশেষ আৰু সিদ্ধান্তৰ দৰে সামাজিক কার্য্য, সামাজিক বৈচিত্র্য আৰু স্তৰীভৱন তথা সামাজিক পৰিৱর্তনৰ আঁৰৰ কাৰণ বুলি কোৱা হয়।তলত পাৰেটো'ই আগবঢ়োৱা সামাজিক ব্যৱস্থাৰ এই উপাদানকেইটাৰ বিশ্লেষণ আগবঢ়োৱা হ'ল।

১৪.৩ সমাজতত্ত্বৰ বিষয়বস্তু


বিভিন্ন সমাজতত্ত্ববিদে সমাজতত্ত্বৰ বিভিন্ন বিষয়বস্তু অধ্যয়নৰ ওপৰত জোৰ দিছে। দুৰখেইম সামাজিক সত্যতাবোৰৰ অধ্যয়নৰ ওপৰত জোৰ দিছে। ৱেবাৰে অর্থপূর্ণ সামাজিক কার্য্যৰ অধ্যয়নেই সমাজতত্ত্ব বুলি কৈছে। নিজৰ ৰচনাৱলীৰ যোগেদি পাৰেটো'ই সামাজিক কার্য্যৰ ভিন ভিন প্রকাৰৰ ওপৰত আলোকপাত কৰিছে তেওঁ বিশেষকৈ সমাজ-ৰাজনৈতিক ফলাফল থকা কার্য্যবোৰ বিশ্লেষণ কৰি দেখুৱাইছে। পাৰেটো'ৰ সামাজিক কার্য্যৰ বিশ্লেষণ পদ্ধতি ৱেবাৰৰ 'Verstehen' পদ্ধতি নাইবা আন সমাজতাত্ত্বিকৰ বিশ্লেষণ পদ্ধতিতকৈ যথেষ্ট পৃথক। সামাজিক কার্য্যৰ প্রকাশ্য ৰূপতকৈ পাৰেটো'ই কার্য্যৰ অন্তর্নিহিত নীতিবোৰৰ অধ্যয়নৰ ওপৰত অধিক জোৰ দিছিল। মানুহে সামাজিক আচৰণত কৰা কার্য্য অথবা কোনো এক নির্দিষ্ট দলীয় আচৰণত জড়িত হোৱা কার্য্যৰ আধাৰত এই নীতিবোৰৰ বিষয়ে বুজাটো প্রয়োজনীয় বুলি পাৰেটো'ই মত পোষণ কৰিছিল। তেওঁ এই নীতিবোৰৰ সামাজিক ফলাফল বুজি লৈ ব্যাখ্যা আগবঢ়োৱাৰ লগতে সামাজিক কার্য্যৰ অন্তর্নিহিত কাৰণবোৰৰ ওপৰত আলোকপাত কৰিবলৈ মনোবৈজ্ঞানিক ব্যাখ্যাও ব্যৱহাৰ কৰিছিল। পাৰেটো'ৰ কার্য্যৰ বিষয়ে বুজি লোৱা প্রক্রিয়াটোত কার্য্যৰ আধাৰ নীতিবোৰৰ আঁৰত থকা যুক্তিযুক্ততা আৰু তর্ক অধ্যয়নকো সামৰি লোৱা হৈছে।

সমাজত বাস কৰা মানুহৰ সমাজ-ৰাজনৈতিক কার্য্যৰ আঁৰত সক্রিয় হৈ থকা বিভিন্ন নীতি বুজিবৰ বাবে পাৰেটো'ই কার্য্যক তিনিভাগত ভাগ কৰিছে— প্রবৃত্তিগত কার্য্য (Instinctive Action), যুক্তিসঙ্গত কার্য্য (Rational Action) আৰু অযৌক্তিক কার্য্য (Non-Logical Action) এই কার্য্যকেইটাৰ ভিতৰত সমাজতাত্ত্বিক দৃষ্টিকোণেৰে অনুসন্ধানযোগ্য প্রধান কর্ম দুটা হ'ল যৌক্তিক (Logical) আৰু অযৌক্তিক (Non-Logical) কার্য্য। যৌক্তিক কার্য্যক প্রকাশ্য কাৰণ থকা কার্য্যও বোলা হয়। তলত দুয়োবিধ কার্য্যৰ সংজ্ঞা আৰু বৈশিষ্ট্য বহলাই আলোচনা কৰা হ'ল।

১৪.৩.১ যৌক্তিক কার্য্য (Logical Action)

যিবোৰ কার্য্যৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে এটা যুক্তিসঙ্গত যোগসূত্র থাকে তেনেবোৰ কার্য্যকে যৌক্তিক কার্য্য বোলে। ইয়াৰ অর্থ হ'ল কোনো কর্তাই কৰা কার্য্যৰ আঁৰত এটা যুক্তি লুকাই থাকে।যৌক্তিক কার্য্যত কর্তাই কোনো লক্ষ্যত উপনীত হ'বলৈ উপযুক্ত পন্থা প্রয়োগ কৰে। এই প্রক্রিয়াটোৱে পন্থা আৰু লক্ষ্যৰ মাজত যুক্তিসঙ্গত যোগসূত্র স্থাপন কৰে।যৌক্তিক কার্য্যত কার্য্যটোৰ ঈপ্সিত ফলাফল অথবা লক্ষ্যৰ সৈতে থকা সম্পর্কটো কর্তাৰ মনত পোন প্রথমে এটা বিজ্ঞানসন্মতভাৱে তাৰতম্যপূর্ণ তত্ত্বৰ (Scientifically Variable Theory) দ্বাৰা গঠিত হ'ব লাগিব। যেনে— যদি এজন মানুহে কোনো এখন ঠাইলৈ ৰে'লগাড়ীৰে যাব খোজে তেন্তে তেওঁ প্রথমে সেই ঠাইলৈ ৰে'লগাড়ী চলেনে নাই অথবা সেই ঠাইত ৰে'লগাড়ী ৰ'বলৈ ষ্টেশ্যন আছেনে নাই সেয়া নিশ্চিত হৈ ল'ব লাগিব। যদি সেই নির্দিষ্ট ঠাইখনলৈ ৰে'লগাড়ী নচলে অথবা ঠাইখনত ৰে'ল ষ্টেশ্যন নাই, তেন্তে ঠাইখনলৈ বুলি যিকোনো এখন ৰে'লগাড়ীত উঠি দিয়াটো অর্থহীন কথা হ'ব। ইয়াৰ উপৰি,এইইতিবাচক উপায়-লক্ষ্য সম্পর্কটো (Means-End Relationship) বৈজ্ঞানিক নিৰীক্ষণকাৰীৰ বাবেও নিৰীক্ষণসাধ্য হ'ব লাগিব। অর্থাৎ, যৌক্তিক কার্য্য কেৱল কর্তাৰ বাবেই নহয়, কার্য্যটোৰ পৰা বিচ্ছিন্ন বৈজ্ঞানিক নিৰীক্ষণকাৰীৰ বাবেও বোধগম্য হয়।

কোনো যৌক্তিক কার্য্যৰ আঁৰত থকা তত্ত্বই কর্তাই কোনো এটা কার্য্য কিয় কৰিলে তাৰ কার্যোত্তৰ ব্যাখ্যা আগবঢ়োৱা উচিত। কোনো কার্য্য সংঘটিত হোৱাৰ পাছতহে যৌক্তিক কার্য্যৰ আঁৰৰ তত্ত্ববোৰ সুনিশ্চিত কৰা হয়। এই প্রক্রিয়াটো হ'ল কোনো কার্য্যৰ প্রস্তাৱিত সমাধান পন্থাই কাংক্ষিত ফলাফল লাভ কৰিব পাৰিলেনে নাই সেয়া প্রমাণ কৰি চোৱা প্রক্রিয়া। অর্থাৎ এটা যুক্তিসঙ্গত ব্যাখ্যাৰ জৰিয়তে উপায়-লক্ষ্য সম্পর্কটো নিশ্চিত কৰিব পৰা যিকোনো কার্য্যকে যৌক্তিক কার্য্য বুলি বিবেচনা কৰা হয়। তলত যৌক্তিক কার্য্য ব্যাখ্যাকাৰী চিত্র এখন দিয়া হ'ল—



যদি হত্যাৰ পৰা বিৰত থকাটো (B) কার্য্য হয়, তেন্তে এই কার্য্যৰ আঁৰৰ যুক্তিটো হ'ব মানুহজনে ঈশ্বৰৰ শাস্তিলৈ ভয় কৰে (C)। ইয়াৰ পৰা গম পোৱা গ'ল যে এজন মানুহে কার্য্য আৰু সেই কার্য্যৰ কাৰণৰ মাজত যুক্তিসঙ্গত যোগসূত্র স্থাপন কৰিব পাৰে।

১৪.৩.২ অ-যৌক্তিক কার্য্য (Non-Logical Action)

অ-যৌক্তিক কার্য্য হ'ল যৌক্তিক কার্য্যৰ সম্পূর্ণ বিপৰীত। যিবোৰ কার্য্যৰ একোটা উদ্দেশ্য থাকে কিন্তু উপায়-ফলাফল (অথবা লক্ষ্য) সম্পর্কটো বিজ্ঞানসন্মতভাৱে প্রতিষ্ঠা কৰিব নোৱাৰি তেনেবোৰ কার্য্যকে অ-যৌক্তিক কার্য্য বোলে। পাৰেট'ই বিস্তৃত সংজ্ঞাৰে সামৰি লোৱা যৌক্তিক কার্য্যৰ অন্তর্ভুক্ত নোহোৱা সকলোবোৰ কার্য্যই অ-যৌক্তিক কার্য্য বোলা অৱশেষ ভাগটোত পৰিব। অ-যৌক্তিক কার্য্যৰ ফলাফল লাভত জড়িত কার্য্যপন্থাটো যুক্তিসঙ্গতভাৱে ব্যাখ্যা কৰিব পৰা নাযায়। অ-যৌক্তিক কার্য্য আৰু যুক্তিহীন (Illogical) কার্য্যৰ মাজত পাৰেট'ই কিছুমান পার্থক্য থকাৰ কথা আঙুলিয়াই দেখুৱাইছে। যুক্তিহীন কার্য্যৰ কোনো সামৰণি নাথাকে। ওপৰৰ আলোচনা পঢ়াৰ অন্তত আমি অ-যৌক্তিক কার্য্যক এইধৰণে ব্যাখ্যা কৰিব পাৰোঁ— এগৰাকী ব্যক্তিয়ে কিয় হত্যাৰ পৰা বিৰত আছে তাৰ কাৰণ নিশ্চিতকৈ নজনাকৈয়ে এনেয়ে হত্যাৰ পৰা বিৰত থাকিব পাৰে। ব্যক্তিগৰাকীয়ে ঈশ্বৰৰ শাস্তিৰ ভয়ত অথবা আইন নাইবা অন্য কিহবাৰ দ্বাৰা শাস্তি পোৱাৰ ভয়ত হত্যাৰ পৰা বিৰত থাকিব পাৰে।

সেয়েহে যিবোৰ কার্য্য সম্পাদনৰ উপায় আৰু সামৰণিৰ মাজত যুক্তিসঙ্গত যোগসূত্র স্থাপন কৰিব পৰা নাযায় তাকে অ-যৌক্তিক কার্য্য বোলে। যিহেতু এই সম্পর্ক কার্য্য সম্পাদন হোৱাৰ পাছতো ব্যাখ্যা কৰিব পৰা নাযায়, সেয়েহে অ-যৌক্তিক কার্য্যৰ বস্তুনিষ্ঠ সামৰণিটো (Objective End) বিষয়নিষ্ঠ সামৰণিতকৈ (Subjective End) পৃথক হ'ব পাৰে।অর্থাৎ ই স্পষ্টভাৱে জড়িত নহ'বও পাৰে।ইয়াৰপৰিৱর্তে এনে কার্য্যৰ অভিপ্রায় গুপ্ত হৈ ৰৈ যাব পাৰে অথবা সামৰণিৰ সম্পূর্ণ বিপৰীত যেন লাগিব পাৰে।

ওপৰৰ উদাহৰণৰ পৰা আমি বুজি পালোঁ যে বিভিন্ন কর্তাৰ ওচৰত একে কার্য্য এটাৰ ভিন্‌ভিন্‌ ব্যাখ্যা থাকিব পাৰে।সেয়েহে একেটা কার্য্যৰ একাধিক সংঘটনৰ উপায়-লক্ষ্য সম্পর্কটোৰ সৈতে জড়িত তত্ত্ববোৰো একে হ'ব নোৱাৰে। অ-যৌক্তিক কার্য্যৰ উপায়-লক্ষ্য সম্পর্কৰ বৈজ্ঞানিক একেৰূপতা নিশ্চিত কৰিব পৰা নাযায়। ইয়াক কেৱল বাহ্যিক তত্ত্বৰ আধাৰত আগতীয়াকৈও ক'ব নোৱাৰি। সেয়েহে পাৰেট'ই আমাৰ বেছিভাগ কার্য্যকে অযৌক্তিক শিতানত অন্তর্ভুক্ত কৰিছে। কাৰণ, প্রতিটো ব্যক্তিগত কার্য্য-সম্পাদন প্রক্রিয়া অনুসন্ধান কৰি চোৱাৰ অন্ততহে কার্য্যৰ কাৰণবোৰ ব্যাখ্যা কৰিব পাৰি আৰু তাৰ পাচতহে এজনৰ কার্য্যৰ সৈতে আন এজনৰ কার্য্যৰ তুলনা কৰিব পাৰি। অর্থাৎ, এটা অ-যৌক্তিক কার্য্যৰ ঘটনাক্রমটো এক আৰোহী প্রক্রিয়াৰে (Inductive Procedure– একক উদাহৰণক সার্বজনীন ৰূপে চিন্তা কৰা) ব্যাখ্যা কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ যৌক্তিক কাৰ্য্যৰ সংজ্ঞা দিয়ক।

.....

.....

.....

প্ৰশ্ন নং ২ ঃ অ-যৌক্তিক কাৰ্য্যৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....


প্ৰশ্ন নং ৩ ঃ পাৰেটো'ৰ মতে সমাজত কি কি তিনি প্ৰকাৰৰ কাৰ্য্য দেখা পোৱা যায়।

.....

.....

১৪.৪ অৱশেষ (Residues)

পাৰেটো'ই কোনো কাৰ্য্যৰ আঁৰৰ তত্ত্ব অথবা ব্যাখ্যাক 'ভাও' (Masks) বুলি গণ্য কৰিছিল। তেওঁৰ মতে মানুহৰ নিজ আচৰণক যৌক্তিক বুলি প্ৰতিপন্ন কৰাৰ অথবা যুক্তিকৃত (Logicalize) কৰাৰ চিহ্নিত প্ৰৱণতাটোৱেই হ'ল 'ভাও'। কৰ্তাৰ মানসিক স্থিতিৰ বহিঃপ্ৰকাশেই হ'ল কোনো কাৰ্য্য সম্পাদনৰ আঁৰৰ তত্ত্ব। সেয়েহে, কোনো এক নিৰ্দিষ্ট কাৰ্য্যৰ মূল কাৰণ কাৰ্য্যটোৰ বিষয়ে কৰা ব্যাখ্যাবোৰ নহয়, কৰ্তাৰ মনৰ স্থিতিহে। মনৰ স্থিতিক (The State of Mind) সেয়েহে এটা সামাজিক ব্যৱস্থাতসামাজিক সাম্যৱস্থা বৰ্তাই ৰখা প্ৰকৃতসামাজিক শক্তি বুলি কোৱা হয়। এগৰাকী সমাজতত্ত্ববিদে সেয়েহে সামাজিক কাৰ্য্য নিৰীক্ষণ কৰাৰ সময়ত এনে মানসিক স্থিতিবোৰ চিনাক্ত কৰাৰ আৰু বুজাৰ প্ৰয়াস কৰিব লাগে। এই মানসিক স্থিতিয়ে একেধৰণৰ কাৰ্য্যৰ প্ৰতি কিছু পৰিমাণে একেধৰণৰ মনোভাৱ প্ৰদৰ্শন কৰে যিকোনো কাৰ্য্যৰ সংৰচনাত এনে একেৰূপতাবোৰ ধ্ৰুৱকৰ দৰে উপস্থিত থাকে। অৰ্থাৎ, আপুনি যদি কোনো তত্ত্বৰ পৰা ইয়াৰ সৈতে সংলগ্ন তাৰতম্যপূৰ্ণ অংশবোৰ পৃথক কৰে, তেন্তে আপুনি কিছু অৱশেষ (Residuum) অথবা ধ্ৰুৱক (Constant) উপাদান বাহিৰ কৰিব পাৰিব। বিভিন্ন কাৰ্য্যৰ মাজত থকা সাদৃশ্যপূৰ্ণ এনে ধ্ৰুৱকবোৰক পাৰেটো'ই অৱশেষ (Residue) বুলি কৈছিল। আন অৰ্থত ক'বলৈ হ'লে কোনো কাৰ্য্যৰ অন্তৰ্নিহিত নিৰ্দ্ধাৰক নীতিবোৰেই হ'ল অৱশেষ। তলৰ ৰেখাচিত্ৰটোৰ সহায়ত মানসিক স্থিতি আৰু কাৰ্য্যৰ মাজৰ সম্পৰ্কটো উপস্থাপন কৰা হ'ল—



অৱশেষৰ (Residues) সহজাত প্ৰবৃত্তি (Insticts) আৰু আগ্ৰহৰ (Interest) সৈতে সাদৃশ্য আছে কিন্তু তিনিওটা উপাদানেই সম্পূৰ্ণ একে নহয়। সহজাত প্ৰবৃত্তি হ'ল কোনো এটা নিৰ্দিষ্ট পৰিস্থিতিত ব্যক্তিয়ে প্ৰদৰ্শন কৰা জৈৱ-ৰাসায়নিক প্ৰতিক্ৰিয়া। কিন্তু অৱশেষ জৈৱ-ৰাসায়নিক প্ৰতিক্ৰিয়া নহয়। ই হ'ল কোনো সামাজিক কাৰক (উৎস) থকা মানসিক উপাদান। অৱশেষক ব্যক্তিৰ সহজাত প্ৰবৃত্তিৰ সৈতে সাঙোৰা হয় যদিও ই সকলোবোৰ সহজাত প্ৰবৃত্তিৰ কথা নুবুজায়। যিবোৰ প্ৰবৃত্তিয়ে তত্ত্বৰ যুক্তিযুক্ততা নিৰ্দ্ধাৰণৰ প্ৰয়োজনীয়তা সৃষ্টি কৰে সেই প্ৰবৃত্তিবোৰৰ সৈতে অৱশেষ জড়িত হৈ থাকে। এনে সময়ত অন্য প্ৰবৃত্তিবোৰ লুকাই থাকে। আকৌ, যিবোৰ আগ্ৰহ আৰু লক্ষ্যৰ প্ৰকৃতি যৌক্তিক কিন্তু যিবোৰক তথাপিও অৱশেৰ বুলি গণ্য কৰা হয়, তেনে আগ্ৰহ আৰু লক্ষ্যই কোনো কার্য্যৰ অ-যৌক্তিক অংশটোৰ সংজ্ঞা নিৰ্দ্ধাৰণ কৰে। অৰ্থাৎ, অৱশেষ হ'ল মানসিক স্থিতি। ই সহজাত প্ৰবৃত্তি আৰু আগ্ৰহতকৈ পৃথক। তথাপিও পাৰেটঁই অৱশেষক আৱেগ-অনুভূতিৰ প্ৰকাশক অথবা আৱেগ-অনুভূতিৰ সৈতে খাপ খোৱা প্ৰতিক্ৰিয়া বুলি কৈছিল। আমি প্ৰত্যক্ষভাৱে জানিব নোৱাৰা আবেগ-অনুভূতি আৰু আমাৰ বিশ্বাস প্ৰণালীৰ মধ্যৱৰ্তী অৱস্থাটোৱেই (Intermediary) অৱশেষ। এই অৱশেষবোৰে কার্য্য ৰূপ লোৱাৰ পাচত আমি গম পাওঁ আৰু বিশ্লেষণ কৰিব পাৰোঁ।

১৪.৪.১ অৱশেষৰ প্ৰকাৰ

ভিন্ ভিন্ কার্য্যৰ আঁৰৰ নীতিও বেলেগ বেলেগ হ'ব। একেদৰে, একে কাম এটা কৰাৰ সময়ত ভিন ভিন ব্যক্তিৰ মানসিক স্থিতিও বেলেগ বেলেগ হ'ব। এই দুটা কথাৰ ওপৰত ভিত্তি কৰি পাৰেটঁই অৱশেষক ছটা (৬) প্ৰধান ভাগত ভাগ কৰিছে।

শ্ৰেণী-I ঃ সংযোজনৰ সহজাত প্ৰবৃত্তি (Instincts of combinations)

শ্ৰেণী-II ঃ দলীয় চেষ্টা অথবা সমূহৰ চেষ্টা (Group persistence or Persistence of agregates)

শ্ৰেণী-III ঃ বাহ্যিক কার্য্যৰ (কার্য্যকলাপ, আত্ম প্ৰকাশ দ্বাৰা আবেগ-অনুভূতি প্ৰকাশৰ প্ৰয়োজনীয়তা [Need of expressing sentiments by external acts (Activity, self expression)]

শ্ৰেণী-IV ঃ সামাজিকতাৰ সৈতে সংলগ্ন অৱশেষ (Residues connected with sociality)

শ্ৰেণী-V ঃ ব্যক্তি আৰু তেওঁৰ আনুষঙ্গিক আহিলাৰ মাজত থকা সংহতি (Integrity of the individual and his appurtenances)

শ্ৰেণী-VI ঃ লিঙ্গ অৱশেষ (The sex residue)

ওপৰত উল্লেখ কৰা ভাগবোৰক পুনৰবিভিন্ন উপভাগ আৰু উপভাগবো ভিন্ ভিন্ ভাগত ভাগোৱা হৈছে। পাৰেটে'ই প্রতিটো ভাগকে সমান গৰুত্ব সহকাৰে অধ্যয়ন কৰিছিল যদিও সামাজিক সম্যৱস্থাৰ তদাৰকত ৰাজনৈতিক কার্য্যৰ বিশ্লেষণ কৰিবলৈ তেওঁ প্রথম ভাগ দুটা বিশেষভাৱেআলোচনা কৰিছিল। শ্রেণী-I অৱশেষ অথবা সংযোজনৰ সহজাত প্রবৃত্তিয়ে কিছুমান বস্তুক আন কিছুমান বস্তুৰ সৈতে সংযোজন কৰিব খোজা মানুহৰ সহজাত প্রৱণতাটোৰ কথা বুজায়। পাৰেটে'ৰ মতে সাধাৰণতে সকলো মানুহৰে এই প্রৱণতাটো থাকে আৰু সার্বজনীন ৰূপত ইয়াৰ প্রকাশ ঘটে। মানুহে পৰস্পৰবিৰোধী, বিৰল আৰু অগতানুগতিক বস্তু নাইবা ঘটনাৰ সংযোগ ঘটাব পাৰে। মানুহে, ভাল বস্তুক সৌভাগ্যৱান ঘটনাৰ সৈতে আৰু বেয়া বস্তুক দুর্ভাগ্যজনক ঘটনাৰ সৈতে সংযোগ কৰে। মানুহে এই সংযোজনৰ আঁৰত কোনো যুক্তি বিচাৰি নাপাবও পাৰে।

আনহাতে শ্রেণী-II অৱশেষেসমূহৰ চেষ্টাৰ কথা বুজায়। পাৰেটে'ৰ ব্যাখ্যা মতে কিছুমান সংযোজনে ঘনিষ্ঠভাৱে জড়িত উপাদানৰএকোটা সমূহ গঠন কৰে। শ্রেণী-II অৱশেষে এই একতা সুৰক্ষিত ৰখাৰ প্রয়াস কৰে। যেনে— যান্ত্রিক জড়তাই পদার্থৰ সংহতি সুৰক্ষিত ৰাখিবলৈ যত্ন কৰে। অৱশেষে অন্য প্রবৃত্তিৰ দ্বাৰা ওপজা গতি-বিধিৰ বিৰোধিতা কৰে। যদি সংহতি ভঙ্গ হোৱাটো ৰোধ কৰিব পৰা নাযায় তেন্তে প্রবৃত্তিটোৱে সমূহৰ বাহ্যিক বৈশিষ্ট্যবোৰ সংৰক্ষণ কৰি এই ঐক্যভঙ্গ প্রক্রিয়াটো লুকুৱাবলৈ চেষ্টা কৰে। সকলো মানুহেই শ্রেণী-II অৱশেষ প্রদর্শন কৰে। এই অৱশেষৰ ক্রিয়া অনুসৰি মানুহে পৰস্পৰৰ সৈতে থকা ব্যক্তিগত সম্পর্ক, এটা পৰিয়ালে আন এটা পৰিয়ালৰ সৈতে অথবা সম্প্রদায়ৰ সৈতে থকা সম্পর্ক সংৰক্ষণ কৰাৰ চেষ্টা কৰে। মানুহে আনকি বিমূর্ততাৰ চেষ্টা (Persistence of Abstractions) আৰু সমৰূপতাৰ চেষ্টা (Persistence of Uniformities) কৰাও দেখা যায়।

এই অৱশেষ দুটাৰ বিষয়ে ১৪.৬নং শিতানত অতি ক্ষমতাশালী শাসক শ্রেণীৰ সমাজ-ৰাজনৈতিক আচৰণ সম্পর্কে কৰা আলোচনাত অধিক বিস্তৃতভাৱে পঢ়াৰ সুযোগ পাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অৱশেষ মানে কি?

.....

.....

.....

প্রশ্ন নং ৫ ঃ পাৰেটে'ই বহলভাৱে ব্যাখ্যা কৰা অৱশেষ শ্রেণী দুটাৰ নাম লিখক।

.....

.....

.....

প্রশ্ন নং ৬ ঃ অৱশেষ আৰু সহজাত প্রবৃত্তিৰ মাজত কি প্রভেদ আছে?


.....

.....

.....

১৪.৫ সিদ্ধান্ত (Derivations)

ওপৰৰ আলোচনাৰ পৰা গম পালো যে কোনো এক নির্দিষ্ট কার্য্যৰ আঁৰত থকা কর্তাৰ মানসিক স্থিতি অথবা ধ্রুৱক উপাদানবোৰকে অৱশেষ বোলে। এই ধ্রুৱক উপাদানবোৰৰ পৰা কোনো কার্য্য সম্পর্কে আমি কিছুমান ব্যতিক্রম যুক্তি (Variable Arguments), ব্যাখ্যা আৰু ন্যায্যতা প্রতিপাদন (Justification) বাহিৰ কৰিব পাৰো। এই ব্যতিক্রমবোৰে এটা নির্দিষ্ট কার্য্যৰ আঁৰত থকা যুক্তিযুক্ততা অথবা তর্ক ব্যাখ্যা কৰাত সহায় কৰে। এইবোৰে মিলি কোনো এক নির্দিষ্ট কার্য্যৰ তত্ত্বৰ চূড়ান্ত অংশটো গঠন কৰে। পাৰেট'ই তত্ত্বৰ এনেবোৰ ব্যতিক্রম যৌক্তিক উপাদানক (Variable Deductive Elements) সিদ্ধান্ত (Dervation) নাম দিছিল। অৱশেষ আৰু সিদ্ধান্তৰে সৈতে সমগ্র তত্ত্বটোক 'প্রাপ্ত সিদ্ধান্ত' (Derivate or Derivative) বোলা হৈছিল। তলৰ ৰেখাচিত্রখনত কার্য্য, কার্য্যৰ আঁৰৰ অৱশেষ আৰু বিপৰীত যুক্তি ব্যাখ্যা (Obvert Explanation) অথবা সিদ্ধান্তৰ মাজত থকা সম্পর্ক উপস্থাপন কৰা হৈছে।



অৱশেষৰ দৰে সিদ্ধান্তকো পাৰেট'ই চাৰিটা ভাগত ভগাইছে।

শ্রেণী-I ঃ পৰীক্ষামূলক অথবা কাল্পনিক সত্য আৰু আবেগ-অনুভূতিৰ সত্যতা প্রতিষ্ঠা কৰা। এই শ্রেণীৰ সিদ্ধান্তই সম্পর্কবোৰক সামৰি লয়।

শ্রেণী-II ঃ ব্যক্তি, পৰম্পৰা, সামাজিক ৰীতি আৰু প্রথা, ঐশ্বৰিক সত্তা অথবা ঈশ্বৰৰ অৱতাৰ বুলি গণ্য কৰা ব্যক্তি বিশেষৰ কর্তৃত্ব। ইয়াক সৈমান কৰোৱাৰ পন্থা হিচাপে প্রয়োগ কৰা হয়।

শ্রেণী-III ঃ আবেগ-অনুভূতি অথবা নীতিৰসামঞ্জস্য বুলিলে কোনো ধাৰণা অথবা কার্য্য সম্পর্কে মানুহৰ মতৰ মিল থকা কথাটোকেসাধাৰণতে বুজোৱা হয়। যেনে— ভগৱান নামৰ এক ঐশ্বৰিক শক্তিৰ অস্তিত্ব সম্পর্কে থকা সার্বজনীন ঐক্যমত।

শ্রেণী-IV ঃ অনির্ণিত, সন্দেহজনক, দ্ব্যর্থক অর্থযুক্ত আৰু বাস্তৱৰ সৈতে সামঞ্জস্য নথকা অভিধা ব্যৱহাৰ কৰি আহৰণ কৰা মৌখিক প্রমাণ অথবা মৌখিক সিদ্ধান্ত।

এই চাৰি প্রকাৰৰ সিদ্ধান্তই তর্ক অথবা যুক্তিযুক্ততাৰ চাৰিটা প্রধান ভাগৰ প্রতিনিধিত্ব কৰে। এই তর্ক অথবা যুক্তিযুক্ততা প্রদর্শন কৰি মানুহে নিজ কার্য্যৰ আঁৰৰ কাৰণবোৰক ন্যায্যতা প্রদান কৰে। সিদ্ধান্ত হ'ল অৱশেষৰ কার্য্যকলাপ গভীৰতৰ কৰি তোলাৰ মাধ্যম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ সিদ্ধান্তৰ সংজ্ঞা দিয়ক।

.....

.....

.....

প্রশ্ন নং ৮ ঃ সামাজিক কার্য্য সংজ্ঞাৱদ্ধ কৰাত সিদ্ধান্তৰ কাম কি?

.....

.....

প্রশ্ন নং ৯ ঃ প্রাপ্ত সিদ্ধান্ত মানে কি?

.....

.....

১৪.৬ অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন (Circulation of Elites)

অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলনৰ তত্ত্বটো হ'ল সমাজতত্ত্বলৈ ভিলফ্রেড' পাৰেট'ৰ এটা প্রধান অৱদান। অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন তত্ত্বটোৰ ব্যাখ্যাত পাৰেট'ৰ আন সকলোবোৰ গুৰুত্বপূর্ণ তাত্ত্বিক ধাৰণাক সামৰি লোৱা হৈছে। সমাজ-ৰাজনৈতিক কার্য্যকলাপ আৰু সমাজৰ ৰাজনৈতিক সংগঠনবোৰৰ কার্য্য সম্পাদন নীতিত অৱশেষ আৰু সিদ্ধান্তৰ কৰণীয়বোৰো এই ব্যাখ্যাই সামৰি লৈছে। তত্ত্বটোৱে এটা সামাজিক ব্যৱস্থাত সাম্যৱস্থা বর্তাই ৰখা প্রক্রিয়াটোও বর্ণনা কৰিছে। সামাজিক পৰিৱর্তন আৰু ইয়াৰ গতিশীল চৰিত্র অধ্যয়নত পাৰেট'ৰ অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন তত্ত্বটোৰ গুৰুত্বপূর্ণ অৱদান আগবঢ়াই আহিছে।

পাৰেটে'ই সামাজিক ব্যৱস্থাৰ এক সংমিশ্রিত বৈশিষ্ট্য আছে বুলি কৈছিল। সামাজিক ব্যৱস্থা এটাৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াত এই সংমিশ্রিত প্রকৃতিয়ে এক গুৰুত্বপূর্ণ উপাদান হিচাপে কাম কৰে। এই প্রকৃতিটোৱে সমাজ ব্যৱস্থাটোৰ সাম্যৱস্থা বতাঁই ৰখাৰ চেষ্টা কৰে। মানুহো স্বভাৱ আৰু সামাজিক আচৰণৰ ফালৰ পৰা সংমিশ্রিত প্রকৃতিৰ। ব্যক্তি আৰু গোটবোৰ পৰস্পৰে পৰস্পৰতকৈ বিভিন্ন কাৰণত পৃথক। এই বিভিন্নতা প্রতিভা, সামর্থ আৰু কার্য্য সম্পাদন পদ্ধতিৰ ক্ষেত্রতো দেখা যায়। সামাজিক গোটবোৰৰ ভিতৰতো কিছুমান ব্যক্তি আন কিছুমানতকৈ অধিক সক্ষম। সেয়েহে পাৰেটে'ই 'অতি ক্ষমতাশালী শ্রেণী' (Elite) বুলি সমাজৰ সেইসকল লোকক বুজাইছে যিসকলে যিকোনো কাম-কাজ কৰিবলৈ সবাতোকৈ সামর্থৱান। এনে লোকসকল নিজ নিজ দলৰ ভিতৰত নির্বাচিত লোক।

ওপৰত উল্লেখ কৰা শ্রেণীটোৰ সৈতে সংলগ্ন বৈশিষ্ট্যবোৰ পূৰ কৰিব নোৱাৰা আন সকলো লোককে পাৰেটে'ই অ-ক্ষমতাশালী শ্রেণীৰ (Non Elite) অন্তর্ভূক্ত কৰিছে। অ-ক্ষমতাশালী শ্রেণীটোৰ কোনো বিশেষ গুণ নাথাকে। তেওঁলোকক সমাজৰ একেবাৰে তলশ্রেণীৰ বাসিন্দা বুলি ধৰা হয়। অতি ক্ষমতাশালী শ্রেণীটো যিকোনো সমাজৰে উচ্চস্তৰটোৰ বাসিন্দা। অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলনক আকৌ অতি ক্ষমতাশালী শাসক শ্রেণী (Governing) আৰু শাসন নকৰা অতি ক্ষমতাশালী শ্রেণীৰ (Non-Governing Elite) ধৰণা দুটাৰ সৈতে যুক্ত কৰি অধ্যয়ন কৰা হৈছে।

১৪.৬.১ অতি ক্ষমতাশালী শাসক শ্রেণী আৰু শাসন নকৰা অতি ক্ষমতাশালী শ্রেণী (Governing Elites and Non-Governing Elit)

পাৰেটে'ই সমাজৰ সর্বোচ্চ শ্রেণীটোক পুনৰ দুটাভাগত ভাগ কৰিছে। অতি ক্ষমতাশালী শ্রেণীটোৰ যিসকলে প্রত্যক্ষ অথবা পৰোক্ষভাৱে শাসন কার্য্যত ভাগ লয় তেওঁলোকক 'অতি ক্ষমতা শালী শাসক শ্রেণী' (Governing Elit) আৰু চৰকাৰত কোনো ভূমিকা পালন নকৰা সকলক 'শাসন নকৰা অতি ক্ষমতাশালী শ্রেণী (Non-Governing Elites) বোলা হয়। অতি ক্ষমতাশালী শাসক শ্রেণীটোৰ শাসন কৰিব পৰা সবাতোকৈ উপযুক্ত গুণসমূহ থাকে। শাসন নকৰা অতি ক্ষমতাশালী শ্রেণীটোৰ ক্ষেত্রত এনে গুণৰ অভাৱ দেখা যায়।

অতি ক্ষমতাশালী শাসক শ্রেণীৰ গোট এটাৰ বৈশিষ্ট্য হ'ল সামাজিক গতিশীলতাৰ সৈতে থকা ইয়াৰ বন্ধ অথবা মুক্ত মানসিকতা। ইয়াৰ অর্থ হ'ল অতি ক্ষমতাশালী শাসক শ্রেণীৰ সদস্য পদ সমাজৰ সকলো সদস্যৰ বাবে খোলা। কথাটো গণতন্ত্রৰ সৈতে মিলে। কিন্তু জোঁটাধিপত্য (Oligarchy) প্রচলিত থাকিলে আকৌ এই বিশেষ শ্রেণীটোত কোনেও নতুনকৈ প্রৱেশ কৰিব নোৱাৰে। পাৰেটে'ই ইয়াকো কৈছে যে অ-ক্ষমতাশালী শ্রেণীৰ (Non-Elite) লোকে যদি নিজৰ গুণবোৰ পৰিশোধিত কৰে আৰু তেওঁলোকৰ সামাজিক পৰিস্থিতি উন্নত হয়, তেন্তে সময়ে সময়ে তেওঁলোকক

অতি ক্ষমতাশালী শ্রেণীৰ অন্তর্গত বুলি ধৰা হয়। একেদৰে অতি ক্ষমতাশালী শাসক শ্রেণীৰ সদস্যয়ো অ-ক্ষমতাশালী লোকৰ শাৰীলৈ অৱনমিত হ'ব পাৰে। এই প্রক্রিয়াটোকে অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন বোলে। অর্থাৎ, শাসনৰ পৰিৱর্তন ঘটোৱাৰ প্রয়োজনীয়তাৰ বাবে অতি ক্ষমতাশালী আৰু অ-ক্ষমতাশালীয়ে পৰস্পৰে পৰস্পৰক নিজ স্থানৰ পৰা আঁতৰোৱাৰ প্রক্রিয়াটোকে পাৰেট'ই 'অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন' বুলি উল্লেখ কৰিছিল।

১৪.৬.২ শিয়াল আৰু সিংহ (Foxes and Lions)

অতি ক্ষমতাশালী শ্রেণীৰসঞ্চলন ঘটাৰ আন এটা পন্থা হ'ল শাসক আৰু শাসন নকৰা শ্রেণীৰ মাজত হোৱা স্থান বদলিকৰণ। পাৰেট'ৰ ব্যাখ্যা মতে শাসক শ্রেণীৰ সদস্যসকলে সমাজত দুই ধৰণে শাসন চলাব পাৰে— বলপূর্বক আৰু সন্মতিসাপেক্ষে। শাসক শ্রেণীটোৱে ইয়াৰে যিকোনো এটা উপায় গ্রহণ কৰে। কিন্তু এটা শ্রেণীয়ে দুয়োটা উপায়েৰে শাসন কৰিব নোৱাৰে। যদি কোনো এটা শাসক শ্রেণীয়ে উপৰি উক্ত যিকোনো এটা শাসন পদ্ধতি উপযুক্ত মাত্রাত প্রয়োগ কৰাৰ সামর্থ আৰু ইচ্ছা প্রকাশ কৰিব নোৱাৰে তেন্তে সেই শ্রেণীটোক ক্ষমতাৰ পৰা আঁতৰোৱা হ'ব পাৰে। শাসনৰ এই দুটা বিশেষ উপায়ৰ ভিত্তিত পাৰেট'ই শাসক শ্রেণীটোক 'শিয়াল' আৰু 'সিংহ' এই দুভাগত ভাগ কৰিছে। এই অভিধা দুটাৰ প্রকৃত জনক হ'ল নিক'ল' মেকিয়াভেলি। পাৰেট'ই ধাৰণা দুটাৰ আৰ্হি পুনৰ প্রস্তুত কৰি দুয়োটা ধাৰণাকে দুবিধ প্রধান অৱশেষৰ সৈতে যুক্ত কৰিছিল।

অতি ক্ষমতাশালী শাসক শ্রেণীটোৰ এটা ভাগে চৰকাৰ গঠন কৰিবলৈ আৰু চৰকাৰখন বর্তাই ৰাখিবলৈ জনগণৰ সমর্থন আৰু সন্মতি আদায় কৰিবলৈ 'সৈমান কৰোৱা পন্থা'ৰ সহায় লয়। সৈমান কৰোৱা পন্থা হ'ল শাসনৰ এটা অহিংস পন্থা। ই জনগণৰ স্বার্থ আৰু আবেগ-অনুভূতিক প্রভাৱিত কৰিব পাৰে বাবে এই পদ্ধতিৰ জৰিয়তে জনগণৰ সন্মতি সহজে আদায় কৰিব পাৰি। সৈমান কৰোৱা (Persuation) আৰু ছলনা (Guile) হ'ল শ্রেণী অৱশেষ অথবা সংযোজনৰ অৱশেষৰ অনুৰূপ। পাৰেট'ই এই শ্রেণীৰ শাসকক শিয়ালৰ সৈতে তুলনা কৰিছে। যিটো গোটৰ চৰিত্রত এই অৱশেষ থাকে সেই গোটটোৱে বর্তমান মুহূর্ত এটা এখন সমাজৰ সদস্যৰ সন্মতি প্রয়োগৰ বিষয়ে চিন্তিত হৈ থাকে। সেয়েহে এই শ্রেণীটোৱে পৰিৱর্তন প্রতি উদাৰ মনোভাৰ পোষণ অথবা শাসন নীতিত পৰিৱর্তন সাধন কৰে।

অতি ক্ষমতাশালী শাসক শ্রেণীৰ আনটো ভাগে জনগণৰ সন্মতি আদায় কৰিবলৈ হিংসাত্মক পন্থা অথবা দমন-নিপীড়নৰ সহায় লয়। অৱশ্যে হিংসাত্মক পন্থাৰ প্রয়োগক নিয়মীয়া নীতিত পৰিণত কৰিব পৰা নাযায়। কেৱল ব্যতিক্রম পৰিস্থিতি আৰু সৰু সৰু গোটৰ ওপৰতহে হিংসাক শাসনৰ উপায় হিচাপে ব্যৱহাৰ কৰিব পাৰি। পাৰেট'ৰ মতে শ্রেণী-II অৱশেষ, অথবা সমূহৰ চেষ্টাত দমন-নিপীড়ণৰ অনুৰূপ অৱশেষ পোৱা যায়।

দমন-নিপীড়ণক (Coercian) সেয়েহে প্রচলিত সমাজিক ক্রমটো বর্তাই ৰখাৰ এটা গুৰুত্বপূর্ণ উপায় বুলি গণ্য কৰা হয়। এনে অৱশেষ থকা শাসক শ্রেণীটোৱে উদ্ভাৱন প্রতিহত কৰাৰ আৰু পুৰণি ৰূপ তথা পৰম্পৰা সংৰক্ষণ কৰাৰ চেষ্টা কৰে। এনে কিছুমান বৈশিষ্ট্যৰ বাবে পাৰেটে'ই এই ভাগটোক 'সিংহ' বুলি কৈছে।

এখন সমাজৰ অর্থনীতিৰ তদাৰক কৰা ক্ষমতাশালী শ্রেণীটোৰ ক্ষেত্রতে পাৰেটে'ই এনে শ্রেণীবিভাজন কৰিছিল। তেওঁ লাভ-লোকচান পুনৰীক্ষণকাৰী (Speculator) আৰু বিনিয়োজকৰ (Rentiers) মাজত থকা পার্থক্যবোৰ চিনাক্ত কৰিছিল। তেওঁৰ মতে লাভ-লোকচান পুনৰীক্ষণকাৰীৰ গাত শ্রেণী-I অৱশেষ থাকে। সেয়েহে তেওঁলোকে আয় বৃদ্ধি কৰিবলৈ উদ্ভাৱনমূলক ব্যৱস্থা গ্রহণ কৰিব পাৰে। আনহাতে, অর্থনৈতিক সুস্থিৰতা বর্তাই ৰখাৰ দায়িত্ব বিনিয়োজকসকলে পালন কৰে।

সামাজিক সাম্যৱস্থা বর্তাই ৰাখিবলৈ ওপৰত উল্লেখ কৰা দুয়োধৰণৰ অৱশেষ চৰকাৰত থকা প্রয়োজন। মাত্র এবিধ অৱশেষৰ উপস্থিতিয়ে পাচলৈ গৈ সমাজৰ সাম্যৱস্থা নষ্ট কৰিব আৰু আনবিধ উপাদানৰ অভাৱত সমতা নাইকিয়া হ'ব। শিয়াল শ্রেণীটোৰ শক্তি বাঢ়ি গ'লে এটা সময়ত ই সমাজত অস্থিৰতা আৰু ক্ষমতাৰ দূর্নীতি সৃষ্টি কৰিব। আনহাতে, উদ্ভাৱন অবিহনে সিংহ শ্রেণীটোৱে এটা সময়ত সমাজত নিশ্চলতা আৰু পতন কঢ়িয়াই আনিব। এনে পৰিস্থিতিৰ সৃষ্টি হ'লে দুয়োটা শ্রেণীয়ে ইটোৱে সিটোক ক্ষমতাৰ পৰা আঁতৰ কৰে আৰু সামাজিক সাম্যৱস্থা পুনৰ ঘুৰাই অনাৰ উদ্দেশ্যেৰ এটা নতুন সমাজ-ৰাজনৈতিক শৃঙ্খলাৰ উত্থান ঘটে।

ওপৰৰ আলোচনাৰ পৰা আমি ভিলফ্রেড' পাৰটে'ই সামাজিক ব্যৱস্থাৰ কার্য্য সম্পাদন পদ্ধতি ব্যাখ্যা কৰিবলৈ বিকাশ ঘটোৱা যৌক্তিক আৰু অ-যৌক্তিক কার্য্য, অৱশেষ আৰু সিদ্ধান্ত তথা অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন আদিৰ দৰে ধাৰণাবোৰ সম্পর্কে জানিব পাৰিলোঁ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ অতি ক্ষমতাশালী শ্রেণী বুলি কাক কোৱা হয়?

.....

.....

.....

প্রশ্ন নং ১১ ঃ শাসন কার্য্য চলোৱা ক্ষমতাশালী শ্রেণীটোৰ উপ-ভাগ দুটা কি কি?

.....

.....

.....

.....

প্ৰশ্ন নং ১২ ঃ সৈমান কৰোৱা আৰু দমন-নিপীড়নৰ অৱশেষৰ সৈতে কি সম্পৰ্ক আছে।

.....

.....

.....

.....



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ পৰা আমি সমাজতত্ত্বৰ বিষয়বস্তুৰ সংজ্ঞা নিৰ্দ্ধাৰণত ভিলফ্রেড' পাৰেটৰ অৱদানৰ বিষয়ে জনাৰ সুযোগ পালোঁ।
- পাৰেটই সমাজতাত্ত্বিক বিশ্লেষণৰ বাবে বহুতো নতুন ধাৰণা সৃষ্টি কৰিছিল। এনে ধাৰণা দুটামান হ'ল— যৌক্তিক আৰু অ-যৌক্তিক কাৰ্য্য, অৱশেষ আৰু সিদ্ধান্ত, অতি ক্ষমতাশালী শ্ৰেণীৰ সঞ্চলন ইত্যাদি।
- পাৰেটই সমাজক এটা ব্যৱস্থাৰূপে কল্পনা কৰিছিল। তেওঁৰ মতে এই ব্যৱস্থাটো সুচাৰুৰূপে চলি থাকিবলৈ এক সাম্যৱস্থা বৰ্তি থকাৰ প্ৰয়োজন।
- পাৰেটৰ মতে সমাজতাত্ত্বিক বিশ্লেষণৰ উদ্দেশ্য হ'ল সামাজিক কাৰ্য্যৰ অন্তনিৰ্হিত নীতিবোৰ বুজি উঠা।
- এটা সামাজিক ব্যৱস্থাত সামাজিক সাম্যৱস্থা বৰ্তাই ৰখা প্ৰণালীটো বুজিবলৈ হ'লে সামাজিক কাৰ্য্যৰ অন্তনিৰ্হিত নীতিবোৰৰ অধ্যয়ন কৰা দৰকাৰ।
- পাৰেটই যৌক্তিক আৰু অ-যৌক্তিক কাৰ্য্যৰ মাজত থকা প্ৰভেদ নিৰ্ণয় কৰিছিল।
- সমাজতাত্ত্বিক ধাৰণাটোৱে কোনো সামাজিক কাৰ্য্য সংঘটন কৰাৰ আঁৰত থকা নীতি অথবা কৰ্তাৰ মানসিক স্থিতি জনাত সহায় কৰে।
- অতি ক্ষমতাশালী শ্ৰেণীত সঞ্চলন হ'ল বিভিন্ন ধৰণৰ অৱশেষে ক্ৰিয়া কৰাৰ ফলত কেনেদৰে সামাজিক সাম্যৱস্থা বৰ্তি থাকে তাৰ এক উদাহৰণ।



১৪.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Coser, Lewis A. (2013); *Masters of Sociological Thought: Ideas in Historical and Social Context*; Delhi, Jaipur: Rawat Publication.
2) Mirfin, Derick (1996). *Vilfredo Pareto: Sociological Writings*; London: Pall Mall Press.



১৪.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ কার্য্যৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে এটা যুক্তিসঙ্গত যোগসূত্র থাকে তেনেবোৰ কার্য্যক যৌক্তিক কার্য্য বোলে। ইয়াৰ অর্থ হ'ল কর্তাই কৰা কার্য্যৰ আঁৰত এটা যুক্তি লুকাই থাকে।

২নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ কার্য্যৰ একোটা উদ্দেশ্য থাকে কিন্তু উপায়-ফলাফল (অথবা লক্ষ্য) সম্পর্কটো বিজ্ঞানসম্মতভাৱে প্রতিষ্ঠা কৰিব নোৱাৰি তেনেবোৰ কার্য্যকে অ-যৌক্তিক কার্য্য বোলে। অ-যৌক্তিক কার্য্যৰ ফলাফল লাভত জড়িত কার্য্যপন্থাটো যুক্তিসঙ্গতভাৱে ব্যাখ্যা কৰিব পৰা নাযায়।

৩নং প্রশ্নৰ উত্তৰ ঃ পাৰেট'ৰ মতে সমাজত প্রবৃত্তিগত, যুক্তিসঙ্গত আৰু অ-যৌক্তিক এই তিনি ধৰণৰ কার্য্য দেখা পোৱা যায়।

৪নং প্রশ্নৰ উত্তৰ ঃ পাৰেট'ৰ মতে কোনো এক নির্দিষ্ট কার্য্য সংঘটিত হোৱাৰ প্রধান কাৰণ হ'ল কর্তাৰ অন্তর্নিহিত মানসিক স্থিতি। এই মানসিক স্থিতিয়ে যিকোনো প্রদত্ত কার্য্যতত্ত্বতে ধ্রুৱকৰ ভূমিকা লয়। পাৰেট'ই কার্য্যৰ এই ধ্রুৱক উপাদানবোৰকে অৱশেষ বুলি কৈছিল।

৫নং প্রশ্নৰ উত্তৰ ঃ পাৰেট'ৰ সমাজ-ৰাজনৈতিক পটভূমিত বহলভাৱে ব্যাখ্যা কৰা অৱশেষ শ্রেণী দুটা হ'ল— শ্রেণী-I ঃ সংযোজনৰ সহজাত প্রবৃত্তি আৰু শ্রেণী-II ঃ দলীয় চেষ্টা অথবা সমূহৰ চেষ্টা।

৬নং প্রশ্নৰ উত্তৰ ঃ অৱশেষক বৃত্তিৰ সহজাত প্রবৃত্তিৰ সৈতে সাঙোৰা হয় যদিও ই সকলোবোৰ সহজাত প্রবৃত্তিৰ কথা নুবুজায়। যিবোৰ প্রবৃত্তিয়ে তত্ত্বৰ যুক্তিযুক্ততা নির্দ্ধাৰণৰ প্রয়োজনীয়তাৰ সৃষ্টি কৰে সেই প্রবৃত্তিবোৰৰ সৈতে অৱশেষ জড়িত হৈ থাকে।

৭নং প্রশ্নৰ উত্তৰ ঃ কোনো এক নির্দিষ্ট কার্য্যৰ আঁৰৰ যুক্তিযুক্ততা অথবা তর্ক ব্যাখ্যা কৰাত সহায় আগবঢ়োৱা ব্যতিক্রমবোৰকে সিদ্ধান্ত বোলে। সিদ্ধান্তবোৰে অৱশেষৰ সৈতে মিলি কোনো নির্দিষ্ট কার্য্যৰ সৈতে জড়িত তত্ত্বৰ এটা অংশ গঠন কৰে।

৮নং প্রশ্নৰ উত্তৰ ঃ মানুহে নিজৰ কার্য্যৰ আঁৰৰ কাৰণবোৰক ন্যায্যতা প্রদান কৰিবলৈ যিবোৰ তর্ক অথবা যুক্তিযুক্ততা প্রদর্শন কৰে সেইবোৰেই সিদ্ধান্ত।

৯নং প্রশ্নৰ উত্তৰ ঃ কোনো এক নির্দিষ্ট সামাজিক কর্মৰ অৱশেষ তথা সিদ্ধান্তৰ সৈতে সমগ্র তত্ত্বটোক প্রাপ্ত সিদ্ধান্ত বোলে।

১০নং প্রশ্নৰ উত্তৰ ঃ সামাজিক গোটবোৰৰ ভিতৰত কিছুমান ব্যক্তি আন কিছুমানতকৈ অধিক সক্ষম। পাৰেট'ৰ মতে যিসকলে সমাজৰ যিকোনো কাম-কাজ কৰিবলৈ সবাতোকৈ সামর্থবান তেওঁলোকেই এখন সমাজৰ 'অতি ক্ষমতাশালী শ্রেণী'।

১১নং প্রশ্নৰ উত্তৰ ঃ শাসন কার্য্য চলোৱা ক্ষমতাশালী শ্রেণীটোৰ উপ-ভাগ দুটা হ'ল শিয়াল আৰু সিংহ। এই শ্রেণীবিভাজনটো মূলতঃ এটা মেকিয়াভেলিয়ান ধাৰণাৰ বিস্তৃত ব্যাখ্যা। শিয়াল শ্রেণীটোৰ গাত সংযোজনৰ অৱশেষ অথবা শ্রেণী-I অৱশেষ বেছিকৈ থাকে । আনহাতে সিংহ শ্রেণীটোৰ গাতসমূহৰ চেষ্টা অথবা শ্রেণী-II অৱশেষ বেছিকৈ থাকে।

১২নং প্রশ্নৰ উত্তৰ ঃ সামাজিক সাম্যৱস্থা বর্তাই ৰখাত দুই ধৰণৰ শাসন পন্থাই সহায় কৰে বুলি পাৰেট'ই মত প্রকাশ কৰিছে। পন্থা দুটা হ'ল— সৈমান কৰোৱা আৰু দমন-উৎপীড়ন কৰা। সৈমান কৰোৱা পন্থাৰ সৈতে শ্রেণী-I অৱশেষ অর্থাৎ সংযোজনৰ অৱশেষ সংলগ্ন হৈ থাকে। দমন-উৎপীড়ন হ'ল শ্রেণী-II অৱশেষ অর্থাৎ সমূহৰ চেষ্টা অৱশেষৰ অনুৰূপ।



১৪.১০ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ যৌক্তিক আৰু অ-যৌক্তিক কার্য্যৰ মাজত কি পার্থক্য আছে।

প্রশ্ন ২ ঃ অৱশেষ আৰু সিদ্ধান্তৰ মাজত কি পার্থক্য আছে?

প্রশ্ন ৩ ঃ অতি ক্ষমতাশালী শাসক শ্রেণীটোৰ ভাগ দুটাৰ মাজত থকা প্রভেদবোৰ বাহিৰ কৰক।

খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ পাৰেট'ৰ মতে কার্য্য আৰু অৱশেষৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলনৰ কাৰণ আৰু ফল বহলাই ব্যাখ্যা কৰক।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) শ্রীগুণমনি নাথ; *সমাজতত্ত্বৰ সিদ্ধান্ত পৰিচয়;* গোলাঘাট ঃ ভাগৱতী প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Abel, T. (1970); *The Foundation of Sociological Theory*; New York: Random House.
2) Abraham, Francis and Morgan, J. H. (2011); *Sociological Thought*; India: Macmillan Publishers India Ltd.
3) Adams, Bert N. and Sydie, R. A. (2002); *Sociological Theory*; New Delhi: Vistaar Publication.
4) Ashley, D.; Orenstein, D. M. (1998); *Sociological Theory Classical Statements*; Boston: Allyn and Bacon.
5) Bottomore, Tom (Eds.) (2001); *A Dictionary of Marxist Thought*; USA: Blackwell Publisher.
6) Coser, Lewis A. (2010); *Masters of Sociological Thought*; New Delhi: Rawat Publication.
7) Durkheim, Emile (1956); *Education and Sociology*; New York: The Free Press.
8) Durkheim, Emile (1961); *Moral Education: A study in Theory and Application of Sociology of Education;* New York: The Free Press.
9) Dwyer, P. G. and Peter McPhee (Eds.) (2002); *The French Revolution and Napoleon: A Sourcebook*; London: Routledge.
10) Fletcher, Ronald (1972); *The Making of Sociology: A Study of Sociological Theory*, (Vol. I); London: Thomas Nelson and Sons Ltd.
11) Foley, D. K. (1986); *Understanding Capital: Marx's Economic Theory*; London: Harvard University Press.
12) Hadden, Richard W. (1997); *Sociological Theory: An Introduction to Classical Tradition*; Canada: Broadview Press.
13) Hussain, Maqitul (1996); *A Prologue to Five Sociologists*; Assam: T.L.B. Publishers.

14) Mirfin, Derick (1996). *Vilfredo Pareto: Sociological Writings*; London: Pall Mall Press.
15) Ritzer, George (2008); *Modern Sociological Theory*; New York: McGraw-Hill.
16) Ritzer, George (2011); *Sociological Theory*; New Delhi: Tata McGraw-Hill Edition.
17) Ritzar, George and Douglas, J. Godman (2003); *Sociological Theory*; McGraw Hill.
18) Royce, Edward (2015); *Classical Social Theory and Modern Society: Marx, Durkheim, Weber*; London: Rowman & Littlefield.
19) Saikia & Buragohain (2010); *Sociology: Theories and Issues*; Jorhat: Vidya Bhavan.
20) Thompson, E. P. (1963); *The Making of the English Working Class*; United Kingdom: Vintage Books.
21) Weber, Max. (1930) *The Protestant Ethic and the Spirit of Capitalism;* London: Routledge.
22) ———— (1920); *The Sociology of Religion.* London: Methuen & Co. Ltd.
23) Wolff, K. H. (1964); *The Sociology of George Simmel*; London: The free Press.